রংপুরের ইতিহাস

জয়ন্ত গোস্বামী

বাসন্তী প্রকাশ
আমবাগা

প্ৰকাশক ঃ
বাসন্তী প্ৰকাশ
আমবাঙ্গা ৭৮১১৩০
কামৰূপ ঃ অসম

বেটুপাত ঃ
শৰ্মা আৰ্ট কটেজ
ভৰলুমুখ, গুৱাহাটী

প্ৰথম প্ৰকাশ ঃ
জানুৱাৰী—১৯৯৪

মূল্য ৫০·০০ টকা

পৰিবেশক ঃ
অসমী প্ৰকাশন
পাণবজাৰ, গুৱাহাটী

ছপা ঃ
জনতা প্ৰেছ
মিৰ্জা—৭৮১১২৫

: উৎসর্গ :

পরম পূজনীয় পিতৃ দেবতা

স্বর্গীয় চন্দ্র কান্ত গোস্বামীর

পবিত্র

স্মৃতিতে ।

ঃ উপক্ৰমণিকা ঃ

ঠাইখনৰ নাম ৰংপুৰ — পৃথিৱীৰ আন ভূ-ভাগৰ লগত একেবাৰে সংযোগ বিচ্ছিন্ন এই ঠাইখন যেন এখন স্বয়ং সম্পূৰ্ণ পৃথিৱী। ৰংপুৰৰ বাহিৰেও যে অন্য কৰবাত আন ঠাই এখন থাকিব পাৰে— সিহঁতে সপোন দেখে, একেলগে বাস কৰা মানুহখিনিৰ বাহিৰেও যে অন্য এখন ঠাইত সিহঁতৰ দৰেই ভেক্ত মানুহৰ সমূহ বাস কৰিব পাৰে সেই চিন্তা ৰংপুৰৰ সীমিত সংখ্যক জন-সাধাৰণৰ কল্পনাৰো অগোচৰ। হাতৰ মুঠিতে পোৱা বস্তু কেইপদক লৈয়েই সিহঁত সন্তুষ্ট। এই বিষয়ে চকৈ চিন্তা কৰিবলগীয়া কোনো পৰিস্থিতিৰো আজিলৈকে উদ্ভৱ হোৱা নাই।

ৰংপুৰৰ ভৌগোলিক পৰিবেশও যেন ৰংপুৰবাসীক এই বিষয়ে চিন্তা ভাৱনা কৰিবলৈ দিয়াৰ পক্ষপাতী নহয়। সিহঁতে বসবাস কৰি থকা এই ঠাইখনক বেঢ়ি থকা বহল সমতল ভাগৰ চৌদিশে গভীৰ অৰণ্য, পাহাৰ-পৰ্বতবোৰৰ অৱস্থিতি এনে আচৰিত ধৰণৰ যে— ৰংপুৰৰ পৰা যি কালেই চকু ফুৰোৱা যায়—সেই কালেই কেৱল মাথোন গাঢ় নীলা পাহাৰ আৰু শীৰ্ষ প্ৰদেশ বৰফত পোত গৈ থকা পৰ্বতবোৰহে

চকুত পৰে। থাক্ থাক্‌কৈ অৱস্থিত এই পাহাৰ পৰ্বতবোৰৰ বৃত্তৰ মাজত ৰংপুৰখনক এনেহে লাগে যেন কোনোবা অদ্ভুত কল্পনা বিলাসী শিল্পীয়ে অঙ্কিত কৰা সেইখন এখন 'অবাস্তব চিত্ৰ'। পদপ্ৰান্তৰ গহীন অৰণ্যৰাজিক অতিক্ৰম কৰি ক্ৰমান্বয়ে এশাৰী ওখ টিলাৰ পিছত তাৰ পাছকৈ ওখ পাহাৰৰ শাৰী এটি। এনেদৰে ক্ৰমে ক্ৰমে অনুক্ৰমে ওখ হৈ গৈছে গোৱা পাহাৰৰ থাক বোৰৰ শেষত ওখ পৰ্বতৰ গগন চুম্বি তুষাৰ ধৱল চূড়াবোৰে ৰংপুৰক চাৰিও ফালৰে পৰা শুভ্ৰ মুক্তাকাৰ মালা এডালেৰে যেন আৱৰি ৰাখিছে।

পূব দিশৰ পৰ্বত-পাহাৰ ভেদ কৰি ৰংপুৰৰ খেতি পথাৰৰ মাজেৰে অকোৱা-পকোৱাকৈ বৈ আহি পশ্চিমৰ পৰ্বতমালাৰ মাজত অদৃশ্য হৈ গৈছে ৰংপুৰীয়া ৰাইজৰ অতিকৈ আপোন 'মাতৃ স্বৰূপা' ৰংপুৰ নদী। খৰালি কালত তেনেই শুকাই গৈ নদী গৰ্ভৰ সৰু বৰ শিল-বোৰৰ ফাকে ফাকে কুলু কুলু সুৰেৰে বৈ থকা সেই একেই নদীখনে বাৰিষা কালত যেতিয়া প্ৰবল আকাৰ ধৰি উপচি পৰে—ৰংপুৰীয়া ৰাইজৰ খেতি পথাৰেও সেউজীয়া ৰূপ ধাৰণ কৰে। ডাঙৰ ডাঙৰ গছবোৰৰ মাজখিনি কাটি উলিয়াই নিৰ্মাণ কৰা নাওবোৰত উঠি ডেকাইতে ৰংপুৰ নদীৰ বুকুৰ পৰা ৰূপোৱালী মাছবোৰ আজৰি উলি-য়াই আনে। পিছে মাচমৰীয়া ডেকাইতৰো কৰ্মক্ষেত্ৰ নদীটোৰ ৰংপুৰস্থ অংশটোতেই আৱদ্ধ। ৰংপুৰৰ পূৰ্ব নিৰ্দ্ধাৰিত সীমা অতিক্ৰম কৰি যোৱাটো সিহঁতৰ বাবে নীতি বিৰুদ্ধ কথা।

এই বিষয়টোত অৱশ্যে ৰংপুৰ সমাজত এটি বহু পুৰণি বিশ্বাসেও ইন্ধন যোগাইছে। বহুকাল আগৰে পৰা সিহঁতে পূব দিশটোক 'বেলি উঠা পোহৰৰ দিশ' হিচাপে গণ্য কৰি আহিছে পোহৰৰ দিশ মানেই সিহঁতৰ বিশ্বাসত দেৱতাৰ 'আবাস ভূমি'। দেৱতা সকলৰ প্ৰতি ভয়-ভক্তি আৰু শ্ৰদ্ধাৰ ভাৱ পোষণ কৰি চলা হেতুকে অতীত কালত কোনো মানুহেই সেই দিশেৰে যোৱাৰ ইচ্ছা প্ৰকাশ নকৰিছিল। বছৰৰ পিছত বছৰ ঘূৰি সেইটো এটি সিহঁতৰ বাবে সনাতন নিয়মত

পৰিণত হৈছে। আনহাতে আকৌ পূৰ্বপুৰুষ সকলৰ দৰে সিহঁতেও বিশ্বাস কৰে যে ৰংপুৰ নদীয়ে সকলোবোৰ পানী বোৱাই লৈ গৈ পশ্চিম দিশত পানীৰ প্ৰকাণ্ড আধাৰ এটিৰ সৃষ্টি কৰিছে। ৰংপুৰত কোনো মানুহৰ মৃত্যু হ'লে মৃতদেহবোৰ ৰংপুৰ নদীৰে পশ্চিম দিশলৈ উটুৱাই দিয়া হয়। সেই বাবে সিহঁতৰ বদ্ধমূল ধাৰণা যে পশ্চিম দিশত আছে 'মৃতকৰ দেশ'। সেইপিনে পথাৰত কাম কৰিব গলেও সিহঁত দল বান্ধিহে যায়। বাৰিষা কালত মৃতকৰ দেশৰ পৰা ৰিণিকি ৰিণিকি ভাঁহি অহা গৰ্জন সিহঁতে সদায়েই শুনিবলৈ পায়। ৰংপুৰৰ পশ্চিম দিশটো সেই বাবেই সিহঁতৰ বাবে পূৰ্বৰে পৰা বৰ্জনীয়।

ৰংপুৰীয়া ৰাইজে উত্তৰ আৰু দক্ষিণ এই দিশ দুটা কি কাৰণে বৰ্জন কৰি আহিছে তাৰ সঠিক উত্তৰ কোনেও নাজানে; জানিবলৈ অৱশ্যে ইচ্ছাও নকৰে। কিন্তু খৰালি কালত ৰংপুৰৰ চৌদিশৰ সেৰেঙা জংগলৰ কিছু দূৰ পৰ্য্যন্ত বনৰীয়া আলু, কচু আদি সংগ্ৰহ কৰিবলৈ সিহঁতে দলবান্ধি প্ৰৱেশ কৰে। ক্ষুধা নিবাৰণৰ বাবেই হয়তো এই ব্যতিক্ৰম। এইদৰে চিনাকি ৰংপুৰখনৰ ভিতৰতে আবদ্ধ হৈ থাকিব লগীয়া হোৱা বাবে সিহঁতৰ বিশেষ ক্ষোভ বা আক্ষেপো নাই। কিছুদিনৰ আগলৈকে একেবাৰে নাছিল।

ৰংপুৰৰ বাসিন্দা সকলে যিখন ঠাইত ওচৰৰ জংগলৰ পৰা বাঁহ-বেত, খেৰ-কাঠ, আদি যুগুতাই আনি সৰু সৰু পঁজা ঘৰ বান্ধি একেলগে বাস কৰে, সেই ঠাইখনো দৰাচলতে কাছৰ খোলটোৰ দৰে এটা আহল-বহল টিলাহে। সেই টিলাটোক কেন্দ্ৰ কৰি ৰংপুৰৰ বিস্তীৰ্ণ খেতি পথাৰ। আৰু তাৰ আটাইতকৈ ওখ ঠাইখিনিত ৰংপুৰীয়া ৰাইজৰ সমূহীয়া দেৱ মন্দিৰটো অৱস্থিত। দেৱ মন্দিৰৰ চৌকাষে ভালে-খিনি ঠাই মানুহবিলাকে গো-চৰণীয়া পথাৰ হিচাপে ব্যৱহাৰ কৰি আহিছে। বাৰিষা কালত ৰংপুৰৰ 'উত্তৰ পুৰুষ'—সৰু ল'ৰা-ছোৱালী বিলাকে এই চৰণীয়া পথাৰখনতেই নানা ধৰণৰ খেল-ধেমালিত ব্যস্ত থাকে। কিন্তু খৰালি কালত সিহঁতে ৰংপুৰ নদী আৰু উদং পথাৰৰ

ধানর নবাব মাজত নানা ধৰণৰ খেলৰ পোহাৰ মেলিবলৈ সুবিধা পায়।

দেৱ মন্দিৰটোৰ সমুখত কোটিকলীয়া দেৱদাৰু গছ এজোপা আকাশ চুবলৈকেহে যেন বৈ আছে। পথাৰখনৰ যি ফালৰে পৰা চোৱা হয় সেই ফালৰে পৰা বুঢ়া গছজোপাৰে দেৱ মন্দিৰটোহে পোন প্ৰথমতে চকুত পৰে। চিন্তা কৰোঁতাজনে তেতিয়াহে চিন্তা কৰিব পাৰে—সেই ঠাইডোখৰ পথাৰ খনতকৈ কিমান ওখত অৱস্থিত। প্ৰতিদিনে সাঁজ লগাৰ সময়ত ৰংপুৰৰ বহুজন সংখ্যক লোকে দেৱ মন্দিৰত সিহঁতৰ আৰাধ্য দেৱতাজনৰ উদ্দেশ্যে থাপনা কৰা বেদীত চাকি-বন্তি জলাই ৰংপুৰৰ কল্যাণৰ বাবে প্ৰাৰ্থনা কৰেহি। সিহঁতৰ মাজত আৰাধ্য দেৱতাজনৰ কথা কোনো কাৰণত উত্থাপিত হলে সিহঁতে তেওঁক "আচৰিত দেৱতা" বুলিহে উল্লেখ কৰে। সিহঁতৰ আৰাধ্য দেৱতা জনৰ সেইটোৱে যেন প্ৰকৃত নামকৰণ।

পূৱ দিশত থকা ওখ পৰ্বতবিলাক ভেদ কৰি ৰংপুৰৰ আকাশত যেতিয়া সূৰ্য্যৰ মুখ দেখিবলৈ পোৱা যায়—তেতিয়া আৰু ৰাতিপুৱা হৈ নাথাকে। আকৌ বেলি মূৰৰ ওপৰ পোৱাৰ মাথোন অলপ সময় পিছতেই ই মূৰকৰ দিশত থকা ওখ পৰ্বত মালাৰ আঁৰত লুকাই পৰিবৰ সময় উপস্থিত হয়। 'পোহৰৰ প্ৰয়োজন'—বিশেষকৈ শীত কালৰ দিন কেইটাত বাৰুকৈয়ে অনুভৱ হয় যদিও—সিহঁতৰ বাবে এইটোও প্ৰকৃতিৰ এক চিৰ প্ৰচলিত নিয়ম। খেতিৰ অৱস্থা দিনক দিনে বেয়াৰ ফালে গতি কৰাৰ বাবেহে ৰংপুৰৰ দুই এজন লোকে আজি কালি ৰংপুৰত পোহৰৰ অনাধিকাৰ কথা মাজে সময়ে চিন্তা কৰিবলৈ লৈছে

ৰংপুৰৰ ভৌগোলিক মানচিত্ৰ নাই। ৰংপুৰবাসীৰ বাবে এই চিন্তা অকল্পনীয়। কিন্তু দেৱ মন্দিৰৰ সমুখৰ বুঢ়া দেৱদাৰু গছ জোপাত যি জন মানুহেই উঠিছে সেইজনৰ অন্তৰতে নিজৰ অজ্ঞাত-সাৰে ৰংপুৰৰ মানচিত্ৰ খন অঙ্কিত হৈ আছে। আৰু ৰংপুৰত এনে

এজন কিশোৰ নাইবা প্ৰাপ্তবয়স্ক মানুহ নাই—যিজনে জীৱনত এবাৰ মাথো হ'লেও সেই আকাশ চুম্বী দেৱদাৰু গছজোপাৰ শীৰ্ষ প্ৰদেশলৈ বগাই গৈ নিজৰ অজ্ঞাতসাৰে ৰংপুৰৰ মানচিত্ৰখন অন্তৰত অঙ্কন কৰি পুনৰ নামি অহা নাই। বিশেষ কোনো উদ্দেশ্য নাথাকিলেও সিহঁতৰ বাবে এইটো এটা নিৰ্দোষ খেমালি।

লিখা পঢ়াৰ বিষয়েও যিহেতু ৰংপুৰবাসীৰ কোনো ধাৰণা নাই-- সেই ক্ষেত্ৰত ৰংপুৰৰ লিপিবদ্ধ ইতিহাসৰ অন্বেষণ কৰা সম্পূৰ্ণ নিৰৰ্থক। চিন্তাৰ স্থূলতাই সিহঁতক এনেদৰে গ্ৰাস কৰি আছে যে—অতীতত সংঘটিত কোনো ঘটনাই পৰোক্ষ বা প্ৰত্যক্ষভাৱে সিহঁতৰ জীৱন যাত্ৰাত আজিকোপতি কোনো প্ৰভাৱ পেলাব পৰা নাই। অকস্মাতে কিবা এটা ঘটিলেও চিৰ প্ৰচলিত ঘটনা এটি বুলিয়েই সিহঁতে গা এৰা দি বহি থাকে। আঙুলিৰ মূৰত লিখিব পৰা দুই এজন লোকে আজিকালি অতীত ৰোমন্থন কৰিবলৈ আৰম্ভ কৰিছে,--যদিও সেই কথা সৰ্বসাধাৰণৰ কল্পনাৰো অগোচৰ।

তথাপিও—ৰংপুৰৰ ভূত ভৱিষ্যৎ লৈ কোনো দিনে কোনেও মূৰ নঘমালেও, ৰংপুৰক মাথো ৰংপুৰ বুলি ভাবি থলেও, মাজে সময়ে কেতিয়াবা খেতিৰ কামৰ ফাঁকে-ফাঁকে জিৰণিৰ সময়ত, বাজহুৱা মেল আদিত বিগত বছৰৰ খেতি-বাতি, চিকাৰ, আনন্দ মেলাৰ বিষয়ে - কেতিয়াবা আকৌ ৰংপুৰ নামটো লৈ—'এই নামটো বাৰু কোনে কি প্ৰসঙ্গত কেতিয়া দিলে,— ইত্যাদি ধৰণৰ কথা সিহঁতৰ মাজত আলোচিত হয়। পিছে প্ৰায়ভাগ আলোচনাই ভৰ বাৰিষা ৰংপুৰ নদীৰ বুকুত কোনোবা শিশুৱে শিলগুটি দলিয়াই কাণ্ডকৰ বাবে খলকনি তোলাৰ দৰে। প্ৰায়ভাগ সময়তে সিহঁতে এনেধৰণৰ কৌতুহল বিলাকৰ নিবৃত্তি ঘটুৱাবলৈ গৈ তুমুল আলোচনা বিলোচনা কৰি হঠাতে প্ৰসঙ্গ পাহৰি গৈ অন্য আলোচনাত নিমগ্ন হয়। 'পোহৰৰ বাটলৈ আহিব খোজা ৰংপুৰৰ ইতিহাসে পুনৰ থমকি ৰয়।

তথাপিও ৰংপুৰৰ ইতিহাস আছে। ৰংপুৰ নদীক কেন্দ্ৰ কৰি কোনোবা দূৰ অতীতত সেই ইতিহাসে যিদিনাখন পাতনি মেলিছিল— নিজস্ব গতিৰে সেই ইতিহাসে নিজস্ব ছন্দত আজিও প্ৰবাহিত হৈ আছে। ৰংপুৰীয়া ৰাইজৰ স্মৃতিৰ পটত খণ্ড বিখণ্ডকৈ হলেও, কেতিয়াবা দৈৱ দুৰ্ঘটনা, প্ৰাকৃতিক বিপৰ্য্যয়, কেতিয়াবা কিংবদন্তি ৰূপে সেই ইতিহাস নিজস্ব ৰূপত মূৰ্তিমান হৈ পুনৰ মাৰ যায়। ৰংপুৰ নদীৰ দৰে চিৰ প্ৰবাহমান এই ইতিহাসে আজিলৈকে কোনো মানুহৰ অন্তৰতে গভীৰভাৱে ৰেখাপাত কৰিব পৰা নাই।

এই বিষয়ত ব্যতিক্ৰম কেৱল ৰংপুৰ ককা। ৰংপুৰৰ আটাইতকৈ বয়োবৃদ্ধ মানুহ তেওঁ। ৰংপুৰৰ ইতিহাস বিচাৰিব গলে তেওঁৱেই 'ৰংপুৰৰ মূৰ্তিমান ইতিহাস।' অতীত-বৰ্ত্তমানৰ স্মৃতি বিজৰিত ভালেমান ঘটনা তেওঁৰ অন্তৰত ঠাই খাই আছে। ছেগাচোৰকাকৈ কেতিয়াবা প্ৰসঙ্গক্ৰমে তাৰে কিছুমান তেওঁ ৰাইজক কবলৈ যত্ন কৰে। কিন্তু ৰাইজেও তেওঁৰ কথাবোৰত বিশেষ গুৰুত্ব আৰোপ নকৰে—; কৰিলেও পিছ মুহূৰ্ত্ততে পাহৰি যায়। তথাপিও ৰংপুৰৰ সৰ্বসাধাৰণৰ বাবে ককা 'ৰংপুৰৰ জ্ঞানৰ ভঁড়াল।'

ভালেমান দিন হ'ল—ৰংপুৰৰ ককাই নিজৰ নামটোকে পাহৰি গৈছে। তেওঁৰ লগত উমলিবলৈ অহা ল'ৰা-ছোৱালীবোৰে ধেমালিতে কেতিয়াবা তেওঁৰ নিজৰ নামটো সুধিলেও ককাই এঁকবাৰ দৰে হাঁহি এটি মাৰি 'ৰংপুৰ ককা' বুলিহে কয়। বয়সীয়া মানুহ বিলাকৰো বহুতেই তেওঁ নিজৰ নামটো পাহৰি যোৱা কথাটো নাজানে। যিবিলাকে জানে,—সিহঁতেও এই বিষয়ে দকৈ চিন্তা কৰা নাই। 'ৰংপুৰ ককা' নামটো সিহঁতৰ মাজত ইমান জনপ্ৰিয় যে ৰংপুৰৰ বাসিন্দা সকলৰ মানত তেওঁৰ নামটোৰ কোনো যেন প্ৰয়োজনেই নাই।

ৰংপুৰ ককাৰ বয়স চাৰিকুৰিৰ ওপৰেই হ'ব কিজানি। তেওঁৰ কাণসমনীয়া যিবিলাক আছিল সিহঁতৰ মৃতদেহবোৰ কোন

কাহানিবাতেই ৰংপুৰ নদীৰে উটি গ'ল। তেওঁ যেতিয়া কুৰি বছৰীয়া চঞ্চল ডেকা সেই সময়তেই এবাৰ মহামাৰী হৈ ৰংপুৰখন প্ৰায় জনশূন্য হৈ পৰিছিল। ককাৰ বয়সৰ প্ৰায়ভাগ ডেকা-গাভৰুৱেই সেই মহামাৰীৰ বলি হৈছিল।

ৰংপুৰ ককাই যোৰ নাপাতিলে। কিয় নাপাতিলে সেই কথা তেওঁহে মাথোন জানে। এই বিষয়ে প্ৰশ্নৰ অৱতাৰণা কৰি ৰংপুৰৰ কোনো মানুহেই আজিকোপতি ককাক বাৰিশাস্ত কৰা নাই। দৰাচলতে দুই এজন মুষ্টিমেয় মানুহেহে ককাক চিৰকুমাৰ বুলি জানে।

ডেকা কালৰ সেই সৰ্বনাশী মহামাৰীটোক বাদ দিলে ৰংপুৰ ককাৰ জীৱন কালত সৰু সুৰা দুই এটা ঘটনাৰ বাহিৰে উল্লেখযোগ্য কোনো ঘটনা সংঘটিত হোৱা নাই। ককাৰ নিজৰো সেয়ে মত। কিন্তু তেওঁৰ জন্মৰ বহু বহু বছৰ আগতে ৰংপুৰত এটা আচৰিত ঘটনা ঘটিছিল। সেইটোৱেই কিজানি ৰংপুৰীয়া বাইজৰ বাবে আটা-ইতকৈ আচৰিত ঘটনা;—ৰংপুৰৰ অলিখিত সনাতন ইতিহাসৰ মুখ্য ঘটনা।

'এটা আচৰিত জন্তুৰ পিঠিত উঠি অচিনাকি মানুহ এজনে এদিনাখন চলপুৱাতে পুৱকালৰ পাহৰৰ দেশৰ পৰা পৰ্বত-পাহাৰ ভেদ কৰি হঠাতে ৰংপুৰত পদাৰ্পণ কৰিছিলহি'।

ককাই শুনা কথা -এই আচৰিত মানুহজনক দেখি ৰংপুৰ বাসিন্দাসকল হেনো কিংকৰ্তব্যবিমূঢ় অৱস্থাত পৰিছিল। কিয়নো তেওঁৰ আগমন আছিল সিহঁতৰ বাবে তেনেই অপ্ৰত্যাশিত আৰু সম্পূৰ্ণ অস্বাভাৱিক। কিন্তু সুন্দৰ সুঠাম দেহৰ মানুহজনে অতি কম সময়ৰ ভিতৰতে তেওঁৰ সহজ সৰল আৰু আন্তৰিকতাপূৰ্ণ আচাৰ-ব্যৱহাৰৰ দ্বাৰা ৰংপুৰবাসীৰ কোমল হৃদয় অতি সহজতে জয় কৰি ললে। অতি কম সময়ৰ ভিতৰতে তেওঁ সিহঁতৰ মাজৰে এজন হৈ পৰিল।

কালক্ৰমত এই প্ৰখৰ ব্যক্তিত্ব সম্পন্ন আচৰিত মানুহজন ৰং-

পূৰ্বীয়া ৰাইজৰ ইমান আপোন হৈ পৰিল যে—সিহঁতে বৰ্তমানে দেৱ মন্দিৰটো থকা ঠাইত মানুহজনৰ বাবে লগে ভাগে ঘৰ এটিও বান্ধি দিলে। আনকি ৰংপুৰৰ আটাইকে গুৰুণী গাভৰু গৰাকীৰ লগত তেওঁৰ বোৰ পাতি দিলে। আচৰিত মানুহজনে এই ঘৰটোত এবছৰৰে অধিক কাল বাস কৰিছিল। এই চুটি দিন কেইটাৰ ভিতৰতে তেওঁ ৰংপুৰবাসীক নানা ধৰণৰ শিক্ষা দিছিল, বহুতো নজনা কথাৰ সন্ধান দিছিল। ককাই শুনা মতে তেওঁৰ পৰাই মানুহবোৰে লোৰ উৎপাদন আৰু ব্যৱহাৰ, নানা প্ৰজাতিৰ গছৰ পৰা সূতা উলিয়াই কাপোৰ তৈয়াৰ কৰিব শিকিছিল। আনকি খেতি-বাতিৰ বিষয়েও তেওঁ সিহঁতক জ্ঞান বিতৰণ কৰিছিল। আনকি তেওঁ তেনো পূব দিশত অৱস্থিত পোহৰৰ দেশৰ অধিকাৰী দেৱতা সকল, তেওঁ-লোকৰ অলৌকিক শক্তিৰ বিষয়েও সিহঁতৰ আগত ব্যাখ্যা কৰিছিল। আকাশৰ তৰা-বেলি-জোন, দেওবানৰ পৰ্বত-পাহাৰ, উৰ্বৰা খেতিৰ মাটি বোৰ, জান-জুৰি, নৈ, হ্ৰদ, আনকি ৰংপুৰৰো প্ৰকৃত গৰাকী যে দেৱতা সকল এই কথাও ৰংপুৰবাসীয়ে তেওঁৰ মুখেৰেই প্ৰথম শুনিছিল। শুনি বিশ্বাস কৰিছিল।

সেই আচৰিত মানুহজনেহে কিন্তু ৰংপুৰত বেছি দিন নাথাকিল। কোনো ধৰণৰ আগজাননী নিদিয়াকৈ এদিনাখন চন্দপুৰাতে নিজৰ তিৰোতা গৰাকী আৰু এমহীয়া শিশুটিক ৰংপুৰতে এৰি তেওঁ আচৰিত জন্তুটোৰ পিঠিত উঠি পূৱ ফালৰ পোহৰৰ দেশলৈ ঢপলিয়াই গৈ অদৃশ্য হৈ পৰিল।

বনজুইৰ দৰে বিয়পি পৰা এই ঘটনাটিয়ে নিমিষতে ৰংপুৰ খলক লগালে। মাঘ মাহৰ প্ৰথমা পূৰ্ণিমা তিথিৰ দিনাখনৰে পৰা ৰংপুৰত নতুন বছৰৰ পাতনি মেলে। সেই দিনাখনো মাঘ মাহৰ প্ৰথম পূৰ্ণিমা তিথি আছিল। অপ্ৰত্যাশিত এই ঘটনাটিয়ে ৰংপুৰ বাসীক ভালদৰে বিমোৰত পেলালে। সিহঁতে ভয়ো খালে। ফলত অতি কম সময়ৰ ভিতৰতে ৰংপুৰৰ আবাল-বৃদ্ধ-বণিতাৰে আচৰিত

দেৱতা জনৰ চোতাল উদুলি-মুদুলি হ'ল। সিহঁতৰ বিশ্বাস হ'ল আচৰিত মানুহজনৰ তিৰোতা জনীয়ে নিশ্চয় সিহঁতৰ সন্দেহ ভঞ্জন কৰিব পাৰিব।

তাৰপিছত সিহঁতৰ অবাক হোৱাৰ অৱস্থা। আচৰিত মানুহজন দৰাচলতে হেনো মানুহ নাছিল। তেওঁ দেৱতা আছিল। ৰংপুৰীয়া বাইজৰ জ্ঞান চকু মুকলি কৰিবলৈ তেওঁ মানুহৰ ৰূপত কিছুদিনৰ বাবে ৰংপুৰলৈ আহিছিল। উদ্দেশ্য সুকলমে সমাধা হোৱাৰ অন্তত থানৰ দেৱতাই পুনৰ থানলৈকে প্ৰত্যাবৰ্তন কৰিলে। কিন্তু ৰংপুৰীয়া ৰাইজৰ লগত থকা চেনেহৰ এনাজৰীডাল ছিঙিব নোৱাৰি তেওঁৰ অতিকৈ আপোন স্ত্ৰী পুতেক ছালক সিহঁতৰ তত্বাৱধানতেই এৰি থৈ গ'ল।

ঘৈণীয়েকৰ মুখে সবিশেষ শুনি আচৰিত দেৱতাজনক শেষলৈকে চিনি নোপোৱাৰ দুখে মৰ্মাহত কৰা ৰংপুৰবাসীৰ লোকৰ বোজা কিছু পৰিমাণে হলেও পাতলিল। আচৰিত দেৱতাজনে অতি যতন কৰি পোতা লহপহীয়া দেৱদাৰু গছৰ পুলিটোৰ ওচৰতে সিহঁতৰ মেল বহিল। নানা ধৰণৰ আলাপ-আলোচনা, তৰ্ক-বিতৰ্কৰ অন্তত সৰ্ব্বাদী সন্মতভাবে সিহঁতে সিদ্ধান্ত কৰিলে 'আচৰিত দেৱতা জনৰ স্ত্ৰী পুত্ৰক সিহঁতৰ লগতে থাকিবলৈ সুবিধা কৰি দি তেওঁৰ বাস গৃহ-টোকেই নতুনকৈ সজাই পৰাই সিহঁতৰ 'দেৱ মন্দিৰ' হিচাপে ব্যৱহাৰ কৰা হওক। আৰু তাত দেৱতা জনৰ উদ্দেশ্যে 'থাপনা' এখনো পতা হওক। লগতে তেওঁৰ অন্তৰ্ধানৰ দিনাখনৰে পৰা তিনিদিন ধৰি আচৰিত দেৱতা জনৰ পবিত্ৰ স্মৃতিত দেৱমন্দিৰৰ সন্মুখত তিনিদিনীয়াকৈ এখন আনন্দ মেলা অনুষ্ঠিত কৰা হওক।

দেৱদাৰু গছজোপাই বহু যুগ ধৰি ৰংপুৰৰ ইতিহাস অৱলোকন কৰি কৰি এতিয়া বৃদ্ধ হ'ল। কালক্ৰমত ৰাইজৰ অতি মৰমৰ আচৰিত দেৱতাজনো ৰংপুৰীয়া ৰাইজৰ 'আৰাধ্য দেৱতা'ৰ ৰূপত অধিষ্ঠিত হ'ল। তেওঁৰ লগত ৰাইজৰ পূৰ্বতে থকা আন্তৰিক সম্বন্ধত

ভাঙ্গোন ধৰি 'আসিত আৰু ত্ৰাতাৰ' সম্বন্ধ স্থাপিত হ'ল। আচৰিত দেৱতা জনৰ ৰংপুৰলৈ আগমন নিগমনৰ কাহিনী ৰাইজে আৰু মনত নাৰাখিলে। আনন্দ মেলাৰ দিন তিনিটাহে সিহঁতৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ দিন হিচাপে পৰিগণিত হ'ল।

এই আনন্দ মেলাৰ প্ৰথম দিনাখন ৰংপুৰৰ ডেকা-বুঢ়া, ল'ৰা-ছোৱালী সকলোৱে প্ৰাতঃ পুৱাতে দেৱ মন্দিৰলৈ আহি আচৰিত দেৱতা জনৰ উদ্দেশ্যে আগবঢ়োৱা নৈবদ্য শৰাইৰ আগত আঠু লৈ সকলোৱে মঙ্গল কামনা কৰি সন্ধিয়া পৰলৈকে দেৱতা জনৰ অনুগ্ৰহ লাভৰ বাবে নাম-কীৰ্ত্তন কৰি কটায়। ল'ৰা-ছোৱালীবোৰে বাৰেবৰণীয়া খেলৰ পোহাৰ মেলে। সন্ধিয়া পৰত ডেকা-গাভৰু বিলাকে ৰংপুৰ নদীৰ পাৰলৈকে গুলাই আহে। আগতে গোটাই থোৱা শুকান খৰি, ডাল পাত, বাঁহেৰে সাজি উলিওৱা 'বৰ মেজিত অগ্নি সংযোগ কৰি নতুন বছৰৰ পূৰ্ণিমাই প্লাৱিত কৰা ৰূপোৱালী পোহৰত 'বৰ মেজিক' কেন্দ্ৰ কৰি সিহঁতৰ যৌৱনৰ আনন্দোৎসৱ আৰম্ভ হয়। গোটেই নিশাটো ধৰি সিহঁতে ঢোল-পেঁপা গগণাৰ উত্তাল মধুৰ ছন্দৰ ছেৱে ছেৱে গীত গাই নাচি বাগি আনন্দ কৰে। সিহঁতৰ মিলিত আনন্দই সমগ্ৰ ৰংপুৰত আনন্দৰ প্লাৱন আনে: মেজিৰ জুইৰ পোহৰত কুঁৱলী আঁতৰি যায়।

আনন্দ মেলাৰ দ্বিতীয় দিনটো ৰংপুৰীয়া ৰাইজৰ সামাজিক জীৱনৰ বিশেষ গুৰুত্বপূৰ্ণ দিন। সেই দিনাখনৰে পৰা ৰংপুৰৰ বিবাহযোগ্য ডেকা-গাভৰু খিনিৰ যুগ্ম জীৱন আৰম্ভ হয়। বয়সীয়া লোক সকলেই আলোচনা বিলোচনা কৰি সিহঁতৰ যোৰ পতা কাৰ্য সমাধা কৰে। ডেকা-গাভৰু সকলেও নিৰ্বিবাদে ডাঙৰলোকৰ ৰায় মানি লয়। মন বুজি কাম কৰাৰ বাবেই নেকি এই যোৰ পতা বিষয়ত আজিলৈকে ৰংপুৰত কোনো ধৰণৰ দন্দ-খৰিয়াল নাইবা মনোমালিন্য প্ৰকাশ্য ভাবে কাৰো দৃষ্টিগোচৰত পৰা নাই।

আনন্দ মেলাৰ তৃতীয় দিনাখনৰ কাৰ্যবিধি প্ৰথম ছুটা দিনতকৈ সম্পূৰ্ণ বেলেগ। সেইদিনাখন ৰাতিপুৱাতে ৰংপুৰীয়া বাইজে দেৱ মন্দিৰলৈ গৈ আচৰিত দেৱতা জনক প্ৰণিপাত কৰি ৰংপুৰ পথাৰলৈ ওলাই আহে। সেইদিনা ৰংপুৰবাসীৰ সমূহীয়া ভোজ ভাত খোৱাৰ দিন। বছৰেকৰ মূৰত সেইদিনাখনেই সিহঁতে সকলোবোৰে মিলিজুলি ভোজ ভাত খাই আনন্দ কৰে, নতুন বছৰক স্বাগতম জনাই। সন্ধিয়া বেলিকা দেৱ মন্দিৰত বয়োজ্যেষ্ঠ সকলৰ ৰাজহুৱা মেল বহে। বিগত বছৰৰ ভুল-ভ্ৰান্তিবোৰ আলোচনা কৰি আগত বছৰৰ কাৰ্যপন্থা সেইদিনাখনেই যুগুত কৰা হয়। লগে লগে আনন্দ মেলাৰো সমাপ্তি ঘোষণা কৰা হয়।

সম্পূৰ্ণ ছুটা দশক ধৰি ৰংপুৰ ককাই এই আনন্দ মেলাৰ হোতা হিচাপে কাম কৰি আহিছে; যোৰ পতা কাৰ্যত মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে;—ৰংপুৰৰ ভৱিষ্যত কাৰ্যবিধি ৰচনা কৰাত আগভাগ লৈ আহিছে। ককাৰ কথা ৰংপুৰ সমাজত শিলৰ ৰেখা। মানুহৰ বিশ্বাস—'ৰংপুৰৰ জ্ঞানৰ ভঁড়াল' ৰংপুৰ ককাৰ সিদ্ধান্ত সদায় নিৰ্ভুল, -- তেওঁ সিহঁতৰ পেটৰ কথা নিজৰ ভাষাত ব্যক্ত কৰিব পাৰে। সেই বাবে ককাৰো দায়িত্ব বহুত। ৰংপুৰৰ উন্নতি, ভূত ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই তেওঁৰ সময়বোৰ অতিবাহিত হয়।

প্ৰায় এবছৰ মানেই হ'ল—ৰংপুৰ ককাৰ চিন্তা ৰোগ হৈছে। নিসঙ্গতাই এই ৰোগটিত যেন আৰু ইন্ধন যোগাইছে। অকলশৰীয়া অৱস্থাত আজি কালি তেওঁ বিগত দিনবোৰৰ খণ্ডিত ঘটনাবোৰ স্মৰণ কৰি, বিশ্লেষণ কৰিয়েই সময়বোৰ অতিবাহিত কৰে। ভৱিষ্যতৰ কথা চিন্তা কৰিবলৈ তেওঁ প্ৰায় এৰিয়েই দিছে। তথাপিও ৰংপুৰৰ ভৱিষ্যতৰ লগত সাঙোৰ খাই থকা,— কিন্তু উত্তৰ নিমিলা নতুন চিন্তা কিছুমানে তেওঁক সঘনাই ব্যতিব্যস্ত কৰি তোলে।

আচৰিত দেৱতাজনৰ বিষয়ে ভালেমান কথা জানিলেও দেৱতা জনৰ স্ত্রী-পুত্রৰ বিষয়ে গুৰুত্ব সহকাৰে ককাই কোনো দিনে চিন্তা কৰা নাছিল। কিন্তু বৰ্ত্তমানে সেই চিন্তাটিয়ে তেওঁক অহৰহ আমনি কৰি থাকে। অৱশ্যে এই বিষয়ে তেওঁ এতিয়ালৈকে কাৰো লগতেই আলোচনা কৰা নাই। বহু কথা ভাৱি চিন্তি, বহু কথা জুকিয়াই চাই তেওঁ এটা সন্দেহযুক্ত সিদ্ধান্তত উপনীত হৈছে। 'আচৰিত দেৱতাজনৰ নাতি-পৰিনাতিবিলাকে কিজানি ৰংপুৰীয়া ৰাইজৰ মাজতেই মিলিমিছি একাকাৰ হৈ আছে,—চিনিবহে কোনেও পৰা নাই'। যিমানেই দিন গৈছে সিমানেই ৰংপুৰ ককাৰ এই বিশ্বাস দৃঢ়ৰ পৰা দৃঢ়তৰ হৈ গৈ আছে।

ভালেমান দিনৰে পৰা ৰংপুৰ ককাই আৰু এটা কথা খুব মন-যোগ সহকাৰে লক্ষ্য কৰি আহিছে। কাকো কোৱা নাই। এইবোৰ কথা ক'লেও কোনো লাভ নাই। কেতিয়াবা তেওঁ নিজেও এইবোৰ নিৰৰ্থক চিন্তা বুলি ভাৱে। 'প্রকৃতিৰ বিচিত্র গতিৰ বিষয়ে চিন্তা ভাৱনা কৰাৰ উপযুক্ত মানুহ ৰংপুৰ ককা নহয়'। মাজে মাজে তেওঁ সেই থকা ভাবিয়েই নিজৰ মনটিক পৰিৱৰ্ত্তন নিয়াবলৈ চেষ্টা কৰে। কিন্তু কোনো দিনে সফল নহয়।

ককাৰ ল'ৰালি কালৰ কথা। ধান কাটি অনাৰ পিছত বাওতলীয়া দ-মাটিবোৰৰ বন্ধ পানীত লগ-সমনীয়া জাকৰ লগত গৰৈ-মাগুৰ, পুঠি, চেঙেলি আদি মাছ ধৰাত দিনৰ দিনটো ব্যস্ত হৈ থকা দিনবোৰৰ কথা। সেইটো আছিল ৰংপুৰৰ সকলো ল'ৰা-ছোৱালীবিলাকৰ 'লতামাগুৰী' ধানৰ নৰা তলীৰ বন্ধ পানীত মাছ ধৰা উৎসৱ। ককা হঁতৰ বয়সৰ ল'ৰা-ছোৱালী খিনিৰ একান্ত নিজস্ব উৎসৱ।

আজিকালি কিন্তু সেই উৎসৱ উদ্‌যাপিত নহয়। সকলোৰে অলক্ষিতে ৰংপুৰৰ পৰা এই উৎসৱে মেলানি মাগিছে। খৰালি বত-ৰতো পানী বন্ধ হৈ থকা সেই দ-মাটিবোৰ কালক্রমত ইমান বাম হৈ গৈছে যে—বাওতলীয়া সেই মাটিবোৰতো আজিকালি লাহীধানৰ

খেতিহে কৰিবলগীয়া হৈছে। ৰংপুৰৰ এই প্ৰাকৃতিক পৰিবৰ্ত্তন ইমান মৃদু ভাৱে ঘটি আহিছে যে কথাটো কোনো এজন মানুহেই আজিলৈকে খেয়াল কৰা নাই। গুৰুত্ব সহকাৰে অৱশ্যে ককায়ো নকৰে। মাথোন ভাতৰ পাতত বহি কেতিয়াবা শৈশৱ কালত খোৱা লতামাগুৰী ধানৰ চাউলৰ সোৱাদৰ কথা মনত পৰিলে তেওঁৰ ভাৱ হয়—'ৰংপুৰ পথাৰৰ ভাল ধান হোৱা দ-মাটিবোৰ আজিকালি বাম হ'ল।

ৰংপুৰৰ ইতিহাসৰ এই বিলাকেই হয়তো সৰু বৰ ঘটনা। বাৰে ৰহনীয়া ৰূপ লৈ এই বিলাকেই হয়তো সেই ইতিহাস শোভিত কৰিলে-হেঁতেন। হয়তোবা সেই ইতিহাসত ৰংপুৰ ককাৰ বাবেও অলপ ঠাইৰ যোগাৰ হ'লহেঁতেন। কিন্তু ইতিহাসত অলীক সপোনবতো কোনো স্থান নাই। কিন্তু সেই অলীক সপোনেই ককাক সততে বিতত কৰি আহিছে: বহু চেষ্টা কৰিও তেওঁ সেই অমঙ্গলীয়া সপোন টিৰ কথা পাহৰিব পৰা নাই।

ভালে কেইবছৰমান আগৰ কথা। ৰংপুৰ ককাৰ দেহৰ অৱস্থা সেই সময়ত ভালেখিনি আটিল আছিল। ওখ দেৱদাৰু গছজোপাৰ শীৰ্ষ প্ৰদেশলৈ বগাই যোৱাৰ সাহসো আছিল, শক্তিও আছিল। এদিনাখন ৰাতি তেওঁ অদ্ভুত সপোন এটি দেখিলে। ৰংপুৰৰ ককাৰ ব্যক্তিগত জীৱনৰ সেইটোৱেই হ'ল আটাইতকৈ আচৰিত ঘটনা। শৈশৱৰে পৰা ৰংপুৰৰ অতীত কাহিনী মনোযোগেৰে শুনাত অভ্যস্ত ককাই ডেকা বয়সত যেতিয়া চিন্তা কৰিবও শিকিলে—তেতিয়াৰে পৰা কিয় জানো বৰ্ত্তমানলৈকে তেওঁ আচৰিত দেৱভাজনৰ কাহিনীবোৰ সহজ ভাবে ল'ব পৰা নাই। আজিলৈকে তেওঁ দেৱভাজনৰ বৰ্ত্তমান ভাৱমূৰ্ত্তিৰ লগত ল'ৰালি কালৰে পৰা বহুবাৰ শুনা সেই একেই কাহিনীটোৰ কোনোপধ্যে বজিতা খুৱাব নোৱাৰে। তেওঁৰ এই সন্দেহবাদী মনটো'ৰ বাবেই কিজানি ৰংপুৰৰ আন মানুহবোৰতকৈ

ককাৰ দেৱপ্ৰীতি অলপ কম আছিল। আৰাধ্য দেৱতা হিচাপে পূজিত হোৱা আচৰিত দেৱতাজনক পূৰ্বপুৰুষ সকলৰ দৰে 'বন্ধু'ৰ দৰে গ্ৰহণ কৰিব পৰা হ'লে তেওঁ যেন অধিক শান্তি পালেহেঁতেন। সেইবাবে কদাকাচিৎহে তেওঁ দেৱতাজনৰ থাপনাৰ ওচৰত আঠু লৈছিল। কিন্তু দেৱমন্দিৰৰ সমুখত থকা দেৱদাৰু গছজোপাৰ শীৰ্ষ প্ৰদেশলৈ আৰোহণ কৰি বংপুৰৰ মানচিত্ৰখন প্ৰতিদিনে চোৱাৰ যি অভ্যাস তেওঁৰ কৈশোৰ অৱস্থাৰে পৰা আছিল। ' অমঙ্গলীয়া সপোনটি' দেখাৰ দিনলৈকে সেই অভ্যাস তেওঁৰ অটুট আছিল।

এদিনাখন ৰাতি টুপৰত বংপুৰ ককাই সপোন দেখিলে। 'বংপুৰত আনন্দ মেলা আৰম্ভ হৈছে। কিন্তু পৰম্পৰা অনুযায়ী যিদৰে দেৱমন্দিৰৰ সমুখত এই উৎসৱ আৰম্ভ হয়, —এইবাৰ তাত নহৈ হৈছে খৰালি কালতো ফেনে-ফোটোকাৰে বৈ থকা বংপুৰ নদীৰ পাৰত। মেজিৰ জুইৰ পোহৰত ঢোল-পেঁপা-গগণা বজাই, —চিনাকি সুৰীয়া গান গাই গাই বংপুৰীয়া ৰাইজে সেইদিনাখন আনন্দত গা মন ঢালি দিয়াও নাছিল। ককাই মন কৰিলে মানুহবিলাকৰ মুখ-বোৰ যেন প্ৰবল উত্তেজনাৰে ভৰপূৰ, গোমোঠা, থমথমীয়া। হঠাতে গোটেইবোৰ মানুহ উন্মুক্ত, বন্য হৈ এডোখৰ সুকীয়া ঠাইত সমবেত হ'ল। আচৰিত হৈ ককাই দেখিলে— এখন হাতত জোৰ বন্তি, আনখন হাতত বিয়াগোম দা এখন লৈ সিহঁতে আচৰিত সুৰেৰে বজোৱা 'বৰঢোল' আৰু 'বৰতালৰ' ছেৱে ছেৱে পাগলৰ দৰে তেওঁক প্ৰদক্ষিণ কৰি নাচিব ধৰিছে। বংপুৰ ককাই কিছুসময় বিস্ময়াহত হৈ চাই থাকিল। আচম্বিতে কোনে জানো তেওঁৰ হাততো জোৰ বন্তি এগছ আৰু দা এখন গুজি দিলেহি। লগে লগে ককাৰ শৰীৰৰ তেজবোৰো উতলি উঠিল। এক অনামী ক্ৰোধত তেওঁ আত্মহাৰা হৈ পৰিল। বংপুৰ ককাই নৃত্য কৰিব ধৰিলে। পাশবিক নৃত্য। বিবেক বিহীন উন্মাদৰ দৰে হৈ বিকট চিঞৰ মাৰি তেওঁ পোনচাতে দেৱ মন্দিৰৰ পিনে চোঁচা ললে, —তেওঁক অনুসৰণ কৰিলে বংপুৰীয়া

ৰাইজে। মন্দিৰত উপস্থিত হৈয়েই ককাই আগপিচ নুগুণি হাতত থকা জোৰ বন্তিৰ জুইৰে দেৱ মন্দিৰত জুই জ্বলাই দিলে। আন বিলাকৰ হাতত থকা জোৰ বন্তিৰ জুয়ো দেৱ মন্দিৰত লাগিল। দপ্‌দপাই জ্বলি থকা দেৱ মন্দিৰৰ জুইৰ পোহৰত ৰৰঢোল আৰু ৰৰতালৰ উদ্দাম উন্মত্ত ছন্দৰ ছেৱে ছেৱে ৰংপুৰীয়া ৰাইজৰ পাশবিক তাণ্ডৱ নৃত্য আৰম্ভ হ'ল।

হঠাতে উচপ খাই সাৰ পালে ৰংপুৰ ককাই। সৰ্ব্বশৰীৰ তেওঁৰ ঘামেৰে তিতি গৈছে। ভয়তে ওঁঠ কণ্ঠ শুকাই গৈছে— ককাৰ। কিনো অমঙ্গলীয়া সপোন দেখিলে তেওঁ।' ককাই ৰংপুৰৰ অমঙ্গল চিন্তা কৰি শেতেলিৰ পৰা উঠি গৈ এবাৰ দেৱ মন্দিৰটো চাই অহাৰ কথা চিন্তা কৰিলে। কিন্তু সাহসে নুকুলালে। বাকীচোৱা নিশা শেতেলিখনতে ছটফটাই থাকি দোকমোকালিতে সকলোৰে অজ্ঞাতে ৰংপুৰৰ ককা দেৱমন্দিৰলৈ গ'ল। ৰংপুৰ, ৰংপুৰীয়া ৰাইজৰ সৰ্ব্বাংগী প্ৰকাৰে মঙ্গল কামনা কৰি তেওঁ আচৰিত দেৱতাজনৰ থাপনাৰ আগত চাকি এগছ জ্বলাই প্ৰণিপাত কৰি আহিল।

সেই দিনাখনৰে পৰা ৰংপুৰ ককাৰ অচিনাকি দেৱতাজনৰ প্ৰতি ভয় সোমাল— আশঙ্কা মিহলি ভয় আৰু অহেতুক সন্দেহ। ফলত মাজে সময়ে মাথোন মন্দিৰটোৰ ভিতৰ চ'ৰাত ভুমুকি মাৰি ককাই আজিকালি সদায়েই সন্ধিয়া পৰত আচৰিত দেৱতাজনৰ আগত আঁঠু লয়।

সপোনটিয়ে প্ৰায়েই ৰংপুৰ ককাৰ অন্তৰত ধুমুহাৰ সৃষ্টি কৰে। তাৎপৰ্য বিচাৰি নাপালেও সপোনটিয়ে অৰ্থাবহ সেই বিষয়ে ককা নিশ্চিত, তেওঁ সপোনত দেখা পোৱা 'ৰৰঢোল' আৰু 'ৰৰতাল' যোৰ, —তাৰ উদ্দাম উত্তাল ছেও ৰংপুৰবাসীৰ বাবে তেনেই অচিনাকি। এই কথাটিয়ে তেওঁক বিশেষকৈ আমনি দিয়ে।

আচৰিত দেৱতাজনৰ প্ৰতি ভয় সোমালেও ৰংপুৰ ককাই কিন্তু নিজৰ অন্তৰখনকো বশলৈ আনিব পৰা নাছিল। সেই কাৰণেই

একালৰ বিখ্যাত ঢুলীয়া ককাই সকলোৰে অজ্ঞাতসাৰে, পূৰ্ব প্ৰচলিত নীতি-নিয়ম উলঙ্ঘা কৰি মৃতকৰ দেশৰ ফালে থকা পশ্চিম দিশৰ অৰণ্যৰ আঁৰত বহুদিন বহু কষ্ট কৰি সপোনত দেখাৰ দৰেহে ঢুলীয়া বৰ-ঢোল এটি আৰু বৰতাল এযোৰ তৈয়াৰ কৰি সেই আচৰিত ছেওটি আয়ত্ত কৰি থৈছে। ককাই মনে মনে আলচি থৈছে,—'সপোনটিৰ বিষয়ে ক'বলৈ যদি তেওঁ দ্বিধান্বিতও হয়— এদিনাখন নিশ্চয় তেওঁ বৰঢোল আৰু বৰতালৰ ছেও দুটিৰ জগত ৰংপুৰীয়া ৰাইজক চিনাকি কৰি দিব।

ৰংপুৰ ককাৰ বৃদ্ধাৱস্থালৈ লক্ষ্য কৰি তেওঁক খেতিবাতি আদি কঠিন কামৰ পৰা অব্যাহতি দিয়া হৈছে। ফলত তেওঁ আজিকালি খুব অকলশৰীয়া। কিন্তু ৰাতিপুৱা গধূলি ককাৰ খা-খবৰ ল'ব অহা মানুহৰ সংখ্যাও তেনেই তাকৰ নহয়। সিহঁতে তেওঁৰ পৰা খেতি-বাতিকে ধৰি নানান বিষয়ৰ উপদেশো লৈ যায়হি। কিন্তু সিহঁতৰ বেছি ভাগৰে উপস্থিতিত ককাই বেছিকৈহে নিসঙ্গতা অনুভৱ কৰে। আজিকালি তেওঁ ৰংপুৰ নদীৰ পাৰৰ সকলোৰে চিনাকি আহল-বহল শিল চটাত বহি বহিয়েই দিনৰ প্ৰায়ভাগ সময় অতিবাহিত কৰে। দূৰ সম্পৰ্কীয় ভায়েকৰ ফালৰ নাতি ল'ৰা-ছোৱালী হালে, কেতিয়াবা মানৱ বিকাশৰ বুঢ়ী মাকজনীয়ে দুপৰীয়াৰ আহাৰৰ সময়ত ককাক মাতি লৈ যায়হি। ৰংপুৰৰ প্ৰায় সকলোবোৰ মানুহে সিহঁতৰ নিজৰ নিজৰ ঘৰত থাকিবলৈ কৰা আন্তৰিক অনুৰোধ উপেক্ষা কৰিও তেওঁ নিজৰ ঘৰতে অকলশৰীয়াকৈ বাস কৰে। 'পৈতৃক ভেটিৰ মোহ সতকাই এৰা টান।' কিন্তু মানৱ বিকাশে এক প্ৰকাৰ জোৰ কৰি-য়েই দুপৰীয়া আৰু ৰাতিৰ সাজ ভাত সম্বন্ধীয় ভায়েকজনৰ ঘৰত খোৱাৰ বন্দোবস্ত কৰি দিছে। দৈনন্দিন কাম-কাজৰ দায়িত্ব মানৱ বিকাশৰ বুঢ়ী মাকৰ। এক কথাত কবলৈ গলে বুঢ়ীয়েই ককাৰ ঘৰৰ সৰ্বময় কৰ্ত্ৰী। ককায়ো বুঢ়ীৰ আদৰ আব্দাৰখিনি বেয়া নাপায়। তদুপৰি মানৱ বিকাশ তেওঁৰ আটাইতকৈ চেনেহৰ পাত্ৰ।

ৰংপুৰৰ শিশু আৰু কিশোৰ-কিশোৰীৰ বাবে ৰংপুৰ ককা সিহঁতৰ মহৎ বন্ধু। শিলচটাত বহি আকাশ-পাতাল ভাবি থকা অৱস্থাত নানান শিশুমনীয়া প্ৰশ্নৰ উত্তৰ বিচাৰি জাকটিয়ে প্ৰায়েই ককাক জুমুৰি মাৰি ধৰেহি। সিহঁতৰ বাবে কেতিয়াবা তেওঁ মহান বিচাৰ-পতি কেতিয়াবা জ্ঞানৰ ভাণ্ডাৰ আৰু কেতিয়াবা সাধুকথাৰ কুঁকি। সিহঁত যিখিনি সময় লগত থাকে, - সেইখিনি সময়ৰ বাবে ককাও সকলো চিন্তা-ভাৱনাৰ পৰা মুক্ত। সাধুকথা কোৱাৰ চলেৰে সিহঁতকে ৰংপুৰ ককাই হেপাহ পলুৱাই ৰংপুৰৰ ইতিহাস শুনায়। মনত ৰাখনে নেৰাখে বুজিব নোৱাৰিলেও ককাৰ বিশ্বাস ল'ৰা ছোৱালীহঁতে তেওঁৰ কথাবোৰ মনপুতি শুনে। মাজে মাজে সিহঁতে তেওঁক দুই এটা প্ৰশ্নও কৰে। ইহঁতৰ নাতি-সন্ততিহঁতেও কিজানি আৰু বেছি প্ৰশ্ন কৰিব, জানিব বিচাৰিব,' —ককাই মনে মনে ভাবে ভাবি শান্তি পায়।

ৰংপুৰ ককাই অৱসৰ বিনোদনৰ বাবে ব্যৱহাৰ কৰা শিলচটা ৰংপুৰ নদীৰ পাৰৰ এনে এডোখৰ ঠাইত অৱস্থিত যে তাৰপৰা বং পুৰীয়া বাইজৰ সৰু সৰু পঁজা ঘৰবিলাক, বিভিন্ন ধৰণিকি দেৱ-মন্দিৰটো, ৰংপুৰ পথাৰৰ একাংশ ভালদৰে দেখিবলৈ পোৱা যায়। চাৰিকুৰি বছৰ ধৰি ৰংপুৰখন দেখাৰ সৌভাগ্য হোৱা ৰংপুৰ ককাই যদিও ৰংপুৰ, ৰংপুৰৰ বাসিন্দাসকলৰ হঠাতে হোৱা কোনো অস্বা ভাবিক পৰিবৰ্তন দেখ দেখকৈ আঙুলিয়াই দেখুৱাব নোৱাৰে তথাপি অতি ধীৰ গতিৰে হলেও যে কালৰ সোঁতত ৰংপুৰৰ বৰণ সলনি হৈ আহিছে—সেই বিষয়ে তেওঁৰ মনত কিন্তু কোনো দ্বিধা নাই। শৈশৱ কালত যিখন ৰংপুৰৰ কথা তেওঁ বয়োজ্যেষ্ঠ সকলৰ মুখে শুনিছিল,—মাথোন কেইটামান দশকৰ ভিতৰতে তাৰ ভালেখিনি পৰি-বৰ্তন হ'ল। চকুৰ আগতে লতামাগুৰী ধানৰ খেতি কৰা দ-মাটি বোৰ বাম হ'ল, ৰংপুৰবো জনসংখ্যা বাঢ়িল। আনকি তেওঁ ব্যৱহাৰ

কৰিবলৈ লোৱা ৰংপুৰ নদীৰ দাঁতিৰ আহল-বহল শিলচটাবো নিম্নাংশ বাৰিষাৰ বানপানীৰ ঘঁহনি খাই ভালেখিনি ক্ষয় গ'ল। ৰংপুৰতো ঘনাই-ঘনাই অভাৱ অনাটনে দেখা দিবলৈ আৰম্ভ কৰিলে। তাতোকৈ ডাঙৰ কথা '--চিন্তাশূন্য মানুহ বিলাকৰ বেছি ভাগেই চিন্তা কৰিব শিকিলে।' মানুহ বিলাকে চিন্তা কৰিব নিশিকা নজনা বাবে মানসিক অশান্তি ভোগ কৰা ককাই আজিৰ চিন্তা কৰিব শিকাসকলক লৈ নতুনকৈ ভয় সন্দেহৰ দোমোজাত পৰিছে।

এইবোৰ কথাকেই চিন্তা কৰি কৰি ৰংপুৰ ককাৰ সময়বোৰ অতিবাহিত হয়। 'ৰংপুৰবো বয়স বাঢ়িল,' --উত্তৰ বিচাৰি নাপাই ককাই তেনেদৰেই নিজৰ মনক প্ৰবোধ দিয়ে।

আজিকালি আৰু এটা পুৰণি চিন্তাই নতুন ৰূপত ৰংপুৰ ককাৰ অন্তৰত বাহ লৈছে। সেইটো হ'ল—'পোহৰৰ বিষয়ে, পূব দিশত থকা পোহৰৰ দেশৰ দেৱতাসকলৰ বিষয়ে।'

★★★★★

প্ৰথম অধ্যায়

[১]

ৰংপুৰৰ আনন্দ মেলাৰ আজি তৃতীয় দিন। বিগত দুইদিন সুকলমে পাৰ হৈ গৈছে, গতানুগতিকতাৰ অলপো হেৰফেৰ হোৱা নাই। আজি ৰংপুৰীয়া বাইজৰ ৰংপুৰ পথাৰত সমূহীয়া ভোজভাত খাই আনন্দ কৰাৰ দিন। সম্পূৰ্ণ এটা বছৰৰ বাবে আজি সিহঁতে আনন্দ মেলাক বিদায় সম্ভাষণ জনাব। এটি প্ৰাণীৰো আজি গাত তৎ নাই। ৰাতি নৌপুৱাবৰে পৰা ঢোল-পেঁপা-গগনাৰ মাতেৰে ৰংপুৰৰ চৌদিশ মুখৰিত। ৰংপুৰ নদীৰ পৰা নাতিদূৰৈৰ চিনাকি পথাৰখনত সমবেত ৰংপুৰবাসীৰ আনন্দ, কল্লোলে ৰংপুৰৰ আজি যেন বৰ্ণ পৰিবৰ্তন কৰিছে। মাথোন কিছুদিনৰ আগতে কাটি লৈ যোৱা ধানৰ শুকান ঠৰঙা নৰাবোৰ মানুহৰ গচকনিত মাটিতে লিপিত খাই শুকান ধানৰ নৰাৰ দলিচা এখন যেন হৈছে।

এইবাৰৰ আনন্দ মেলাৰ মুখ্য আকৰ্ষণ হৈছে আনন্দ প্ৰকাশ। আনন্দ প্ৰকাশৰ ঢোলৰ ছেওত যেন যাদু আছে, পেঁপাৰ সুৰত যেন মাদকতা মিহলি হৈ আছে, গীতৰ সুৰ যেন মোহিনী মায়াৰে আবৃত। 'ৰংপুৰৰ আনন্দ সৰ্বস্ব' — আনন্দ প্ৰকাশ ৰংপুৰৰ ডেকা-গাভৰু, শিশু-বৃদ্ধ সকলোৰে নয়নৰ মণি, আচলৰ ধন। দুখ-বেদনা, চিন্তা-ভাবনাৰ

লগত সম্পূৰ্ণ অচিনাকি, হকে-বিহকে, সময়ে অসময়ে ঢোলত চাপৰ মাৰি গীত গোৱা এই বলিয়া ডেকাজন পৰিবেশৰ যাদুকৰ সেই-কাৰণে ৰংপুৰীয়া ৰাইজৰ বিশ্বাস - 'আনন্দ প্ৰকাশৰ ঢোলৰ ছেৱে, মিঠা গীতে আৰু সুৰীয়া পেঁপাৰ মাতে ৰংপুৰৰ দুখ বেদনা, চিন্তা-ভাৱনাবোৰ ৰংপুৰ নদীয়ে উটুৱাই লৈ যায়।'

এই সৰুছোৱাত ৰংপুৰ নদী আগৰ তুলনাত তেনেই শুকান হৈ আছে। নদী গভত ওলাই থকা সৰু বৰ শিল বিলাক দেখি এনেহে ভাব হয় যেন ৰংপুৰ পথাৰৰ মাজত ৰংপুৰ নদীৰ জকাটো বিভিন্ন ভাঁজ লৈ পৰি আছে। সেই জকাটিৰ ওপৰে ওপৰে জপিয়াই ফুৰিছে 'ৰংপুৰৰ ভৱিষ্যত শিশুৰ দলটি'। শিলবোৰৰ ফাঁকে ফাঁকে বন্ধ পানীত সোমাই থকা সৰু মাছ ধৰিবলৈ চেষ্টা কৰিছে দুই এজনে, --ধৰি পুনৰ এৰি দিছে নাইবা হাতৰ পৰাই পিছলি ওলাই গৈছে। কোনোবা এজনে হয়তো এটা শিলৰ পৰা আন এটা শিললৈ জপি-য়াইছে, - প পিছলি কোনোবাজন হয়তো পানীতে টুপুচ কৰি পৰিছে। তাকে দেখি শিশুমানে কিৰিলি পাৰি হাঁহিছে, আন কোনোবা দুজনে আকৌ উৎসাহ দিছে। সিহঁতৰ পৃথিৱীখন আজি যেন 'বেলি ডুব নোযোৱা সম্পূৰ্ণ বেলেগ পৃথিৱী,' সেই পৃথিৱীত আনকি ৰংপুৰ ককায়েৰো স্থান নাই।

চেমনীয়া সকলৰো খেলৰ অন্ত নাই। ৰংপুৰত প্ৰচলিত প্ৰত্যেকটি খেলাই স্থান পাইছে সিহঁতৰ মাজত। সিহঁতকো আজি শাসন কৰিবলৈ কোনো নাই। সিহঁতৰ উৎসাহৰ অন্ত নাই, সিহঁতৰ দুখ নাই, ভাগৰ নাই; আছে মাথোন আনন্দ আৰু আনন্দ।

ডেকা-গাভৰু বিলাকৰো দেহত ভং নাই। যোৱা দুই দিন দুই নিশা ধৰি সিহঁতে উজাগৰী জীৱন যাপন কৰিছে,—মাঘী পূৰ্ণিমাৰ কুহে-লিকা আবৃত জোনাকত উন্মুক্তভাৱে আপোন সঙ্গীৰ লগত হিয়া-দিয়া নিয়াৰ পোহাৰ মেলিছে, আনন্দ কৰিছে। কালি যি কেইজন ডেকা-গাভৰুৱে যোৰ পাতিছে, —ৰংপুৰৰ প্ৰচলিত নিয়ম অনুসাৰে উন্মুক্ত

আকাশৰ তলত আৰু স্নিগ্ধ জোনাকৰ মাজত সিহঁতৰ মধুযামিনী নিশা। আগতে যোৰ পতা সকলেও আজি যেন প্ৰত্যেকে প্ৰত্যেক জনক পুনৰ নতুনকৈ চিনি পাইছে। সমবেত ভোজৰ আহিলা পাতি চাউল খৰি, পাঁচলি, পানী বয়সীয়া তিৰোতাসকলক গুচনাই দিয়াৰ ফাঁকে ফাঁকে সিহঁতে আপোনজনৰ লগত প্ৰণয়ৰ লুকাভাকুও খেলিছে। সিহঁতৰ কাৰ্য্যকলাপ দেখিও নেদেখাৰ ভাও ধৰিছে বয়সীয়া সকলে, আত্মতৃপ্তিৰ হাঁহি মাৰিছে। মাজে মাজে নাতিদূৰৈত গৰজি উঠিছে আনন্দ প্ৰকাশৰ যাদুকৰী ঢোল- তাকে কেন্দ্ৰ কৰি ৰংপুৰৰ আকাশ বতাহ কঁপাই তুলিছে শিঙা, পেঁপা গগনাই। আনন্দ প্ৰকাশৰ যাদুকৰী ঢোলৰ ছেও, লগৰীয়া সকলৰ শিঙা পেঁপা গগনাৰ মোহময়ী ঐক্যতানে গাভৰু—আনকি ন-বোৱাৰী সকলকো কামৰ মাজৰ পৰা কেতিয়াবা টানি লৈ আহিছে সিহঁতৰ ওচৰলৈ। গীতৰ কলি এটি গাই, এপাক নাচি পুনৰ সিহঁতে দৌৰ দিছে নিজৰ কামলৈ। সমবেত ভোজৰ বস্তুখিনি গোটাই দিব পাৰিলেই গোটেই দিনটোৰ বাবে সিহঁতৰ অৱকাশ মিলিব, সিহঁতক আৰু আমনি কৰিবলৈ কোনো নাথাকিব।

তথাপিও সিহঁতে জানে অনন্য মধুৰ ৰূপত সিহঁতে আমনি পাবই। সেয়া এক মধুৰ আমেজ। এইবাৰৰ হোৱা সেই বিশেষ ডেকাজন আনন্দ প্ৰকাশ। সি নিজেও কুৰিৰ ডেওনা পাৰ হোৱা চফল ডেকা যোৰ পাতিবৰ তাৰো উপযুক্ত সময়। কিন্তু ৰংপুৰ ককাক সি আগতেই সঁকীয়াই থৈছিল—তাক যেন এইবাৰ এই লটিঘটিখনত পেলোৱা নহয়। ককায়ো তাৰ কথা ৰাখিছে। ফলত বেপৰোৱা আনন্দ প্ৰকাশৰ উৎপাত এইবাৰ এবাল পৰা বলধ গৰুৰ দৰে আগতকৈয়ো একাঠি চৰা। যি কেইহাল ডেকা-গাভৰুৱে এইবাৰ যোৰ পাতিছে—সিহঁতৰ অৱস্থা সি কাহিল কৰি তুলিছে। আনবোৰেও ৰক্ষা পোৱা নাই।

আনন্দ মেলাৰ প্ৰথম দিনাখনৰ নিশা আনন্দ প্ৰকাশে হঠাতে মেজিৰ জুইত এসোপামান শুকান বাঁহ জাপি দিলে যাতে দপ দপকৈ

জ্বলি উঠা মেজিৰ জুইত সকলোৰে মুখলোৰ ভালদৰে চিনি পাব পাৰি। তাৰ পিচত ঢোল-পেঁপা, গীত-মাত বন্ধ কৰিবলৈ ইঙ্গিত দি সি প্ৰস্তাব কৰিলে— 'এতিয়া মেল বহিব। মেলত মোৰ কথাই শেষ কথা।' স্বৰূপ কুমাৰে মেলত কথা কোৱাৰ ঢং অনুকৰণ কৰি সি বিবাহিত জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, দন্দ-খৰিয়াল আদিৰ বিষয়ে আৰু তাৰ নিৰাময়ৰ বিষয়ে এনে ঔষধ প্ৰদান কৰিলে যে হাঁহোতে হাঁহোতে লগৰীয়া জাকৰ পেটৰ নাড়ী ভুৰ ওলাই আহিবৰ উপক্ৰম হ'ল।

আনন্দ মেলাৰ দ্বিতীয় দিনাখনৰ নিশা ৰং-ৰহইচৰ মাজতে আনন্দ প্ৰকাশে মেজিৰ জুইৰ পোহৰত সকলোকে লক্ষ্য কৰি দেখিলে— চন্দ্ৰৰূপ আৰু ৰূপহী অনুপস্থিত। লগৰীয়া দুজনমানক কাণে-কাণে কিবা এটা কৈ ঢোলটো ডিঙিত আঁৰিয়েই সি নদীৰ পাৰলৈ খোজ ললে। কথাটো সকলোৱে সাধাৰণ ভাবেই ললে। কিন্তু অলপ সময়ৰ পাছতে নদীৰ পাৰত ঢোলৰ শব্দ শুনি সকলোৱে চিঞৰত গগণ ফালি নৈৰ পাৰলৈকে ঢাপলি মেলিলে। চন্দ্ৰৰূপ আৰু ৰূপহীৰ অৱস্থা কাহিল। সিহঁত দুয়োজনে গোপনে প্ৰেমৰ পোহাৰ মেলিছিল। দুয়োজনকে আগত লৈ দলটো পুনৰ মেজিৰ ওচৰলৈ আহিল। আনন্দ প্ৰকাশে সিহঁতক দণ্ড বিধান কৰিলে,—চন্দ্ৰৰূপে ঢোল বজাব তাৰ ছেৱে ছেৱে ৰূপহীয়ে নাচিব লাগিব আৰু অনাবিলাকে হাত-চাপৰি বজাব। খন্তেক সময়ৰ বাবেহে এই শাস্তি। তাৰ পাছত মিলিত উৎসৱত সকলোৱে গা-মন ঢালি দিলে। ৰূপহী মুখচোকা গাভৰু। আনন্দ প্ৰকাশক তাই উৎসৱ শেষ হোৱাৰ পাছত সঁকীয়াই থৈ গ'ল—সিয়ো তাইৰ হাতৰ পৰা নিস্তাৰ নাপাব।

ভোজৰ দিনাখন দিন দুপৰতে ৰূপহীয়ে আনন্দ প্ৰকাশৰ ঢোলৰ ছেৱে ছেৱে এনে নাচোন নাচিলে যি নাচোন প্ৰিয়জনৰ লগত নিৰ্জন ঠাইত হে মাথোন নাচিব পাৰি। ঢোলত চাপৰ মাৰি মাৰিয়েই আনন্দ প্ৰকাশে বুজি পালে--ৰূপহীয়ে তাক জব্দ কৰিবলৈ বিচাৰিছে।

কেৱল তাৰ ঢোলটোৰেহে গৰজি থাকিল: আনবোৰে চন্দ্ৰৰূপক লগত লৈ সিহঁত দুয়োজনৰ কাণ্ড-কাৰখানা উপভোগ কৰিবলৈ ধৰিলে। আনন্দ প্ৰকাশো পিচহোঁহকা মৰা বিধৰ লোক নহয়: —সি এনে ভাৱ কৰিলে ৰূপহী সঁচাকৈয়ে তাৰ যেন প্ৰণিয়নীহে। কিছু সময় তেনেদৰে অতিবাহিত হোৱাৰ পাচত তাৰ যেন অস্পাত ভাগৰ লাগিছে তেনে ভাৱত ঢোলৰ মাৰি দলিয়াই দি সি ৰূপহীৰ গাতে ঢলি পৰিল।

'যাঃ কটা-নিধকটো! মই কিবা তোৰ লগত যোৰ পাতিছো নেকি?' —ৰূপহীৰ এইবাৰ লাজ লাগিল।

নাপাতিয়েই ভুল কৰিলি। অকঁৰা চন্দ্ৰই পেঁপা বজাই তোক কি নচুৱাব! ঢোলৰ ছেৱে ছেৱে গাভৰু ছোৱালীৰ নাচোন আৰু খৰিকাত দিয়া মাছেৰে পয়তা ভাত একেই বস্তু।'

সকলোৱে গির্জনি মাৰি হাঁহিলে, ঢোল-পেঁপা গগনাৰ সমবেত স্বৰে আনন্দ প্ৰকাশক সমৰ্থন কৰিলে।

হঠাতে আনন্দ প্ৰকাশৰ চকুত পৰিল—সিহঁতৰ জুমটোৰ পৰা নাতিদূৰৈত পাৰ কি তেৰ বছৰীয়া কিশোৰী তৈমৰ গীয়ে মুখ ওন্দোলাই তাৰ পিনে চাই আছে। সি অলপ আচৰিত হ'ল—'আজি এই হেন দিনত তাই ইয়াত কিয়। দুই কি তিনি বছৰ মানৰ পাছতহে এইখন সমাজত তাইৰ স্থান হ'ব!' আনন্দ প্ৰকাশৰ অনুমান হ'ল— তাই কিজানি কাৰোবাৰ লগত কাজিয়া কৰি তাৰ ওচৰত নালিচ জনাবলৈ আহিছে।

সি তাইৰ ওচৰলৈকে গ'ল; আৰু তাইক প্ৰদক্ষিণ কৰি ঢোল বজাবলৈ আৰম্ভ কৰিলে। এটা সময়ত আনন্দ প্ৰকাশ ভাগৰি পৰিল কিন্তু গোমা আকাশ হ'লে ফৰকাল নহ'ল। হতাশ হৈ আনন্দ প্ৰকাশে থিতাতে বহি পৰিল, অন্য ঢোল পেঁপাবোৰো নিমাত হ'ল। এজনী কিশোৰীৰ ওচৰত আনন্দ প্ৰকাশৰ ঢোলৰ যাদুকৰী ছেৱে হাৰ মানিলে।

ৰংপুৰ ককাক অনুকৰণ কৰি আনন্দ প্ৰকাশে বহাৰ পৰা উঠিল। ককাৰ মাত অনুকৰণ কৰি সি উপস্থিত ডেকা-গাভৰু জাকক উদ্দেশ্য কৰি কবলৈ ধৰিলে, 'আমি ভালেমান দিন ধৰি মনে মনে নিৰীক্ষণ কৰি বুজিব পাৰিছো আনন্দ প্ৰকাশৰ হৈমৱতীৰ প্ৰতি স্নেহৰ টান অলপ বেছি। হৈমৱতীৰো কিজানি তাৰ লগত যোৰ পতাত আপত্তি নাই। গতিকে ইহঁত হালৰো আজিয়েই যোৰ পাতি দিয়া হওক।' আনন্দ প্ৰকাশে সকলোৰে ভাব-ভঙ্গী, মাত-কথা অবিকল ভাবে অনুকৰণ কৰিব পাৰে। সকলোৱে বয়সস্থ মুনিহ তিৰোতাৰ ভাও লৈ নকল ৰংপুৰ ককাক সমৰ্থন কৰিলে।

হৈমৱতীয়ে চকুখাই তাইৰ পিনে একেথিৰে চাই থকা আনন্দ প্ৰকাশৰ পিনে চালে। প্ৰথমতে তাই নীলা পৰিল, —তাৰ পিচত বগা। খন্তেকৰ ভিতৰতে ৰঙা পৰিল। গোমা আকাশ ফৰকাল হোৱাৰ লগে লগে তাই লাজতে সেই ঠাইৰ পৰা পলাই ফাট মাৰিলে। ঢোল-পেঁপা-গগনাবোৰ সুৰদী গীতৰ তালে তালে পুনৰ গৰজি উঠিল।

আদহীয়া আৰু বুঢ়া মানুহখিনিৰ আজি কিন্তু আনন্দ মেলাত যোগদান কৰি ৰং-ৰহইচ কৰিবলৈ আহৰি নাই। এই বিশেষ দিন-টোতেই এই সকল মানুহৰ চিন্তা শক্তিয়ে অলপ হলেও কাম কৰে। এইটিও যেন পূৰ্ব প্ৰচলিত নিয়ম। আগত বছৰটিৰ বাবে কেনে ধৰণৰ কাৰ্যপন্থা হাতত লোৱা উচিত হ'ব - সেই চিন্তাতেই সিহঁত ব্যস্ত। ভোজৰ শেষত সন্ধিয়া বেলিকা দেৱ মন্দিৰ প্ৰাঙ্গণত হ'বলগীয়া মেলত ৰংপুৰ ককায়েই সকলো কথাৰ মোখনি মাৰিব যদিও, ককাৰ মতেই সিহঁতৰো মত হ'ব যদিও আজিলৈকে কিন্তু তেওঁ ৰংপুৰ সম্পৰ্কীয় কোনো কথাৰেই নিজা-ৰবীয়াকৈ সিদ্ধান্ত লোৱা নাই। 'কিন্তু ৰংপুৰ ককাৰ সিদ্ধান্ত ৰংপুৰ সমাজত শিলৰ ৰেখা।' তেওঁ ৰাইজৰ অন্তৰ পঢ়িব পাৰে আৰু মন বুজি কাম কৰিব কাৰণেই তেওঁৰ বক্তব্যৰ

মাজেৰে ৰংপুৰীয়া ৰাইজৰ আশা-আকাংক্ষা প্ৰতিফলিত হয়। লোক বিশ্বাস যে ককাৰ সিদ্ধান্ত কোনো দিনেই ভুল নহয়। পিচে আজি দুই বছৰ মানৰ পৰা ৰংপুৰৰ এচাম মানুহৰ এই বিশ্বাসত ঘুণে ধৰিছে, আৰু এটা চাম সেইবাবে দ্বিধান্বিত হৈছে। ফলত পৰিস্থিতিয়ে সিহঁতক এইবাৰ কিছু বিপদত পেলাইছে।

আনহাতে ৰংপুৰত এইবাৰ এটা প্ৰাকৃতিক দুৰ্যোগও দেখা দিছে। ৰংপুৰ পথাৰত এইবাৰ যেন জুইহে লাগিছিল। শইচ যোৱা বছৰৰ তুলনাত আধামানহে পোৱা হ'ল। অৱশ্যে প্ৰথম ছোৱাত ধানখেতিৰ লহপহকৈ ঠিকেই বাঢ়ি আহিছিল। কিন্তু শাওণ মাহৰ মাজ ভাগৰ পৰা এনেকুৱা হ'ল—বৰষুণ দিয়া দূৰৈৰ কথা,—আকাশত এচপৰাও বৰষুণ দিয়া মেঘ দেখিবলৈ নোপোৱা হ'ল। সেই সময়ৰে পৰা আজিলৈকে ৰংপুৰত এটোপালো বৰষুণৰ পানী পৰা নাই। লক্ষ্মীস্বৰূপা ৰংপুৰ নদীৰো পানী শুকাই তেনেই হাড়ে ছালে লগ অৱস্থা হৈছেগে। খেতিৰ দিনাতে ৰাইজে মিলি ৰংপুৰ নদীত বান্ধ এটা দিয়াৰ চেষ্টা কৰিছিল, কিন্তু নোৱাৰিলে। কোৱাল সোঁতৰ নহলেও সেৰতী নদীত বান্ধটো দিয়া কঠিন। গতিকে সেই সময়ছোৱাত মানুহখিনিৰ আকাশলৈ চাই হতাশ কৰাৰ বাহিৰে আন কোনো কামেই নাথাকিল। পোন লোৱা ধানে আকাশৰ পানী নাপালে থোক পেলাবলৈ কষ্ট পোৱাৰ কাৰণেই নেকি—ৰংপুৰ পথাৰৰ প্ৰায়ভাগ ধান গছৰে এইবাৰ থোক নপৰিল।

কিন্তু আনন্দ মেলাত আনন্দমগন ৰংপুৰবাসীক এই তিনিটা দিনত ৰংপুৰৰ লগত সম্পৰ্ক বিহীন কোনোবাই দেখিলে ভুলতো অনুমান কৰিব নোৱাৰিব যে এই মানুহজাকেই আজি কিছুদিনৰ আগলৈকে কিমান দুশ্চিন্তাত কাল কটাইছিল। পিচে আনন্দ মেলাই এবছৰৰ বাবে মেলানি মগাৰ এই সন্ধিক্ষণত পুনৰ সেই চিন্তাই উকি দিছে—বয়সস্থ সকলৰ অন্তৰত। তদুপৰি প্ৰায় দুবছৰ মানেই হ'ল,

সিহঁতৰ মনত নতুন ধৰণৰ দুশ্চিন্তা এটিও বাহ লৈছে আৰু গুটিৰ পৰা গজালি হৈ সেই চিন্তাটিয়ে এতিয়া ৰংপুৰ সমাজত ভালদৰে পোখাইছে। মানুহজাক সেই চিন্তাতো কিছু পৰিমাণে ব্যস্ত।

ৰংপুৰ ককাৰহে আজি এইহেন দিনত কোনো লগ সঙ্গী নাই। উৎসৱ থলীৰ পৰা কিছু আঁতৰত থকা ৰংপুৰ নদীৰ পাৰৰ চিনাকি শিল চটাত বহি নৈৰ বুকুত উমলি থকা শিশুৰ জাকটোৰ নিমল আনন্দখিনি অন্তৰেৰে অনুভৱ কৰি কিশোৰ-কিশোৰী সকলৰ প্ৰাণ চঞ্চলতা, ডেকা-গাভৰু জাকৰ যৌৱনৰ মৰ্ম্মক লক্ষ্য কৰি আৰু আদ-ইঁয়াখিনিৰ চিন্তা-দুশ্চিন্তাৰ মাজত সোমাই পৰি নিজকে নিজেই মগন হৈ আছে ৰংপুৰ ককা। ভোজ ভাতৰ কেৰাহীৰ তলত জ্বলি থকা জুইৰ ধোঁৱাবোৰ পছোৱা বতাহে এবাৰ ককা বহি থকা ফালে বোৱাই আনিলে। তেওঁৰ চকুৰ পোৰণি উঠিল। চকু দুটা এবাৰ মোহাৰি লৈ ককাই ভোজ ৰন্ধাত ব্যস্ত ফিৰোতা সকললৈ এবাৰ চাই পঠিয়ালে। ভোজ হ'বলৈ আৰু বেছি সময় নাই। কিছু সময়ৰ আগতে মানৱ বিকাশৰ বুটীমাকে দি থৈ যোৱা গুন্দা আমোল পাণ অলপমান হাঁচতিৰ পৰা উলিয়াই মুখত দিলে তেওঁ। মানৱ বিকাশৰ বুটীমাক ককাতকৈ কইবছৰ মানৰহে সৰু হ'ব। ককাৰ বয়সৰ লগত অলপ হ'লেও মিলা মানুহ বুলিবলৈ ৰংপুৰত মাথোন বুটীয়েহে আছে। বন্ধু বুলিবলৈ নাইবা তেওঁৰ দৈনন্দিন জীৱনৰ বিচাৰ খোচাৰ লওঁতাও মাথোন বুটীয়েহে -- আনবোৰৰ লগত বয়সৰ বহুত ব্যৱধান। পিচে ৰংপুৰ ককায়েহে বুটীৰ লগত তেওঁৰ কোনো ধৰণৰ মানসিক অন্তৰ্দ্বন্দ্বৰ কথা খোলাখুলিভাৱে আলোচনা কৰিব নোৱাৰে। 'মানৱ বিকাশৰ বুঢ়ী মাকে যোৱাকালিৰ কথাও মনত পেলাব নোৱাৰে আৰু অহাকালিৰ কথাও চিন্তা কৰিব নোৱাৰে।

বিগত দিন দুটাত ৰংপুৰ ককাই দেৱমন্দিৰতে ব্যস্ত থকা কাৰণে আনন্দ মেলাৰ প্ৰকৃত ৰেহৰূপ চাবৰ অৱকাশ পোৱা নাছিল।

নিঃসঙ্গতাও অনুভৱ কৰা নাছিল। কিন্তু আজি তেওঁ অফুৰন্ত সময় হাতত পাইছে—এইবেলিৰ আনন্দ মেলাৰ উচৰমুখৰ ৰংপুৰীয়া ৰাইজৰ মানসিক অৱস্থাৰ হিচাপ-নিকাচ কৰিবলৈ।

ৰংপুৰ ককাই আনন্দ বলিয়া আনন্দ প্ৰকাশহঁতলৈ লক্ষ্য কৰিলে। সিহঁতৰ আনন্দ খিনিও লক্ষ্য কৰিলে। কিন্তু তেওঁৰ বিশ্বাস হ'ল এই-বাৰ আনন্দ মেলাত আদিৰে পৰাই কিবা এটা যেন কেৰোণ লাগিছে। উদ্যোক্তাৰে কোনেও যেন আনন্দ মেলাত সক্ৰিয় সহযোগ কৰিব পৰা নাই। 'পোহৰৰ বিষয়ে,' 'পোহৰৰ দেশৰ দেৱতাসকলৰ বিষয়ে আনন্দ মেলাৰ সময়ত কোনো ধৰণৰ চিন্তা নকৰিবলৈ দৃঢ় প্ৰতিজ্ঞা লৈও ৰংপুৰ ককাই অশেষ চেষ্টা কৰিও কিন্তু নিজৰ মনটোক বশলৈ আনিব পৰা নাই। অলপ সুৰুঙা পালেই যেন 'পুৰণি ঘা ডোখৰৰ পৰা তেজ ওলাবলৈ আৰম্ভ কৰে।' মৰ্ম্মহাবোধক লক্ষ্য কৰি থাকোঁতে পুনৰ সেই বিশেষ চিন্তাটিয়ে তেওঁৰ মগজুত খলকনি তুলিলে। কিন্তু মনটোক বান্ধিবলৈ চেষ্টা কৰি তেওঁ চিন্তাটোক আনফালে ঘোৰাই দিবলৈ প্ৰয়াস কৰিলে। ফলত ওঁৰিকিগুৰি নথকা ভাসমান পুৰণি কথাই তেওঁৰ মানসপটত ভাঁহি উঠিল। কিন্তু কোনোটোৰে সঙ্গতি ৰক্ষা নেৰাখিলে। কিংবদন্তীৰ পৰিণত হোৱা অতীতৰ সেই আচৰিত দেৱতাজনৰ কাহিনীটোও মনলৈ আহিল তেওঁৰ। অলপো যোগ বিয়োগ নকৰাকৈ গোটেই কাহিনীটোক ককাই নিজৰ মনৰ মাজত ভালদৰে এবাৰ জুকিয়াই চালে। তেনে অৱস্থাতেই টিং কৰি ককাৰ মনলৈ আহিল—কোন কাহানিবাতেই ৰংপুৰ সমাজত মিলিমিছি এক-কাৰ হৈ যোৱা আচৰিত দেৱতাজনৰ বংশধৰ সকলৰ কথা। পুনৰ এবাৰৰ বাবে ককাই চিন্তা কৰিলে, 'সেই আচৰিত দেৱতাজনৰ বংশধৰ সকলক নো বাৰু তেওঁ বৰ্তমানৰ ৰংপুৰ সমাজৰ পৰা চিনাক্ত-কৰণ কৰিব পাৰিবনে!'

নিজৰ অজ্ঞাতসাৰেই বংপুৰৰ ব্যস্ত মানুহবোৰক এবাৰ চাই ল'লে বংপুৰ ককাই। দূৰৈৰ বুঢ় দেৱদাৰু গছজোপাৰ ওচৰত দেৱ মন্দিৰটোত চকুত পৰিল তেওঁৰ। ককাৰ মুখটো ভয়তে দোঁ খাই পৰিল। 'আচৰিত দেৱতাজনৰ অস্তিত্ব' ভয়ত কোবত পুনৰ এবাৰ স্বীকাৰ কৰিলে তেওঁ। বিগত তিনি বছৰৰ খতিয়ান নিজৰ মনতে এবাৰ চালিজাৰি চাই ককাৰ দৃঢ় বিশ্বাস জন্মিলে যে 'তেওঁ অলপ গভীৰভাৱে চিন্তা কৰিলেই বৰ্তমানৰ বংপুৰবাসীৰ মাজৰ পৰা সেই আচৰিত দেৱতাজনৰ বংশধৰ সকলক বিচাৰি উলিযাব পাৰিব। কিয় যে পাৰিব তাৰ উত্তৰ তেওঁৰ ধাৰণাৰ বাহিৰত হলেও তেওঁ নিশ্চয় সঠিক অনুমানেৰে কৰিব পাৰিব।

চাৰিকুৰি বছৰ ব্যাপি বংপুৰৰ অলিখিত সনাতন ইতিহাসৰ নীৰৱ সাক্ষী বংপুৰ ককাই পুনৰ ব্যস্ত মানুহজাকৰ ওপৰত এবাৰ চকু ফুৰাই ল'লে। 'সকলোৰে অজানিতে, নীৰৱে মন্থৰ গতিত কিমান পৰিবৰ্তন হৈছে বংপুৰৰ,—বংপুৰৰ মানুহবিলাকৰ, আৰু কিমান হব। পছোৱা বতাহ জাকে জুইৰ ধোঁৱাবোৰ পুনৰ এবাৰ তেওঁৰকালে বোৱাই আনিলে। বংপুৰ ককাৰ চকুৰ পোৱাণি উঠিল।

বংপুৰৰ আটাইতকৈ বয়োজ্যেষ্ঠ আৰু সন্মানিত পুৰুষ বংপুৰ ককাক আনন্দ মেলাৰ আদিৰে পৰা কোনো মুহূৰ্ততেই—আনকি শিশু এজনেও তেওঁৰ প্ৰাপ্য সন্মানৰ পৰা বঞ্চিত কৰা নাই। আনন্দ মেলাৰ প্ৰথম আদৰুকণ ককাকেই যাচিছে,—প্ৰথম শুভেচ্ছাকণ ককাৰ পৰাই লৈছে। চিন্তাত জুৰুলা ককাৰ এতিয়াহে ভাৱ হ'ল—মুকলি মানেৰে তেওঁ নিজে সেইখিনি ল'বহে পৰা নাই —দিবও পৰা নাই। শৈশৱ, কৈশোৰ আৰু যৌৱন কালৰ সুখ-দুখৰ স্মৃতি বিজড়িত ঘটনা বিলাকক পুনৰ বোমন্থন কৰি কৰি বহু সময় তন্ময় হৈ থাকি বংপুৰ ককাই হঠাৎ উচপ খাই উঠিল। 'একালত আচৰিত দেৱতাজনে উঠি অহা আচৰিত জন্তুটোৱে—তেওঁৰ কম্পিত

ৰূপটিকে লৈ ককাই আশা কৰাতকৈয়ো দুগুণ বেগেৰে ঢপলিয়াই ঢপলিয়াই চকুৰ আগেৰে গৈ পূৰ্ব্বফালৰ অৰণ্যৰ মাজত অদৃশ্য হৈ পৰিল।'

সম্বিৎ ফিৰাই পাই ৰংপুৰ ককাৰ অনুভৱ হ'ল –ভয়তে তেওঁৰ যেন অষ্ঠ কণ্ঠ শুকাই গৈছে। 'প্ৰকৃততে তেওঁৰ নামটোনো কি আছিল এইবাৰ তাকেই ভাবি ভাবি দুই আঁঠুত মূৰটো গুজি বহি থাকিল ৰংপুৰৰ আটাইতকৈ বৃদ্ধ মানুহজন।'

ৰংপুৰ ককাই ঠিকেই অনুমান কৰিছে। এইবাৰৰ আনন্দ মেলাত কেনিও কতো এখানিমানো ত্ৰুটি-বিচ্যুতি ঘটা নাই, যদিও কিবা এটা হৈছে যেন। আনন্দ মেলাখনত এইবাৰ প্ৰাণ নাই; চেমনীয়া শিশুৰ দলটি আৰু আনন্দ প্ৰকাশৰ বাহিৰে আনবিলাকে যেন মুখা পিন্ধি ভাওনাত ভাও দিছে।' দেৱপূজা, নাম-কীৰ্ত্তনৰ ক্ষেত্ৰতো সেই একেই ঘটনা। কামবিলাক ইমান নিয়াৰিকৈ সম্পন্ন হৈছে যিটো আন কোনো কালেই হোৱা নাছিল। ৰংপুৰীয়া বাইজে আটাইতকৈ বেছি ভয় ভক্তি কৰা 'আৰাধ্য দেৱতা'জনৰ প্ৰতি ভক্তি প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰত সদায় সংঘটিত হোৱা অনিচ্ছাকৃত ভুল-ভ্ৰান্তিবিলাক এইবাৰ হোৱা নাই। ৰংপুৰ ককাৰ তাতেই খটকা লাগিছে। কিয়নো ৰংপুৰীয়া বাইজৰ বাবে সেই ভুলবোৰো আছিল মধুৰ আমেজৰ গোন্ধ; সেই আমেজৰ পৰা ৰংপুৰীয়া বাইজ এইবাৰ বঞ্চিত হ'ল এইবাৰ কথা ইচ্ছাকৃত নে অনিচ্ছাকৃত তাৰ কোনো সম্যক ধাৰণা কৰিব নোৱাৰিলেও আজি ইমান দিনে বহু কষ্ট কৰিও নিজৰ নামটো মনত পেলাব নোৱাৰা ককাৰ বাবে যেন সম্পূৰ্ণ আচহুৱা।

এইবাৰ ৰংপুৰীয়া বাইজৰ খেতি ভাল নহ'ল। কিন্তু আনন্দ মেলাৰ ছন্দপতন ঘটিব লগীয়া গুৰুত্বপূৰ্ণ কথা এইটো নহয়; এনে ধৰণৰ পৰিস্থিতিৰ সন্মুখীন ৰংপুৰীয়া বাইজে প্ৰায়ে হৈ থাকে। কিন্তু প্ৰত্যেকবাৰেই সিহঁতে পৰিস্থিতি চম্ভালি ল'বলৈ সক্ষম হয়। সাত

কি আঠ বছৰমান আগতে ঘটা একেই ঘটনা এটা ৰংপুৰ ককাৰ মনত এতিয়াও সজীৱ হৈ আছে। সেই বছৰো ৰংপুৰ পথাৰত জুই লাগিছিল। ধানে থোক পেলোৱাৰ সময়তে গোটেই ধাননি পথাৰ ডেই পুৰি যোৱাৰ নিচিনা কলা পৰি গৈছিল। মাথোন দুই কি তিনি মাহ মানৰ জোখাৰেহে শইচ পাইছিল সিহঁতে সেইবাৰ। ৰংপুৰ ককাৰ উদ্যোগতে ৰংপুৰৰ ডেকা-বুঢ়াৰ দল দেৱমন্দিৰ প্ৰাঙ্গণত একগোট হ'লহি। দুপৰ নিশালৈকে আলোচনা বিলোচনা চলিল। সদৌ শেষত ককাৰ ৰায়েই সকলোৱে মানি ল'লে। একেটি নিশাৰ ভিতৰতে ৰংপুৰৰ হোজা সৰল মানুহবোৰ একো একোজন বীৰযোদ্ধালৈ ৰূপান্তৰিত হ'ল। সকলোৰে চকুৱে মুখে দৃঢ়তাৰ চাপ। এই বছৰ আন বাৰতকৈ বহুত কম শইচ ভাগত পাব সিহঁতে, গতিকেই কিবা এটা কৰিব লাগিল।' পিছদিনাখনৰে পৰা ৰংপুৰ ককাৰ সেনপতিত্বত ৰংপুৰীয়া ৰাইজৰ মাজত যেন 'সময় প্ৰস্তুতি' চলিল। হাবিৰ পৰা ডেকাহঁতে কাটি অনা বাঁহ-বেত লৈ আদহীয়া সকলে প্ৰস্তুত কৰিলে তীৰ ধনু। ককাহঁতো বহি নাথাকিল, --বুঢ়াসকলক লগত লৈ বাম পানীত মাছ মাৰিবলৈ সাজিলে পলো, জাকৈ। ৰিহা গছৰ ছালৰ পৰা উলিওৱা সুতাৰে ডাঙৰ মাছ ধৰিবলৈ বিধে বিধে জাল গুঠা হ'ল। কমাৰশালাবোৰত দিনে-নিশাই পাহোৱাল ডেকাহঁতৰ হাতুৰীৰ কোব পৰিল। 'জন্তু জানোৱাৰ, মাছ কাছ চিকাৰ কৰিবলৈ এইবাৰ সিহঁতক বুজন পৰিমাণৰ জাঠি-জোং দা-কুঠাৰৰ আৱশ্যক হ'ব।

সেয়া আছিল সেই বছৰ অনুষ্ঠিত হ'বলগীয়া আনন্দ মেলাৰ প্ৰায় এমাহমান আগৰ কথা। আনন্দ মেলাৰ আগদিনাখনলৈকে সিহঁত ইমানেই কৰ্মব্যস্ত হৈ পৰিছিল যে সেই দিনকেইটাৰ ভিতৰত এদিনৰ বাবেও আচৰিত দেৱতাজনৰ থাপনাত চাকি-বন্তি নজ্বলিল। কথাটো সিহঁতৰ সেইকেইদিনত মনলৈকে নাহিল।

তাৰ পিছত আনন্দ মেলা। স্বৰূপাৰ্থত আনন্দ মেলা। এতিয়াও

ৰংপুৰ ককাৰ স্পষ্ট মনত আছে—সেইবাৰৰ আনন্দ মেলাৰ কথা। তেওঁৰ মতে—তেওঁৰ এই চাৰিকুৰি বছৰীয়া জীৱন কালত সেইবাৰৰ আনন্দ মেলা সৰ্বোত্তম। ককাই কোনো দিনে ৰংপুৰবাসীক সেইবাৰৰ দৰে গা-মন ঢালি দি আনন্দ কৰা দেখা নাই। কিন্তু আনন্দ মেলাৰ যৱনিকা পৰাৰ পিছত এদিনৰ বাবেও ঘৰত বহি নাথাকিল সিহঁত। আনকি মাথোন দুই দিন আগতে যোৰ পতা সকলোৰে একান্তভাৱে নিৰলত প্ৰেম-পীৰিতি কৰাৰ অৱকাশ নিমিলিল। ৰাতি নোপুৱাওঁতেই সক্ষম মানুহজাকে হাতত তীৰ-ধনু, জাঠি জোং লৈ ৰংপুৰৰ চৌদিশৰ অৰণ্য ৰাজিত চিকাৰ অভিযান আৰম্ভ কৰিলে। তিৰোতাবিলাকে জাল জাকৈ, বটাসকলে পলো-জুলুকি লৈ শুকাই হাড়ে-ছালে লাগি থকা ৰংপুৰ নদীৰ শিলৰ ফাঁকে ফাঁকে বন্ধ পানীত, ডোবাবোৰত মাছৰ সন্ধান কৰিলে। কোনোবা দিনত হয়তো তিৰোতাবিলাকক লগত লৈ অৰণ্যৰ ভিতৰৰ পৰ্বতীয়া আলু, কচু বিচাৰ কৰিলে। ঠিক সাজ লগাৰ লগে লগে এৰা ঘাটি তেলৰ জোৰ জ্বলাই তিনি দল ভাগি ৰংপুৰ আহি পায়হি উৎসাহী সেনানীৰ দল। লগত থাকে চিকাৰ কৰি পোৱা নানাবিধ জীৱ-জন্তু, মাছ কাছ আলু কচু, মুখত লাগি থাকে সুৰৰ্দি সুৰীয়া গীত, দিনৰ দিনটো। মৰিশালি যেন হৈ থকা ৰংপুৰখন সন্ধিয়া সময়ত পুনৰ সজীৱ হৈ উঠে। আগত দিনবোৰৰ কাৰণে মাছ-কাছ, মাংসবোৰ শুকুৱাই সাঁচি ৰাখে তিৰোতাসকলে।

ৰংপুৰৰ জীয়ৰী বোৱাৰীসকলক সকাহ দিয়াৰ কাৰণে সেই সময়তেই ৰংপুৰ ককাই আৰু এটা কাম কৰিলে। ৰংপুৰলৈ খোৱা পানীৰ যোগান সচৰাচৰ ৰংপুৰ নদীৰ পৰাই কৰা হয়। নাৰিবিলাক কাল-ছোৱাত সেইটো তেনেই কষ্ট সাধ্য কাম। ককাই এটা বুদ্ধি কৰিলে। ৰংপুৰীয়া বাইজে বাস কৰা টিলাটোৰ চৌদিশৰ দহ ফুট মান বহলকৈ খাল এটা খান্দিলে প্ৰায় তিনি চাৰি ফুট মান দকৈ। খাল-টোৰ দুয়োখন মুখ ৰংপুৰ নদীৰ লগত সংলগ্ন। ককাৰ আশা, বাৰিষা

কালত নদীৰ পানীয়ে খালটোৰ পানীৰে চপ্‌চপীয়া কৰি ৰাখিব। জীয়ৰী-বোৱাৰী সকলোৰে সুবিধা হ'ব। বাৰিষা কালত অন্ততঃ সিহঁতে থিতাতেই খোৱা পানী পাব। মানুহ বিলাকৰ হতুৱাই ৰংপুৰৰ চাৰিও-দিশত তেওঁ চাৰিখন বাঁহৰ দলং সাজিলে। পথাৰলৈ যাবৰ বাবে মানুহ বিলাকৰো সুবিধা হ'ব।

যেতিয় মাটি বিছু নষ্ট হলেও ৰংপুৰীয় ৰাইজৰ আন এটি সুবিধাও হ'ল। কণ কণ ল'ৰা-ছোৱালী বিলাকে সাতোঁৰ শিকিবলৈ ৰংপুৰ নদীৰ দ-বহল পানীলৈ যোৱাৰ আৰু দৰকাৰ নোহোৱা হ'ল। মাছ মাৰিবলৈও নতুনকৈ সুবিধা এটি হলাৰ। নলাটোত বহি বহি ল'ৰা-ছোৱালী বিলাকে বৰশীৰে মাছ ধৰাৰ কায়দাও শিকিব পাৰিলে। ৰংপুৰ ৰকাৰ এই কামৰ ফলত ৰংপুৰৰো উন্নতি চলিল। ৰাইজেও ৰকাৰ বুদ্ধিক প্ৰশংসা কৰিবলৈ লাগিলে।

সেই আকালৰ দিনকেইটা ৰংপুৰীয়া ৰাইজে তেনেদৰেই পাৰ কৰি দিছিল। সেই বছৰেই ৰকাই 'ৰংপুৰৰ ৰংপুৰ ৰকা' হিচাপে স্বীকৃতিও লাভ কৰিছিল। এতিয়াও সেইকথা মনলৈ আহিলে ৰংপুৰ ৰকাৰ গা মন ৰোমাঞ্চিত হৈ উঠে, —ৰংপুৰৰ বাবে ৰংপুৰীয়া ৰাইজৰ বাবে জীৱনপাত কৰি দিবৰ মন যায় তেওঁৰ।

ৰংপুৰ ৰকাই এইবাৰ সচেতনভাৱে এবাৰ মানুহবিলাকলৈ চাই পঠিয়ালে। বুঢ়া আৰু আদহীয়া সকলৰ মেল ভাগিল। তেওঁ মন কৰিলে- সিহঁতৰ কিছুমানে ভোজ ৰান্ধি থকা তিৰোতা সকলক কিবা নিৰ্দেশ দিছে, আন কিছুমানে ভোজতলীৰ পৰা কিছু আঁতৰত— আনন্দত গা-মন ঢালি দিয়া ডেকা-গাভৰুবোৰক নিৰীক্ষণ কৰিছে। কেইজনমান তামোল-চালি খাই ঠাইতেই বহি থাকিল। ৰংপুৰ ৰকাৰ হাতখনো হাঁচতিৰ ভিতৰ সোমাল। মনৰ বিকাশৰ বুটী মাকে দি থৈ যোৱা অৱশিষ্ট খুন্দা তামোলখিনি উলিয়াই মুখত দিলে তেওঁ। মানুহবোৰৰ মাজত মনৰ বিকাশক দেখা নাপাই ইফালে সিফালে

লক্ষ্য কৰি তেওঁ দেখা পালে অকলশৰীয়া ভাবে, একমনে মানৱ বিকাশে ৰংপুৰ নদীৰ বুকুত আনন্দমগন শিশুৰ ভাকটিক আৰু কিশোৰ কিশোৰী বিলাকক চাই আছে। কিছুসময় ককাই মানৱ বিকাশকে চাই থাকিল। লাহে লাহে ভোজ তলিলৈ খোজ লোৱা মানৱ বিকাশ তেওঁৰ দৃষ্টিৰ বাহিৰলৈ গুচি গ'ল। বহু চেষ্টা কৰিও এই-বাৰ তেওঁ মানুহবোৰৰ মাজৰপৰা মানৱ বিকাশক বিচাৰি উলিয়াব নোৱাৰিলে।

এইবাৰ ককাৰ চকুত পৰিল—তেওঁ বহি থকা ঠাই ডোখৰৰ বেচ কিছু আঁতৰত পথাৰৰ মাজত অকলশৰীয়াকৈ থকা আঁহত গছজোপাৰ তলত থিয় হৈ কথা পাতি থকা মানুহৰ জুমটো। ক্ষীণ দৃষ্টি শক্তি-ৰেও ককাই ধৰিব পাৰিলে মানুহ এজনে পূব দিশৰ পাহাৰ-পৰ্বত ৰাজিলৈ আঙুলিয়াই আনবোৰক কিবা বুজাই আছে। ৰংপুৰ ককাই থিতাতেই অনুমান কৰিলে- মানুহ জননো কোন হ'ব পাৰে। কিন্তু তেওঁ মনে প্ৰাণে আশা কৰিলে মানুহজন যেন আন কোনোবা এজন হয়। নাচাওঁ নাচাওঁ বুলিও গভীৰভাৱে লক্ষ্য কৰিলে তেওঁ মানুহজনক। মানুহজন স্বৰূপ কুমাৰেই হয়।

ৰংপুৰ ককা এক আচৰিত সিদ্ধান্তত উপনীত হ'ল। তেওঁ নিশ্চিতভাৱে ধৰি পালে ৰংপুৰৰ একাংশ মানুহে এক বিশেষ ধৰণৰ মানসিক ৰোগত ভুগি আছে, তেওঁ নিজেও আনকি সেই ৰোগৰ পৰা হাত সাৰিব পৰা নাই। কিন্তু এইটো হোৱাৰতো কোনো যুক্তি নাছিল। যিবিলাক মানুহে আজিলৈকে ককাৰ কোনো কথাকেই গুৰুত্ব সহকাৰে শুনা নাই, যিবোৰ মানুহে সংসাৰৰ সকলোবোৰ চিন্তা ভাৱনা আনৰ গাত ঠেলি দি মুকলিমূৰীয়াকৈ থাকিব ভাল পায়, যাৰ ফলশ্ৰুতি হিচাপে তেওঁ কথা কোৱাৰ সঙ্গী বিচাৰি নাপায়, সেই মানুহবিলাকৰ বাৰু এই ৰোগ কিয় হ'ল। অনামী উত্তেজনাত ককাৰ শৰীৰৰ নোমবোৰ ভাল ভাল হ'ল। হুমুনিয়াহ কাঢ়ি তেওঁ

ৰংপুৰ নদীৰ ফালে এবাৰ চালে। 'চিৰ প্ৰবাহমান এইটো নদীৰ কোনে গতিৰুদ্ধ কৰিব !'

ভোজ বন্ধা শেষ হ'ল। ৰংপুৰ ককাই দেখিলে কিছুমান মুনিহ-তিৰোতাই নৈৰ বুকুৰ পৰা ল'ৰা-ছোৱালী জাকক বুটলি আনিব গ'ল। পোনপ্ৰথমতে সিহঁতক গ-পা ধুৱাই চিকুণ কৰি খুৱাই বুৱাই আজৰি কৰি দিব লাগিব। আনবিলাকো লাহে লাহে সমবেত ভোজৰ ঠাইলৈ আগবাঢ়ি আহিছে। ককাই এবাৰ বেলিটোলৈ চালে। এদিন৹ মাথো পাঁচ-ছয় ঘণ্টাৰ বাবে ৰংপুৰ পোহৰ কৰি ভোলা বেলিটোৱে পশ্চিমৰ ওখ পৰ্বতমালা স্পৰ্শ কৰিবলৈ অলপ সময়হে মাথোন বাকী আছে। কিছুসময় তেওঁ অস্তগামী সূৰ্যটোৰ ফালে ৰ লাগি চাই থাকিল। তীব্ৰ পোহৰত চকুৰ পানী ওলাব খোজোঁতেহে তেওঁ আনপিনে চকু ঘূৰাই চকু দুটা মোহাৰি দিলে। পুনৰ ভোজ তলীৰ ফালে চকু ফুৰাওঁতে এইবাৰ ককাই দেখিলে — মানৱ বিকাশে তেওঁ বহি থকা ঠাইলৈকে আগবাঢ়ি আহিছে।

ৰংপুৰ ককা থিয় হ'ল। কিন্তু ঠাইতেই থাকি মানৱ বিকাশক একেথিৰে কিছুসময় চাই থাকিল। তাৰ পিছত ধীৰে ধীৰে তেওঁ শিলচটাৰ পৰা নামি মানৱ বিকাশৰ ফালে আগুৱাই আহিল। নিজৰ চিন্তাত বিভোৰ হৈ থকা মানৱ বিকাশে হঠাতে ককাক তাৰ পিনলৈকে আগুৱাই আহি থকা দেখি থিতাতেই বৈ দিলে। ককাই মন কৰিলে — তাৰ মুখখনো কিবা দুশ্চিন্তাত থম্‌থমীয়া হৈ আছে। তেওঁক আৰু মানৱ বিকশে ভোজৰ কথা কোৱাৰ আৱশ্যক নহ'ল। দুয়ো নীৰৱে ভোজতলীলৈ বুলি খোজ ল'লে।

'তোৰ বাপেৰৰ মৃত্যুৰ ঘটনাটো মনত আছেনে মানৱ' ? হঠাতে প্ৰশ্ন কৰিলে ৰংপুৰ ককাই। অপ্ৰাসঙ্গিক প্ৰশ্ন। তেওঁ মানৱ বিকাশক 'মানৱ" বুলিহে সম্বোধন কৰে।

'আছে।' খুব চমুকৈ উত্তৰ দিলে মানৱ বিকাশে। এনেয়েও

সি অলপ কম কথা কয়। দুয়োজনে কিছুদূৰ মাতবোল নকৰাকৈয়ে গৈ থাকিল।

'এৰা! যোৱা বছৰৰ আগৰ বছৰৰ আনন্দ মেলাৰ ঠিক সোতৰ দিন আগতে বৰ-মৌ কাটিব গৈ সি গছৰ পৰা পৰিছিল। দেখাত কিন্তু একোৱেই হোৱা নাছিল তাৰ; — অলপ সেকা-পোৰা কৰোতেই পুনৰ সুস্থ মানুহ এজন হৈ পৰিছিল।'

'ভিতৰি ভিতৰি আঘাত গুৰুতৰেই আছিল হবলা,— নহলেনো সুস্থ মানুহজন দুই দিনৰ পিছতে শেতেলিতেই মৰি থাকিব পায়নে।'

'তই ঠিকেই কৈছ! বাহিৰত একো ধৰিব নোৱাৰিলেও ভিতৰি ভিতৰি তাৰ গুৰুতৰ আঘাত হৈছিল। সি নিজেও কিজানি বুজিব পৰা নাছিল। মৰাৰ পিছতহে আমিও বুজিব পাৰিলো।' ৰংপুৰ ককাই হুমুনিয়াহ কাঢ়িলে। মানৱ বিকাশৰ বাপেক তেওঁৰ বৰ প্ৰিয় পাত্ৰ আছিল। দুয়ো নীৰৱে কিছুদূৰ আগবাঢ়িল।

'সিহঁতে এইবাৰো কথাটো উলিয়াব।' এইবাৰ মানৱ বিকাশে কথা আৰম্ভ কৰিলে।

'উলিয়াবই'। ককাই পুনৰ হুমুনিয়াহ কাঢ়িলে। এইবাৰ চয়-নিচয় কিবা এটা হ'ব যেন লাগিছে।'

'কিন্তু কথাটো জানো ভাল হ'ব?'

ৰংপুৰ ককা কিছুদূৰ নীৰৱে গৈ থাকিল। 'ভালেমান দিন হ'ল —আমাৰ ৰংপুৰ সমাজখনে এক অচিন ৰোগত ভুগি আছে। দুই বছৰমানৰ পৰা সেই ৰোগে প্ৰবল আকাৰ ধাৰণ কৰিছে। তই-মই ৰোগ নিৰ্ণয় কৰিব পৰা নাই যেতিয়া—ঔষধৰ ব্যৱস্থা কৰা বৃথা।'

দুয়োজনে এইবাৰ নীৰৱে গন্তব্য স্থানলৈ আগবাঢ়িল। মানৱ বিকাশ মনে মনে কিন্তু খুব আচৰিত হ'ল। পোনপ্ৰথমবাৰৰ বাবে সি আজি ককাৰ মুখেৰে এনেধৰণৰ বুজিব নোৱাৰা কথা শুনিবলৈ পালে।

ৰংপুৰ ককাইত ভোজভণী পোৱাৰ অলপমান সময় পিছতেই

স্বৰূপ কুমাৰকে ধৰি আঁহত গছজোপাৰ গুৰিত মেলমাৰি থকা মানুহখিনিও ভোজতলী আহি পালে। ককাই তেতিয়াহে গোটেই মানুহজাকক চিনি পালে। সিহঁতৰ লগত কেইজনমান ডেকাও আছিল। 'সিহঁতে কিজানি ডেকা-গাভৰুৰ আজিৰ আনন্দোৎসৱত যোগদান নকৰিলে', —ককাই ভাবিলে।

বেলি মাৰ যোৱাৰ অলপ সময় আগতেই সকলোবোৰ মানুহ খাই বৈ আজৰি হ'ল। তামোল-চালি খাই বয়সস্থ লোকসকল আৰু তিৰোতাবিলাকে ল'ৰা-ছোৱালীবোৰক লগত লৈ ঘৰমুৱা হ'ল। বাচন-বৰ্তনবোৰ ধুই পখালি ঘৰলৈ লৈ যোৱাৰ দায়িত্ব ডেকা-গাভৰুখিনিৰ। আঁহত গছজোপাৰ ওচৰত ডেকা কিছুমানে ইতিমধ্যে শুকান বাঁহ-কাঠৰ টুকুৰা থাক থাককৈ জাপি মেজি এটা সাজিবলৈ আৰম্ভ কৰিছেই। নিশাৰ আনন্দোৎসৱ আজি সিহঁতৰ আঁহত গছজোপাৰ গুৰিত উদযাপিত হ'ব।

ভোজখোৱা ঠাইৰপৰা ঘৰলৈ উভতিবৰ পথছোৱাত ল'ৰা-ছোৱালী বিলাকেহে মাথোন কোলাহল লগাই গ'ল। গোটেই দিনটো ধৰি সিহঁত ইমান ব্যস্ত যে— সিহঁতে চেনেহৰ ৰংপুৰ ককাৰ এবাৰো বিচাৰ খোচাৰ নকৰিলে। বয়সীয়াসকলৰ মাজতো সৰু—সুৰা দুই এটা কথাৰ বাহিৰে গুৰুত্বপূৰ্ণ কোনো কথা-বতৰা নহল। মাথোন ঘৰ পাবৰ সময়ত পশ্চিম আকাশত উঠা এচপৰা ক'লা ডাৱৰৰ ফাঁকে ফাঁকে বিজুলীৰ চিকিমিকি লক্ষ্য কৰি জুমৰ মাজৰপৰা কোনোবা এজনে মাত লগালে , 'আজি ৰাতি বৰষুণ দিব কিজানি ?'

'এৰা, শেষ ৰাতিলৈকে বৰষুণ আহিব হ'বলা, আনন্দ মেলাখন খুব ভালে ভালেই পাৰ হৈ গ'ল।' আকাশলৈ চাই ৰংপুৰ ককাই মন্তব্য কৰিলে। মানুহবোৰ দিহাদিহি গ'লগৈ। কিছুবেলিৰ মূৰতে পুনৰ সিহঁতে দেৱমন্দিৰলৈকে যাব লাগিব। দুবৈৰ পথাৰৰ পৰা বতাহত ভাঁহি অহা আনন্দ প্ৰকাশক ঢোল-পেঁপাৰ মাত শুনি শুনি ৰংপুৰ ককাও পদূলি সোমালগৈ।

★★★

তিনি বছৰমান হ'ল—ৰংপুৰীয়া সমাজৰ একাংশ মানুহৰ মনত এটা চিন্তাই বাহ লৈছে। সিহঁতৰ চিন্তাই আন কিছুমানক বেচ দোধোৰ মোধোৰত পেলাইছে। সিহঁতৰ ৰংপুৰৰ পূবফালে থকা পাহাৰ-পৰ্বতবোৰ অতিক্রম কৰি অধিক পোহৰ বিচাৰি যাবৰ মন। কথাটো অৱশ্যে 'পূৰ্বৰ কাহিনী' এটা হিচাপে ৰংপুৰ ককাৰ মুখেৰেই পোন প্ৰথমতে ওলাইছিল। কি প্ৰসঙ্গত কথাটো ওলাইছিল ভালদৰে মনত নাই যদিও ককাৰ যিমান দূৰ মনত পৰে সেয়া হ'ল—'প্ৰতি বছৰে বেয়া খেতি হোৱালৈ চাই ৰংপুৰ ককা আৰু বাইজৰ কিছু সংখ্যক মানুহৰ অন্তৰত এটা বদ্ধমূল ধাৰণাই বাহ লৈছিল যে সিহঁতৰ ৰংপুৰখনে বেলিৰ পোহৰ কম পোৱা কাৰণেই খেতিৰ অৱস্থা দিনকে দিনে বেয়াৰ ফাললৈ গৈ আছে।' সেই প্ৰসঙ্গতে ককাই কিজানি তেওঁৰ জীৱনত ঘটা এটি অতি সাধাৰণ ঘটনা বাইজৰ আগত বৰ্ণনা কৰিছিল।

ৰংপুৰ ককাৰ বয়স তেতিয়া আঠেকুৰি বছৰমান হ'ব। সেই বছৰ আগতীয়াকৈ শীতকাল আহিছিল। ককাহঁতৰ দুশ্চিন্তা 'আগতীয়া শীতকালে সদায় ধানৰ অনায় কৰে।' এইবিলাক ভাবি চিন্তি তেওঁৰ ৰাতি এদিন টোপনি নহল। দোকমোকালিতে শেতেলিৰ পৰা উঠি ককা বাহিৰ ওলাল। ভাৰ মাহৰ কেইদিনমানহে গৈছে তেতিয়া। গৰম গাখীৰ এবাটি খাই লিনা কাৰণতেই তেওঁ দেৱমন্দিৰৰ ফালে খোজ ললে। কিছুদূৰ যোৱাৰ পিচত দেৱমন্দিৰটো চকুত পৰাৰ লগে লগে হঠাতে তেওঁৰ চকুত পৰিল মন্দিৰৰ ওচৰতে থকা গগন চুম্বী দেৱদাৰু গছজোপাৰ শীৰ্ষ প্ৰদেশত যেন সূৰ্যৰ চিকিমিকি। ৰংপুৰত বেলিৰ পোহৰ পৰিবলৈ তেতিয়াও ভালেমান সময় বাকী আছে।

ৰংপুৰ ককাৰ অন্তৰত কৌতুহল জন্মিল। তেওঁ গছজোপাৰ একেবাৰে ওপৰলৈ উঠি গ'ল। পূবফালৰ ওখ পৰ্বতমালাৰ ফাঁকেৰে ৰঙা বেলিটো তেওঁ দেখাও পালে। গছজোপাৰ পৰা নামি অহাৰ ভালেখিনি সময়ৰ পিছতহে ৰংপুৰত বেলিয়ে ভুমুকি মাৰিলে। সেইদিনাখনেই ককাই বিবেচনা কৰিলে—'পূবফালে পোহৰৰ পৰিমাণ বেছি' —অধিক পোহৰ লাভ কৰিবলৈ হলে এদিন নহয় এদিন ৰংপুৰীয়া বাইজে পূবফালে যাবই লাগিব।

ৰংপুৰ ককাৰ মুখে এই কথাখিনি শুনাৰ পিচত ৰংপুৰৰ ভালেমান মানুহে তেওঁৰ কথাৰ সত্যতা আৱিষ্কাৰ কৰিছিল। ফলত সিহঁতৰো ধাৰণা হৈছিল যে—'পূবফালে পোহৰৰ পৰিমাণ বেছি।' পিছে এইখিনি ভাবিয়েই ক্ষান্ত আছিল সিহঁত। লাভৰ মূৰত বাতি পুৱাতেই ৰংপুৰৰ কিছুমান মানুহৰ দেৱদাৰু গছজোপাত উঠি নতুন সূৰুয চোৱাৰ চখ বাঢ়িছিল। এই বিষয়ে তৎমুহূৰ্তত কৰিবলৈ একো উপায় বিচাৰি নাপাই ককাই কিন্তু এটা সময়ত এই কথাটোলৈ চিন্তা কৰিব এৰি দিছিল।

কিন্তু সেইটো আছিল মাথোন সূচনাহে! ডেৰকুৰি বছৰ আগৰ ককাৰ সেই কথাটোকে সম্পূৰ্ণ আন এটা ৰূপত স্বৰূপ কুমাৰে দুই বছৰ আগতে অনুষ্ঠিত হোৱা আনন্দমেলাৰ শেষদিনাখনৰ ৰাজহুৱা মেলত প্ৰস্তাৱ আকাৰে ৰাইজৰ আগত দাঙি ধৰিলে। 'ৰংপুৰীয়া ৰাইজে অধিক পোহৰ বিচাৰি পূব দিশলৈ যাত্ৰা কৰিব লাগে।'

স্বৰূপ কুমাৰৰ প্ৰস্তাৱটো সেইদিনাখন থিতাতেই নাকচ কৰি দিছিল ৰংপুৰীয়া ৰাইজে। সাধাৰণ মানুহ হৈ পোহৰৰ দেশৰপিনে যোৱাৰ কথা চিন্তা কৰাও ভুল, —মহাপাপ। ৰাইজৰ সেইটোৱে মত আছিল। 'এই অসৎ চিন্তাৰ ফলত আনকি সিহঁতে দেৱতাৰ ৰোষতো পৰিব পাৰে।'

স্বৰূপ কুমাৰৰ মনৰ আশা সেইবাৰলৈ ফলৱতী নহল। সি

ৰাইজক কথাটো ভালদৰে বুজাবও পৰা নাছিল, —আৰু ৰাইজৰ বাবেও প্ৰস্তাৱটো আছিল তেনেই অপ্ৰত্যাশিত। ফলত সি লোক গঞ্জনাৰহে পাত্ৰ হ'ল।

কিন্তু—, আন মানুহবোৰৰ দৰে ৰংপুৰ ককাই স্বৰূপ কুমাৰৰ কথাখিনি থিতাতেই নাকচ কৰিব নোৱাৰিলে। সঘনাই তেওঁৰ নিজৰ বিচাৰ বিবেচনাকো আলোড়িত কৰি অহা প্ৰশ্ন এইটো। কিন্তু কোনে কি ভাৱে কথাটো বিচাৰ কৰিছে সেইটোহে আচল কথা। ককায়ো ৰাইজৰ কথাতেই হয়ভৰ দিছিল।

কেৱল মাথোন এধানিমান বেছি পোহৰৰ বাবে হলেও যে এদিনাখন ৰংপুৰীয়া ৰাইজে পোহৰৰ দেশৰ ফালে আগুৱাই যাব লাগিব সেই বিষয়ে ৰংপুৰ ককা প্ৰায় নিশ্চিত। কাৰণ আন বহু কথাৰ দৰে তেওঁৰ এইটোও সন্দেহ হৈছিল যে চাৰিওকালৰ পৰ্বত-বোৰ যেন বছৰি বছৰি ওখহে হৈ গৈছে। শীতকালৰ কথাটো বাদেই, —বাৰিষা কালতো আজিকালি বেলি উঠাত পলম হোৱা যেন অনুমান হয় তেওঁৰ। অৱশ্যে এয়া সন্দেহহে মাথোন, লতামাগুৰী ধানৰ খেতি কৰা দ মাটিবোৰৰ দৰে সত্য নহয়। তথাপিও বিবেকে তেওঁক বুজনি দিলে, —'ৰংপুৰৰ প্ৰত্যেকজন মানুহে মনে-প্ৰাণে পোহৰৰ অভাৱৰ কথা অনুভৱ নকৰালৈকে পোহৰ বিচাৰি যোৱা নিৰৰ্থক। তেনে কৰিলে যাত্ৰাৰ মধ্যতে মানুহবোৰ হতাশ হৈ যাবও পাৰে। এইবিলাক ভাবি-চিন্তি ৰংপুৰ ককায়ো প্ৰস্তাৱটো নাকচ কৰাত সন্মতি প্ৰদান কৰিলে। আৰু শেষলৈ তেওঁ এই প্ৰস্তাৱটোৰ ঘোৰ বিৰোধী হৈ উঠিল।

পোহৰ বিচাৰি যোৱাৰ প্ৰসঙ্গটো সেইদিনাখন সিমানতে অন্ত পৰিছিল যদিও তাৰ বীজ কিন্তু নিৰ্মূল নহ'ল। আনন্দমেলাৰ পিচৰে পৰা স্বৰূপ কুমাৰৰ পোহৰ বিচাৰি যাব খোজা কথাটিয়ে সংক্ৰামক ৰোগৰ দৰে ৰংপুৰীয়া ৰাইজৰ মাজত শিপাবলৈ আৰম্ভ কৰিলে।

প্ৰথমতে বাটে-ঘাটে, ঘৰুৱা আলোচনাত,—আনকি খেতিপথাৰতো গুৰুত্বহীন ধেমালিৰ কথা হিচাপে,—লাহে লাহে ভৰ খেতিৰ বতৰত ধেমালিৰ চলেৰেও কথাটোৱে গুৰুত্ব লাভ কৰিবলৈ সক্ষম হ'ল। ইয়াৰ পৰোক্ষ কাৰণ বংপুৰ ককায়েই হ'ব। সেইদিনাখনৰ মেলত তেওঁ স্বৰূপ কুমাৰৰ প্ৰস্তাৱটো খিতাতে নাকচ কৰিব পৰা নাছিল। বংপুৰৰ যিজন মানুহে অলপ হলেও চিন্তা কৰিব পাৰিছিল, সেই জনেই এই ক্ষেত্ৰত ককাৰ মানসিক অন্তৰ্দ্বন্দ্বৰ কথা অলপ হলেও বুজিব পাৰিছিল। ফলত মানৱ বিকাশ, ধন বিলাস আদি কিছুসংখ্যক মানুহৰ বাবে এই কথাটো বিশেষ চিন্তাৰ বিষয় হৈ পৰিল।

আনহাতে স্বৰূপ কুমাৰেও এই বিষয়ত হাত সাৱটি বহি নাথাকিল। বংপুৰ ককাৰ এই দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি নানাবিধ যুক্তি-তৰ্কৰ অৱতাৰণাৰে বংপুৰৰ এক বুজন সংখ্যক মানুহৰ অন্তৰত কৌতূহলৰ উদ্ৰেক কৰিবলৈ সি সক্ষম হ'ল।

বহু কথা চিন্তা কৰি মানৱ বিকাশেও পোহৰ বিচাৰি যোৱা সম্পৰ্কে সাৰ্থকতা বিচাৰি পাইছিল। গতিকে দৰাচলতেনো এই বিষয়ত বংপুৰ ককাৰ মতামত কি? সেই বিষয়ে বিশদভাৱে জানিবলৈ যোৱা বছৰৰ আনন্দ মেলাৰ কিছুদিন আগতে দুজনমান সঙ্গীৰ লগত সি ককাৰ ওচৰ চাপিছিল। বংপুৰ ককাই ধৈৰ্য্য সহকাৰে শুনিলে মানৱ বিকাশহঁতৰ কথা। কিন্তু আগৰ মততেই অটল থাকিল তেওঁ; 'পোহৰৰ অনাধিক্যৰ বাবে বংপুৰ পথাৰৰ খেতি ইমান বেছি বেয়া হোৱা নাই, নাইবা বংপুৰ বাসীও ইমান বিপদত পৰা নাই যে—আগপিছ নুগুণি সিহঁতে ইমান সাহসিক কাম এটা হাতত ল'ব। আগতীয়াকৈ পৰিকল্পনা নকৰি ইমান গুৰুত্বপূৰ্ণ কাম এটি কৰাৰ পক্ষপাতী তেওঁ নহয়। পোনপ্ৰথমতে বংপুৰৰ প্ৰত্যেকজন পৰিণত বয়সৰ ব্যক্তিয়ে পোহৰৰ অভাৱৰ বিষয়ে মনে প্ৰাণে অনুভৱ কৰক,—তাৰ পিছতহে সৰ্বসম্মতিক্ৰমে কিবা এটা কৰা উচিত হ'ব। দেৱতাৰ

দেশৰপিনে যাত্ৰা কৰা এলাপেচা বিধৰ কথা নহয়। 'ৰংপুৰ ককাই' পুনৰ কলে, 'যদি কেতিয়াবা পোহৰ বিচাৰি যাবলগীয়াও হয়, সমূহ ৰংপুৰ বাসীয়ে একেলগে যাত্ৰা কৰিব। সামগ্ৰিকভাৱে এই কাৰ্য কৰিবলৈ যোনে ধৰণৰ মানসিক প্ৰস্তুতিৰ আৱশ্যক হ'ব--সেইখিনি আহৰণ কৰিবলৈ ৰংপুৰীয়া ৰাইজৰ এতিয়াও বহুদিনৰ প্ৰস্তুতিৰ প্ৰয়োজন।'

মানৱ বিকাশহঁতে সৰ্ববাদি সম্মতভাৱে মানি লৈছিল ৰংপুৰ ককাৰ যুক্তিবোৰ। 'পোহৰ বিচাৰি এদিন সিহঁত যাবই লাগিব। সেই সময় কিন্তু এতিয়াও উপস্থিত হোৱা নাই তাৰ বাবে সামগ্ৰিক ভাৱে প্ৰস্তুত হোৱাৰহে সময় এতিয়া।'

কিন্তু স্বৰূপ কুমাৰৰ বুজনিয়েও যে ৰংপুৰৰ কিছুমান মানুহৰ অন্তৰত গভীৰভাৱে ৰেখাপাত কৰিছিল—তাৰ দেখ দেখ প্ৰমাণ পোৱা গ'ল যোৱা বছৰৰ আনন্দ মেলাৰ সময়ত। 'পূব দিশত থকা পাহাৰ-পৰ্বতবোৰ অতিক্ৰম কৰিলেনো কি পোৱা যাব—অধিক পোহৰ পোৱা যায় নে নাযায় সেইটো অনুসন্ধান কৰাৰ প্ৰসঙ্গটো পুনৰ উত্থাপিত হ'ল।' প্ৰস্তাৱ উত্থাপনকাৰী সেইবাৰ ধন বিলাস। স্বৰূপ কুমাৰক পৰি বৃহৎ সংখ্যক ৰংপুৰীয়া লোকে ধন বিলাসক সমৰ্থন কৰিলে। ফলত আগৰ বছৰৰ দৰে সেইবাৰ প্ৰসঙ্গটো থিয়াতে নাকচ কৰিব পৰা নগ'ল। এথাপি অহেতুক চিন্তা বুলি কৈ প্ৰস্তাৱটো ৰংপুৰ ককাই উকৰাই দিয়াৰ চেষ্টা কৰিছিল। কিন্তু নোৱাৰিলে তেওঁ। তাৰ ফলশ্ৰুতি হিচাপে ৰংপুৰৰ অলিখিত ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে ৰাইজৰ মাজত মতভেদৰ সৃষ্টি হ'ল, পোনপ্ৰথমবাৰৰ বাবে বাক বিতণ্ডাই স্থান ললিলে। পোনপ্ৰথমবাৰৰ বাবে ৰংপুৰ ককাৰ মুখৰ ওপৰত কথা কবলৈ সাহস কৰিলে ধন বিলাসৰ লেখীয়া কিছুমান লোকে। পোনপ্ৰথমবাৰৰ বাবে প্ৰাপ্য সন্মানৰ বাবে এচিকটা হলেও হেকৰাবলগীয়াত পৰিল ৰংপুৰ ককাই। আৰু পোনপ্ৰথমবাৰৰ বাবে ৰংপুৰ ককাৰ বোধগম্য হ'ল যে—ৰংপুৰীয়া ৰাইজৰ অন্তৰ পাঠ কৰি মুখপাত্ৰ

হিচাপে কাম কৰাৰ দিন তেওঁৰ উকলিল। ৰংপুৰীয়া ৰাইজৰ আশা-আকাংক্ষাৰ প্ৰতিফলন আৰু তেওঁৰ মাজেৰে নহয়।

ৰংপুৰ ককাই সেইদিনাখনৰে পৰা নিজৰ নামটো পাহৰি গ'ল। কথাটো অৱশ্যে সেইদিনাখনেই তেওঁ অনুভৱ কৰিব পৰা নাছিল। এই ঘটনাৰ কিছুদিন পিছত ৰংপুৰ নদীৰ পাৰৰ সেই চিনাকি শিল ডোখৰত বহি আকাশ পাতাল ভাবি থাকোঁতে নৈৰ বুকুত উমলি থকা শিশুৰ দলটিয়ে জুমুৰি মাৰি ধৰি কিবা এটা প্ৰসঙ্গত ককাক তেওঁৰ নামটোনো কি জানিবলৈ বিচৰাতহে তেওঁ বুজি পালে —নিজৰ নামটো তেওঁ পাহৰি গৈছে। বহু কষ্ট কৰিও নিজৰ নামটো তেওঁ মনত পেলাব নোৱাৰিলে। ৰংপুৰ ককাই বুজি পালে, 'মাথোন কিছুদিনৰ আগতে অনুষ্ঠিত হৈ যোৱা আনন্দ মেলাৰ শেষ দিনাখনৰ পৰা তেওঁ নিজৰ নামটো পাহৰি গৈছে। ল'ৰা-ছোৱালী জাকক তেওঁ সেইদিনাখন তেওঁৰ নামটো 'ৰংপুৰ ককা' বুলিয়েই কৈছিল। সিহঁতৰো পছন্দ হ'ল—ককাৰ নিজৰ মুখেৰে ওলোৱা নামটো। সাত নে আঠ বছৰ আগতে ৰংপুৰীয়া ৰাইজে ককাক যি নামেৰে নামকৰণ কৰিছিল—সেই নামটো সেইদিনাখন ককাৰ মুখেৰে ওলাল।

আনন্দ মেলাৰ সেইদিনাখন সন্ধিয়া ৰংপুৰ ককাৰ ডাঙৰ ভুল এটিও ভাগিল। ৰংপুৰৰ কিছুমান লোকে যে চিন্তা কৰে—সেই সত্যটিও তেওঁ সেইদিনাখনেই আৱিষ্কাৰ কৰিলে। মাথোন কেতিয়াৰ পৰা শিকিলে সেইটোহে ধৰিব নোৱাৰিলে তেওঁ। গতিকে চিন্তা কৰিবলৈ শিকা মানুহ জাকক উলাই কৰিবলৈ তুনাই চেষ্টা নকৰি নিজৰ সন্মান লাঘৱ হোৱা সত্বেও ককাই কজিয়াখন চম্ভালি ল'লে। বিষয়টোৰ ওপৰত আলোচনা আৰম্ভ হ'ল।

পোনপ্ৰথমতে ৰংপুৰ ককাই জানিব বিচাৰিলে—কি কাৰণে বাক স্বৰূপ কুমাৰহঁতে আন তিনিটা দিশৰ বিষয়ে সমূলি আওকাণ কৰি

পূব দিশটোহে বাছি ললে ।' আন দিশত যে 'পোহৰৰ অধিকা নাই সেই বিষয়ে কোনেও নদি কব নোৱাৰে।

ধন বিলাস আৰু উদ্ধত দুই এজনে প্ৰকাশ্যে মেলত ৰংপুৰ ককাক অপদস্থ কৰাটো স্বৰূপ কুমাৰহঁতৰ দলৰো প্ৰায়ভাগ মানুহেই অন্তৰেৰে সমৰ্থন কৰিব পৰা নাছিল। অ'টাইতকৈ বয়সস্থ, সন্মানিত আৰু প্ৰিয় মানুহজনৰ অসন্মান কোনেও কামনা নকৰে। তাতে আকৌ উত্তেজিত মানুহবোৰক শান্ত কৰি ককাই নিজে প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰাত স্বৰূপ কুমাৰহঁত বেচ দোধোৰ মোধোৰত পৰিল। ৰংপুৰ ককাৰ বিশাল ব্যক্তিত্বৰ আগত আন সকলোবোৰ মানুহেই পুনৰ ম্লান হৈ পৰিল। তথাপি স্বৰূপ কুমাৰ থিয় হ'ল। ককাৰ প্ৰশ্নৰ উত্তৰ ককায়েই কথা প্ৰসঙ্গত নজৰাৰ দিছে। তথাপিও একেথিৰে কিবা এটা উত্তৰলৈ অপেক্ষা কৰি থকা মানুহজাকলৈ লক্ষ্য কৰি সি বুজি পালে কথাৰ মোহিনী বাণেৰে এই মানুহজাকক সন্মোহিত কৰিব নোৱাৰিলে—তাৰ অন্তৰ গুপুত আশা-আকাংক্ষা নিৰ্মূল হোৱাৰ আশঙ্কাহে বেছি। স্বৰূপ কুমাৰ সমৰ্থ হ'ল। সকৰে পৰা হকে বিহকে প্ৰশ্নৰ অৱতাৰণা কৰা সি—সেইদিনাখন ৰংপুৰ ককাৰ বিশাল ব্যক্তিত্বক ম্লান কৰি দিব পাৰিলে।

ৰংপুৰৰ সৰ্বসাধাৰণ মানুহতকৈ ওখ-পাখ লনি মুখৰ স্বৰূপ কুমাৰে তাৰ প্ৰখৰ বাক শক্তিৰ বলত—ৰংপুৰীয়া ৰাইজক সেইদিনাখন এনেদৰে সন্মোহিত কৰিছিল যে—ৰাইজৰ ধাৰণা হৈছিল 'ৰংপুৰক অধিক পোহৰৰ সন্ধান দি নতুনকৈ সজাই পৰাই নৰূপত গঢ় দিবৰ বাবে এইজন মানুহতকৈ বেছি উপযুক্ত মানুহ ৰংপুৰত নাই।' সিহঁতৰ আগত নতুন ৰূপত যেন উদ্ভাসিত হৈ পৰিছিল স্বৰূপ কুমাৰ।

স্বৰূপ কুমাৰে বুজাই কলে—'ৰংপুৰ নদীখন পূব দিশৰ পৰা পশ্চিমলৈ বৈ গৈছে। গোটেই বছৰটো ধৰি নদীখনে পূব দিশৰ পৰা পানীবোৰ কটিয়াই লৈ গৈ পশ্চিম দিশত জমা কৰিছে, গতিকে সেই

দিশত আছে কেৱল পানীৰ আধাৰ এটি। তদুপৰি পশ্চিম দিশটো হ'ল মেলি মাৰ যোৱা অন্ধকাৰ দিশ আমাৰ উদ্দেশ্য যিহেতু পোহৰৰ সন্ধান কৰা, তেনেস্থলত সেই দিশেৰে গ'লে পোহৰ আমি কমকৈহে পাম। আনহাতে সেই দিশতেই অৱস্থিত মৃতকৰ দেশ। বাৰিষা কালত মৃতকৰ দেশৰ পৰা অহা গৰ্জন সদায় আমি শুনিবলৈ পাওঁহক।'

স্বৰূপ কুমাৰ কিছুসময় নীৰৱে থাকিল। মানুহবোৰক কিছু-সময় চিন্তা কৰিবৰ অৱকাশ দিলে সি। 'অৱশ্যে এই কথাবিলাক মই সাজি কোৱা কথা নহয়, কল্পনাও নহয়। এইবোৰ ৰংপুৰ ককাৰ কথা। সৰু কালৰে পৰা ককাই কৈ অহা কথাবোৰ মই দোহা-ৰিছোহে মাথোন।'

'মিছা কথা কোৱা নাই স্বৰূপ কুমাৰে,' ককাই চিন্তা কৰিলে। এই কথাবোৰ তেওঁ বহুবাৰ বহুতৰে আগত কৈছে আজিৰ দৰে মন দিহে শুনা নাছিল সিহঁতে এইবোৰ কথা।

পুনৰ কবলৈ আৰম্ভ কৰিলে স্বৰূপ কুমাৰে, 'আনহাতে উত্তৰ নাইবা দক্ষিণ দিশটোৰে পোহৰ বিচাৰি যাত্ৰা কৰা মুঠেই সমীচীন নহয়। কাৰণ পানীৰ অবিহনে মানুহে জীৱন ধাৰণ কৰিব নোৱাৰে। ককাই কোৱাৰ দৰে সেই দুটা দিশত ৰংপুৰ নদীৰ লেখীয়া আন এটা নদী আছে নে নাই সেই বিষয়ে আমাৰ পূৰ্বপুৰুষসকলো সন্দি-হান আছিল। মাতৃ স্বৰূপা যিটো নদীয়ে বাৰটা মাহে আমাৰ তৃষ্ণা নিবাৰণ কৰি আহিছে, সেই নদীটোক নেওচি দি যোৱাটো আমাৰ পক্ষে কোনো পধো উচিত নহয়।'

ককাইহঁতে স্বৰূপ কুমাৰৰ এই কথাখিনিও নামানি নোৱাৰিলে। ৰংপুৰৰ পূৰ্বপুৰুষসকলৰো এই বিষয়ত সেই একেই ধাৰণা আছিল। পূব দিশত থকা দেৱতাসকলৰ কথা চিন্তা কৰি তেওঁ এবাৰ উত্তৰ নাইবা দক্ষিণ দিশেৰে চেষ্টা কৰি চোৱাটো ভাল হ'ব বুলি কব

খুজিছিল; কিন্তু মনে মনে থাকিল। কাৰণ এই বিষয়ত তেওঁৰ নিজৰে সন্দেহ আছে।

কিছুসময় এনেদৰে যোৱাৰ পিছত স্বৰূপ কুমাৰে আগতে গুৰুত্ব সহকাৰে কোনেও চিন্তা নকৰা প্ৰসঙ্গ এটিৰ অৱতাৰণা কৰিলে। বহু বছৰ আগতে ৰংপুৰ ককাই এদিন দেৱমন্দিৰৰ ওচৰৰ দেৱদাৰু গছজোপাৰ শীৰ্ষ প্ৰদেশত বেলিৰ পোহৰ দেখিবলৈ পোৱা কাহিনী টোৰ সবিশেষ ৰাইজৰ মাজত দাঙি ধৰিলে। ককাই যেতিয়া এই কাহিনীটো ৰাইজৰ আগত কৈছিল, সেই সময়তো মানুহবোৰে গুৰুত্ব সহকাৰে কথাখিনি শুনিছিল। 'কাৰণ বেলিৰ পোহৰৰ লগত খৰালিৰ খাঁটৰ ওতঃপ্ৰোত সম্বন্ধ।' যথেষ্ট সংখ্যক মানুহে তেওঁৰ এই আৱিষ্কাৰৰ প্ৰমাণো লৈছিল। কালৰ সোঁতত সিহঁতে কথাটো পাহৰিও গৈছিল। স্বৰূপ কুমাৰৰ মুখে পুনৰ নতুন কাহিনী এটি শুনাৰ দৰে সিহঁতে কথাবোৰ শুনিলে। শুনি পতিয়ন গ'ল।

স্বৰূপ কুমাৰে ৰংপুৰ ককাকেই সম্বোধন কৰি সুধিলে 'তেওঁৰ মুখে শুনা এই কাহিনীটো সি বাৰু কিবা যোগ-বিয়োগ কৰি কৈছে নেকি?' ৰংপুৰ ককাই মূৰ জোকাৰিলে। 'তেওঁ কোৱা কাহিনীটোকেই আখৰে আখৰে ব্যক্ত কৰিছে স্বৰূপ কুমাৰে।' মাথোন মনে মনে তেওঁ আচৰিত হ'ল— তেওঁ নিজেও ইমান দিনে পাহৰি থকা ইমান বছৰৰ আগৰ কাহিনীটো স্বৰূপ কুমাৰে আখৰে আখৰে মনত ৰখা দেখি।

মানৱ বিকাশো লজ্জিত হ'ল। ৰংপুৰ ককাই কোৱা এই কাহিনীটো স্বৰূপ কুমাৰে কোৱাৰ পিছতহে মনলৈ আহিল তাৰ। তাৰ মনে মনে অলপ গৰ্ব আছিল, ককাই কোৱা সকলোবোৰ কথাকেই সি মনপুতি শুনে আৰু মনত ৰাখে বুলি। মানৱ বিকাশৰ ভুল ভাগিল।

স্বৰূপ কুমাৰ আশ্বস্ত হ'ল। এতিয়ালৈকে সি ঠিক বাটেৰেই বাট বুলিছে। মাথোন কিছুসময় আগতে ধন বিলাসে ককাক অপমান

কৰা কথাটো এই মুহূৰ্তত কোনেও মনত ৰখা নাই। সি পুনৰ আৰম্ভ কৰিলে—'পূব দিশটো হ'ল পোহৰৰ দিশ। যিমানেই পূবৰ পিনে আগুৱাই গৈ থকা সিমানেই পোহৰৰ ওচৰ চাপিব পৰা হ'ব। আমাৰ ৰংপুৰখনৰ বাদেও যদি পোহৰৰ আধিক্য থকা, পোহৰৰ দেৱতা সকলৰ অধিক অনুগ্ৰহ লাভ কৰিবলৈ সক্ষম হোৱা আন এখন বেলেগ ৰংপুৰ আছে—তেনেহলে সেইখন নিশ্চয় পূব দিশতেই থাকিব লাগিব। নহলে কিয়া'নিবা অধিক পোহৰৰ সন্ধান পালে, আমিয়েই ইয়াৰ পৰা গৈ তাত এখন নতুন ৰংপুৰ গঢ় দিব পাৰিম। ৰংপুৰ নদীৰ লগতো আমাৰ বিচ্ছেদ নহয়।'

তুমুল হৰ্ষধ্বনিৰে স্বৰূপ কুমাৰৰ কথা সমৰ্থন কৰিলে ৰংপুৰীয়া ৰাইজে। সকলোৰে বাবে নিশ্চয় এইটো নতুন কথা হ'ব। কোনে জানে—কিজানিবা পোহৰৰ আধিক্য থকা আন এখন ৰংপুৰ বিচাৰি পোৱা যায়েই। ৰংপুৰত বাস কৰি পোহৰৰ অনাধিক্যত ভুগি ভুগি সিহঁতৰ যেন অশেষ কষ্ট হৈছে এনে ভাৱত, অধিক পোহৰ লাভ কৰিব পৰা আন এখন ৰংপুৰ বিচাৰি যাবলৈ সিহঁতে আগ-পিছ নুগুণি থিতাতেই সাজু হ'ল। 'সিহঁতৰ পূব দিশলৈ পোহৰ বিচাৰি কৰা যাত্ৰা নিশ্চয় দুৰ্গম হ'ব। অলঙ্ঘ্য পাহাৰ-পৰ্বত অতিক্ৰম কৰি যাব লাগিব সিহঁত। কিন্তু সিহঁতেতো ৰংপুৰৰ লগত একেবাৰে সংযোগ বিচ্ছিন্ন কৰি যাব ওলোৱা নাই। নতুন ৰংপুৰৰ যদি সন্ধান নাপায়, যাত্ৰা পথ যদি অতিশয় কষ্টকৰ হয়—তেনেহ'লে খেতিৰ বতৰৰ আগে আগে ঘৰৰ মানুহ পুনৰ ঘৰলৈকে উভতি আহিব।' মানুহজাক ততালিকে সাজু হ'ল।

ৰংপুৰ ৰকা মানে মনে থাকিল। মনে নামানিলেও কিছুমান কথা যে কিছুমান সময়ত কব নাপায় এই শিক্ষা তেওঁ কিছুসময় আগতেই পাই থৈছে। তদুপৰি নিজৰ কথাতে বান্ধ খাইছে তেওঁ। নিজে তৈয়াৰ কৰা ৰচীৰেই স্বৰূপ কুমাৰে তেওঁক বান্ধি পেলাইছে।

তেওঁ সদায় কৈ অহা কথাবোৰকেই যুক্তি হিচাপে দাঙি ধৰি স্বৰূপ কুমাৰে কৌশলেৰে উদ্দেশ্য সাধন কৰিব বিচাৰিছে। এতিয়া তেওঁৰ বাবে সকলোবোৰ পথ বন্ধ। তথাপি ৰংপুৰ ককাৰ মনৰ খুতুৰনি নমৰিল। 'স্বৰূপ কুমাৰ কেনেকৈনো বাক ইমান নিশ্চিত হ'ল যে— ৰংপুৰ নদীটো পূৰপিনৰ পৰাহে বৈ আহিছে। ৰংপুৰ পথাৰৰ মাজেৰে নদীটো যেনেদৰে আঁকোৰা পকোৰাকৈ বৈ গৈছে সেই হিচাপে ভাবিলে তুই এখন পাহাৰ-পৰ্বত অতিক্ৰম কৰাৰ পিছত নদীটোৰ গতিপথ সলনিও হব পাৰে, নদীটোৰ অস্তিত্বও হয়তো নাথাকিব পাৰে। তাতোকৈ আচৰিত কথা স্বৰূপ কুমাৰে পূব দিশত পোহৰৰ আধিক্যৰ বিষয়ে বৰ্ণনা কৰিবলৈ গৈ স্পষ্টভাৱে 'পোহৰৰ দেশৰ দেৱতাসকল'ৰ বিষয়ে কিয় এবাৰো উল্লেখ নকৰিলে। নে সি পাহৰি থাকিল কথাটো। কিন্তু তেওঁৰ বিশ্বাস হ'ল ইচ্ছা কৰিয়েই স্বৰূপ কুমাৰে পোহৰৰ দেশৰ দেৱতাসকলৰ কথা উল্লেখ কৰা নাই। মানুহবোৰে শঙ্কাবোধ কৰিলে তাৰ উদ্দেশ্য সফল নহ'বও পাৰে। ককাই নিজেও এই বিষয়ে প্ৰশ্ন কৰিবলৈ সঙ্কোচবোধ কৰিলে। এনেকুৱা এটা পৰিৱেশত স্বৰূপ কুমাৰক তুনাই এই বিষয়ে প্ৰশ্ন কৰা নিৰৰ্থক বুলি জ্ঞান কৰি নীৰৱে বহি থাকিল ৰংপুৰ ককা।

স্বৰূপ কুমাৰৰ কথাৰ উত্তৰ দিবলৈ এইবাৰ মানৱ বিকাশ থিয় হ'ল। গহীন মুখৰ খণ্ডাল মানৱ বিকাশক ৰংপুৰবাসীয়ে যথেষ্ট সমীহ কৰি চলে। ৰংপুৰ ককাৰ লগত আগে ভাগে আলোচনা কৰি ৰংপুৰীয়া বাইজক আজিকালি মানৱ বিকাশেই খেতিবাতিৰ দিহা-পৰামৰ্শ দিয়ে। খেতি-বাতি সম্পৰ্কে তাৰ নিজা অভিজ্ঞাও বাকীবোৰত কৈ বেছি। সেইবাবে মানৱ বিকাশৰ কথা যে ৰংপুৰ ককাৰ কথা এই বিষয়ে দকৈ চিন্তা নকৰিলেও সকলো সজাগ।

মানৱ বিকাশে স্পষ্টভাৱে জানিবলৈ বিচাৰিলে, 'ৰংপুৰীয়া বাইজে কেতিয়াকৈ পোহৰ বিচাৰি যোৱাৰ কথা চিন্তা কৰিছে?'

মানৱ বিকাশৰ এই সাধাৰণ প্ৰশ্নটোৱে তীব্ৰতাই ৰংপুৰীয়া ৰাইজক পুনৰ বিমোৰত পেলালে। স্বৰূপ কুমাৰেও আনকি মানৱ বিকাশে তাৰ কথাত ইমান সহজে মান্তি হ'ব বুলি আশা কৰা নাছিল। স্বৰূপ কুমাৰকো বিমোৰত পেলালে সি। তথাপি উত্তৰ দিলে যে সিহঁতে যিমান সোনকালে সম্ভৱ হয় সিমান সোনকালেই যাত্ৰা কৰাটো উচিত হ'ব। 'পোহৰ অভিলাসী সকলৰ ভাগ্য ভাল যে ধন বিলাসে ৰংপুৰ ককাক অপমান কৰাৰ সময়ত মানৱ বিকাশ তাত উপস্থিত থকা নাছিল, মেনলৈ আহোঁতে তাৰ অলপ পলম হৈছিল। নহলে পৰিস্থিতিয়ে কেনে ৰূপ ল'লেহেঁতেন কল্পনাও কৰিব নোৱাৰি।'

'এটা কথাত আমি একমত হৈছো যে পোহৰৰ অনুসন্ধান কৰিবলৈ আমি পূব দিশেৰে যাত্ৰা কৰিম' মানৱ বিকাশে গম্ভীৰভাৱে ক'বলৈ আৰম্ভ কৰিলে 'কিন্তু এতিয়া নহয়। মাঘ মাহ শেষ হ'বলৈ মাথোন সাতোটা দিন বাকী আছে না'ৰা-ছাৱালী সোপাকে লৈ এই বিপদ সঙ্কুল যাত্ৰাৰ প্ৰস্তুতি কৰোঁতেই আমাৰ বিশ পঁচিশ দিনমান লাগিব। তদুপৰি আছে জন্তু চিকাৰৰ কথা। যদিহে এমাহ বা দুইমাহৰ ভিতৰত ঘূৰি আহিবলগীয়া হয় তেনেহলে অহা বছৰলৈ খেতিৰ অৱস্থা নিশ্চয় ভাল নহব। তদুপৰি গৰু-ম'হ বিলাকৰ কথা আমি কি ভাবিছো? সেইবাবে মই কওঁ নাভাবি নিচিন্তি কাম কৰিলে ৰাইজ নিশ্চয় বিপদত পৰিব।'

ৰংপুৰীয়া ৰাইজে স্বৰূপ কুমাৰৰ কথা শুনি এনেদৰে উদ্বাউল হৈ উঠিছিল যে এই অসুবিধা বিলাকৰ কথা সিহঁতে চিন্তাই কৰা নাছিল। এইবাৰ সিহঁত মনে মনে থাকিল। 'মানৱ বিকাশে উচিত কথাকে কৈছে।'

মানৱ বিকাশে পুনৰ ক'বলৈ আৰম্ভ কৰিলে. 'যদি এনে ধৰণৰ চিন্তা এটা ৰাইজে কৰিছিলেই তেনেহলে ধান চপোৱাৰ পিছতেই যাত্ৰাৰ পাতনি মেলিব লাগিছিল। আনন্দ মেলা এইবাৰ আমি যাত্ৰা

পণতো উদ্‌যাপন কৰিব পাৰিলোহেঁতেন। গতিকে মোৰ মতে এইবাৰ আমি এই যাত্ৰা স্থগিত ৰাখি অহা বছৰ খেতি চপোৱাৰ পিছতে আৰম্ভ কৰা উচিত হ'ব। যদি সকলোৱে আশাকৰা মতে পোহৰৰ আধিক্য থকা নতুন ৰংপুৰ এখন আৱিষ্কাৰ কৰিব পৰাও যায়—, সেই ক্ষেত্ৰতো আমাক যথেষ্ট পৰিমাণৰ খাদ্য শস্য মজুত লাগিব। ছন পৰি থকা মাটিত প্ৰথম বছৰ নাঙলৰ আঁচোৰ মৰা কিমান কষ্টকৰ সেইটো সকলোৱে জানে। গতিকে এতিয়াৰে পৰা আমি চেষ্টা কৰিব লাগিব—যাতে আমি এই বছৰতেই বুজন পৰিমাণৰ শুকান মাছ মাংসকে ধৰি আন খাদ্য শস্যও উৎপন্ন কৰিব পাৰো। অহা বছৰলৈ যাত্ৰা কৰিলে আমি কমেও দহোটা মাহ হাতত পাম।'

আগপিছ নাভাবি কম কৰিবলৈ ওলোৱা মানুহজাকৰ সমৰ্থন এইবাৰ মানৱ বিকাশে লাভ কৰিলে। স্বৰূপ কুমাৰেও তাৰ যুক্তি-বোৰ খণ্ডন কৰাৰ কোনো পথ বিচাৰি নাপালে। সি অৱশ্যে হতাশো নহ'ল। এক বছৰৰ বাবে 'পোহৰ বিচাৰি ওলোৱা অভিযান' স্থগিত ৰখা হল।

পূৰপিনে পোহৰ বিচাৰি যোৱা প্ৰসঙ্গটোৰো সেই বছৰ সিমানতে অন্ত পৰিল।

× × ×

[৩]

ভোজ ভাত খাই উঠি ৰংপুৰীয়া ৰাইজ সন্ধিয়া বেলিকা দেৱমন্দিৰত সমবেত হ'লগৈ। ৰংপুৰ ককাৰ অহাত অলপ পলম হৈছিল। ৰাতিৰ বেলিকা আজিকালি ককাই চকুৰেও অলপ কম দেখা পায়। সেই বাবে দুজনমানে তেওঁক লৈ আহিলগৈ। আকাশৰ গতিগোত্ৰ নিৰীক্ষণ কৰি প্ৰথমৰে পৰা সিহঁতে চিন্তা কৰিছিল —বেছি সময় মেল কৰা উচিত নহ'ব। 'প্ৰথমজাক বৰষুণে সদায় বেমাৰ-আজাৰ লগত লৈ আহে।' ৰংপুৰ ককা আহি পোৱাৰ লগে লগে যথাৰীতি মেল আৰম্ভ হ'ল।

কিন্তু চাৰিওপিনে নিমাত নিস্তব্ধ. কাৰো মুখত কথা নাই। কোনে প্ৰথমতে কি কথা উলিয়াব আটাইবোৰে তাকেই আশা কৰি বহি থাকিল। ৰংপুৰ ককাই কোনো দিনে মেলত প্ৰথমতে কথা নকয়। মানৱ বিকাশে আগতেই ভাবি থৈছে —আজিৰ মেলত সি নীৰৱতা অৱলম্বন কৰিব। স্বৰূপ কুমাৰে নিজে হোতা হৈ মেলখনৰ পাতনি মেলিব খোজা নাই। তদুপৰি সি লক্ষ্য কৰিছে বৰষুণৰ অভাৱত এইবাৰ খেতিৰ যিটোহে অৱস্থা হ'ল—তাৰ ফলত এচাম মানুহৰ পোহৰ বিচাৰি যোৱাৰ উদ্যম যেন একেবাৰে হেৰাই গৈছে। খাদ্য শস্য বেছিকৈ মজুত কৰাৰ সিদ্ধান্ত লৈ সিহঁত বিফল হ'ল। যোৱা বছৰৰ তুলনাত আধামানহে শইচ পালে সিহঁতে এইবাৰ। মাছ-মাংস চিকাৰ কৰাৰ ক্ষেত্ৰতো বিজুতি ঘটিল। মনে মনে কথাটো খুব এটা বেয়া নাপালেও— আজিৰ মেলত কোনটো কথা আগতে আলোচনা কৰা উচিত হ'ব—'খেতিৰ বিষয়ে নে, পোহৰ বিচাৰি যোৱাৰ বিষয়ে' তাৰ একো ঠিৰাং কৰিব নোৱাৰি স্বৰূপ কুমাৰো মনে মনে থাকিল। ধন বিলাসৰ আগে ভাগে মেলত মতাৰ অভ্যাসেই নাই; সদায় মেলৰ মাজত বেমেজালি লগোৱাতহে সি ওস্তাদ।

ৰংপুৰ ককাই মানুহ বিলাকৰ মানসিক অন্তৰ্দ্বন্দ্বৰ উমান ধৰিব পাৰি, মনে মনে আশা কৰিলে—'পোহৰ বিচাৰি যোৱাৰ প্ৰসঙ্গটো এইবাৰলৈ যেন স্থগিত থাকে। কাৰণ ৰংপুৰীয়া বাইজৰ সমুখত এইবাৰ ভয়ঙ্কৰ বিপদ! চিৰ প্ৰচলিত প্ৰথামতে চলিলে আৰু দুইদিন মানৰ ভিতৰতে সিহঁতে খাদ্যৰ নাটনি মাৰিবলৈ চিকাৰত মনোনিবেশ কৰা উচিত।' কিন্তু তেওঁ আশা কৰা মতে কাম নহ'ল।

বিদ্যুৎ চঞ্চলে আৰু ধৈৰ্য ধৰিব নোৱাৰিলে। 'এনেকৈ শিলৰ মূৰ্তিৰ দৰে সকলোটি বহি থাকিলেতো নচলিব। পোহৰ বিচাৰ যোৱা হব নে নহয়—তাৰ এটা চয়-নিচয় হৈ যোৱা উচিত।'

'এইবাৰ খেতিখনৰ যে এই অৱস্থা হ'ল—সেই বিষয়েনো কোনে কি চিন্তা কৰিছে,' মেলৰ মাজৰ পৰা কোনোবা এজনে কৈ উঠিল।

হঠাতে মেলৰ মাজত যেন বোমাহে ফুটিল। 'সেইকাৰণেইতো আমি যোৱা বছৰেই গোৱাৰ সিদ্ধান্ত কৰিছিলো' হুঙ্কাৰ কাঢ়িলে ধন বিলাসে।

মানৱ বিকাশে আৰু মনে মনে থাকিব নোৱাৰিলে। সিয়ো গৰজি উঠিল, যোৱা বছৰ যাত্ৰা কৰা হ'লে খেতিৰ অৱস্থা জানো ভাল হ'লহেঁতেন?

'কোনে জানে, কিজানিবা নতুন ৰংপুৰত আমাৰ খেতি ভালেই হ'লহেঁতেন!' মেলৰ মাজৰ পৰা আন এজনে মাত লগালে।

গিৰিসাই থিয় হ'ল মানৱ বিকাশ— 'কোন সেইটো, কঠিয়াৰ মাটি নৌচহাওঁতেই মৰণা মৰা চোতাল ভাল কৰে?' মেলৰ মাজৰ পৰা সি মানুহজনক বিচাৰি উলিয়াবৰ চেষ্টা কৰিলে।

বহু সময় ধৰি এই বিষয়ে বাইজৰ মাজত তৰ্ক-বিতৰ্ক চলিল। নীৰৱ শ্ৰোতা হিচাপে ৰংপুৰ ককাই নীৰৱে শুনি গ'ল মাথোন।

'আমিতো এতিয়াও যাত্ৰা কৰিব পাৰো।' তৰ্কৰ মাজতে হঠাতে বিদ্যুৎ চঞ্চলে কৈ উঠিল।

'তেনেহলে খেতি চপোৱাৰ পিছতে কিয় যাত্ৰা কৰা নহ'ল? সেইটোৱেইতো কথা আছিল।' পূৰ্বৰ তীব্ৰতাৰেই কৈ উঠিল মানৱ বিকাশে।

সেইটো আমাৰ দোষ নেকি? পুনৰ হুঙ্কাৰিলে ধন বিলাসে।

'তেনেহলে কাৰ দোষ?' ধন বিলাসৰ চকুত চকু থৈ প্ৰশ্ন কৰিলে মানৱ বিকাশে।

'ৰংপুৰীয়া ৰাইজে যিবিলাকৰ কথাত উঠে বহে—, সেইবিলাকৰ।' ধন বিলাসো অলপো নদমিল।

'কোন সেইবিলাক?' হাত কোচাই পুনৰ থিয় হ'ল মানৱ বিকাশ। সি স্পষ্টভাৱে বুজি পালে ধন বিলাসেনো কিহৰ ইঙ্গিত দিছে। তাৰ শৰীৰৰ তেজবোৰ প্ৰবল খঙত উতলি উঠিল।

ৰংপুৰ ককাই আৰু হাত সাৱটি বহি থাকিব নোৱাৰিলে। মানৱ বিকাশৰ বিজতৰীয়া খঙটিৰ লগত তেওঁৰ নিচেই চিনাকি! খঙৰ কোবত সি কৰিব নোৱাৰা কাম একো নাই। তেওঁ লাহেকৈ মাত লগালে, 'ৰংপুৰক কোনো দিনে এজন নাইবা দুইজন মানুহে পৰিচালনা কৰা নাই। ৰংপুৰীয়া ৰাইজেই ৰংপুৰখন পৰিচালনা কৰি আহিছে। আমি মিছাতেই কাজিয়া কৰি আছো।'

ৰংপুৰৰ আটাইতকৈ বৃদ্ধ মানুহজনৰ মন্তব্যই ক্ষন্তেকৰ বাবে হলেও উত্তপ্ত পৰিবেশটো কিছু শান্ত কৰিলে।

কিন্তু মানৱ বিকাশৰ জঁকৰা খং এবাৰ যি উঠিল—উঠিলেই। গোঙোৰা মাৰি সি কৈ উঠিল, 'এই বছৰ খেতিৰ যিটোহে অৱস্থা হ'ল—তেনে অৱস্থাত ইমান ভতাতৈয়াকৈ এই বছৰেই পোহৰ বিচাৰি যোৱাটো মই মুঠেই পছন্দ নকৰো। কোনোবা গলেও যাওক, মই নাযাওঁ। দৰকাৰ হলে অকলেই থাকিম মই ইয়াত।'

ৰংপুৰ পথাৰৰ খেতিৰ অৱস্থাই মানুহবোৰক আগৰে পৰাই হতাশ কৰি থৈছিল। সঁচা কথা কবলৈ গ'লে এজাক বৰষুণৰ বাবে

হায়ে-বিয়ে কৰি থাকোঁতে সিহঁতে সেই সময়ত পোহৰৰ বিষয়ে চিন্তা কৰিবলৈকেও পাহৰি গৈছিল। ফলত মানৱ বিকাশ আৰু ধন বিলাসৰ বাকবিতণ্ডাই তাৰ ফলশ্ৰুতি হিচাপে মানৱ বিকাশৰ ঘোষণাই সিহঁতক তেনেই হতাশ কৰি পেলালে। তদুপৰি ৰংপুৰ ৰকা আৰু মানৱ বিকাশ সিহঁতৰ আটাইতকৈ প্ৰিয় লোক। মানৱ বিকাশে এই বছৰ পোহৰ বিচাৰি যাবলৈ অমান্তি হোৱা কথাটোত প্ৰায় ভাগেই হয়ভৰ দিলে। সিহঁতৰো কথা হ'ল, 'এই বছৰ আমি যাত্ৰা কৰাটো উচিত নহ'ব।'

ইমান সময়ে মানুহখিনিৰ কাজিয়াখন নীৰৱে উপভোগ কৰি স্বৰূপ কুমাৰৰ অন্তৰখন কিন্তু ভালেখিনি সকাহ পৰিল। ৰংপুৰৰ প্ৰত্যেকজন ব্যক্তিকে পোহৰ বিচাৰি যোৱা অভিযানত অংশ গ্ৰহণ কৰিব দিয়াৰ সি পক্ষপাতী নহয়। গতিকে মানৱ বিকাশে যেন পৰোক্ষভাৱে তাৰ উপকাৰহে কৰিলে। গতিকে সি আৰু পলম নকৰি নিজৰ বক্তব্য পেচ কৰিবলৈ আৰম্ভ কৰিলে।

'এইবাৰ ৰংপুৰৰ খেতিৰ অৱস্থা ইমান বেয়া হ'ল যে—যিটো কাম কৰিবলৈ আমাৰ উৎসাহৰ অন্ত নাছিল, এতিয়া সেইটোকে কৰিবলৈ আমি ইমান নিৰুৎসাহ হৈ পৰিছো,—যাৰ ফলত আনকি আমি পূৰ্ব পৰিকল্পনা মতেও কাম কৰিব নোৱাৰিলো। কিন্তু সেই বুলি আমি জানো হতাশাত ভাগি পৰা উচিত হ'ব? কেতিয়াও নহয়। গতি প্ৰায় আঠ বছৰমান আগতে ঘটি যোৱা দুৰ্যোগটিৰ কথা নিশ্চয় সকলোৱে মনত আছে। এই বছৰতকৈও কম শইচ পাইছিলো আমি সেইবাৰ। কিন্তু হতাশ নহৈ আমি জানো ৰংপুৰ ৰকাৰ উদ্যোগত দিনে নিশাই কাম কৰি সেই আপদীয়া দিনবোৰ পাৰ কৰি দিয়া নাছিলো। এইবাৰো যদি পোহৰৰ সন্ধান কৰাৰ পৰিকল্পনাটো পৰিহাৰ নকৰি অলপ মাথোন বদ-বদল কৰি দিয়া যায় তেনেহলে আমি নিশ্চয় আমাৰ আশা আকাংক্ষাবোৰ বাস্তৱত ৰূপায়িত কৰিব পাৰিম।'

বাইজক ভাবিবলৈ সময় দিয়াৰ অভিপ্ৰায়েৰে স্বৰূপ কুমাৰে ক্ষন্তেক অপেক্ষা কৰিলে। মানৱ বিকাশে বংপুৰ ককাৰ চিন্তান্বিত মুখৰপিনে চাই তেওঁৰ অন্তৰতনো কি ভাৱ খেলাইছে —তাৰ এংকো তৎ ধৰিব নোৱাৰিলে। ধন বিলাস, বিদ্যুৎ চঞ্চলহঁতে তলমুৰ কৰি আছে, আৰু বাকীবোৰে কেনেদৰে পৰিকল্পনাটো বদ-বদল কৰাৰ কথা চিন্তা কৰিছে তাকেই শুনিবলৈ আশা কৰি স্বৰূপ কুমাৰৰ মুখৰপিনে চাই আছে। তথাপি বংপুৰ ককাৰ সন্দেহ হ'ল—স্বৰূপ কুমাৰে এইবাৰ যিখিনি কথা কব সেই কথাখিনি বংপুৰৰ কিছু সংখ্যক মানুহে আগতেই জানে। তেওঁ নিজে কিন্তু সেই বিষয়ে ভবি চিন্তি কোনো শুংসূত্ৰ উলিয়াব নোৱাৰিলে।

পুনৰ আৰম্ভ কৰিলে স্বৰূপ কুমাৰে, 'বংপুৰৰ গোটেইজাক মানুহে পোহৰ বিচাৰি যোৱাৰ ক্ষেত্ৰত কেনেধৰণৰ প্ৰস্তুতিৰ আৱশ্যক -এতিয়া আমি হাড়ে হিমজুৱে উপলব্ধি কৰিছোঁ, যোৱা বছৰ মানৱ বিকাশে সেই বিষয়ত সাৱধান বাণীও শুনাইছিল। কিন্তু অহা বছৰলৈ যে খেতিৰ অৱস্থা ভাল হবই তাৰো কোনো নিশ্চয়তা নাই। গতিকে মই চিন্তা কৰিছো প্ৰথম অৱস্থাত গোটেইবিলাক মানুহে একেলগে যাত্ৰা নকৰি - আমি একাংশ মানুহে যদি অভিযানত অংশ গ্ৰহণ কৰো তেনে-হলে কিজানি উভয় কুল ৰক্ষা পৰিব। যদি অধিক পোহৰ লাভ কৰিব পৰা নতুন বংপুৰ এখন আৱিষ্কাৰ কৰিব পৰা যায় —তেনেহলে দুই এবছৰৰ ভিতৰতে আমি সকলোবোৰ তালৈকে যামগৈ। আৰু যদি আমাৰ অভিযান সফল নহয় তেনেহলে এমাহমানৰ ভিতৰতে আমি পুনৰ উলটি আহিম। যিখিনি মানুহে অভিযানত অংশ গ্ৰহণ নকৰে--সিহঁতে যদি আমি উলটি আহি নোপোৱা পৰ্যন্ত খাদ্য বস্তু সংগ্ৰহ কৰাৰ ক্ষেত্ৰত অলপ বেছি পৰিশ্ৰম কৰে তেনেহলে আমাৰ উভয়কুলেই ৰক্ষা পৰিব। মানৱ বিকাশে ইতিমধ্যে অভিযানত অংশ গ্ৰহণ নকৰাৰ কথা ব্যক্ত কৰিছে, বৃদ্ধ দেহটিলৈ চাই বংপুৰ ককাকো

জোৰ-জুলুম কৰা আমাৰ উচিত ন'হব। এই দুইজন মানুহে ঠিক-মতে ৰংপুৰৰ হাল ধৰিলে আমাৰ যে সুকলমে সকলোবোৰ কাৰ্য্য সিদ্ধি হ'ব সেইটো ধুৰূপ।

মেলত স্বৰূপ কুমাৰৰ সিদ্ধান্ত সৰ্ববাদি সম্মত ভাৱে মানি লোৱা হ'ল। ৰংপুৰ ককায়ো সম্মতি প্ৰদান কৰিলে। ভবিষ্যত অমঙ্গল চিন্তা কৰিলেও—তেওঁ এই বুলিয়েই নিজৰ মনক প্ৰবোধ দিলে, 'অমঙ্গলীয়া চিন্তায়ো কেতিয়াবা কেতিয়াবা মঙ্গলৰ আগলি বতৰা আনে।' নিজৰ কথাত নিজে বন্দী হোৱা মানৱ বিকাশেও স্বৰূপ কুমাৰে কোৱা কথাখিনিত কোনো আসোঁৱাহ উলিয়াব নোৱাৰিলে। তদুপৰি ৰংপুৰ ককাক এৰি থৈ সি আনকি পোহৰৰ দেশৰ দেৱতা সকলৰ ওচৰলৈও নাযায়।

ৰংপুৰীয়া বাইজৰ আধাতকৈয়ো বেছি মানুহ স্বৰূপ কুমাৰৰ সঙ্গী হ'বলৈ ওলাল। গৰু-ম'হ বিলাক লগত নিবলৈ অসুবিধা হ'ব যেন ভাবি সেইবোৰ বাদ দি ককাৰ উপদেশ মতে খাদ্য-সামগ্ৰী আৰু অন্যান্য লাগতিয়াল বস্তুবোৰ সমানে সমানে ভাগ-বাটোৱাৰা হ'ল।

মেল ভাগিল। মানুহবোৰে ঘৰা-ঘৰি যাবলৈ সাজু হ'ল। ৰংপুৰ ককাই আনন্দ প্ৰকাশৰ্থে ঢোল-পেঁপা-গগনাৰ মাত শুনাৰ আশাৰে কিছু সময় কাণপাতি অপেক্ষা কৰিলে। কিন্তু শুনিলে তেওঁ। 'সিহঁতবো কিজানি আনন্দ মেলাৰ সামৰণি পৰিল।'

ৰংপুৰীয়া বাইজে আচৰিত দেৱতাজনক প্ৰণিপাত কৰি ঘৰা-ঘৰি যোৱাৰ অলপ পিছতেই বিজুলী-ঢেৰেকণিৰে মুষলধাৰে বৰষুণ দিবলৈ আৰম্ভ কৰিলে।

স্বৰূপ কুমাৰে—সিহঁতক বিদায় সম্ভাষণ জনাবলৈ—ৰংপুৰৰ শেষ সীমালৈকে অহা মানুহজাকক এবাৰ দেখা পোৱাৰ আশাৰে পিচলৈ ঘূৰি চালে। কিন্তু সিহঁত অৰণ্যৰ মাজত সোমাই পৰা বাবে দেখা নাপালে। তথাপিও বতাহত ৰিণিকি ৰিণিকি ভাঁহি অহা আনন্দ প্ৰকাশহঁতৰ ঢোল-পেঁপাৰ সুৰ শুনি তাৰ ভাব হ'ল—সিহঁত এতিয়া মানে চাগৈ ৰংপুৰৰ ওচৰ চাপিল। মেলৰ দিনাখন অভিযানত অংশ গ্ৰহণ কৰিবলৈ যিমান মানুহ ওলাইছিল এতিয়া তাৰ আধামানহে আছে গৈ। কিছুমানে দুদিনমানৰ পিছতেই মত পৰিবৰ্তন কৰিলে। আন কিছুমান সাজু হৈ ওলায়েই আহিছিল। কিন্তু ৰংপুৰৰ শেষ প্ৰান্তত উপস্থিত হৈ সিহঁতে মত পৰিবৰ্ত্তন কৰিলে। ৰংপুৰ ককা আৰু মানৱ বিকাশৰ অবিহনে এনেকুৱা দুৰ্গম অভিযানত ভাগ ল'বলৈ সিহঁতৰ সাহসৰ অভাৱ হ'ল। স্বৰূপ কুমাৰে কিন্তু মুখ ফুটাই একো নকলেও মনে মনে ভালেই পালে। অভিযাত্ৰী দলটি যিমানেই সৰু হয় সিমানেই মঙ্গল। তদুপৰি ইয়াৰ পৰা সিহঁতৰ আন এটা লাভো হ'ল। সিহঁতে লগত অনা খাদ্য সামগ্ৰীবোৰ স্বৰূপ কুমাৰহঁতকেই দি থৈ গ'ল।

আপোন ভাৱত বিভোৰ হৈ একমনে আহি থকা লগৰীয়া বিলাকক এবাৰ চাই ললে স্বৰূপ কুমাৰে। সকলোবোৰ যেন অযথা গম্ভীৰ। তাৰো অলপ বেয়া লাগিল। আনন্দ প্ৰকাশ লগত অহা হলেও অন্ততঃ সিহঁতে হাঁহি তামচা কৰি পথক্লান্তি দূৰীভূত কৰিব পাৰিলেহেঁতেন—মানসিক ক্লান্তিৰো অৱসান ঘটিলহেঁতেন। আন মানুহবোৰেও নিশ্চয় আনন্দ প্ৰকাশৰ অনুপস্থিতিৰ শূন্যতা অন্তৰেৰে অনুভৱ কৰিছে। আনন্দ প্ৰকাশক সিহঁত সকলোৱে খুব জোৰ দিয়েই

ধৰিছিল সিহঁতৰ সঙ্গদান কৰিবৰ কাৰণে। কিন্তু আনন্দ প্ৰকাশে ইচ্ছা নকৰিলে। 'অধিক পোহৰৰ আশাত নতুন ৰংপুৰ এখন বিচাৰি যোৱাৰ আনন্দকণ সি তেনেই সকলোৰে লগত লগে ভাগে উপভোগ কৰিব বিচাৰে। তাৰ লগ সঙ্গী প্ৰায় ভাগেই যাবৰ ইচ্ছা কৰা নাই, তেনেস্থলত সি অকলে গৈ বা কি কৰিব।'

আনন্দ প্ৰকাশে খেলালিৰ চলেৰে সত্ত্ব কৰা স্পষ্ট ভাষণে ক্ষুণ্ণ কৰিছিল স্বৰূপ কুমাৰক। কিন্তু পিছ মুহূৰ্ত্তত পূব দিশলৈ যাত্ৰা কৰাৰ উন্মাদনাৰে আপ্লুত স্বৰূপ কুমাৰে আনন্দ প্ৰকাশৰ কথাৰ আন এটা অৰ্থহে ভাবি উলিয়ালে। 'পোহৰ প্ৰত্যাশী সিহঁতৰ আনন্দ বৰ্দ্ধনৰ বাবে চিৰ পৰিচিত আনন্দ প্ৰকাশ অপাৰগ, সেইবাবেহে সি এনেকৈ মূৰ পোলোকা মাৰিলে। সিহঁতৰ বাবে ভৱিষ্যতে বেলেগ আনন্দ প্ৰকাশ এজনৰ প্ৰয়োজন হ'ব।' আনন্দ প্ৰকাশৰ অনুপস্থিতিয়ে সেই মুহূৰ্ত্তত নিসঙ্গতাৰ বীজ ৰোপণ কৰিলেও স্বৰূপ কুমাৰৰ চিন্তাধাৰাৰ তলে পৰিবৰ্ত্তন নহল।

কিন্তু লগৰীয়া বিলাকৰ ভাৱলেশহীন মুখমণ্ডল আৰু নিৰ্লিপ্ততাই স্বৰূপ কুমাৰৰ মন অস্বস্তিৰে ভৰাই পেলালে। সিহঁতৰ এই অহেতুক নিৰৱতাৰ কোনো কাৰণ বিচাৰি নাপালে সি। বহুতো চিন্তা-ভাৱনাৰে আন্দোলিত পৰি কেনো এটা কথাকেই পৰিপাটিকৈ বিবেচনা কৰিব নোৱাৰি সি তেনেকৈয়ে যাত্ৰা পথত আগুৱাই থাকিল।

কিছুসময় এনেদৰে গৈ থকাৰ পিচত হঠাতে স্বৰূপ কুমাৰৰ ভাৱ হ'ল আন অভিযাত্ৰী সকলতকৈ সিয়েহে দেখোন বেছি নীৰৱতা অৱলম্বন কৰি আহিছে। আত্মবিভোৰ হৈ আহি আছে। তাৰ মনে মনে অলপ লাজো লাগিল। তাৰ লগৰীয়াবোৰ বহুদূৰ পিছপৰি গৈছে, আৰু সিহঁতৰ লগত তাৰ বৈনীয়েক আৰু কৈশোৰ অতিক্ৰম কৰা ল'ৰা-ছোৱালীহালো আছে। সিহঁত আহি নোপোৱালৈকে সি অলপ অপেক্ষা কৰিলে।

এইবাৰ ৰবমুণ বেচ আগতীয়াকৈয়ে আহিল। আনকালে ব'হাগ মাহৰ পৰাহে হেগা-চোৰোকাকৈ ৰবৰুণ দিবলৈ আৰম্ভ কৰে। কিন্তু এইবাৰ, শাওণ মাহৰ পৰাই ধৰাং বতৰ যোৱাৰ বাবেই নেকি—ফাগুন মাহৰ প্ৰথম সপ্তাহৰ পৰা গোটেই চ'ত মাহটোৱেই নেবানেপেৰাকৈ ৰবৰুণ দি আছে। আনন্দ মেলাৰ শেষ দিনাখন গাজনি-ঢেবেকণিৰে যি জাক শিল ৰবৰুণ দিলে সেইজাক ৰবৰুণেই সম্ভৱতঃ আগতীয়াকৈ বাৰিষা বতৰবো আগজাননী দি থৈ গ'ল। স্বৰূপ কুমাৰহঁতৰ যাত্ৰা আৰম্ভ কৰাৰ দিন ঠিক হৈছিল চ'ত মাহৰ সাত দিন যোৱাৰ দিনাখন। সেই সময়ত গছ-লতাই নতুন পাত সলাব আৰম্ভ কৰেহে মাথোন। পাহাৰ জঙ্গলবোৰ সেই কাৰণে সেৰেঙা হৈয়েই থাকে: আগতীয়া ৰবৰুণৰ বাবে এইবাৰ কিন্তু বসন্তকালো অলপ আগতীয়াকৈ আহিল। পুৰণি পাতবোৰ সৰি পৰাৰ লগে লগে ঠৰঙা হৈ যোৱা গছ লতিকাত নতুন পাত গজি সেৰেঙা জঙ্গলবোৰো গহীন অৰণ্যলৈ পৰিবৰ্তিত হ'ল। অৰণ্যৰ এই পৰিবৰ্তিত কালত কোনো কালে বংপুৰীয়া বাইজ এইখন জঙ্গলৰ ভিতৰ সোমোৱা নাই। 'পূৰ্ণ বসন্ত কাল সমুপস্থিত হোৱাৰ লগে লগে সিহঁতবো গোটেই বছৰটোৰ বাবে চিকাৰৰ অন্ত হয়।' কেতিয়াবা অৰণ্যে জঙ্গলৰ আশে-পাশে ধনুশৰ, জাঠি-জোং লৈ পাহাৰৰ পৰা নামি ভৈয়াম চাবলৈ অহা দুই এটা জন্তু চিকাৰ কৰে বংপুৰীয়া ডেকাহঁতে। কিন্তু অৰণ্যৰ গভীৰতালৈ এইটো কালত সিহঁত কদাপি নোসোমায়।

সেইবাবে নিচেই চিনাকি জঙ্গলখনো অভিযাত্ৰীসকলৰ গুনেই অচিনাকি যেন বোধ হ'ল। সিহঁতে আশা কৰিছিল—ঠিক সাজলগাৰ লগে লগে সিহঁতে জঙ্গলখনৰ আনটো সীমাত উপস্থিত হ'ব পাৰিব। কিন্তু অলপ খৰতকীয়াকৈ নগলে সেই ঠাইখন সময়মতে পোৱা কষ্টকৰ হ'ব। কথাটো গৈ থাকোঁতেই স্বৰূপ কুমাৰে লগৰীয়া সকলৰ লগত আলচ কৰি দুপৰীয়াৰ সাজ খাই সময় নষ্ট নকৰিবলৈ

সিদ্ধান্ত কৰিলে। অলপ খৰতকীয়াকৈ গৈ অৰণ্যখনৰ আনটো সীমাত ৰংপুৰ নদীৰ পাৰতে বাহৰ পাতি সিহঁতে এৰেকলগে ৰাতিৰ সাজেই খাই লব। সেই প্ৰথম বাহৰটোৱেই হ'ব সিহঁতৰ নিচেই চিনাকি পৃথিৱীখনৰ শেষ প্ৰান্ত। তাৰ পিছৰে পৰা তেনেই অচিনাকি আন এখন পৃথিৱীত সিহঁতৰ অভিযান আৰম্ভ হ'ব।

কিন্তু ল'ৰা-ছোৱালীখিনিৰ কাৰণে সিহঁতে আশা কৰা মতে যথা-স্থানত উপস্থিত হ'ব নোৱাৰিলে। সাঁজ লগাৰ কিছুসময় পিছতহে সিহঁতে জংগলৰ আনটো সীমাত উপনীত হ'ব পাৰিলেগৈ। পাহৰ প্ৰত্যাশী অভিযাত্ৰী দলটিক মাথোন এদিনৰ পদ যাত্ৰাই যিমানখিনি ক্লান্ত কৰিছিল তাতকৈ বেছি কাহিল কৰিছিল মানসিক চিন্তা-ভাৱনা, চিন্তা-দুশ্চিন্তা আৰু উত্তেজনাই। সেইদিনাখন ৰাতি সেইবাবে সিহঁতৰ মাজত কোনো কথা আলোচিত নহ'ল। আহাৰ গ্ৰহণ কৰাৰ পিছত ডেকা ল'ৰা কেইজনমানক পাল-পাতি ৰখীয়া হিচাপে থকাৰ বন্দোবস্ত ক'ৰি আনবিলাকে নিদ্ৰাত নিঃপালি দিলে।

চাৰিখনত শুই শুই বহু সময় চট্‌ফটাই থাকিল স্বৰূপ কুমাৰ! বহু চেষ্টা কৰিলে সি টোপনি যাবৰ বাবে। কিন্তু কোনো পধ্যে টোপনি নাহিল। অৱশ্যে ইমান দিনে অন্তৰত গোপনে সাঁচি ৰখা মধুৰ সপোনটিৰ বাস্তৱত ৰূপায়িত হবলৈ আৰম্ভ কৰাৰ যি প্ৰবল আনন্দ—উত্তেজনা তাৰ আতিশয্যই টোপনি হৰণ কৰাটো একো আচৰিত কথাও নহয়। 'অহৰ্নিশে যিটো সপোনে তাৰ সমগ্ৰ সত্তাক আচ্ছন্ন কৰি ৰাখিছিল,' স্বৰূপ কুমাৰে চিন্তা কৰিলে, 'তাৰ সফল পৰিণতিয়ে কিন্তু তাৰ মনটো যেন আনন্দত উৰাউল কৰি তুলিব পৰা নাই।' সি নিজেও খুব আচৰিত হৈছে কথাটো ভাবি। 'তাৰ গোপন পৰি-কল্পনাৰ প্ৰথমাৰ্দ্ধ কাম সি আশা কৰাতকৈয়ো সুচাৰুৰূপে সম্পাদিত হৈছে।'

স্বৰূপ কুমাৰৰ খুব ইচ্ছা গ'ল—শোৱা চাৰিখনৰ পৰা উঠি গৈ

পৰ দি থকা ডেকা কেইজনৰ লগত বহি সিহঁতৰ মেলৰ ভাগ লবলৈ। শোৱা চাৰিখনতে বহি লৈ চাৰিওপিনে নিদ্ৰাৰত মানুহজাকক এবাৰ ওপৰে ওপৰে নিৰীক্ষণ কৰিলে সি। কিছুদূৰৈত দপ দপাই জ্বলি থকা জুইকুৰাৰ ওচৰত বহি গুণগুণাই মেল মাৰি থকা ডেকা কেইজনক একেথিৰে ভালেমান সময় লক্ষ্য কৰি থাকিল সি। তাৰ খুব মন গ'ল চাৰিখনৰ পৰা উঠি গৈ সিহঁতৰ লগত বহি মেলৰ ভাগ লবলৈ। 'সিহঁতে বাৰু কি আলোচনা কৰি আছে,' অনুমান কৰিবৰ চেষ্টা কৰিলে সি।' কিন্তু উঠি গৈ আলোচনাৰ ভাগ ল'বলৈকো সংকোচবোধ কৰিলে। চাৰিখনতে গা-এৰি দি স্বৰূপ কুমাৰে পুনৰ আকাশ-পাতাল ভাবিবলৈ আৰম্ভ কৰিলে।

বাগৰ সলাব খুজি চাওঁতে স্বৰূপ কুমাৰে আৱিষ্কাৰ কৰিলে তাৰ নিচেই কাষতে চাৰিখনত কুঁচি মুচি ঘৈণীয়েক শুই আছে। জোনৰ কাঁহিলা-কাঁহিলি পোহৰত সি ৰ'লাগি কিছুসময় ঘৈণীয়েকৰ ফালে চাই থাকিল। 'কিমান বয়স হব তাইৰ?' স্বৰূপ কুমাৰে চিন্তা কৰিলে, তুই কুৰিৰ ভিতৰ চাৰি বছৰমানহে বেছি হব দিয়োনি!' কিন্তু গাভৰু গাভৰু লগা মুখটো, আটিল দেহাটো দেখিলে যিকোনো মানুহেই তাইৰ বয়স দহ বছৰমান কমাই কব। সিহঁতে প্ৰথম লগ পোৱা দিনটোৰ কথা মনত পেলাবলৈ যত্ন কৰিলে স্বৰূপ কুমাৰে। ৰংপুৰৰ তাকত জিলিকা গাভৰু আছিল তাই। দেহ সৌষ্ঠৱৰ ফালৰ পৰা সৰ্বশ্ৰেষ্ঠ স্বৰূপ কুমাৰলৈকে মানৱ বিকাশৰ প্ৰতিহে তাইৰ অন্তৰৰ টান আছিল। মানৱ বিকাশৰ লগতেই যোৰ পতাৰ ইচ্ছা আছিল তাইৰ। মানৱ বিকাশেও তাইৰ প্ৰেমৰ প্ৰতি সহাৰি জনাইছিল। তাৰ দৃঢ় বিশ্বাস আছিল ৰংপুৰ ককাইহঁতে তাইৰ লগতে তাৰ যোৰ পাতি দিব। কিন্তু ককাইহঁতে গহীন গম্ভীৰ মানৱ বিকাশৰ মন বুজিব নোৱাৰিলে। স্বৰূপ কুমাৰৰ প্ৰকাশ্য ইচ্ছাৰ প্ৰতি সঁহাৰি জনালে সকলোৱে। 'ৰংপুৰৰ আটাইতকৈ ওখ পাখ ধুনীয়া ডেকা স্বৰূপ কুমাৰৰ লগত তাইকেই

মিলিব ভাল।' মানৱ বিকাশে বয়োজ্যেষ্ঠ সকলৰ নির্দেশ অমান্য নকৰিলে। ৰংপুৰৰ আটাইতকৈ ধুনীয়া গাভৰু গৰাকীয়ে মনৰ অব্যক্ত বেদনা ব্যক্ত নকৰি বাস্তৱকেই স্বীকাৰ কৰি ল'লে। মেলে-সভাত, কামে-কাজে মানৱ বিকাশক সদায় প্ৰতিদ্বন্দ্বী হিচাপে মনতে গণ্য কৰি অহা স্বৰূপ কুমাৰে পোনপ্ৰথমবাৰৰ বাবে মানৱ বিকাশক বৰ বেয়াকৈ পৰাজিত কৰিলে। সেইদিনাখন মানৱ বিকাশক পৰাজিত কৰাৰ আনন্দই স্বৰূপ কুমাৰক ইমান আপ্লুত কৰিছিল যে সি ৰংপুৰৰ আটাইতকৈ ৰূপহী গৰাকীৰ লগত যোৰ পতা কথাটো যেনেই গৌণ হৈ পৰিছিল।

গালে মুখে হাতখন ফুৰাই দি এবাৰ তাইক চুবলৈ হাত মেলিবলৈ মন গৈছিল তাৰ। 'তাতেই যে তোৰ বিজয় অভিযানৰ প্ৰথম স্বাক্ষৰ।' কিন্তু একোকে নকৰিলে সি। ঘন জোপোহা গছ জোপাৰ তলৰ ছাঁলৈ গৈ থকা জোনটোলৈ চাই চাই চিৎ হৈ শুই দিলে স্বৰূপ কুমাৰে।

যৌৱনৰ আশা নির্দেশ স্বৰূপ কুমাৰে তাৰ গোপন পৰিকল্পনা-টিৰ শেষ অংশ কেনেদৰে সফল ৰূপত ৰূপায়িত কৰিব পাৰি তাৰেই চিন্তাত বিভোৰ হ'ল। এই চিন্তাটোৰ প্ৰথম নায়ক মৃত বাপেকৰ কথা মনলৈ আহিল তাৰ। মানৱ বিকাশ যেনেদৰে ৰংপুৰৰ প্ৰতিটো কাম কর্মতে তাৰ প্ৰতিদ্বন্দ্বী, তেনেদৰে তাৰ বাপেকো মানৱ বিকাশৰ বাপেকৰ ঘোৰ প্ৰতিদ্বন্দ্বী আছিল। কিন্তু ৰংপুৰৰ ৰজাৰ মানৱ বিকাশৰ বাপেকৰ প্ৰতি থকা পক্ষপাতিত্বৰ ফলতেই স্বৰূপ কুমাৰৰ বাপেক ৰংপুৰ সমাজত তেওঁৰ প্ৰাপ্য সন্মানৰ পৰা বঞ্চিত হ'ল। স্বৰূপ কুমাৰৰ এতিয়াও ভালদৰে মনত আছে মানৱ বিকাশৰ বাপেকৰ হাতত কিবা এটা সাধাৰণ কথাত বৰ বেয়াকৈ মাৰ খাই আঘাত প্ৰাপ্ত হৈ দহ দিন মান ঘৰৰ বাহিৰ ওলোৱা নাছিল তাৰ বাপেক। মানসিকভাৱেও ক্লান্ত হৈ পৰিছিল ভেটি মানুহজন। এই কেইদিনতে

স্বৰূপ কুমাৰে বাপেকৰ মুখৰ পৰা আচৰিত দেৱতাজনৰ ইতিহাস পুনৰ শুনিলে। কিন্তু সেই ইতিহাসৰ বিশ্লেষণ ৰংপুৰ ককাই কোৱাতকৈ অলপ বেলেগ ধৰণৰ। তথাপি তাৰ দৃঢ় বিশ্বাস জন্মিল বাপেকে কোৱা কাহিনীটোৰ সত্যতা ককাৰটোতকৈ হাজাৰ গুণে বেছি। কিন্তু স্বৰূপ কুমাৰৰ বাপেকে তেওঁৰ বিশ্লেষণৰ সত্যতা ৰংপুৰ সমাজত প্ৰতিপন্নতো কৰিব নোৱাৰিলেই, আনকি প্ৰকাশ্যভাৱে কাৰো আগতে প্ৰকাশো কৰিব নোৱাৰিলে। বাপেকৰ এই বিফলতাৰ পোটক তুলিবলৈ স্বৰূপ কুমাৰে তেতিয়াই প্ৰতিজ্ঞা কৰিলে। কিন্তু বাপেক-পুতেকৰ মাজত এইটো চুক্তিও হ'ল যে 'কৌশল অৱলম্বন কৰি কৰিব খোজা এই কামটোৰ ভূ ৰংপুৰৰ আৰু কোনো মানুহেই যেন নাপায়।' এই ঘটনাটোৰ দুই বছৰ মানৰ পিছতে স্বৰূপ কুমাৰৰ বাপেক মৃত্যু মুখত পৰিল। স্বৰূপ কুমাৰেও এই বিষয়ত কোনো কৌশল উদ্ভাৱন কৰিব নোৱাৰিলে। ফলত বাপেকৰ ওচৰত সি কৰা প্ৰতিজ্ঞাটোৱে ধীৰে ধীৰে ৰংপুৰ ককা আৰু মানৱ বিকাশৰ বাপেকৰ ওপৰত তীব্ৰ বিদ্বেষৰ বীজহে ৰোপণ কৰিলে আচল কথাটি তল পৰিয়েই থাকিল। ৰংপুৰ ককা আৰু মানৱ বিকাশৰ বাপেকৰ প্ৰতি ৰংপুৰীয়া বাইজৰ থকা অগাধ বিশ্বাসে তাৰ অৱস্থিতি গৌণ কৰিয়েই ৰাখিলে। অৱশ্যে তেতিয়া তাৰ বালক অৱস্থা।

কিন্তু হঠাতে এদিনাখন স্বৰূপ কুমাৰে অভাৱনীয় সুযোগ এটি লাভ কৰিবলৈ সমৰ্থ হ'ল। বাপেকৰ কথাবোৰে ভিতৰি ভিতৰি তাক এনেদৰে আচ্ছন্ন কৰি ৰাখিছিল যে ৰংপুৰ ককাই কোৱা কথাবোৰত সি সমূলি কাণসাৰ নিদিছিল। যোৰ পতাৰ কিছুদিন পিছতেই তাৰ মনত পৰিল—দেৱ মন্দিৰৰ ওচৰত থকা দেৱদাৰু গছৰ শীৰ্ষ প্ৰদেশত আগতীয়াকৈ পৰা পোহৰৰ ৰেঙণিৰ কথা। তাৰ মনত আশাৰ সঞ্চাৰ হ'ল। আনে গম নোপোৱাকৈ প্ৰায়েই সি গছ জোপাত উঠি ৰংপুৰত পৰা প্ৰথম পোহৰখিনি উপভোগ কৰে গৈ—

আৰু ভৱিষ্যতৰ পৰিকল্পনা কৰে। কিন্তু কুৰি বছৰে অপেক্ষা কৰিয়ো সি এই বিষয়ত অলপো আগবাঢ়িব নোৱাৰিলে। ৰংপুৰ ককা আৰু মানৱ বিকাশে গ্ৰাস কৰি থকা সমাজখনৰ ভিতৰ চ'বা পাবলৈ সাধাৰণ সুৰুঙা এটাও সি বিচাৰি নাপালে।

ভৱিষ্যত চিন্তা নকৰাকৈয়ে স্বৰূপ কুমাৰে হঠাতে আনন্দমেলাত ঘোষণা কৰিলে 'ৰংপুৰৰ মানুহবিলাকে যিহেতু পোহৰৰ অনাধিক্যত ভুগি আছে- গতিকে পোহৰৰ অনুসন্ধান কৰিবলৈ সিহঁতে পূবফালে যাত্ৰা কৰিব লাগে।' কিন্তু যেতিয়া তাৰ প্ৰস্তাৱটো ৰংপুৰীয়া বাইজে কোনো গুৰুত্ব নিদিয়াকৈয়ে নিৰৰ্থক, আত্মঘাতী প্ৰস্তাৱ বুলি নাকচ কৰি দিলে, সেই মুহূৰ্ততে স্বৰূপ কুমাৰৰ ভৱিষ্যত কাৰ্যপন্থা, নিৰূপিত হৈ গ'ল। সি মনে মনে দৃঢ় প্ৰতিজ্ঞ হ'ল, —'পোহৰ বিচাৰি সি যাবই, আৰু আওপকীয়াভাৱে হ'লেও সি তাৰ ভৱিষ্যত কাৰ্য-পন্থাক বাস্তৱত ৰূপায়িত কৰিব।' ৰংপুৰৰ আটাইতকৈ ধুনীয়া আৰু মানৱ বিকাশৰ মনৰ গাভৰু গৰাকীক লাভ কৰি তাক এবাৰ পৰাজিত কৰি থৈছে যদিও—ৰংপুৰ সমাজৰ অলিখিত বিধিমতে ৰংপুৰ ককাৰ পিছতেই মানৱ বিকাশৰ স্থান। ককাৰ দৰে মানৱ বিকাশৰো খেতি বাতিকে আদি কৰি বিভিন্ন বিষয়ৰ মত সমূহ বাইজৰ বাবে শিলৰ ৰেখা। তদুপৰি ৰংপুৰ ককায়ো আজিকালি মানৱ বিকাশৰ ওপৰতে আটাইতকৈ বেছি ভৰসা কৰে। কিন্তু ৰংপুৰ সমাজত এনকি ৰংপুৰ ককাতকৈয়ো—ওখ আসনত নিজকে অধিষ্ঠিত কৰিবলৈ সেই মুহূৰ্ততে পুনৰ প্ৰতিজ্ঞা কৰিলে স্বৰূপ কুমাৰে।

পিছদিনাখনৰে পৰা ধন বিলাসৰ লগত মিতিৰালি পাতিবলৈ আৰম্ভ কৰিলে স্বৰূপ কুমাৰে। ধন বিলাসৰো মানৱ বিকাশৰ ওপৰত বিদ্বেষ। ল'ৰালি কালত বহুবাৰ সি মানৱ বিকাশৰ হাতত বোন্দা থেকেচা খাইছে। স্বৰূপ কুমাৰে তাক বুজালে, 'ককাৰ মতেও এদিন নহয় এদিন আমি যিহেতু পোহৰ বিচাৰি যাবই লাগিব গতিকে

সেইভাৰ মানৱ বিকাশৰ ওপৰত নাস্ত কৰাৰ আগতেই আমি গ্ৰহণ কৰা উচিত।' নানা তৰহৰ তোষামোদ কৰি কোৱা কথাত ধন বিলাস পতিয়ন গ'ল। দিন যোৱাৰ লগে লাগে সিহঁতৰ দলৰ জনসংখ্যা বাঢ়িবলৈ আৰম্ভ কৰিলে।

স্বৰূপ কুমাৰৰ গোপন পৰিকল্পনাটিৰ প্ৰথম ভাগ সি আশা কৰা মতেই সম্পন্ন হ'ল।

তথাপিও চাৰিখনও শুই শুই তাৰ লগৰীয়াজাকৰ কথা ভাবি স্বৰূপ কুমাৰক নতুন চিন্তা এটায়ে অস্বস্তিত পেলালে। সিহঁতে ৰংপুৰ, ৰংপুৰ ককাইঁতক আওকাণ কৰি সঁচাকৈয়ে পোহৰ বিচাৰি ওলাইছে নে তাৰ বাহিৰে সিহঁতৰ আন কিবা উদ্দেশ্য আছে। মানুহবিলাকৰ এজনকে' পোহৰৰ অভাৱ মনেপ্ৰাণে অনুভৱ কৰা উৎকৃষ্ট খেতিয়ক বুলি নাভাবে সি। কিন্তু সিহঁতৰ চিন্তা-বুদ্ধিৰ স্থূলতা, আৰু আপোন-পেটীয়া স্বভাৱৰ কথা মনলৈ অহাত স্বৰূপ কুমাৰৰ অন্তৰখন ভালেখিনি সকাহ পৰিলেও—সি কিন্তু চিন্তামুক্ত হ'ব নোৱাৰিলে।

এইবিলাক কথাকে ভাবি-চিন্তি থাকোঁতে হঠাতে স্বৰূপ কুমাৰে আৱিষ্কাৰ কৰিলে- ধীৰে ধীৰে পশ্চিম আকাশলৈ গতি কৰি থকা জোনটি—তাৰ ভৰিৰফালে কিছু আঁতৰত থকা ঘন জোপোহা গছ ডালৰ আঁৰত লুকাই পৰিল। সি শুই থকা ঠাইডোখৰ অন্ধকাৰে আৱৰি ধৰিছে।

স্বৰূপ কুমাৰে যেন ঠিক এইখিনি সময়ৰ বাবেই অপেক্ষা কৰি আছিল। ৰখীয়া হিচাপে দায়িত্বত থকা ডেকা কেইজনৰ ফালে চালে সি। বিপদৰ কোনো আশঙ্কা নেদেখি সিহঁতেও গোটেই দিনটোৰ পদযাত্ৰাৰ ভাগৰ পলুৱাবলৈ ঠাইতেই টোপনিত পৰিল। মনে মনে সন্তোষ লভিলেও স্বৰূপ কুমাৰে ঠিক কৰিলে—ইয়াৰ পিছৰেপৰা ৰখীয়া বিলাকক পাল পাতি গোটেই নিশা উজাগৰে থাকি পৰ দিয়াৰ ব্যৱস্থা কৰিব লাগিব। 'অচিনাকি ঠাইত হিংস্ৰ জন্তুক বিশ্বাস কৰিব

নোৱাৰি।' সি দেখিলে অলপ আগতে দপ্‌দপাই জ্বলি থকা জুই কুৰা মুমাই গৈ—আঙঠাবোৰৰ ওপৰতো আনকি ছাইৰ চামনি পৰিছে। মৃদু বতাহেহে মাথোন কিছুসময়ৰ বাবে ছাইবোৰ আঁতৰাই জ্বলি থকা আঙঠাবোৰ চকুত পেলাই দিয়ে। খুব সন্তৰ্পণে স্বৰূপ কুমাৰে ত্ৰাৰ ওচৰতে কুচি-মুচি অচেতন হৈ শুই থকা ঘৈণীয়েকক নিজৰ কাষ চপাই ললে। নিদ্ৰাৰতা তিৰোতাজনীৰ আটিল অঙ্গ বস্ত্ৰ ঢিলা কৰি দি সি তাইৰ দেহৰ প্ৰতিটো অঙ্গকেই নিজৰ খেয়াল খুচিমতে ব্যৱহাৰ কৰি নিঃশব্দে উপভোগ কৰাত ব্যস্ত হ'ল। এটা সময়ত স্বৰূপ কুমাৰ ইমান প্ৰবলভাবে কামোন্মত্ত হৈ পৰিল যে সি এজনী মৃতা তিৰোতাৰ দৰে ভাগৰত লালকাল দি অচেতন হৈ শুই থকা ঘৈণীয়েকৰ লগত দৈহিক সম্বন্ধ স্থাপন কৰিলে। যৌন সম্পৰ্কৰ সুখ-মষ অৱসাদে এইবাৰ স্বৰূপ কুমাৰৰো চকুৰ পটা দুটা জাপ খুৱাই আনিলে যেন। অলপ সময়ৰ পিছতে গভীৰ টোপনিত লালকাল দি পৰিল সি।

স্বৰূপ কুমাৰৰ ঘৈণীয়েকে তাইৰ দীৰ্ঘদিনীয়া বিবাহিত জীৱনত কোনো দিনে, মাথোন এবাৰৰ বাবে হলেও প্ৰকৃত যৌন জীৱন উপভোগ কৰি পোৱা নাই। লগৰ আন বিলাকে কৰা গল্পবোৰ শুনি, দৈহিক তাগিদাত পৰি কেতিয়াবা মনেপ্ৰাণে খুব আশা কৰে যদিও স্বৰূপ কুমাৰে তাইক সদায় এইৰূপ সুখৰ পৰা বঞ্চিত কৰি আহিছে। তাৰবাবে তাই যেন খেলত বিজয়ী হৈ পোৱা পদক এটাহে মাথোন, যাক মাথোন সজাই থৈ, লোকক দেখুৱাই আনন্দ লাভ কৰিবহে পাৰি, কিন্তু ব্যৱহাৰৰ উপযুক্ত নহয়। তথাপি দৈহিক মিলনৰ প্ৰকৃত আনন্দৰ পৰা বঞ্চিত হৈয়ো তাই এহাল সন্তানৰ মাতৃ হৈ স্বৰূপ কুমাৰক পিতৃত্বৰ গৌৰৱেৰে গৌৰৱান্বিত কৰিছে। 'কিন্তু সপোনত কেতিয়াবা তাইৰ অতৃপ্ত আত্মাই মানৱ বিকাশৰ ওচৰ চাপেগৈ।' × ×

[৫]

ব'হাগ মাহৰ প্ৰথম দিনাখন স্বৰূপ কুমাৰৰ নেতৃত্বত যাত্ৰাৰ পাছনি মেলা 'পোহৰ প্ৰত্যাশী অভিযাত্ৰী দলটিক' বিদায় সম্ভাষণ জনাই আগবঢ়াই থবলৈ ৰংপুৰ জনশূন্য কৰি সেইদিনাখন আবাল-বৃদ্ধা বণিতা সকলোৱে ৰংপুৰৰ শেষ সীমালৈকে আহিছিল। ঢোল-পেঁপা গীত মাতেৰে সমৃদ্ধ সেই দলটিত আনকি ৰংপুৰ ককাও আছিল। বৃদ্ধাৱস্থাই কিন্তু তেওঁক গোটেই ডাখৰ বাট আহিব নিদিলে। অভিযাত্ৰী দলটিৰ মঙ্গল কামনা কৰি সিহঁতক বিদায় সম্ভাষণ জনাই ককাই তেওঁৰ চিৰ পৰিচিত, ৰংপুৰ নদীৰ পাৰৰ শিলচটাত বহি আগবঢ়াই থব লোৱা মানুহবোৰ পুনৰ উলটি নহালৈকে অপেক্ষা কৰি বহি থাকিল।

মানৱ বিকাশে পোনপ্ৰথমে ৰাবলৈ অলপ ইতস্ততঃ বোধ কৰিছিল। কিন্তু ৰংপুৰ ককাৰ কুৰ্জনি সিনামানি নোৰাৰিলে। পোহৰ অভিলাসী দলটিক আগবঢ়াই থবলৈ সিয়ো আন সকলোবোৰে লগত ৰংপুৰৰ পূব সীমালৈ আগুৱাই গ'ল।

সেইদিনাখন আনন্দ প্ৰকাশৰ কাযকলাপ চাই এনেহে লাগিছিল --যেন সিহঁতে নিশ্চিতভাৱে ধৰি লৈছে - স্বৰূপ কুমাৰহঁতে কিছুদিনৰ ভিতৰতে অধিক পোহৰৰ বতৰা লৈ সিহঁতৰ মাজলৈ ঘূৰি আহিব। সেই কাৰণেই ইমান উলহ-মালহ। অতি কম দিনৰ ভিতৰতে আচম্বিতে অভিযাত্ৰী দলটিয়ে বিশেষকৈ স্বৰূপ কুমাৰে ৰংপুৰ সমাজত স্বকীয়া আসন এখন দখল কৰিবলৈ সমৰ্থ হ'ল। 'ৰংপুৰ ককাৰ কথাও অমান্য কৰি যে কোনোবাই কেতিয়াবা দেৱতাৰ দেশৰপিনে পোহৰ বিচাৰি যাবলৈ সাহস কৰিব পাৰে, এই কথা ভাবি সিহঁত আচৰিত যিমান হৈছিল তাতোকৈ বেছি প্ৰভাৱান্বিত হৈছিল দলটিৰ

নেতৃত্ববহনকাৰী স্বৰূপ কুমাৰৰ দুৰ্দমনীয় সাহসৰ দ্বাৰা। এনেধৰণৰ দেৱতাৰ শাওপাত লাগিবলগীয়া সাহসৰ কাম কৰিব ওলোৱা এলাপেচা মানুহৰ কাম নহয়।' এটা কথা এতিয়া সিহঁতে একেবাৰে পাহৰি গৈছে যে ইচ্ছা কৰা হলে সিহঁতেও এই অভিযানত ভাগ ল'ব পাৰিলে-হেঁতেন। ৰংপুৰ ককা আৰু মানৰ বিকাশৰো এই বিষয়ত অনিচ্ছা নাছিল। ককা, মানৰ বিকাশহঁতৰ মতে 'এই বছৰ ইম'ন দেয়া খেতি হোৱাৰ পৰিপ্ৰেক্ষিতত পোহৰৰ অনুসন্ধান কৰাৰ উপযুক্ত সময় এইটো নহয়; উপযুক্ত সময় যেতিয়া আহে তেতিয়া সিহঁতে সমূহ ৰংপুৰীয়া ৰাইজে লগে ভাগে অভিযানৰ পাতনি মেলিব।'

কিন্তু সেই বুজনি আওকাণ কৰি স্বৰূপ কুমাৰহঁতে পোহৰ বিচাৰি যোৱাৰ উদ্যোগ কৰাৰ ফলত সিহঁতৰ স্থান ৰংপুৰ সমাজত বহু ওপৰলৈ উঠি গ'ল।

ৰংপুৰবাসীৰ স্বৰূপ কুমাৰহঁতৰ প্ৰতি যি ধ্যান ধাৰণাৰ সৃষ্টি হ'ল, আনকি মানৰ বিকাশেও তাৰ পৰা সম্পূৰ্ণভাৱে মুক্ত হ'ব নোৱাৰিলে। কিন্তু ৰংপুৰ ককাৰ কথা তাৰ বাবে শিলৰ ৰেখা। জীৱনত কোনো দিনে ভুল নকৰা ককাই এই বিষয়তো নিশ্চয় ভুল চিন্তা কৰা নাই। 'এতিয়াও ৰংপুৰৰ প্ৰত্যেকজন ব্যক্তিয়ে মনেপ্ৰাণে পোহৰৰ অভাৱ অনুভৱ কৰা নাই।' বহুবাৰ চিন্তা কৰিয়ো সি ককাৰ এই যুক্তিৰ খুঁত উলিয়াব পৰা নাই।

তথাপিও আজি পুনৰ স্বৰূপ কুমাৰৰ দুৰ্দমা সাহসক মনে মনে নশলাগি নোৱাৰিলে মানৰ বিকাশে। আনন্দত মতলীয়া মানুহজাকৰ পাছে পাছে সামান্য ব্যৱধান ৰক্ষা কৰি নীৰৱে আহি আছি তাৰ মাথোন এটা ভাব হ'ল—'স্বৰূপ কুমাৰহঁতে যদি পোহৰৰ আধিকাৰ প্ৰমাণ পায়, তেনেহলে সেইটোও ৰবং ৰাইজৰ বাবে মঙ্গলজনক হ'ব। কাৰণ সেই ক্ষেত্ৰত সিহঁতেই পিছলৈ গৈ পথ প্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰিব পাৰিব।' 'ৰংপুৰ ককায়ো নিশ্চয় ঠিক তেনেদৰেই ভাবিছে,' সি অনুমান কৰিলে।

এই কথাবোৰ নিজৰ মনতে জুকিয়াই আছি থাকোঁতে কেতিয়ানো মানৱ বিকাশ ভালেখিনি পিছপৰি গ'ল—সি নিজেই ধৰিব নোৱাৰিলে। অলপ বেগাবেগিকৈ গৈ মূল দলটিক লগ ধৰোঁগৈ বুলি সিহঁতৰ ফালে এবাৰ চাওঁতে তাৰ চকুত পৰিল ঠৰঙা হৈ থিয় হৈ থকা ধানৰ নৰাবোৰৰ মাজৰ আলি এডালত ভৰি এখন দি স্বৰূপ কুমাৰ বৈ আছে। 'সি তাৰ বাবেই তেনেকৈ বৈ আছে।' ঠৰঙা নৰাবোৰৰ মাজত তাক দেখি টিঙিচ কৰি খং উঠি গ'ল তাৰ। 'খেতি ভাল নহলে ধানৰ নৰাবোৰ ঠৰঙা হৈ থাকে।'

বংপুৰৰ ল'ৰা-বুঢ়া সকলোৰে ভিতৰত মাথোন এই মানুহজনকেই একেবাৰে সহ্য কৰিব নোৱাৰে সি। ইমান সময়ে স্বৰূপ কুমাৰ সম্পৰ্কে যিবোৰ কথা ভাবি আছিছিল,—তাক চকুৰ আগত দেখা মাত্ৰকে—সেই ভাৱনাবোৰ কৰ্পূৰৰ দৰে উৰি গ'ল। সিহঁত দুয়োজনে কাণ-সমনীয়া যদিও ল'ৰাকালৰে পৰা দুয়োৰে মাজত ঘৃণে ধৰা সম্পৰ্ক। বংপুৰ সম্পৰ্কীয় প্ৰত্যেকটো কথাতে স্বৰূপ কুমাৰ তাৰ প্ৰৱল প্ৰতিদ্বন্দ্বী। মানৱ বিকাশে যি বাটেৰে যাব খোজে স্বৰূপ কুমাৰে সদায় আন এটি বাট লয়। ধন বিলাসক তাৰ আপোনপেটা, মইবৰ, স্বভাৱৰ কাৰণে, সি তাৰ কথাত কেতিয়াও গুৰুত্ব নিদিয়ে। আনন্দ মেলাত ধন বিলাসে বংপুৰ ক্কাক অপমান কৰা কথাটো শুনি সি প্ৰথমতে খণ্ডত একো নাই হৈ পৰিছিল; পিছত যেতিয়া বুজিব পাৰিলে যে এই স্বৰূপ কুমাৰৰে প্ৰৰোচনাৰ ফল—তেতিয়া সি আৰু এই বিষয়ত কোনো মাত নামাতিলে।

বংপুৰীয়া ৰাইজৰ ব্যক্তিগত বুলি কোনো কথা নাই। তথাপিও তাৰ মাজতে মানৱ বিকাশৰ একান্ত ব্যক্তিগত কথা এটি আছে। স্বৰূপ কুমাৰৰ বৰ্তমানৰ আকাংশাস্বিনীজনীৰ লগতেই যোৰ পতাৰ কথা আছিল মানৱ বিকাশৰ। অন্ততঃ লগ-সমনীয়া বিলাকে সিহঁত দুয়োটিৰ কথা-বতৰা, ভাৱ-ভঙ্গী দেখি তেনেদৰেই ভাবিছিল। কিন্তু সুন্দৰ

সুগঠিত দেহৰ অধিকাৰী স্বৰূপ কুমাৰৰ হাতত বৰ বেয়াকৈ পৰাজিত হ'ল সি। ৰংপুৰৰ বুঢ়ামেথা সকলে স্বৰূপ কুমাৰৰ প্ৰকাশ্য ইচ্ছাত বাধা প্ৰদান কৰিব নোৱাৰিলে। মানৱ বিকাশক ক্ষোভ প্ৰকাশ কৰা কোনেও দেখা নাপালে, —কিন্তু তাৰ অন্তৰত গভীৰ ক্ষত এটাৰ সৃষ্টি হ'ল।

এই ঘটনাটি বাদ দিলে খেতি-বাতি নাইবা আন ৰাজহুৱা কথাবোৰত মানৱ বিকাশৰ অকাট্য যুক্তি খণ্ডন কৰাৰ ক্ষমতা স্বৰূপ কুমাৰৰ কোনো দিনে নাছিল। পোহৰ বিচাৰি যোৱাৰ ক্ষেত্ৰতো মানৱ বিকাশহঁতৰ যুক্তি খণ্ডন কৰিব নোৱাৰিলেহেঁতেন স্বৰূপ কুমাৰহঁতে। কিন্তু গুভতাগোৰে নাচিবলৈ আৰম্ভ কৰিলে সি। তাতে আকৌ ধন বিলাস আৰু বিদ্যুৎ চঞ্চল ঢোলৰ লগত টেমেকা। ইমানদিনে একগোট হৈ কাম কৰি অহা ৰংপুৰীয়া ৰাইজক ভাঙি চুইকাল কৰি পেলোৱা বাবে পুনৰ খণ্ডে টিকচি বিকচি উঠিল মানৱ বিকাশ। খোজৰ গতি লেহেম হৈ পৰিল তাৰ. কিছু দূৰৈত তাৰবাবে অপেক্ষা কৰি থকা স্বৰূপ কুমাৰক সি কোনো দিনেই যেন লগ পাবলৈ ইচ্ছা নকৰে।

কিন্তু পিছ মুহূৰ্ত্তে পুনৰ নিজৰ ওপৰতে খং উঠিল মানৱ বিকাশৰ, 'স্থান-কাল-পাত্ৰ নুগুণি হকে-বিহকে উক দি উঠা তাৰ বিজতৰীয়া খংটোৰ বাবে। এই বদ-স্বভাৱটোৰ কাৰণে সি কিমান বাৰ যে অপদস্থ হ'বলগীয়াত পৰিছে, ৰংপুৰ ককাৰ ধমকনি খাবলগীয়াত পৰিছে– তাৰ লেখ-জোখ নাই। আজিৰ এই শুভ-দিনত স্বৰূপ কুমাৰৰ ওপৰত তাৰ খং নুঠাহেঁতেনো হ'লহেঁতেন। স্বৰূপ কুমাৰৰ সকলো কামতে খুঁত দেখিবলৈ পোৱা মনটোক সি নিজেই বুজনি দিলে, 'কোনে জানে, স্বৰূপ কুমাৰহঁতৰ এই অভিযান কিজানিবা ৰংপুৰীয়া ৰাইজৰ বাবে মঙ্গলদায়কেই হয়। সি স্বৰূপ কুমাৰৰ ওচৰ পালেগৈ।'

মানৱ বিকাশ ওচৰ পোৱাৰ লগে লগে স্বৰূপ কুমাৰে তাৰ লগতেই খোজ পেলালে। যোৰ পতাৰ পিছত, সুদীৰ্ঘ কুৰি বছৰৰ পিছত এই প্ৰথম দুয়ো দুয়োকে অকলশৰীয়াকৈ লগ পাইছে। কিছুদূৰ পৰ্যন্ত সিহঁতৰ মাজত কোনো কথাৰ আদান প্ৰদান নচলিল, নীৰৱে গৈ থাকিল দুয়োজনে। মানৱ বিকাশে আশা কৰিলে—স্বৰূপ কুমাৰেই প্ৰথমতেই কথাৰ বকলা মেলক। স্বৰূপ কুমাৰৰ কথা শুনিবলৈ অন্তৰে সি অতিশয় আগ্ৰহান্বিত হলেও বাহিৰত কিন্তু নিৰ্বিকাৰ ভাব দেখুৱাই ঠৰঙা নৰা গছকি গছকি আগবাঢ়ি থাকিল।

অৱশেষত স্বৰূপ কুমাৰেই কথা আৰম্ভ কৰিলে, 'আমি সকলোৱে একেলগে যাত্ৰা আৰম্ভ কৰিব নোৱাৰা বাবে খুবেই বেয়া লাগিছে।'

মানৱ বিকাশে একো নকলে। স্বৰূপ কুমাৰৰ কথাৰ উত্তৰ স্বৰূপে তাৰ ক'বলগীয়া একো নাই।

আগে আগে গৈ থকা—আনন্দ প্ৰকাশহঁতৰ ঢোল-পেঁপাৰ মাতলৈ লক্ষ্য কৰি স্বৰূপ কুমাৰেই কৈ উঠিল, 'কিছুদিনৰ বাবে হলেও অন্ততঃ আমি এই গীতমাতৰ বলীয়া জাকৰ পৰা আঁতৰত থাকি এটা নতুন জীৱন-যাপন কৰিব লাগিব।' অভিযাত্ৰী দলটিত ঢোল-পেঁপা নৃত্য-গীতত পাকৈত কোনো নাই।

মানৱ বিকাশে চিন্তা কৰিলে আৰু মাত নমতাকৈ থকাটো তাৰ বাবে উচিত নহ'ব। খুব ভাবি চিন্তি সি ক'লে, 'বংপুৰৰ প্ৰত্যেকজন মানুহেই আজি তহঁতক শুভেচ্ছা জনাবলৈ আহিছে। বংপুৰ ককাও আনকি বাদ পৰা নাই। আশাকৰো তহঁতে আমাক নিৰাশ নকৰ।'

যাত্ৰাৰ আৰম্ভণিতে মানৱ বিকাশৰ লগতো এক ধৰণৰ বুজা-পৰাত আহিবলৈ ইচ্ছা কৰা বাবেই স্বৰূপ কুমাৰে তাৰবাবে অপেক্ষা কৰিছিল। তদুপৰি বংপুৰ ককা আৰু মানৱ বিকাশৰ ভাৱধাৰাৰ ওপৰত তাৰ ভৱিষ্যত পৰিকল্পনাটিয়ে বহুলাংশে নিৰ্ভৰ কৰিছে। কিন্তু মানৱ বিকাশৰ স্পষ্ট ভাষণত হঠাতে তাৰ চিন্তা বিভ্ৰাট ঘটিল।

প্ৰশ্নবোধক চাৱঁনিৰে সি মানৱ বিকাশৰ ফালে চালে।

'সকলোৱে আশা কৰি আছে—তুইঁতে পূব দিশলৈ যাত্ৰা কৰি পোহৰৰ সন্ধান ৰংপুৰীয়া বাইজক আনি দিব পাৰিবি।' মানৱ বিকাশ এইবাৰ অলপ স্পষ্ট হ'ল।

স্বৰূপ কুমাৰে কথাবোৰ চিন্তা কৰিবলৈ কিছু সময় ললে। 'ৰংপুৰ ককাই বাক এই বিষয়ে কি ভাৱে?' যাত্ৰাৰ আগ মুহূৰ্ত্তত সি ককাক ভকলে লগ ধৰাৰ সাহস গোটাব নোৱাৰি লগে ভাগেই বিদায় লৈছে।

'কোন বিষয়ে!'

'এই যে আমাৰ পূবপিনে পোহৰৰ দেশলৈ যাত্ৰা কৰাৰ বিষয়ে?'

স্থিৰ দৃষ্টিৰে মানৱ বিকাশে এবাৰ স্বৰূপ কুমাৰলৈ চালে। অন্তৰতনে কি ভাৱনাই হেন্দোলনি তুলিছে বুজিবৰ চেষ্টা কৰিলে কিন্তু একোকে ধৰিব নোৱাৰিলে। কিন্তু অজ্ঞান সন্দেহ এটিয়ে মনোজগতত ভুমুকি মাৰিলে!

'ৰংপুৰত যে আমি বেছিৰ পোহৰ কম পাওঁ— সেই কথাটো প্ৰথমতে ৰংপুৰ ককাৰ অন্তৰতে খেলাইছিল। বছৰি বছৰি খেতিৰ পথাৰত অৱস্থা হৈ আহিছে তালৈ চাই আমাক যে আৰু কেইবছৰমানৰ ভিতৰতে অধিক পোহৰৰ প্ৰয়োজন হব—ককায়েতে বোধকৰো সেই বিষয়ে আটাইতকৈ বেছি চিন্তিত। কিন্তু ইমান তাকনীয়া প্ৰস্তুতিৰে এনেহেন সাজ্যাতিক কাম এটি হাতত লব খোজাতহে ককাৰ আপত্তি। তুপৰি এই কামটো ধীৰে সুস্থিৰে, ভাবি-চিন্তি, সময় সুবিধা চাই আমি সকলোবোৰে একেলগে কৰিব পাৰিলোহেঁতেন।'

মানৱ বিকাশে অলপ সময় কিবা যেন চিন্তা কৰিলে। তাৰ পিছত পুনৰ ক'লে, ভতুপৰি ৰংপুৰ ককাই নিশ্চয় - তুইঁতে অধিক পোহৰৰ প্ৰয়োজন বোধ কৰি পোহৰ বিচাৰি যোৱাৰ ক্ষেত্ৰত আপত্তি নকৰিলেও—পোহৰৰ দেশলৈ যাব খোজা বুলি শুনিলে নিশ্চয় আপত্তি কৰিলেহেঁতেন।'

স্বৰূপ কুমাৰ সন্থিত হৈ পৰিল। লগে লগে সি উত্তৰ দিলে যে দৰাচলতে সি 'পোহৰৰ দেশলৈ যোৱা আৰু পোহৰ বিচাৰি যোৱা এই দুয়োটা কথাৰ এটাই অৰ্থ কৰিছে; আৰু সেইটো হ'ল 'পূব দিশৰ প্ৰতি অতীজৰে পৰা থকা কৌতূহল চৰিতাৰ্থ কৰাৰ লগতে সেই দিশত অধিক পোহৰৰ অনুসন্ধান কৰা।'

মানৱ বিকাশে আৰু এই বিষয়ে কথা নবঢ়ালে। সি ভাৱলেশ হীন ভাৱেই আগবাঢ়ি গৈ থাকিল। কিন্তু স্বৰূপ কুমাৰৰ মনৰ উগুল থুগুল ভাৱ হলে মুগুচিল। কিছু সময় মনে মনে গৈ থাকি সি মানৱ বিকাশক সুধিয়েই পেলালে। 'তই বাৰু এই বিষয়ে কি ভাবিছ?'

'কি বিষয়ে?'

'পূব দিশলৈ পোহৰ বিচাৰি কৰা আমাৰ অভিযানৰ বিষয়ে?'

'একো ভৱা নাই।'

'তথাপি?'

মানৱ বিকাশ মনে মনে থাকিল। কিন্তু স্বৰূপ কুমাৰে জানে—এই বিষয়ত মানৱ বিকাশৰ মতবাদৰো যথেষ্ট মূল্য আছে। তাৰ নীৰৱতাক লক্ষ্য কৰি সেয়েহে পুনৰ সি প্ৰশ্ন কৰিলে—'নহয়! এই বিষয়ে তোৰ বাৰু নিজস্ব মতবাদ কি?'

মানৱ বিকাশে সমুখলৈ এবাৰ চালে। আন মানুহবোৰে ইতি-মধ্যে সিহঁতৰ চিনাকি বংপুৰৰ পূব সীমাত উপনীত হৈ সিহঁত দুয়োৰে বাবে অপেক্ষা কৰি আছে। কথাপাতি আহোঁতে সিহঁত ভালেখিনি পিছ পৰিল। স্বৰূপ কুমাৰক এই বিদায় বেলিকা কি কোৱা উচিত হ'ব সেই কথাখিনি নিজৰ মনৰ ভিতৰতে এবাৰ জুকিয়াই লৈ সি লাহে লাহে কবলৈ আৰম্ভ কৰিলে, 'শুন স্বৰূপ কুমাৰ! তই মোৰ শৈশৱৰে পৰা চিনাকি। তই দেখোন ভালদৰেই বুজি পাৱ—আজি-কোপতি আমাৰ বংপুৰীয়া বাইজৰ কোনো এজন মানুহৰে ব্যক্তিগত মতবাদৰ কোনো মূল্য নাই। তোৰ নাই, মোৰ নাই, —আনকি

ৰংপুৰ ককাৰো নাই। ৰাইজৰ একাংশই আপত্তি কৰা সত্বেও তেওঁলোকে তেওঁলোকৰ মনোভাৱৰ অকণো সালসলনি নকৰিলি। এতিয়া আৰু আমি এইক্ষেত্ৰত আপত্তি কৰা নাই। গতিকে পোহৰ বিচাৰি যোৱাৰ ক্ষেত্ৰত তেওঁলোকৰ মতবাদেই সত্য বুলি প্ৰমাণিত হৈছে, প্ৰতিষ্ঠিত হৈছে। আমি আপত্তি কৰা আন অংশটোৱে এতিয়া তেওঁলোকৰ মতবাদকেই সমূহীয়া মতবাদ বুলি স্বীকাৰ কৰি লৈছো। গতিকে তেওঁলোকৰ অভিযানৰ সুফল আৰু কুফল দুয়োটাৰে এতিয়া আমি সমভাগী।'

গভীৰ আন্তৰিকতাৰে কোৱা মানৱ বিকাশৰ কথাখিনি শুনি স্বৰূপ কুমাৰৰ মনটো ভালেখিনি ফৰকাল লাগিল। সি মানৱ বিকাশক কথা দিলে যে—'পোহৰৰ দেশৰ দেৱতা সকলৰ বিৰূপ ইচ্ছা নাথাকিলে—সিহঁতে অতি সোনকালেই ৰংপুৰীয়া ৰাইজৰ মাজলৈ পোহৰৰ বতৰা লৈ ঘূৰি আহিব।'

মানৱ বিকাশে স্বৰূপ কুমাৰক বিশ্বাস কৰিলে। কিন্তু সি আচৰিত হ'ল 'স্বৰূপ কুমাৰে অকলে লগ ধৰি তাক এইখিনি কথা কোৱাৰ কি প্ৰয়োজন আছিল।'

অলপ সময়ৰ পাছতে সিহঁত দুয়োজনে আহি অপেক্ষাৰত আন মানুহবোৰৰ লগ লাগিলহি। আৰু পলম নকৰি অভিযাত্ৰী দলটিক সোনকালে বিদায় দিয়াৰ মানসেৰে মানৱ বিকাশে সকলোকে উদ্দেশ্য কৰি ক'লে, 'এতিয়া আৰু পলম কৰাৰ সকাম নাই; অভিযাত্ৰী দলটিয়ে যাতে অভিযানৰ উদ্দেশ্য সফল কৰি অতি সোনকালে আমাৰ মাজলৈ ঘূৰি আহে—তাৰ বাবে—আহ, আমি আচৰিত দেৱতাজনৰ প্ৰতি প্ৰণিপাত জনাওঁ।'

দুটি দলে দুইফালে খোজ ল'লে।

**

ঢোল-পেঁপা-গগনা বজাই বংপুৰৰ আটাইতকৈ জনপ্ৰিয় গীতবোৰ গাই গাই পোহৰ অভিলাসী অভিযাত্ৰী দলটিক মানৱ বিকাশইঁতে বংপুৰৰ পূব সীমালৈকে আগবঢ়াই থবলৈ যোৱাৰ আগতে সিহঁতৰ লগতে একেলগে ওলাই অহা বংপুৰ ককাক আক আগবাঢ়ি যাবলৈ বাৰণ কৰি তেওঁৰ নিচেই চিনাকি শিলডোখৰাত বহুৱাই থৈ তেওঁৰ পৰা বিদায় লৈ আঁতৰি গ'লগৈ। যাত্ৰাৰ আগমুহূৰ্তত স্বৰূপ কুমাৰ-ইঁতেও ককাৰ পৰা শুভাশীষ গ্ৰহণ কৰিলে।

বংপুৰ ককাৰ দৃষ্টিশক্তি এই কেইদিনৰ ভিতৰতে আগতকৈ আক বেছি কমিল। তথাপিও বিণিকি বিণিকি দেখা পোৱালৈকে তেওঁ সিহঁতক নিৰীক্ষণ কৰিয়েই থাকিল। বতাহত ভাঁহি অহা ঢোল-পেঁপা গীতৰ লহৰ ক্ষীণৰ পৰা ক্ষীণতৰ হোৱালৈকে ককাই উৎকৰ্ণ হৈ শুনিয়েই থাকিল। তাৰ পিছত ককাৰ যেন ভাগৰ লাগিল। চাৰি কুৰি বছৰীয়া কৰ্মময় জীৱনৰ সমষ্ট ভাগৰে যেন তেওঁক জুমুৰি মাৰি ধৰিলে। দুই আঁঠুৰ মাজত মুখখন গুজি দি বংপুৰ ককা তেনেকৈয়ে বহি থাকিল।

বংপুৰীয়া বাইজৰ বাবে এইটো দ্বিতীয় আচৰিত ঘটনা। আচ-ৰিত দেৱতাজনৰ বংপুৰলৈ আগমনৰ পিছৰে পৰা বংপুৰ সমাজত ইয়াতকৈ ডাঙৰ আচৰিত ঘটনা ঘটা নাই। ককাই ভাৱি আচৰিত হ'ল— বংপুৰত সংঘটিত হোৱা দুয়োটা আচৰিত ঘটনা, —আনকি তেওঁৰ ব্যক্তিগত জীৱনৰ আচৰিত ঘটনাটিয়ো প্ৰত্যক্ষ বা পৰোক্ষভাবে হলেও— 'সেই আচৰিত দেৱতাজনক কেন্দ্ৰ কৰিয়েই হৈছে।' তেওঁ নিজকে বুজনি দিলে, 'পোহৰ বিচাৰি কৰা অভিযানৰ লগত আচৰিত দেৱতাজনৰ ঘটনাটিৰ কোনো যোগাযোগ নাই।'

যিদিনাখন এইটো ঠিৰাং হ'ল যে—স্বৰূপ কুমাৰৰ নেতৃত্বত ৰংপুৰৰ একাংশ মানুহে পূব দিশলৈ পোহৰ বিচাৰি যাত্ৰা কৰিব, —সেই দিনাখনৰে পৰা ককাই কেৱল এই বিষয়টো লৈয়েই চিন্তা-ভাৱনা কৰি আছে, কিন্তু কোনো সিদ্ধান্তত উপনীত হ'ব পৰা নাই। পোহৰৰ প্ৰসঙ্গটো মনলৈ আহিলেই তেওঁৰ বহুদিন আগতে দেখা আচৰিত সপোনটিৰ কথা মনলৈ আহে। লগে লগে প্ৰচণ্ড ভয়ে তেওঁৰ সমগ্ৰ সত্তাটি আচ্ছন্ন কৰি ধৰে, —ৰৰঢোল, ৰৰতালৰ উদ্দাম উত্তাল ছেওটিয়েও ঘনাই আমনি কৰে।

কিন্তু এটা কথাত ৰংপুৰ ককা ধ্ৰুৱ নিশ্চিত হৈছে যে বয়স বঢ়াৰ লগে লগে কোনো বিষয়তে তেওঁ সুস্থিৰভাৱে চিন্তা কৰিব নোৱাৰে। আঁকোৰগোজ স্বভাৱেও আজিকালি মূৰ দাঙি উঠিছে। নিজৰ মতৰ বাহিৰেও যে আনৰ মতবাদ কেতিয়াবা শুদ্ধ হ'ব পাৰে, —আনৰ মতবাদকো যে কেতিয়াবা প্ৰাধান্য দিব লাগে সেইটো তেওঁ বুজি পাযো কাৰ্যতঃ যেন অবিচল! নহলে এই বিষয়টোৰ বেয়া কালটোকে চিন্তা কৰি শ্ৰান্ত-ক্লান্ত হোৱাৰ কোনো কাৰণ নাই তেওঁৰ।

মাজে মাজে অৱশ্যে ককাই নিজকে প্ৰবোধ দিয়ে—, 'এই বিষয়ে মানৱ বিকাশে ভাবিছে; বিদ্যুত চঞ্চল, পৱন, স্বৰূপ কুমাৰে ভাবিছে আৰু হয়তো বহুতেই ভাবিছে। বৃদ্ধ বয়সত সেইবাবে এই চিন্তা কৰাৰ কোনো সকাম নাই তেওঁৰ। সকলোৱে আশা কৰা মতেই কাম হৈছে।' তথাপিও ককাৰ মনটো কিন্তু শান্ত নহয়। 'স্বৰূপ কুমাৰৰ ঠাইত সেইজন মানৱ বিকাশ হোৱা হ'লে—তেওঁনো বাৰু কি কৰিলেহেঁতেন।' ৰংপুৰ ককাৰ দৃঢ় বিশ্বাস— 'তেতিয়া তেওঁ যৌৱন ঘিৰাই পালেহেঁতেন, পৰম উৎসাহেৰে তেওঁ এই উৎসৱৰ হোতা হ'লহেঁতেন।'

কিন্তু সেইবুলি এই কথাও সত্য নহয় যে—ৰংপুৰ ককাই স্বৰূপ কুমাৰক বেয়া পায়। স্বৰূপ কুমাৰৰ নেতৃত্বৰ ওপৰতহে অলপো আস্থা

নাই তেওঁৰ। যিকোনো বিষয়তে নিজৰ মতৰ বাহিৰে আন কাৰো মতকেই প্ৰাধান্য দিব নোখোজে সি। আনহাতে যথেষ্ট খণ্ডাল যদিও মানৱ বিকাশ কিন্তু উদাৰ, —আঁকোৰগোজ কৈ কোনো কথাতে লাগি নাথাকে সি। আনৰ কথা শুনি সেইমতে কাম কৰি যোৱাৰ বহল অন্তৰ এখনো তাৰ আছে। 'পোহৰ বিচাৰি যোৱা প্ৰস্তাৱটো যদি মানৱ বিকাশে দিলেহেঁতেন—ৰাইজৰ একাংশই সেই বিষয়ত আপত্তি কৰা হলে সি এখোজো আগ নাবাঢ়িলেহেঁতেন।

বংপুৰ ককাই দুই আঁঠুৰ মাজৰ পৰা মুখখন উলিয়াই পুনৰ মানুহজাক যোৱাৰ ফালে চকু দিলে এবাৰ। 'সিহঁতে এতিয়ামানে কিজানি বংপুৰৰ সীমাত উপস্থিত হৈছে গৈ,' ভাবিলে তেওঁ। বেলিৰ পোহৰ আহি বংপুৰ পাবলৈ এতিয়াও বহু সময় বাকী আছে। ককাই পুবফালৰ আকাশখন নিবিড় চিত্তেৰে চাই থাকিল কিছু সময়। —পোহৰৰ বঙা আভা কিজানিবা এধানিমান দেখিবলৈ পায়েই। কিন্তু নাপালে। তেওঁ নিজেও জানে এই সময়ত বংপুৰত সূৰ্য উদয় নহয়। পুনৰ দুই আঁঠুৰ মাজত মূৰটো গুজি দি চকু দুটা মুদি দিলে বংপুৰ ককাই। তেওঁ তেনেকৈয়ে টোপনি গ'ল।

বংপুৰ ককাই সপোন দেখিলে। 'তেওঁৰ চিৰ পৰিচিত বংপুৰ নদীটো যেন ধাননি পথাৰ খান্দি খান্দি ক্ৰমাৎ বহল হৈ গৈছে। পানীৰে দুকূল উপচি এনেদৰে চপ চাপীয়া হৈ আছে যে আৰু এজাক বৰষুণ আহিলেই যেন বংপুৰ নদীয়ে পাৰ ভাঙি পথাৰ উপচাই পেলাব। ককাই যৌৱন ঘূৰাই পাইছে। মাছ মৰা টুলুঙা নাৱত উঠি বংপুৰীয়া ৰাইজে বংপুৰ নদীৰ উজনি পানীত বঠা মাৰি আছে। বতৰো ফৰকাল। বেলি উঠিবলৈ এতিয়াও বহু বাকী। আপোন মনে চিৰ পৰিচিত গীতৰ কলি এটি গুণগুণাই বংপুৰ ককাই অদম্য উৎসাহেৰে বঠা মাৰি আছে। বংপুৰ নদীৰ কোৱাল সোতেও কোঁ-কোঁৱাই পানী কাটি আগুৱাই যোৱা তেওঁৰ টুলুঙা নাৱৰ গতি হ্ৰাস

কৰিব পৰা নাই। এবাৰ পিছলৈ চাই ককাই দেখিলে ৰংপুৰীয়া বাইজৰ নাও বিলাকো তেওঁক অনুসৰণ কৰি পিছে পিছে আহি আছে। কিন্তু ককাৰ নাওৰ দ্ৰুত গতিৰ লগত ফেৰ মাৰিব নোৱাৰি সিহঁত পিছ পৰি গৈছে। ব্যৱধান ক্ৰমাৎ যেন বাঢ়ি গৈছে। ৰংপুৰ ককাই বিং মাৰি সিহঁতক জোৰেৰে বঠা মাৰিবলৈ কৈ নিজেও দুগুণ উৎসাহেৰে বঠা মাৰি থাকিল।

এনেদৰে কিমান সময় পাৰ হৈ গৈছিল—ককাই নাজানে; কিন্তু হঠাতে তেওঁৰ অনুভৱ হ'ল চিনাকি ৰংপুৰখন অতিক্ৰম কৰি নাওখন ৰংপুৰ নদীৰে ভাটিলৈ আগুৱাই আহিছে। অচিনাকি নদীখনৰ মাজ বুকুত ৰংপুৰ ককাই অকলে অকলে বেচ অস্বস্তি অনুভৱ কৰিলে। তদুপৰি নদীৰ দুয়োপাৰৰ গহন অৰণ্যই ককাৰ অন্তৰত ভয় সুমুৱাই দিলে। তেওঁ এবাৰ পিছলৈ ঘূৰি চালে—কিজানিবা লগৰীয়া বিলাকক দেখা পায়েই। কিন্তু এজনকো দেখা নাপালে তেওঁ। হয়তো আঁকোৰা-পকোৰা ৰংপুৰ নদীৰ কোনোবাটো পাকত লুকাই পৰিছে সিহঁত।

লগৰীয়া বিলাকলৈ অপেক্ষা কৰিবৰ বাবে লাহে লাহে বঠা মাৰিবলৈ আৰম্ভ কৰিলে ৰংপুৰ ককাই। ঘনে ঘনে পিছলৈ ঘূৰি চাবলৈ আৰম্ভ কৰিলে তেওঁ। কিন্তু লগৰীয়া সকলৰ উপস্থিতিৰ কোনো উমঘামেই নাই। ককাৰ চিন্তা হ'ল—জানোচা মানুহবোৰ পুনৰ উলটি গৈছে, এই চিন্তা মনত সোমোৱাৰ লগে লগে ভয়ত তেওঁ এনেদৰে বিভ্ৰত হৈ পৰিল যে কোনো কথ গমিপিতি নোচোৱাকৈয়ে তেওঁ নাওখন ওলোটা ফালে ৰংপুৰলৈ বুলি ঘূৰাই দিলে। নিজৰ ওপৰতে খং উঠিল ৰংপুৰ ককাৰ—'তেওঁকনো বাৰু ইমান জোৰেৰে বঠা মাৰিবলৈ কিহে পাইছিল; —একেলগে গোটেইমখা মানুহে আহি থাকিব পাৰিলেহেঁতেন।'

কিন্তু বেছি দূৰ ভটিয়াই আহিবৰ দৰকাৰ নহ'ল ৰংপুৰ ককাৰ। নদীখনৰ দুটা পাক ঘূৰোঁতেই তেওঁ বিনিকি বিনিকি মানৰ বিকাশৰ

নাওখন দেখা পালে। নিমিষতে ককাৰ অন্তৰৰ পৰা ভয়ৰ ভাৱটো আঁতৰি গ'ল। তথাপি বঠাখন হাতত তুলি লৈ তেওঁ লক্ষ্য কৰি থাকিল দলৰ আন মানুহবোৰক। বংপুৰ নদীৰ কোৱাল সোঁতে তেওঁক ভটিয়াই লৈ গৈ থাকিল। মানৱ বিকাশৰ নাওখনৰ পৰা কিছু আঁতৰত গুৰি পকৱাৰ জাকৰ দৰে জাকপাতি আগুৱাই অহা বংপুৰীয়া বাইজৰ নাওবোৰ ককাৰ দৃষ্টিত পৰিল। মুহূৰ্তে মুহূৰ্তে মানুহবিলাকৰ লগত ককাৰ ব্যৱধান কমি আহিছে। সিহঁত বংপুৰ ককাৰ দৃষ্টিত স্পষ্টৰ পৰা স্পষ্টতৰ হৈ আহিছে। বিং মাৰিলে শুনি-বলৈ পোৱা দূৰত্বত উপনীত হৈছে মানৱ বিকাশ।

ইমানখিনি সময় কেৱল বঠা মৰাতেই ব্যস্ত বংপুৰীয়া বাইজে-ভটিয়াই আহি থকা বংপুৰ ককাক লক্ষ্য কৰা নাছিল। একমনে বঠা মাৰি থকা মানৱ বিকাশেও আনকি দেখা পোৱা নাছিল ককাক। মানুহ জাকৰ ইমান একাগ্ৰতা দেখি আনন্দ লাগিল বংপুৰ ককাৰ। বিং মাৰি মানৱ বিকাশক মাতিব খুজিও নামাতিলে তেওঁ। তাৰ একাগ্ৰতাক বাধা দিব খুখুজিলে; কিন্তু বেছি সময় তেওঁ সিহঁতৰ চকুত নপৰাকৈ থাকিব নোৱাৰিলে। প্ৰথমতে মানৱ বিকাশৰ আৰু প্ৰায় লগে লগে আন মানুহ জাকৰো চকুত পৰিল তেওঁ।

বংপুৰ ককাই অনুমান কৰিলে— তেওঁক উলটি অহা দেখি মানুহবোৰ খুব আচৰিত হৈছে। মানৱ বিকাশো কম আচৰিত হোৱা নাই। কি কৰিব কি নকৰিব ঠিক কৰিব নোৱাৰি আনকি বঠা মাৰিবও পাহৰি গৈছে। নদীৰ কোৱাল সোঁতে তাৰ নাওখন যেন পিছলৈ ঠেলি দিবৰ উপক্ৰম কৰিছে। মানুহবোৰ বেচ দোধোৰ-মোধোৰত পৰা দেখি—ককা নাওখনতে থিয় হ'ল, আৰু বিং মাৰি মানৱ বিকাশক আগুৱাই আহিবলৈ ইঙ্গিত দিলে। এইবাৰ বহি লৈ তেওঁ হাতৰ বঠাখনেৰে নিজৰ নাওখনৰ গতি সলনি কৰিলে। উজনি পানীত পুনৰ বঠা মাৰিবলৈ আৰম্ভ কৰিলে বংপুৰ ককাই।

পিছলৈ এবাৰ ঘূৰি চাই তেওঁ দেখিলে—সকলোবোৰে নতুন উৎসাহেৰে বঠা মাৰিবলৈ আৰম্ভ কৰিছে। ককাৰ অন্তৰতো সিহঁতৰ উৎসাহৰ বতাহ লাগিল। উজনি পানীতো পূৰ্ণোদ্দমে আগুৱাই থাকিল ৰংপুৰ ককাৰ টুলুঙা নাও।

চিনাকি ৰংপুৰখন এৰি ৰংপুৰ ককাৰ নাও পুনৰ বহুদূৰ উজাই আহিছে। একান্তমনে বঠা মাৰি আছে ককাই। পিছলৈ ঘূৰি নাচালেও তেওঁ গম পালে লগৰীয়াজাক পুনৰ বহুদূৰ পিছপৰি গৈছে। কিন্তু এইবাৰ তেওঁ ভয় নকৰিলে। তেওঁক অকলে এৰি থৈ সিহঁত ঘূৰি নাযায়। ৰংপুৰ ককাই এবাৰ নদীটোৰ সম্মুখ ভাগলৈ দৃষ্টি নিক্ষেপ কৰিলে। এটা অতি আচৰিত দৃশ্য তেওঁৰ চকুত পৰিল। ইমান দিনে ছুশাৰী পৰ্বতৰ মাজৰ পৰা ওলাই অহা বেলিটো আজি যেন চকুৰে মনিব নোৱাৰা দূৰত্বত ৰংপুৰ নদীৰ বুকুৰ পৰা ওলাই আহিছে। প্ৰভাতী সূৰুযৰ নতুন পোহৰে ককাৰ অন্তৰত নতুন উদ্যমৰ সৃষ্টি কৰিলে। ৰংপুৰ ককা নিশ্চিন্ত হ'ল—'পোহৰ বিচাৰি প্ৰকৃত পথেৰেই অনুধাৱিত হৈছে ৰংপুৰীয়া বাইক।' ককাই পুনৰ জোৰেৰে বঠা মাৰিবলৈ আৰম্ভ কৰিলে।

এনেদৰে কিছু সময় বঠা মাৰি থাকোঁতে হঠাতে ৰংপুৰ ককাৰ ভাৱ হ'ল নদীগৰ্ভৰ পৰা ওলাই অহা তীব্ৰ পোহৰ এচমকাই তেওঁৰ চকু ছুটি যেন চাং মাৰি ধৰিছে। পোহৰৰ সুতীব্ৰ ৰশ্মিয়ে তেওঁৰ চকু ছুটি যেন অন্ধ কৰি দিলে। তেওঁৰ অনুভৱ হ'ল ছুই চকুৰ প্ৰচণ্ড জ্বালা আৰু গভীৰ অন্ধকাৰে তেওঁক যেন গ্ৰাস কৰি পেলাইছে। ৰংপুৰ ককাৰ সমগ্ৰ শৰীৰ গভীৰ অৱসাদেৰে ভৰি পৰিল। হাতৰ বঠাপাট সুলকি গৈ পানীত পৰিল। ককা আৰু বহি থাকিব নোৱাৰিলে, নাওখনতেই ঢলি পৰিল তেওঁ। তথাপি তেওঁ আন্দাজ কৰিলে - ধীৰে ধীৰে যেন তেওঁৰ চেতনা বিলুপ্ত হ'বলৈ আৰম্ভ কৰিছে। মানৱ বিকাশ আৰু ৰংপুৰীয়া বাইজক এটা চিৰন্তন মাৰি সাৱধান কৰি দিবলৈ ৰংপুৰ ককাই আপ্ৰাণ চেষ্টা কৰিলে, - -কিন্তু মুখত হ'লে ভাষা

মুফুটিল। চেতনা সম্পূৰ্ণভাৱে বিলুপ্ত হোৱাৰ আগতে ৰংপুৰ ককাৰ মাথোন অনুভৱ হ'ল—কোনোবাই যেন জোৰ কৰি তেওঁৰ নাওৰ গতিপথ সলনি কৰি দিছে, —ৰংপুৰ নদীৰ কোৱাল সোঁতে ভটিয়াই লৈ আহিছে নাওখন। অচেতন হোৱাৰ আগমুহূৰ্ত্তত মুমূৰ্ষু প্ৰায় ৰংপুৰ ককাই মাথোন আশা কৰিলে, —'এটা সময়ত নাওখন যেন ৰংপুৰীয়া বাইজৰ দৃষ্টিগোচৰ হয়।' তেওঁৰ চেতনা বিলুপ্ত হ'ল।

ৰংপুৰ ককাই যেতিয়া চেতনা লাভ কৰিলে—তেতিয়া তেওঁৰ ভাৱ হ'ল একেবাৰে পশ্চিম সীমাত তেওঁৰ নাওখন যেন উপনীত হৈছে। বহু চেষ্টা কৰিও কোনো কথা মনত পেলাব নোৱাৰি তেওঁ নাওখনতে আগৰ দৰে নিৰ্জীৱ হৈ পৰি থাকিল। অলপ সময়ৰ পিছতে তেওঁ মৃতকৰ দেশত উপস্থিত হ'বগৈ। গভীৰ হতাশাই আনি দিয়া চিলমিল টোপনিৰ মাজতে তেওঁ কিন্তু অনুমান কৰিলে—তেওঁ যেন মানুহৰ কোলাহল শুনিব পাইছে।

পৰম প্ৰশান্তিৰে ভৰি পৰিল ককাৰ অন্তৰ। এতিয়া আৰু তেওঁ অকলশৰীয়া নহয়। লগৰীয়া জাকৰ মৰমৰ উমে আত্মহাৰা কৰি তুলিলে তেওঁক। চকু দুটি মুদি থাকিয়েই তেওঁ সেই মৰমৰ উমকণ উপভোগ কৰাত লাগিল।

হঠাতে ৰংপুৰ ককাৰ ভাৱ হ'ল তেওঁৰ নাওখন যেন পুনৰ উজাই যাবলৈ আৰম্ভ কৰিছে। আপোনা-আপুনি তেওঁৰ চকু মেল খালে। 'মানৱ বিকাশে তেওঁৰ টুলুঙা নাওখনৰ টিং এটাত ধৰি নাওখন উজাই ঠেলি আছে,—তাৰ পিছে পিছে ৰংপুৰৰ ল'ৰা-বুঢ়া-তিৰোতাসকলো। ককা আচৰিত হ'ল, 'এই ভৰ বাৰিষা বতৰত ৰংপুৰ নদীটো খোজ কাঢ়িব পৰাকৈ ইমান বাম কেনেকৈ হ'ল।' চিন্তা নকৰিলে ককাই আৰু এই বিষয়ে। নিবিড় প্ৰশান্তিত চকু দুটা পুনৰ মুদি দি ককাই অনুভৱ কৰিলে—ৰংপুৰ নদীৰ বুকুকালি পুনৰ সিহঁতে পূৰ্বকালে পোহৰ বিচাৰি আগুৱাই আছে। মানুহজাকৰ পানী ভাঙি আগুৱাই যোৱা

খোজৰ লহৰ শুনি শুনি ৰংপুৰ ককা পুনৰ টোপনিত পৰিল।

'ৰংপুৰ ককাই শিলৰ ওপৰতে টোপনি মাৰি আছে।'

'ৰংপুৰ ককাই দিনতে সপোন দেখিছে।

'ককাই টোপনিতে পোহৰ বিচাৰি গৈছে।' ল'ৰা-ছোৱালীজাকে জোকাব ধৰিলে ৰংপুৰ ককাক।

সাৰ পালে ৰংপুৰ ককাই। চকু ছুটি মেলি ছুই আঁঠুৰ মাজৰ পৰা মূৰটো উলিয়াই তেওঁক জোকাই থকা ল'ৰা-ছোৱালী জাকৰ মুকুতাৰে ককাই দেখিবলৈ পালে বেলিটো ৰংপুৰৰ আকাশত উদিত হৈছে।

ৰংপুৰ ককাই মানুহজাকৰ লগত একেলগে উভতিবলৈ থিয় হ'ল। ল'ৰা-ছোৱালী জাকে এইবাৰ ককাক এৰি ৰংপুৰলৈ চাপলি মেলিলে। ককাই মানৱ বিকাশহঁতৰ দলটিৰ পিচৰলৈ লাহে লাহে আগবাঢ়িল। সকলোৱে ৰংপুৰলৈ খোজ ললে।

আহোঁতে বাটত সপোনটিৰ কথাকে ভাবি আহিল ৰংপুৰ ককাই। সপোনটিৰ কিনো তাৎপৰ্য একো বুজিব নোৱাৰিলে তেওঁ। মানৱ বিকাশহঁতৰ লগত এই বিষয়ে আলোচনা কৰিব খুজিও ককাই নিজকে সম্বৰণ কৰিলে। তপতে তপতে এই বিলাক কথা আলোচনা কৰি কোনো পাৰ পোৱা নাযায়। তেওঁ এইটো ভাবিয়েই নিজকে পতিয়ন নিয়াবৰ চেষ্টা কৰিলে যে—কিছুদিন ধৰি মাথোন এই বিলাক কথাকেই আলোচনা কৰি থকা বাবেহে কিজানি এনে ধৰণৰ সপোনটি দেখিলে তেওঁ। কিন্তু ৰংপুৰ ককাৰ মনটো হলে ক্ষৰকাল নহ'ল। ৰংপুৰৰ মঙ্গল নে অমঙ্গল সূচাইছে এই সপোনটিয়ে—তাকেই চিন্তা কৰি আহিল তেওঁ। শিশুৰ জাকটিয়ে তেওঁক লগত লৈ আগবাঢ়িল।

অভিযাত্ৰী দলটিক বিদায় সম্ভাষণ জনাই উভতি আহোঁতে গোটেই মানুহ জাকেই অন্তৰত বিষণ্ণতা অনুভৱ কৰিছিল। ভাগ্যে যেনিবা আনন্দ প্ৰকাশহঁত লগত আছিল; সিহঁতৰ গতানুগতিক আনন্দ উৎসাহে

কোনোবা ক্ষণত ৰাইজৰ মন অলপ হ'লেও পাতলাইছিল যদিও মানৰ বিকাশ হ'লে চিন্তিত হৈয়েই থাকিল। তাৰ চিন্তা বহুত। কথাৰ লাচতে স্বৰূপ কুমাৰে সিহঁতৰ অভিযান 'পোহৰৰ দেশলৈ কৰা অভিযান' বুলি কৈ তাক দোপোৰ-মোধোৰত পেলাইছিল যদিও তাৰ পিছৰ কথাখিনি শুনাৰ পিছত মানৰ বিকাশে তাক বিশ্বাস কৰিছে। কিন্তু খেতি আৰম্ভ হোৱাৰ আগে আগে যে সিহঁত ঘূৰি আহিব নোৱাৰে —সেইটো হ'লে ঠিৰাংকৈ বুজি পাইছে সি। কাৰণ 'ব'হাগ মাহৰ পোন্ধৰ দিন যোৱাৰ দিনাখনৰে পৰা ৰংপুৰীয়া ৰাইজৰ নতুন বছৰৰ খেতিৰ কাম আৰম্ভ হয়।' সেয়ে হলে মাজত মাথোন চৈধ্যটা দিন আছে। মানুহখিনিয়ে ভালে কুশলে নতুন ধানৰ গোছ োৱাৰ আগে আগে আহি পালেও হয়।' নহ'লে ৰংপুৰৰ অৱশিষ্ট মানুহখিনিৰ বৰ কষ্ট হ'ব। এনেয়ে যোৱা বছৰ বৰ বেয়া খেতি হ'ল। তাতে আকৌ গোটেই ফাগুন মাহটো জুৰি চলা আপদীয়া বৰষুণৰ ফলত সিহঁতে আশাকৰা মতে জন্তুও চিকাৰ কৰিব নোৱাৰিলে। পূৰ্বৰ পৰম্পৰা অনুযায়ী সিহঁতে ব'হাগ মাহত জন্তু চিকাৰ নকৰে। সেই পোন্ধৰটা দিন খেতিৰ সা-সঁজুলি যোগাৰ, মেৰামতি আদি কৰোঁতেই পাৰ হৈ যায়। 'কিন্তু এইবাৰ নিয়মটো ভাঙিহে উচিত হ'ব কিজানি,' ভাবিলে মানৱ বিকাশে। কথাটো ৰংপুৰ ককাৰ লগত এবাৰ আলোচনা কৰি চাব লাগিব।' আনহাতে মানুহখিনি সময় মতে আহি নাপালে— ৰংপুৰ পথাৰৰ একাংশ মাটি ছন নপৰিলেহে ৰক্ষা। ইমান কম মানুহেৰে গোটেই পথাৰখন চহাই কেনেদৰে ধান কই শেষ কৰিব— ভাবি ভাবি তাৰ কোনো উৱাদিহ উলিয়াব নোৱাৰিলে সি।

মানৱ বিকাশৰ চিন্তাক্লিষ্ট মুখখনৰ ফালে চাই দুই এজনে কিন্তু অনুভৱ কৰিলে—মানৱ বিকাশৰ মন ভাল নহয়। বাটত সিহঁতৰ কথা-বতৰাবোৰ সেইবাবে তাক পৰোক্ষভাবে উদ্দেশ্য কৰিয়েই হ'ল।

: সিহঁতে জানো পোহৰ বিচাৰি পাব?

: যদিহে ৰংপুৰ ককাৰ কথাবোৰ সত্য হয়—কোনে জানে, পাৰও পাৰে।

: পোহৰ বেছি পালেই জানো খেতি ভাল হ'ব?

: নাজানো ; সেইবোৰ কথা ককাইতেহে ভালদৰে বুজি পাব।

: খেতিৰ যি হয় হ'ব, —ঠেটুৰা লগা জাৰৰ মাত্ৰাটো কিন্তু অলপ হলেও কমিব।

. তইতো তেনেকৈ কৰিয়েই। জাৰৰ দিনত জুহাল এৰিব পাৰ নেকি তই?

. গাত এসোপা কাপোৰ মেৰিয়াই তয়েই দেখোন জন্তুৰ পাছে পাছে কিছুদূৰ দৌৰি থিয় দিয়?

: জন্তু চিকাৰ কৰিবলৈ কিন্তু সুবিধা হ'ব।

: তেলৰ খৰচো কমিব।

: কিয়?

: অধিক পোহৰ পালে দিন বিলাকতো দীঘল হ'বই, —গতিকে ৰাতিবিলাক নিশ্চয় চুটি হব।

: জানো পাই! মই কিন্তু এই বিলাক একোকে বুজিব পৰা নাই।

: নাপাবিতো বুজি, —পথাৰত বেছি সময় কাম কৰিব লাগিবতো।

: মই কিন্তু ঠিকেই বুজিছো! সিহঁতে পোহৰ বিচাৰি নাপায়। এনেয়ে কিছুদিন অৰণ্যতে ফুৰি-চাকি ঘৰৰ মানুহ ঘৰলৈ উভতি আহিব। —বক্তাজনৰ নাম ভোলানাথ, কিন্তু সকলোৱে তাক 'আপোন-ভোলা' বুলি মাতে। এনেহুৱা হিচাপে ধন বিলাসৰ পাছতেই তাৰ নাম। কিন্তু মানুহজন নিৰ্জু।

: কিয়?

: কাৰণ যিবিলাকে পোহৰ বিচাৰি গ'ল—সিহঁতো মোৰ দৰে এনেহুৱা। অভিযাত্ৰী সকলৰ কোনজন ভাল খেতিয়ক, —খেতিৰ

কথা ভালদৰে জানে কচোন ?

: কথাটো অৱশ্যে মিছা নহয়। পিছে সিহঁতে পোহৰতে আনিব খাথোন, – কষ্ট আমাৰেই হ'ব।

: এৰা ! তই ঠিকেই কৈছ, কষ্ট আমাৰেই বেছি হ'ব। —সিহঁতে মনে মনে আহি থাকিল।

: বাক মানৱ বিকাশ ! তয়েই কচোন · সিহঁতে বাক পোহৰ আনিব পাৰিব নেকি ?

: নোৱাৰে। যদি অধিক পোহৰৰ বতৰা পাই—তেনেহলে আমিহে তালৈ যাব লাগিব। পোহৰ জোলোঙাত ভৰাই অনা বস্তু নহয়।

: ওচৰতে কৰবাত পালে ভাল আছিল, —নহলে ইমান দূৰ খোজকাঢ়ি যোৱাটো · । চন্দ্ৰনাথে কথাটো শেষ কৰিবই নোৱাৰিলে, সকলোৱে হাঁহি উঠিল।

ঠিক একে সময়তে ডেকা-গাভৰু চামৰ মাজতো হাঁহিৰ ৰোল উঠিল—আনন্দ প্ৰকাশৰ কথাত। অধিক পোহৰ পালে দিন দীঘল হৈ ৰাতি চুটি হোৱা কথাটো চন্দ্ৰ ৰূপে যে পচন্দ কৰা নাই সেই কথা ব্যক্ত কৰাৰ লগে টপৰাই আনন্দ প্ৰকাশে কৈ উঠিল,' নাপাৰিতো : নতুনকৈ জোৰ পাতিছ নহয়।

গাভৰুজাকৰ মাজতো ৰূপহীক লৈ ঠেলাঠেলি লাগিল।

মানুহ বিলাকৰ কথা-বতৰায়ো কিন্তু মানৱ বিকাশৰ গধুৰ মনটো পাতলাব নোৱাৰিলে। 'সিহঁতে এতিয়াও সমাগত বিপদৰ গোন্ধ পোৱা নাই।'

এইবিলাক কথা এবাৰ সেই মুহূৰ্ত্ততে ৰংপুৰ ককাৰ লগত আলোচনা কৰাৰ কথা চিন্তা কৰিলে মানৱ বিকাশে। কিন্তু শিশুজাকৰ লগত ককা আপোন ভাৱত এনেদৰে নিমগ্ন হৈ গৈ আছে যে— তেওঁক এই সময়ত আক বিৰক্ত কৰিবলৈ সত নগ ল তাৰ। 'কথাটো দুই এদিনৰ ভিতৰতে ৰাজহুৱাভাৱে আলোচনা কৰাটোহে যুক্তিযুক্ত হ'ব, মনে মনে সি সিদ্ধান্তলৈ আহিল। 'এনে সময়ত মানুহবোৰক চিন্তাত পেলোৱাতো উচিত নহয়।'

অলপ সময়ৰ পিছতে ৰংপুৰীয়া ৰাইজে ৰংপুৰত উপস্থিত হ'ল। ★

[৭]

প্ৰথমটো বাহৰত খিতাপি লোৱাৰ পিছদিনাখন পুৰা অভিযাত্ৰী দলটিয়ে বেলি উঠাৰ পৰলৈকে অপেক্ষা কৰিলে। এইবাৰ ৰংপুৰ নদীৰ পাৰে পাৰে সিহঁতে যাত্ৰা আৰম্ভ কৰিব। সিহঁতে ডাঠ হাবিৰে ভৰা ডাঙৰ টিলা এটা অতিক্ৰম কৰিব লাগিব এইবাৰ।

সিহঁতে ভৰা মতে কিন্তু কাম নহ'ল। ৰংপুৰ নদীৰ পাৰে পাৰে কিছুদূৰ যোৱাৰ পিছত সিহঁতে বুজি উঠিল আঁকোৰা-পকোৰাকৈ বৈ যোৱা ৰংপুৰ নদীৰ পাৰে পাৰে অটব্য অৰণ্য ভেদ কৰি আগুৱাই যোৱা অতিশয় কষ্টসাধ্য কাম হ'ব। সেইবাবে সুবিধাজনক ঠাই এডোখৰৰ ওখ গছ এডালত উঠি ৰংপুৰ নদীৰ গতিবিধি চাই—সেইমতে টিলাটো অতিক্ৰম কৰিবলৈ ঠিক কৰা হ'ল। ওখ গছ এডালত উঠি সিহঁতে দেখিলে যে ৰংপুৰ নদীটোৱে ধনু ভাঁজ লৈ টিলাটোৰ আনটো মূৰত ওলাইছে গৈ। সিহঁতে অলপ কষ্ট কৰি টিলাটোৰ সোঁমাজেৰে যাত্ৰা কৰি আনটো মূৰত উপস্থিত হবলৈ সক্ষম হ'ল। বাটত বনৰীয়া জন্তু দুটাও বধ কৰিলে সিহঁতে। ৰংপুৰ নদীৰ পাৰত থিয় হৈ সিহঁতে লক্ষ্য কৰিলে—নদীটোৱে এইবাৰ যেন পোনে পোনে—দুইফালৰ পাহাৰ ভেদ কৰি পূৱ দিশৰ পৰা নামি আহিছে। সেই দিনাখনেই সিহঁতে ঠিৰাং কৰিলে—'ভৱিষ্যত যাত্ৰা পথত ৰংপুৰ নদীক সাৱধি কৰিয়েই আগুৱাব সিহঁত, - লাগিলে যাত্ৰাপথ কিছু দুৰ্গমেই হওক। ৰংপুৰ নদীৰ পাৰত সিহঁতৰ দ্বিতীয়টো বাহৰ স্থাপন কৰা হ'ল। আৰু সেইটোৱেই হ'ল তেনেকৈ অচিনাকি পৃথিৱীখনত সিহঁতৰ—প্ৰথম বাহৰ।

এনেদৰে সম্পূৰ্ণ সাতোটা দিন ধৰি সিহঁতে ৰংপুৰ নদীৰ পাৰে পাৰে—ডাঠ হাবিৰে ভৰা টিলা আৰু সৰু সৰু পাহাৰ অতিক্ৰম কৰি

পূৰ্বলৈ আগুৱাই গৈ থাকিল। কিন্তু যিমানেই আগুৱাই গৈ থাকিল সিমানেই অভিযাত্ৰী দলটিৰ একাংশ মানুহৰ মনৰ উদ্যমো যেন ধীৰে ধীৰে নিঃশেষ হৈ আহিল। আন মানুহখিনিৰ জীৱনীশক্তিয়ে সিইঁতক একপ্ৰকাৰ জোৰ কৰিয়েই যেন অভিযানত অংশ গ্ৰহণ নকৰাৰ পৰা বিৰত ৰাখিলে।

স্বৰূপ কুমাৰে এইচাম মানুহৰ মানসিক অৱস্থাৰ কথা উমান পায়ো মুবুজাৰ ভাও জুৰি থাকিল। তাৰ ভৱিষ্যত পৰিকল্পনাৰ সফল পৰিণতিৰ এইটো দ্বিতীয় পদক্ষেপ। মনে মনে আশাতীত ভাৱে সুখী হ'ল সি। যিমানেই আগুৱাই গৈছে সিমানেই অভি-যানৰ যথাৰ্থতা সি উপলব্ধি কৰিব পাৰিছে।

আঠদিনৰ দিনাখন অভিযাত্ৰী দলটিৰ মাজত দুৰ্ঘটনা এটি ঘটিল। দুদিনমান আগৰে পৰা বিদ্যুৎ চঞ্চলে অনুভৱ কৰিছিল—সি যেন অসুখত পৰিছে। দুই এজনৰ লগত উলিয়াইছিলো সি কথাটো। তাৰ কথাত কিন্তু কোনো এজনেই গুৰুত্ব নিদিলে। সপ্তম দিনাখনৰ ৰাতি তীব্ৰৰূপে জ্বৰ উঠিল তাৰ। সি প্ৰলাপ বকিবলৈ আৰম্ভ কৰিলে,—ৰংপুৰ ককাৰ কথা, শৈশৱ কালত ককাৰ বোকোচাত উঠি জামু খাব যোৱাৰ কথা। মানুহবিলাকে মূৰত পানী ঢালি কপালত অৱপটি লগাই শুৱাই থলে তাক। কিছু সেলি চট ফটাই থকাৰ মূৰত টোপনি আহিল বিদ্যুৎ চঞ্চলৰ। সকলোৱে ভাবিলে ৰাতি-পুৱাৰ লগে লগে ভাল পাব সি। স্বৰূপ কুমাৰে আন মানুহবোৰৰ লগত আলোচনা কৰিলে—সি সম্পূৰ্ণ সুস্থ হৈ উঠালৈকে সকলোৱে দুই এদিন অপেক্ষা কৰাটোৱে যুক্তিসঙ্গত হ'ব। আনবিলাক মানুহৰো বিশ্ৰামৰ প্ৰয়োজন হৈছে। পিছে ৰাতিপুৱা বিদ্যুৎ চঞ্চলৰ বৈণীয়েকৰ বিননি আৰু পুতেকৰ চিঞৰ শুনি কি ঘটনা ঘটিছে বুজিবলৈ কাৰো বাকী নাথাকিল। শোতেলিতে মৰি আছে বিদ্যুৎ চঞ্চল।

পিছদিনাখন অভিযান চলোৱাৰ আৰু কোনো যুক্তিয়েই নাথাকিল। ঘৈণীয়েক আৰু কিশোৰ পুতেক ধ্যান ৰাজক নানা ধৰণেৰে বুজনি দি বিদ্যুৎ চঞ্চলৰ মৃতদেহটো সিহঁতে ৰংপুৰ নদীৰে উটুৱাই দিলে। অভিযাত্ৰী দলটিৰ যিবিলাকে আগৰে পৰা অভিযানৰ উদ্যম হেৰুৱাই পেলাইছিল-- এইবাৰ সিহঁত একেবাৰে হতোদ্যম হৈ পৰিল। বিদ্যুৎ চঞ্চলৰ মৃত্যুত বেছিভাগ লোকেই দেৱতাৰ হাত থকা বুলি অনুমান কৰিলে। তদুপৰি এতিয়ালৈকে সিহঁতে নতুন ৰংপুৰ অথবা অধিক পাহৰ লাভ কৰাৰ কোনো উমঘামেই পোৱা নাই। স্বৰূপে কিন্তু মানুহবোৰক আৰু চিন্তা কৰিবলৈ অৱকাশ নিদি পিছদিনাখন ৰাতিপুৱাই ৰংপুৰ নদীৰ পাৰে পাৰে যাত্ৰা আৰম্ভ কৰিলে। 'স্বৰূপ কুমাৰৰ মতে অভিযাত্ৰীসকলৰ আগত সংশ উদঘাটন কৰি দিয়াৰ সময় এতিয়াও আহি পৰা নাই।'

এইবাৰ সিহঁতে ওখ পাহাৰ এখনৰ প্ৰান্তভাগেৰে আগবাঢ়িবলগীয়াত পৰিল। সিহঁতে আৱিষ্কাৰ কৰিলে, সিহঁতৰ আশৈশৱৰ চিনাকি ৰংপুৰ নদীটোৱে লাহে লাহে অচিনাকি ৰূপত ধৰা দি ক্ৰমান্বয়ে সৰু হৈ আহিছে, কিন্তু সোঁত হ'লে প্ৰৱল। 'এই প্ৰৱল সোঁতৰ বিপৰীতে নাও লৈ উজাই অহাটো অতিশয় কষ্টকৰ হলহেঁতেন।' স্বৰূপ কুমাৰে নাৱেৰে অভিযান চলোৱাৰ কথাও মনে মনে ভাবিছিল এবাৰ।

যাহওক, সম্পূৰ্ণ দুটা দিন আৰু একবেলা ৰংপুৰ নদীৰ পাৰে পাৰে অটব্য হাবি-জঙ্গল অতিক্ৰম কৰি ঠিক দুপৰীয়াৰ সময়ত সিহঁতে এখন আহল-বহল সমতল ভূমিত পদাৰ্পণ কৰিলে। ঠাইখন সিহঁতে এৰি থৈ অহা ৰংপুৰখনৰ দৰেই প্ৰায়, মাথোন আয়তনত বহু ডাঙৰ। ৰংপুৰ নদীটো ৰংপুৰৰ দৰে সোঁমাজেৰে নগৈ সমতল ভূমিখনৰ এটা কাতিৰেদি প্ৰৱাহিত হৈছে। আনটো পাৰত ওখ থিয় পাহাৰ। বাৰিষা বতৰত ৰংপুৰ নদীৰ পাৰ ভাঙি গোটেই ভূমিখণ্ড প্লাৱিত হয় বাবেই কিজানি গোটেই সমতল ভূমিখন দুই চাৰি ডাল বৃহৎ

বৃহৎ গছৰ বাহিৰে এতিয়া সম্পূৰ্ণ তৃণ ভূমি এখন যেন হৈ আছে।

সিহঁতে যেতিয়া বহল তৃণভূমিখন অতিক্ৰম কৰি পোন প্ৰথমবাৰৰ বাবে ওখ থিয় পৰ্বত এখনৰ পাদ দেশত উপস্থিত হলহি—তেতিয়া বেলি হালিছেহে মাথোন, মাৰ যাবলৈ তেতিয়াও বহু সময় আছে। বংপুৰতকৈয়ো আহল-বহল তৃণভূমিখনে সিহঁতক এনেদৰে আকৰ্ষিত কৰিলে যে সেইদিনাখন তাতেই বাহৰ পতাটো ঠিক হ'ল।

পোন প্ৰথমবাৰৰ বাবে এটা নতুন অপ্ৰত্যাশিত দৃশ্যও সিহঁতৰ চকুত পৰিল। বংপুৰ নদীটো আগৰে পৰাই ক্ৰমান্বয়ে সৰু হৈ অহা সিহঁতৰ চকুত পৰিছিল। কিন্তু এতিয়া সিহঁতে দেখিলে সমতল ভূমি-খণ্ডৰ পূব দিশত বংপুৰ নদীটো দুটা ভাগত বিভক্ত হৈছে। এটা নদী পোন পোনে পূব দিশৰ পৰা নামি আহিছে,—আনটো উত্তৰ-পূব দিশৰ পৰা।

সমুখৰ ওখ পাহাৰখন, আৰু দুই ভাগত বিভক্ত বংপুৰ নদীটো দেখি অভিযাত্ৰী দলটি বেচ দোমোজাত পৰিল। কিন্তু সিহঁতৰ বনৰীয়া জীৱন-যাপনৰ অভিজ্ঞতাই সিহঁতক বুজালে যে তৃণভূমিখন জীৱ-জন্তু চিকাৰৰ বাবে অতি প্ৰশস্ত। সিহঁতে যিমান পৰিমাণৰ খাদ্য শস্য লগত লৈ আহিছিল—বনৰীয়া জীৱ-জন্তুৰ অবিহনে সেইখিনি যথেষ্ট নহয়। এই কথা চিন্তা কৰি স্বৰূপ কুমাৰে লগৰীয়াসকলক একগোট কৰি ভৱিষ্যত আঁচনিখন ৰূপায়িত কৰিব বিচাৰিলে। সি বুজাই দিলে যে 'সিহঁতে এই ঠাই ডোখৰতে দুই এদিন জিৰণি লৈ জীৱ-জন্তু চিকাৰৰ ওপৰত মনোনিবেশ কৰা উচিত হ'ব। কাৰণ চিকাৰৰ বস্তৰ এক হিচাপে শেষ হৈছেই। তথাপি কিছুদিন চিকাৰ কৰি কিছু মাংস গোটাই ল'ব নোৱাৰিলে ভবিষ্যতে সিহঁত বিপদত পৰিব। আনহাতে দলটি পুনৰ বংপুৰলৈ গ'লেও বস্তুবোৰ পেলানি নাযায়। এই প্ৰসঙ্গতে সি আকৌ ক'লে—দুটা বংপুৰ নদীৰ কোনটিক অৱ-লম্বন কৰি আগবঢ়া সিহঁতৰ বাবে উচিত হ'ব—সেইটো ইয়াতেই

নিৰ্দ্ধাৰণ কৰি লোৱা উচিত।' লগৰীয়াবোৰ নিকতৰ হৈ থকা বাবে স্বৰূপ কুমাৰেও আৰু কথা নবঢ়ালে।

সেইদিনাখন অভিযাত্ৰী দলটিয়ে সঁচাকৈয়ে স্বৰূপ কুমাৰৰ কথা-খিনি মানি লৈছিল। ঠাইডোখৰ আটাইৰে মনঃপুতও হৈছিল। তদুপৰি বিদ্যুৎ চঞ্চলৰ মৃত্যুৰ পিছত মনবোৰ ডাঠ কৰিবলৈ সিহঁতক জিৰণিৰো আৱশ্যক হৈছিল। সেই ঠাই ডোখৰত সিহঁত সাত দিন থাকিল। কিন্তু বিভিন্ন ভাগত ভাগ হ'ল সিহঁতৰ কৰ্মাৱলী: কিছুমানে জীৱ-জন্তু চিকাৰত ব্যস্ত থাকিল, আন কিছুমানে ঠাইডোখৰ ভালদৰে গমিপিতি লবলৈ ওচৰে-পাজৰে ভ্ৰমণ কৰিলে। ল'ৰা-তিৰোতাবোৰৰ কাৰণে কোনো কাম নথকা বাবে সিহঁত বাহৰতেই থাকিল। তিৰোতা-বোৰে অৰণ্যে ওচৰৰ পৰা খেৰ-বাঁহ গোটাই অস্থায়ী ঘৰবোৰ বৰষুণৰ পানী নসৰকা কৰিবলৈ চেষ্টা কৰিলে। স্বৰূপ কুমাৰৰ হলে—লগৰীয়া কোনজনে কি কৰিছে তাৰ বুজ ল'বৰ সময় নাছিল। ৰাতি নৌ-পুৱাওঁতেই সি গোটেই দিনটোৰ বাবে ওলাই গৈ ঘূৰি আহিছিল সাজ লগাৰ পিছতহে। গোটেই দিনটোৰ কামৰ খতিয়ান সিয়ো কোনো এজনকে দিয়া নাছিল, —আনবোৰৰ কামৰ হিচাপো লোৱা নাছিল। ভাগৰত লালকাল দি সন্ধিয়া সময়ত সি যেতিয়া ঘৰ সোমাইছিলহি—তেতিয়া তাক দেখিলে এনে ভাব হৈছিল যেন অভিযাত্ৰী দলটিৰ নেতৃত্ব লহনৰ মহান দায়িত্বৰে সি ভাৰাক্ৰান্ত, চিন্তিত, ক্লান্ত।

দুদিনমান এনেদৰে যোৱাৰ পিছত হঠাতে স্বৰূপ কুমাৰৰ মনত এটা চিন্তাৰ উদয় হ'ল। অভিযাত্ৰী দলটিক আৰু এনেদৰে নিজৰ ইচ্ছাৰ বিৰুদ্ধে পূব দিশলৈ আগুৱাই লৈ যোৱাৰ কোনো সাৰ্থকতা নাই। সিহঁতে ইতিমধ্যে ৰংপুৰ এৰি ভালেখিনি দূৰ বাট আহি পালেহিয়েই। এতিয়া সকলোকে নিজৰ ইচ্ছামতে চলিব দিয়াটোৱেই যুক্তি সঙ্গত কাম হ'ব। মাথোন সি চিন্তা কৰিলে কেনেদৰে এই মানুহজাকৰ দ্বাৰা—সি ৰংপুৰৰ আটাইতকৈ শ্ৰেষ্ঠ মানুহজন বুলি

স্বীকৃত হ'ব পাৰে। সি অনুমান কৰিলে এইবাৰ নানান বুজনি দিও একাংশ মানুহক সিহঁতে লগত নিব নোৱাৰিব। অৱশ্যে তাৰ ইচ্ছাও নাই। তৃণ ভূমিখন আৱিষ্কাৰ হোৱাৰ লগে লগে তাৰ পৰিকল্পনাই আৰু এঢাপ আগুৱাইছে। দুই দিনমান কথাটো গভীৰভাৱে সি চিন্তা কৰিলে।

স্বৰূপ কুমাৰৰ অনুমান যে নিৰ্ভুল দুদিনমানৰ ভিতৰতে সি তাৰ প্ৰমাণ পালে। অভিযাত্ৰী দলটিৰ বৃহৎ অংশ এটিয়ে পোহৰ বিচাৰি আগুৱাই যোৱাৰ আৰু পক্ষপাতি নহয়। সিহঁতে সেই ঠাই ডোখৰত বাহৰ পাতি থকাৰ পঞ্চম দিনাখন ৰাতিৰেপৰা সম্পূৰ্ণ এটা দিন ধাৰাষাৰে বৰষুণ দিলে। গতিকে সেইদিনাখন কোনো এজনৰে বাহিৰে ওলোৱাৰ সুবিধা নহ'ল। সিহঁতে ইচ্ছা নকৰিলে। আনকি বৰষুণ এৰাৰ পিছদিনাখনো সিহঁতৰ কোনো এজনেই বাহৰ এৰি যোৱাৰ ইচ্ছা নকৰিলে। মানুহবিলাকৰ মনৰ বজ লবলৈ ইচ্ছা থকা সত্বেও স্বৰূপ কুমাৰেও সেই দিনাখন বাহিৰ নোলাল।

দুপৰীয়াৰ সাজ খাই-বৈ জিৰণি লোৱাৰ পিছত বিয়লি বেলিকা অভিযাত্ৰীসকল নেতিয়া বাহিৰলৈ ওলাই আহিল —সেই সময়তে কথাটো উত্থাপন কৰা হ'ল। ধন বিলাসে উত্থাপন কৰিলে—, আৰু প্ৰায়ভাগ লোকেই তাৰ কথাত হয়ভৰ জনালে।

ধন বিলাসে যদিও এই প্ৰসঙ্গটো লৈ ৰংপুৰৰ আটাইতকৈ বৃদ্ধ, সম্মানিত ব্যক্তি ৰংপুৰ ককাক প্ৰকাশ্যে মেলৰ মাজত অপমান কৰিবলৈ পিছহোহোকা নাছিল, —মানৱ বিকাশৰ লগত কাজিয়া পৰ্যন্ত কৰিছিল ---তথাপিও স্বৰূপ কুমাৰ কিন্তু অলপো আচৰিত নহ'ল ধন বিলাসৰ এই মত পৰিবৰ্ত্তনৰ কথা শুনি। ধন বিলাসক সি সন্ধ্যৰেপৰা বুজি পায়। বয়সত তাতকৈ অলপমানহে সৰু হব ধন বিলাস। কথাৰ ফুলজাৰি মৰাত সি ৰংপুৰ বিখ্যাত। সেইবাবে মানৱ বিকাশৰ হাতত বহুবাৰ লাঞ্ছনাও ভুগিবলগীয়াত পৰিছে সি। কামৰ সময়ত ফাঁকি

দি আজৰি সময়ত সি সদায় ৰংপুৰৰ বৰ মতা। ৰংপুৰৰ সৰু-বৰ সকলো কাৰ্য যেন তাৰ অনুপ্ৰেৰণাতহে সমাধা হয়। ধন বিলাস তথাপি বুদ্ধিমান, চৌতেখৰ মধ্যা ক্ষেত্ৰত তাৰ সমকক্ষ মানুহ ৰংপুৰত নাই।

ধন বিলাসৰ বক্তব্য হ'ল যদিও সিহঁতে অধিক পোহৰৰ আশাত এই যাত্ৰাৰ পাতনি মেলিছিল—অদূৰ ভৱিষ্যতত সিহঁতৰ সেই আশা কাৰ্যত ৰূপায়িত হোৱাৰ কোনো আশা নাই। কাৰণ ইমান দিনে বাটকুৰি বাই আহিও সিহঁতে অলপো বেছি পোহৰৰ সন্ধান নাপালে। এই অভিযানৰ ফলত সিহঁতৰ কৌতূহল এটাৰহে নিবৃত্তি ঘটিল, বহুতো নেদেখা ঠাই দেখা পালে সিহঁতে। গতিকে সিহঁতৰ অভিযান অথলে গ'ল বুলিও ক'ব নোৱাৰি। সেই ক্ষেত্ৰত সিহঁতে পুনৰ অভিযান আৰম্ভ কৰাৰ কোনো যুক্তি-যৌক্তিকতা নাই। সিহঁতে যদি এতিয়াই ৰংপুৰলৈ ঘূৰি নাযায়—তেনেহলে ৰংপুৰত এৰি অহা মানুহবোৰে খেতিৰ বতৰত অশেষ নিকাৰ ভুগিব। পুবফালৰ ওখ পৰ্বতবোৰলৈ চাই সি পুনৰ দোহাৰিলে—'অভিযান পুনৰ আৰম্ভ কৰিলেও সিহঁতে এই ওখ পৰ্বতবোৰ অতিক্ৰম কৰি বেছিদূৰ আগুৱাব নোৱাৰিব। সিহঁতে পুনৰ উলটি আহিব লাগিব।'

মানুহবোৰবোৰে নীৰৱে তাৰ কথা শুনি থকা দেখি উৎসাহেৰে পুনৰ কবলৈ আৰম্ভ কৰিলে ধন বিলাসে, 'এই অভিযানৰ ফলত প্ৰচুৰ লাভ হ'ল। অধিক পোহৰৰ বতৰা নাপালেও আমি এখন নতুন ৰংপুৰ' আৱিষ্কাৰ কৰিলো। আতল-বহল এই নতুন ৰংপুৰখন আমাৰ ৰংপুৰতকৈ বহুগুণে ডাঙৰ, —মাটিবোৰো যথেষ্ট সাৰুৱা। গতিকে মন কৰিলে ইয়াতো আমি নতুন ৰংপুৰ এখনৰ গঢ় দিব পাৰো।'

ধন বিলাসৰ কথা শেষ হোৱাৰ লগে লগে স্বতঃস্ফূৰ্তভাৱে মানুহজাকে স্বৰূপ কুমাৰেনো এই বিষয়ে কি ভাবিছে জানিবলৈ

তাৰপিনে মুখ ঘূৰালে। কিন্তু নীৰৱতা অৱলম্বন কৰি স্বৰূপ কুমাৰে পৰিস্থিতিয়েনো কোনপিনে ঢাল খাই তাকে নিৰীক্ষণ কৰি ৰহি থাকিল। তাৰ অহৈতুক নীৰৱতাৰ সুযোগ গ্ৰহণ কৰিলে বিজয় কৃষ্ণই। বিজয় কৃষ্ণ স্বভাৱতে কম কথা কোৱা লোক। তাৰ মনত কেতিয়ানো কি ভাব বিৰাজ কৰে সতকাই বুজা টান। স্বৰূপ কুমাৰে সপোনতো ভাবিব পৰা নাছিল যে বিজয় কৃষ্ণয়ো এই অভিযানত অংশ গ্ৰহণ কৰিব। এই মানুহজনক স্বৰূপ কুমাৰে একেবাৰে বুজি নাপায় বাবে তাৰ লগত কথা-বতৰা পাতিলে সি সদায় মনত অস্বস্তি অনুভৱ কৰে।

বিজয় কৃষ্ণই ধন বিলাসৰ কথাত মৃদু প্ৰতিবাদ কৰি উঠিল। তাৰ মতে এতিয়াও সিহঁতে বংপুৰ এৰি বেছি দূৰ আগুৱাব পৰা নাই। সেইবাবে ইমানতে ক্ষান্ত নহৈ সমুখৰ পৰ্বতখনৰ আনটো ফালেনো কি আছে সেইটো চাই লোৱাহে উচিত হ'ব। যদিহে সিহঁতৰ ভাগ্য ভাল হয় তেনেহলে ইপ্সিত বস্তুৰ সন্ধান পাই যাবও পাৰে। তদুপৰি আৰু কিছুদিন পলমকৈ গলেও সিহঁতে ঠিক খেতিৰ বতৰতে বংপুৰ পাবগৈ।

কিন্তু বিজয় কৃষ্ণৰ প্ৰতিবাদে পুনৰ বংপুৰলৈ উলটি যাবলৈ ওলোৱা এজনৰো মন টলাব নোৱাৰিলে। সিহঁতে যে ইমান দূৰ পৰ্যন্ত আহিছে—সেয়াই যথেষ্ট। আৰু বেছি আগুৱাব লাগিলে দেৱতাৰ শাওপাত লাগিব। দৰাচলতে বিদ্যুৎ চঞ্চলৰ যি ভোখৰ ঠাইত মৃত্যু ঘটিছিল—তাৰ পৰাই সিহঁতে প্ৰত্যাবৰ্ত্তন কৰা উচিত আছিল। অধিক পোহৰ বিচাৰি যোৱাৰ ছেলু লৈ দেৱতাৰ দেশলৈ যাত্ৰা কৰাৰ হাবিলাস ··নৰ মনুষ্যৰ বাবে মহাপাপ।

দুই এজনে মন্তব্য কৰিলে—আৰগুণিৰ দিনাখনৰে পৰা কেনে ধৰণৰ অমঙ্গলীয়া সপোনবোৰ দেখি আহিছে সিহঁতে। এইবোৰ নিশ্চয় সিহঁতে কৰিব ওলোৱা দুঃসাহসৰে পৰিণাম! সিহঁতৰ আলোচনাত

বিত্যুত চঞ্চলে দেৱবোৰত পৰি মৃত্যুবৰণ কৰিবলগীয়া হোৱা কথাটোৱে প্ৰাধান্য বিস্তাৰ কৰিলে।

তথাপি মনে মনে থাকিল স্বৰূপ কুমাৰ কিছু সময়। এই নতুন ঠাই ডোখৰত বাহৰ পাতি থকাৰ দিনাখনৰে পৰা সি মনে মনে আশা কৰি আছে—এনেধৰণৰ পৰিস্থিতি এটিৰ উদ্ভৱ হ'ব বুলি। কিন্তু পৰিস্থিতি কেনেদৰে চম্ভালি লোৱা উচিত হ'ব সেই বিষয়ে তাৰ নিজৰ মনতে অলপ সংশয় আছিল। আজিৰ আলোচনাই তাৰ মনৰ সংশয় দূৰীভূত কৰিলে। তথাপি কিছুসময় সি মানুহবোৰৰ মনবোৰ অধ্যয়ন কৰি ললে। তাৰ লগৰীয়া অভিযাত্ৰী দলটি সম্পূৰ্ণ দুটা ভাগত বিভক্ত হৈছে। পুনৰ উভতি যাব খোজা দলটো আন-টোতকৈ বহুতো ডাঙৰ। কৰ খোজা কথাবোৰ মনৰ মাজতে এবাৰ জুকিয়াই লৈ তাৰ এই বিষয়ে মতবাদলৈ কি জানিবৰ বাবে উৎকৰ্ণ হৈ থকা মানুহবোৰৰ সংশয় নিৰাময় কৰিবলৈ সাজু হ'ল সি। এই অযাচিতে আহি পৰা সুবিধা তাৰ বাবে হুনাই নাহে।

স্বৰূপ কুমাৰে আলোচনাৰ মাধ্যমেই ব্যৱহাৰ কৰিলে। ধন বিলাস, বিজয় কৃষ্ণ আৰু অন্যান্য সকলৰ কথাৰ খাঁত ধৰিয়ে সি তাৰ আলোচনা মুকলি কৰিলে। তাৰ কথা হ'ল—ৰংপুৰ ককাই সদায় কৈ অহা—কথা বিলাকৰ সত্যতা নিৰূপণ কৰিবলৈকে সিহঁতে এই যাত্ৰাৰ পাতনি মেলিছিল। কিন্তু ককাৰ ধাৰণা মতে—'পুব দিশতে আছে পোহৰৰ দেশ, এই দিশত পোহৰৰ আধিক্য আন তিনিটা দিশতকৈ বেছি'—এই কথাৰ প্ৰমাণ এতিয়ালৈকে সিহঁতে পোৱা নাই। বৰং ইমান দিনে পুব দিশেৰে বাটকুৰি বাই আহিও সমুখৰ এই ওখ পৰ্বতৰ নামনিত উপস্থিত হৈ এইটো ভাব হৈছে যেন—এই ঠাই ডোখৰত বেলি ৰংপুৰতকৈ বেছি পলমকৈহে উদিত হয়।

'আনহাতে', পুনৰ স্বৰূপ কুমাৰে কবলৈ আৰম্ভ কৰিলে, 'ৰংপুৰ ককাই কোৱা আচৰিত দেৱতাজনৰ কাহিনীটো যদি সঁচাকৈয়ে সত্য

হয়—তেনেহলে দেৱতাৰ দেশ কিন্তু পূব দিশতেই অৱস্থিত। গতিকে ইমান দিন পূব দিশেৰে অগ্ৰসৰ হৈ অহাৰ পিছতো আমি যে অধিক পোহৰৰ সন্ধান পোৱা নাই তাৰ হয়তো একমাত্ৰ কাৰণ সামান্য মানৱৰ কাৰণে এনে অদম্য সাহসিক কাৰ্য কৰি পোহৰৰ বাঞ্ছা কৰাটো এটা অযুক্তিকৰ কথা বুলিয়েই দেৱতাসকলে বিশ্বাস কৰে। গতিকে সামান্য মানৱ হৈ দেৱতাৰ দেশলৈ পোহৰ বিচাৰি যোৱাটো কিমান অযুক্তিকৰ কথা হৈছে, কিমান ডাঙৰ অপৰাধ হৈছে সেইটো এতিয়া আমি হাড়ে-হিমজুৰে উপলব্ধি কৰিছো। তাৰ উৎকৃষ্ট উদাহৰণ বিদ্যুৎ চঞ্চলৰ অকাল মৃত্যু আৰু আমাৰ লগৰীয়া কিছুমানৰ অমঙ্গলীয়া সপোনবোৰ। গতিকে অপৰাধৰ মাত্ৰা আৰু নবঢ়াই পুনৰ ৰংপুৰলৈ উভতি যোৱাটোৱে আমাৰ বাবে সমীচীন।

ক্ষন্তেক সময় অপেক্ষা কৰিলে স্বৰূপ কুমাৰে। মানুহ বিলাকৰ অন্তৰৰ প্ৰতিক্ৰিয়া মুখ মণ্ডলত কেনেদৰে প্ৰতিভাত হৈছে লক্ষ্য কৰি পুনৰ আৰম্ভ কৰিলে সি 'ৰংপুৰ ককাই কোৱা আচৰিত দেৱতাজনৰ কাহিনীটো যদি সঁচা হয়, যদিহে ৰংপুৰৰ দেৱ মন্দিৰটো আচৰিত দেৱতা জনাৰে বাস গৃহআছিল,—আৰু যদি সেই দেৱতাজনেই ৰংপুৰবাসীৰ আৰাধ্য দেৱতা হয়, ৰংপুৰৰ সৰ্বমঙ্গলাৰ্থে যি জনাৰ ওচৰত প্ৰতিজন ৰংপুৰৰ মানুহে মুৰ দোৱায়—,তেনেহলে সেই মহান দেৱতাজনৰ ঔৰসজাত সন্তানটিৰ নাতি পৰিনাতি সকল জানো ৰংপুৰ সমাজতে মিলিমিছি একাকাৰ হৈ থকা নাই--যিবিলাকৰ দেহতো সেই একেই দেৱৰক্ত প্ৰৱাহিত হৈ আছে। কথাটো দকৈ চিন্তা কৰিলে সঁচাকৈয়ে আচৰিত হবলগীয়া কথা। যদি ৰংপুৰ ককাৰ কথাবোৰ আচৰিত দেৱতাজনৰ ৰংপুৰলৈ আগমন নিৰ্গমনৰ কাহিনী, দেৱ মন্দিৰ—, এই আটাইবোৰ কথাই সত্য হয়— তেনেহলে আচৰিত দেৱতাজনৰ ঔৰসজাত সন্তান 'দেৱপুত্ৰ'টিৰ কথাও আমি উলাই কৰা মাৰাত্মক ভুল হ'ব। কিন্তু সেই দেৱপুত্ৰ জননো কলৈ গ'ল - যদিহে তেওঁ ৰংপুৰতে বাস কৰিছিল ?'

স্বৰূপ কুমাৰে পুনৰ সোধাৰিলে, 'ৰংপুৰৰ আটাইতকৈ বৃদ্ধ, জ্ঞানী লোক ৰংপুৰ ককাৰ কথা যদি আমি বিশ্বাস কৰো—তেনেহলে আমাৰ আৰাধ্য দেৱতাজনৰ বীৰ্য্যোদ্ভূত দেৱপুত্ৰজনৰ নাতি-পৰিনাতিসকল জানো আমাৰ মাজতে নাই। ৰংপুৰীয়া ৰাইজৰ মাজৰ পৰা সেই সকলক বিচাৰি উলিওৱাৰ এতিয়া আৰু কোনো পথ নাই। কিন্তু আমি—ৰংপুৰৰ প্ৰত্যেকজন মানুহেই জানো সেই মহান দেৱপুত্ৰজনৰ বংশধৰ বুলি দাবি কৰিব নোৱাৰো।'

কিছু সময়ৰ বাবে মনে মনে থাকিল স্বৰূপ কুমাৰ। লগৰীয়া চাকৰ কোনোৱা জনে কিবা প্ৰশ্ন কৰে বুলি সি অপেক্ষা কৰিলে। এটা কথাত স্বৰূপ কুমাৰ নিশ্চিত হ'ল যে তাৰ কথাবোৰে অভিযানকাৰী দলটিৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কিন্তু এই কথাও তাৰ আৰু বুজিবলৈ বাকী নাথাকিল যে—'দলটোৰ মাজত এই বিষয়ে চিন্তা কৰা সিয়েই একমাত্ৰ ব্যক্তি নহয়।' গভীৰ হতাশাই আৱৰি ধৰিলেও চতুৰ স্বৰূপ কুমাৰে অলপো নিৰুৎসাহ হোৱা যেন নেদেখুৱাই কৰলগীয়া কথাখিনি কৈ দিয়াই উচিত বিবেচনা কৰিলে।

'যিসকলে আমাৰ এই অভিযানত অংশ গ্ৰহণ নকৰিলে—ৰংপুৰতে থাকি গ'ল সিহঁতৰ দেহত যে দেৱৰক্ত প্ৰৱাহিত হোৱা নাই সেইটো ধুৰূপ. নহলে নিশ্চয়কৈ সিহঁতো এই অভিযানত অংশ গ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত হ'লহেঁতেন। আৰু এই কথাটো যদি সত্য—তেনেহলে পবিত্ৰ দেৱ শোণিতেৰে পুষ্টসকল আমাৰ এই অভিযাত্ৰী দলটিৰ মাজতহে আছে। নিচেই কম পৰিমাণৰ দেৱশোণিত দেহত থকা হলেও অভিযানৰ পৰা বিৰত থকা সকলে ৰংপুৰতে হাত সাৱটি বহি থাকিব নোৱাৰিলেহেঁতেন। এই ধাৰণাটো যে সম্পূৰ্ণ সত্য—এই বিষয়ে মই খুব নিশ্চিত। অভিযাত্ৰী দলটিৰ আমি প্ৰত্যেকজনেই দেৱশোণিত বহনকাৰী। তেনে ক্ষেত্ৰত আমি আমাৰ উপৰি পুৰুষ সকলৰ বিষয়ে জানিবলৈ ইচ্ছা কৰা, তেওঁৰ প্ৰকৃত বাসস্থানলৈ যাবৰ কাৰণে হাবিলাস

কৰা কেতিয়াও মহাপাপৰ কথা হ'ব নোৱাৰে। বৰং এইটো আমি আমাৰ পবিত্ৰ কৰ্ত্তব্য বুলিহে জ্ঞান কৰা উচিত।'

ধন বিলাস সমন্বিতে যিসকল লোকে বংপুৰলৈ পুনৰ উভতি যাবলৈ হাবিলাস কৰিছে সেই সকলৰ আগত ইমান দিনে সাঁচি ৰখা গোপন কথাটি ব্যক্ত কৰি থাকোঁতে স্বৰূপ কুমাৰ হঠাতে এনে-দৰে উত্তেজিত হৈ পৰিল যে—নিজৰ মনৰ ভাব তাৰ মুখৰ অভি-ব্যক্তিত ফুটি উঠাৰ উপক্ৰম হ'ল। 'বংপুৰীয়া ৰাইজৰ জনমানসত সি যেন দেৱতাৰ শাৰীলৈ উন্নীত হৈছে।' কিন্তু আপ্ৰাণ চেষ্টা কৰি সি নিৰ্বিকাৰ হোৱাৰ চেষ্টা কৰিলে; —সগৰীয়াকৈ প্ৰকাশ্যভাৱে এই কথাৰ উমান দিলে এতিয়াও হিতে বিপৰীত হোৱাৰ সম্ভাৱনাই অধিক। সাফল্যৰ অনিশ্চয়তাই দুই এক বিশেষ মুহূৰ্ত্তত মনটো দুৰ্বল কৰা সত্ত্বেও—স্বৰূপ কুমাৰে নিজকে প্ৰস্তুত কৰিলে, —বংপুৰৰ জন-মানসত দেৱতা ৰূপেৰে প্ৰতিষ্ঠিত হ'বলৈ হ'লে সি পোহৰৰ দেশৰ ফালে যাবই লাগিব। তাৰ চিন্তাধাৰা পুৰাপুৰি ভাৱে আত্মকেন্দ্ৰিক হৈ পৰিল।

অতিশয় সাৱধানতা অৱলম্বন কৰি আত্ম সচেতন স্বৰূপ কুমাৰে পুনৰ কবলৈ আৰম্ভ কৰিলে—'যাত্ৰা পথত বিদ্যুৎ চঞ্চলৰ মৃত্যু, আমাৰ অভিযাত্ৰী দলটিৰ কিছুসংখ্যক লোকে বিপদৰ আগলি বতৰা পোৱা অমঙ্গলীয়া সপোন আদি দেখা বিষয়েও আমি গুৰুত্ব সহকাৰে বিবেচনা কৰা উচিত। এই সম্বন্ধে সকলো কথা চালিজাৰি চাই আমি বোধহয় এই সিদ্ধান্তত উপনীত হোৱাটোৱে উচিত হ'ব—আমাৰ পৰম আৰাধ্য উপৰি পুৰুষ—সেই আচৰিত দেৱতাজনে বংপুৰবাসীৰ মনৰ অন্ধকাৰ গুচাবৰ বাবে আৰু পোহৰৰ দেশৰ মহান দেৱতাসকলৰ অপাৰ মহিমা প্ৰচাৰ কৰিবলৈ যিজন দেৱপুত্ৰক বংপুৰ সমাজত এৰি থৈ গৈছিল তেওঁৰ ঔৰসত নিশ্চয় দেৱপুত্ৰ জন্ম পোৱাৰ উপৰিও দেৱকন্যাৰো জন্ম হৈছিল। গতিকে মোৰ বোধেৰে বংপুৰ সমাজত

এতিয়া তিনিটা ফৈদৰ মানুহ বৰ্ত্তমান। যিবোৰ মানুহে এই অভিযানত অংশ গ্ৰহণ নকৰি ৰংপুৰতেই থাকি গ'ল—সিহঁতৰ শৰীৰত যে দেৱৰক্ত প্ৰৱাহিত হোৱা নাই তাৰ প্ৰমাণ হ'ল—এই অভিযানৰ পৰা সিহঁত বিৰত থকাটোৱে। বিদ্যুৎ চঞ্চলৰ শৰীৰতো দবাচলতে দেৱৰক্ত প্ৰৱাহিত হোৱা নাছিল। ফলত তাৰ গাত দেৱতাৰ শাওপাত লাগিল। দেৱ-ৰক্ত বিহীন কোনো লোকে এই অভিযানত অংশ গ্ৰহণ কৰা দেৱতাৰ কাম্য নহয়।'

মানুহবিলাকৰ অন্তৰবোৰ পুনৰ পাঠ কৰি ললে স্বৰূপ কুমাৰে। পুনৰ আৰম্ভ কৰিলে -'গতিকে ৰংপুৰীয়া ৰাইজৰ মাজৰ দেৱপুত্ৰৰ ফৈদৰ আৰু দেৱকন্যাৰ ফৈদৰ প্ৰত্যেকজন মানুহ—আমাৰ এই অভি-যাত্ৰী দলটিৰ মাজত বিদ্যমান। সেইবাবে এতিয়া আমি নিজকে নিজে বিচাৰ বিশ্লেষণ কৰি চোৱা কৰ্ত্তব্য। প্ৰকৃত সত্য নিশ্চয় এইটোৱে যে—আমাৰ ভিতৰত যিবিলাক দেৱকন্যাৰ ফৈদৰ লোক তেওঁলোকে ইয়াতে অভিযানৰ পৰিসমাপ্তি ঘটাই পুনৰ উলটি যাব খুজিছে, —যাত্ৰাপথত অমঙ্গলৰ সূচনা দেখা পাইছে, অথবা অভি-যানৰ অনিশ্চয়তাই সিহঁতক উৎকণ্ঠিত কৰি তুলিছে। এই ঘটনাবোৰে ইয়াকে প্ৰতিপন্ন কৰিছে যে তেওঁলোক দেৱতাৰ ওচৰ সম্বন্ধীয় হলেও - ৰংপুৰৰ এৰি থৈ অহা মানুহজাকতকৈ উচ্চ স্তৰৰ হলেও দেৱতাৰ দেশত উপনীত হ'ব পৰাকৈ—দেৱপুত্ৰৰ ফৈদৰ সকলৰ দৰে তেওঁলোকৰ দেহত দেৱৰক্তৰ প্ৰাচুৰ্য নাই। গতিকে পোহৰৰ দেশলৈ যাত্ৰা কৰাটো সিহঁতৰ বাবে কিমান দূৰ যুক্তিযুক্ত হ'ব এই কথা গভীৰভাৱে বিশ্লেষণ কৰাৰ সময় সমুপস্থিত। কাৰণ নাভাবি নিচিন্তি পুনৰ পোহৰৰ দেশলৈ যাত্ৰা কৰাৰ ফল বিদ্যুৎ চঞ্চলৰ লেখীয়া নহ'ব বুলি কোনেও কব নোৱাৰে। সেইবাবে আজি ৰাতি মানুহবোৰে একান্তভাৱে নিজকে নিজে ভালদৰে চিনি লওক—কোন দেৱপুত্ৰৰ, আৰু কোনজন দেৱ-কন্যাৰ ফৈদৰ, কাৰণ এইবিলাক আত্মচিন্তা খাজহৰাভাৱে কেতিয়াও

নহয়। কাইলৈ আবেলি পৰত আমি পুনৰ মিলিত হৈ আমাৰ ভৱিষ্যত কৰ্মপন্থা নিৰূপণ কৰিম।'

এইবাৰ স্বৰূপ কুমাৰে তাৰ কথাৰ মোখনি মাৰিলে, 'কিন্তু এইটো পৰম সত্য কথা যে—দেৱকন্যাৰ ফৈদৰ লোকসকল বংপুৰত এৰি থৈ অহা বংপুৰ কৰা সমন্বিতে আন মানুহবোৰতকৈ উচ্চ স্তৰৰ, যিহেতু সিহঁতৰ দেহতো দেৱৰক্ত বিৰাজমান। বংপুৰ সমাজত সিহঁতে এখন বিশিষ্ট স্থান অধিকাৰ কৰি ল'ব পাৰিব। দেৱতাৰ ইঙ্গিত মতেই যিহেতু মানুহৰ কৰ্মপন্থা যুগুত হয়—সেই হেতুকে আজি ৰাতিৰ ভিতৰতে নিশ্চয় মহান দেৱতা সকলে—আমাৰ অন্তৰত উদিত হোৱা কোনজন দেৱপুত্ৰৰ আৰু কোনজন দেৱকন্যাৰ ফৈদৰ লোক—এই প্ৰশ্নৰ উচিত সমাধান কৰি দিব।'

মানুহ বিলাকৰ মানসিক প্ৰতিক্ৰিয়ালৈ লক্ষ্য নকৰি, —এই আলোচনা আৰু কোনোপধ্যে আগুৱাবলৈ নিদিয়াৰ পৰিকল্পনাৰে স্বৰূপ কুমাৰ সেই ঠাইৰ পৰা আঁতৰি গ'ল। লগে লগে চিন্তাক্লিষ্ট অভি-যাত্ৰী দলটিৰো মেল ভাগিল।

সেইদিনাখন ৰাতি ভালেখিনি পৰলৈকে টোপনি নাহিল স্বৰূপ কুমাৰৰ। মানুহ বিলাকৰ কোনজনে কি ভাৱে লৈছে কথাটো—সি ভালদৰে অনুমান কৰিব নোৱাৰিলে। অভিযানৰ সামৰণি মাৰিব নোখোজা মানুহখিনিকো চিনি উলিয়াবলৈ অসুবিধা হ'ল তাৰ। একাংশ মানুহ যদি অভিযানৰ পৰা আঁতৰি নাযায়—তেনেহলে তাৰ পৰিকল্পনাটো পুনৰ নতুনকৈ গঢ় দিব লাগিব। বিজয় কৃষ্ণ সম্পৰ্কে—স্বৰূপ কুমাৰ কিন্তু নিশ্চিন্ত হ'ল। 'এইবাৰ সি নিশ্চয় তাৰ অভিযানৰ সামৰণি পেলাব। কিয়নো ধন বিলাসৰ কথাৰ উত্তৰ স্বৰূপে সি এখন মাথোন পৰ্বত বগোৱাৰ কথাহে উল্লেখ কৰিছিল।' বিজয় কৃষ্ণই পিছদিনাখন ৰাতিপুৱা কি সিদ্ধান্ত ল'ব—সেইটো ভালদৰে চালিজাৰি চোৱাৰ পিছত স্বৰূপ কুমাৰৰ গোমা মনটো ভালেখিনি

ফৰকাল লাগিল। মানৱ বিকাশৰ দৰে সি মনৰ ভাব লগে লগে প্ৰকাশ কৰা খোলা অন্তৰৰ মানুহ নহয়, নিবোকা চামোন।

আৰু এটা কথাত স্বৰূপ কুমাৰ পতিয়ন গ'ল যে অভিযাত্ৰী দলটিৰ ভিতৰত সি আটাইতকৈ ওখ স্থানখন লাভ কৰিছে। আগবে পৰাই সেই আসনখন তাৰ দখলত আছিল যদিও উভতিব খোজা দলটিৰ আগত দিয়া তাৰ বাক শক্তিৰ পৰিচয়ে সেই আসনখন নিষ্কণ্টক কৰি তুলিছে।

এইবাৰ আন চিন্তা এটিয়ে স্বৰূপ কুমাৰৰ অন্তৰত হেন্দোলনি তুলিলে। ৰংপুৰলৈ পুনৰ উভতি যাব খোজা দলটিত দায়িত্ব সম্পন্ন এনে এজন মানুহো নাই যে যি জনে সিহঁতৰ অভিযানৰ ইতিবৃত্তান্ত খৰচি মাৰি ৰংপুৰীয়া ৰাইজৰ আগত বৰ্ণনা কৰিব পাৰিব। ৰংপুৰ ককা নাইসা মানৱ বিকাশৰ জেৰাৰ ফলত কোনে কি কয় ঠিক নোহোৱা হ'লে-- স্বৰূপ কুমাৰে কেতিয়াও ৰংপুৰীয়া ৰাইজৰ ওচৰত দেৱতা ৰূপে পূজিত হ'ব নোৱাৰে। তদুপৰি এইটোও ধ্ৰুৱনিশ্চিত যে ৰংপুৰীয়া ৰাইজৰ লগত সম্পূৰ্ণ সংযোগ বিচ্ছিন্ন কৰিও সিহঁত বাচি থাকিব নোৱাৰে। অভিযানৰ আৰম্ভণিৰ দিনাখন মানৱ বিকাশৰ লগত হোৱা কথা-বতৰাখিনি মনলৈ আহিল স্বৰূপ কুমাৰৰ। 'মানৱ বিকাশহঁতে আশা-পালি ৰৈ আছে অভিযাত্ৰী দলটিয়ে অধিক পোহৰৰ সন্ধান পালে ভৱিষ্যতে সিহঁত সকলোৱে একেলগে যাত্ৰা আৰম্ভ কৰিব। ঘটনা চক্ৰই সেইবাবে কোনপিনে ঢাল খাই কোনেও ক'ব নোৱাৰে।'

তাৰ বাপেকৰ মৃত্যুৰ সময়ৰ কথাখিনিও মনলৈ আহিল স্বৰূপ কুমাৰৰ। সেই কথাখিনিকে সাৰোগত কৰি, পূৰ্ণ বিশ্বাস কৰি চলি আহিছে সি। 'সিহঁতৰ পৰিয়ালটি দেৱপুত্ৰৰ বংশধৰ, এদিন নহয় এদিন এই কথাটো ৰংপুৰ সমাজত প্ৰতিপন্ন কৰিবই লাগিব।' দেৱ বক্তৰ অলৌকিক শক্তিয়ে কন্তেকৰ ভিতৰতে মানসিক অন্তৰ্দ্বন্দ্বত ভুগি থকা স্বৰূপ কুমাৰক নতুন সাহসৰ যোগান ধৰিলে।

বহু ভাবি-চিন্তি স্বৰূপ কুমাৰে ধন-বিলাসকে এই বিষয়ত আন বিলাকতকৈ উপযুক্ত বুলি বিবেচনা কৰিলে। সি ভাবি-চিন্তি দেখিলে— আবেলি সময়ত ৰংপুৰলৈ ঘূৰি যোৱা সম্পৰ্কে ধন বিলাসে তাৰ বক্তব্য নিখুঁত ভাবেই উপস্থাপন কৰিব পাৰিছিল। গতিকে ধন বিলাসকে যদি শিকাই বুজাই দেৱকন্যাৰ ফৈদৰ মুখপাত্ৰ হিচাপে কাম কৰিব দিয়া হয়—তেনেহলে সি কিজানি আনন্দমনে সম্মতি প্ৰদান কৰিব। কিন্তু অতিশয় সাৱধানতা অৱলম্বন কৰি তাক শিকনি দিয়াৰ প্ৰয়োজন হ'ব যাতে সি ৰংপুৰীয়া ৰাইজৰ আগত স্বৰূপ কুমাৰৰ শ্ৰেষ্ঠত্ব যথাযথভাৱে প্ৰতিপন্ন কৰিব পাৰে। দেৱকন্যাৰ ফৈদৰ সৰ্বশ্ৰেষ্ঠ আসনখন সি ধন বিলাসকে অৰ্পণ কৰাটো স্থিৰ কৰিলে।

গভীৰ ৰাতিলৈকে উজাগৰে থাকি—দেৱকন্যাৰ লোকসকলক কেনেদৰে বুজাব, ধন বিলাসক কেনেদৰে গঢ় দিব তাকেই ভাবিলে, চিন্তিলে স্বৰূপ কুমাৰে। সম্পূৰ্ণ নতুন ধৰণৰ যুক্তি কিছুমান মনতে আওৰাই অৱশেষত সি সন্তোষ লভিলে। 'ঠিক পথেৰেই বাট বুলিছে সি।' আনন্দতে আত্মহাৰা হৈ ওচৰতে নিঃপাল্লি দি শুই থকা ঘৈণীয়েকক কাষ চপাই ল'লে সি। অলপ সময়ৰ পিছতে গভীৰ টোপনিত লালকাল দি পৰিল স্বৰূপ কুমাৰ।

পিছদিনাখন ৰাতিপুৱাতে স্বৰূপ কুমাৰে আচৰিত কাম এটা কৰি পেলালে। যেতিয়াই ঠিক হৈছিল যে এই তৃণভূমিখনতে সিহঁতে কিছুদিনৰ বাবে থাকি পথক্লান্তি নিৰাময় কৰা উচিত হ'ব - তেতিয়াই স্বৰূপ কুমাৰে ঠাইখনৰ পুব দাঁতিত—ৰংপুৰ নদীৰ পাৰৰ ওখ-পাখ আঁহত গছ এজোপাৰ তলিখন চাফ-চিকুণ কৰি নিজৰ পৰিয়ালটোৰ বাবে বাছি লৈছিল। দোকমোকালিতে উঠি সি সেই ঠাই ডোখৰত ৰংপুৰৰ দেৱ মন্দিৰটোৰ আৰ্হিত পৰিয়ালৰ লোক কেইজন আৰু ডুজন মানক লগত লৈ ঘৰ এটা সাজিবলৈ লাগি গ'ল। তেনে অৱস্থাতে আন মানুহবোৰৰ প্ৰতি গতি লক্ষ্যও কৰি থাকিল সি।

ৰংপুৰলৈ ঘূৰি যাব খোজা দেৱ কন্যাৰ কৈদৰ জনসংখ্যা সি আশা কৰাতকৈ বহু বেছি। কৰিবলৈ হাতত একো কাম নাই বাবে সিহঁতে আচৰিত ভাৱেৰে স্বৰূপ কুমাৰকেই লক্ষ্য কৰি থাকিল। আন যি তাকৰীয়া সংখ্যক লোক বাহৰত অনুপস্থিত, স্বৰূপ কুমাৰে চিন্তা কৰিলে, 'সিহঁতৰো বেছি ভাগে সময়ৰ মূৰত নিশ্চয় মত পৰিবৰ্তন কৰি ৰংপুৰলৈ ঘূৰি যোৱাকেই বাঞ্ছা কৰিব।' গোপনে খবৰ লৈ স্বৰূপ কুমাৰে গম পালে বিজয় কুমাৰেও বাহৰ এৰি যোৱা নাই।

কিছু বেলিৰ মূৰত দুই এজনকৈ বাহৰত থকা মানুহবোৰ স্বৰূপ কুমাৰে নিৰ্মাণ কৰি থকা ঘৰটোৰ দাঁতিত সমৱেত হ'ল। দুই এজনে গৃহ নিৰ্মাণ কাৰ্যত তাক অলপ অচৰপ সহায়ো কৰি দিলে। কিন্তু এই কাৰ্যৰ অন্তৰালত কি উদ্দেশ্য নিহিত হৈ আছে সেই বিষয়ে কোনেও কৌতূহল প্ৰকাশ নকৰিলে। আত্মসন্তুষ্টি লাভ কৰিলে স্বৰূপ কুমাৰে। 'মানুহজাকে, আনকি ধন বিলাসেও যেন তাক দেৱতা হিচাপে স্বীকৃতি প্ৰদান কৰিবলৈ অকণো ইতস্ততঃ কৰা নাই।' বিজয় কৃষ্ণৰ অনুপস্থিতিয়ে এইবাৰ তাক টলাব নোৱাৰিলে। 'পূৰ্ব পুৰুষ দেৱতাসকলে তাৰ পৰিকল্পনা সিদ্ধিৰ বাবে অযাচিত ভাৱে সুযোগৰ অৱতাৰণা কৰিছে।' ধন বিলাসক কিবা এটা চেলু লগাই বাহৰৰ ভিতৰলৈকে মাতি লৈ গ'ল সি। দুয়োৰে মাজত প্ৰায় এক ঘণ্টামান ধৰি কথা-বতৰা চলিল।

স্বৰূপ কুমাৰে আৰু অবাবতে সময় খৰচ কৰিবলৈ ইচ্ছা নকৰিলে। নিশা মনতে আওৰাই থোৱা কথাবোৰ সি তাৰ অপেক্ষা কৰি নিৰ্মাণ কাৰ্যত ব্যস্ত থকা মানুহবোৰৰ আগত ব্যক্ত কৰিলে। মানুহ বিলাক পতিয়ন গ'ল। স্বৰূপ কুমাৰো পতিয়ন গ'ল। 'ধন বিলাসে তাৰ কাৰ্য উদ্ধাৰ কৰিব পাৰিব।'

সকলোৱে লাগি-ভাগি স্বৰূপ কুমাৰৰ নতুনকৈ সাজিবলৈ ধৰা

ঘৰটিৰ কাম প্ৰায় শেষ কৰিয়েই পেলালে। কামৰ মাজতে চেঙেলীয়া ল'ৰা এজনে মাথোন সুধিছিল—স্বৰূপ কুমাৰ যিহেতু সেই ঠাইখনত নাথাকিবই তেনেস্থলত এই ঘৰটিৰ বাৰু কি প্ৰয়োজন আছে? ধন বিলাসৰ পিনে অৰ্থপূৰ্ণ দৃষ্টিৰে চাই—মিঠা হাঁহি এটি মাৰি স্বৰূপ কুমাৰে মাথোন কৈ থলে, 'ইয়াৰ উত্তৰ দেৱকন্যাৰ ফৈদৰ লোক সকলে সময়ত নিজেই বিচাৰি পাব।' ল'ৰাজন আছিল মৃত বিদ্যুৎ চঞ্চলৰ একমাত্ৰ পুতেক ধ্যান ৰাজ।

সেইদিনাখন আবেলি সময়ত সিহঁতৰ হ'বলগীয়া মেলখন অনুষ্ঠিত নহ'ল। দুই এজন মানুহ আহি মেল হোৱাৰ কোনো লক্ষণ দেখা নাপাই পুনৰ নিজৰ কামলৈ গুচি গ'ল।

বংপুৰলৈ উভতিব খোজা দেৱকন্যাৰ ফৈদৰ মানুহসকল পিছ-দিনাখন ৰাতি পুৱাতেই যাবৰ কাৰণে সাজু হ'ল। এই এটা দিনৰ ভিতৰতে সিহঁতৰ যেন ভালেখিনি পৰিবৰ্ত্তন হৈছে! মুখেৰে মনৰ ভাৱ ব্যক্ত নকৰিলেও স্বৰূপ কুমাৰকে ধৰি দেৱপুত্ৰৰ সৰু দলটিয়ে নিশ্চয়কৈ বুজিলে যে আন মানুহবোৰে সিহঁতক বহুত ওখত স্থান দিছে,—দেৱতা বুলিয়েই ভাবিবলৈ আৰম্ভ কৰিছে। ধন বিলাসহঁতে নিজৰ বাবে মাথোন বংপুৰত উপস্থিত হ'ব পৰাকৈ প্ৰয়োজনীয় খাদ্য বস্তুখিনি লগত লৈ বাকীখিনি স্বৰূপ কুমাৰহঁতৰ বাবে এৰি থৈ গ'ল।

যাবৰ সময়ত দেৱপুত্ৰৰ ফৈদৰ লোকসকলে ধন বিলাসহঁতক কোনো কথাই নকলে, স্বৰূপ কুমাৰেও মাথোন এই বুলিয়ে কৈ থলে যে সিহঁতে যেন সিহঁতৰ অন্তৰৰ গভীৰ উপলব্ধিৰ কথা বংপুৰবাসীক অৱগত কৰে।

বিজয় কৃষ্ণই পুনৰ অভিযান কৰিবলৈয়ে সাজু হৈছে। সি বংপুৰলৈ স্বৰূপ কুমাৰে আশা কৰা মতে উলটি নগল। সামান্য হতাশ হ'ল স্বৰূপ কুমাৰ।

স্বৰূপ কুমাৰহঁতে আশা কৰাতকৈয়ো অধিক সন্মান প্ৰদাৰ্শন কৰি

দেৱকন্যাৰ ফৈদৰ লোকসকলে ৰংপুৰলৈ বুলি যাত্ৰা কৰিলে।

ধন বিলাসহঁত উভতি যোৱাৰ পিছৰেপৰা দেৱপুত্ৰৰ ফৈদৰ যিকেইজন মানুহ সমতল ভূমিখনতেই ৰৈ গ'ল, সিহঁতৰ মাজত ভাঙোন ধৰিলে। সিহঁতৰ ভাৱ-ভঙ্গী, ধৰণ-কৰণৰ পৰা এইটো প্ৰস্ফুটিত হৈ পৰিল যে এতিয়া আৰু সিহঁতৰ কোনোৱে কাৰো নেতৃত্ব মানি চলাৰ পক্ষপাতী নহয়। খাদ্য সম্ভাৰৰ উমৈহতীয়া ভাণ্ডাৰটি বহু ভাগত বিভক্ত হ'ল।

কিছুদিনৰ বাবে সিহঁতে সেই ঠাই ডোখৰতে থাকিল। সেই কেইদিনৰ ভিতৰত সিহঁতৰ মাজত যে একেবাৰে কথা-বতৰা নহ'ল সেইটোও নহয়। কিন্তু ৰাতিপুৱাৰে পৰা মানুহ বিলাকে নিজৰ ভিতৰতে ব্যস্ত থাকি—সন্ধিয়া সময়ত কিছুবেলিৰ বাবে মিলিত হয়। সেই সময়খিনিৰ বাবে যি দুই চাৰিটা কথাৰ আদান-প্ৰদান হয় সেইখিনিয়েই। আনকি দুদিন কোনো এজনেও অভিযানৰ বিষয়ে কোনো কথা-বতৰা পতাৰ প্ৰয়োজনবোধ নকৰিলে। দেৱপুত্ৰৰ ফৈদৰ সৰু দলটিত ভাঙোন ধৰি দুকেইটা সৰু সৰু গোটলৈ পৰিবৰ্তিত হ'ল।

আনহাতে এজনৰ মনৰ ভাৱ আনজনৰ পৰা গোপন কৰিলেও সুস্পষ্টভাৱে সিহঁতৰ পোহৰ বিচাৰি কৰা অভিযান—পোহৰৰ দেশলৈ, দেৱতাৰ দেশলৈ কৰা অভিযানলৈ পৰিবৰ্তিত হ'ল।

স্বৰূপ কুমাৰে সেই কেইদিন তাৰ নতুনকৈ নিৰ্মিত বাসগৃহটি সজোৱা-পৰাৰা কামতেই আত্মনিয়োগ কৰি থাকিল। দুদিন মানৰ ভিতৰতে তাৰ কাৰ্য সমাধা হ'ল।

দলৰ আন মানুহবোৰে স্বৰূপ কুমাৰৰ এই গৃহ নিৰ্মাণ সম্পৰ্কীয় কাৰ্য-কলাপবোৰত প্ৰথমতে কোনো গুৰুত্ব আৰোপ কৰা নাছিল। সিহঁতৰ ভাৱ আছিল, 'হয়তো স্বৰূপ কুমাৰৰ এই ঠাই ডোখৰতে আৰু কিছুদিন থাকি যোৱাৰ ইচ্ছা, নতুবা এইটো তাৰ হয়তো আজৰি পৰৰ খেয়াল। সি কিজানি এই ঠাই ডোখৰৰ পৰা পুনৰ ৰংপুৰলৈ উলটি যোৱা বিষয়ত নানান যুক্তি তৰ্কৰ অৱতাৰণা কৰি

এতিয়া নিজেই সন্দিহান হৈছে তাৰ নিজৰ শৰীৰত প্ৰৱাহিত দেৱ-ৰক্তৰ অধিক্য সম্পৰ্কে। সেইবাবে হয়তোবা সি এই ঠাই ডোখৰতে বসবাস কৰাৰ সিদ্ধান্ত লৈছে, নাইবা কিছুদিন ইয়াতেই বাস কৰি পুনৰ ৰংপুৰলৈ উলটি যোৱাৰ বাসনা মনত পোষণ কৰিছে।'

স্বৰূপ কুমাৰৰ লগত এই বিষয়ে আলোচনা কৰাৰ কোনো প্ৰয়োজনবোধ নকৰিলে আন মানুহ বিলাকে। দুই তিনি বছৰ ধৰি দোমোজাত পেলাই থোৱা প্ৰশ্নটিৰ উত্তৰ যি মুহূৰ্তত সিহঁতে স্বৰূপ কুমাৰৰ বক্তব্যৰ মাজত বিচাৰি পালে, আৰু সেই উত্তৰ যিহেতু সিহঁতে মনে মনে আশা কৰা উত্তৰৰ লগত মিলি গ'ল—সেই মুহূৰ্ততে সিহঁতে বুজি পাইছিল যে 'এই ঠাইতেই অভিযানৰ সামৰণি মাৰা, ৰংপুৰলৈ পুনৰ উলটি যোৱা বিষয়টো এতিয়া সিহঁতৰ বাবে অবাস্তৱ। সেই একে কাৰণতেই সিহঁতে স্বৰূপ কুমাৰক পুনৰ নেতৃত্ব প্ৰদান কৰাৰ পৰা বিৰত থাকিল।' সকলো বিলাকেই দেৱৰক্ত বহনকাৰী দেৱতা সকলোৰে মৰ্যাদা সমান। স্বৰূপ কুমাৰৰ এই গৃহ নিৰ্মাণ কাৰ্যক প্ৰকাৰান্তৰে সিহঁতে পুতৌৰ চকুৰেহে চালে।

কিন্তু সিহঁতৰ ভুল ভাঙিবলৈও বেছি পলম নালাগিল। এদিনাখন সিহঁতে স্বৰূপ কুমাৰৰ পৰিয়ালৰ আৰু গোটটিৰ কোনো এজন মানুহকে বাহৰত দেখা নাপালে। সেই দিনাখন সিহঁতে কোনো সন্দেহো নকৰিলে। কিন্তু দ্বিতীয় দিনাও যেতিয়া একে ঘটনাৰে পুনৰাবৃত্তি ঘটিল, সিহঁত চিন্তাত পৰিল। তথাপি সেই সন্ধিয়াখন সিহঁতে স্বৰূপ কুমাৰৰ কোনো বিচাৰ খোচাৰ নকৰিলে।

পিছদিনাখন দোকমোকালিতে উঠি গৈ স্বৰূপ কুমাৰৰ শূন্য বাস গৃহ দেখি, আৰু লগৰীয়া কেইজনকো বাহৰত দেখা নাপাই সিহঁত দোমোজাত পৰিল। কিন্তু বুজিবলৈ কোনো এজনৰে বাকী নাথাকিল যে 'স্বৰূপ কুমাৰে ৰংপুৰলৈ পুনৰ উলটি যোৱা নাই, তাৰ দলটিয়ে পোহৰৰ দেশ, দেৱতাৰ দেশলৈ সিহঁতক দুদিন আগতে যাত্ৰা কৰিছে।'

পোনপ্ৰথমবাৰৰ বাবে ৰংপুৰীয়া ৰাইজৰ মানুহৰ 'প্ৰতাৰণাৰ' লগত প্ৰত্যক্ষভাবে চিনাকি হ'ল।

কিন্তু আন দল কেইটিৰ ক্ষেত্ৰতো একে ঘটনাৰেই পুনৰাবৃত্তি ঘটিল। তিনিদিনৰ ভিতৰতে পৰিত্যক্ত হোৱা ঠাইখনত স্বৰূপ কুমাৰে সাজি থৈ যোৱা ঘৰটি আৰু অস্থায়ী ঘৰবোৰৰ বাহিৰে মানুহ বাস কৰাৰ কোনো চিনমোকামেই নাথাকিল। বিভিন্ন গতিপথেৰে সকলো কেইটি দলে আটাইতকৈ আগতে পোহৰৰ দেশ, দেৱতাৰ দেশত উপস্থিত হবলৈ যাত্ৰা আৰম্ভ কৰিলে।

★★

বংপুৰীয়া বাইজে এইবাৰ পোহ্নৰ ব'হাগৰ পৰা খেতি আৰম্ভ কৰিব নোৱাৰিলে। অভিযাত্ৰী দলটিক বিদায় দি থৈ অহাৰ এদিন পিছত বংপুৰীয়া বাইজক একগোট কৰি মানৱ বিকাশ আৰু বংপুৰ ককাই সিহঁতক পৰিস্থিতিৰ জটিলতা ভালদৰে বুজাই দিলে। 'এইবাৰ সিহঁতে কঠোৰ পৰিশ্ৰম কৰিব লাগিব, কাৰণ পোহৰ বিচাৰি যোৱা অভিযাত্ৰী দলটো যে বিপদ-আপদত নপৰাকৈ সময়মতে ঘূৰি আহিব পাৰিব তাৰ কোনো নিশ্চয়তা নাই। গতিকে বংপুৰ পথাৰ সেউজ সোণালী কৰাৰ দায়িত্ব এইবাৰ বাকী মানুহখিনিৰ। অভিযাত্ৰী দলটিয়ে যদি পোহৰৰ সন্ধান পায়, তথাপিও ঠিকমতে খেতি নহ'লে সিহঁতে অহা বছৰো লগে ভাগে পোহৰ বিচাৰি যোৱাৰ আশা কৰিব নোৱাৰে।' গতিকে আলোচনা কৰি সিহঁতে ঠিক কৰিলে—খেতিৰ আহিলা-পাতি-বোৰ ঠিকঠাক কৰি লোৱাৰ লগতে সময় পালে খেতিৰ কাম আৰম্ভ হোৱাৰ আগদিনাখনলৈকে চিকাৰো কৰিব, অৰণ্যত আলু কচু বিচাৰিব আৰু যদি পোৱা যায় মাছো ধৰিব। পূৰ্ব পৰম্পৰা অনুযায়ী পোহ্নৰ ব'হাগৰে পৰা খেতি আৰম্ভ কৰাটোৱে সিদ্ধান্ত হ'ল।

কিন্তু দুৰ্ঘটনাটো ঘটিল পোহ্নৰ ব'হাগৰ দিনাখনৰ দোকমোকালিতে। তিৰোতা কেইজনীমানে পানী আনিবৰ কাৰণে বংপুৰ নদীৰ ঘাটলৈ গৈ দেখিলে—ঘাটৰ ওচৰতে মৰা শ এটি ওপঙি আছে। সিহঁতে উধাতু খাই আনবোৰক খবৰ দিবলৈ দৌৰি আহিল।

মানুহবোৰে পানীৰ পৰা মৰা শটো পাৰলৈকে তুলি আনিলে। ওফন্দি উঠি গেলিবলৈ আৰম্ভ কৰা মৰাশটোনো বাৰু কাৰ—প্ৰথমতে সিহঁতে ধৰিবই পৰা নাছিল। বহু সময় ধৰি খুটিয়াই খুটিয়াই চাইহে সিহঁতে গম পালে—'সেইটো বিদ্যুৎচঞ্চলৰ মৃতদেহ।' বংপুৰ ককাৰ

সম্বন্ধীয়া ভতিজা ল'বা বিদ্যুৎ চঞ্চল, মানৱ বিকাশতকৈ দুই চাৰি বছৰ মানৰহে সৰু হ'ব। ৰংপুৰ ককাৰ আজিকালি শেতেলিৰ পৰা উঠোতে পলম হয়। মানৱ বিকাশ আৰু দুই চাৰিজনে গৈ ককাক শেতেলিৰ পৰা উঠাই লৈ আহিল।

ৰংপুৰ ককায়ো প্ৰথমতে চিনিব পৰা নাছিল বিদ্যুৎ চঞ্চলৰ মৃতদেহটো। কিন্তু সোঁ ভৰিৰ আঁঠুৰ ঠিক তলপ মান তলতে থকা কটা ঘাৰ পুৰণি দাগটো দেখিহে পতিয়ন গ'ল। সৰু কালতে হাবিৰ ওখ গছ এডালৰ পৰা মৌজোল পাৰিবলৈ গৈ গছৰ পৰা পৰিছিল বিদ্যুৎ চঞ্চল। ককাৰ ঠিকেই মনত আছে—সেই যাত্ৰালৈ সি কোনো মতেহে ৰক্ষা পৰিছিল। গছ ডালৰ তলত থকা গছৰ কটা মুঢ়া এটাত পৰি তাৰ সোঁ ভৰিখনত ইমান বেয়া ধৰণে জখম হৈছিল যে ঘা শুকাই সম্পূৰ্ণ আৰোগ্য লাভ কৰিবলৈ তাক প্ৰায় এমাহমান লাগিছিল।

গেলি যোৱা মৰাশটোৰ পচা দুৰ্গন্ধকো আওকাণ কৰি বহু সময় ধৰি ৰংপুৰ ককাই তন্ন তন্নকৈ চালে বিদ্যুৎ চঞ্চলৰ মৃতদেহটো। তাৰ পিছত লাহে লাহে মানুহ জাকক উদ্দেশ্য কৰি ক'লে, 'ইয়াক ৰংপুৰৰ প্ৰথা অনুযায়ী ৰংপুৰ নদীৰে পশ্চিম দেশলৈ উটুৱাই দিয়া-টোৱে উচিত হ'ব।'

কেঁচা কলৰ ভুৰ এখন সাজি ৰংপুৰীয়া বাইজে বিদ্যুৎ চঞ্চলৰ মৃতদেহটো ৰংপুৰৰ পশ্চিম সীমালৈ লৈ গৈ নদীৰে উটুৱাই দি থৈ আহিল গৈ।

ৰংপুৰীয়া বাইজৰ সেইদিনাখন আৰু খেতি পথাৰলৈ যাবৰ নহ'ল। গধূলি পৰত ৰংপুৰ ককাৰ কথা মতে সকলোবিলাকে দেৱ মন্দিৰলৈ গৈ চাকি-বন্তি জ্বলাই সিহঁতৰ আৰাধ্য দেৱতাজনক মিনতি কৰিলে, 'তেওঁ যেন অভিযাত্ৰী দলটিৰ ওপৰত শাওপাত বৰিষণ নকৰি সুস্থ শৰীৰেৰে সিহঁতক পুনৰ ৰংপুৰলৈকে ওভোতাই আনে।' কাৰণ সিহঁতে

ধুৰূপ বুজি পাইছে যে অভিযাত্ৰী দলটিৰ ওপৰত দেৱতাৰ শাওপাত পৰিছে। বংপুৰ ককাৰ মতে বিদ্যুৎ চঞ্চলৰ মৃতদেহটো ছয়-সাতদিন ধৰি পানীত উটি আহিছে। সেয়ে হ'লে অভিযাত্ৰী দলটি কিমান দূৰলৈ গৈছে—ভাবিয়েই ভয় লাগিল সিহঁতৰ। মনে-প্ৰাণে বংপুৰীয়া ৰাইজে কামনা কৰিলে 'বংপুৰ নদীৰে আৰু যেন কোনো মৰাশ উটি নাহে।'

যোল ব'হাগৰ দিনাখনৰে পৰা বংপুৰ পথাৰত নতুন বছৰৰ খেতিৰ কাম আৰম্ভ কৰা হ'ল।

ব'হাগ মাহৰ বাকী দিন কেইটা বংপুৰীয়া ৰাইজে মাটি চহোৱাতেই ব্যস্ত থাকিল। ফাগুন-চ'ত মাহৰ বৰষুণে মাটিবোৰ আগৰে পৰাই ৰসাল-জীপাল কৰি ৰাখিছিল। গতিকে মানুহ তাকৰীয়া সংখ্যক হ'লেও এই কেইদিনৰ ভিতৰতে খেতি পথাৰৰ বেচ কিছু অংশ মাটিতেই নাঙলৰ আচোঁৰ পৰিল। অভিযাত্ৰীসকল, আনকি বিদ্যুৎ চঞ্চলৰ কথা আলোচনা কৰিবলৈও সিহঁতৰ সময়ৰ নাটনি হ'ল। জেঠ মাহৰ প্ৰথম সাতোটা দিনো তুমুল কৰ্মব্যস্ততাৰ মাজেৰে অতিবাহিত হ'ল সিহঁতৰ। এইবাৰ বংপুৰ নদীত আগতীয়াকৈ মাছৰ উজান উঠিছে। আনন্দ প্ৰকাশহঁতৰ দলটো আহৰি পালেই মাছ মৰাত ব্যস্ত। কেতিয়াবা কেতিয়াবা শিশুৰ দলটি লগত লৈ বংপুৰ ককাই একান্ত মনে মাছ মৰাত ব্যস্ত ডেকাহঁতক চাই থাকে গৈ,—উৎসাহ দিয়ে।

কিন্তু জেঠ মাহৰ আঠদিন যোৱাৰ দিনাখনৰে পৰা বংপুৰৰ অলিখিত ইতিহাসে পুনৰ গতিপথ সলনি কৰিলে।

সেইদিনাখন আছিল বৃহস্পতিবাৰ। আনদিনাৰ দৰে সেইদিনাখনো বংপুৰীয়া ৰাইজে দোকমোকালিতে উঠি খেতি পথাৰ পাইছিল গৈ। বেলি মুৰৰ ওপৰ নোপোৱা পৰ্যন্ত মাটি চহোৱাতে ব্যস্ত আছিল

সিহঁত। সাধাৰণতে যেতিয় বতৰত ৰাতিপুৱাৰ জলপান আৰু দুপৰীয়াৰ আহাৰ সিহঁতে পথাৰতে খায়। তিৰোতাসকলে দি থৈ আহেগৈ। সেইদিনাখনো খাই উঠিছেহে মাথোন,—এনেতে সিহঁতক খাদ্য পৰি-বেশন কৰিবলৈ অহা তিৰোতাবোৰৰ চকুত পৰিল ৰংপুৰ পথাৰৰ পূব সীমাত থকা জঙ্গলখনৰ পৰা ওলাই অহা অভিযাত্ৰী দলটিক। কোনোদিনে নেদেখা আচৰিত বস্তু এটি দেখাৰ দৰে সিহঁতে আটাহ পাৰি উঠিল। সিহঁতৰ দৃষ্টি অনুসৰণ কৰি আন মানুহ বিলাকেও দেখা পালে অভিযাত্ৰী দলটিক। সিহঁত যে উভতিব পাৰিব ৰংপুৰীয়া ৰাইজে আশাকেই কৰা নাছিল। সেইবাবে সিহঁতৰ আকস্মিক প্ৰত্যাবৰ্তনত কোনো এজনেই আচৰিত নোহোৱাকৈ নাথাকিল। আনন্দ উত্তেজনা আৰু শঙ্কাৰ মাজত পৰি সিহঁতে নিশ্চুপ হৈ অপেক্ষা কৰি থাকিল ক্ৰমাৎ ওচৰ চাপিব ধৰা দলটিক।

বহু দূৰৈত থকা বাবে পোনপ্ৰথমতে মানৱ বিকাশহঁতে অভি-যাত্ৰী দলটিৰ জনসংখ্যা সম্পৰ্কে বিশেষ সন্দিহান হোৱা নাছিল। সিহঁতে কেনেকৈ ইমান সোনকালে আহি পালেহি, উদ্দেশ্য সাধন হ'ল নে নাই—এইবিলাক কথাকেই চিন্তা কৰি আছিল মানৱ বিকাশে। কিন্তু সিহঁতে যেতিয়া ক্ৰমান্বয়ে ওচৰ চাপি আহি এক নিৰ্দিষ্ট দূৰত্বত অৱতৰণ কৰিলেহি—তেতিয়াহে সিহঁতক গভীৰভাৱে পৰ্যবেক্ষণ কৰি থকা মানৱ বিকাশৰ খেয়াল হ'ল—অভিযাত্ৰী দলটি যোৱাৰ তুলনাত কিছু সৰু। ছাট কৰি তাৰ মানস পটত বিদ্যুৎ চঞ্চলৰ গেলি যোৱা মৰা-শটোৰ ছবি ভাঁহি উঠিল। অলপ সময়ৰ পিছতে যিহেতু সকলো কথাকে জানিব পৰা যাব—তেনেস্থলত লগৰীয়া বিলাকক আগে ভাগে সন্দেহৰ বোজা এটি জাপি দিবলৈ সি ইচ্ছা নকৰিলে। কিংকৰ্তব্যবিমূঢ় মানুহ জাকৰ লগত আগৰ ঠাইতে বহি থাকিল সি।

হঠাতে ঢোল-পেঁপাৰ মাত শুনি পিছলৈ ঘূৰি চাই মানৱ বিকাশইতে দেখিলে যে ৰংপুৰৰ আটাইবোৰ মানুহে ঘৰবাৰী এৰি অভিযাত্ৰী

দলটিক স্বাগত জনাবলৈ উধাতু খাই ওলাই আহিছে। মধ্যমণি আনন্দ প্ৰকাশ। কোন টলকত যে সি এই কাণ্ড কৰিলে সিহঁতৰ কোনো এজনেই তৎ ধৰিব নোৱাৰিলে। যাহওক সিহঁতৰ আনন্দ উৎসাহে মানৱ বিকাশৰ অন্তৰৰ চিন্তা দুশ্চিন্তাবোৰ চকুৰ পচাৰতে ম্লান কৰি পেলালে। ৰংপুৰৰ সাহসী যোদ্ধা সকলক আদৰণি জনাবলৈ —মানুহবোৰৰ লগত মানৱ বিকাশেও খোজ মিলালে।

দুয়োটা দলৰে মাজৰ দূৰত্ব এইবাৰ দ্ৰুতভাবে কমি আহিল। অভিযাত্ৰী দলটিৰ অস্পষ্ট মুখবোৰো ধীৰে ধীৰে স্পষ্টৰ পৰা স্পষ্টতৰ হৈ আহিল। সিহঁতক এবাৰ ভালদৰে নিৰীক্ষণ কৰি মানৱ বিকাশ নিশ্চিত হ'ল যে অভিযাত্ৰী সকলৰ মাজৰ কিছু সংখ্যক মানুহ অনুপস্থিত। গভীৰ মনযোগেৰে লক্ষ্য কৰিও স্বৰূপ কুমাৰক সি দেখা নাপালে। আনকি তাৰ পৰিয়ালৰ কোনো এজনকেই চকুত নপৰিল মানৱ বিকাশৰ। খুব আচৰিত হ'ল সি। কোনো কাৰণত দলৰ একাংশ মানুহ পিছ পৰি গৈছে বুলি ভাবি যিমান দূৰলৈকে চকুৰে মণিব পাৰি সিমান দূৰলৈকে চাই পঠিয়ালে সি, কিন্তু স্বৰূপ কুমাৰৰ আগমনৰ কোনো উমঘামেই নাপালে। মানৱ বিকাশে চিন্তা কৰিলে কিজানিবা স্বৰূপ কুমাৰবো বিদ্যুৎ চঞ্চলৰ লেখীয়া কিবা বিপদেই ঘটিল। কথাটো মনলৈ অহাৰ লগে লগে ভাল লাগক চাৰি সি অন্তৰত বেদনাহে অনুভৱ কৰিলে। যদি স্বৰূপ কুমাৰবো বিদ্যুৎ চঞ্চলৰ লেখীয়া কিবা দুৰ্ঘটনা ঘটি থাকে তেনেহলে সিহঁতৰ পোহৰ বিচাৰি যোৱা বিষয়টো একেবাৰে তল পৰি যাব। স্বৰূপ কুমাৰক মনে প্ৰাণে সহ্য কৰিব নোৱাৰিলেও তাৰ অভিযানৰ অকৃতকাৰ্যতা কোনো দিনে বাঞ্ছা কৰা নাই মানৱ বিকাশে। তাৰ সাফল্যৰ ওপৰতে ৰংপুৰৰ ভৱিষ্যত পৰোক্ষভাবে হলেও ভালেখিনি জড়িত হৈ আছে। এই বিলাক কথা ভাবি-চিন্তি গৈ থাকোঁতে মানৱ বিকাশে তাৰ অন্তৰৰ গুপুত সত্য দুটি উদ্ঘাটন কৰিলে। প্ৰথমটো হ'ল সমূহ ৰংপুৰবাসীক

পোহৰৰ অনাধিক্যৰ পৰা ৰক্ষা কৰাৰ প্ৰৱল হেঁপাহ, দ্বিতীয়টো হ'ল—আজি ইমান বছৰ পাৰ হৈ যোৱাৰ পিছতো সি তাৰ যৌৱনৰ স্বপ্ন—স্বৰূপ কুমাৰৰ তিৰোতাজনীক পাহৰিব পৰা নাই।

মানৱ বিকাশ নিশ্চিত হ'ল যে অভিযাত্ৰী দলটি দেৱতাৰ ৰোষত পৰিছে। ঢোল-পেঁপাৰ সুমধুৰ মূৰ্চ্ছনায়ো মানৱ বিকাশৰ দুখৰ বোজা এইবাৰ পাতলাব নোৱাৰিলে। ভাবাক্ৰান্ত মনেৰে সি নিচেই ওচৰ চাপি অহা অভিযাত্ৰী দলটিক স্বাগত জনাবলৈ সাজু হ'ল।

সুমধুৰ বাদ্য-গীতেৰে চৌদিশ মুখৰিত কৰি আনন্দ মনেৰে সকলোৰোৰ মানুহ ৰংপুৰ অভিমুখে উলটি আহিল। এমাহৰো ওপৰ কাল এৰা এৰি হৈ থাকি—আজি এই মধুৰ ক্ষণত মিলিত হোৱাৰ নিবিড় আনন্দকণ উভয় পক্ষই উপভোগ কৰিলে। আনন্দ মধুৰ অনুভূতিয়ে আনকি মানৱ বিকাশৰ অন্তৰত উদিত হোৱা ক'লীয়া ডাৱৰখিনিও কৰবালৈ উটুৱাই লৈ গ'ল। সেই বিশেষ ক্ষণ কেইটিত স্বৰূপ কুমাৰ, তাৰ পৰিয়াল, বিজয় কৃষ্ণইতৰ অনুপস্থিতিৰ বুজ ল'বলৈয়ো আনকি সি পাহৰি গ'ল। হাঁহি-খিকিন্দালিৰ মাজেৰে সিহঁত সকলোৱে আহি ৰংপুৰ গচকিলে।

ৰংপুৰত সোমায়েই সকলোবোৰে মানৱ বিকাশৰ কথামতে দেৱ-মন্দিৰলৈ যাত্ৰা কৰিলে। সিহঁতৰ পৰম আৰাধ্য সেই আচৰিত দেৱতাজনক প্ৰণিপাত কৰি— ৰংপুৰ ৰকাৰ ৰতৰা ল'বলৈ সিহঁত সকলোৱে তেওঁৰ ঘৰলৈকে খোজ ললে।

অভিযাত্ৰী দলটিয়ে ৰংপুৰ এৰাৰে পৰা ৰংপুৰ ৰকাৰ বৃদ্ধ দেহাটিত বেমাৰে বাহ ললে। বৃদ্ধাৱস্থাৰ নানান বেমাৰে এই কেইটা দিনৰ ভিতৰতে ৰকাক বেচ দুৰ্বলা কৰি তুলিছে। সেইবাবে আজিকালি তেওঁ ৰৰ বেছি বাহিৰ নোলায়। মানৱ বিকাশহঁতেও বাৰণ কৰিছে। মাধোন—মাজে সময়ে গা-মন ভালে থাকিলে—আবেলি সময়ত তেওঁ ল'ৰা-ছোৱালীজাকক লগত লৈ ৰংপুৰ নদীৰ পাৰৰ সেই চিনাকি

শিল চটাত বহি, নদীৰ বুকুত ডেকাহঁতৰ মাছ মৰা চাই, ৰংপুৰৰ বংশধৰ সকলৰ খেল-ধেমালি উপভোগ কৰি নীৰৱে বহি থাকে। অভিযাত্ৰী দলটিয়ে ৰংপুৰ এবাৰ পিছত ল'ৰা-ছোৱালীৰ সংখ্যাও আগৰ তুলনাত কমিল। 'এই কথাটোৱে সিহঁতৰ শিশু মনতো কিজানি আঘাত কৰে মাজে মাজে', ককাই চিন্তা কৰে। ৰংপুৰ ককাৰ শৰীৰৰ যতন লবলৈ আহৰি থকা মানুহ—এই খেতিৰ বতৰত মাথোন মানৱ বিকাশৰ বুঢ়ীমাকজনী। গধূলি পৰত অৰণ্যে মানৱ বিকাশ, আৰু দুই চাৰিজনে আহি ককাৰ লগত বহি থাকেহি। খেতিবাতি সম্বন্ধে তেওঁৰ পৰা দুই চাৰিটা উপদেশ লয়।

দুদিন মানৰ পৰা ৰংপুৰ ককাৰ জ্বৰ। আনুষঙ্গিক কফ কাহেও মানুহজনক বেচ জুকলা কৰি তুলিছে। সেইবাবে আনন্দ প্ৰকাশে যেতিয়া অভিযাত্ৰী দলটিৰ প্ৰত্যাবৰ্তনৰ বতৰা দিলেহি—সিহঁতক আগ-বঢ়াই আনিবলৈ যাব খুজিও যাব নোৱাৰিলে তেওঁ। মানৱ বিকাশৰ বুঢ়ীমাকে যাব নিদিলে, আনন্দ প্ৰকাশেও বাৰণ কৰিলে। সেইবাবে ঘৰতে বহি থাকি ঢোল-পেঁপাৰ সুমধুৰ সঙ্গীত শুনি শুনি ৰংপুৰ ককাই অভিযাত্ৰী দলটিলৈ অপেক্ষা কৰি থাকিল।

ইমান কম সময়ৰ ভিতৰতে অভিযাত্ৰী দলটিয়ে অভিযানৰ সামৰণি মাৰি উলটি আহিব বুলি ৰংপুৰ ককাই সপোনতো কল্পনা কৰিব পৰা নাছিল। বিদ্যুৎ চঞ্চলৰ গেলি পচি যোৱা মৃতদেহটো ৰংপুৰ নদীৰে উটি অহা দেখা পোৱাৰ পিছৰে পৰা ৰংপুৰ ককাই স্বৰূপ কুমাৰহঁতৰ কেৱল অমঙ্গলকেই চিন্তা কৰি কোনোদিনে ভালদৰে শুব পৰা নাই। মানৱ বিকাশৰ দৰে তেওঁৰো সেই একেই চিন্তা—'অভিযাত্ৰী সকল দেৱতাৰ ৰোষত পৰা নাইতো!' সেই কাৰণে আনন্দ প্ৰকাশৰ মুখে সিহঁতৰ প্ৰত্যাবৰ্তনৰ বতৰা পাই তেওঁ কি কৰিব কি নকৰিব—একো ভাবি নাপালে। তথাপিও ককাৰ অনুভৱ হ'ল—তেওঁৰ অন্তৰৰ পৰা পাষাণ ভাৰ এটি যেন নামি গৈছে, ভালেখিনি সকাহ পাইছে তেওঁ।

পোহৰ বিচাৰি পোৱা নোপোৱাতো ককাৰ বাবে এতিয়া সৰু কথা, মানুহজাক যে ৰংপুৰলৈ পুনৰ নিৰ্বিঘ্নে ঘূৰি আহিছে— সেইটোহে আচল কথা। ৰংপুৰ ককাই সিহঁতে অভিযান আৰম্ভ কৰিবৰ দিনাখন দেখা সপোনটি মনত পেলালে। সপোনটিৰ অৰ্থ এটিও ভাবি উলিয়ালে তেওঁ। ককাই মনতে ঠিক কৰিলে, খেতিবাতি ভালদৰে চপাব পাৰিলে অহা বছৰৰ মাঘ মাহতেই ৰংপুৰৰ সকলোটি মিলি পোহৰৰ সন্ধানত যাত্ৰা কৰিব। যদিহে সম্ভৱ হয় ৰংপুৰ নদীৰেই উজাই যাব ৰংপুৰীয়া ৰাইজ।

শেতেলিখনতে বহি লৈ ৰংপুৰ ককাই কাণপাতি শুনি থাকিল ৰংপুৰৰ দিগ্বিজয়ী অভিযাত্ৰী দলটিক আদৰি লৈ অহা ৰংপুৰীয়া ৰাইজৰ ঢোল-পেঁপাৰ ভ্ৰাম্যমান ছন্দ। তেওঁ অনুমান কৰিলে—আশৈশৱৰ চিনাকি ছন্দটিয়ে যেন ৰংপুৰৰ চৌদিশ মুখৰিত কৰি দেৱ মন্দিৰলৈ আগবাঢ়ি গৈছে। শেতেলিত বহি থাকিয়েই ককাই আচৰিত দেৱতা জনৰ উদ্দেশ্যে মূৰ দোৱালে। কিছু সময়ৰ পিছতে তেওঁৰ অনুমান হ'ল—উদ্দাম মধুৰ ছন্দটি যেন দেৱ মন্দিৰৰ পৰা পুনৰ উলটি আহিছে।

ৰংপুৰ ককাই আৰু শেতেলিত থাকিব নোৱাৰিলে। উত্তেজিত অন্তৰেৰে অসুখীয়া গাৰেই তেওঁ বাহিৰলৈ উঠি আহিল। পদূলি মুখেৰে বাহিৰৰ আলিবাটটিলৈ স্থিৰ দৃষ্টি নিক্ষেপ কৰি, তেওঁ বাহিৰ চোতালত পাটি এখন পাৰি বহি পৰিল। সঙ্গীতৰ ভ্ৰাম্যমান মধুৰ ছন্দটি তেওঁৰ ঘৰৰপিনেই আগুৱাই আহিছে।

অলপ সময়ৰ পিছতে ৰংপুৰৰ আটাইখিনি মানুহ ৰংপুৰ ককাৰ চোতালত সমৱেত হ'ল। ৰংপুৰৰ আটাইতকৈ বৃদ্ধ সম্মানিত পুৰুষ জনক তেওঁৰ প্ৰাপ্য সম্মানখিনি প্ৰদান কৰিবলৈ এইবাৰ কোনো এজনেও কৃপণালি নকৰিলে। অভিযাত্ৰী সকলৰ মুখবোৰ তন্ন-তন্নকৈ পৰীক্ষা কৰিলে তেওঁ। সিহঁতৰ ল'ৰা-ছোৱালী বিলাকৰ গালে মুখে হাত ফুৰাই মৰম কৰিলে। ধ্যান ৰাজক হাতবাউল দি ওচৰলৈ মাতি

একেথিৰে তাৰফালে চাই থাকিল ককাই। কিন্তু জ্বৰ আৰু মানসিক উত্তেজনাৰ বাবে কোনো কথাকেই উচ্চাৰণ কৰিব নোৱাৰিলে তেওঁ।

বংপুৰ ককাৰ দেহ-মনৰ অৱস্থা লক্ষ্য কৰি মানৱ বিকাশে সেইদিনাখন তেওঁক আৰু কষ্ট দিয়াটো উচিত নহ'ব যেন বিবেচনা কৰি সকলোকে উদ্দেশ্য কৰি কলে, 'অভিযাত্ৰী সকলে যিহেতু দুখে ভাগৰে আহি পাইছেহি—তেনেস্থলত সিহঁতক আজি আৰু অনাহকতে কষ্ট দিয়া উচিত নহব। তাতে আকৌ ককাৰো গা বেয়া। গতিকে কালিলৈ পথাৰৰ পৰা আহি গা-পা ধুই দেৱমন্দিৰতে সিহঁতৰ কথা শুনিম।'

অভিযাত্ৰী দলটোৰ মুখপাত্ৰ হিচাপে নিৰ্বাচিত ধন বিলাসেও মানৱ বিকাশৰ কথা মানি ললে। হাঁহি-খিকিন্দালি কৰি সিহঁত সকলোটি ককাৰ চোতালৰ পৰা ওলাই গ'ল। মানৱ বিকাশ আৰু তাৰ বুঢ়ী মাকজনীয়ে দুখন হাতত ধৰি উঠাই বংপুৰ ককাক ভিতৰলৈ লৈ গৈ পুনৰ শেতেলিখনত শুৱাই দিলে।

মানৱ বিকাশৰ মুখৰ পিনে কিছুসময় চাই থাকিল বংপুৰ ককাই। তেওঁ আশা কৰিলে স্বৰূপ কুমাৰ আৰু অনুপস্থিত আন কেইজনৰ কথাৰ সি নিশ্চয় কিবা অলপ আভাস দিব তেওঁক। কিন্তু সেই বিষয়ে কোনো কথাৰ অৱতাৰণা নকৰিলে মানৱ বিকাশে।

বংপুৰ ককাৰ শেতেলিখনৰ মূৰ দিয়া পিনে মূঢ়া এটিত বহি ভালেখিনি সময় জুপুকা মাৰি থাকিল মানৱ বিকাশ। তাৰো এটাই চিন্তা। 'স্বৰূপ কুমাৰ, বিজয় কৃষ্ণ আদি অনুপস্থিত সকলৰ বিষয়ে ককাই নিশ্চয় তাৰপৰা অলপ জানিবলৈ বিচাৰিব। কিন্তু ককাই কোনো কথা নুসুধিলে, চকুমুদি শেতেলিতে নিঠৰ হৈ পৰি ৰল। বুঢ়ীমাকক ৰখীয়া হিচাপে থৈ মানৱ বিকাশে যেতিয়া ককাৰ ঘৰৰ পৰা বাহিৰ ওলাল—তেতিয়াও চকা পাটত বহা নাই, —পশ্চিমগামী সূৰুযৰ ৰশ্মিৰে বংপুৰ তেতিয়াও প্লাৱিত হৈয়েই আছে। × ×

[৯]

পিছদিনাখন খেতি পথাৰত মানৱ বিকাশহঁতে অভিযাত্ৰী দলটিৰ এজনকো উপস্থিত থকা দেখিবলৈ নাপালে। ঘূনক-ঘানাককৈ কথাটো পথাৰত মাটি চহাই থকা প্ৰত্যেকজন মানুহৰ মাজতে আলোচনাৰ বিষয়বস্তু হৈ পৰিল। সিহঁতে ইয়াৰ প্ৰকৃত কাৰণ বিচাৰি নাপালে। এমাহযোৰা অভিযানৰ ভাগৰ পলুৱাবৰ কাৰণেই সিহঁতে কিজানি আজি জিৰণি লৈছে। তদুপৰি ইমান দিনে অব্যৱহৃত অৱস্থাত পৰি থকা ঘৰ-দুৱাৰবোৰো চাফ্ চিকুণ কৰিব লাগে। আহাৰ পৰিবেশন কৰিবলৈ অহা তিৰোতাবোৰৰ আগত অৱশ্যে সিহঁতে এই বিলাক কথা মুলিয়ালে। প্ৰকাশ্যভাবে অসন্তোষ প্ৰকাশ নকৰিলেও মানুহ-বোৰে কিন্তু কথাটো বৰ ভাল নাপালে। 'এই কেইদিনত সিহঁতৰো কম কষ্ট হোৱা নাই।'

: যাহওক সিহঁত উভতি আহিল। কোৰ হাতত থকা অৱস্থাতে নতুনকৈ বন্ধা আলি এডালত ভৰি দি আপোন মনে মন্তব্য কৰিলে ভোলানাথে।

: আলি ডালৰ পৰা ভৰিখন আঁতৰাই নেচোন! দেখা নাইনে —সেই ডাল নতুনকৈ বন্ধা আলি।

: কিয় তোৰ ভয় লাগিছে নেকি? —অভিযাত্ৰীসকলক আগ-বঢ়াই থৈ আহিবৰ সময়ত বাটত হোৱা কথোপকথন খিনি কোনোবাই ভোলানাথক মনত পেলাই দিলে।

: নাই লগা। —আলি ডালৰ পৰা ভোলানাথে ভৰিখন নমাই গছকা ঠাইখিনিত কোদালখনেৰে অলপ মাটি উঠাই ভৰিৰে সমান কৰি দিলে।

: কিয় ? ইমান দূৰ জানো খোজ কাঢ়িব পাৰিবি তই ? আন এজনে ইতিকিং কৰিলে।

: খোজ কঢ়াৰ কোনো দৰকাৰ নাই। সিহঁতে পোহৰৰ বতৰা আনিব পৰা নাই।

: এৰা ! পোহৰৰ বতৰা আনিব পৰা হ'লে সিহঁতে কালিয়েই কথাটো প্ৰকাশ কৰিব পাৰিলেহেঁতেন।

: সিহঁত আজি পথাৰলৈ কিয় নাহিল ? —এই প্ৰশ্নৰ উত্তৰ কোনোৱে নিদিলে।

: মই মাথোন ভাবিছো স্বৰূপ কুমাৰৰ কি হ'ল ! কিছু সময়ৰ নীৰৱতাৰ পাছত নিজকে নিজে প্ৰশ্ন কৰিলে মানৱ বিকাশে।

সকলোৰে মনত লাগিল কথাটো। অভিযানৰ হোতা গৰাকীৰ কথা সিহঁতৰ মনতেই পৰা নাছিল। লগে লগে বিজয় কৃষ্ণ আদি অন্যান্য অনুপস্থিত বিলাকৰ কথাও সিহঁতৰ মনলৈ আহিল। বিদ্যুৎ চঞ্চলৰ মৃতদেহটিৰ কথা চিন্তা কৰি সিহঁতৰ অন্তৰবোৰ ভুক-ভুককৈ কঁপিব ধৰিলে।

: সিহঁতৰ গাত কিজানি দেৱতাৰ অভিশাপ লাগিল।

: মই কিন্তু তেনেদৰে নাভাবো। ধন বিলাসহঁতৰ মুখবোৰ তইঁতে মন কৰিছিলিনে ? তেনে ধৰণৰ কিবা এটা হোৱা হ'লেও কালিয়েই আমি গম পালোহেঁতেন। যিবিলাক মানুহ অনুপস্থিত— ধ্যানৰাজ আৰু তাৰ মাকৰ (বিদ্যুৎ চঞ্চলৰ পৰিয়ালটিৰ) বাহিৰে সিহঁতৰ পৰিয়ালবৰ্গও অনুপস্থিত।

মানৱ বিকাশে একমনে আলিত মাটি জাপি থকা আনন্দ প্ৰকাশলৈ এবাৰ চালে। 'সি ঠিকেই লক্ষ্য কৰিছে।' তাৰ ভাল লাগিল। অহোবলিয়া ডেকা আনন্দৰ প্ৰতি তাৰ চেনেহৰ ভাগ অলপ বেছি।

: এতিয়া কামৰ সময়ত এইবিলাক কথা চিন্তা কৰাৰ কোনো

সকাম নাই। সন্ধিয়াতো সকলো কথা শুনিমেই। —মানৱ বিকাশৰ কথাত পুনৰ সকলোৱে একমনে কাম কৰাত লাগিল।

আনহাতে অভিযাত্রী সকলৰ অনুপস্থিতিৰ বাবেই নেকি—কোনো দিনে কোনো কথা গুৰুত্ব সহকাৰে চিন্তা নকৰা মানুহজাক উদ্‌গ্রীৱ হৈ পৰিল—সিহঁতৰ মুখে অভিযানৰ কাহিনী শুনিবলৈ। কিন্তু আগ-দিনাখন—অভিযাত্রী সকল যে পুনৰ সিহঁতৰ মাজলৈ উভতি আহিছে সেইটোৱে আছিল সিহঁতৰ বাবে আটাইতকৈ আনন্দৰ কথা।

অভিযাত্রী সকলকো সঙ্কোচবোধে আৱৰি ৰাখিছে। সিহঁতৰ মুখপাত্র হিচাপে কাম কৰা ধন বিলাসে মেলত ঠিক কেনেদৰে কথাটো উত্থাপন কৰা হ'ব—তাৰ কোনো উৱাদিহ পোৱা নাই। প্রত্যাবর্তনৰ আগদিনাখন বাসগৃহ নির্মাণ কৰি থকা সময়ত ভিতৰুৱাকৈ স্বৰূপ কুমাৰে কোৱা কথাবোৰ যে পবিত্র সত্য সেই বিষয়ে ধন বিলাসৰ কোনো সন্দেহ নাই। আন বিলাকৰো নাই। ৰংপুৰৰ মানুহবোৰক কেনেদৰে পতিয়ন নিয়াব লাগিব সেই বিষয়েও ধন বিলাসে, স্বৰূপ কুমাৰৰ পৰা উচিত শিক্ষা লাভ কৰিছে। ঘূৰি আহোঁতে বাটতো সিহঁতৰ ভিতৰত এই বিষয়ে যথেষ্ট আলোচনা বিলোচনা হৈছে। ধন বিলাসে মনে মনে স্বৰূপ কুমাৰৰ শ্রেষ্ঠত্ব এশবাৰ স্বীকাৰ কৰিলে। 'গভীৰ জ্ঞান আৰু বাকপটুতাৰ দ্বাৰাই স্বৰূপ কুমাৰে এই আচহুৱা পৰিস্থিতি চম্ভালি ল'ব পাৰিলেহেঁতেন।'

দেহত প্রৱাহিত হোৱা দেৱৰক্তই সদৌ শেষত ধন বিলাসক পৰিস্থিতিৰ বিৰুদ্ধে যুঁজ দিবলৈ সাহস যোগালে। বহুবাৰ ভাবি-চিন্তি সি লগৰীয়া বিলাকক ৰাতিপুৱা পথাৰলৈ নাযাবলৈকে উপদেশ দিলে। দেৱকন্যাৰ কৈদৰ লোকসকল যিহেতু আন মানুহবোৰতকৈ শ্রেষ্ঠতৰ তেনেস্থলত—সকলো সময়তে কাজে-কর্মই সিহঁতৰ লগত ব্যৱধান ৰাখি চলা যুক্তিযুক্ত কথা হ'ব। আনকি ধন বিলাসে ল'ৰা-ছোৱালী আৰু তিৰোতা সকলকো—অভিযানৰ বিষয়ে কাৰো

লগতে কোনো কথা আলোচনা নকৰিবলৈ আৰু ব্যৱধান ৰাখি আচাৰ ব্যৱহাৰ কৰিবলৈ সঁকীয়াই দিলে।

ধন বিলাসে ঠিক কৰিলে ৰাতিপুৱাতেই সি ৰংপুৰ ককাৰ লগত আগেভাগে এই কথাবিলাক সম্পৰ্কে গভীৰভাবে আলোচনা কৰিব। তেতিয়া হলে ৰাজহুৱা মেলৰ আলোচনা সহজতৰ হ'ব। তাৰ দৃঢ় বিশ্বাস জন্মিল যে ৰংপুৰ ককাই নিশ্চয় এই পবিত্ৰ সত্যটি অন্তৰেৰে উপলব্ধি কৰিব পাৰিব।

কিন্তু পিছদিনাখন ধন বিলাসে ৰংপুৰ ককাৰ ওচৰলৈ যাবলৈ সাহস গোটাব নোৱাৰিলে। বাৰে বাৰে ককাৰ লগত আলোচনা কৰিবলৈ বাহিৰ ওলাই যায়, কিন্তু পুনৰ সঙ্কুচিত হৈ উলটি আহে। সি তাৰ মনৰ কুণ্ঠাবোধ আঁতৰাব নোৱাৰিলে। কিয় নোৱাৰিলে সেইটোও বুজি নাপালে। অৱশেষত ধন বিলাসে ককাৰ ওচৰলৈ নোযোৱাটোকেই ঠিক কৰিলে। "যি পবিত্ৰ সত্য সিহঁতে উদ্ঘাটন কৰিছে সেইটো সমাজ বিদ্যমানে প্ৰকাশ কৰাই শ্ৰেয়।' পথাৰৰ পৰা মানুহবোৰ উলটি নহালৈকে সিহঁতে অপেক্ষা কৰি থাকিল।

অভিযাত্ৰী দলটিৰ তিনিওটা সকলোহে বেচ আহুকালত পৰিছিল সেই সময়ছোৱাত। লগৰ আন ল'ৰা-ছোৱালীবোৰ, ৰংপুৰ ককাক অভিযানৰ বতৰা দিবলৈ অভিযানকাৰী শিশুৰ দলটি ইমান উদ্বাউল হৈ পৰিছিল যে সিহঁতক মাকহঁতে জোৰ কৰিহে ঘৰৰ ভিতৰত আৱদ্ধ কৰি ৰাখিবলগীয়াত পৰিছিল।

ৰংপুৰৰ আটাইখিনি বয়সস্থ মানুহ, —আনকি ডেকাবোৰেও সাজ লগাৰ লগে লগে দেৱমন্দিৰত গোট খালেহি। অভিযাত্ৰী দলৰ মানুহখিনি আবেলিৰে পৰা বহি আছে। ৰংপুৰ ককাই আজি ভালে-খিনি সকাহ পাইছে। মানৱ বিকাশ আৰু এজনে তেওঁক দেৱমন্দিৰলৈ লৈ আহিল। 'এনেধৰণৰ ৰাজহুৱা মেল-দৰবাৰত ৰংপুৰ ককাৰ অনু-পস্থিতি ভাবিবও নোৱাৰে ৰংপুৰীয়া বাইজে।

দেৱমন্দিৰত সোমায়েই ৰকাই লক্ষ্য কৰিলে পোহৰ বিচাৰি যোৱা অভিযাত্ৰী সকলে ৰংপুৰৰ আন বাসিন্দা সকলৰ লগত একে-লগে বহা নাই। সমুখত বহল ব্যৱধান ৰাখি পৰম্পৰা ভঙ্গ কৰি পূবা-পশ্চিমাকৈ নিৰ্মিত দেৱমন্দিৰটোৰ মজিয়াত পশ্চিমফালে মুখ কৰি বহিছে ধন বিলাসহঁত আৰু সিহঁতৰ মাজত ব্যৱধান ৰক্ষা কৰি মুখামুখিকৈ বহিছে ৰংপুৰৰ আন মানুহজাক। ৰংপুৰ ৰকা দোমোজাত পৰিল, 'তেওঁৰ কাৰণে বাৰু কোনটো দলৰ লগত বহা উচিত হ'ব!' কিন্তু মনৰ ভাব গোপনে ৰাখি তেওঁ অভিযাত্ৰী দলটিক আগত ৰাখি আন মানুহবোৰৰ একেবাৰে আগৰ শাৰীত স্থান গ্ৰহণ কৰিলে। তেওঁৰ ওচৰতে বহিল মানৱ বিকাশ।

বহু সময় ধৰি কাৰো মুখতে মাত নাই, কাঁহ পৰি জীন যোৱা যেন অৱস্থা। কিছু সময় তেনেদৰে যোৱাৰ পিছত মানৱ বিকাশেই নীৰৱতা ভঙ্গ কৰিলে। সি অভিযাত্ৰী সকলক সম্বোধন কৰি কলে যে—সিহঁতৰ অভিযানৰ বিষয়ে সবিশেষ শুনিবলৈ ৰংপুৰীয়া ৰাইজ উৎকণ্ঠিত হৈ আছে। কি কাৰণে বিদ্যুৎ চঞ্চলৰ মৃতদেহ ৰংপুৰ নদীৰে উটি আহিবলগীয়া হ'ল, কি কাৰণে স্বৰূপ কুমাৰ, বিজয় কৃষ্ণ আৰু ভালেকেইজনমান সহযাত্ৰীক সিহঁতে দেখিবলৈ পোৱা নাই এই আটাইবোৰ কথাকেই খৰচি মাৰি ক'বলৈ সি ধন বিলাসহঁতক আহ্বান জনালে।

ধন বিলাসে ইয়াৰ আগতে কোনো দিনেই ৰংপুৰ ৰকা, মানৱ বিকাশৰ দৰে ৰাজহুৱা মেলত আগভাগ লোৱা নাছিল। স্বৰূপ কুমাৰৰ দৰে সুবক্তাও নহয় সি। যদি অভিযানৰ অভিজ্ঞতাকেই মাথোন বৰ্ণাবলগীয়া হ'লহেঁতেন—তথাপি বেলেগ কথা আছিল। কিন্তু সিহঁতৰ উদ্দেশ্য এতিয়া দুটা। অভিযানৰ অভিজ্ঞতা বৰ্ণোৱাৰ উপৰিও সি এইটোও ৰাইজৰ ওচৰত প্ৰতিপন্ন কৰিব লাগিব যে— 'দেৱতাৰ নিৰ্দেশক্ৰমে ৰংপুৰীয়া ৰাইজৰ শৰীৰত প্ৰৱাহিত হোৱা দেৱৰক্তৰ

আধিক্য-অনাধিক্যৰ ফলত গোটেই সমাজখনেই থুলমূলকৈ তিনিটা ভাগত বিভক্ত হৈছে। বিদ্যুৎ চঞ্চলৰ মৃতদেহ বংপুৰৰ ৰাইজৰ দৃষ্টি-গোচৰ হোৱা কথাটো সম্বন্ধে সি আগতে জানিব পৰা নাছিল। ৰাইজৰ বাবে সেইটোও এটা গুৰুত্বপূৰ্ণ কথা হৈ পৰিছে।

ধন বিলাস থিয় হ'ল। লগে লগে ৰাইজৰ গুঞ্জনো বন্ধ হ'ল। দেৱমন্দিৰত গভীৰ নিস্তব্ধতাই বিৰাজ কৰিলে। অভিযাত্ৰী সকলৰ ভাব গতি, স্বৰূপ কুমাৰহঁতৰ অনুপস্থিতি আদি ভালেমান কাৰণত —আগৰেপৰাই মানৱ বিকাশহঁতৰ মনবোৰ কেনেবা কেনেবা কৰি আছিল। সিহঁতৰ অৱচেতন মনবোৰে যেন বুজি পাইছিল—সিহঁতে আশা কৰা মতে আনন্দৰ বতৰা লৈ অভিযাত্ৰী সকল উলটি অহা নাই। ইয়াৰ মাজত নিশ্চয় কিবা ৰহস্য সোমাই আছে।

তথাপি মানৱ বিকাশে কিন্তু ধন বিলাসক মনে মনে নশলাগি নোৱাৰিলে 'অভিযানৰ অভিজ্ঞতাই উদণ্ড ধন বিলাসক বাস্তৱৰ মুখা-মুখি হ'বলৈ শিকাইছে।' সি যেন এতিয়া এজন বিশেষ ব্যক্তিত্ব সম্পন্ন লোক।

বংপুৰীয়া ৰাইজক সম্বোধন কৰি ধন বিলাসে কলে, 'পোহৰ বিচাৰি পোহৰৰ দেশৰ পিনে গতি কৰাৰ আগতে—পোন প্ৰথমতে মই সকলোকে আমাৰ আৰাধ্য দেৱতাজনৰ বংপুৰলৈ আগমন নিগমনৰ কাহিনীটো পুনৰ এবাৰ শ্ৰদ্ধাৰে স্মৰণ কৰিবলৈ অনুৰোধ কৰিছো। বংপুৰত সৰ্টাকৈয়ে এনে মানুহ এজন নাই যিজনে বংপুৰ ককাৰ মুখে সেই পবিত্ৰ কাহিনীটো এবাৰৰ বাবে হলেও শুনা নাই। গতিকে পোহৰৰ দেশলৈ কৰা অলৌকিক অভিযানৰ বিৱৰণী শুনি তাৰ পবিত্ৰ সত্যতা উদঘাটন কৰাৰ আগতে আমি এবাৰ সেই পবিত্ৰ কাহিনীটো স্মৰণ কৰা কৰ্ত্তব্য।

দুই আঁঠুৰ মাজত মূৰটো গুজি থাকিয়েই বংপুৰ ককাই অনুমান কৰিলে মানুহ বিলাকে ভেওঁৰ মুখেৰে কাহিনীটো পুনৰ শুনিবলৈ

আগ্ৰহী। কিন্তু ধন বিলাসে পোহৰ বিচাৰি যোৱা অভিযানক বাৰে বাৰে পোহৰৰ দেশলৈ কৰা অভিযান বুলি বৰ্ণনা কৰাৰ ফলত তেওঁৰ অন্তৰত হঠাতে সন্দেহে বাহ ললে। নীৰৱে থকাটোৱে শ্ৰেয় বুলি বিবেচনা কৰিলে তেওঁ।

ধন বিলাসে আজি কিন্তু ৰংপুৰ ককা নাইবা মানৱ বিকাশক মেলত আগভাগ লবলৈ দিয়াৰ পক্ষপাতী নহয়। অলপ সময় মাথোন অপেক্ষা কৰি সি নিজেই ৰাইজৰ আগত সেই চিৰপৰিচিত কাহিনীটো বিৱৰি ক'লে। ধন বিলাস সন্তুষ্টও হ'ল। মানুহবোৰৰ দৃষ্টি ৰংপুৰ ককাৰ পৰা তাৰপিনে আকৰ্ষিত কৰাৰ ক্ষেত্ৰত সি সফল হৈছে। এতিয়ালৈকে সি স্বৰূপ কুমাৰৰ উপদেশ অনুসৰণ কৰি সফলকাম হৈছে।

সি এইবাৰ ৰংপুৰৰ ইতিহাসৰ গতি পৰিবৰ্ত্তন কৰিবলৈ সাজু হ'ল। সি কোৱা কাহিনীটোৰ ওপৰত কোনোবাই কিবা ক'ব নেকি সি জানিবলৈ বিচাৰিলে। কিন্তু আটাইবোৰে মনে মনে থকা দেখি —স্বৰূপ কুমাৰে কোৱাৰ দৰে এইবাৰ আলোচনা প্ৰশ্নৰ মাধ্যম গ্ৰহণ কৰিলে।

'আচৰিত দেৱতাজনে যেতিয়া ৰংপুৰত তেওঁৰ মহান কৰ্ত্তব্য পালন কৰি সেই আচৰিত জন্তুটোৰ পিঠিত উঠি পোহৰৰ দেশলৈ প্ৰত্যাগমন কৰিলে—তেতিয়া কিয় বাৰু আমাৰ পূৰ্বপুৰুষ সকলে তেওঁৰ তেজ মঙহজাত দেৱশিশুটিক দেৱতাৰ মৰ্যাদা লাভ কৰাৰ পৰা বঞ্চিত কৰিলে?'

মানুহবিলাকক এই বিষয়ে ভাবিবলৈকে সময় নিদি ধন বিলাসে আকৌ প্ৰশ্ন কৰিলে, —'আচৰিত দেৱতাজনে যেতিয়া ৰংপুৰৰ পৰা মেলানি মাগে, —তাৰ আগমুহূৰ্ত্তত পত্নী গৰাকীৰ আগত কৈ গৈছিল যে ৰংপুৰীয়া ৰাইজৰ প্ৰতি থকা তেওঁৰ মৰমৰ প্ৰতিদান স্বৰূপে তেওঁৰে তেজ-মঙহজাত সন্তানটিক ৰংপুৰীয়া ৰাইজৰ বাবে এৰি থৈ

গ'ল। ৰংপুৰবাসীয়ে কিয় বাৰু সেই দেৱশিশুটিক অনাদৰ কৰি মানৱৰ পৰ্যায়লৈ অৱনমিত কৰিলে?'

সকলোবোৰ মানুহ মনে মনে থাকিল। —এইবিলাক প্ৰশ্নৰ উত্তৰ সিহঁতৰ জ্ঞানৰ বাহিৰত। সিহঁতৰ নীৰৱতা কিছু সময় লক্ষ্য কৰি ধন বিলাসে পুনৰাই প্ৰশ্ন কৰিলে, 'তেনেহলে জানো আমাৰ পূৰ্বপুৰুষ সকলে ইচ্ছাকৃতভাৱে সেই দেৱশিশুটিক সামান্য মানৱৰ মৰ্যাদা প্ৰদান কৰিছিল?'

তিনিওটা একেটাই প্ৰশ্ন। ধন বিলাসে মন কৰিলে—মানুহ-জাকৰ অন্তৰত এক মৃদু চাঞ্চল্যই দেখা দিছে। সিহঁতে দেৱশিশুটিক জ্ঞাতসাৰে—মানৱৰ পৰ্যায়লৈ অৱনমিত কৰাৰ একেবাৰে পক্ষপাতী নহয়। ধন বিলাস সুখী হ'ল। সি জিজ্ঞাসু দৃষ্টিৰে এবাৰ ৰংপুৰ ককাৰ পিনে চালে।

বহুদিন বহুবাৰ ৰংপুৰ ককাই নিজৰ মনতে এই প্ৰশ্নটিৰ উত্তৰ বিচাৰি হাহাকাৰ কৰি ফুৰিছে। শেষত এটা সিদ্ধান্তত উপনীতো হৈছে। কিন্তু আজিৰ মেলত তেওঁৰ মনৰ কথা খুলি কবলৈ ইচ্ছা নকৰিলে। ককাই বুজি পালে তেওঁৰ সিদ্ধান্তকেই ধন বিলাসে এই মেলত ব্যক্ত কৰিব। 'ৰংপুৰৰ অমঙ্গল চিন্তা কৰি ককাই ভয় খালে।'

ধন বিলাসে আকৌ ক'লে — 'তাহানি কালত আমাৰ পূৰ্বপুৰুষ সকলে এই বিষয়টো কেনেদৰে লৈছিল সেই বিষয়ে আজি আমি কোনো কথা নাজানো। কিন্তু এইটো কথা ঠিক যে আমাৰ পূৰ্ব-পুৰুষ সকলে জ্ঞাতসাৰে হওক নাইবা অজ্ঞাতসাৰেই হওক—আমাৰ আৰাধ্য দেৱতাজনৰ ওচৰত এক মহৎ অপৰাধ কৰিছিল। তেওঁৰ ঔৰসজাত দেৱশিশুজনক সিহঁতে সামান্য মানৱৰ পৰ্যায়ভুক্ত কৰিছিল। আৰু অতি মন্থৰ গতিৰে হ'লেও সেই ভীষণ অপৰাধৰ ফল আমি ভোগ কৰিব লাগিছে।'

ৰংপুৰ ককা, মানৱ বিকাশ প্ৰমুখ্যে সকলোবোৰ মানুহেই ধন

বিলাসে কোৱা কথাখিনি মনেপ্ৰাণে সমৰ্থন কৰিলে, নিজাববীয়াকৈ তাৰ ভীষণ পৰিণামৰ কথাও চিন্তা কৰিলে। ৰংপুৰ ককাই ভাবিলে— তেওঁৰ ল'ৰালি কালৰেপৰা আজিলৈকে যিমান বিলাক অস্বাভাবিক পৰিবৰ্তন তেওঁৰ দৃষ্টিগোচৰ হৈছে— সেই সকলোবোৰৰে কাৰণ কিজানি ধন বিলাসে কোৱা কথাটিয়েই। তেওঁৰ জন্মৰ আগতে বা আক কিমান পৰিবৰ্তন হৈছে ৰংপুৰৰ। আচৰিত দেৱতাজনৰ উপস্থিতিৰ সময়ত ৰংপুৰখনানো বাৰু কেনেকুৱা আছিল—তাকেই চিন্তা কৰিব ধৰিলে বেমাৰী মানুহজনে। 'হয়তোবা চাৰিওফালৰ পৰ্বতমালাডাল ইমান ওখ নাছিল।'

মানৰ বিকাশেও একে কথাকেই চিন্তা কৰিলে। এই ঘটনাৰ আগতে কিজানি ৰংপুৰীয়া বাইজে পোহৰৰ অনাধিকাত ভুগিবলগীয়া হোৱা নাছিল পোহৰৰ দেৱতাজনৰ ঔৰসজাত সন্তানটিক উপযুক্ত মৰ্যাদা নিদিয়াৰ ফলতে কিজানি—ধীৰে ধীৰে ৰংপুৰত পোহৰৰ অভাৱে দেখা দিছে, পূবৰ পৰ্বতৰাজি ওখ হ'বলৈ আৰম্ভ কৰিছে। ককাৰ নিচিনাকৈ সিয়ো কল্পনা কৰিলে আচৰিত দেৱতাজনৰ উপস্থিতিৰ আগতে—কিমান সময়নে বাৰু ৰংপুৰখন পোহৰে প্লাৱিত কৰি ৰাখিছিল।

কেৱল আনন্দ ক'লে একোকে নুবুজিলে। ৰংপুৰীয়া বাইজে কিভাবে, কেনেদৰে ভীষণ অপৰাধৰ ফল ভোগ কৰিবলৈ আৰম্ভ কৰিছে একোকে বুজিব নোৱাৰিলে সি। পোনপ্ৰথমবাৰৰ বাবে ৰাজসভাৰ মেলত উপস্থিত হৈছে সি। সেইবাবে প্ৰথম উপস্থিতিৰ দিনাখনেই মেলত ভাগ ল'বলৈ ইচ্ছা নকৰিলে সি। সি নিশ্চুপ হৈ মেল শুনাত লাগিল।

আন মানুহবোৰে দেৱতাৰ লগত মিলিমিছি একাকাৰ হৈ থকা-টোৱে মহৎ অপৰাধ বুলি গণ্য কৰিলে। এনে এটা ভীষণ অপৰাধৰ পৰিণাম ভুগিবলগীয়া হোৱা বাবে পূৰ্বপুৰুষ সকলোকে দোষাৰোপ

কৰিলে সিহঁতে। স্বতঃস্ফূৰ্তভাৱে সিহঁতে ধন বিলাসৰ ওপৰতে ইয়াৰ মুক্তি বিচাৰি ভৰসা কৰিলে।

'কিন্তু সেই শিশু দেৱতাজনৰ কি হ'ল?' মানুহ বিলাকৰ মানসিক অৱস্থা চালিজাৰি চাই পুনৰ প্ৰশ্ন কৰিলে ধন বিলাসে।

এইবাৰো কোনো এজনৰে পৰা উত্তৰ নাহিল। 'ৰংপুৰৰ মানুহ বিলাকে কাম কৰিবহে জানে চিন্তা কৰি প্ৰশ্নৰ উত্তৰ দিবলৈ কোনো-দিনেই ইচ্ছুক নহয়।' সেই ভাৱ সিহঁতে নিজৰ অজানিতে ৰংপুৰ ককা আৰু মানৱ বিকাশৰ ওপৰত অৰ্পণ কৰিছে। 'যি কৰিব লাগে সেয়া নিশ্চিন্ত মনে কৰাৰহে পক্ষপাতী সিহঁত।'

নিজৰ প্ৰশ্নৰ উত্তৰ ধন বিলাসে নিজেই দিলে। 'সেই শিশু দেৱতাজনৰ অকালতে মৃত্যু হোৱাৰ বাঞ্ছা নিশ্চয় আমাৰ আৰাধ্য দেৱতাজনে কৰা নাছিল। গতিকে সেই শিশু দেৱতাজনৰ সতি-সন্ততিবোৰ নিশ্চয় ৰংপুৰ সমাজতে আমাৰ মাজতে মিলিমিছি একাকাৰ হৈ আছে।' .. ..

ৰংপুৰ ককাই ধন বিলাসলৈ মুৰ তুলি চালে। এই বিষয়ত তেওঁৰো সেই একেই মত।

.. 'আজিলৈকে তেওঁৰ বংশধৰসকলৰ কোনো ধৰণৰ চিনাকি-কৰণ হোৱা নাই। দেৱতাৰ বংশধৰসকলক তেওঁলোকৰ প্ৰাপ্য সন্মানৰ পৰা বঞ্চিত কৰি—আমাৰ পূৰ্ব পুৰুষসকলে জানো এটা মহৎ ভুলৰ পাতনি মেলি থৈ যোৱা নাই, যি ভুল নিজৰ অজ্ঞানতাবশতঃ ৰংপুৰীয়া ৰাইজে আজিও কৰি আছে?'

ধন বিলাসে মেলত শুনি থকা সকলোৰে মনৰ কথাকে কৈছে এইবাৰ। দেৱ মন্দিৰত অস্বস্তিকৰ পৰিবেশ এটিয়ে বিৰাজ কৰিলে।

যোৱা আনন্দমেলাৰ শেষ দিনাখন ৰংপুৰ ককা নিশ্চিন্ত আছিল -- মানুহ বিলাকৰ মাজৰ পৰা তেওঁ দেৱতাৰ বংশধৰসকলক বিচাৰি উলিয়াব পাৰিব। আজি সেই কথা মনলৈ অহা মাত্ৰকে—বহুদিন

আগতে দেখা অমঙ্গলীয়া সপোনটিহে মনত পৰিল তেওঁৰ। অজান ভয় আৰু অনিশ্চয়তা-শঙ্কাই আবৃত কৰি ধৰিলে তেওঁক।

'আজি সকলোৰে আমাৰ মুখৰ পৰা অভিযানৰ বতৰা ল'বলৈ অধীৰ আগ্ৰহেৰে আশাপালি বৈ আছে। কিন্তু তাৰ আগতে—সকলোৰে জ্ঞাতাৰ্থে এযাৰ কথা উনুকিয়াই থোৱা উচিত যে আমাৰ পোহৰ বিচাৰি যোৱা অভিযান—দেৱতাৰ ইচ্ছাত, সকলোৰে অজ্ঞাতে পোহৰৰ দেশলৈ- -দেৱতাৰ দেশলৈ কৰা অভিযানলৈ পৰিবৰ্তিত হ'ল। ৰংপুৰীয়া ৰাইজৰ বাবে অধিক পোহৰৰ সন্ধান কৰিবলৈ গৈ আমি পোহৰৰ সন্ধান নাপালো। পোহৰৰ দেশৰ দেৱতাসকলৰ এইটো ইচ্ছা নহয় যে -ৰংপুৰৰ সামান্য মানৱ সকলে পোহৰৰ সন্ধান কৰক।'

একান্ত মনে তাৰ কথা শুনি থকা মানুহ বিলাকৰ মুখবোৰ গভীৰভাৱে অধ্যয়ন কৰি লৈ ধন বিলাসে ঘোষণা কৰিলে, 'আমি অভিযাত্ৰীসকলে ৰংপুৰীয়া ৰাইজৰ বাবে এটা গভীৰ সত্য কঢ়িয়াই লৈ আহিছো। -আমি দেৱতাৰ সন্ধান পাইছো।'

কাঁহ পৰি জীন যোৱা নিস্তব্ধতা ভঙ্গ কৰি—স্বৰূপ কুমাৰে প্ৰত্যাবৰ্তনৰ আগ মুহূৰ্ত্তত সিহঁতক কোৱা কথাবোৰৰ সম্পূৰ্ণ বিৱৰণী দি ধন বিলাসে এই বিষয়ত সিহঁতৰো গভীৰ উপলব্ধিৰ কথা ব্যক্ত কৰিলে।

ধন বিলাসৰ বক্তব্য শুনাৰ পিছত মানৱ বিকাশৰ ভাৱ হ'ল তাৰ চিন্তা শক্তিয়ে যেন কাম নকৰা হৈছে। সুস্থিৰভাৱে কথাবোৰ চিন্তা কৰিবলৈ অপাৰগ হ'ল সি। তাৰ অৱচেতন মনে ঘনে ঘনে বিৰুদ্ধাচৰণ কৰা সত্বেও ধন বিলাসে কোৱা কথাখিনিৰ কোনো আঁসোৱাহ উলিয়াব নোৱাৰিলে মানৱ বিকাশে।

তাৰ মনে মনে অলপ অহঙ্কাৰ আছিল—ৰংপুৰ ককাৰ যোগ্য উত্তৰাধিকাৰী হিচাপে সি ৰংপুৰীয়া ৰাইজক সঠিক পথেৰে পৰিচালনা কৰিবলৈ সমৰ্থ। তাৰ বিশ্বাস আছিল ককাৰ পৰা সি উচিত

শিক্ষাকেই আহৰণ কৰিছে। ৰংপুৰৰ সামগ্ৰিক মঙ্গলৰ বাবে—সি ৰংপুৰীয়া ৰাইজক একগোট কৰি আগুৱাই লৈ যাব পাৰিব। স্বৰূপ কুমাৰৰ অভিযানে তাৰ ধ্যান-ধাৰণাৰ ওপৰত আঘাত হানিলেও সম্যকভাৱে সি সেইটো অনুভৱ কৰিব পৰা নাছিল। কাৰণ তাৰ অন্তৰতো আছিল—'উপযুক্ত সময় আহিলে সকলোৱে এক গোট হৈ পোহৰ বিচাৰি যোৱাৰ প্ৰচণ্ড হেঁপাহ।

কিন্তু আজি এই বিশেষ ক্ষণত মানুহবোৰৰ মুখ মণ্ডলত ফুটি উঠা স্বতঃস্ফূৰ্ত অভিব্যক্তিবোৰ তাৰ বুজাত পলম নালাগিল। সিহঁতে পোহৰৰ পম খেদি যোৱাটো দেৱতাৰ কাম্য নহয়। মানৱ বিকাশ ভীষণভাৱে আশাহত হৈ পৰিল। মাথোন এমাহমান আগৰ উদণ্ড ধন বিলাসে দেৱৰক্তৰ বলত লাভ কৰা প্ৰখৰ ব্যক্তিত্বৰ আগত সি আনকি ৰংপুৰ ককাও তেনেই ম্লান পৰি গৈছে। মানৱ বিকাশে নিজেই বুজিব নোৱাৰিলে ধন বিলাসে কোৱা কথাবোৰ সি বাৰু কেনে ধৰণেৰে গ্ৰহণ কৰিছে।

কিন্তু মানৱ বিকাশৰো ৰংপুৰ ককাৰ দৰে চিন্তা-ভাৱনাবোৰ ৰংপুৰীয়া ৰাইজৰ একত্ৰিত কিন্তু অকথিত চিন্তা-ভাৱনাবোৰৰ পিছে পিছেই দৌৰে। আজিলৈকে তাৰ কোনো ব্যতিক্ৰম হোৱা নাই। দেখাত যদিও এনেহে লাগে যেন ৰংপুৰ ককা নাইবা মানৱ বিকাশৰ কথা ৰংপুৰৰ ভূত-ভৱিষ্যত আৰু বৰ্ত্তমান সম্পৰ্কে শেষ কথা, কিন্তু প্ৰয়োজন মানুহে দৰাচলতে ৰাইজৰ অন্তৰৰ চিন্তাধাৰা প্ৰকাশ কৰা যন্ত্ৰ এটাহে মাথোন।

অৱশেষত সেইকথাটোৱে পুনৰ প্ৰতিপন্ন হ'ল। ৰংপুৰীয়া ৰাইজৰ ৰায় মানি ললে মানৱ বিকাশে। যি সকলে এতিয়াও পোহৰৰ দেশলৈ বুলি কৰা অভিযানৰ পৰিসমাপ্তি ঘটোৱা নাই স্বৰূপ কুমাৰৰ সেই দলটিৰ প্ৰত্যেক জনকে দেৱতা বুলি মনে মনে মানি ললে সি। স্বৰূপ কুমাৰৰ লগত থকা মতভেদৰ কথা চিন্তা কৰি মানৱ বিকাশে

নিজকে গুৰুতৰ অপৰাধত অভিযুক্ত কৰিলে। স্বৰূপ কুমাৰৰ তিৰোতা জনীৰ কথাও মনলৈ আহিল তাৰ। 'দেৱভোগ্যা তিৰোতা এজনী সামান্য মানুহ এজনৰ বাবে জন্ম গ্ৰহণ নকৰে।" ধন বিলাসৰ ওপৰত কৰা পূৰ্বৰ অত্যাচাৰবোৰৰ কাৰণেও সি লজ্জিত হ'ল। বিদ্যুৎ চঞ্চলৰ জীৱনৰ করুণ পৰিসমাপ্তিয়ে তাৰ এই ভাৱধাৰা যথেষ্ট শক্তিশালী কৰি তুলিলে।

ৰংপুৰৰ আন মানুহবোৰৰ দৰে অন্তৰেৰে মানৱ বিকাশেও স্বীকাৰ কৰি ললে স্বৰূপ কুমাৰ নাইবা ধন বিলাসহঁতৰ দৈৰৰ মানুহ বিলাকৰ তুলনাত ৰংপুৰ ককা, সি, আন মানুহবোৰ সামান্য মানৱ মাথোন।

মানৱ বিকাশ মনে মনে থাকিলে। পৰিস্থিতিয়ে ইয়াৰ পিছত কি ৰূপ লয় তাকেই চাবলৈ অপেক্ষা কৰি থাকিল সি।

বহু দিন বহু বাৰ চিন্তা কৰি কৰি পাৰ নোপোৱা ৰংপুৰ ককাই ধন বিলাসৰ মুখে একান্ত মনে শুনিলে দেৱশিশু জনৰ প্ৰকৃত ৰহস্য। কিন্তু বিশ্বাস কৰিব নে নকৰিব - চাৰিকুৰি বছৰীয়া বেমাৰী দেহাৰে সেইটো হলে ঠিক কৰিব নোৱাৰিলে। দুই আঁঠুৰ মাজৰ পৰা মুখখন উলিয়াই তেওঁৰ পিছত বহি থকা মানুহ বিলাকৰ মুখমণ্ডল পঢ়িবৰ চেষ্টা কৰিলে তেওঁ। 'কিন্তু মানুহবোৰৰ মুখবোৰেই যেন তেওঁৰ কল্পিত আচৰিত জন্তুটোৰ মুখখন।' চমকি উঠি তেওঁ ওচৰত বহি থকা মানৱ বিকাশৰ পিনে চালে। তালৈ চাই তেওঁৰ দৃঢ় প্ৰত্যয় জন্মিল যে আন মানুহবোৰৰ লগতে মানৱ বিকাশেও ধন বিলাসৰ কথাবোৰ বিশ্বাস কৰিছে।

ৰংপুৰ ককায়ো অৱশেষত খেলিমেলি লাগি থকা তেওঁৰ চিন্তাৰ প্ৰৱাহ একেটা সুঁতিৰে বোৱাই দিলে। ধন বিলাসে কোৱা কথাবোৰ সত্য বুলি নিজৰ মনক প্ৰত্যয় নিয়ালে। তেওঁ নিজেওতো একেটা চিন্তাকেই কৰিছিল। কিন্তু শান্তি নাপালে তেওঁ। মানৱ বিকাশ

চিন্তা কৰাৰ দৰে 'ৰংপুৰৰ ভৱিষ্যতে' এইবাৰ কোন পথে গতি কৰে একো ঠিৰাং কৰিব নোৱাৰি তাকেই ভাবি ভাবি তেওঁ বহি থাকিল।

ৰংপুৰৰ জ্ঞানৰ ভঁড়াল ৰংপুৰ ককাৰ প্ৰচণ্ড ব্যক্তিত্বৰ মোহময়ী আকৰ্ষণৰ পৰা তেতিয়াও কিন্তু ৰংপুৰীয়া ৰাইজ মুক্ত হ'ব পৰা নাছিল। কি কৰিব কি নকৰিব, কোনটো সত্য কোনটো অসত্য একো ঠিৰাং কৰিব নোৱাৰি সিহঁতে ৰংপুৰ ককাকেই যেন দায়িত্ব ভাৰ অৰ্পণ কৰিলে। ককাৰ মুখৰ পৰা এষাৰ কথা শুনিবলৈ সিহঁতে আশা পালি বৈ থাকিল।

বহু সময় কাৰো মুখত কোনো কথা নাই, নীৰৱ নিস্তব্ধ। ধন বিলাসে অস্বস্তিবোধ কৰিলে। ৰংপুৰীয়া ৰাইজে তাৰ কথাবোৰ মনে প্ৰাণে বিশ্বাস কৰিলেও—ৰংপুৰ ককা আৰু মানৰ বিকাশাকা উপেক্ষা কৰিব পৰা নাই। আত্মসম্মানত আঘাত লাগিল দেৱকন্যাৰ ৰক্তৰ অধিকাৰী ধন বিলাসৰ। পূৰ্বৰ উদ্ধত, উদণ্ড স্বভাৱে মূৰ দাঙি, উঠিল। ক্ৰোধত উন্মত্ত হৈ পৰিল সি, কিন্তু পিছ মুহূৰ্ততে মহান উদ্দেশ্যৰ কথা স্মৰণ কৰি বহু কষ্টেৰে ক্ৰোধ সম্বৰণ কৰিলে ধন বিলাসে। এই মুহূৰ্তৰ সাধাৰণ এটি ভুলে সুদূৰ প্ৰসাৰী প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে। এটা কথা ভাবি সি সুখীও হ'ল। মেলে-সৰাহে এষাৰ মাত মাতিব নোৱাৰা সি—দেহত প্ৰৱাহিত দেৱৰক্তৰ বলত বলীয়ান হৈ নিজস্ব বাকপটুতাৰে সমগ্ৰ ৰংপুৰবাসীৰ মনত আলোড়ন তুলিবলৈ সমৰ্থ হৈছে। মানুহবোৰক আৰু কিছু সময় দি সি উপযুক্ত সময়লৈ অপেক্ষা কৰিলে।

ধন বিলাসে স্বৰূপ কুমাৰৰ দৰে ৰংপুৰ ককাৰ দুৰ্বল স্থানত আঘাত কৰিবলৈ ঠিক কৰিলে। কিছু সময় আগতে ৰংপুৰীয়া ৰাইজক কৰা প্ৰশ্ন কেইটিকেই অলপ সালসলনি কৰি সি ককাক প্ৰশ্ন কৰাত লাগিল।

'ৰংপুৰ ককা! যিজনা দেৱতা আমাৰ আৰাধ্য দেৱতা, —যি

জনাক আমি, আমাৰ পূৰ্বপুৰুষ সকলে আজি ইমান দিনে পূজা সেৱা কৰি আহিছো—সেই আচৰিত দেৱতাজনৰ ৰংপুৰত পদাৰ্পণৰ কাহিনীটো বাৰু মিছা নেকি ?’

ৰংপুৰ ককাই কোনো উত্তৰ নিদিলে। দিয়াৰ কোনো কাৰণো নাই। ইয়াৰ পিছত ধন বিলাসেনো কি কয় তাকেই শুনিবলৈ আশা কৰিলে তেওঁ।

ককাৰ উত্তৰলৈ আশা নকৰি পুনৰ প্ৰশ্ন কৰিলে ধন বিলাসে ‘আচৰিত দেৱতাজনাৰ ঔৰসত জন্ম গ্ৰহণ কৰা সন্তানটি জানো প্ৰকৃততে দেৱশিশু নাছিল ? আমাৰ আৰাধ্য দেৱতাজনে কিয় বাৰু তেওঁক আমাৰ মাজত এৰি থৈ গ’ল ?’

এইবাৰো ককাই কোনো উত্তৰ নিদিলে। এই কথাবোৰ ধন বিলাসেইতো অলপ আগতে আলোচনা কৰিছে। তেওঁ চিন্তা কৰিলে দৰাচলতে ধন বিলাসেনো কি ক’বলৈ বিচাৰিছে।

ধন বিলাসে পুনৰ প্ৰশ্ন কৰিলে, ‘আচৰিত দেৱতাজনে তেওঁৰ শিশু সন্তানটিক ৰংপুৰীয়া ৰাইজৰ মাজত এৰি থৈ যোৱাৰ জানো কোনো উদ্দেশ্য নাছিল ?’

‘ৰংপুৰ ককা ! আপুনি আমাৰ ৰংপুৰৰ জ্ঞানৰ ভঁড়াল। আপুনি এই প্ৰশ্নকেইটাৰ উত্তৰ দিয়ক। তেনেহলে সকলো কামেই সুচাৰুৰূপে সমাধা কৰিব পৰা যাব।’ ধন বিলাসে ৰংপুৰ ককাক অলপ জোৰ দিয়েই ধৰিলে।

দুই আঁঠুৰ মাজত মুখ গুজি বহি থকা ৰংপুৰ ককাই কিন্তু তেনে কোনো ইচ্ছা প্ৰকাশ নকৰিলে। এই প্ৰসঙ্গটো লৈয়েই দুই বছৰ মান আগতে ধন বিলাসে কৰা অপমানৰ কথা স্মৰণ কৰিলে তেওঁ। আজিও ককাই বুজি পালে ধন বিলাসে মনতে ভাবি থকা কথাবোৰ ক’ব নোৱাৰিলে অপমানৰ সন্মুখীন হ’ব তেওঁ। তদুপৰি ধন বিলাসে কৰা প্ৰশ্ন কেইটিৰ উত্তৰ স্বৰূপে নতুনকৈ ক’বলগীয়া তেওঁৰ একো কথা নাই।

ধন বিলাসে এবাৰ মানৱ বিকাশৰ পিনে চালে। মানৱ বিকাশেও বুজি নাপালে ধন বিলাসে বংপুৰ ককাৰ পৰা প্ৰকৃততে কি জানিবলৈ বিচাৰিছে। ককাৰ নীৰৱতায়ো তাক চিন্তাত পেলালে। সি বুজি পালে বংপুৰৰ মানুহ বিলাকে আশা কৰি আছে—বংপুৰ ককা আৰু সি ধন বিলাসৰ লগত এই বিষয়ে আলোচনা কৰিব। সিহঁত কিন্তু নিৰাশ হ'ল। ককা আৰু মানৱ বিকাশৰ ইচ্ছাকৃত নীৰৱতাই ধন বিলাস আৰু আন অভিযাত্ৰী সকলৰ শ্ৰেষ্ঠতা সিহঁতৰ ওচৰত আৰু বেছিকৈ প্ৰতিপন্ন কৰিলে। ধন বিলাসৰ মুখেৰেই আৰু বেছি কথা শুনিবলৈ সিহঁত আগ্ৰহান্বিত হ'ল। ধন বিলাসেও এই সুবিধা গ্ৰহণ কৰিলে।

'অতি কম সময়ৰ ভিতৰতে বংপুৰত কোনো দিনে কল্পনা নকৰা যিবিলাক ঘটনা ঘটি গ'ল,--এতিয়া সেইবিলাক আমাৰ ইচ্ছাতেই ঘটা বুলি ধৰিলে ভুল কৰা হ'ব। এই সকলো বিলাক দেৱতাৰ ইচ্ছাতেই সম্পন্ন হৈছে,—আমি উপলক্ষ্যহে মাথোন। হয়তো আমাৰ আৰাধ্য দেৱতাজনৰ এইটোৱে ইচ্ছা যে তেওঁৰ বক্তবহনকাৰী সকলে বংপুৰ সমাজত উপযুক্ত মৰ্যাদা লাভ কৰক। বংপুৰৰ সামগ্ৰিক কল্যাণৰ পথ দেখুৱাই বংপুৰৰ পথ প্ৰদৰ্শক হওক তেওঁলোক।

'আমাৰ প্ৰত্যাবৰ্ত্তনৰ পিছতো যি সকলে পোহৰৰ দেশলৈ কৰা অভিযানৰ সামৰণি নামাৰি পোহৰৰ দেশলৈকে আগুৱাই গৈ আছে,—স্বৰূপ কুমাৰৰ সেই মহান দলটিৰ প্ৰত্যেকজনকে আমি দেৱতা বুলি মানি লৈছো। মহান স্বৰূপ কুমাৰক সেই সকলৰ ভিতৰত শ্ৰেষ্ঠতম বুলি মানি লবলৈয়ো আমি কুণ্ঠাবোধ কৰা নাই। আশাকৰো এই বিষয়ত কোনো এজনৰে দ্বিমত নহ'ব। বংপুৰীয়া বাইজৰ আশা-আকাঙ্খাৰ সফল ৰূপায়ণৰ বাবে—এতিয়াৰে পৰা আৰু বংপুৰীয়া বাইজৰ চিন্তা-চৰ্চ্চা কৰিবৰ কোনো আৱশ্যক নহ'ব। কাৰণ সেই ভাৰ দেৱতা সকলৰ ইচ্ছাত--মহান স্বৰূপ কুমাৰ আৰু তেওঁৰ অনুগামী দেৱতা

সকলৰ ওপৰত ন্যস্ত কৰা হৈছে। এতিয়াৰে পৰা ৰংপুৰলৈ অধিক পোহৰ কঢ়িয়াই আনি ৰংপুৰ পথাৰ সেউজ-সোণালী কৰাৰ দায়িত্ব তেওঁলোকৰ।

ৰাইজৰ মাজত বিৰাজ কৰা মৃদু গুঞ্জন আৰু চঞ্চলতা লক্ষ্য কৰি ধন বিলাসে পুনৰ ক'বলৈ আৰম্ভ কৰিলে, 'মই কোৱা কথা বিলাকৰ গুৰুত্ব কিমান সেইটো—আজি দুই বছৰমান আগতে মহান স্বৰূপ কুমাৰৰ প্ৰস্তাৱ উলঙ্ঘা কৰাৰ পৰাই বুজিব পাৰি। সেই দিনাখন তেওঁৰ যুক্তিবোৰ উলাই নকৰা হ'লে ৰংপুৰীয়া ৰাইজৰ ধাননি পথাৰ ডেইপুৰি নগ'লহেঁতেন। —এতিয়া অৱশ্যে সেইবিলাক কথাৰ বকলা মেলা অনৰ্থক।

এইবাৰ ধন বিলাস অত্যন্ত সাৱধান হ'ল।

'ৰংপুৰীয়া ৰাইজে মহান স্বৰূপ কুমাৰ তথা পোহৰৰ দেশলৈ যাত্ৰা কৰা দেৱৰাজ্যৰে মহীয়ান সকলক ত্ৰাণকৰ্তা হিচাপে গ্ৰহণ কৰিব নে অন্যথাই সম্ভাব্য বিপদ চপাই ল'ব —সেইটো ৰাইজৰ বিচাৰ বিবেচনাৰ ওপৰতে নিৰ্ভৰ কৰিছে। তাত আমাৰ দেৱ কন্যাৰ ফৈদৰ লোক সকলৰ কবলগীয়া একো নাই। কিন্তু আমি তেওঁলোকক আমাৰ ত্ৰাণকৰ্ত্তা দেৱতা হিচাপে বৰণ কৰি লৈছো। আমাৰ সামগ্ৰিক উন্নতিৰ বাবে- মহান স্বৰূপ কুমাৰে আমাক দি থৈ যোৱা শেষ নিৰ্দেশ-টোৱেই মানি চলিম বুলি সিদ্ধান্ত গ্ৰহণ কৰিছো।'

ধন বিলাসৰ কথাখিনিয়ে ৰংপুৰ ককা, মানৱ বিকাশকে ধৰি অভিযানত অংশ গ্ৰহণ নকৰা সকলৰ মনত অদ্ভুত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। প্ৰবল উৎকণ্ঠা আৰু অনুসন্ধিৎসু মনেৰে সকলোৱে শুনিবলৈ অপেক্ষা কৰি থাকিল—স্বৰূপ কুমাৰেনো বাৰু ধন বিলাসক দেৱকন্যাৰ ফৈদৰ দলটিক কি নিৰ্দেশ দি থৈ গৈছে, যিটো নিৰ্দেশ পালন কৰিবলৈ প্ৰকাৰান্তৰে ধন বিলাসে সিহঁতকো উদ্‌গনি দিছে। এতিয়া আৰু স্বৰূপ কুমাৰহঁতৰ দেৱত্বপ্ৰাপ্তি সম্পৰ্কে ককা, মানৱ বিকাশহঁতৰ কোনো

সন্দেহ নাই। ৰংপুৰলৈ পোহৰ কঢ়িয়াই অনাৰ ক্ষেত্ৰত স্বৰূপ কুমাৰৰ ভৱিষ্যৎ কৰ্মপন্থা ধন বিলাসে যিদৰে ব্যাখ্যা কৰিলে সেয়া যদি সত্যত পৰিণত হয় তেনেহলে ৰংপুৰীয়া ৰাইজৰ বাবে সেইটোৱে আশীৰ্বাদ স্বৰূপ হ'ব।

'আমাৰ আৰাধ্য দেৱতা সকলৰ নিৰ্দেশক্ৰমে', ধন বিলাসে আৰম্ভ কৰিলে, 'যিহেতু আমাৰ পূৰ্বৰ ৰংপুৰ সমাজখন এতিয়া তিনিটা সম্পূৰ্ণ নতুন কৈফদত বিভক্ত হৈছে, এতিয়া আৰু সেই পৰম সত্যটিক উলাই কৰিব নোৱাৰি। দেৱপুত্ৰৰ ঔৰসজাত মহান পুত্ৰসকলে ইতিমধ্যে দেৱতাৰ দেশলৈ যাত্ৰা কৰিছে। দেৱত্বপ্ৰাপ্ত হৈছে তেওঁলোক। আন-হাতে দেৱকন্যাৰ কৈফদৰ আমি যি সকলে পোহৰৰ দেশলৈ বুলি বহুদূৰ বাট আগুৱাই গৈছিলো—আমাৰ শৰীৰতো কিছু পৰিমাণে হলেও মই আগতে উল্লেখ কৰা হিচাপে, দেৱৰক্ত প্ৰৱাহমান। গতিকে আমাৰ স্থানে দেৱ পুত্ৰৰ বংশধৰ সকলৰ সমপৰ্যায়ৰ নহলেও ৰংপুৰৰ আন অধিবাসী সকলতকৈ বহু ওপৰত। গতিকে এই সত্য উদঘাটিত হোৱাৰ পিছত একে ৰংপুৰ সমাজতে আনসকলৰ লগত মিলি-মিছি একাকাৰ হৈ থকাটো আমাৰ আৰাধ্য দেৱতাজনৰ নিশ্চয় অভিপ্ৰেত নহয়। মহান স্বৰূপ কুমাৰে আমাক সেই বিষয়ৰো পথ নিৰ্দেশনা দি থৈ গৈছে।'

কাঁহ পৰি জীন যোৱা নীৰৱতাৰ মাজত ধন বিলাসে ঘোষণা কৰিলে, 'মহান স্বৰূপ কুমাৰৰ শেষ নিৰ্দেশ পালন কৰিবলৈ আমি যি ঠাইৰ পৰা আমাৰ অভিযানৰ সামৰণি মাৰি ৰংপুৰীয়া ৰাইজক পবিত্ৰ সত্যটিৰ বিষয়ে অৱগত কৰিবলৈ উভতি আহিছিলো,—পুনৰ সেই ঠাইখনলৈকে উলটি যামগৈ। ৰংপুৰৰ লগত সম্পূৰ্ণ যোগাযোগ বজাই ৰাখি আমি সেই ঠাইত নতুন ৰংপুৰ এখন স্থাপন কৰিম। আমাৰ বিশ্বাস পোহৰৰ দেশৰ দেৱতা সকলৰ নিৰ্দেশ ৰংপুৰীয়া ৰাইজতকৈ আমি নিশ্চয় আগতে লাভ কৰিম। তেওঁলোকৰ নিৰ্দেশ মতে

কাম কৰি পাবলৈ আমি ইয়ালৈ বাৰ্তা প্ৰেৰণ কৰিম ফলস্বৰূপে আমাৰ মাজত যোগাযোগ, মিলাপ্ৰীতি এতিয়াৰ দৰেই বজাই থাকিব। মহান স্বৰূপ কুমাৰ আৰু অন্যান্য দেৱতাসকল হ'ব আমাৰ প্ৰধান সহায়ক আৰু মুখ্য পথ নিৰ্দেশক।

ৰংপুৰ ককা, মানৱ বিকাশহঁতে ধন বিলাসৰ মুখে আচৰিত কথা এটি শুনিবলৈ আগৰে পৰা সাজু হৈ আছিল, —কিন্তু ধন বিলাসৰ ঘোষণা একেবাৰে অপ্ৰত্যাশিত। তথাপি কোনো এজনেও প্ৰতিবাদ নকৰিলে, প্ৰতিবাদ কৰাৰ ভাষা বিচাৰি নাপালে। উপায়ো বা কাৰণো বিচাৰি নাপালে। ধন বিলাসৰ শেষ কথখিনি কিন্তু মনে-প্ৰাণে সমৰ্থনো কৰিব নোৱাৰিলে সিহঁতে। দেৱকন্যাৰ কৈদৰ লোক সকলে প্ৰতিষ্ঠা কৰিব খোজা 'নতুন ৰংপুৰ'খনৰ সম্বন্ধে চিন্তা কৰিবলৈ গৈ সিহঁতৰ চিন্তাত খোকোজা লাগিল।

মানৱ বিকাশৰো সেই একেই অৱস্থা হ'ল। এই দোধোৰ মোধোৰ অৱস্থাটিৰ পৰা পৰিত্ৰাণ পাবলৈ বৰ আশাৰে সি ৰংপুৰ ককাৰ পিনে চালে। সি কিন্তু খুব নিৰাশ হ'ল। ৰংপুৰ ককাই আগৰ দৰেই দুই আঁঠুৰ মাজত মুখখন গুজি দি বহি আছে,—ৰংপুৰৰ ভূত-ভৱিষ্যত সম্পৰ্কে তেওঁৰ যেন কৰিবলগীয়া, কবলগীয়া কোনো কথাই নাই। মানৱ বিকাশে ককাৰ এই নিৰ্লিপ্ততাক আৰু সহজভাৱে ল'ব নোৱাৰিলে, চিঞৰি কৰি থ উঠি গ'ল তাৰ। ৰংপুৰবাসীৰ ভৱিষ্যত নিহিত হৈ থকা এই বিষয়টোৰ যথাযথ উত্তৰ আজিও ৰংপুৰ ককায়েই দিব লাগিব। 'ৰংপুৰৰ জ্ঞানৰ ভঁড়াল ৰংপুৰ ককা আজিও ৰংপুৰীয়া বাইজৰ মুখপাত্ৰ।'

কিন্তু ওচৰতে বহি থকা ৰংপুৰ ককাৰ পিনে চাই থাকোঁতে থাকোঁতেই উচপ খাই উঠিল মানৱ বিকাশ। তীব্ৰ জ্বৰৰ প্ৰকোপত চেতনা বিলুপ্ত ককাৰ দেহটো তাৰ চকুৰ আগতে মাটিত লুটি খাই পৰিল। লগে লগে সকলো পাহৰি কেইজনমান মানুহ উধাতু খাই

ককাৰ ওচৰ পালেহি। মানৱ বিকাশৰ কথা মতে আনন্দ প্ৰকাশ আৰু কেইজনমান ডেকাই ককাৰ দেহাটো পথালি কোলাকৈ তেওঁৰ ঘৰলৈকে লৈ আহিল। মানৱ বিকাশৰ নিজৰো যোৱাৰ ইচ্ছা আছিল, কিন্তু মেলখনে শেষলৈ কি গতি লয় তাকে চাবলৈ সি বৈ গ'ল। অলপ আগতে ককাৰ ওপৰত উঠা খংটোৰ কথা ভাবি সি মনে মনে ভীষণ লাজ পালে। তাৰ ভাব হ'ল চাৰিকুৰি বছৰ বয়সীয়া বৃদ্ধ ককাৰ ওচৰত সি যেন ভীষণ অপৰাধ এটি কৰিলে।

ৰংপুৰ ককাক লৈ যোৱাৰ পিছত মেলখন আৰু বেছি সময় নিটিকিল। হঠাতে মানুহবোৰৰ যেন উৎসাহ নাইকিয়া হ'ল। উভয় পক্ষই মেলখনৰ শেষ নিৰ্দ্ধাৰণ কৰিবলৈ যেন ধন বিলাস আৰু মানৱ বিকাশকেই দায়িত্ব ভাৰ অৰ্পণ কৰিলে।

ৰংপুৰ ককাৰ নীৰৱ উপস্থিতিয়ো যে ৰংপুৰীয়া ৰাইজক নিশ্চিন্ত কৰি ৰাখিব পাৰে, ধন বিলাসহঁতে পুনৰ এবাৰৰ বাবে বুজি পালে।

কোনোবাই কিবা কোৱাৰ আগতে ধন বিলাসে সিহঁতৰ ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে মানৱ বিকাশহতক পুনৰ জানিবলৈ দিলে। দুই এদিনৰ ভিতৰতে সিহঁতে পুনৰ নতুন ৰংপুৰলৈ উভতি যাব,— পোহৰৰ দেশৰ দেৱতা সকলৰ পৰা পোৱা নিৰ্দেশে যিমান সোনকালে পাৰি সিমান সোনকালেই সিহঁতক অৱগত কৰিব যাতে ৰংপুৰীয়া ৰাইজে সেই মতে কাম কৰি যাব পাৰে।

□□

সেইদিনাখনৰ মেলৰ পিছত দেৱকন্যাৰ কৈফদৰ লোকসকলে ৰংপুৰত মাথোন তিনি দিনহে থাকিল। জেঠ মাহৰ তেৰ দিনৰ দিনাখন তেওঁলোকে তেওঁলোকৰ আশৈশৱ চিনাকি ৰংপুৰ খনৰ মায়া মমতা এৰি তাৰ বাসিন্দা সকলৰ লগত এক বহল ব্যৱধানৰ সৃষ্টি কৰি গুচি হ'ল গৈ। যাবৰ সময়ত ধন বিলাসে, বিদ্যুৎ চঞ্চলৰ বিধৱা ঘৈণীয়েক আৰু ধ্যান ৰাজকো তেওঁলোকৰ লগত নিবলৈ চেষ্টা কৰিছিল; কিন্তু সিহঁত কোনোপধ্যে ৰাজী নহ'ল।

বিদ্যুৎ চঞ্চলৰ একমাত্ৰ ল'ৰা ধ্যান ৰাজ শৈশৱৰে পৰা ককা-দেউতাক ৰংপুৰ ককাৰ কোলাই বোকোচাই উঠি ডাঙৰ হোৱা ল'ৰা। ককাৰো চেনেহৰ নাতি ল'ৰা সি। বাপেক বিদ্যুৎ চঞ্চল নলগা হুওত লাগি ফুৰা স্বভাৱৰ এধানি মানো ধ্যান ৰাজৰ চৰিত্ৰত নাই। এই কোমল বয়সতে সি ৰংপুৰ ককাৰ চৰিত্ৰৰ ভালেমান গুণ উত্তৰাধিকাৰী সূত্ৰে পাইছে। মানৱ বিকাশৰো অতি প্ৰিয়পাত্ৰ সি, আনন্দ মেলাৰ শেষ দিনাখন যেতিয়া সিদ্ধান্ত হ'ল যে—স্বৰূপ কুমাৰৰ নেতৃত্বত ৰংপুৰৰ একাংশ মানুহে পোহৰ বিচাৰি অভিযান কৰিব, কিন্তু মানৱ বিকাশ আৰু ককাই এই অভিযানত অংশ গ্ৰহণ নকৰে—বিদ্যুৎ চঞ্চলৰ পুতেক-ঘৈণীয়েকৰ অকণো ইচ্ছা নাছিল এই অভিযানত অংশ গ্ৰহণ কৰাৰ। কিন্তু চঞ্চল মতিৰ বিদ্যুৎ চঞ্চলৰ ভয়ত এজনেও মাত মাতিব নোৱাৰিলে। দেৱকন্যাৰ কৈফদৰ লোকসকলক স্বৰূপ কুমাৰে কোৱা আটাইবোৰ কথা চালি জাৰি চাই তাৰ কিশোৰ মনত এই ধাৰণাটো বদ্ধমূল হিচাপে শিপাইছিল যে তাৰ দেহতো দেৱৰক্ত প্ৰৱাহিত হোৱা নাই। কাৰণ সি দেৱৰক্তৰ অধিকাৰী হোৱাহেঁতেন

ককাদেউতাক ৰংপুৰ ককাও দেৱৰক্তৰ অধিকাৰী হ'ব লাগিব। কিন্তু স্বৰূপ কুমাৰে সেইটো আগতেই নাকচ কৰি দিছে। গতিকে ধ্যান ৰাজৰ পোহৰৰ দেশলৈ যোৱা দূৰৈৰে কথা, নতুন ৰংপুৰলৈ যোৱাৰো সাহসে মুকুলালে। মাকেও তাৰ কথাতে হয়ভৰ দিলে, —কোনে জানে আকৌ যাত্ৰা কৰিলে জানোচা তাই চেনেহৰ একমাত্ৰ পুতেকো হেৰুৱাবলগীয়াত পৰে। ধন বিলাসে জোৰ দি ধৰাত তাই এইখিনি কথাখিনি কথাকে কৈছিল। ফলত ধন বিলাসে তাইৰ কথাখিনিকে সদৰি কৰি সকলোকে বুজাই দিলে যে ধ্যান ৰাজৰ দেহতো দেৱৰক্ত প্ৰৱাহিত হোৱা নাই। এইবাৰ কিন্তু সেই কথাটো ৰংপুৰৰ কোনো এজন মানুহেই গুৰুত্বপূৰ্ণ হিচাপে বিবেচনা নকৰিলে।

কিন্তু দেৱকন্যাৰ লোকসকলৰ লোকসকলৰ চাল-চলন, আচাৰ-ব্যৱহাৰে যে ৰংপুৰৰ অপৰিপক্ক চিন্তাধাৰাৰ মানুহবোৰৰ অন্তৰতো গভীৰভাৱে ৰেখাপাত কৰিছিল তাৰ প্ৰথম প্ৰমাণ পোৱা গ'ল তেওঁলোকে বিদায় লোৱাৰ দিনাখন। ককাৰ ওচৰত থকা মানৱ বিকাশ, ধ্যান ৰাজ আৰু দুই চাৰিজনৰ বাহিৰে ৰংপুৰৰ আন সকলোবোৰ মানুহেই দেৱকন্যাৰ কৈদৰ লোক সকলক বিদায় দি থৈ আহিল গৈ। ৰংপুৰৰ শেষ সীমালৈকে আহিছিল সিহঁত। কিন্তু আগৰবাৰ যেনেদৰে মানুহবোৰে ৰং ৰহইচ কৰিছিল এইবাৰ নহ'ল। ধন বিলাস আৰু দেৱকন্যাৰ কৈদৰ অন্যান্য সকলে অশেষ অনুৰোধ কৰা সত্বেও আনন্দ প্ৰকাশৰ ঢোলত এটিও চাপৰ নপৰিল; এটা গীতৰ কলিও ছিটিকি নপৰিল। ঢোল-টকা-গগনা বিলাক সিহঁতে যেন অকাৰণতে লগত লৈ আহিল।

বাটত ধন বিলাসে ৰংপুৰৰ মানুহ বিলাকৰ আগত মেলত কোৱা কথাবোৰকেই পুনৰ বাৰ দোহাৰিলে। মানুহবোৰে নীৰৱে শুনি শুনি আহি থাকিল। ৰাতিপুৱাৰ সূৰুযে পূব পিনৰ ওখ পৰ্বতৰ মাজৰ পৰা ভুমুকি মৰাৰ কিছু সময়ৰ আগতেই গোটেই বিলাক মানুহ ৰংপুৰৰ শেষ সীমাত উপস্থিত হ'ল। লগে লগে মানুহবোৰ দুটা

ভাগত বিভক্ত হ'ল। আনন্দ প্ৰকাশহঁতে দেৱকন্যাৰ কৈদৰ লোক-সকলে 'নতুন ৰংপুৰ' অভিমুখে কৰা যাত্ৰা কিছু সময়লৈ লক্ষ্য কৰি উভতি খোজ ল'লে।

: ঘটনাবোৰ দেখোন ক'ৰ পৰা গৈ কিহত পৰিল। —মনৰ ভাব প্ৰকাশ কৰিলে এজনে। মানুহবোৰে তাৰ কথাৰ কোনো উত্তৰ নিদিলে। সকলোৱে তাকেই ভাবিছে।

: কোনে কি ভাৱে নাজানো—দেৱতা হোৱা মানুহবোৰ কিন্তু দেৱতা হোৱাৰ উপযুক্ত নাছিল। —মনত খেলোৱা কথাটি কৈ দিয়াই আপোনভোলা ভোলানাথৰ বিশেষত্ব—লাগিলে ভালেই হওক বা বেয়াই হওক।

এইখিনিও সকলোৰে মনৰ কথা। সিহঁত নিকত্তৰ হৈয়েই আছি থাকিল।

: এইখন ৰংপুৰলৈ নতুন দেৱতাবিলাকে বাৰু কেনেকৈ অধিক পোহৰ আনিব?

: পুব আৰু পশ্চিমৰ পৰ্বতবিলাক চাপৰ কৰি দিলেই হ'ল।

: দেৱতাসকলৰ জানো ইমানেই শক্তি?

: ধন বিলাসে দেখোন তাকেই বৰ্ণনা কৰি গ'ল।

: দেৱতাবিলাকৰ চৰিত্ৰবিলাক কিজানি আঁকোৰগোজ আৰু উদণ্ড স্বভাৱৰ। —ধন বিলাসৰ উদণ্ড স্বভাৱ আৰু স্বৰূপ কুমাৰৰ আঁকোৰগোজ মনোভাৱৰ কথা স্মৰণ কৰি এজনে মাত লগালে।

তাৰ কথাৰ উত্তৰ দিবলৈও কোনো নোলাল।

: ৰংপুৰ ককা আৰু মানৱ বিকাশৰ সিদ্ধান্তক নেউচি আমি জানো দেৱতাৰ নিৰ্দেশ মতে এতিয়াৰে পৰা খেতিৰ কামো চলাব লাগিব?

: সেইবিলাক ভৱিষ্যতৰ কথা। ককাহঁতেই চিন্তা কৰিব। খেতিৰ বিষয়ে বৰ্তমানে আমি ককাহঁতৰ কথাই মানি চলা উচিত। —আনন্দ প্ৰকাশৰ কথাবিলাক আজিকালি বিজ্ঞবৃদ্ধ মানুহৰ দৰে হৈছে।

ঃ বংপুৰ ৰুকা দেৱতা হোৱা হ'লে কিমান যে আনন্দৰ কথা হ'লহেঁতেন ? সিহঁতে নীৰৱে আছি থাকিল ।

দুই এটা সামান্য আঁসোৱাহ বৈ গ'লেও ধন বিলাসহঁতে তেওঁ-লোকৰ উদ্দেশ্যৰ সফল পৰিণতিৰ কথা ভাবি আনন্দিত হ'ল ।

বংপুৰ সমাজত দেৱকন্যাৰ ফৈদৰ লোকসকলে 'দেৱ প্ৰতিভূ' বুলি স্বীকৃতি লাভ কৰিলে ।

অৰ্ধ দেৱতাসকলে এইবাৰ তেওঁলোকৰ পূৰ্ব-নিৰ্বাচিত নতুন বংপুৰ-খন পাবলৈ আগতকৈ কেইদিন মান বেছি সময় লাগিল । বৰষুণৰ বাবে তেওঁলোকে হাবিৰ মাজতে দুইদিন মান অপেক্ষাও কৰিব-লগীয়াত পৰিল । সি যি কি নহওক, আহি পায়েই তেওঁলোকে পোন প্ৰথমতে স্বৰূপ কুমাৰে সাজি থৈ যোৱা ঘৰটি দেখা পালে । এই কেইদিনৰ ভিতৰতে বৰষুণৰ ফলত ঠাই ডোখৰ পুনৰ বনৰীয়া ঘাঁহবন গজি পৰিত্যক্ত ঠাই এখন যেন হৈছে । স্বৰূপ কুমাৰৰ ঘৰটিৰ বাহিৰে অস্থায়ীভাৱে সজা আনবিলাক বাহৰ প্ৰায় ভাগ ছিগি যোৱাৰ উপক্ৰম হৈছে । মানুহবিলাকে স্বৰূপ কুমাৰৰ ঘৰটিৰ ওচৰলৈ গৈ মহান স্বৰূপ কুমাৰ প্ৰমুখ্যে দেৱপুত্ৰৰ ফৈদৰ লোকসকল আৰু আৰাধ্য দেৱতাজনৰ উদ্দেশ্যে প্ৰণিপাত জনালে ।

মহান স্বৰূপ কুমাৰে সাজি থৈ যোৱা ঘৰটি নতুন বংপুৰৰ 'দেৱ-মন্দিৰ'লৈ পৰিবৰ্তিত হ'ল । আঁহত গছজোপাৰে সৈতে সেই দেৱ-মন্দিৰটিৰ পুব দিশত অকলশৰীয়াকৈ ৰাখি ধন বিলাসহঁতে তাৰ পৰা কিছু দূৰৈত তেওঁলোকৰ নতুন বংপুৰখন নিৰ্মাণৰ কাম হাতত ল'লে ।

তেওঁলোকৰ সকলোবোৰ কামেই সুচাৰু ৰূপে সমাধা হ'ল যদিও এটা কথাত কিন্তু সকলোৱে দোমোজাত পৰিল । কোন দিনাখন মহান স্বৰূপ কুমাৰ আৰু অন্যান্য দেৱবৃন্দই নতুন বংপুৰ এৰি গৈছিল সেইটো জানিবলৈ কোনো উপায় নথকাৰ ফলত—তেওঁলোকে ঠিবাং

কৰিব নোৱাৰিলে—বছৰৰ কোন দিনাখন তেওঁলোকৰ উদ্দেশ্যে নতুন ৰংপুৰত আনন্দ মেলাৰ প্ৰৱৰ্ত্তন কৰিব। বহু আলোচনা-বিলোচনাৰ শেষত সিদ্ধান্ত গ্ৰহণ কৰা হ'ল যে যিদিনাখন তেওঁলোকে মহান স্বৰূপ কুমাৰৰ মুখৰ পৰা পোন প্ৰথমবাৰৰ বাবে পোহৰৰ দেশৰ দেৱতা-সকলৰ বিষয়ে জ্ঞানৰ পোহৰ পাইছিল,—তেওঁৰ নিৰ্দেশ গ্ৰহণ কৰিছিল, —যিদিনাখন মহান স্বৰূপ কুমাৰে তেওঁৰ বাসগৃহটি নিৰ্মাণৰ কাম হাতত লৈছিল,—সেই ছুয়োটা দিনেই দেৱকন্যাৰ কৈদৰ লোকসকলৰ 'আনন্দ মেলাৰ দিন' হিচাপে উদযাপন কৰা হ'ব। আনহাতে নতুন ৰংপুৰ প্ৰতিষ্ঠাৰ দিনটো তেওঁলোকৰ আত্ম প্ৰতিষ্ঠাৰ দিন হিচাপে বিবেচনা কৰি- এটা উৎসৱৰ জৰিয়তে প্ৰতি বছৰে পালন কৰা হ'ব।

অৰ্ধ দেৱতাসকলে দেৱপুত্ৰৰ কৈদৰ সকলো লোককে দেৱতা বুলি স্বীকাৰ কৰিলেও—মহান স্বৰূপ কুমাৰে শ্ৰেষ্ঠতম আসন দখল কৰিলে। তেওঁ নতুন ৰংপুৰৰ প্ৰধান দেৱতা-ৰূপে প্ৰতিষ্ঠিত হ'ল। তেওঁৰ এই শ্ৰেষ্ঠতম আসন দখলৰ ক্ষেত্ৰত ধন বিলাসৰ ভূমিকা, অন্যান্য কাৰ্যাৱলীৰ লগতে যাত্ৰাৰ আগমুহূৰ্ত্তত সাজি থৈ যোৱা ঘৰটিয়েও যথেষ্ট অৰিহণা যোগালে। সকলোৰে অলক্ষিতে তেওঁৰ নতুন নামকৰণ হ'ল—'মহান স্বৰূপ কুমাৰ।'

আনহাতে অৰ্ধ দেৱতাসকলক বিদায় সম্ভাষণ জনাই ৰংপুৰৰ মানুহবোৰে যেতিয়া খেতি পথাৰৰ ওচৰ চাপিলহি,—সিহঁতৰ এজনেও বাৰ্তাটো কৰা, মানৱ বিকাশহঁতক দিব যাবৰ মন নকৰিলে। মাথোন একচাহ দি ৰাখি থোৱা পথাৰখন দেখি সিহঁতে অলপ আগতে ঘটি যোৱা সকলোবোৰ কথা পাহৰি গৈ সৃষ্টিৰ বিমল আনন্দ উপভোগ কৰাত ব্যস্ত হ'ল। আনকি তিৰোতাসকলেও এই বিষয়টো লৈ কৰাৰ ওচৰলৈ নগ'ল; ল'ৰা-ছোৱালী বিলাক পথাৰতেই থাকিল। দিনৰ দিনটো পথাৰতে কাম কৰি গধূলিপৰতহে সিহঁত ঘৰমুৱা হ'ল।

মানৱ বিকাশ আৰু ছুই চাবিজনমান মানুহে সেইদিনাখন দিনৰ

দিনটো ককাৰ লগতেই থাকিল। মেলৰ দিনাখনৰে পৰা সিহঁতে ককাৰ লগত লাগি আছে। অর্ধদেৱতা সকলে ৰংপুৰত থকা কেইদিনৰ ভিতৰত এদিনৰ বাবেও ককাৰ খবৰ লবলৈ নাহিল। সিহঁতে ৰংপুৰ এৰি যাবৰ দিনাখন ককাৰ অসুখ বেছি হ'ল। তীব্ৰ জ্বৰৰ প্ৰকোপত প্ৰায় চেতনা বিলুপ্ত হৈ থকা ৰংপুৰ ককাৰ ওচৰত জুপুকা মাৰি বহি থকাৰ বাহিৰে সেইদিনাখন মানৱ বিকাশহঁতে কোনো কামকেই নকৰিলে, আগত খেতিখনৰ বিষয়ে দুই এটা কথাৰ বাহিৰে সিহঁতৰ মাজত আন কোনো কথাৰ অৱতাৰণা নহ'ল।

কিন্তু মনে মনে প্ৰত্যেকজনেই আশা কৰিলে সিহঁতৰ মাজত মহান স্বৰূপ কুমাৰ তথা অর্ধদেৱতা সকলৰ কথা আলোচিত হওক। 'নতুন ৰংপুৰখন' আলোচনাৰ বিষয়বস্তু হৈ পৰক। কিন্তু উপযাচক এজনো নহ'ল। ধ্যান ৰাজে অর্ধদেৱতা সকলক বিদায় দিবলৈ যোৱা নাছিল যদিও দূৰৈৰ পৰা লক্ষ্য কৰি আছিল। ৰংপুৰীয়া ৰাইজে তেওঁলোকক বিদায় দি পথাৰত কাম কৰিবলৈ ধৰা বতৰাটো মানৱ বিকাশহঁতক দিয়াৰ পিছতো এই বিষয়ে কোনো কথা নোলাল। ধ্যান ৰাজৰ কথা সিহঁতে মাথোন শুনিহে থলে।

আনকি পথাৰৰ পৰা কাম কৰি আহি গধূলি পৰত ঘৰমুৱা মানুহবোৰৰ প্ৰায়ভাগেই ককাৰ দৈহিক অৱস্থাৰ খবৰ লবলৈ আহি যেতিয়া যাত্ৰাৰ সবিশেষ জনালেহি—সিহঁতকো নিৰাশ কৰি মানৱ বিকাশহঁত মনে মনে থাকিল। ৰংপুৰ ককাৰ এনে মুমূর্ষু প্ৰায় অৱস্থাত আনন্দ প্ৰকাশেও কোনো হৈ-চৈ নকৰিলে।

অর্ধদেৱতা সকলে চিৰদিনৰ বাবে ৰংপুৰ এৰি যোৱাৰ পিছত ৰংপুৰৰ মানুহখিনিৰ এনেকুৱা অৱস্থা এটা হ'ল যে—'ৰংপুৰ ককা যেন এতিয়া সিহঁতৰ বাবে অথাই সাগৰত খেৰকুটা।' তেওঁৰ কোনো হানি বিঘিনি হ'ব দিব নোৱাৰে সিহঁতে। মানৱ বিকাশৰ গুৰুত্বও এই দুদিনমানৰ ভিতৰতে ভালেখিনি বাঢ়ি গ'ল। ৰংপুৰৰ ককা

আৰু মানৱ বিকাশৰ দেহত দেৱৰক্ত প্ৰৱাহিত হোৱা হ'লে সিহঁত বৰ বিপদত পৰিলেহেঁতেন।

মানৱ বিকাশৰ কথা মতে সেইদিনাখনৰে পৰা ধান ৰাজ আৰু তাৰ মাকে অকলশৰীয়া ৰংপুৰ ককাৰ ঘৰতে থাকিবলৈ ললে। ককাৰ ওচৰত এতিয়া দিনে নিশাই সমৰ্থ মানুহ এজন থকা উচিত। ধান ৰাজ ৰংপুৰ ককাৰ বৰ মৰমৰ নাতি ল'ৰা।

মানৱ বিকাশৰ বুঢ়ীমাক জনী কিন্তু ইয়াৰ পিছতো ৰংপুৰ ককাৰ অভিভাৱিকা পদতেই অধিষ্ঠিত হৈ থাকিল।

+ +

সাতদিন মান শেতেলিত পৰি থাকিল ৰংপুৰ ককা। ধীৰে ধীৰে কিছু পৰিমাণে আৰোগ্য লাভ কৰিলেও আগৰ শক্তি ঘূৰাই নাপালে তেওঁ। দিনৰ দিনটো ককা শেতেলিতে জুপুকা মাৰি বহি থাকে, আবেলি পৰত বাহিৰ চোতালত মুঢ়া এটাত বহুৱাই দিয়ে মানৱ বিকাশৰ বুঢ়ীমাকে, নহলে ধ্যান ৰাজৰ মাকে। আজিকালি তেওঁৰ আলস্য ভাৱটি আগৰ তুলনাত বাঢ়িল। কেতিয়াবা মানৱ বিকাশৰ মাকৰ ধমকনি খাই ককাই বুঢ়ীৰ হাতত ধৰি কিছুদূৰ ফুৰি আহে গৈ। ৰংপুৰীয়া ৰাইজৰ এতিয়া কোনো কথা চিন্তা কৰিবলৈ সময় নাই। ভৰ খেতিৰ সময় এতিয়া। সিহঁতৰ মাজৰ পৰা দেৱতাবৃন্দ আৰু অৰ্ধদেৱতা সকল গুচি যোৱা বাবে গোটেই পথাৰখনত খেতি কৰিবলৈ যথেষ্ট অসুবিধা হৈছে। তাতে আকৌ খাদ্যৰ নাটনি। অৰ্ধদেৱতা সকলক এইবাৰো শইচ দিবলগীয়া হৈছে সিহঁতে। সেই-বাবে ডেকাহঁতে ৰাতি এপৰলৈকে মাছ মাৰে। ভাগ্য ভাল গৰু-মহ যথেষ্ট পৰিমাণে আছিল। নহলে নিজৰ ভাগত পৰা খিনিৰে মাটি চহাবলৈকে কঠিন হ'লহেঁতেন। আগতে ধ্যান ৰাজৰ বয়সৰ বিলাকক মূল খেতিৰ পৰা আঁতৰত ৰখা হৈছিল। কৈশোৰ অৱস্থাতে হাড়ভঙা পৰিশ্ৰম কৰিলে মানুহ অকালতে বুঢ়া হয়।' এইবাৰ কিন্তু সিহঁতৰ বয়সৰ বিলাকেও ৰেহাই পোৱা নাই। মাথোন ককাৰ যতন কৰিবলৈ কিছু পৰিমাণে কামৰ পৰা ৰেহাই পাইছে ধ্যান ৰাজৰ মাকে।

ৰংপুৰীয়া ৰাইজৰ ইচ্ছা এইবাৰ যেন ৰংপুৰ পথাৰৰ এহালিছা মাটিও ছন্ নপৰে। কষ্ট যথেষ্ট পৰিমাণে হলেও সিহঁতে শাওনৰ মাহতে এইবাৰ ধান ৰুৱা শেষ কৰিব নোৱাৰিব। সেইবাবে মানৱ বিকাশহঁতে আগতীয়াকৈ আলোচনা কৰি ঠিক কৰিছে—ভাদ মাহৰ

দহ দিন যোৱাৰ ভিতৰত সিহঁতে খেতিৰ কাম শেষ কৰিবই লাগিব। নহলে—পলমকৈ কৰা মাটিত ধান ভাল নহয়।

কিন্তু ইমান ব্যস্ততাৰ মাজতো ৰংপুৰৰ শিশুৰ দলটিকে ধৰি সকলোৱে দিনটোত এবাৰৰ বাবে হ'লেও ৰংপুৰ ককাৰ খবৰ কৰেছি। ল'ৰা-ছোৱালীৰ জাকটিয়ে আজিকালি ছুপৰীয়া খাই বৈ উঠি ককাৰ চোতালতে ধেমালি-ধুমুলা কৰি কোৰ্হাল লগাই থাকে। কিন্তু তেওঁক বিশেষ আমনি নকৰে সিহঁতে। মাথোন দিনটোৰ ভিতৰত এবাৰৰ বাবে হ'লেও দেখা পালেই হ'ল। মানৱ বিকাশৰ বয়সৰ আৰু বয়সস্থ সকলে দিনটোৰ অক্লান্ত পৰিশ্ৰমৰ পিছত সন্ধিয়া বেছি সময় ৰংপুৰ ককাক সঙ্গদান কৰিব নোৱাৰে! অলপ সময় থাকিয়েই দিনটোৰ ভাগৰ পলুৱাবলৈ ঘৰাঘৰি গুচি যায়গৈ। কিন্তু মানৱ বিকাশৰ যেন ককাৰ ওচৰত থাকিলেহে দিনটোৰ কঠোৰ পৰিশ্ৰমৰ ক্লান্তি দূৰীভূত হয়। সন্ধিয়া বহু সময়লৈকে সি ককাৰ ওচৰত বহি থাকে।

ৰংপুৰ ককাই মানৱ বিকাশৰ বাহিৰেও আৰু এজন সঙ্গী লাভ কৰিছে— ধ্যান ৰাজ। তাৰ মুখে ককা আৰু মানৱ বিকাশে হেঁপাহ পলুৱাই অভিযাত্ৰীসকলৰ প্ৰথম অভিযানৰ বিৱৰণী শুনে। নতুন ৰংপুৰখন দেখাৰ সৌভাগ্য ঘটা মানুহ ৰংপুৰত মাথোন দুজনেই আছে, ধ্যান ৰাজ আৰু তাৰ মাক। ধ্যান ৰাজেও হেঁপাহ পলুৱাই অভি-যানৰ কাহিনী শুনাই। সিহঁতে প্ৰথম বাহৰ পতা দিনাখনৰে পৰা সিহঁতৰ অভিযানৰ সৰু বৰ প্ৰত্যেকটি কথাই সি ককা আৰু মানৱ বিকাশক অৱগত কৰে,—কেনেকৈ তাৰ বাপেক মৃত্যু মুখত পৰিল, মহান স্বৰূপ কুমাৰে কি কৰিলে, কেনেকৈ ধন বিলাসৰ কথাৰ উত্তৰত তেওঁ দেৱৰক্তৰ আধিক্য আৰু অনাধিক্য সম্পৰ্কে তেওঁৰ গভীৰ উপলব্ধিৰ বিষয়ে সকলোকে অৱগত কৰি ৰংপুৰ সমাজখন তিনিটা কৈদত ভাগ কৰিলে, সিহঁতৰ প্ৰত্যাগমনৰ আগ দিনাখন কেনেকৈ মহান স্বৰূপ

কুমাৰে ধন বিলাসৰ লগত গুপুত আলোচনা কৰি আহি সিহঁতক শেষ নিৰ্দেশ দিলে। আনকি মহান স্বৰূপ কুমাৰে বংপুৰৰ দেৱ মন্দিৰৰ আহিঁত নিৰ্মাণ কৰা বাস-গৃহটিৰ কথাও বাদ নপৰে। ককাইঁতেও প্ৰতিদিনে শুনা কথাবোৰকেই পুনৰ শুনে ধ্যান ৰাজক প্ৰশ্ন কৰি। সিহঁতৰ কথা বতৰাত কেতিয়াবা ধ্যান ৰাজৰ মাকেও অংশ গ্ৰহণ কৰে।

মানৱ বিকাশৰ নতুন বংপুৰৰ বাবে নিৰ্বাচিত ঠাইখনৰ বিষয়ে অসীম কৌতুহল! সি প্ৰায়েই মাক-পুতেকক এই বিষয়ে প্ৰশ্ন কৰে।

'নতুন বংপুৰ ঠাইখননো বাৰু দৰাচলতে কেনেকুৱা?'

'খুব ধুনীয়া।' ধ্যান ৰাজে উত্তৰ দিয়ে।

'কিমান ডাঙৰ?'

'আমাৰ বংপুৰখনৰ দুই গুণ মান হ'ব কিজানি।' সদায় দিয়াৰ দৰে ধ্যান ৰাজে আহল-বহল তৃণ ভূমিখনৰ থূলমূল বিৱৰণী এটা দিয়ে মানৱ বিকাশক। বংপুৰ নদীটো যে ক্ৰমাৎ সৰু হৈ গৈ নতুন বংপুৰৰ প্ৰান্তত দুই ভাগত বিভক্ত হৈছে—সেই বিষয়ে কয়। জন্তু আদি চিকাৰৰ বাবে ঠাই ডোখৰ যে অতিশয় উত্তম—সেই বিষয়েও পুনৰ দোহাৰে।

বহু সময় কিবা যেন চিন্তা কৰে মানৱ বিকাশে। নিজে বেছি প্ৰশ্ন নকৰিলেও বংপুৰ ককাই সিহঁতৰ কথোপকথনবোৰ একান্ত মনে শুনি থাকে।

'নতুন বংপুৰত বাৰু ইয়াতকৈ বেছি পোহৰ পোৱা যায় নেকি?'

এইটো নতুন প্ৰশ্ন। এই প্ৰশ্নটোৰ উত্তৰ কি হ'ব পাৰে চিন্তা কৰিবলৈ ধ্যান ৰাজে কিছু সময় ল'লে। নতুন বংপুৰত বাস কৰা কেইদিন এই কথাটো তাৰ মনত খেলোৱা নাছিল, বাপেকৰ অস্বাভাৱিক শোকাবহ মৃত্যুৱেই আচ্ছন্ন কৰি ৰাখিছিল তাক। গতিকে নতুন বংপুৰখন মানস পটত আঁকি লৈ চিন্তা কৰিলে সি।

ধ্যান ৰাজে অৰ্ধদেৱতা সকলক স্বৰূপ কুমাৰে কোৱা কথাখিনি মনতে এবাৰ আওৰালে। 'বৰং ইমান দিনে পুৱ দিশলৈ বাট কুৰি বাই আহিও সমুখৰ এই ওখ পৰ্বতৰ নামনিত উপস্থিত হৈ এইটো ভাৱ হৈছে যেন এই ঠাই ডোখৰত সৃকয আমাৰ আশৈশৱৰ চিনাকি ৰংপুৰতকৈয়ো বহু পলমকৈহে ওলায়।'

ভাবিচিন্তি ধ্যান ৰাজে কলে,—'নতুন ৰংপুৰত বেলি উঠোতে আমাৰ ৰংপুৰতকৈ কিছু পলম হলেও—বেলিটো কিন্তু বহু সময় আকাশতে থাকে। নতুন ৰংপুৰৰ আবেলি সময়খিনি দীঘলীয়া।'

ধ্যান ৰাজৰ কথাখিনি তাৰ মাকেও সমৰ্থন, কৰিলে। 'নতুন ৰংপুৰত আমাৰ ইয়াতকৈ অধিক পোহৰ পোৱা যাব।'

অন্তৰত আঘাত পালেও ককা আৰু মানৱ বিকাশে তাৰ কথা-খিনি বিশ্বাস কৰিলে। 'অৰ্ধদেৱতা সকলে দেৱতাৰ অনুগ্ৰহত— সাধাৰণ মানুহতকৈ নিশ্চয় সেছি পোহৰ লাভ কৰিব।'

এদিনাখন এনেদৰে নতুন ৰংপুৰৰ বিষয়ে আলোচনা কৰি থাকোঁতে মানৱ বিকাশে ধ্যান ৰাজৰ মাকক আচৰিত প্ৰশ্ন এটি কৰিলে।

'পোহৰ বিচাৰ কৰা অভিযানৰ কেইদিন যাত্ৰাপথত তহঁতে বাৰু কি আলোচনা কৰি গৈছিলি?'

ধ্যান ৰাজৰ মাকে তাৰ প্ৰশ্নটো বুজি নাপালে। সি দৰাচলতে নো বাৰু কি জানিবলৈ বিচাৰিছে বুজিবলৈ চেষ্টা কৰি তাই মানৱ বিকাশৰপিনে চাই ৰ'ল।

'তহঁত তিৰোতাবোৰৰ মাজতনো অভিযানৰ দিন কেইটাত কি আলোচনা হৈছিল?'

'আলোচনা তেনেধৰণৰ একোৱেই হোৱা নাছিল। সেই কেইদিন মানুহবোৰৰ কি হৈছিল জানো, কোনোৱে কাৰো লগতে বিশেষ কথা পতা নাছিল। মতাবিলাকে আনকি নিজৰ তিৰোতা সকলৰ লগতো বিশেষ কথা পতা নাছিল।'

ধ্যান ৰাজৰপিনে আঙুলিয়াই তাই পুনৰ ক'লে—'ইয়াৰ বাপেকেই ইমান চঞ্চলমতিৰ কথকী মানুহজন, সেই কেইদিনত কেনেকুৱা যে হৈছিল, বহু কষ্ট কৰিও মুখৰ এষাৰ মাত উলিয়াব পৰা নাছিলো মই। মাথোন বেমাৰৰ সময়তহে গোটেই সময়খিনি ওচৰতে পাবলৈ বিচাৰিছিল মোক।'

বিদ্যুৎ চঞ্চলৰ কথা মনত পৰি ধ্যান ৰাজৰ মাকৰ কথাবোৰ থোকা-থুকি হৈ গল। 'বৰ দুখ কৰি ঢুকাই থাকিল মানুহজন। মৰিবৰ সময়ত সকলোবোৰ মানুহেই তেওঁক অৱজ্ঞা কৰিলে। সেমাৰে উক দিবৰ দিনাখনেই বাকী মানুহবোৰে অনপ নজৰ দিয়া হ'লে এইটো কেতিয়াও নহ'লহেঁতেন। তাই উচুপি উচুপি কান্দিবলৈ আৰম্ভ কৰিলে।

মানৱ বিকাশইত মনে মনে থাকিল—সান্ত্বনা দিয়াৰ কোনো চেষ্টা নকৰিলে। তাই মনৰ শোক কান্দি কান্দিয়েই পাতলাব লাগিব।'

কিছু সময় তেনেদৰে অতিবাহিত হৈ যোৱাৰ পিছত হঠাতে তাইৰ মানৱ বিকাশে কৰা প্ৰশ্নটো মনত পৰিল। ভগা ভগা মাতেৰে পুনৰ কলে তাই -'তিৰোতাবিলাকৰ কিছুমানৰ কিন্তু এই অভিযান একেবাৰে পচন্দ হোৱা নাছিল, মন্ত্ৰীবিলাকৰ ভয়ত মাথোন প্ৰতিবাদ কৰা নাছিল। ইয়াৰ বাপেক ঢুকোৱাৰ পিছদিনাখন মহান স্বৰূপ কুমাৰৰ ঘৈণীয়েকে এই কথা মোক মনে মনে কৈছিলও।' আধাত-কৈয়ো বেছি মানুহক ৰংপুৰতে এৰি তেনেদৰে পোহৰ বিচাৰি যোৱাৰ হেনো একেবাৰে ইচ্ছা নাছিল তাইৰ। কিন্তু তাইনো কি কৰিব নিজৰ গিৰীয়েকেই যেতিয়া এই বিষয়ত আগভাগ লৈছে।

ভালেমান সময মাতবোল নকৰাকৈ তলমূৰ কৰি কিবাকিবি ভাবি থাকিল মানৱ বিকাশে। তাৰ পিছত লাহে লাহে নিজৰ ঘৰ অভিমুখে খোজ ললে সি।

ইমান সময়ে ৰংপুৰ ককাই মানৱ বিকাশকে লক্ষ্য কৰি আছিল। সি মাতবোল নকৰাকৈ উঠি যোৱাৰ পিছত তেওঁ অন্তৰত গভীৰ

বেদনা অনুভৱ কৰিলে। আজি ইমান বছৰৰ পিছতো মানৱ বিকাশে তাৰ ডেকা বয়সৰ প্ৰেমৰ কথা পাহৰিব পৰা নাই। সেই দিনাখন সিহঁত হালৰ মনৰ অৱস্থা আওকাণ কৰি তেৱেঁই ছোৱালীজনীৰ লগত স্বৰূপ কুমাৰৰ যোৰ পাতি দিছিল। 'স্বৰূপ কুমাৰে ব্যক্ত কৰা আকাঙ্খাক কিয় জানো সেইদিনাখন ককাইঁতে উলাই কৰিব নোৱাৰিলে'। ৰংপুৰ ককাই স্বজ্ঞানে কৰা এই এটি মহা ভুল। নিজৰ কোঠালৈ গৈ শেতেলিখনত দীঘল দি পৰিল তেওঁ।

মানৱ বিকাশৰ চিন্তাৰ সূত্ৰ ধৰি ৰংপুৰ ককাই নিজৰ ব্যক্তিগত জীৱন কাহিনী ৰোমন্থন কৰিবলৈ আৰম্ভ কৰিলে।

ৰংপুৰ ককাৰ বয়স তেতিয়া কিজানি মাথোন দহ বছৰমানহে হ'ব। লতা মাগুৰী ধানৰ নৰাৰ তলীত মাছ মৰা উৎসৱৰ প্ৰধান হোতা তেওঁ তেতিয়া। এদিনাখন পাঁচ বছৰমান বয়সৰ ছোৱালী এজনী ককাৰ বাপেকে তেওঁলোকৰ ঘৰলৈকে লৈ আহিল। নাম আছিল তাইৰ উমা। বাপেকে ককাক ক'লে—'আজিৰ পৰা উমা আমাৰ ঘৰতে থাকিব, তই তাইৰ লগত দন্দ-হাই নকৰিবি।' তাইক সঙ্গী হিচাপে পাই ককাই ভালেই পালে। উমা তেওঁৰ দূৰ সম্পৰ্কীয় ভনী হয়। কিছু সময় পিছতে ককাই গম পালে যে তাইৰ বাপেকৰ ৰাতিপুৱাই মৃত্যু ঘটিছে এক অচিন বেমাৰত। মাক তাই জন্মাৰ সময়তে প্ৰসৱ বেদনাত ভুগি মৰিছিল। গতিকে ঘাট মাউৰী উমাক তেওঁৰ বাপেকে নিজেই গাত লৈ ঘৰলৈকে লৈ আহিল।

সেইদিনাখনৰে পৰা ৰংপুৰ ককা আৰু উমা দুয়ো দুয়োৰো পৰম বন্ধু, এজনে আনজনক নেদেখিলে থাকিব নোৱাৰে। বহু বছৰ এনেকৈয়ে পাৰ হৈ গ'ল। ৰংপুৰ ককা তেতিয়া চফল ডেকা আৰু উমা পাটগাভৰু।

এদিন সন্ধিয়া ঘূৰি ফুৰি অহাৰ পিছত ককা আৰু উমা দুয়োজনে যেতিয়া ঘৰ সোমাই নিজৰ নিজৰ কামত লাগিল—এক সময়তে

দুয়োজনে ককাৰ বাপেক আৰু দুইজনমান মানুহক সিহঁতৰ সম্বন্ধে আলোচনা কৰি থকা শুনিলে।

এই ঘটনাৰ দুইদিনমান পিছত এদিন নিৰলত ৰংপুৰ ককাই উমাক সুধিছিল, 'সেইদিনাখন তোৰ আৰু মোৰ কথা ঘৰত আলোচনা হৈছিল।'

লাজ আৰু আনন্দত তেনেই ৰঙা-চিঙা পৰি যোৱা উমাই 'ও' বুলি শলাগিলে মাথোন।

ককাৰ কিন্তু তেতিয়াও সন্দেহ। 'তই বাৰু এই বিষয়ে কি চিন্তা কৰিছ?'

'তই যেনেদৰে ভাবিছ।' এইবাৰ তেনেই সহজ উত্তৰ উমাৰ।

সেই মুহূৰ্তত ৰংপুৰ ককাৰো কৰিবৰ একো নাছিল। দুই হাতেৰে উমাক সাৱটি ধৰি দুগাল চুমাৰে উপচাই দি ককাই মাথোন কৈছিল,—'মই ঠিক এনেদৰেই ভাবিছো।' সেই সময়ৰ সেই বিশেষ মুহূৰ্ত কেইটাই চাৰিকুৰি বছৰ বয়সীয়া ককাক আজিও বিমল আনন্দ দিয়ে।

ৰংপুৰ ককাৰ এতিয়াও মনত আছে—সেইদিনাখন আছিল তেওঁ-লোকৰ খেতিৰ শেষ দিন। সেইদিনাখনৰে পৰা দুয়োজনে যেন উদ্দাম—বেপৰোৱা হৈ উঠিছিল। অহা আনন্দ মেলাৰ দিনাখন সিহঁতেো যোৰ পাতিবই। দুয়ো দুয়োৰে প্ৰেমত এনেদৰে মচগুল আছিল, যোৰ পতাৰ ক্ষেত্ৰত ইমান নিশ্চিত আছিল যে—দৈহিক সম্বন্ধ স্থাপনৰ ক্ষেত্ৰতো তেওঁলোকে কোনো অন্যায় দেখা পোৱা নাছিল। ভাদ মাহৰ চাৰিদিন যোৱাৰ দিনাখন তেওঁলোকে প্ৰথম দৈহিক সম্বন্ধ স্থাপন কৰিছিল, —আৰু আনন্দ মেলাৰ দ্বিতীয় দিনালৈকে উমাই সকলোৰে অলক্ষিতে হলেও ককাৰ পত্নী স্ত্ৰীৰ মৰ্যাদা লাভ কৰিছিল।

কিন্তু আনন্দ মেলাৰ দ্বিতীয় দিনাখন সকলো ওলট-পালট হৈ গ'ল। একেখন ঘৰতে ইমান বছৰ থকা কাৰণে ৰংপুৰ ককাৰ লগত নিদি ৰংপুৰৰ বয়সস্থ সকলে উমাৰ যোৰ পাতি দিছিল মানৱ বিকাশৰ ককা দেউতাকৰ লগত।

ৰংপুৰ ককা নাইবা উমা এজনেও সেইদিনাখন আপত্তি কৰিব পৰা নাছিল. ৰংপুৰ সমাজত সেইটো নিষিদ্ধ। নীৰৱে সেইদিনাখন দুয়োজনে নিয়তিৰ পৰিহাসক নীৰৱে মানি লৈছিল। কিন্তু মহামাৰীৰ পৰিপ্ৰেক্ষিতত ৰংপুৰত বিবাহযোগ্য গাভৰুৰ তুলনাত ডেকাৰ সংখ্যা বেছি থকাৰ আজুহাত দেখুৱাই ককা চিৰকুমাৰ হৈয়েই থাকিল।

পিছে উমাৰো বিবাহিত জীৱন বেছিদিন নিটিকিল। মানৱ বিকাশৰ বাপেক গৰ্ভত থকা সময়তে তাইৰ গিৰীয়েকৰ মৃত্যু ঘটিল।

উমাই যোৰ পতাৰ ঠিক আঠ মাহৰ পিছত মানৱ বিকাশৰ বাপেকে জন্ম লাভ কৰিলে।

তেতিয়াৰ দিনত ৰংপুৰ সমাজত বিধবা বিবাহ অপ্ৰচলিত আছিল। ৰংপুৰ ককাৰ মাক বাপেকৰ খুব ইচ্ছা আছিল ককাৰ লগত তাইৰ পুনৰ যোৰ পাতি দি ঘৰৰ ছোৱালী পুনৰ ঘৰলৈকে লৈ অহাৰ। কিন্তু উমাৰ শহুৰ-শাহুৱেকে আপত্তি কৰিলে। 'ডেকা বয়সতে পুতেকজন ঢুকাই থাকিল যেতিয়া—নাতিয়েক-বোৱাৰীয়েকৰ মুখ চায়েই বাচি থাকিব লাগিব সিহঁত।' ককাৰ মাক-বাপেকেও এই বিষয়ত আৰু আগ নাবাঢ়িল।

তথাপিও ৰংপুৰ ককাই এদিনাখন উমাক নিৰলত লগ পাইছিল। তেওঁৰ বুকুত পৰি হিয়া ঢাকুৰি কান্দিছিল তাই, -নিজৰ ভাগ্যক দোষ দিছিল তাই, তাইৰ বুভুক্ষু মনে সেইদিনাখন বুজনি মনা নাছিল। ককাৰ খং উঠিছিল আচৰিত দেৱতাজনৰ ওপৰত।

ৰংপুৰ ককাই তাইক বুজাইছিল, 'সেই যে ভাদ মাহৰ চাৰিদিন যোৱাৰ দিনাখন তই আৰু মই সকলোৱে অজানিতে যোৰ পাতিছিলো, সেইদিনাখনৰে পৰা তই কেৱল মোৰেই তিৰোতা। আচৰিত দেৱতা-জনে মাথোন আমাক একেলগে বাস কৰাৰ সুবিধা কণ নিদিলে। আনে নাজানিলেও ক্ষতি নাই, —আমাৰ সম্বন্ধ চিৰদিন এনেদৰেই থাকিব। তোৰ নৱজাত সন্তানটিতো মোৰেই তেজ-মঙহৰ।' উমাৰ

বাবেও সেয়াই সান্ত্বনা আছিল। কিছু সময় ককাৰ লগত থাকি, তেওঁৰ তিৰোতা ৰূপে সম্পূৰ্ণ প্ৰতিষ্ঠিত হৈ তাই পুনৰ শহুৰ-শাহুৱেকৰ ঘৰলৈকে গুচি আহিল।

ৰংপুৰ ককা আৰু উমাৰ এই গুপুত কাহিনীটো ৰংপুৰীয়া ৰাইজৰ বাবে এতিয়াও অজ্ঞাত। ককাৰ বিশ্বাস এই কাহিনীটোৱে আৰু কোনো দিনে প্ৰকাশৰ মুখ বিচাৰি নাপায়। তেওঁলোকৰ মনোবেদনাও নাই। সেইদিনাখনৰে পৰা আজিলৈকে আনে নাজানিলেও উমাই ককাৰ ওচৰত সদায় স্ত্ৰীৰ সন্মান লাভ কৰি আহিছে। ককাই এবাৰ বুঢ়ীৰ কথা চিন্তা কৰিলে। আনৰ আগত সংগত হৈ চলিলেও অকলশৰীয়া অৱস্থাত তেওঁলোক সদায় অংসযত। চাৰি কুৰি বছৰ বয়সতো ককা আৰু উমাৰ প্ৰেমত ভাটা পৰা নাই। বৰং তেওঁৰ অসুখীয়া চিন্তাক্লিষ্ট মনটি বুঢ়ীক দেখিলেহে শান্ত হয়। এতিয়াতো মানৱ বিকাশৰ বুঢ়ীমাক উমা—দেখদেখ কৈয়ে ৰংপুৰ ককাৰ অভিভাবিকা।

পুনৰ মানৱ বিকাশৰ অসুখী মনৰ কথা ককাৰ মনলৈ আহিল। 'একো নাপায়ো তেওঁ সকলোখিনি পাইছে, কিন্তু মানৱ বিকাশে সকলো পায়ো একোকে পোৱা নাই।' মানৱ বিকাশৰ বিৰহী অন্তৰৰ কথা চিন্তা কৰি ককাৰ হৃদয় তাৰ প্ৰতি গভীৰ সমবেদনাৰে ভৰি পৰিল। বহু ভাৱি চিন্তি ৰংপুৰৰ বিবাহ ব্যৱস্থাটিয়েই ভুল যেন ভাৱ হ'ল তেওঁৰ। 'তেওঁৰ অগোচৰত মানৱ বিকাশৰ দৰে আৰু বা কিমান জনে একেই বেদনাত ভুগিছে।' কিন্তু ৰংপুৰৰ ডেকা-গাভৰুজাকে যদি এই বিষয়ত আগভাগ নলয় তেনেহলে আনে বাৰু কি কৰিব পাৰে!

ৰংপুৰ ককা দৃঢ় প্ৰতিজ্ঞ হ'ল—মানৱ বিকাশৰ একমাত্ৰ ল'ৰাটিৰ যোৰ তাৰ সম্মতি লৈহে পাতি দিব। কিন্তু পিছ ক্ষণতে তেওঁ চিন্তা কৰিলে এতিয়াও কৈশোৰত ভৰি নিদিয়া ল'ৰাটিক যোৰ পাতি দিবলৈ—ইমানদিন তেওঁ জানো বাচি থাকিব পাৰিব? হুমুনিয়াহ এটি কাঢি চকুহুটি মুদি দিলে ৰংপুৰ ককাই। মানৱ বিকাশে এতিয়া কি কৰিছে। ধান ৰাজৰ মাকৰ মুখে স্বৰূপ কুমাৰৰ তিৰোতাজনীৰ মনৰ কথাখিনি শুনি তাৰ অশান্ত অন্তৰখন অলপ হলেও কিজানি শান্ত হৈছে।'

দেৱকন্যাৰ ফৈদৰ অৰ্ধদেৱতাসকলে মহান স্বৰূপ কুমাৰৰ বাস গৃহটিকে নতুন ৰংপুৰৰ দেৱমন্দিৰ' হিচাপে স্বীকৃতি দিয়াৰ পিছত - তেওঁলোকে আৰু অকণো পলম নকৰি নিজৰ নিজৰ বাসগৃহ নিৰ্মাণ কৰিবলৈ উঠি পৰি লাগিল। এইবাৰ তেওঁলোকে পুনৰ ৰংপুৰৰ আহিৰে সকলোবোৰ লোক একেখন ঠাইতে থিতাপি লৈ থকাটো পচন্দ নকৰিলে ইচ্ছাও নকৰিলে। নিজাববীয়াকৈ বাসগৃহৰ বাবে স্থান নিৰ্বাচন কৰি ললে তেওঁলোকে। অৱশ্যে এই বিষয়ত তেওঁ-লোক বিশেষ অসুবিধাৰো সন্মুখীন নহ'ল. কিয়নো নতুন ৰংপুৰত বাসগৃহৰ উপযোগী মাটি ৰংপুৰতকৈ পৰিমাণত বহু বেছি।

কিন্তু খেতিৰ সময়ত এইবিলাক কাম কৰিবলগীয়া হোৱা বাবে আৰু তেওঁলোকৰ মনবোৰ আগৰ দৰে শৃঙ্খলাবদ্ধ নোহোৱা হেতুকে — ৰংপুৰৰ পৰা বুজন পৰিমাণৰ গৰু ম'হ আৰু ধানৰ বীচ লৈ অহা সত্বেও চন মাটি ভাঙি তেওঁলোকে বেছি মাটিত খেতি কৰিব নোৱাৰিলে। কৰাপিনিও একেবাৰে বেয়া হল। কিন্তু তাৰ বাবে তেওঁলোকে সমূলি চিন্তাও নকৰিলে। গোটেই বছৰ ধৰি নতুন ৰংপুৰৰ ওচৰে-পাজৰে বনৰীয়া জন্তু চিকাৰৰ যথেষ্ট সুবিধা। মাছ মৰ ক্ষেত্ৰত তেওঁলোক কিন্তু মুঠেই আশাবাদী নহয়। অৱশ্যে অসুবিধাত পৰিলে ৰংপুৰৰ পৰাও তেওঁলোকে খাদ্য সামগ্ৰী আনিব পাৰিব। কাৰণ ৰংপুৰৰ জনসংখ্যা এতিয়া যথেষ্ট কম। ভালদৰে ফচল উঠিলে নিশ্চয় সিহঁতৰ খাদ্য শস্য বাহি হব। নতুন ৰংপুৰবাসী অৰ্ধদেৱতা সকলৰ ৰংপুৰৰ মাটিত হক আছে। তদুপৰি তাৰ মানুহখিনিৰ ভৱিষ্যৎ যিহেতু তেওঁলোকেই নিৰূপণ কৰিব, তেনেস্থলত সিহঁতৰ খাদ্যৰ ভঁড়ালতো

নিশ্চয় তেওঁলোকৰ অধিকাৰ আছে। মাথোন মানুহৰ অভাৱত সিহঁতে পথাৰৰ মাটি ছন্ নেপেলালেই হয়।

আগন্তুক অসুবিধা বিলাক—অৰ্ধদেৱতা সকলে এনেদৰে যুক্তি তৰ্কৰ দ্বাৰা খণ্ডন কৰি ভালেখিনি সকাহ পালে মনে মনে। যি অলপ খেতি কৰিছিল সেইখিনিৰ বেছি ভাগেই বানপানী গৰাহত পৰি নষ্ট হোৱাৰ ফলত তেওঁলোকৰ হাতত কৰিবলগীয়া কোনো কামেই নাথাকিল। বংপুৰৰ পৰা এখনো নাও অনা নাছিল তেওঁলোকে। সেয়ে বানপানীৰ সময়ত নাৱেৰে মাছ মৰাটোও তেওঁলোকৰ বাবে সম্ভৱপৰ হৈ নুঠিল। আজৰি পৰত নাও কেইখনমান সাজি লবলৈও উৎসাহবোধ নকৰিলে তেওঁলোকে। ডাঙৰ গছ এডালৰ মাজৰখিনি খুলি নাও এখন সাজি উলিওৱাতো সহজ কথা নহয়। গতিকে পাছৰ বাৰ বংপুৰলৈ গলে তাৰ পৰাই কেইখনমান নাও লৈ অহাৰ কথা আলচিলে তেওঁলোকে। অৱশ্যে বংপুৰ নদীৰে উজাই নতুন বংপুৰলৈ আহিব পৰা হ'বনে নহয় সেই বিষয়েহে তেওঁলোকৰ অলপ সন্দেহ থাকিল।

নতুন বংপুৰৰ অৰ্ধদেৱতা সকলৰ হাতত কৰিবলগীয়া কোনো কাম নথকা হেতুকে আজৰি সময়খিনিত তেওঁলোকে নিজৰ ঘৰবাৰী বিলাক সজাই পৰাই লোৱাতেই ব্যস্ত থাকিল। অৱশ্যে ইয়াৰ মাজতে তেওঁলোকে মহান স্বৰূপ কুমাৰ আৰু আন দেৱতা সকলৰ কথাও আলোচনা কৰিলে। তেওঁলোকে নতুন বংপুৰত থিতাপি লোৱাৰ দিন ধৰি দেৱতা সকলৰ সাক্ষাত লাভ কৰা নাই। সেইবাবে কেতিয়াবা দেৱ মন্দিৰত কেতিয়াবা ধন বিলাস অথবা আন কাৰবাৰ ঘৰত এই কথাটো সঘনে উত্থাপিত হয় তেওঁলোকৰ মাজত। কিন্তু কোনো মীমাংসাত উপনীত হ'ব নোৱাৰে।

অৱশ্যে স্বৰূপ কুমাৰৰ নিৰ্দেশ মতে ধন বিলাসে দেৱকন্যাৰ কৈদৰ মাজত নতুন বংপুৰৰ সমস্ত মাটি ভাগ কৰি দিছে। মুখপত্ৰ

হিচাপে মান ভাগ অৰণ্যে ধন বিলাসেই পাইছে।

তদুপৰি দেৱৰক্তৰ বিষয়ে সচেতন অৰ্ধদেৱতা সকলে দেৱবৃন্দৰ ক্ষেত্ৰতো যেন দেৱৰক্তৰ আধিক্য-অনাধিক্যৰ সম্ভেদ পাইছে। আটাইতকৈ উচ্চ আসনত অধিষ্ঠিত হৈছে মহান স্বৰূপ কুমাৰ। দেৱবৃন্দৰ গন্তব্য পথলৈ যোৱা যাত্ৰা পথ সম্বন্ধেও তেওঁলোক একমত নহয়, কিন্তু এটা কথা সকলোৱে মানি লৈছে যে তেওঁলোক যিহেতু দেৱতা সেই ক্ষেত্ৰত যাত্ৰা পথৰ বাবে তেওঁলোক আতুকালত নপৰে।

অৰ্ধদেৱতাসকল কিন্তু এটা বিষয়ত নিশ্চিত যে এদিন নহয় এদিন কোনোবা এজন দেৱতা আহি তেওঁলোকৰ মাজত জ্ঞান বিতৰণ কৰিব, কৰ্মপন্থা যুগুতাই দিব, ৰংপুৰীয়া ৰাইজৰ প্ৰতি তেওঁলোকৰ কৰণীয় কি বহলাই বুজাই দিব।

বানপানী শেষ হোৱাৰ কিছুদিন পিছতেই নতুন ৰংপুৰত মহান স্বৰূপ কুমাৰৰ পদাৰ্পণ ঘটিল। তাৰ পিছত বিজয় কৃষ্ণ আদি দুই চাৰিজন অন্য দেৱতায়ো ৰংপুৰ গছকিলেহি। অৰ্ধদেৱতা সকলে জ্ঞানৰ পোহৰ পালে।

ৰংপুৰীয়া ৰাইজৰ খেতিৰ কামত পুনৰ বিজুতি ঘটিল। পথাৰৰ মাটিত দুই চাহ পৰাৰ পিছতে সাতদিন ধৰি দিনে নিশাই এনেকুৱা মুষলধাৰে বৰষুণ আহিল যে সিহঁতৰ পথাৰলৈ যোৱাৰ কোনো উপায়েই নাথাকিল। কেনেকোটোকাৰে দুই পাৰ ভাঙি ৰংপুৰ নদীয়ে এইবাৰ ধানৰ গোছ নৌদিওঁতেই পথাৰ বুৰাই পেলালে। 'অৱশ্যে খেতিৰ বাবে এইটো বৰ বেয়া কথা নহয়। আগতীয়া বানপানীয়ে পলস পেলাই থৈ যোৱা মাটিত ধানখেতি ভালহে হয়।' কিন্তু ৰংপুৰীয়া ৰাইজৰ ভাকৰীয়া সংখ্যক মানুহৰ বাবেহে সাতোটা দিন অৱাবতে যোৱা মুখৰ কথা নহয়।

মানব বিকাশে বৰষুণৰ মাজতেই এদিন আহিছিল পথাৰৰ বেহৰূপ চাবলৈ। এনে ধৰণৰ বানপানী বেছিদিনলৈ নাথাকে বুলি সি নিশ্চিন্ত। ৰংপুৰ ককায়ো তাকেই কৈছে। কিন্তু সাতোটা দিন অৱাবতে যোৱা কাৰণেহে বেয়া লাগিল তাৰ। বৰষুণ এৰাৰ পিছত পানী শুকাবলৈ আৰু কিছুদিন অপেক্ষা কৰিব লাগিব সিহঁতে। সি অনুমান কৰিলে ভাদ মাহৰ দহ দিন যোৱাৰ দিনাখনো সিহঁতে কিজানি খেতিৰ কাম শেষ কৰিব নোৱাৰিব। ভাগ্য ভাল শিল বৰষুণ আহি ধানৰ কঠিয়া-বোৰ যে নষ্ট নকৰিলে। জহকালি শিল বৰষুণ অহাৰ অৱশ্যে কোনো সম্ভাৱনাও নাই। কিন্তু দিন পলম হৈ গলে যে ধানৰ কঠিয়া বোৰ বুঢ়া হৈ যাব—সেই চিন্তাটিয়ে তাক বাককৈয়ে আমনি দিলে। কাৰণ এতিয়া আৰু নতুনকৈ ধানৰ কঠিয়া সিঁচিবৰ সময় নাই। শইচো নাই সিহঁতৰ। এনেয়ে খেতিৰ অৱস্থা দিনে দিনে বেয়াৰ কালেহে গৈ আছে,—তাতে আকৌ বুঢ়া কঠিয়া কই ভাল খেতি হোৱাৰ কোনো আশা নেদেখিলে মানৱ বিকাশে।

মানৱ বিকাশে ঠিক কৰিলে বতৰত যিমানখিনিলৈকে পৰা যায় মাথোন সিমানখিনি মাটিৰহে খেতি কৰি বাকী মাটিবোৰ এই বছৰলৈ ছন্ পেলাই থোৱাটোহে উচিত হ'ব। মানুহবোৰক অৱাবতে কষ্ট দিয়াৰ কোনো যুক্তি নাই। কোনো দিনে পথাৰ গছকি নোপোৱা চেঙেলীয়া জাকৰ কষ্টৰ কথা ভাবি বেয়া লাগিল মানৱ বিকাশৰ। দিনৰ দিনটো মাছ মৰাত ব্যস্ত আনন্দ প্ৰকাশহঁতৰ কথা ভাবিও অন্তৰত গভীৰ বেদনা অনুভৱ কৰিলে সি।

কিন্তু পথাৰৰ পৰা উভতিব খুজি মানৱ বিকাশৰ—অৰ্ধদেৱতা সকল আৰু মহান স্বৰূপ কুমাৰ, বিজয় কৃষ্ণ আদি দেৱতা সকলৰ কথা মনলৈ আহিল। নতুন ঠাইলৈ গৈ ঠিক মতে খেতি বাতি কৰিব নোৱাৰিলে বৰ বিপদত পৰিব তেওঁলোক। তাতে আকৌ—যিমানে সাৰুৱা নহওক কিয় প্ৰথম বছৰত ছন্ মাটি ভাঙি খেতি কৰা বৰ কষ্টকৰ। খং কৰিব খুজিও মানৱ বিকাশে ভয় পালে,—তাৰ অকৰামীৰ বাবে জানোচা ৰংপুৰীয়া ৰাইজ বিপদত পৰে। গভীৰ হতাশাৰে জৰ্জৰিত হৈ মানৱ বিকাশে ৰংপুৰলৈ উভতি খোজ পেলালে।

ৰংপুৰলৈ ঘূৰি আহি থাকোঁতে মানৱ বিকাশে আঁতিগুৰি নোহোৱা বহু কথাই চিন্তা কৰি আহিল। সি নিজেই ধৰিব পাৰিছে—অৰ্ধদেৱতা সকলে ৰংপুৰ এৰাৰ পিছৰে পৰা তাৰ মানসিক অৱস্থাৰ ভালেখিনি পৰিবৰ্তন হৈছে। 'আজিকালি নিজকে সি বৰ অকলশৰীয়া বুলি অনুভৱ কৰা হ'ল।' আগতে মানৱ বিকাশে ৰংপুৰ ককাৰ ওচৰলৈ সঘনাই নগৈছিল। কিন্তু এতিয়া আজৰি সময় খিনিত ককাৰ ওচৰতে বহি থাকে। ধ্যান বাজ আৰু তাৰ মাকৰ মুখে সদায় শুনা অভিবানৰ কথাবোৰকেই আকৌ শুনে। মাজে মাজে ককাৰ ওপৰতো খং উঠে তাৰ। 'ৰংপুৰৰ এই সন্ধিক্ষণৰ সময়তহে নো বেমাৰে বাহ ল'ব পালেনে তেওঁৰ দেহত। কিন্তু ৰংপুৰ ককাৰ বেমাৰে জুৰুলা কৰা দেহাটিৰ কথা মনলৈ আহিলে খং শাম কাটে।' ৰংপুৰ ককাৰ অবিহনে ৰংপুৰৰ যে কি অৱস্থা হ'ব ভাবিয়েই ভয় লাগিল তাৰ।

মানৱ বিকাশৰ নিজৰ বাপেকৰ কথাও মনলৈ আহিল। কি অসাধাৰণ শক্তিশালী আছিল তাৰ বাপেক,— আৰু কি অদ্ভুত খঙাল। তাৰ মনত আছে— এবাৰ কি জানো কথাত খঙত বলিয়া হৈ তাৰ বাপেকে স্বৰূপে কুমাৰৰ বাপেকক ভুকুৱাই, গুৰিয়াই, গলত টেপা মাৰি ধৰি মাৰিবকে খুজিছিল। ৰংপুৰ ককা সেই সময়ত আহি নোপোৱা হলে সেইদিনাখন নিশ্চয় স্বৰূপ কুমাৰৰ বাপেকৰ ভৱলীলা সাং হ'লহেঁতেন।

কিন্তু এনেকুৱা দুৰ্দ্ধৰ্ষ মানুহ জনো ৰংপুৰ ককাৰ ওচৰত তেনেই লেউসেউ হৈ থাকিছিল। মানৱ বিকাশে তাৰ বাপেকক ককাৰ উপস্থিতিত কোনোদিনে উচ্চবাচ্য কৰা শুনা নাই। তেওঁৰ ওচৰত বাপেকৰ কথাবোৰ আছিল—'কোমল বয়সৰ শিশুৱে বাপেকৰ ওচৰত আব্দাৰ ধৰাৰ নিচিনা।' কিন্তু ভাবি আটাইতকৈ আচৰিত লাগে তাৰ 'ৰংপুৰ ককায়ো কোনো দিনে তাৰ বাপেকৰ বক্তব্যৰ অসন্মান জনোৱা নাছিল। অৱশ্যে ৰংপুৰ ককাই কোনো দিনে—কোনো ক্ষেত্ৰতেই অন্য জনৰ মতামতক উপেক্ষা কৰা নাই। মানৱ বিকাশে ভাবিলে— ৰংপুৰৰ এনে অৱস্থাত ৰাজহুৱা মেলৰ বাহিৰে কোনো দিনেই দেৱ মন্দিৰ গচকি নোপোৱা তাৰ বাপেক জীয়াই থকা হলে কি হ'লহেঁতেন। ধন বিলাসে প্ৰকাশ্য ভাৱে ককাক অপমান কৰি বাচি যাব পাৰিলেহেঁতেন জানো। সি চিন্তা কৰিলে ৰংপুৰ ককাৰ কাষত সি নাথাকি সেইদিনাখন তাৰ বাপেক থকা হলে ৰংপুৰৰ ভৱিষ্যতে কোন পথে গতি ললেহেঁতেন।

এই বিলাক কথা ভাবি আহোঁতে মানৱ বিকাশৰ—যোৱা আনন্দ মেলাৰ শেষ দিনাখন ৰংপুৰ ককাৰ লগত হোৱা তাৰ সংক্ষিপ্ত কথোপকথন খিনি মনত পৰিল। ইমান দিনে সেই কথাখিনি অনৰ্থক বুলি ভাবি সেই বিষয়ে কোনো চিন্তা কৰা নাছিল মানৱ বিকাশে। 'ৰংপুৰ ককাৰ অনাহকতে পুৰ স্মৃতি ৰোমন্থন' বুলি ভাবি থৈ দিছিল। কিন্তু

আজি এই নিৰ্জন গধূলি পৰত সেই সাধাৰণ কথাখিনিয়েই 'অসাধাৰণ সাঁথৰ' এটি যেন তাৰ ভাৱ হ'ল। বিমূঢ় হ'ল মানৱ বিকাশ। 'ৰংপুৰ ককাই সেইদিনাখন `কয় বাৰ সেই কথাখিনি কৈছিল।'

সি মনে মনে সিদ্ধান্ত গ্ৰহণ কৰিলে—ৰংপুৰ ককাৰ অসুখ অলপ-মান ভালৰ ফালে আহিলেই সি তেওঁৰ আগত এই প্ৰসঙ্গটোৰ পুনৰাৱতাৰণা কৰিব। 'ৰংপুৰৰ এনেকুৱা এটি অৱস্থাত ককাৰ উপদেশ ল'বলগীয়া বহু কথাই আছে, ভাবিলে সি। কিন্তু ৰংপুৰৰ আনলোক সকলৰ লগতো এই বিষয়ে আলোচনা কৰা উচিত। সিহঁতৰ চোনেহৰ ৰংপুৰত এনেকুৱা আচৰিত ধৰণৰ ঘটনা কিছুমান ঘটি যোৱাৰ পিছতো মানুহ বিলাক এনেদৰে আগৰ নিচিনাকৈ নিশ্চিন্ত অচেতন হৈ থকা উচিত নহয়।

মানৱ বিকাশে ঠিক কৰিলে এই বিষয়ে দেৱমন্দিৰত ৰাজহুৱা সভা পাতি বানপানী শেষ হোৱাৰ লৈকে এই কেইদিন ঘৰে ঘৰে গৈ নাইবা যাকে য'তে লগ পাই তাতেই অসুখ, সি ভাবি থকা কথাবোৰ কবলৈ—নিজে বুজাখিনি বুজাই দিবলৈ, আৰু মুনজা কথাখিনি যদি সম্ভৱ হয় তেনেহলে সিহঁতৰ পৰা বুজি লবলৈ চেষ্টা কৰিব। সি কিন্তু ভাবি নাপালে মানুহ খিনিক সি কি কথা কব, কি বুজাব, সিহঁতৰ পৰা যেই বা কি বুজিব। ৰংপুৰ পথাৰ অতিক্ৰম কৰি সি ৰংপুৰ ৰাস্তাত খোজ পেলালেহি।

হঠাতে আচৰিত চিন্তা এটায়ে মানৱ বিকাশৰ মনোজগতত ভুমুকি মাৰিলে 'ৰংপুৰ ককাক নিজৰ নামটো মনত পেলাই দিব লাগিল, আৰু আজিয়েই দিব লাগিব।' তাৰ নিজৰ ওপৰতে খং উঠিল। 'কিয় বাৰু এই কথাটো আজিলৈকে এবাৰৰ বাবে হ'লেও তাৰ মনত খেলোৱা নাছিল।' ককাৰ ওপৰতো খং উঠিল তাৰ। 'নিজৰ নামটোনো বাৰু কোনোবাই কেতিয়াবা পাহৰিব পাৰে নে।' নিজৰ নামটো সি কেইবাবাৰো নিজৰ মনতে আওৰালে।

ৰংপুৰ ককাক তেওঁৰ নিজৰ নামটো মনত পেলাই দিয়াৰ ফলত কি লাভ হ'ব সেইটোহে বুজিব নোৱাৰিলে সি। তথাপিও মানৱ বিকাশৰ বিশ্বাস হ'ল—'কোনো মানুহেই নিজৰ নামটো পাহৰি যোৱা উচিত নহয়।'

মানৱ বিকাশে গৈ যেতিয়া ৰংপুৰ ককাৰ চোতাল পালেহি—সন্ধিয়া লাগিছে তেতিয়া। বাৰান্দাৰ সেই আগৰ ঠাইতেই বহি আছে ককা। বৰষুণৰ বাবে আন কাম একো কৰিব নোৱাৰি ককাৰ কাষতে বহি আন কেইজনমানেও বাঁহ বন কৰি আছে।

ককাৰ সৈতে মানুহ কেইজনক দেখি মানৱ বিকাশৰ গোমা মনটো আগতকৈ ভালেখিনি ফৰকাল হ'ল। ৰংপুৰ ককাই একমনে মাছ মাৰিবলৈ সজা জোং এডালৰ গাঠি চাঁচি নিমজ কৰি লোৱা বিজুলি বাঁহৰ নালটো চাই আছে। কি ভাৱি জানো মানৱ বিকাশে ঠিক কৰিলে অকলশৰীয়া অৱস্থাতে সি ককাক তেওঁৰ নামটো সোঁৱৰাই দিয়া উচিত হ'ব। ওচৰতে থকা বিজুলি বাঁহ এডালৰ গুৰি নিৰ্দিষ্ট জোখত কাটি সি আনবিলাকৰ লগতে মাছ মৰা জোং সাজিবলৈ আৰম্ভ কৰিলে। এইবাৰ সিহঁতে বৰষুণৰ ফাঁকে ফাঁকে ৰংপুৰ নদীত যথেষ্ট মাছ ধৰিছে।

সকলোবোৰ মানুহে মাতবোল নকৰি একমনে কাম কৰি থকা দেখি মানৱ বিকাশেই কথাৰ বকলা মেলিলে। 'বানপানীত পথাৰ বুৰ গৈ থাকিলেও আমাৰ বিশেষ অনিষ্ট নহব যেন লাগিছে। খেতিখনহে অলপ দুমলীয়া হ'ব মাথোন। কিন্তু পলস পৰা মাটিত খেতি বেয়া নহব যেন পাইছো।'

মানৱ বিকাশৰ কথাত সকলোৱে একমত হ'ল। আজিকালি ককাই আনৰ কথা শুনেহে নিজে বৰ বিশেষ মন্তব্য নকৰে। মানৱ বিকাশৰ কথাখিনি কিন্তু তেওঁ প্ৰকাশ্যে সমৰ্থন কৰিলে। 'আগতীয়া বানপানীয়ে খেতিৰ মঙ্গল সাধন কৰে।' বুঢ়া কঠিয়াৰ বিষয়ে

মানৱ বিকাশে ককাৰ পৰামৰ্শ বিচৰাত তেওঁ কলে--সেই বিষয়ে এতিয়া আৰু কৰিবৰ একো নাই, কিন্তু মুমলীয়াকৈ পুতিব লগীয়া হোৱা মাটি বিলাকত কঠিয়াৰ গোছ ঘনকৈ দিব লাগিব। বুঢ়া কঠিয়াৰ পৰা ধানৰ ডাঙৰ চোপ কেতিয়াও আশা কৰিব নোৱাৰি।

মানৱ বিকাশ কছু সময় মনে মনে থাকিল। হঠাতে সি তাৰ এটা সিদ্ধান্তৰ কথা ঘোষণা কৰিলে। 'এইবাৰৰ পৰা আৰু পথাৰৰ পকা ধান চৰাইক খাব দিব নোৱাৰি। আমি চৰাই নিধনৰ ব্যৱস্থা হাতত লব লাগিব।'

কথাটো মানৱ বিকাশে আগৰে পৰা ভাৱি চিন্তি কোৱা কথা নহয়, মনত খেলোৱাৰ লগে লগে ব্যক্ত কৰা কথা। উপস্থিত প্ৰত্যেক জনে আচৰিত হৈ তাৰপিনে চালে। তাৰ কথাষাৰ যেন মানুহখিনিয়ে বুজি নাপালে।

মানৱ বিকাশে অলপ লাজ পালে। সচৰাচৰ এনে ধৰণৰ কথা বিলাক আলাপ আলোচনাৰ মাজেৰে ৰংপুৰ ককাৰ মুখেদিহে ব্যক্ত কৰা হয়! গতিকে আত্মপক্ষ সমৰ্থন কৰি পুনৰ কবলগীয়াত পৰিল। 'মই সকলো জাতৰ চৰাইৰ কথা কোৱা নাই,—ধান পকিবৰ সময়ত যিবোৰ চৰাই আহি ধাননি পথাৰৰ অনিষ্ট কৰেহি সেইবিলাকৰ কথাহে মাথোন কৈছো।'

'ৰংপুৰৰ অলিখিত সংবিধানখনত চৰাই বধ নিষেধ।' মানৱ বিকাশ হঁতৰ জন্মৰ বহু বছৰ আগৰ কথা। ৰংপুৰৰ পথাৰৰ ধান যেতিয়া গোটেই বছৰে খাইও শেষ কৰিব নোৱাৰা অৱস্থা এটা আছিল—তেতিয়া এবাৰ কৰবাৰ পৰা এজাক অতি সুন্দৰ চৰাই আহি ৰংপুৰৰ সোণ বৰণীয়া হৈ পকি থকা ধাননি পথাৰত পৰিছিলহি। অচিনাকি ধুনীয়া চৰাইৰ জাকটো চাবলৈ সেইদিনাখন হেনো ৰংপুৰৰ আটাই বোৰ মানুহ ভাগি আহিছিল ৰংপুৰ পথাৰলৈ! ইমান কষ্টৰ ধানভৰা খাই তছিলং কৰা সত্বেও কোনো এজনৰে সত নগল চৰাইৰ জাকটিক

খেদি পঠিয়াবৰ বাবে। ফলত—'ৰংপুৰত চৰাই বধ নিষেধ'—এই আইনখন অঘোষিত ভাৱেই প্ৰচলিত হ'ল। সেই বছৰৰে পৰা প্ৰতি-বছৰে ধুনীয়া চৰাইৰ জাকটিয়ে—পকাধানৰ বতৰত ৰংপুৰৰ আলহী হয়হি আৰু ধান চপোৱাৰ পাছতেই অন্তৰ্হিত হয়।

কিন্তু সময় ভাৱি চিন্তি চাই ৰংপুৰ ককাকে ধৰি উপস্থিত সকলো কেইজনে মানৰ বিকাশক সমৰ্থন কৰিলে। দেখিবলৈ যিমানে ধুনীয়া নহওক কিয়—শৰীৰৰ ঘাম মাটিত পেলাই উৎপন্ন কৰা সোণালী ধানবোৰ অচিনাকি চৰাই একজাকক খাবলৈ এৰি দিব নোৱাৰি।

মানুহবোৰ ঘৰাঘৰি গ'ল গৈ। মানৰ বিকাশহে মাথোন ককাৰ লগত বহি থাকিল। অলপ সময় কেনেদৰে থকাৰ পাছত মানৰ বিকাশৰ অনুমান হ'ল—আকাশখন যেনেদৰে ভাৱৰীয়া কৰি আনিছে কিজানি কিছু বেলিৰ মূৰতেই বৰষুণ পুনৰ আহিব। সি ৰংপুৰ ককাক শেতেল্পিলৈ লৈ আহি—শুৱাই দি নিজে মূৰ শিতানৰ পিনে থকা মূঢ়া এটাত বহি পৰিল। তলমূৰ কৰি সি আপোন মনে অচিনাকি ধুনীয়া চৰাই জাকৰ কথাকে ভাৱিবলৈ ধৰিলে।

এনেদৰে কিছু সময় আপোন ভাৱত নিমগ্ন হৈ থকাৰ পিছত—হঠাতে মূৰ তুলি চাই মানৰ বিকাশে দেখা পালে—ৰংপুৰ ককাই একেথিৰে তাৰ পিনে চাই আছে। অকলশৰীয়া—অৱস্থাত আজিকালি ককাই সদায় তেনেদৰে তাৰ পিনে চাই থাকে। সি সদায় আশা কৰে তেওঁ তাক কিবা অসাধাৰণ কথা এটি ক'ব। কিন্তু মানৰ বিকাশ সদায় নিৰাশ হয়। ৰংপুৰ তোলপাৰ লগাই দিয়া ঘটনা বিলাক ঘটিবৰ দিনাখনৰে পৰা ককাই কোনো কথা সিহঁতক উপ-যাচি কোৱা নাই।

সন্ধিয়া হোৱাৰ লগে লগে ধ্যান ৰাজ মাছ মাৰিবলৈ ওলাই গৈছে। তাৰ মাক ৰান্ধনি ঘৰত ব্যস্ত। গতিকে ককাৰ ওচৰলৈ এতিয়া আৰু কোনো নাহে। মানৰ বিকাশৰ চিন্তা হ'ল—ককাকনো

বাক কেনে ধৰণে নিজৰ নামটো সোঁৱৰাই দিয়া যায় অহেতুক কথা বুলি ভাবি মনে মনে তাৰ অলপ লাজো লাগিল। কিন্তু সি দৃঢ় প্ৰতিজ্ঞ। 'ৰংপুৰ ককাক আৰু নিজৰ নামটো পাহৰি থাকিবলৈ দিব নোৱাৰি।'

পুনৰ খেতিৰ কথাকেই উলিয়ালে মানৱ বিকাশে। - যিহেতু আগৰ তুলনাত প্ৰায় আধা সংখ্যক মানুহেই এতিয়া ৰংপুৰৰ স্থায়ী বাসিন্দা নহয়, এইবাৰ পথাৰ খনৰ কিছু মাটি ছন পেলাই থলেও সিহঁতৰ কোনো অসুবিধা নহ'লহেঁতেন। কিন্তু ৰংপুৰ এৰি যোৱা সকলে ইমান কম সময়ৰ ভিতৰতে খেতি কৰি বছৰটোৰ জোখাৰে শস্য উৎপন্ন কৰিব পাৰিব নে - তাৰ ভাল মান নথাকে ওপৰি ধন বিলাসে কোনোৱেই গৈছে—ৰংপুৰৰ লগত তেওঁলোকে সম্পূৰ্ণ যোগাযোগ ৰাখি চলিব নোৱাৰিলে খেতি পাতি ভালদৰে নহ'ব সমূহ বিপদ

ৰংপুৰ ককাই মানৱ বিকাশৰ কথা মূৰ দুপিয়াই সমৰ্থন কৰিলে। যেতিয়াও বহুতকাৰ হ'লেও ৰংপুৰৰ লগত সম্বন্ধ বিচ্ছেদ কৰি তেওঁলোক নাথাকে, —থাকিবও নোৱাৰে

'ৰংপুৰ ককা' আপোনাৰ নামটো 'অমল উজ্জ্বল'।

মানৱ বিকাশৰ মুখে নিজৰ নামটো শুনাৰ লগে লগে ৰংপুৰ ককাই আনন্দতে উচপ খাই উঠিল —তেওঁৰ ওচৰতে কৰবাত যেন বজ্ৰপাত হৈ পৰিছে। উত্তেজনাত ৰঙা-চিঙা পৰি তেওঁ শোতলিতে উঠি বহিল; তাৰ পিছত থক্ থক্ কৈ কঁপিব ধৰিলে। তেওঁৰ সৰ্বশৰীৰতে ঘামৰ জোল বৈ আছিল।

নিজৰ নামটো মনত পৰাৰ লগে লগে ৰংপুৰ ককাৰ এনেকুৱা অৱস্থা এটা হ'ব বুলি সপোনতো কল্পনা কৰা নাছিল মানৱ বিকাশে। ততালিকে উঠি গৈ সি দুই হাতেৰে ককাক সাৱটি মাৰি ধৰি পুনৰ শোতলি খনত শুৱাই দিলে। লগে লগে ককাৰ চেতনা বিলুপ্ত হ'ল।

ৰংপুৰ ককাৰ অসুখৰ বতৰা বনজুইৰ দৰে নিমিষৰ ভিতৰতে

গোটেই ৰংপুৰ নিয়পি পৰিল। বাউলী জনী হৈ দৌৰি আহিল উমা, মানৱ বিকাশৰ বুঢ়ীমাক। মাছমৰীয়া নাও বিলাক উলটি আহিল। ৰংপুৰৰ আবাল বৃদ্ধ বনিতা সকলোৱে কিন নীকিয়া সৰস্বতীক আওকাণ কৰি ককাৰ ঘৰৰ আগচোতালত জুম পাতিছিলে। ভালেমান সময় সেকাপোৰাৰ পিছতহে জ্ঞান আহিল ৰংপুৰ ককাৰ। মানৱ বিকাশে মানুহবোৰক ঘৰাঘৰি যাবলৈ বুজনি দিলে। মানুহবোৰেও ককাৰ দেহৰ অৱস্থা অলপ ভালৰ পিনে অহা দেখা পাই মানৱ বিকাশৰ কথা মানি ঘৰাঘৰি গ'ল গৈ। মাথোন তাৰ বুঢ়ীমাক জনীহে সৈমান নহ'ল। গোটেই ৰাতিটো তাই ককাক পৰ দি উজাগৰে কটালে। মানৱ বিকাশেও দুজন মান সঙ্গীৰ লগত বাহিৰৰ বাৰান্দাতে বহি থাকিল। সেই দিনাখন ৰাতি এবাৰৰ বাবেও সাৰ নাপালে ৰংপুৰ ককাই।

ৰংপুৰ ককা থকা ঘৰটোৰ বাহিৰৰ দুৱাৰখন ইচ্ছা কৰিয়েই বন্ধ কৰিবলৈ মানা কৰিছিল মানৱ বিকাশহঁতে, কিয়নো ৰাতি সিহঁতৰ প্ৰয়োজন হ'বই। দুইবাৰ মান উঠি গৈ মানৱ বিকাশে চাইও আহিছিল ককাক। শান্তভাৱে শুই থকা ককাৰ ওচৰত উজাগৰে পৰ দি থকা বুঢ়ী মাকক দেখি সিহঁতৰ মনবোৰ শান্ত হৈছিল। ৰাতিটোত আৰু বিপদৰ কোনো আশংকা নাই। ৰাতিপুৱাৰ পিনে গোটেই কেইজনৰে চিলমিলকৈ অলপ টোপনিও আহিছিল। কিন্তু বুঢ়ীৰ খোজৰ শব্দত গোটেই কেইজনে ধড়মড়কৈ উঠি বহিল। মানৱ বিকাশ ঘৰটোৰ ভিতৰলৈ সোমাই গৈ দেখিলে ককা তেতিয়াও গভীৰ টোপনিত। সি ওলাই আহি লগৰীয়া কেইজনক ঘৰলৈ গৈ অলপ বিশ্ৰাম লবলৈ উপদেশ দিলে। ককাই সাৰ নোপোৱালৈকে সি অপেক্ষা কৰিব। দৰাচলতে নিজকে অলপ অপৰাধী যেন বোধ হলেও— নিজৰ নামটো মনত পৰাৰ পিছত ৰংপুৰ ককাইনো প্ৰথমতে কি কথা কয়—তাকে শুনিবৰ অসীম কৌতূহল মানৱ বিকাশৰ।

মানৱ বিকাশে কিছু সময় একেলশৰে বাৰান্দাতে থাকিল। সি বাপেকৰ মুখে শুনা ৰংপুৰ ককাৰ জন্ম কাহিনীটো মনত পেলাবলৈ যত্ন কৰিলে। চ'ত মাহৰ তিনিদিন যোৱাৰ দিনাখন ঠিক সাঁজ লগাৰ সময়তে ককাৰ জন্ম হৈছিল। স্বৰূপ কুমাৰৰ আজো ককাকৰো সেই-দিনাখনেই মৃত্যু ঘটিছিল। তেওঁৰ মৃতদেহটো উটুৱাই থৈ আহি ৰংপুৰীয়া ৰাইজে ককাৰ জন্মৰ বতৰা পাইছিল।

ৰংপুৰ ককাৰ জন্মৰ তিনিদিন আগৰে পৰা ক্ৰমে ৰংপুৰৰ চাৰিও কাষৰীয়া অৰণ্যৰাজিত বনজুই লাগিছিল। সেই ভয়ংকৰ বনজুইৰ মাজত পৰিয়েই মহান স্বৰূপ কুমাৰৰ আজোককাক মৃত্যু মুখত পৰিছিল। সাঁজ লগাৰ সময়ত—ককা যেতিয়া ভূমিষ্ঠ হৈছিল—সেই সময়ত ৰংপুৰৰ চৌদিশে দপ্‌দপ্‌কৈ জ্বলি থকা বনজুইয়ে গোটেই ৰংপুৰখন পোহৰাই তুলিছিল। সেইবাবে ৰাইজে মিলি ৰংপুৰ ককাৰ নামকৰণ কৰিলে—'অনল উচ্ছ'।

হঠাতে মানুহৰ খোজৰ শব্দত মানৱ বিকাশৰ চিন্তাত ব্যাঘাত জন্মিল। বুঢ়ীমাকে ৰাতি মুখ ধুৱাই দিবলৈ ককাক বাহিৰলৈ লৈ আহিছে। মানৱ বিকাশ থিয় হ'ল, ককাৰ কোঠাৰ ভিতৰ সোমাই সি খিড়িকিবোৰ খুলি দিলে। বেলি ওলাবলৈ তেতিয়াও বহুত বাকী যদিও প্ৰভাতী পোহৰে কোঠাটি পোহৰাই তুলিলে। গোটেই শেষ নিশাৰে পৰা আকাশ ফৰকাল। বুঢ়ীমাকে ককাক পুনৰ শেতেলি-লৈকে লৈ অহাৰ লগে লগে সি বাহিৰ ওলাই চিধাই বাকচনি ঘৰ পালেগৈ। পাকঘৰত মাকে তাক এবাটি গৰম গাখীৰ দিলে। ককা আৰু বুঢ়ীমাকৰ বাবেও দুই বাটি গাখীৰ লৈ গ'ল তাই। হাত-মুখ নোধোৱাকৈয়ে গাখীৰ বাটি পি খাই সি পুনৰ ককাৰ কোঠাত সোমাল। ইতিমধ্যে ককাৰো খোৱা হৈ গৈছে।

মানৱ বিকাশে ৰংপুৰ ককাৰ মূৰ শিতানৰ পিনে মূঢ়া এটি পাৰি বহিল। মুখৰ পিনে নোচোৱাকৈয়ে সি অনুমান কৰিব পাৰিলে—

ৰংপুৰ ককাই একেথিৰে তাৰ পিনে চাই আছে। ককাৰ মুখলৈ চাব মানৱ বিকাশে সংকোচবোধ কৰিলে। তথাপি চালে সি। চাই অনুমান হ'ল--'দুই চকু মুদি কিবা এটা কবলৈ ককাই আপ্ৰাণ চেষ্টা কৰিছে,—কিন্তু কব পৰা নাই।

হঠাতে মানৱ বিকাশৰ মুখেৰে দুটি শব্দ উচ্চাৰিত হ'ল—'অনল উজ্বল।'

ৰংপুৰ ককাই চকু মেলি এবাৰ মানৱ বিকাশৰ পিনে চাই পুনৰ ওঁঠ দুটি লৰাবৰ চেষ্টা কৰিলে,—ভাষা কিন্তু ওলাই নাহিল। অৱশ হৈ ৰংপুৰ ককাই চকু দুটি পুনৰ মুদি দিলে।

মানৱ বিকাশৰ আৰু বুজিবলৈ বাকী নাথাকিল। নিজৰ নামটো মনত পৰাৰ লগে লগে সিহঁতৰ চেনেহৰ ৰংপুৰ ককাৰ বাক শক্তি কোনোবাই যেন হৰণ কৰি লৈ গ'ল। চিৰদিনৰ বাবে বোবা হৈ গ'ল ৰংপুৰ ককা।

:০:

ভাদ মাহৰ পোন্ধৰ দিন যোৱাৰ দিনাখনহে ৰংপুৰীয়া ৰাইজৰ সেই বছৰলৈ খেতিৰ সামৰণি পৰিল। শান্তিপুৰাৰ পৰা গণলি লকে— কঠিয়াৰ জোৰ বন্ধি জলাই আনকি নাচিও—মাছ মৰাৰ পৰ্ব আৰম্ভ হ'ল। সোনা ৰংপুৰ ককাৰ দেহৰ অৱস্থাও আগৰ তুলনাত ভালেখিনি উন্নত হ'ল। কাৰো সহায় নোলোৱাকৈয়ে আজিকালি তেওঁ অলপ অচৰপ ফুৰিব-চাকিব পৰা হৈছে। তথাপিও মানৱ বিকাশৰ ঘটনাটো ককাৰ লগত ছাঁৰ দৰে লাগি থাকে। ককাৰো বয়স নাপায় ৰংপুৰত ভদ্ৰলোক তায়োজনাৰে এতিয়া অফুৰন্ত অৱসৰ।

শিশুৰ জাকটিয়েও আজিকালি ৰংপুৰ ককাৰ দেহৰ অৱস্থা ভাল দৰে বুজি পোৱা হৈছে ককাক তেওঁৰ চিৰপৰিচিত শিল চটাত বহুৱাই থৈ সিহঁত আপোন মনে ৰংপুৰ নদীৰ পাৰত খেলি থাকে। মানুহবোৰে এইবাৰ খেতিৰ সময়—ৰংপুৰৰ পৰা শিল চটালৈ অহা যোৱা কৰা পথছৰ আলি ডাল অলপ ডাঙৰ কৈ বান্ধি দিছে— যাতে তালৈ অহা-যোৱা কৰিবলৈ ৰংপুৰ ককাৰ কোনো অসুবিধা নহয়। ককা শিল চটাত বহি থকা অৱস্থাতে মানৱ বিকাশৰ ঘটনাক দিনতে তিনি চাৰি বাৰ নিজৰ ঘৰৰ পৰা ককাৰ ওচৰলৈ বাটি কাটে। ঘটনাৰ ভয় নজনাচ অসুখ বিসুখ হ'ব বুলি ঘটাই এইবাৰ খাস লগত যোৱাৰ হয় তাইৰ বিশ্বাস—তাই লগত থাকিলে বুঢ়াৰ কোনো ভয় নাই। ৰংপুৰৰ আটাইতকৈ বৃদ্ধ তিৰোতা গৰাকীৰ কথা শুনি মানৱ বিকাশ হাঁহিছে। বুঢ়াৰ নিজৰ দেহৰ অৱস্থা নাই, কোন ভৱ আগতে পাৰ হয় সেইটোহে সিহঁতৰ চিন্তা।' বুঢ়াক হালে সিহঁতে হকাবধা নকৰে জীৱনৰ বিয়লি বেলিকা ছয়োজনে যি মন যায় তাকেই কৰক—যেনে ভাৱে থাকিবলৈ বিচাৰে—তেনে ভাৱেই থাকক।

বংপুৰ ককাৰ দিনবোৰ ভালদৰেই অতিবাহিত হয়। বুঢ়ীৰ আলপৈচান মাছমৰীয়া নাও বিলাক, শিশু ভাকৰ খেল-ধেমালি চাই সময়বোৰ কেনেদৰে অতিবাহিত হয় তেওঁ কবই নোৱাৰে। একেটাই মাথোন দুখ বৈ গ'ল ককাৰ। তেওঁ অমঙ্গলীয়া সপোনটিৰ কথা মানৱ ৰিকাশক কবলৈ বৰ আশা কৰিছিল; কিন্তু সেই আশা নফলিল। আৰু এটা কথা ভাৱি খুব আচৰিত হয় বংপুৰ ককা। 'কিয় বাৰু নিজৰ নামটো মনত পৰাৰ লগে লগে তেওঁৰ বাক্ শক্তি ৰহিত হ'ল! নিজৰ নামটোৰ জানো ইমানেই মহিমা।' দেৱতাৰ ওচৰত কৰা অজানিত দোষ বুলি ককাই নিজৰ মনটিক জোৰ কৰি পতিয়ন নিয়াব খুজিও কেতিয়াবা অসমৰ্থ হয়।

কিন্তু অশেষ চেষ্টা কৰিও বংপুৰ ককাই 'চিন্তা ৰোগটিৰ' পৰা পৰিত্ৰাণ পাব পৰা নাই। সেইদৰে অকলশৰীয়াভাৱে থাকিবলৈ আজিকালি তেওঁ বৰ ভয় কৰে। স্বৰূপ কুমাৰৰ মুখখন, অমঙ্গলীয়া সপোনটি, আচৰিত দেৱতাজনৰ আচৰিত জন্তুটিয়ে তেওঁক বৰ আমনি কৰে। ককাৰ ভয় লাগে। অসুখ ভালপোৱাৰ পিছত বুঢ়ীৰ হাতত ধৰি এদিনাখন তেওঁ দেৱমন্দিৰলৈকে গৈছিল থাপনাৰ ওচৰত আঁঠু লৈ সেৱা কৰি পুনৰ এবাৰ থাপনাখনলৈ চাওঁতে তেওঁ যেন তাত স্বৰূপ কুমাৰক থিয় হৈ থকা দেখিবলৈ পাইছিল। জ্বৰ ঘমাদি ঘামি— বুঢ়ী হাতখনত জোৰকৈ ধৰি ততাতৈয়াকৈ ঘাহিৰ ওলাই আহিছিল ককা। দেৱদাৰু গছ জোপাৰ গুৰিত তেওঁলোকৰ বাবে বৈ থকা মানৱ বিকাশক দেখিহে তেওঁৰ মনটো ভালেখিনি শান্ত হৈছিল। এই ঘটনাটি কাৰো আগতে প্ৰকাশ নকৰিবলৈ প্ৰতিজ্ঞা কৰি পিছ মুহূৰ্ততে যেতিয়া তেওঁৰ মনলৈ আহিল যে তেওঁ বোবা—. তেতিয়াহে সকাহ পাইছিল বংপুৰ ককাই।

সেইদিন ধৰি বংপুৰ ককাই আৰু কোনাদিনে দেৱ মন্দিৰলৈ যোৱা নাই। অকলশৰীয়া অৱস্থাত বিদ্যুৎ চকুৰ মৃতদেহটিও কেতিয়াবা

তেওঁৰ চকুৰ আগত ভাঁহি উঠে। ধ্যানধাৰণা আৰু তাৰ মাকৰ বিষয়ে চিন্তা কৰিয়ো ককাই পাৰ নাপায়। বিজয় কৃষ্ণৰ জীয়েক হৈমৱতী তেওঁৰ বাবে বিস্ময়।

মুখেৰে মাতিব নোৱাৰিলেও ৰংপুৰ ককাই তেওঁৰ বহুদিনৰ আশা এটি কিন্তু বাস্তৱত ৰূপায়িত কৰিবলৈ সক্ষম হৈছে।

বাস্তিপুৰা কামলৈ ওলাই যোৱাৰ আগতে ৰংপুৰ ককাক এবাৰ দেখা দিয়াটো মানৱ বিকাশৰ আজিকালি দৈনন্দিন কামৰ ভিতৰত পৰিছে। সেইদিনাখনো এই নিয়মৰ ব্যতিক্রম হোৱা নাছিল। কিন্তু ককাক মাত দি ওলাই যাব খোজোঁতেই মানৱ বিকাশে তেওঁৰ শীর্ণ হাতখনৰ পৰশ তাৰ কান্ধত অনুভৱ কৰিলে। ৰংপুৰ ককাৰ কঁপি থকা ওঁঠ দুটিলৈ চাই সি বুজি পালে—তেওঁ তাক কিবা কবলৈ চেষ্টা কৰিছে কিন্তু কব পৰা নাই। পাছত দোৱাৰ নিচিনাকৈ থুপি গ'ল সি। আৰু অলপ সময় হাতত থকা হলে সি অশ্রু সম্বৰণ কৰিব নোৱাৰিলেহেঁতেন। ৰংপুৰ ককাই তাৰ চকুপানী দেখক— এইটো মানৱ বিকাশৰ সহ্য নহয়।

মাছ মাৰিবলৈ গৈয়ো শান্তি নাপালে মানৱ বিকাশে। 'ককাইনো বাৰু তাক কি কব বিচাৰিছিল।' কিছু বেলিৰ মূৰকত সি ঠিক কৰিলে—দিনটোৰ বাকীখিনি সময় সি ককাৰ লগতে অতিবাহিত কৰিব। লগৰীয়া বিলাকক কোনো কথাকে নিদিয়াকৈ সি নাওখন পাটত বান্ধি পুনৰ ককাৰ ওচৰলৈকে খোজ ললে।

মাছ মাৰিবলৈ যোৱা পোছাক যোৰ ভতাতৈয়াকৈ পৰিবর্তন কৰি ৰংপুৰ ককাৰ ঘৰলৈ গৈ সি দেখিলে—বাৰান্দাত বহি তেওঁ যেন তাৰ বাবেই বৈ আছে। ওচৰতে এটা বৰচোঙ্গ আৰু এযোৰা নব ভাল। মানৱ বিকাশ আচৰিত হ'ল,— 'ৰংপুৰ ককাই এই দুই পদ বস্তু কেতিয়া ক'ৰপৰা কেনেকৈ সংগ্রহ কৰিলে।

মানৱ বিকাশক দেখা মাত্ৰকেই বৰ ভাল যোৰ হাতত লৈ গিৰিসকৈ থিয় হ'ল বংপুৰ ককা। আচলতেনো তেওঁৰ অভিপ্ৰায় কি অনুধাৱন নকৰাকৈয়ে বৰ ঢোলটো গলত ওলোমাই ললে মানৱ বিকাশে। ককাই তাৰ পিনে কেৰাহিকৈ চাই পদূলি মুখলৈ ওলাই আহিল, সি নীৰৱে তেওঁক অনুসৰণ কৰিলে। দেৱ মন্দিৰ অতিক্ৰম কৰি ককাইতে ধাননি পথাৰৰ আঁকোৰা পকোৰা নিৰ্জন আলিৰে পশ্চিমলৈ যাত্ৰা কৰিলে।

কিছুসময় পাছতেই দুয়োজনে বংপুৰৰ পশ্চিম প্ৰান্তৰ গহন অৰণ্যৰ ভিতৰত সোমাল। তাৰ পিছত অলপ সেৰেঙা জঙ্গল চাই বৈ গ'ল। মানৱ বিকাশে লক্ষ্য কৰিলে—ককাই উত্তেজনাত কোপাইছে। তেওঁৰ গোটেই শৰীৰ ঘামেৰে তিতি গৈছে। ককাৰনো উদ্দেশ্য কি অলপ অনুমান কৰি মানৱ বিকাশে খোচনিত থকা দা খনেৰে সিহঁতৰ ওচৰে পাজৰে কিছু ঠাই পৰিষ্কাৰ কৰি উলিয়ালে।

বংপুৰ ককাই বৰ ঢোলটো গলত ওলোমাই ললে। ঢোলৰ চামৰাৰ বচীত খুচি থোৱা মাৰি দুডাল উলিয়াই খুব মৃদু ভাৱে ককাই বহুদিন আগতে সপোনত দেখা বৰঢোলৰ উদ্দাম-উত্তাল ছেওটি বজাবলৈ আৰম্ভ কৰিলে। বেমাৰী দেহাৰে প্ৰথমতে অলপ অসুবিধা হৈছিল যদিও ক্ষন্তেকৰ ভিতৰতে ককাই ডেকা বয়সৰ উদ্যম ঘিৰাই পালে।

কোনো দিনে নুশুনা বৰঢোলৰ ছেওৰ ছন্দে ছন্দে শৰীৰৰ তেজবোৰ যেন উতলি আহিছে—মানৱ বিকাশৰ তেনে ভাৱ হ'ল। পশ্চিম দিশৰ পৰা অহা বংপুৰ নদীৰ ভৈৰৱ গৰ্জনৰ সৈতে মিলি যোৱা বংপুৰ ককাৰ বৰঢোলৰ ছেও শুনি অৱশেষত সি প্ৰবল ভাৱে উত্তেজিত হৈ পৰিল। ককাৰ ঢোলৰ কোৱ বন্ধ হোৱাৰ লগে লগে তেওঁৰ গলৰ পৰা প্ৰায় কাঢ়ি অনাৰ দৰে ঢোলটো আনি সি নিজৰ গলত ওলোমাই ললে। মানৱ বিকাশো এসময়ৰ পাকৈত

তৃতীয়া, কিন্তু এনে আচন্দৰ ঢোল বজোৱাতো দূৰৈৰে কথা সি জানকি দেখাও নাই। ককাৰ হাতৰ পৰা মাধি ছুড়াল লৈ সি ঢোলত কোব মাৰিবলৈ আৰম্ভ কৰিলে।

একমনে শুনি আছে ৰংপুৰ ককাই। মাজে মাজে ভুল হোৱা যেন দেখিলে মাৰি ছুড়াল নিজৰ হাতলৈ আনি মানৱ বিকাশক শুধৰাই দিয়ে। কিছুৰলি বজোৱাৰ পিছত মোটামুটি ভাৱে সি ৰব-ঢোলৰ ছেওটো আয়ত্ত কৰিলে।

এইবাৰ ৰব ঢোল কোৰ হাতত লৈ ৰংপুৰ ককাই মানৱ বিকাশৰ ঢোলৰ ছেৱে ছেৱে নাচিবলৈ আৰম্ভ কৰিলে। 'গাব লেক্ত উৎসৱ কৰ সেই একেই আচন্দৰ সুৰ।' ককাৰ ৰব ঢোলৰ ছেও শুনি মানৱ বিকাশে ঢোলং কাৰবাৰ বৰলৈকো পাহৰি গল। লাগে লাগে ককাই ৰব ঢোল বজোৱাত বন্ধ কৰিলে মানৱ বিকাশৰ পিনে চাই ডেও এটা মাৰি হাঁহি মাৰিলে তাৰাঙ্গৰ সমাজত উত্তেজিত। জিৰণি লবলৈ ছুটি ছুটি কিছুসময়ৰ বাবে বহি পৰিল।

মানৱ বিকাশ এইবাৰে কিছুসময়ৰ বাবে চিন্তা কৰিবলৈ ধৰিলে। কাণ পাতিলে কিয় বাবে ৰংপুৰ ককাই তেওঁক—তেওঁ নিজৰ হাতৰ গোপনে ধৰাটো ... ৰব ঢোলৰ গাভৰু ৰ ইচ্ছাই কৰা উদ্দাম-উত্তাল নৰনীয় ছেওটো শিকাব খুজিছে;—ৰংপুৰত আনন্দ প্ৰকাশক ধৰি ঢেকা চৰ্চা যাৰবে অভাৱ নাই।' ককাৰ মনৰ ভাৱৰ ভালদৰে বুজিলেও—'সি যে ককাৰ মানৱ ৰংপুৰৰ আটাইতকৈ যোগ্যতম ব্যক্তি'—সেইটো পুনৰ এবাৰ তাৰ অন্তৰত ভুমুকি মাৰিলে। নিজৰ অজ্ঞাতসাৰে সচকিত সচেতন হৈ পৰিল মানৱ বিকাশ।

এইবাৰ ৰব ঢোলতে ককাৰ ডিডিত। মানৱ বিকাশে ৰবঢোল কোৰ হাতত ললে। মানৱ বিকাশৰ ছন্দ পতন ঘটিছেই যে নাই ৰংপুৰ কক। তাক শুধৰাই দিবলৈ সময় দিয়ে

গুৰু ৰংপুৰ ককাৰ উপযুক্ত শিষ্য মানৰ বিকাশে এদিনতে ইমানখিনি উন্নতি কৰিলে যে ককাৰ নিজৰেই বিশ্বাস নহ'ল। তেওঁৰ নিৰ্বাক মুখত ফুটি উঠিল আত্ম তৃপ্তিৰ বিমলিন অভিব্যক্তি। দুয়োজনে ঘৰলৈ উভতিল। নাচমৰীয়া জাক ঘৰলৈ ঘূৰি অহাৰ আগতেই ঘৰ পাবগৈ লাগিব। পশ্চিম দিশৰ পৰা বতাহে লৈ অহা ৰংপুৰ নদীৰ ভৈৰৱ গৰ্জন স্পষ্টভাৱে দুয়োজনৰে কাণত পৰিল। সেই গৰ্জনৰ লগত মানৰ বিকাশে, ঢোল বজোৱাৰ চেষ্টাটিৰ কঁৰবাত কিবা এটা যেন মিল দেখা পালে।

ৰংপুৰ ককাৰ অন্তৰৰ পৰা যেন পাষাণ ভাৰ এটা নামি গ'ল। এই দুইপদ বস্তুৰ লগত চড়িত সপোন কাহিনীটো কব পৰাহেঁতেন আৰু ভাল আছিল। কিন্তু সেইটো নহিয়া দেৱতাৰ ইচ্ছা নহয়—এইখিনিতেই তেওঁ সন্তুষ্ট থাকিব লাগিব। ৰংপুৰ পথাৰৰ আঁকোৰা পকোৰা আলিৰে বাট বুলি ৰংপুৰ ককাৰ ভাব হ'ল— তেওঁ যেন আজি আৰু উপাসা দেৱতাজনলৈ ভয় কৰা নাই 'চাৰিকুৰি বছৰ বয়সীয়া ৰংপুৰ ককাৰ এতিয়া দিবলৈও একো নাই, পাবলৈকো একো নাই।' কোনো বস্তু হেৰুৱাবৰো ভয় নাই তেওঁৰ। সেইবাবে দেৱতাৰ কোঁপ-দৃষ্টিৰ ভয়ে আজি আৰু তেওঁক বিচলিত কৰিব নোৱাৰিলে।

নৰঢোল আৰু নৰকাল যোৰ মানৰ বিকাশে কোনেও দেখা নোপোৱাকৈ দেৱমন্দিৰৰ এচুকতে লুকুৱাই থ'লে। সি ভাবি নাপালে— ককাইনো বাক ঢোল তালৰ এই আচৰুৱা চেষ্টাটি ক'ৰ পৰা শিকিলে, কিয় বাক ইমান দিনে সিহঁতক শিকোৱাৰ পৰা বিৰত থাকিল। আৰু আজিয়েই বা সংগোপনে কিয় শিকালে। তাৰ বোধগম্য নহ'ল—গা-মন উতলা কৰা এই চেষ্টাটিৰ উৎস ক'ত; প্ৰয়োজনেই বা কি! একোকে নুবুজি সি ঠিক কৰিলে প্ৰথমতে চেষ্টাটি ভালদৰে আয়ত্ত কৰি লৈ পিছেপৰেও বাককদ্ধ ৰংপুৰ ককাৰ উদ্দেশ্যৰ কথা চিন্তা কৰিব।

ইযার পিছত ভাগে কেইদিন মানর নিকাশ মাছমবার পথা নিরত থাকিল। কিন্তু তার অনুপস্থিতির কথা বিশেষভাবে কোনেও চিন্তা নকরিলে। ককার লগত থাকক সে [illegible] খতির দিন কেইটা ভালে ভালে পার হৈ গেল যেনিযা সিইতর প্রতিয়া আরু বিশেষ লবা-চাপর নাই। মানর নিকাশ লগত থকা তেওঁক বটীমাকও ককার শরার সম্বন্ধে বিশেষ চিন্তা নকরিলে

রংপুর ককার মুখত এতিয়া দিগ্বিজয় [illegible] তেওঁ মানব নিকাশ তেওঁর পর নবতোল আরু নবনান্য বিশেষ ছন্দ প্রাগত নদিব পারিছে। তেওঁর সংগৃহ নিকট রূপ পালে

মানর নিকাশে ককার পক্ষত উদ্দেশ্য অনুধাবন করিব নোবারিলে। তাও মনে ঠিক করিলে—উপযুক্ত ক্ষণত সি রংপুর ককার এই প্রাচীনত উপহার তুলি নিয়াই দিব। এই ছন্দ সকলোরে শুনা উচিত শিকাব প্রয়োজন। সি মনে মনে এই ছন্দটিক [illegible]কনী তেওঁ আখ্যা দিছে, — [illegible] এটি শুনা [illegible] গা-মন বাহিরত করে, জীবন কেন্দ্র উত্তেজনাও আপোন আপুনি উঠে, উঠে, তাতের নত কবি সকলোরে ভাটি ভাটি বন্দনা করিলেই মন আকাঙ্ক্ষা হয়

ৰংপুৰ পথাৰৰ খেতি এইবাৰ নদন-বদন হৈছে। মানৱ বিকাশ-তত্ত্বৰ মতে ৰংপুৰ পথাৰত ইমান ভাল খেতি কোনো কালে হোৱা নাই। এতিয়ালৈকে ধানে থোক পেলোৱা নাই যদিও—ৰাইজৰ বিশ্বাস—যোৱা বছৰৰ তুলনাত চাৰি পাঁচ গুণ মান বেছি শইচ পাব সিহঁতে। মহান স্বৰূপ কুমাৰ আৰু অন্যান্য দেৱতাসকলৰ প্ৰতি এতিয়া সিহঁত ভক্তিত গদগদ। সিহঁতৰ বদ্ধমূল ধাৰণা হৈছে যে অভিযাত্ৰী দেৱতাবৃন্দৰ বিষয়ে দেৱ প্ৰতিভূ ধন বিলাসে দেৱ মন্দিৰত বহি যিখিনি কথা কৈছিল—সেই আটাইখিনি আখৰে আখৰে সত্য। আনকি সিহঁতে দেৱ প্ৰতিভূ সকলোকে। এতিয়া আৰু সিহঁতকৈ উচ্চত আসন দিয়াত কৃপণালি নকৰিলে। দুই এজন অত্যুৎসাহী লোকে সিহঁতৰ কল্পনা প্ৰসূত মনেৰে এনে ধৰণেও চিন্তা কৰিলে—দেৱতা সকলে কিজানিবা তেওঁলোকৰ আৰু দেৱ প্ৰতিভূ সকলৰ বাবেও সিহঁতৰ পথাৰতে উৎপাদন বৃদ্ধিৰ আঁচনি যুগুত কৰিছে। সেইটো মানি ল'বলৈও সিহঁতৰ কোনো অসন্তোষ নাই। সিহঁতে আশা কৰে, মতে শইচ উৎপন্ন হ'লে তিনি ভাগৰ এক ভাগ শইচেৰেও সিহঁতৰ দুই তিনি বছৰ অনায়াসে চলি যাব।

মানৱ বিকাশেও ৰংপুৰীয়া ৰাইজৰ কথা মানি লৈছে। ৰংপুৰীয়া ৰাইজে অজানিতভাৱে দেৱতা সকলৰ ওচৰত কিবা দান দাবী কৰিলেও এতিয়া দে'ব যুক্ত হৈছে। এদিন ৰংপুৰ ককাক সি পথাৰ দেখুৱাবলৈ লৈ আহিছিল। ঘূৰি পকি গোটেই পথাৰখন চোৱাৰ পাছত তেওঁৰ মুখ দেখি মানৱ বিকাশে বুজিব পাৰিছিল—ৰংপুৰ ককাই খেতি দেখি সন্তোষ লভিছে। 'দেৱতাৰ আশীৰ্বাদৰ কাৰণে এনে সুন্দৰ খেতি হৈছিল নেকি' মানৱ বিকাশে এবাৰ তেওঁক সুধিব খুজি পিছ মুহূৰ্ততে মত পৰিবৰ্তন কৰিলে। আজি কালি সিহঁতে ৰংপুৰ ককাক কোনো প্ৰশ্ন নকৰে—মাথোন শুনাইহে থয়।

ৰংপুৰ ককাৰ চিন্তাযোগটি আজিকালি মানৱ বিকাশৰ দেহ-লেযো সংক্ৰামিত হৈছে। ৰংপুৰ পথাৰত ভাং খেতি হোৱাৰ অন্তৰালত দেৱবৃন্দৰ অদৃশ্য হাত থকা কথাটো সমজুৱা ভাৱে মানি ললেও তাৰ মনে যেন মানিব নকৰে। কাৰণ, অনেকুৱা হোৱা হলে আচৰিত দেৱতাজনৰ শিশুটিক ৰংপুৰ সমাজলৈ লৈ অহাৰ লগে লগে গাইজৰ ওপৰৰ দেৱতাৰ কু-দৃষ্টি পৰিব লাগিছিল। কিন্তু [illegible] কাৰ্য আজিকালিপতি সিহঁতে ককাৰ মুখে শুনা নাই। সেই দিনাখনৰে পৰা আজিলৈকে কোনো দিনে বাঢ় [illegible] খেতি হোৱা নাছিল [illegible] দেৱতাৰ [illegible] পথাৰ [illegible] আগ [illegible] পানী [illegible] পথাৰ [illegible] [illegible] ছোৱা [illegible] আছিল কিছুদিন আগতে [illegible] মানৱ বিকাশে এই [illegible] কথা ভাবিছিল। কিন্তু ইমান সহজে [illegible] পৰিবৰ্তন কৰিব [illegible]

[illegible] চিন্তি [illegible] কৰিছে—পিছে পাৰেও [illegible] সি [illegible] দেৱতাৰ কৃপাতেই হব পাৰে

[illegible] আহিন [illegible] সপ্তাহ হৈ [illegible] শেষ হ'ব ৰংপুৰৰ [illegible] বছৰ আগতে ৰংপুৰ ককাই এটা নিয়ম পাতি দিছিল [illegible] জনাই ৰংপুৰ [illegible] পথাৰ প্ৰথম [illegible] আনি দিব পাৰে— সেইজনক ৰাখাই দেৱ মন্দিৰৰ পাপনাত [illegible] থাকে, আগৰটোই ৰংপুৰীয়ে বাইজে কৃতজ্ঞ চিত্তেৰে এ চৰিত দেৱতাজনৰ আগত জাঠ ল'ব।

আহিন মাহৰ পোন্ধৰ দিন যোৱাৰ দিনাখন দোকমোকালিতে মানৱ বিকাশে শোৱাপাটিৰ পৰাই ল'ৰা-ছোৱালী জাকৰ কোঁহাল শুনিবলৈ পালে। ৰংপুৰ পথাৰৰ ধানে থোক পেলাইছে। মানৱ বিকাশৰ বুজিবলৈ অকণো টান নালাগিল। সি ধৰ্মহকৈ শেতেলিৰ পৰা উঠিল। ল'ৰা-ছোৱালীৰ জাকটোৱে ককাৰ ওচৰ পোৱাৰ আগতে সি তাত উপস্থিত হ'বগৈ লাগিব। ৰণ-বিজয়ী জাকটিক চম্ভালিবলৈ বাক্‌রুদ্ধ ককাৰ বাবে সহজ নহ'ব। বাহি মুখ মুধুৱাকৈয়ে সি বেগা-বেগিকৈ ককাৰ ঘৰৰ পিনে খোজ ল'লে।

মানৱ বিকাশৰ বুঢ়ীমাক সেইদিনাখন ককাৰ ওচৰতেই আছিল। চোতালত ল'ৰা ছোৱালী জাকৰ হাই-উৰুমি শুনি বুঢ়ীয়ে দুৱাৰ খুলি বাহিৰলৈ ওলাই আহিল। ইতিমধ্যে মানৱ বিকাশো উপস্থিত হৈছেহি। বুঢ়ীমাকেও বুজি পালে কথাটো। বুঢ়াৰ বাবে গৰম গাখীৰ এবাটি আনিবলৈ ধ্যানৰাজৰ মাকৰ সৈতে তাই ৰান্ধনি ঘৰত সোমাল। মানৱ বিকাশ আৰু ধ্যানৰাজে বহু কষ্ট কৰি উত্তেজিত ল'ৰা-ছোৱালী জাকক অলপ শান্ত কৰিলে। ককাক টোপনিৰ পৰা উঠাই দিবলৈ মানৱ বিকাশে ককাৰ কোঠালিলৈ সোমাই গ'ল।

পূৰ্বৰ দৰে খিড়িকি দিলাক খুলি দি সি কোঠাটো পোহৰ ই পেলালে। বেৰৰ পিনে মুখ কৰি শুই আছে ৰংপুৰ ককা। অলপ ইতস্তত কৰি সি ককাক মাতিলে। কিন্তু ককাৰ কোনো সাৰ সুৰেই নাই। গাত ধৰি মাতি দিয়াৰ চেষ্টা কৰি হঠাতে মানৱ বিকাশৰ কিবা এটা সন্দেহ হ'ল। ৰংপুৰ ককাৰ কপালত হাত থোৱাৰ লগে লগে বুজি পালে সকলো কথা। ককাৰ পিনে একেথিৰে চাই সি কিছুসময় পাথৰৰ মূৰ্ত্তিৰ দৰে নিশ্চল হৈ থাকিল। তাৰ পিছত ধীৰে ধীৰে সি ৰংপুৰ ককাক ওপৰমুৱাকৈ চিৎকৰি শুৱাই দিলে। 'সোঁ হাতৰ মুঠিত নতুন ধানৰ থোক এটি লৈ থকা অৱস্থাতে মৃত্যু হৈছে ৰংপুৰ ককাৰ। পুনৰ কিছুসময় মানৱ বিকাশে ককাৰ নিশ্চল দেহটিলৈ

চাই থাকিল। কোঠাটোৰ এক নতুন চুৰিৰ এখন সেইখনেৰে ককাৰ মুখখন মাথোন সকলোৱে দেখিবলৈ পোৱাকৈ উন্মুক্ত কৰি ৰাখি গোটেই দেহটো ঢাকি দিলে সি। অতি কষ্টেৰে উদগত চকুলো সম্বৰণ কৰি মানৰ বিকাশে ধীৰে ধীৰে কোঠাটোৰ পৰা বাহিৰ ওলাল।

লৰা-ছোৱালী ডাকৰ কোৰ্হাল শুনি ইতিমধ্যে ৰংপুৰৰ সকলো মানুহেই সাৰ পালে। বতাহে পালে কথাটো,—'ৰংপুৰৰ নাননি পথত আজি প্ৰথম থোকটি পেলাইছে'। ততাতৈয়াকৈ শলিতনি এৰি সকলো-সোৰে মুখ হাত ধুই সাজ হ'বলৈ আৰম্ভ কৰিলে। আজি আৰু মাছ মাৰিবলৈ যোৱাৰ সকাম নাই দেৱ মন্দিৰলৈকেহে যাব লাগিব সিহঁত।

মানৰ বিকাশে কোঠাটোৰ পৰা বাহিৰ ওলাই দেখিলে লৰা-ছোৱালী বিলাকৰ লগত দুই চাৰিজন বয়সীয়া মানুহো ইতিমধ্যে ককাৰ চাৰিওকাষে উপস্থিত হৈছে। সি ভাবি উলিয়াব নোৱাৰিলে হাঁহি খিকিন্দালি কৰি থকা কেইটিমান লৰাক সেই ৰংপুৰ ককাৰ বিয়োগৰ সম্বাদটো দিব কেনেকৈ সাহস কৰি সি সিহঁতক দুচকু লোতকেৰে ভৰি পৰিল। অন্তৰত উঠা কান্দোন জোৰ কৰি বন্ধ কৰিবলৈ চেষ্টা কৰি দুই হাতেৰে দুটা বন্ধ কৰি বাৰান্দাতে বহি পৰিল, সি কিন্তু ধেৰ্য্য বন্ধ ছিগি গৈ মানৰ বিকাশে উচুপি উচুপি কান্দিবলৈ আৰম্ভ কৰিলে।

এই হেন অতৰ্কিত ভাৱে মানৰ বিকাশৰ কান্দোনৰ অৰ্থ আটাইকে বুজিব নোৱাৰিলে লৰা-ছোৱালী বিলাকে এজনে আনজনৰ মুখ চোৱা-চুই কৰি নিৰ্বাক হৈ সিহঁত নিস্পন্দ হৈ পৰিল বয়সীয়া মানুহ কেইজনে অনুমান চিন্তা কৰিলে।

মানৰ বিকাশৰ কান্দোন শুনি তাৰ মাকৰ আৰু ককাৰ পৰা ওলাই আহি দেখিলে ৰংপুৰ ককাৰ কোঠাত সোমাল। ইমানে বুজি পালে। ককাৰ প্ৰাণহীন দেহাটো সাবটি ধৰি বটীয়ে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে।

কোনো এজনৰে আৰু বুজিবলৈ বাকী নাথাকিল। 'সিহঁতৰ চেনেহৰ ৰংপুৰ ককাই ৰংপুৰৰ পৰা মেলানি লাগিছে।' ককাৰ চোতালত কান্দোনৰ ৰোল উঠিল।

ৰংপুৰ ককাৰ মৃত্যুৰ বতৰাটো নিমিষৰ ভিতৰতে বনজুইৰ দৰে গোটেই ৰংপুৰ বিয়পি পৰিল। হিয়া ঢাকুৰি কান্দিবলৈ ধৰিলে ৰংপুৰৰ আৱাল বৃদ্ধ বনিতাই।

শোকত আত্মহাৰা হৈ পৰিলেও -মানৱ বিকাশ থিৰ হ'ল। মানুহ ফালি সি ককাৰ মৃতদেহটিৰ পিনে অগ্ৰসৰ হ'ল। অজ্ঞান বুঢ়ীমাকক ধানবাজৰ মাকৰ শেলেঙি খনতে শুৱাই দি সি দুজন মানক তাইৰ শুশ্ৰূষাৰ ভাৰ দিলে। আন কেইজন মানৰ সহায়ত সি শেতেলি খনেৰে সৈতে ককাক বাহিৰলৈ উলিয়াই আনিলে— যাতে হেঁপাহ পলুৱাই শেষবাৰৰ বাবে ৰংপুৰীয়া ৰাইজে সিহঁতৰ চেনেহৰ ককাক চাই ল'ব পাৰে।

কিছুবেলি এনেদৰে অতিবাহিত হোৱাৰ পিছত ককাৰ মৃতদেহৰ ওচৰতে ক্ৰন্দনৰত আনন্দ প্ৰকাশ, ধানবাজক গাত ধৰি ভিৰৰ মাজৰ পৰা উলিয়াই আৰু কেইজন মানৰ সৈতে মানৱ বিকাশে সিহঁতক ডাঙৰ ডাঙৰ ভীমকল কেইজোপা মান কাটি ৰংপুৰ নদীৰ পাৰৰ শিল চটাৰ ওচৰতে ডাঙৰকৈ ভুৰ এখন সাজিবলৈ পঠিয়াই দিলে।

যথা সময়ত ৰংপুৰ ককাৰ মৃতদেহটিয়ে তেওঁৰ চিৰ পৰিচিত শিল চটাত অৱস্থান কৰিলেহি। এইবাৰ ৰংপুৰ ককাই যেন ৰংপুৰ বাসীৰ ওচৰত চিৰ বিদায় লবলৈ প্ৰস্তুত হৈছে। শেষবাৰৰ বাবে ৰংপুৰীয়া ৰাইজে ককাক হেঁপাহ পলুৱাই চাই ল'বৰ বাবে সুবিধা দিবলৈ মানৱ বিকাশে ককাৰ গাৰ চুৰীয়াখন গুচাই দিলে। ৰংপুৰ বাসীয়ে এইবাৰ ককাৰ লগতে—তেওঁৰ সোঁহাতৰ মুঠিত থকা ৰংপুৰ পথাৰৰ নতুন ধানৰ থোকটিও দেখা পালে। সিহঁতৰ অন্তৰ পুনৰ শোকত উথলি উঠিল। সকলোৱে ভাবি আচৰিত হ'ল যে ৰাতিপুৱা-

ল'ৰা-ছোৱালী জাকৰ আগতেই ৰংপুৰ ককাই পথাৰত নতুন ধানৰ থোক বিচাৰি পাইছিল। কিন্তু ককাই কোনটো সময়ত পথাৰলৈ ধানৰ থোক বিচাৰি অ'হিছিল তাকেহে সিহঁতে চিন্তা কৰি উলিয়াব নোৱাৰিলে। যাহওক মানৰ বিকাশৰ বুঢ়ীমাকে নিশ্চয় সিহঁতক এই কথাৰ সম্ভেদ দিব পাৰিব। ককাৰ অন্তৰং কিজানি বৰ দুখ লৈ গ'ল,—এই কথাৰ সম্ভেদ তেওঁ কোনো এজনকে দিব নোৱাৰিলে

মানৰ বিকাশে এটা কাম কৰিলে। ককাৰ মৃতদেহটিৰ নিচেই ওচৰতে আমনজিননকৈ থিয় হৈ থকা ল'ৰাজনক কোলাত তুলি লৈ সি ককাৰ একেবাৰে ওচৰলৈকে আহিল। মানৰ বিকাশৰ কথা মতে ল'ৰাজনে তাৰ হাতৰ মুঠিত থকা ধানৰ থোকটি ৰংপুৰ ককাৰ বুকুত থৈ উচুপি উঠিল। মানৰ বিকাশৰ কাৰ্যত কোনেও হকাবধা নকৰিলে, কিন্তু কান্দোনৰ ৰোল উঠিল

এটা সময়ত ৰংপুৰৰ সকলোৱে বোৰ নাৰে ৰংপুৰ ককাৰ ভুৰথন ৰংপুৰৰ পশ্চিম সীমালৈলৈ লৈ আহিল ককাক চিৰদিনৰ বাবে বিদায় দি সিহঁতে যেতিয়া পুনৰ ৰংপুৰৰ ফালে ঘাটত নাও বান্ধিলেহি- বেলিটো তেতিয়া পশ্চিমৰ পৰ্বত ৰাজ্যৰ মাজত লুকাই পৰিছে। মানৰ বিকাশে মানুহবোৰক পুনৰ শিলচটাৰ ওচৰলৈকে লৈ আহিল। ৰাতিপুৱাতেই একালোৱে অজ্ঞাতসাৰে যুগুতাই থোৱা আঁহত গছৰ পুলি এটি শিলচটাৰ পৰা অলপ মান দূৰৈত ওখ ঠাই এডোখৰত মানৰ বিকাশে ৰংপুৰ ককাৰ স্মৃতি চিহ্ন হিচাপে ৰোপণ কৰিলে। মানুহ জাকৰ পুনৰ চকুপানী ওলাল। আটাইবিলাকে এইবাৰ নীৰৱে ৰংপুৰলৈ বুলি খোজ ললে। মানৰ বিকাশৰ অনুৰত ওবে ৰাটটো ৰংপুৰ নদীৰ পশ্চিম দিশৰ ভেৰৰ গৰ্জন, আৰু নদীপাৰৰ তালৰ বনৰীথা ছেওটি ৰাজি থাকিল।

সেইদিনাখন ৰংপুৰীয়া বাইজৰ আৰু দেৱ মন্দিৰলৈ যোৱা নহল।

ৰংপুৰ ককাৰ মৃতদেহটো সাৱট মাৰি ধৰি মানৰ বিকাশৰ বুঢ়ীমাকে সেই যে অজ্ঞান হৈ পৰিছিল—বুঢ়ীয়ে তাৰ পিছত আৰু চেতনা ঘূৰাই নাপালে। তিনিটা দিন সম্পূৰ্ণ অজ্ঞান অৱস্থাত থাকি চতুৰ্থ দিনাখন বুঢ়ীয়ো ৰংপুৰ ককাৰ পথকেই অনুসৰণ কৰিলে।

ৰংপুৰ ককা আৰু মানৰ বিকাশৰ বুঢ়ীমাকৰ মৃত্যুৰ লগে লগে ৰংপুৰৰ ইতিহাসৰ চাৰিকুৰি বছৰীয়া এটি অধ্যায়ৰ সামৰণি পৰিল। □

আশাকৰাতকৈয়ো বেছি ধান পালে এইবাৰ ৰংপুৰীয়া ৰাইজে। নতুন কোনো বাধা বিঘিনি নোহোৱাকৈ পথাৰৰ ধান কাটি আনি মৰণামাৰি ৰাজহুৱা উৰালত থব পাৰিলে সিহঁতে। অৱশেষ এই কাম-টোত গোটেই পুহ মাহটোৱেই লাগিল। অচিনাকি ধুনীয়া চৰাইজাকে ৰংপুৰ পথাৰৰপৰা এইবাৰ এটি ধানো নিব নোৱাৰিলে। হাতত ধনু কাঁড় লৈ ৰাতি এপৰ থকাৰে পৰা পৰ দি থকা ৰংপুৰীয়া ডেকাহঁতৰ হাতত বহুতো চৰাইৰ মৃত্যু হ'ল। বহু বছৰৰ পাছত ৰংপুৰীয়া ৰাইজে বনৰীয়া চৰাইৰ মঙহৰ জুতি ল'বলৈ সুবিধা পালে অনিষ্টকাৰী বাবে— আখজ থকাৰ বাবেই নেকি প্ৰচলিত জীৱ জন্তুৰ মঙহতকৈ চৰাইজাকৰ মঙহ বেছি সোৱাদ পালে সিহঁতে।

কিন্তু সেইবাৰৰ আনন্দমেলাত ৰংপুৰীয়া ৰাইজে মন ভাল দি আনন্দ কৰিব নোৱাৰিলে; গৌণ ভূমিকাহে পালন কৰিবলগীয়া হ'ল সিহঁতক। আনন্দমেলাৰ প্ৰতিটো ক্ষণতে ৰংপুৰ ককাৰ অনুপস্থিতি সিহঁতে অনুভৱ কৰিলে। মৃত্যুৰ আগমুহূৰ্ত্তলৈকে সমাজক ধাৰণ কৰিব নোৱাৰিলেও এতিয়া কিন্তু সিহঁতে হাড়ে-হাড়ে অনুভৱ কৰিছে — ৰংপুৰ ককাৰ স্মৃতি, চিন্তা আৰু ব্যক্তিত্বই সিহঁতক এতিয়াও কেনেদৰে আৱৰি ৰাখিছে। ককাৰ মৃত্যুৰ দিনাখনেই আনন্দ প্ৰকাশ কাৰ্য্যৰ পৰা ঢোলটো [illegible] থৈছিল— সেইটো পিছ আৰু কোনোপধ্যা ডিঙিত আৰি ল'বলৈ মান্তি নহ'ল।

এইবাৰৰ আনন্দমেলাত আনন্দ প্ৰকাশতো পূৰ্বৰ ৰীতি-নীতি অনু-সৰি কোনো কাম কৰিব নোৱাৰিলে। দেৱ প্ৰতিভূ সকলৰ যি কেইজনে —ৰংপুৰ আনন্দমেলাত ভাগ লৈছিল নতুন ৰংপুৰৰ পৰা আহিছিল— দেৱমন্দিৰৰ কাম-কাৰ্য্যখিনিও তেওঁলোকেই আগভাগ ল'লে। ফলত দেৱ প্ৰতিভূ সকলৰ শ্ৰেষ্ঠত্ব দেখ দেখকৈ প্ৰতিপন্ন হৈ পৰিল।

আনন্দ উৎসৱত দেৱ প্ৰতিভূ সকলে কিন্তু অংশ গ্ৰহণ নকৰিলে। ৰংপুৰবাসীৰ প্ৰাণহীন, উচ্ছলতা বিহীন উৎসৱত তেওঁলোকে দৰ্শকৰ ভূমিকাহে পালন কৰিলে। গোটেই আনন্দমেলাখন তেওঁলোকৰ আত্ম-তুষ্টিৰ বাবে আয়োজিত উৎসৱ এটিহে যেন হ'ল

আনন্দমেলাৰ কেইদিনৰ ভিতৰতে ধন বিলাস আদি দেৱ প্ৰতিভূ সকলে সিদ্ধান্ত কৰিলে যে তেওঁলোকৰ দুই চাৰিজনে নাও এখনত উঠি ৰংপুৰ নদীৰে উজাই যাব, আৰু আনবিলাকে তেওঁলোকক অনু-সৰণ কৰি নদীৰ পাৰে পাৰে যাত্ৰা কৰিব বিগত বছৰ বিলাকৰ দৰে এইবাৰ ৰংপুৰ নদী শুকাই যোৱা নাই। এইবাৰ আহোম মাহাৎ বৰষুণ দিছে যদিহে এই বিষয়ত কুশল লাভ কৰিব পৰা যায় তেনেহলে মহান সহায় ৰংপুৰৰ পৰা বয়-বস্তু কঢ়িয়াবলৈ সুবিধা হ'ব ভুৰযাই আছে তেওঁলোকৰ বিশেষ কষ্ট হোৱা নাছিল যদিও ৰংপুৰ নদীৰে উজাই যাবলৈ নিশ্চয় কিছু অসুবিধা হ'ব কিন্তু কষ্টৰ ... ... হ'ব

আনন্দমেলাত দুইদিন থাকোঁতেই দেৱ প্ৰতিভূসকলে ৰংপুৰত উপস্থিত হৈছিল দেৱ অংশে জন্মা তেওঁলোকৰ ইচ্ছানুসাৰেই ৰংপুৰীয় ৰাইজে দেৱমন্দিৰটোৰ ওচৰতে অস্থায়ীভাৱে এদিনৰ ভিতৰতে ঘৰ এটি বান্ধি দিছিল সেইবাৰে তেওঁলোকৰ কথা-বতৰা, পৰিকল্পনাবোৰ শেষ মুহূৰ্তলৈ ৰংপুৰবাসীৰ অজ্ঞাতেই থাকিল

ৰংপুৰত থকা কালছোৱাত দেৱ প্ৰতিভূসকলে ৰংপুৰীয়া ৰাইজৰ লগত পূৰ্ণ ব্যৱধান ৰক্ষা কৰি চলা-ফুৰা কৰিলে,—যাতে তেওঁলোকৰ কথা-বতৰা, ব্যৱহাৰ আদিও মানৱ বিকাশতকৈ দেৱবংশৰ শ্ৰেষ্ঠতা সম্পৰ্কে পৰিজ্ঞাত হয়।

আনন্দমেলাৰ প্ৰথম দিনাখনে দেৱমন্দিৰত আচৰিত দেৱতাজনৰ থাপনাখনৰ ওচৰতে মহান স্বৰূপ কুমাৰ আৰু অন্যান্য দেৱতাসকলৰ উদ্দেশ্যে ধন বিলাসে নতুনকৈ এখন থাপনা স্থাপন কৰিলে। ৰংপুৰত

তেওঁলোক দেৱতা হিচাপে পূৰ্ণ স্বীকৃত হ'ল। দেৱ প্ৰতিভূসকলৰ স্থানো বহু ওপৰলৈ উঠিল। মেলাৰ প্ৰথম দুইদিন বংপুৰীয়া বাইজে এই পৰম সত্যটি জ্ঞাতসাৰে স্বীকাৰ কৰাৰ সুপৰিবেশ আৰু অৱকাশ পোৱা নাছিল যদিও মেলাৰ তৃতীয় দিনাখন তাৰ পূৰ্ণ বিকাশ ঘটিল।

সেইদিনাখন সন্ধিয়াৰ ৰাজহুৱা মেলত বংপুৰীয়া বাইজে আলোচনা কৰিবলৈ কোনো কথা বিচাৰি নাপাই শ্ৰোতাৰ ভূমিকাতে অৱলম্বন কৰিলে। ধন বিলাসে নতুন বংপুৰত তেওঁলোকৰ বসতি স্থাপন, মহান স্বৰূপ কুমাৰৰ বাস গৃহটিক নতুন বংপুৰৰ দেৱমন্দিৰ হিচাপে গ্ৰহণ কৰাকে ধৰি তেওঁলোকৰ খেতি-বাতি আদিৰ কথা ইমান পৰিপাটিকৈ বৰ্ণাই দিলে, —বংপুৰীয়া বাইজৰ আৰু বুজিবলৈ বাকী নাথাকিল যে এতিয়া নহলেও অদূৰ ভৱিষ্যতত তেওঁলোকে দেৱতাসকলৰ লগত সংযোগ স্থাপন কৰাৰ সুযোগ লাভ কৰিব। দেৱতা সকলে নিশ্চয় দেৱ প্ৰতিভূ সকলৰ যোগেৰে সিহঁতৰ জ্ঞান চকু মুকলি কৰি দি সিহঁতৰ ভৱিষ্যত কৰ্মপন্থা নিৰূপণ কৰি দিব।

সেই বছৰ খেতি আশাতীতভাৱে ভাল হোৱাৰ ফলত বংপুৰীয়া বাইজৰ---দেৱবৃন্দৰ প্ৰতি বিশ্বাসৰ ভাৱ এটি স্বতঃস্ফূৰ্তভাৱে গঢ় লৈছিল। ধন বিলাসৰ কথাবিলাক সেইবাবেও সিহঁতে অন্তঃকৰণেৰে সৈতে বিশ্বাস কৰিলে। আনকি ধন বিলাসে যেতিয়া ঘোষণা কৰিলে—আগত বছৰৰে পৰা প্ৰতি বছৰে দৈৱ ফৈদৰ লোক সকলে নতুন বংপুৰ এৰি গন্তব্য স্থান অভিমুখে যাত্ৰা কৰা দিনটোত তেওঁলোকেও নতুন বংপুৰত আনন্দ মেলাৰ প্ৰৱৰ্তন কৰিব- গমি পিতি নোচোৰাকৈ অত্যুৎসাহী দুই এজনে কৈ উঠিল—'সেইদিনাখন বংপুৰৰ পৰাও দুই চাৰিজনে গৈ দেৱতাৰ আশীৰ্বাদ ভিক্ষা কৰা উচিত হ'ব।' বংপুৰৰ সকলোৰে মানুহে হৈ-চৈ কৰি সিহঁতৰ কথাত সমৰ্থন জনালে।

ধন বিলাসে কিন্তু প্ৰস্তাৱটো মানি ন'ললে। কিছু সময় ভাবি চিন্তি চাই তেওঁ ক'লে, 'বংপুৰৰ মানুহে নতুন বংপুৰত অনুষ্ঠিত

হ'বলগীয়া আনন্দমেলাত যোগদান কৰিবলৈ যায়। বিষয়টো কিমানদূৰ যুক্তিযুক্ত হ'ব সেই বিষয়ে মই সন্দিহান। কিয়নো দেৱতাৰ ইচ্ছা-নুসাৰে ৰংপুৰৰ সীমা কোনোবা অতীজতে বান্ধি থোৱা হৈছে। এই সীমা লঙ্ঘন কৰিলে সিঁহতৰো অৱস্থা যে বিদ্যুৎ চঞ্চলৰ লথীয়া নহ'ব সেইটো কোনেও নদি ক'ব নোৱাৰে

কন্তেক বিৰতি লৈ ধন বিলাসে পুনৰ কবলৈ আৰম্ভ কৰিলে, 'অহা জেঠ মাহত অনুষ্ঠিত হ'বলগীয়া আনন্দ মেলাত--, আমি আশা কৰিছো আমাৰ পথ প্ৰদৰ্শনকাৰী দেৱবৃন্দৰ সাক্ষাৎ আমি লাভ কৰিম। সেইবিলাক ৰংপুৰীয়া বাইজৰ আশা-আকাঙ্ক্ষা'ৰ কথা, তেওঁলোকৰ ওচৰত নিবেদন কৰিম তেওঁলোকে নিশ্চয় উচিত পথৰেই সন্ধান দিব। ইয়াৰ উপৰিও এইখন বাইজৰ প্ৰতিনিধি হিচাপে আমিয়েই ভক্তিৰ অৰ্ঘই এখন তেওঁলোকলৈ আগবঢ়াম।'

ৰংপুৰৰ উৎসাহী মানুহজাক নীৰৱে থাকিল। 'পেৰেত সকলৰ নিৰ্দেশ অবিহনে সিহঁতে কেতিয়াও ৰংপুৰৰ চাৰিসীমা অতিক্ৰম কৰিব নোৱাৰিব।' ধন বিলাসে বুজি পালে মানুহজাক অতিশয় নিৰুৎ-সাহিত হৈ পৰিছে। কথাটো তেওঁৰ বৰ ভাল লাগিল। 'অৱহেলাত সামান্য অসুখো দুৰাৰোগ্য ব্যাধিত পৰিণত হয়।' এনেতে তেওঁৰ লগৰীয়া দেৱপ্ৰতিভূ একজনে কৈ উঠিল, 'ৰংপুৰীয় বাইজে যে মহান দেৱতা সকলৰ স্নেহ দয়া হৈছে সেইটো থকিব ফলাফল চায়েই নিৰূপণ কৰিব পাৰি, কিন্তু বাইজে দেৱ সকলৰ ওচৰত পুনৰ গুৰুতৰ অপৰাধ এটি কৰিছে।'

ৰংপুৰীয় বাইজৰ মুখ মণ্ডলত ভয় আৰু শংকাৰ স্পষ্ট অভিব্যক্তি ফুটি উঠিল।

'পূৰ্ব পৰম্পৰা অনুযায়ী ৰংপুৰ পথাৰৰ নতুন ধানৰ প্ৰথম পোকাটো আচৰিত দেৱতা জনৰ উদ্দেশ্যে উৎসৰ্গা কৰাতে বিধেয় আছিল। এই বাৰ সেয়া কাৰ্যতঃ হৈ উঠিল। আমাৰ বিশ্বাস—ৰংপুৰ ককাই যেতিয়া

নতুন ধানৰ থোকটো প্ৰথমতে বিচাৰি পায়—সেই সময়ত তেওঁৰ অন্তৰত আন কিবা চিন্তা সোমাইছিল,—যাৰ ফলত তেওঁ মৃত্যু মুখত পতিত হ'ল। ৰংপুৰীয়া ৰাইজেও আনটি ধানৰ থোক ককাৰ বুকুত গুজি দিয়া কাৰ্য্য—মহৎ অপৰাধ বুলি বিবেচিত হৈছে। সিহঁতৰ এই কাৰ্যই দেৱবৃন্দক নিশ্চয় অসন্তুষ্ট কৰিছে।

ৰংপুৰ ককাৰ মৃত্যুৰ দিনাখন মানৱ বিকাশে কৰা এই ভুলটো ইচ্ছাকৃত নাছিল। আবেগিক আছিল। চেনেহৰ ককাৰ মৃত্যুৰ দিন খন সিহঁত ইমানেই আবেগপ্ৰৱণ হৈ পৰিছিল যে—তেওঁৰ হাতৰ মুঠিৰ পৰা ধানৰ থোকটি আনিবলৈ কোনো এজনৰে সত নগ'ল। সিহঁতে সেই মহাভুলৰ কথা এতিয়াহে ভালদৰে বুজি পালে।

পুৰণি ৰংপুৰৰ চাৰিসীমা অতিক্ৰম কৰি নতুন ৰংপুৰলৈ যাব নোৱাৰা দুখৰ কথা পাহৰি সিহঁতে পুনৰ দেৱৰোষৰ কথা চিন্তা কৰি ভয়তে আকুল হ'ল। সু-পৰামৰ্শৰ আশা কৰি সিহঁতে ধন বিলাসৰ ওপৰতে ভৰসা কৰিলে।

ভয় আৰু শঙ্কাৰে জৰ্জৰিত মানুহবোৰে তেওঁৰ পিনে আশাৰে চাই থকা দেখি ধন বিলাসৰ অন্তৰ গৰ্বত ফুলি উঠিল। তেওঁক যেন ৰংপুৰীয়া ৰাইজে পৰিত্ৰাতাৰ ৰূপত দেখিবলৈ পাইছে। মানৱ বিকাশহঁতৰ মনৰ শঙ্কা কেনেদৰে নিৰাময় কৰিব পাৰি—নিতাল নিস্তব্ধতাৰ মাজত তেওঁ তাকেই চিন্তা কৰিলে।

'ৰাইজৰ যে দোষ হৈছে—সেইটো সঁচা কথা, কিন্তু সেই দোষ ইচ্ছাকৃত নহয়। ৰংপুৰ ককাই তেওঁৰ মহাপাপৰ ফল হাতে হাতে পালে—যিহেতু ইচ্ছাকৃতভাৱে তেওঁ এই দোষ কৰিছিল। ল'ৰা-ছোৱালীৰ উৎসৱত ডাঙৰে হেতা-ওপৰা কৰা নিয়মৰ কথাও নহয়। যাহওক নতুন ৰংপুৰৰ আনন্দমেলাত আমি যেতিয়া মহান দেৱতা সকলৰ দৰ্শন লাভ কৰিম—ৰংপুৰীয়া ৰাইজৰ হকে আমি নিশ্চয় এই বিষয়ে তেওঁলোকৰ ওচৰত ক্ষমা ভিক্ষা খুজিম। তেওঁলোক দয়াৰ আধাৰ,

এই কথাটি নিশ্চয় তেওঁলোকে সহানুভূতি সহকাৰে বিচাৰ কৰিব। দেৱতাৰ সন্তুষ্টি বিধানৰ অৰ্থে ৰংপুৰীয়া ৰাইজে যি নিবেদন কৰে, আৰু উৎপন্ন শইচৰ যিমানখিনি তেওঁলোকৰ প্ৰাপ্য, কালিলৈ আমাৰ ভাগৰ শইচ খিনিৰ লগতে আমি সেইখিনি লগত লৈ যাম।'

ৰংপুৰীয়া ৰাইজৰ অন্তৰৰ পৰা পাহাৰ ভাৰ এটি যেন নামি গ'ল। সিহঁত লগে লগে সন্মত হ'ল। মেলত ঠিক হ'ল যে উৎপন্ন শইচৰ তিনি ভাগৰ দুই ভাগ শইচ দেৱ প্ৰতিভূ সকলে লগত লৈ যাব। তাৰে এক ভাগ দেৱবৃন্দৰ বাবে। তদুপৰি নতুন ৰংপুৰৰ আনন্দ মেলাৰ লাগতিয়াল ব্যৱস্থা খিনিও ৰাইজে লগতেই দি পঠাব। অনাৰঙ্গ নাওবিলাকৰ দ্বাৰাই তেওঁলোকে এইবোৰ বস্তু যথাস্থানলৈ লৈ যাব।

মেল ভঙাৰ পিছত আচৰিত দৰক্ষজন আৰু অন্যান্য দেৱবৃন্দৰ উদ্দেশ্যে প্ৰণিপাত কৰি মানুহবিলাকে যেতিয়া ঘৰলৈকে খোজ ল'লে বাটত সিহঁতৰ মাজত দেৱ প্ৰতিভূ সকল, ৰক, পোহৰ আদি বিষয়বোৰ লৈ আলোচনা চলিল

'দেৱ প্ৰতিভূ সকলৰ আমাৰ প্ৰতি চেনেহৰ টান আছে।'

'এৰা! নহ'লে দেৱতাবোৰৰ পৰা উদ্ধাৰ পোৱাই টান হ'লহেঁতেন।'

'আমি বাৰু এনেকুৱা ভুল এটি কৰিব পাৰোঁনে?'

'দেৱতা সকলে এই ভুলটোৰ শাস্তি দিব জানো? ককাদেউ তেওঁলোকৰে প্ৰিয় আছিল।'

'এইবিলাক অ' উপকাৰীয়া কথা, এনেকৈ বুজিব নোৱাৰি।'

'অধিক পোহৰৰ বাবে আমি এতিয়া দেৱতা সকলৰ উপৰতে নিৰ্ভৰ কৰিবলগীয়া হ'ল।'

'কথাটো বৰ ভাল লাগিল।'

'পূব আৰু পশ্চিম দিশৰ পৰ্বত বিলাক দেৱ শক্তিৰ বলত দেৱতা সকলে চাপৰ কৰি দিব পাৰিব জানো?'

'মোৰ হলে বিশ্বাস নহয়।'

'তেনেকৈ নকবি, তেওঁলোকে দূৰৈৰ পৰা সকলো কথা শুনে।'

'এৰা! বছৰি বছৰি যদি এইবাৰৰ দৰে খেতি হয় তেনেহলেনো অধিক পোহৰ লাগিছে কেলেই!'

'কিন্তু ককাই যে কৈছিল আগতীয়া বানপানীয়ে খেতিৰ উপকাৰ হে কৰে?'

সিহঁত কিছু সময় নীৰৱে আছিল।

'হৈমৱতীৰ কিন্তু সাহস আছে। ৰংপুৰৰ আন ছোৱালীবোৰতকৈ তাই বেলেগ।'

'কিয়?'

'খোদ দেৱতা বিজয় কৃষ্ণৰ ছোৱালী হৈ তাই ৰংপুৰত থাকি গ ল।'

'এৰা! কিন্তু তাই বেচেৰিৰ গাতো দেৱতাৰ শাওপাত নালাগিলেহে ৰক্ষা।'

'আন ছোৱালীবিলাকো তাইৰ দৰে সাহসী হোৱহেঁতেন।' ৰংপুৰৰ বহু ডেকা-গাভৰু আশাহত হৈছে। সিহঁতে মনে মনে যোৰ পাতিবলৈ আশা কৰা বহুতো ডেকা-গাভৰু—দেৱ-দেৱী হৈ আৰু দেৱ প্ৰতিভূ হৈ ৰংপুৰ এৰি গুচি গৈছে।

'এতিয়া সেইবিলাক আৰু আলোচনা নকৰিবি; দেৱতাৰ শাও-পাত লাগিব।'

'হৈমৱতী ফুকলীয়া ছোৱালী। বয়স বাঢ়িলে চাবিচোন—তায়ো দেৱতাৰ দেশলৈ গুচি যাব।'

কিছুসময়ৰ বাবে সকলোবোৰ মানুহ ভাৱত বিভোৰ হ'ল।

'ৰংপুৰ ককাইনো বাৰু সেই কামটো কিয় কৰিলে?'

'আনক কবলৈ কিজানি সময়কে নাপালে; নহলে এনে ভুল কেতিয়াও নকৰিলেহেঁতেন!'

'কিন্তু বুঢ়ীয়েতো কব পাৰিলেহেঁতেন?'

'সেই দোষতে কিজানি বুঢ়ীয়ে। ঢুকাল।'

'এইবিলাক কথা এতিয়া আৰু বাদ দে। দেৱতা সকলে যে আমাক ক্ষমা কৰিব সেয়াই বহুত।'

'এৰা! সেইবিলাক কথা এতিয়া আৰু আলোচনা নকৰাই ভাল। আমাৰ দায় দোষ মৰিষণ কৰিবলৈ ধন বিলাসে যে দেৱতা সকলৰ ওচৰত খাটনি ধৰিম বুলি কৈছে সেয়াই বহুত। আমাৰ এতিয়া আৰু কোনো চিন্তা নাই। ইচ্ছা কৰিলে গুৱাহাটীৰ পৰা কেইখন হেঁচুকি চাপৰ নকৰি বেলিটোৰ গতিয়ো কমাই দিব পাৰে

'মানৱ বিকাশৰ অন্তৰং শসা-ধ্বংসকাৰ্য' অচিনাকি চৰাইবোৰ মাৰি পেলোৱাৰ চিন্তাটিও কিজানি তাৰ অলক্ষিতে দেৱং সকলেই সুমুৱাই দিলে।

'ঠিকেই! তাৰ কাৰণে সেইগৰাকেও আগতে নেছি পইচ পালে, আমিও পালে।'

কথা বঢ়াবাই আৰু নেছি দৰ অগ্ৰগতি লাভ নকৰিলে।

মানৱ বিকাশ এতিয়া ধৰ পালে—তেতিয়া ৰংপুৰ নিমাত নিজম। সি মনত পেলাবলৈ যত্ন কৰিলে—মেলৰ সময়ত সি বাৰু ডেকা-গাভৰুজাকৰ ঢোল পেঁপাৰ মাত শুনিছিল নেকি! তাৰ মনত নপৰিল।

শোতলিত পৰিও ভাবেমান সময় ছটফটাই থাকিল মানৱ বিকাশ। বাৰে বাৰে নতুন ধানৰ থোকটি সোঁহাতেৰে মুঠি মাৰি ধৰি শেষ নিদ্ৰাত শয়ন কৰা ৰংপুৰ ককাৰ মুখখন তাৰ মানস পটত জাঁহি উঠিল। ককাৰ বিষয়ে মেলত হোৱা আলোচনাবিলাক সি বিশ্বাস কৰা নাই। কিন্তু প্ৰতিবাদো নকৰিলে সি। ককাৰ সেই কাৰ্যৰ অন্তৰালত আন কি উদ্দেশ্য আছিল ভাবি ভাবি তাৰ কোনো উৰাদিহ নাপালে সি। কিন্তু ককাই উদ্দেশ্যবিহীন ভাৱে কোনো কামকেই কৰা নাই। তথাপি সিহঁতৰ চেনেহৰ ৰংপুৰ ককা বাইজৰ ওচৰত

ইমান বেযাকৈ দোষী হিচাপে চিহ্নিত হ'ল যে—মানৱ বিকাশে সেই কথা চিন্তা কৰি অন্তৰত গভীৰ আঘাত পালে। বিনিদ্ৰ ৰজনী যাপন কৰিলে সি।

পিছদিনাখন ৰাতিপুৱা খাদ্য সামগ্ৰীৰে নাও যোজাই কৰি দেৱ প্ৰতিভূ সকলে ৰংপুৰৰ উজনি পানীত বঠা মাৰিবলৈ আৰম্ভ কৰিলে। ভাগৰ খাদ্য শইচৰ আটাইখিনি কঢ়িয়াবৰ বাবে তেওঁলোকে ভালে কেইবাৰ ৰংপুৰলৈ আহিবলগীয়া হ'ল।

সেইবাৰৰ আনন্দমেলাৰ পিছৰে পৰা ৰংপুৰৰ ইতিহাসত দেখ দেখকৈ জাগ্ৰত দেৱতাৰ প্ৰত্যক্ষ পূজাৰ প্ৰচলন আৰম্ভ হ'ল।

—□—

দ্বিতীয় অধ্যায়

ৰংপুৰ ককাৰ মৃত্যুৰ এশ বছৰ কাল পূৰ্ণ হ'বৰ হ'ল। সুদীৰ্ঘ এই সময়ছোৱাৰ ভিতৰত ৰংপুৰৰ ভালেখিনি পৰিবৰ্তন হ'ল। দেৱ মন্দিৰৰ সমুখত থকা বুঢ়া দেৱদাৰু গছজোপা দেৱপ্ৰতিভূ সকলৰ নিৰ্দেশত কাটি পেলোৱা হ'ল। ৰংপুৰীয়া ৰাইজে ৰংপুৰৰ মানচিত্ৰ খন মনত অঙ্কিত কৰিবলৈ সুবিধা নোপোৱা হ'ল। ৰংপুৰৰ মাজেৰে আঁকোৱা পকোৱা কৈ বৈ যোৱা ৰংপুৰৰ নদীৰ অৱক্ষেপণ কাৰ্য— গতিপথৰ ৰংপুৰস্থ অংশটিত আৰম্ভ হোৱাৰ ফলত নদীটো আগৰ তুলনাত ভালেখিনি বাম হ'ল। নদীগৰ্ভৰ সৰু বৰ শিলবোৰ বালিত পোট খালে। ৰংপুৰ ককাই শেষৰ কালছোৱাত ব্যৱহাৰ কৰা শিল-চটাও গৰাখহনীয়াত পৰি নদীলৈ নামি গৈছিল। পিছত যেনিবা ৰাইজে মিলি ককাৰ মৃত্যুৰ দিনাখন মানৰ বিকাশে ৰোপণ কৰা আঁহত জোপাৰ ওচৰতে স্থাপন কৰিছে। এই এশ বছৰীয়া কাল-ছোৱাত শিলচটা আৰু আঁহত জোপাৰ ওপৰেদিও অশেষ ধুমুহা পাৰ হৈ গৈছে। এই কালছোৱাৰ ৰংপুৰৰ ইতিহাসত গুৰুত্বপূৰ্ণ ভূমিকা-পালন কৰি আহিছে এই দুই পদ বস্তুৱে।

পূৱদিশৰ পৰ্বত পাহাৰবোৰত দুই এজাক বৰষুণ দিলেই ৰংপুৰ পথাৰ আজিকালি পানীত ডুব যায়। মাটি ছন পথাৰটো আজিকালি

ৰংপুৰৰ নিত্য নৈমিত্তিক ঘটনা। ৰংপুৰৰ জনসংখ্যাও আগৰ তুলনাত দুই তিনি গুণ বাঢ়িল। সেইবাবে আজিকালি প্ৰতিবছৰে খাদ্যৰ নাটনি হয়। বনৰীয়া জীৱ-জন্তুৰ সংখ্যা কমিল; সিয়ানো হ'ল সিহঁত। ৰংপুৰ নদীত আগৰলেখীয়া ডাঙৰ মাছো পাবলৈ নাইকিয়া হ'ল। ককা ঢকাবৰ বছৰৰে পৰা দেৱতাবৃন্দ আৰু দেৱপ্ৰতিভূ সকলক সেই যে উৎপন্ন শইচৰ তিনিভাগৰ দুই ভাগ দিয়া নিয়ম প্ৰবৰ্ত্তিত হৈছিল—পৰিবৰ্ত্তিত আৰু পৰিবৰ্দ্ধিত ৰূপত সেই একেই নিয়মে আজিও চলি আছে। মূল ধান খেতিৰ বাহিৰেও আজিকালি ৰংপুৰত নানা তৰহৰ অন্যান্য খেতিও কৰিবলৈ লোৱা হৈছে।

দুবেলা দুইসাজ পেট ভৰাই খাবলৈ নোপোৱা বাবেই নেকি ৰংপুৰৰ প্ৰায় ভাগ মানুহেই আজিকালি চিন্তা কৰিবলৈ শিকিছে। দেৱবৃন্দৰ নিৰ্দেশত দেৱপ্ৰতিভূ সকলে জাৰি কৰা নিৰ্দেশ-নামাই ৰংপুৰীয়া ৰাইজক বহু বছৰ বহুধাবিভক্ত কৰি ৰখাৰ মূলত সিহঁতৰ মাজত এতিয়া আগৰ ঐক্য ঘূৰি আহিছে, কিন্তু দ্বিখণ্ডিত ভাবে। মানৱ বিকাশৰ মৃত্যু নৌহওঁতেই ধন বিলাসে ধ্যানৰাজৰ পুতেক অৰূপ ৰতনক দেৱপ্ৰতিভূ সকলৰ ৰংপুৰস্থ প্ৰতিনিধি হিচাপে বৰণ কৰিছিল। অৰূপ ৰতনক সহায় সাহায্য কৰিবলৈ যিটো নিষ্কৰ্মা, তোষামোদকাৰী দলৰ সৃষ্টি হৈছিল—ৰংপুৰীয়া ৰাইজৰ মূল স্ৰোতৰ পৰা আঁতৰি গৈ সিহঁতৰ দ্বাৰা এটি স্বয়ম্ভূ ফৈদৰ সৃষ্টি হৈছে।

দেৱতাৰ আদেশ সিহঁতে জ্ঞাতসাৰে আজিলৈকে ভঙ্গ কৰা নাই। যিবিলাকে ভঙ্গ কৰিছিল সিহঁতে শাস্তিও পাইছে যথেষ্ট। ৰংপুৰৰ দেৱ মন্দিৰটোৰো আমূল সংস্কাৰ সাধন কৰা হৈছে। তাৰ ওচৰতে দেৱপ্ৰতিভূ সকলৰ বাবে নিৰ্মিত বাসগৃহটোৱে গোটেই ঠাইখনবে জেউতি চৰাইছে। সেই ঘৰটিতে বংশানুক্ৰমে বাস কৰি আহিছে ৰংপুৰস্থ দেৱ প্ৰতিনিধি জনাই। এতিয়া আৰু ৰংপুৰীয়া ৰাইজে দেৱ মন্দিৰলৈ গৈ ৰংপুৰৰ মঙ্গলৰ অৰ্থে দেৱতাৰ ওচৰত

প্ৰণিপাত কৰাৰ কোনো সকাম নাই। সেই কামফেৰ সিহঁতৰ হৈ দেৱ প্ৰতিনিধিজন আৰু তেওঁৰ তোষামোদকাৰী দলটোৱেই কৰে। তাৰ পৰিবৰ্তে আজিকালি ৰংপুৰীয়া ৰাইজৰ প্ৰতি ঘৰে ঘৰে বিভিন্ন দেৱতাৰ বেদী স্থাপন কৰা হৈছে। নিত্যে পুৱা-গধূলি সেই বেদীৰ আগত চাকি বন্তি জ্বলাই দেৱতাৰ গুণানুকীৰ্ত্তন কৰিবলৈ নিয়ম বান্ধি দিয়া হৈছে।

কিন্তু ৰংপুৰ ককাৰ জন্মৰো বহু বছৰ আগতে—ৰংপুৰ নদীক কেন্দ্ৰ কৰি ৰংপুৰৰ ইতিহাসে যি পাতনি মেলিছিল,—বহুত চেষ্টা কৰিও ৰংপুৰ ককাই যিখন ইতিহাসৰ কথা ৰাইজৰ মনত প্ৰতিষ্ঠিত কৰিব পৰা নাছিল—ৰংপুৰৰ সেই ইতিহাস এতিয়া আৰু লুপ্ত অৱস্থাত নাই। অভাৱ অনাটনত জৰ্জৰিত, কঠোৰ পৰিশ্ৰমেৰে ক্লান্ত, দেৱ নিৰ্দেশ পালন কৰাত ব্যস্ত ৰংপুৰীয়া ৰাইজে আজিকালি অলপমান সময় আহৰি পালেই—'আচৰিত দেৱতাজন'ৰ ৰংপুৰলৈ আগমন-নিৰ্গমনকে আদি কৰি বৰ্তমান কাললৈকে ৰংপুৰৰ ইতিহাস ৰোমন্থন কৰে। সেই ইতিহাসে সিহঁতৰ অন্তৰত বিভিন্ন ধৰণৰ আশা অৱসাদৰ সৃষ্টি কৰে। কিন্তু চিন্তাৰ খোৰাকো যোগায়। সিহঁতৰ চিন্তা-ভাৱনা দোৰ কেতিয়াবা ভুল হয়; কেতিয়াবা নিৰ্ভুল চিন্তাও সিহঁতে কৰে।

ৰংপুৰ ককাৰ মানৱ বিকাশতত্ত্বৰ মৃত্যু ঘটাৰ পিছত কাহানি-বাটেই ৰংপুৰ নদীৰে পশ্চিমলৈ উটি গৈছে সিহঁতৰ দেৱ-নাতি-পৰি-নাতি সকলক লৈয়েই বৰ্তমানৰ ৰংপুৰীয়া সমাজ। মানৱ বিকাশ, বিদ্যুৎ চক্ৰৰ পৰিণতি আৰু আনন্দ প্ৰকাশৰ নাতিয়েকেই আজি-কালি ৰংপুৰীয়া ৰাইজৰ মুখপাত্ৰ হিচাপে কাম কৰে। সিহঁতৰ পৰিয়াল কেইটা বহু দশকৰ পাছৰে দেৱ নিৰ্দেশ ক্ৰমে এলাগী হৈ থকাৰ পিছত—এতিয়া পুনৰ ৰাইজৰ মাজত সোমাই পৰিছে। আনন্দ প্ৰকাশৰ নাতিয়েক বিক্ৰম বিকাশ এতিয়া ৰংপুৰৰ আটাইতকৈ বয়সস্থ লোক। ৰংপুৰ ককাৰ মৃত্যুৰ এই পাঁচ কুৰি বছৰৰ মাজত প্ৰতিঘাতৰ কাহিনী

আৰু বংপুৰৰ ইতিহাসৰ কথা তাৰ অন্তৰত গঁঠা আছে। মানৱ বিকাশৰ পৰিনাতি অনল বিশাল আৰু ধ্যানৰাজৰ পৰিনাতি বিপ্লৱ বাহনক সি—বাপেক-ককাকহঁতৰ কথা স্মৰণ কৰিয়েই হ'বলা—বংপুৰৰ ইতিহাস খিতাতে স্মৰণ কৰাৰ অভ্যাস কৰাইছে। ককাৰ মৃত্যুৰ পিছৰ এই পাঁচকুৰি বছৰৰ ইতিহাস আপডকৈ বহুতো জটিল। ভৱিষ্যতে বা আকৌ সেই ইতিহাসে কেনেকুৱা ৰূপ ধাৰণ কৰে। তাৰ গতি নিৰ্দ্ধাৰণ কৰিব বংপুৰীয়া বাইজেহে। সিহঁত এতিয়া আৰু নিজস্ব বিহীন নহয়।

:★:

ৰংপুৰ ককাৰ মৃত্যুৰ পিছত কেইবছৰমান ভাল দৰেই অতিবাহিত হৈছিল ৰংপুৰীয়া ৰাইজৰ। প্ৰথম অৱস্থাত সিহঁতে আনন্দমেলালৈ অহা দেৱ প্ৰতিভূসকলক দেৱতাসকলৰ বিষয়ে নানা ধৰণৰ প্ৰশ্ন কৰি ব্যতিব্যস্ত কৰি তুলিছিল। সিহঁতৰ অদম্য কৌতুহল আছিল— ৰংপুৰত জ্ঞানৰ পোহৰ বিতৰণ কৰিবলৈ দেৱতাসকলে কি পন্থা গ্ৰহণ কৰিছে, অধিক পোহৰ লাভৰ বিষয়টো বাৰু তেওঁলোকে কেনেদৰে বিচাৰ কৰিছে।

নতুন ৰংপুৰৰ তৃতীয়খন আনন্দমেলাত তেনেই মহান স্বৰূপ কুমাৰে নতুন ৰংপুৰত পদাৰ্পণ কৰিছিল। তেওঁৰ লগত দেৱ প্ৰতিভূসকলৰ কেনে ধৰণৰ আলোচনা হ'ল- ৰংপুৰীয়া ৰাইজে তাৰ উমঘামেই নাপালে, যদিও তাৰ পিছৰ বছৰৰ ৰংপুৰৰ আনন্দমেলাত ধন বিলাসে ৰংপুৰবাসীৰ আগত মহান স্বৰূপ কুমাৰৰ নতুন ৰংপুৰলৈ আগমনৰ বাৰ্তা সবিস্তাৰে দাঙি ধৰিলে। প্ৰকৃত পথেৰে বাট বুলা বাবে ধন বিলাসে দেৱবৃন্দৰ হৈ ৰাইজক ধন্যবাদ জ্ঞাপন কৰিলে। তেওঁ ক'লে যে—ৰংপুৰীয়া ৰাইজে খৰখেদাকৈ নতুন কোনো কামত হাত দিয়াটো দেৱতাসকলৰ কাম্য নহয়! সিহঁতে আগতে যেনেদৰে চলি আহিছিল,— সম্প্ৰতি তেনেদৰেই কাল যাপন কৰক। যেতিয়া উপযুক্ত সময় আহে তেতিয়া তেওঁলোকে সিহঁতক উচিত নিৰ্দেশনা দিব

মনে মনে অলপ আহত হ'লেও মানৱ নিকাশঠাইত ধন বিলাসৰ বক্তব্য মানি ল'লে। সেইবাৰৰ আনন্দমেলাত ধন বিলাসে দেৱ মন্দিৰটো সম্পূৰ্ণ নতুন আৰ্হিত নিৰ্মাণ কৰাৰ প্ৰস্তাৱ দাঙি ধৰিলে। ৰংপুৰীয়া ৰাইজে সেই প্ৰস্তাৱটিও সৰ্বান্তঃকৰণে মানি ল'লে। 'সিহঁতৰ আৰাধ্য দেৱতাৰ সংখ্যা যিহেতু আগৰ তুলনাত বাঢ়িল- তেনেস্থলত

আহল-বহল নতুন দেৱ মন্দিৰ এটাৰ একান্ত আৱশ্যক। সন্তুষ্ট মনেৰে—দেৱপ্ৰতিভূসকলে তেওঁলোকৰ প্ৰাপ্য বস্তুখিনি লৈ নতুন ৰংপুৰলৈ যাত্ৰা কৰিলে।

এক বছৰৰ ভিতৰতে ৰংপুৰীয়া ৰাইজে পুৰণি দেৱ মন্দিৰটোৰ ঠাইতে আহল-বহলকৈ সম্পূৰ্ণ নতুন আহিঁত নতুন দেৱ মন্দিৰটোৰ নিৰ্ম্মাণ কাৰ্য সমাধা কৰিলে। ধন বিলাস আৰু উপস্থিত অন্যান্য দেৱপ্ৰতিভূসকলে ইয়াৰ পিছৰ বছৰৰ আনন্দমেলাৰ প্ৰথম দিনাখন—নতুন দেৱ মন্দিৰত দেৱতাবৃন্দৰ উদ্দেশ্যে তিনিখন বেদী স্থাপন কৰিলে।

সেই বছৰ কেইটাত ৰংপুৰ পথাৰত খেতি আগৰ তুলনাত সঁচাকৈয়ে ভাল হৈছিল। সেইবাৰে আনন্দমেলাত দেৱতাসকলৰ বিষয়ে পোহৰৰ বিষয়ে কোনো কথা আলোচিত নহ'ল। দেৱপ্ৰতিভূ-সকলেও সেই বিষয়ে আলোচনা কৰাৰ কোনো প্ৰয়োজনবোধ নকৰিলে। মাথোন ধন বিলাসেহে অনুভৱ কৰিলে আনন্দমেলাখন যেন দিনে দিনে প্ৰাণহীন হৈ গৈ আছে। খবৰ বতৰা লৈ তেওঁ গম পালে 'ৰংপুৰৰ আনন্দৰ নিজৰা আনন্দ প্ৰকাশে হেনো আজিকালি হুকে-বিহুকে ঢোলত চাপৰ মাৰি ৰংপুৰৰ গোমা আকাশ ফৰকাল নকৰে।' সেইবছৰৰ আনন্দমেলাতেই মানৱ বিকাশে দেৱতা বিজয় কৃষ্ণৰ ছোৱালী হৈমৱতীৰ লগত আনন্দ প্ৰকাশৰ যোৰ পাতি দিলে।

আনন্দ প্ৰকাশৰ লগত হৈমৱতীৰ যোৰ পতা কথাটি লৈ বৰ আমোদজন কাহিনী এটি আছে।

ৰংপুৰ ককাৰ মৃত্যুৰ পিছৰে পৰা আনন্দ প্ৰকাশ অন্য এজন মানুহলৈ ৰূপান্তৰিত হ'ল। ডিঙিৰ পৰা ঢোলটো চিৰদিনৰ বাবে সোলোকাই থৈ সি মানৱ বিকাশৰ সঙ্গী, অনুচৰলৈ পৰিবৰ্তিত হ'ল। সেই সময়তেই সি প্ৰতিজ্ঞা কৰিলে যে - সি কোনো দিনেই যোৰ নাপাতে,—ৰংপুৰ ককাৰ দৰে চিৰ কুমাৰ হৈয়েই কাল কটাব সি। মানৱ বিকাশহঁতে বুজাই-বঢ়ায়ো সৈমান কৰিব নোৱাৰিলে তাক। তেনেদৰে পাঁচ কি ছয় বছৰ অতিবাহিত হৈ গ'ল।

আহিন মাহৰ শেষৰ এদিন। পথাৰৰ নতুন ধানৰ থোক উৎসৰ্গা কৰিবলৈ দুই এজন মানুহক বাদ দি সকলো মানুহেই দেৱ মন্দিৰলৈ গৈছে। ককাৰ মৃত্যুৰ পিছৰে পৰা মানৱ বিকাশহঁতৰ দুইজন মানে উৎসৱটি ইচ্ছাকৃতভাৱে বৰ্জন কৰি আহিছে। আনন্দ প্ৰকাশো ঘৰতে আছিল। মাক দেৱ মন্দিৰলৈ ওলাই গৈছে। শোৱনিত শুই সি বাৰে বাৰে ভচন্ত কথা কিছুমান চিন্তা কৰি আছিল।

ধুমুহাৰ দৰে আহি তাৰ কোঠাত সোমাল হৈমৱন্তী। আনন্দ প্ৰকাশ অলপ আচৰিত হ'ল। 'তাই বাৰু দেৱ মন্দিৰলৈ কিয় নগলা?'

'তই মন্দিৰলৈ নগলি?'

'দেখিছই দেখোন নাই যোৱা।'

'কিন্তু নগলি কিয়?'

'দেৱতাৰ ছোৱালীৰ দেৱ মন্দিৰলৈ যোৱাৰ কোনো প্ৰয়োজন নাই।'

'সেই কথাটি তই আজিহে বুজিলি নেকি?' 'কিন্তু তাৰ দেহৰ দেৱ ৰক্ষকে তই কোনো দিনেই মূল্য দিয়া নাই।'

'তোৰ লগত কথা আছে। অনাহকৰ্ণীয়াকৈ তোক লগ পোৱাৰ কোনো উপায় নাই।'

হৈমৱন্তীৰ অভিমানেৰে ভৰা উত্তৰ শুনি আনন্দ প্ৰকাশে আমোদ পালে। দেখাদেখি হ'লেই সিহঁতৰ সদায় কাজিয়া লাগে। মাথোন কিবা এটা চেলু পালেই হ'ল। আনন্দ প্ৰকাশে মনত পেলালে— আনন্দোৎসৱত যোগদান নকৰিও দৰ্শক হিচাপে কিমান দিন যে সি মন্তব্য কৰিছে—তাইৰ গান বেসুৰা, ছন্দ মিলাই নাচিব নাজানে, কথা কলে দাঁত ওলায়, তাইক বালে মাছ পলায় ইত্যাদি। কিমান দিন যে সি তাইৰ কিল ভুকু খাইছে তাৰ সীমা-সংখ্যা নাই।

'কিনো কথা?'

'তাই নিৰুত্তৰ হৈ থাকিল।'

'বহ।' সি শোৱনি খনতে বহিবলৈ তাইক অলপ ঠাই এৰি দিলে।

'ত্যাই নবহিল।'

বিমুগ্ধ দৃষ্টিৰে আনন্দ প্ৰকাশে কিছু সময়— তলমূৰকৈ ভৰিৰ বুঢ়া আঙুলিৰে মাটি খুচৰি থকা হৈমৱতীৰ পিনে চাই ৰ'ল। তাৰ পিনে এবাৰ কেৰাহিকৈ চাই তাই পুনৰ তলমূৰ কৰিলে।

'এইবাৰৰ আনন্দমেলাত মই যোৰ পাতিম।'

'আনন্দ প্ৰকাশে অনুভৱ কৰিলে— কলিজাৰ কোনোবাটো অংশ হঠাতে যেন 'তাৰ বিষাই গৈছে। ধড়্মড়কৈ সি শেতেলিতে বহি পৰিল।

'কোন সেই ভুৰ্ভগীয়া- যিজনে তোৰ দৰে ৰচকী বুঢ়ী এজনীক বিয়া কৰাব?'

'তুই'।

'মই?'

'এৰা তুই।' পূৰ্ণ দৃষ্টিৰে এইবাৰ তাই আনন্দ প্ৰকাশৰ চকুত চকু থলে।

আনন্দ প্ৰকাশ বিস্ময়াহত হৈ পৰিল। সি কোনো দিনেই এনে-ধৰণৰ পৰিস্থিতিৰ সন্মুখীন হোৱা নাছিল। আগৰদৰে টিলিকাত কথাটো উৰুৱাই দি সি তাইক নিৰ্মল বিদ্ৰূপো কৰিব নোৱাৰিলে। এইজনী হৈমৱতীৰ বেলেগ ৰূপ।

: "কিন্তু মইতো যোৰ নাপাতো বুলি প্ৰতিজ্ঞা কৰিছোঁ।"

: 'তেনেহলে মোৰ পিছত তই তেনেকৈ কিয় লাগি থাক?'

: 'ৰংপুৰৰ প্ৰত্যেকজনী গাভৰুতকৈ তোক বেছি মৰম লাগে কাৰণে।'

: 'তেনেহলে ...... ।' হৈমৱতী হঠাতে বৈ গ'ল। এইবাৰ তাই উগ্ৰমূৰ্তি ধাৰণ কৰিলে।

: 'ৰংপুৰ ককাক অপমান কৰিবলৈ তই কোন?'

: 'কেতিয়া মই ককাক অপমান কৰিলো?' -- আনন্দ প্ৰকাশ অতিশয় আচৰিত হ'ল।

: 'যিদিনাখন তই ককাৰ মাক অনুকৰণ কৰি মোৰ যোৰ পতা বিষয়ে ৰায় দিছিলি—সেইদিনাখন।'

: 'কোনদিনা?' — সি মনত পেলাবলৈ যত্ন কৰিলে।

: 'যিদিনাখন তই চন্দ্ৰদীপক জোকাবলৈ কাপহী বাইদেউৰ নাচৰ ছেৱে ছেৱে ঢোল বজাইছিলি।'

আনন্দ প্ৰকাশৰ তেতিয়াহে মনত পৰিল। কাপহীয়ে সেইদিনাখন তাক জব্দ কৰিবলৈ বিচাৰিছিল। তাৰ হাঁহি উঠিল।

: 'ধেৎ, সেইদিনাখন তোৰ লগত ধেমালিহে কৰিছিলোঁ।'

: 'ককাৰ মাক অনুকৰণ কৰি ৰায় দিবলৈ তোক কোনে কৈছিল, কত পাইছিলি তই সেই অধিকাৰ?'

আনন্দ প্ৰকাশে নীৰৱে কিছু সময় চিন্তা কৰিলে। সেইদিনাখন সি তাক ককাৰ ব্যংগক অৱমাননা কৰিছিল নেকি? হৈমন্তীয়ে এনেয়ে চিন্তা কৰিছে। নাচনৰ আনন্দত কোনো অপমানিত নহয়। --কিন্তু সি তাক সেইদিনাখন সেই কামটো কিয় কৰিছিল!

: 'কিন্তু তইনো তাক সেইদিনাখন আমাৰ মাজলৈ কিয় আহিছিলি? তেতিয়াতো তোৰ সেই বয়স হোৱা নাছিল। —আহিছিলিয়েই যদি বাৰু, মুখখন ওলোমাই আছিলি কিয়?'

: 'তইনো দুদিন আগতে মোৰ পতা কাপহীৰ নাচৰ ছেৱে ছেৱে ঢোল বজাইছিলি কিয়?'

: 'ধেৎ, সেইবিলাক কাপহীৰ আনন্দ মাথোন। বাদ দে সেইবোৰ।'

: 'বাদ মই কেতিয়াবাই দিছোঁ। তোক কম বুলি ভাবিছিলোঁ, কবলৈ সুবিধা বিচাৰিছিলোঁ, আজি পালো বাবে কলোঁ। মোৰ এতিয়া কাম শেষ।'

: 'এতিয়া কি কৰিবি? নে দেউতাৰ লগলৈ যাবি?' পুনৰ তাইক জোকাবলৈ চেষ্টা কৰিলে আনন্দ প্ৰকাশে।

: 'তই মোক আৰু দেৱতাৰ দেশলৈ যোৱাৰ কথা নকৰি।—মই ৰংপুৰ নদীৰ পাৰলৈকে যাম। দেৱতাসকল পূব পিনে খোজ কাঢ়ি গৈছে; কিন্তু মই সাঁতুৰিব জানো। সাঁতুৰি সাঁতুৰি ৰংপুৰ নদীৰ পশ্চিমলৈ যাব নোৱাৰিম জানো।'

তাই যাবলৈ সাজু হ'ল। আনন্দ প্ৰকাশে খাপ মাৰি তাইৰ হাত এখনত ধৰিলে।

: "মোক যাবলৈ দে।"

: নিদিওঁ।' ইতিমধ্যে আনন্দ প্ৰকাশৰ সিদ্ধান্ত লোৱা হৈ গৈছে।

: 'তই মোক আৰু কিমান দিন জলাই মাৰিবি?'

: 'চিৰদিন। —বল, দুয়ো একেলগে সাঁতুৰি সাঁতুৰি পশ্চিমলৈ যাওঁগৈ?' অভিমানত ওফন্দি পৰা হৈমৱতীক জোৰ কৰি আনন্দ প্ৰকাশে বুকুৰ মাজত সাৱটি ল'লে। আত্ম সমৰ্পণৰ বাবে কৰা যুদ্ধ বেছি সময় নিটিকে। হৈমৱতীৰো নিটিকিল। লেতুসেতু হৈ তাই তাৰ বুকুৰ মাজত সোমাই পৰিল। তাইৰ আনন্দ আবেগৰ উচুপনিখিনি অন্তৰেৰে অনুভৱ কৰি আনন্দ প্ৰকাশৰ ভাব হ'ল,—'ভালপোৱা বস্তুটো আঁকোৱা-পকোৱা ৰংপুৰ নদীৰ দৰেই, ঘনে ঘনে দিশ সলনি কৰি শেষত একেই আধাৰতে গৈ পৰে। তাৰ অনিৰুদ্ধ গতি।' সিহঁত দুয়োজনে কিছুসময় তেনেকৈয়ে থাকিল।

: 'তই কিন্তু মোৰ পৰা যিমানখিনি পাম বুলি ভাবিছ,—সিমান-খিনি নাপাবি কিজানি।'

: 'মই জানো।'

: 'কেনেকৈ জানিলি?'

: 'এজন মানুহৰ মৃত্যুত যিজনে প্ৰাণৰো প্ৰিয় ঢোলটি কান্ধৰ পৰা নমাই থব পাৰে, সেইজনৰ বিষয়ে আৰু কি জানিব লাগে!' হৈমৱতীয়ে অলপ সময় অপেক্ষা কৰিলে। 'মই মা হ'বলৈ বিচাৰো।'

থুঁতৰিত ধৰি সি তাইৰ চকুত চকু থলে। এইজনী হৈমৱতীক সি কোনো দিনে দেখা নাই, বুজা নাই।

: 'দেৱতাসকলে ৰংপুৰলৈ কেতিয়া পোহৰৰ বতৰা আনে—তাৰ কোনো ঠিকনা নাই। হয়তো সেইদিনাখনলৈ তই-মই বাচি নাথাকিবও পাৰো। তেনে অৱস্থাত আমাৰ পো-নাতি বিলাকেই সেই পোহৰৰ সোৱাদ উপভোগ কৰিব।'

আনন্দ প্ৰকাশৰ ভাব হ'ল বুকুৰ মাজত সোমাই থকা সত্ত্বেও তাৰ আৰু তাইৰ মাজত যেন যথেষ্ট ব্যৱধান আছে। সি হৈমৱতীক প্ৰবল উৎসাহেৰে সাৱটি ধৰিলে। ..

আনন্দ প্ৰকাশৰ বাহুপাশৰ পৰা মুক্ত হৈ হৈমৱতী যাবলৈ ওলাল।

: 'মোৰ আশা, আমাৰ সন্তানটি হ'লে ল'ৰা হয়, —সি যেন নতুন দিনৰ প্ৰথম পোহৰ কণি দেৱমন্দিৰত নিদি ককাৰ দৰে তাৰ মুঠিত ৰাখি থব পৰাকৈ সাহসী হয়, তোমাৰ দৰে চোলং চাপৰ মাৰি ৰংপুৰত আনন্দৰ ধাৰণ আনিব পাৰে, আৰু দা' এখনেৰে মাথোন বনৰ বাঘৰ লগত মুখামুখিও হ'ব পাৰে।'

কেতিয়াৰ পৰা, বাহিৰ ওলায়েই হৈমৱতীয়ে আনন্দ প্ৰকাশৰ মাকক দেখা পালে। হাঁহি-হাঁহি কৰি থকা মুখখন দেখি তাইৰ বুজিবলৈ বাকী নাথাকিল—নিশ্চয় তাইহঁতৰ কথাবোৰ আনন্দ প্ৰকাশৰ মাকৰ এৰিওৱা আৰু অবিদিত নহয়। তাই পলাই যাব খুজিছিল, কিন্তু চতুৰ মাকে তাইক লাজতে মৰহি যোৱাৰ পৰা ৰক্ষা কৰিলে

: 'মোৰ গাত বেচ ভাগিল লাগিছে মন্দিৰলৈ নোযোৱা বুলি আহিলো। আজি তোমাৰ তিনিও জনাৰ ভাত ৰান্ধা। ধ্যানবাজৰ মাকক মই কথাটো কৈ আহিছোঁ।' হৈমৱতীক আপত্তি কৰিবলৈ মাকে সময়েই নিদিলে। বাপেকে দেৱতাৰ দেশলৈ যাত্ৰা কৰাৰ দিন ধৰি হৈমৱতী ৰংপুৰ ককাৰ ঘৰতে আছিল। ককাৰ মৃত্যুৰ পিছতো ধ্যানবাজৰ মাকে তাইক এৰি দিয়া নাই।'

অলপ সময়ৰ ভিতৰতেই ধ্যানবাজৰ মাক, মানৱ বিকাশ আৰু কেইজনমানে এই শুভ সংবাদটি শুনিলে। তুনি সুখী হ'ল। 'হৈমৱতী

দেৱৰক্তকো আওকাণ কৰিব পৰা সাহসী গাভৰু—, আনন্দ প্ৰকাশৰ লগত তাই মিলিব ভাল।

ইয়াৰ পিছতো কেইবছৰমান অতি ভাল ভাৱেই অতিবাহিত হ'ল ৰংপুৰীয়া ৰাইজৰ। জনসংখ্যা কম, খেতি যথেষ্ট ভাল। সিহঁতৰ ৰাজহুৱা ভঁড়ালত বৃহৎ পৰিমাণৰ ধান ৰাহি হৈছে। সেইকাৰণে দেৱতাসকল নাইবা দেৱপ্ৰতিভূ সকলৰ প্ৰতি সিহঁতৰ কোনো বিদ্বেষ বা অসূয়া ভাৱ নাই। কিন্তু এই সময়ছোৱাৰ ভিতৰত ৰংপুৰ নদী-টোৰহে স্বভাৱৰ পৰিবৰ্ত্তন হ'ল। বানপানীৰ পিছত গৰাখহনীয়া আৰম্ভ হৈ ৰংপুৰ নদীটো বহল হ'বলৈ আৰম্ভ কৰিলে। ৰংপুৰ নদীৰ প্ৰথমটো গৰাখহনীয়াত ৰংপুৰ ককাই ব্যৱহাৰ কৰা শিলচটা নদী গৰ্ভত বিলীন হৈ গৈছিল। খৰালি কালত—পানী যেতিয়া শুকাল, মানৱ বিকাশহঁতে অশেষ কষ্ট কৰি ককা ঢুকাবৰ দিনাখন ৰোপণ কৰা আঁহত গছৰ পুলিটোৰ ওচৰতে শিলচটা পুনৰ স্থাপন কৰিলে।

ৰংপুৰ ককাৰ মৃত্যুৰ পাছত মানৱ বিকাশেও দেৱতাবৃন্দ নাইবা নতুন ৰংপুৰৰ দেৱপ্ৰতিভূ সকলৰ বিষয়ে চিন্তা কৰিব প্ৰায় এৰিয়েই দিছে। তাৰ এতিয়া প্ৰধান কাম হৈছে—ককাৰ অনুপস্থিতি কোনো প্ৰকাৰে অনুভৱ নকৰাকৈ ৰংপুৰীয়া ৰাইজক ঐক্যবদ্ধ কৰি উচিত পথেৰে খোজকঢ়া। তদুপৰি ধন বিলাসেতো নিজেই স্বীকাৰ কৰিছে—ৰংপুৰীয়া ৰাইজৰ কাৰ্যবিধিত দেৱতাসকল পৰম সন্তুষ্ট। এতিয়া মানৱ বিকাশৰ সোঁহাত স্বৰূপ হৈ কাম কৰে আনন্দ প্ৰকাশ আৰু ধ্যানৰাজে। দুয়ো-জনে চফল ডেকা যদিও—সিহঁত ৰংপুৰৰ সকলোৰে প্ৰিয়পাত্ৰ। ৰংপুৰৰ অতীতৰ ইতিহাস ৰোমন্থন কৰোঁতাও এতিয়া সিহঁত তিনিজনহে মাথোন। অতি নিষ্ঠা সহকাৰে সিহঁতে বৰ্ত্তমানৰ ইতিহাসো আলোচনা কৰে।

•

মহান স্বৰূপ কুমাৰ আৰু আন অভিযাত্ৰীসকলৰ দেৱত্ব প্ৰাপ্তিৰ

ঠিক আঠ বছৰ পিছৰ আনন্দমেলাৰে পৰা অতি মৃদুভাৱে ৰংপুৰৰ ইতিহাসে পুনৰ গতি পৰিবৰ্তন কৰিলে।

মেলাৰ তৃতীয় দিনাখন ধন বিলাসে প্ৰস্তাৱ দিলে—তেওঁলোকৰ যিহেতু ৰংপুৰীয়া বাইজৰ লগত অবিচ্ছিন্ন সম্পৰ্ক,—তেওঁলোকে তেনে-স্থলত প্ৰতিবছৰে আলহীৰ দৰে আহি ৰংপুৰৰ দেৱমন্দিৰৰ ওচৰত অস্থায়ীভাৱে নিৰ্মিত ঘৰত বাস কৰাটো অযুক্তিকৰ। গতিকে দেৱ-মন্দিৰৰ ওচৰতে উত্তৰা দক্ষিণাকৈ দেৱপ্ৰতিভূসকলৰ স্থায়ী গৃহ এটি নিৰ্মাণ কৰা উচিত।

ধন বিলাসহঁতৰ দেহত প্ৰৱাহিত হোৱা দেৱৰক্তৰ বিষয়ে পৰিজ্ঞাত হোৱাৰ পিছত তেওঁলোকে কৰিব খোজা কোনো কামতেই ৰংপুৰীয়া বাইজে আপত্তি কৰা নাই। সেইবাৰো নকৰিলে। যাত্ৰাৰ আগ-মুহূৰ্তত দেৱপ্ৰতিভূসকলে নতুনকৈ নিৰ্মাণ কৰিব খোজা বাসগৃহটিৰ স্থান নিৰ্বাচন কৰি, কি আহিলে সজা হ'ব সেই বিষয়ে বৃত্তান্ত কৈ যথা স্থানতে দান কৰিলে।

পিছৰ বছৰৰ আনন্দমেলাৰ ঠিক আগে আগে বাসগৃহটিৰ নিৰ্মাণ কাৰ্য সমাধা কৰা হ'ল।

সেই সময়ৰে পৰা ৰংপুৰৰ কিছু সংখ্যক মানুহক চিন্তা ৰোগেও আক্ৰমণ কৰিলে। দেৱবৃন্দ আৰু দেৱপ্ৰতিভূসকল ৰংপুৰৰ জনগণৰ পৰা আঁতৰত থকা বাবেই নেকি ধন বিলাসে কোনো কথাবাৰ্তা বিনা বাক্যব্যয়ে মানি লোৱা মনৰ বিকাশতহে—দেৱমন্দিৰৰ নিচেই কাষতে দেৱপ্ৰতিভূসকলৰ বাসগৃহটি নিৰ্মাণ কৰি, গধূলি দেখি থকা বাবে সমগ্ৰ বিষয়টো ভুলাচৰ্নাত উঠিল। সাধাৰণ এটি মানুহে যাৰে দেখ দেখকৈ ৰংপুৰীয়া বাইজক তৃতীয় স্তৰলৈ অৱনমিত কৰিলে এই কথাটো ভালে কেইজনৰ মনে আগতেই স্বীকাৰ কৰি লোৱা নাছিল যদিও ঘৰটিয়ে সেই পৰম সত্যটিৰ জেউতি চৰালে। ৰংপুৰৰ ইতিহাসেও প্ৰকাশ্যভাৱে সোঁচৰৰ বাটত প্ৰথম পদক্ষেপ পেলালে। ৰংপুৰ ৰকাৰ কাৰ্যাবিধি সম্বন্ধে আলোচনাৰ বিষয়বস্তু হৈ পৰিল সিহঁতৰ।

ইয়াৰ পিছতো দুই-তিনি বছৰমান তেনেকৈয়ে পাৰ হ'ল। দেৱপ্ৰতিভূসকলে বিভিন্ন বিষয়ত ব্যক্ত কৰা কথাবোৰৰ ক্ষেত্ৰত নীৰৱ শ্ৰোতা আৰু কৰ্মীৰ ভূমিকাই পালন কৰি আছিল ৰংপুৰীয়া ৰাইজে। কিন্তু হঠাতে এদিনাখন সিহঁতৰ সেই ভূমিকাৰ অন্ত পৰিল। আনন্দ প্ৰকাশে অন্ত পেলালে। ৰংপুৰৰ 'আনন্দৰ অনন্ত নিজৰা' আনন্দ প্ৰকাশৰ লগত ৰংপুৰবাসী আৰু দেৱপ্ৰতিভূসকলৰ নতুনকৈ চিনাকি হ'ল।

নতুন ৰংপুৰ স্থাপন কৰিবৰ পাছৰে পৰা দেৱপ্ৰতিভূ ধন বিলাসে ৰংপুৰৰ কোনো এখন আনন্দমেলাতে অনুপস্থিত নাছিল। দেৱপ্ৰতিভূসকলৰ মুখপাত্ৰ তেওঁ। সেই ধন বিলাসৰে চকুত চকু থৈ আনন্দ প্ৰকাশে পুনৰ এবাৰৰ বাবে জানিবলৈ বিচাৰিলে - মহান স্বৰূপ কুমাৰ, তেওঁৰ সঙ্গীবৃন্দৰ দেৱত্ব প্ৰাপ্তি তথা দেৱপ্ৰতিভূসকলৰ নতুন ৰংপুৰ স্থাপনৰ ইতি বৃত্তান্ত।

হঠাতে এনে ধৰণৰ প্ৰশ্ন এটাৰ অৱতাৰণা হোৱা কাৰণে স্তম্ভিত হৈ পৰিল ধন বিলাস। কিয় জানো, মনে মনে ভয়ো খালে তেওঁ। ইমান দিনৰ পাছত হঠাতে পুনৰবাৰ যে এই প্ৰশ্নটি উত্থাপিত হ'ব পাৰে—তেওঁ কল্পনাই কৰা নাছিল। ইয়াৰ প্ৰকৃত কাৰণো তেওঁ ভাবি উলিয়াব নোৱাৰিলে। আনন্দ প্ৰকাশৰ অতীত চৰিত্ৰৰ লগত বিশেষভাৱে পৰিচিত ধন বিলাসে কিন্তু এনে নিৰ্বিকাৰ ভাব দেখুৱালে যে তেওঁ সঁচাকৈয়ে ভাবি লৈছে—ৰংপুৰীয়া ৰাইজে এই কাহিনীটো পাহৰি গৈ পিছত গুৰুত্ব উপলব্ধি কৰি পুনৰ মনত পেলাবলৈ যত্ন কৰিছে। তেওঁ আদিৰে পৰা অন্তলৈকে কাহিনীটো পুনৰ বৰ্ণনা কৰিলে।

ধন বিলাসৰ কথাৰ শেষ পৰাৰ লগে লগে মানৱ বিকাশে প্ৰশ্ন কৰিলে, 'তেনেহলে ধ্যানবাক্স আৰু ভাব মাক বাক দেৱকন্যাক কৈদৰ লোক নেকি? সিহঁত দুজনেওতো নতুন ৰংপুৰ গঢ়কি আহিছে।'

এইবাৰ ধন বিলাস বিপদত পৰিল। এইটো তেওঁৰ বাবে সম্পূর্ণ অপ্রত্যাশিত প্রশ্ন। তেওঁ ৰাইজৰ কৌতুহল কেনেধৰণে নিৰাময় কৰা উচিত হ'ব ভাৱি-চিন্তি তাৰ কোনো উৱাদিহ নাপালে। এই বিশেষ প্রশ্নটি এবাৰৰ বাবেও তেওঁলোকৰ মনত উদয় হোৱা নাছিল। আনকি মহান স্বৰূপ কুমাৰ, অন্যান্য দেৱতাসকলৰ পৰাও এই বিষয়ে তেওঁলোকে কোনো নির্দেশ পোৱা নাই।

কিন্তু ধন বিলাসে বুজি পালে—মানৱ বিকাশৰ এই প্রশ্নটিৰ গ্রহণযোগ্য উত্তৰ দিব নোৱাৰিলে—ৰংপুৰীয়া ৰাইজৰ ওচৰত তেওঁলোক হেয় প্রতিপন্ন হ'ব। ভাৱি-চিন্তি তেওঁ উত্তৰ দিলে, 'ধ্যানৰাজ আৰু তাৰ মাক যে দেৱৰক্ত ধাৰণকাৰী হয়—এই বিষয়ে সন্দেহৰ কোনো অৱকাশ নাই। সেইবাবে নতুন ৰংপুৰলৈ যাবৰ দিনাখন আমি দুয়োজনকে লগতে লৈ যাব খুজিছিলো।' ধন বিলাসে ধ্যানৰাজক তাৰ মাকৰ লগত তেওঁলোকৰ লগতে নতুন ৰংপুৰলৈ যাবৰ কাৰণে উপদেশ দিলে।

ৰংপুৰীয়া ৰাইজৰ মুখবোৰ পৰ্যবেক্ষণ কৰি দেৱপ্রতিভূ সকলে কিন্তু বুজি পালে ধন বিলাসৰ উত্তৰত সিহঁত সন্তুষ্ট নহয়। আনন্দ প্রকাশে এইবাৰ ধন বিলাসক প্রশ্ন কৰিলে, 'ধ্যানৰাজ আৰু তাৰ মাক যদি দেৱ কন্যাৰ ফৈদৰ লোক হয়—বিদ্যুৎ চঞ্চল তেনেহলে কিয় নহব? নতুন ৰংপুৰ নৌপাওতেই কিয় তাৰ মৃত্যু হ'ল?

আনন্দ প্রকাশৰ এই প্রশ্নটিৰ যথোচিত উত্তৰ কি হ'ব পাৰে —দেৱপ্রতিভূসকলৰ ধাৰণাৰো বাহিৰত। তেওঁলোকে এই পৰিস্থিতিৰ পৰা কেনেদৰে পৰিত্রাণ পায় তাৰে উপায় চিন্তা কৰি নীৰৱে থাকিল। তেওঁলোকৰ পৰা উপযুক্ত উত্তৰ নাপাই মানৱ বিকাশইতো চিন্তাত পৰিল। ভালেমান দিন আগতে ধ্যানৰাজে এই বিশেষ চিন্তাটি সিহঁতৰ মগজুত সুমুৱাই দিছিল যদিও সিহঁতে এই বিষয়টি লৈ দেৱপ্রতিভূসকলে ইমান অস্বস্তিত পৰিব পাৰে

বুলি চিন্তা কৰা নাছিল। ধন বিলাসেনো এই বিষয়ে কি কয় শুনিবলৈ সিহঁত উৎকৰ্ণ হৈ থাকিল।

ধন বিলাসো ইমান সহজতে হাৰমনা বিধৰ লোক নহয়। গতিকে উভয়কূল বজাই ৰাখি, যথেষ্ট সচেতনতা অৱলম্বন কৰি তেওঁ তেওঁৰ মতামত দাঙি ধৰিলে। 'এইটো নিশ্চয় অতি গুৰুত্বপূৰ্ণ বিষয়। গতিকে গভীৰভাৱে চিন্তা নকৰাকৈ কি কোনো সিদ্ধান্তত উপনীত হোৱা আমাৰ বাবে উচিত নহ'ব। আমাৰ পথ প্ৰদৰ্শনকাৰী মহান দেৱতা সকলে এই বিষয়ে নিশ্চয় চিন্তা কৰিছে। তেওঁলোকৰ লগত যোগাযোগ স্থাপন কৰি আমি অতিশীঘ্ৰে এই প্ৰশ্নৰ সমাধান কৰিম। সেই সময়লৈকে আমি যেনেদৰে চলিছো তেনেদৰে চলি থকাটোৱে বাঞ্ছনীয়। দেৱৰক্ত বহনকাৰী হলেও এই প্ৰশ্নৰ উত্তৰ যোনপটীয়াকৈ আমি প্ৰদান কৰা উচিত নহব। ইয়াৰ সুমীমাংসা এটি নোহোৱালৈকে ধ্যানৰাজ্যইত সম্প্ৰতি বংপুৰা নই থাকক।

ধন বিলাসে মেল ভঙ্গ কৰাৰ ইঙ্গিত দিলে। দেৱপ্ৰতিভূসকলৰ বাবে নিৰ্মিত বাস গৃহটিত প্ৰথম বাৰৰ বাবে এই মেল বহিছিল। সকলোৱে আৰাধ্য দেৱতা সকলৰ উদ্দেশ্যে প্ৰণিপাত জনাবলৈ ওচৰৰ দেৱ মন্দিৰটোলৈ খোজ ললে।

ঘৰলৈ যাৱৰ সময়ত ধ্যানৰাজে ধনবিলাসক মাথোন কলে—তেওঁলোকে যেন যিমান সোনকালে পাৰে সিমান সোনকালে এই প্ৰশ্নটিৰ যথোচিত উত্তৰ এটি দিয়ে। কাৰণ সি আৰু শাৰ মাক যদি দেৱ কন্যাৰ কৈদৰ হয—তেনেহলে বংপুৰ কৰা. তেওঁৰ ভাই ভগিনী সকলৰ ক্ষেত্ৰতো একেই কথা প্ৰযোজ্য হ'ব। 'বংপুৰ কৰাৰ ভতিজা ল'ৰা আছিল বিদ্যুৎ চঞ্চল।'

ওচৰতে থকা মানৱ বিকাশ আৰু আনন্দ প্ৰকাশৰ পিনে চাই ধন বিলাসৰ ভাৱ হ'ল—'এই প্ৰশ্নটিৰ গ্ৰহণযোগ্য সমাধান এটি সোনকালে কৰিব নোৱাৰিলে—বংপুৰত তেওঁলোকৰ স্থান সংচাকৈয়ে অৱনমিত হ'ব।'

: 'কথাবিলাক মই হালে বৰ বাক পোৱা নাই।' —দেৱমন্দিৰ এৰি আহোঁতে ৰাস্তাত চন্দ্ৰকান্তে মন্তব্য কৰিলে।

: 'দেৱপ্ৰতিভূ সকলে দেৱবক্ত বহনকাৰী। তেনেস্থলত এই সাধাৰণ প্ৰশ্নটিৰ উত্তৰ তেওঁলোকে কিয় দিব নোৱাৰিলে?' আনন্দ পকাশে মানৱ বিকাশক প্ৰশ্ন কৰিলে।

: 'ময়ো তাকেই ভাবিছো। এই কথাটিতো ৰংপুৰ সমাজ বিভাজন হৈ যোৱা সময়তে নিষ্পত্তি হব'লগীয়া কথা।'—মানৱ বিকাশে মন্তব্য কৰিলে।

: 'তুইঁতে এটা কথা মন কৰিছনে—; দেৱপ্ৰতিভূ সকলে আজি ইমান বছৰে আমাৰ আগত মাথোন দেৱতা সকলৰ হে গুণানুকীৰ্ত্তন কৰি আহিছে। খেতিবাতিৰ বিষয়ে কোনো নিৰ্দ্দেশ দিয়া নাই; আনকি অধিক পোহবৰ কথাও ঘুণাক্ষৰে উল্লেখ কৰা নাই।'

: 'তেলে তেলে নিশ্চয় তেওঁলোকে কিবা পৰিকল্পনা হাতত লৈছে। আমাক জানিবলৈকে দিয়া নাই।'

: 'এৰা আমিনো জানি কি কৰিম! আমাৰ সকলো দায়িত্ব দেখোন তেওঁলোকে লৈছেই।'—সৰলভাৱে মন্তব্য কৰিলে ভোলানাথে।

: 'হৈমৱতীৰ কথা এতিয়াও তেওঁলোকৰ মুখেৰে ওলোৱা নাই; তাইতো স্বয়ং দেৱতাৰে সন্তান।'—এইবাৰ আনন্দ প্ৰকাশে মাত লগালে।

এইটো কথা বহুতে চিন্তাই কৰা নাছিল। সিহঁতৰ চিন্তাত আউল লাগিল। ইয়াৰ পিছত সিহঁতৰ মাজত আৰু কোনো কথা আলোচিত নহ'ল। ইমান দিনে বুজি অহা কথাবোৰো সিহঁতৰ মানত অবোধ্য যেন ভাৱ হ'ল। ভয়ঙ্কৰ গম্ভীৰভাৱে সিহঁতৰ লগতে খোজ মিলাই অহা মানৱ বিকাশক সকলোৱে লক্ষ্য কৰি আহিল। ৰংপুৰ ককাৰ মৃত্যুৰ পাছত মানৱ বিকাশেই আজি কালি সিহঁতৰ দিহা ভৰসাৰ থল।

*

ৰংপুৰ ককাৰ মৃত্যুৰ পিছতো হৈমৱতী, ধ্যানৰাজ আৰু তাৰ মাকে ককাৰ ঘৰতে থাকিবলৈ লৈছিল। ককাৰ স্মৃতিচাৰণ কৰিবলৈকে হ'বলা, নাইবা পূৰ্বৰ অভ্যাস এৰিব নোৱাৰি সময়ে অসময়ে এতিয়াও ৰংপুৰৰ ভালেমান মানুহ তেওঁৰ চোতালত উপস্থিত হয়হি। খেতি-বাতিৰ সম্পৰ্কে হোৱা আলোচনা বিলাক ককাৰ চোতালতে হয়। ধ্যান-ৰাজ এতিয়া মানৱ বিকাশৰ অন্যতম শিষ্য। বয়সত কিছু সৰু হলেও সি আনন্দ প্ৰকাশৰো মহৎ বন্ধু। 'ৰংপুৰ ককাৰ ভালেমান গুণ ধ্যান-ৰাজৰ গাত আছে', মানৱ বিকাশে কেতিয়াবা ভাবে। আনন্দ প্ৰকাশৰ লগত যোৰ পাতি হৈমৱতীয়ে এতিয়া তাৰ ঘৰতে পিতাপি লৈছে। কিন্তু আজৰি পৰৰ বেছিভাগ সময় তাই ধ্যানৰাজৰ মাকৰ লগতে থাকে।

এদিনাখন মানৱ বিকাশে ধ্যানৰাজ আৰু আনন্দ প্ৰকাশৰ লগত পোহৰ বিচাৰি কৰা অভিযানৰ বিষয়ে আলোচনা কৰি থাকোঁতে—ধন বিলাসৰ কথাৰ সূত্ৰ ধৰি এই কথাটো ওলাল। নতুন ৰংপুৰ গঢ়কা প্ৰত্যেকজন মানুহেই যদি দেৱৰ গুণ বহনকাৰী—দেৱকন্যাৰ ফৈদৰ লোক হয় তেনেহলে ধ্যানৰাজ আৰু তাৰ মাকেই বা নহ'ব কিয়? ইকাণ সিকাণ কৰি কথাটো—ৰংপুৰৰ ভালেমান মানুহৰে চিন্তাৰ বিষয় হৈ পৰিল। দেৱবৃন্দ আৰু দেৱপ্ৰতিভূ সকলে ৰংপুৰ এৰি যোৱাৰ পিছৰে পৰা—কষ্টৰ পৰিমাণ বাঢ়িলেও খেতি কিন্তু সিহঁতৰ কোনো বছৰেই বেয়া হোৱা নাই। সেইবাবে সাধাৰণ মানুহজাকে কথাটোৰ যিকোনো নিষ্পত্তি এটা হোৱাটোৱে কামনা কৰিলে। কিন্তু আনন্দ, মানৱ বিকাশৰ লেখীয়া মানুবোৰক বিষয়টিয়ে চিন্তাৰ খোৰাক যোগালে। ধন বিলাসে মেজৰ দিনাখন উচিত উত্তৰ দিব নোৱাৰোতে বাইজেও ভাবিবলৈ বাধ্য হ'ল—কথাটো সিমান সহজ বুলি ভৱা

হৈছিল সিমান নহয় : —ইয়াৰ মাজত নিশ্চয় কিবা এটা গূঢ় ৰহস্য সোমাই আছে। এই ৰহস্যৰ সমাধান বিচাৰি সিহঁতে সম্পূৰ্ণ এটা বছৰ অপেক্ষা কৰিবলগীয়াত পৰিল।

পিছৰ বছৰৰ আনন্দমেলাত দেৱতাসকলৰ পৰা উপযুক্ত সন্নিধান লৈ দেৱপ্ৰতিভূসকলৰ দল এটিয়ে ৰংপুৰত পদাৰ্পণ কৰিলে। আনন্দ মেলাৰ প্ৰথম দিনাখন দেৱমন্দিৰত অনুষ্ঠিত হোৱা নাম-কীৰ্ত্তনৰ অন্ত পৰাত ৰংপুৰীয়া ৰাইজে যেতিয়া আৰাধ্য দেৱতাসকলক প্ৰণিপাত কৰি যাবলৈ ওলাল — তেতিয়াই ধন বিলাসে—দেৱবৃন্দই ৰংপুৰীয়া ৰাইজৰ উদ্দেশ্যে প্ৰস্তুত কৰা নিৰ্দেশনামা সিহঁতক অৱগত কৰিলে।

ধন বিলাসৰ কথা হ'ল যে—তেওঁলোকে যোৱা বছৰৰ মেলত উত্থাপিত প্ৰশ্নটিৰ উত্তৰ সেইদিনাখনেই দিব পাৰিলেহেঁতেন। কিন্তু দেৱবৃন্দৰ অজ্ঞাতে কোনো কাম কৰা উচিত নহয় বুলি ভাবিয়েই সেই-দিনাখন তেওঁলোকে উত্তৰ দিয়াৰ পৰা বিৰত থাকিল। যথাসময়ত তেওঁলোকে উপযুক্ত নিৰ্দেশ লাভ কৰিছে।

'ধ্যানৰাজ আৰু তাৰ মাক যে দেৱৰক্ত বহনকাৰী —সেইকথা মহান স্বৰূপ কুমাৰে আদিতেই বুজিব পাৰিছিল। কিন্তু শুভক্ষণ এটিৰ বাবে অপেক্ষা কৰি তেওঁ ইমান দিনে কথাটো ব্যক্ত কৰাৰ পৰা বিৰত আছিল। আজি সেই শুভক্ষণ সমুপস্থিত। দেৱবৃন্দৰ ইচ্ছা —ৰংপুৰীয়া ৰাইজক শৃঙ্খলাবদ্ধভাৱে পৰিচালিত কৰিবলৈ দেৱকন্যাৰ ফৈদৰ প্ৰতিনিধি এজনে ৰংপুৰত বাস কৰা উচিত। ধ্যানৰাজ হ'ল —সেইজন প্ৰতিনিধি। বয়সত নবীন যদিও — ধ্যানৰাজৰ কথামতে এতিয়াৰে পৰা ৰংপুৰীয়া ৰাইজ চলিব লাগিব। ধ্যানৰাজ আৰু তাৰ মাকৰ স্থান ৰংপুৰৰ সাধাৰণ মানুহতকৈ ওপৰত কাৰণে দুয়োজনে দেৱ-প্ৰতিভূসকলৰ বাবে নিৰ্মিত বাসগৃহটিত বসবাস কৰাৰ অধিকাৰ অৰ্জন কৰিলে।

ৰংপুৰীয়া ৰাইজে যথাৰ্থত এইবাৰো আনন্দমেলা উপভোগ কৰিব

নোৱাৰিলে। উৎসাহ-উদ্দীপনা বিহীন মানুহবোৰে মাথোন দেৱবোৰৰ পৰা হাত সাৰিবলৈকেহে আনন্দমেলাত যোগদান কৰিলে।

কথাটো অৱশ্যে দেৱপ্ৰতিভূ সকলেও লক্ষ্য নকৰাকৈ নাথাকিল। তেওঁলোকে বুজি পালে—মুখ ফুটাই একো নকলেও মানুহবোৰে তেওঁলোকৰ কথাবোৰ অন্তঃকৰণেৰে সৈতে মানি ল'বলৈ টান পাইছে। দেখাত তেওঁলোকো নিৰ্লিপ্ত হৈয়েই থাকিল, —ভিতৰি ভিতৰি কিন্তু প্ৰত্যেকজন লোকেই চিন্তা কৰিলে—মেলাৰ শেষ দিনাখনৰ ৰাজহুৱা মেলত মানৱ বিকাশহঁতে বাৰু কেনেধৰণৰ প্ৰশ্ন উত্থাপন কৰিব পাৰে।

কিন্তু তেওঁলোকে শঙ্কা কৰাৰ দৰে কোনো ধৰণৰ পৰিস্থিতিৰ উদ্ভৱ নহ'ল সেইদিনাখন। বৰং তেওঁলোকৰ অহেতুক নীৰৱতাৰ বাবেহে দেৱপ্ৰতিভূসকলে অস্বস্তিকৰ পৰিবেশ এটিৰ সন্মুখীন হ'ল। অগত্যা উপায় নাপাই ধন বিলাসেই পুনৰ আগৰ প্ৰসঙ্গটোৰ অৱতাৰণা কৰিলে। ৰংপুৰীয়া ৰাইজক শুদ্ধ পথেৰে পৰিচালিত কৰিবলৈ দেৱকন্যাৰ ফৈদৰ দেৱপ্ৰতিভূ একন যে ৰংপুৰত থকা বাঞ্ছনীয় সেই কথাটো পুনৰ উল্লেখ কৰি তেওঁ ৰংপুৰ ককাৰ বিষয়ে ক'বলৈ আৰম্ভ কৰিলে। 'ৰংপুৰ ককা যে সঁচাকৈয়ে দেৱকন্যাৰ ফৈদৰ লোক আছিল সেই-বিষয়ে আমি নিঃসন্দেহ। কিন্তু ককা আছিল পোহৰ বিচাৰি যোৱাৰ ঘোৰ বিৰোধী। গতিকে পৰোক্ষভাৱে হলেও দেৱতাক অৱমাননা কৰাৰ ফলত ককাৰ শৰীৰত প্ৰৱাহিত হোৱা দেৱৰক্তৰ বিনাশ ঘটিছিল। আনকি যি সকলে মহান স্বৰূপ কুমাৰৰ নেতৃত্বত পোহৰ বিচাৰি যোৱা অভিযানত অংশ গ্ৰহণ নকৰিলে—মহান দেৱতা বিজয়কৃষ্ণৰ ছোৱালী হৈমৱতীৰ দৰে সিহঁতৰ কাবোবাৰ দেহত যদি দেৱৰক্ত প্ৰৱাহিত হৈছিলো —তেনেহ'লে সিহঁতৰো ককাৰ দশাই ঘটিল। কিন্তু অজানিতভাৱে কৰা দোষ বাবে মহান দেৱতাবৃন্দই তেওঁলোকক ক্ষমা কৰি দিছে। গতিকে ভৱিষ্যতে ৰংপুৰীয়া ৰাইজ যেন দেৱতাৰ বিৰাগ ভাজন নহয় —এতিয়া সেই চেষ্টা কৰাহে উচিত।

বিদ্যুৎ চঞ্চলৰ মৃত্যু সম্পৰ্কে ধন বিলাসে ক'লে, —বিদ্যুৎ চঞ্চলৰ মৃত্যুও আমাৰ আৰাধ্য দেৱতাসকলৰ এক বিশেষ ইচ্ছাৰ ফলতেই সংঘটিত হৈছে। দেৱৰক্ষ বহনকাৰী হলেও বিদ্যুৎ চঞ্চল আছিল অতিশয় চঞ্চল মতিৰ। আৰাধ্য দেৱতাসকলৰ এইটো কাম্য নহয় যে—চঞ্চল মতিৰ লোক এজনে ৰংপুৰত দেৱপ্ৰতিভূসকলৰ প্ৰতিনিধিত্ব কৰক। কিন্তু ধ্যানৰাজ কোমল বয়সৰ হলেও বাপেকৰ সম্পূৰ্ণ বিপৰীত চৰিত্ৰৰ অধিকাৰী। সেইবাবে ধ্যানৰাজহে দেৱতাসকলৰ বাছনিত উঠিল। বিদ্যুৎ চঞ্চলৰ মৃত্যু সম্পৰ্কে পূৰ্বতে যিটো কাহিনী কোৱা হৈছিল সেইটো মাথোন দেৱতাসকলৰ শ্ৰেষ্ঠতা সকলো দিশতে প্ৰতিপন্ন কৰিবলৈকেহে। এতিয়া যিহেতু ৰংপুৰীয়া ৰাইজ আৰাধ্য দেৱতাসকলৰ শ্ৰেষ্ঠতা আৰু ক্ষমতা সম্বন্ধে বিশেষভাৱে সচেতন,—তেনেস্থলত প্ৰকৃত সত্য প্ৰকাশ কৰাত আৰু কোনো বাধা নাই।'

ৰংপুৰীয়া ৰাইজে ধন বিলাসৰ বক্তব্যৰ কোনো দ্বিৰুক্তি নকৰিলে। মাথোন ৰংপুৰৰ চিন্তাশীল, সচেতন ব্যক্তি কেইজনে মনে মনে চিন্তা কৰিলে—'উদ্দেশ্য সিদ্ধিৰ বাবে কেতিয়াবা দেৱতাসকলেও মিছা, ছলনাৰ আশ্ৰয় লয়।' প্ৰকাশ্যভাৱে সিহঁতে সেইদিনাখন আলোচনাৰ পৰা বিৰত থাকিল।

ধন বিলাসৰ কথাখিনি কিন্তু ৰংপুৰীয়া ৰাইজে কোনোপধ্যে মনৰ পৰা আঁতৰ কৰিব নোৱাৰিলে। আনন্দমেলাৰ যৱনিকা পৰাৰ পিছ দিনাখনৰে পৰা সিহঁতে ধ্যানৰাজ আৰু তাৰ মাকক দেৱপ্ৰতিভূ-সকলৰ বাবে নিৰ্মিত ঘৰটিলৈ যাবৰ কাৰণে খাটনি ধৰিবলৈ আৰম্ভ কৰিলে। ধ্যানৰাজ কিন্তু মান্তি নহ'ল। আনকি মানৱ বিকাশ আৰু আনন্দ প্ৰকাশৰ অনুৰোধো সি উপেক্ষা কৰিলে। 'দেৱপ্ৰতিভূসকলৰ প্ৰতিনিধিত্ব কৰিবলৈ সি কোনোপধ্যে সন্মত নহয়, লাগিলে দেৱতাৰ শাওপাতকেই লাগক।'

নিৰুপায় হৈ সিহঁতে ধ্যানৰাজৰ মাকক খাটনি ধৰিলে—তাক

বুজাই-বঢাই সৈমান কৰাই ছুয়োজনে দেৱপ্ৰভূতিসকলৰ ঘৰটিলৈ যাব লাগে।

ধ্যানৰাজৰ মাকে মনযোগ সহকাৰে ৰাইজৰ কথাখিনি শুনিলে। আনন্দমেলাৰ প্ৰথম দিনাখনে তাই ধন বিলাসৰ বক্তব্য নিজ কাণে শুনিছিল। শেষ দিনাখনৰ কথাবোৰো ধ্যানৰাজৰ মুখে শুনা হৈ গৈছে। ধ্যানৰাজৰ মাকে কিছুসময় নীৰৱে চিন্তা কৰিলে, তাৰ পিছত লাহে লাহে ক'লে, 'ধন বিলাসে কোৱা কথাবোৰ যদি সত্য হয় তেনেহলে আৰাধ্য দেৱতাসকলে বাপেকক মৃত্যুদণ্ড নিবিহাকৈয়ো পুতেকক প্ৰতিনিধি হিচাপে বৰণ কৰিব পাৰিলেহেঁতেন। দেৱবৃন্দৰ ইচ্ছাৰ বিৰুদ্ধে মোৰ কবলগীয়া একো নাই। কিন্তু বংপুৰ ককাইতো কোনো দিনে পোহৰ বিচাৰি যোৱাৰ বিৰোধিতা কৰা নাছিল,– তেওঁ মাথোন উপযুক্ত ক্ষণলৈ অপেক্ষাহে কৰিব কৈছিল। সেই দোষৰ বাবেই যদি ককাৰ দেৱত্ব লোপ পায় তেনেহলে তেনেকুৱা দেৱপ্ৰভূতি-সকলৰ প্ৰতিনিধিত্ব কৰিবলৈ মই ধ্যানৰাজক দিব নোৱাৰো। দেৱ-প্ৰতিভূসকলে কোৱাৰ দৰে আমাৰ শৰীৰত যদি দেৱৰক্ত আছে— তেনেহলে সেই ৰক্ত বিনষ্ট হোৱাটোকে মই বিচাৰো। বংপুৰীয় ৰাইজৰ লগত মিলাপ্ৰীতিৰে থাকিব পৰাটোৱে আমাৰ বাবে পৰম সৌভাগ্য।'

সিহঁতক আৰু কোনোৱে খাটনি নধৰিলে। 'পোনপ্ৰথমবাৰৰ বাবে বংপুৰৰ ইতিহাসত তিৰোতা মানুহৰ মতবাদে গুৰুত্ব লাভ কৰিলে।' ইয়াৰ পিছৰ বছৰতে মানৱ বিকাশহঁতে ধ্যানৰাজৰ যোৰ পাতি দিলে।

দেৱবৃন্দৰ বংপুৰৰ পৰা প্ৰস্থান আৰু নতুন বংপুৰ স্থাপনৰ ঘটনাটি ঘটিবৰ কুৰি বছৰ পূৰ হ'ল। আনকি ধন বিলাসে ধ্যান-ৰাজ আৰু তাৰ মাকৰ শৰীৰত প্ৰৱাহিত হোৱা দেৱৰক্তৰ বিষয়ে

ঘোষণা কৰি ধ্যানৰাজক দেৱপ্ৰতিভূসকলৰ ৰংপুৰস্থ প্ৰতিনিধি হিচাপে কাম কৰিবলৈ নিৰ্দ্দেশ দিয়াৰো দহ বছৰ অতিবাহিত হৈ গ'ল। এই কুৰি বছৰৰ ভিতৰত জনসংখ্যা কিছু বৃদ্ধি হোৱাৰ বাহিৰে ৰংপুৰত আন কোনো বিশেষ ধৰণৰ পৰিবৰ্ত্তন পৰিলক্ষিত নহ'ল। মানুহ বিলাকৰ মাথোন বয়স বাঢ়িল। ককাৰ মৃত্যুৰ দিনাখন ৰোপণ কৰা আঁহতৰ পুলিটো এজোপা গছলৈ ৰূপান্তৰিত হ'ল। হিচাপতকৈ বেছি বঢ়া হ'ল মানৰ বিকাশ।

ধ্যানৰাজ আৰু তাৰ মাকে দেৱপ্ৰতিভূসকলৰ বাবে নিৰ্মাণ কৰা ঘৰটিলৈ দেৱপ্ৰতিনিধি হিচাপে যাবলৈ অমান্তি হোৱা কথাটো ৰংপুৰৰ প্ৰায় ভাগ মানুহেই এতিয়া পাহৰিছে। দেৱপ্ৰতিভূসকলেও এই দহ বছৰত এবাৰৰ বাবে হ'লেও সেই বিশেষ কথাটিৰ সম্ভেদ লোৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাই। মাজে মাজে আজিকালি আনন্দ-মেলাৰ বাহিৰে আন সময়তো দুই চাৰিজন দেৱপ্ৰতিভূৱে ৰংপুৰ গচকি, ৰাইজক ধৰ্ম-তত্ব, নীতি-নিয়ম, দেৱ-নিৰ্দ্দেশনামা আদি শুনাই যায়হি। চাৰি পাঁচ বছৰ মান হ'ল— ধন বিলাস ৰংপুৰত অনুপস্থিত। তেওঁৰ ঠাইত পুতেক জন বিলাস আৰু আন দুই চাৰিজন দেৱ-প্ৰতিভূৱেও আজিকালি ৰংপুৰৰ মেলত আগভাগ লয়, ৰাইজৰ খোজ খবৰ লয়। মহান স্বৰূপ কুমাৰৰ বাহিৰেও বিষ্ণুকৃষ্ণ প্ৰভৃতি অন্য দেৱতাসকলৰ মাহাত্মৰ কথাও বিভিন্ন দেৱপ্ৰতিভূৰ মুখেৰে বিভিন্ন সময়ত ৰংপুৰীয়া ৰাইজৰ আগত প্ৰকাশিত হয়।

ৰংপুৰীয়া ৰাইজেও দেৱপ্ৰতিভূসকলৰ প্ৰতিটো কথাকে পৰম সত্য জ্ঞান কৰি সেইমতে কাম কৰি যায়। মহান স্বৰূপ কুমাৰৰ শ্ৰেষ্ঠত্ব ৰংপুৰৰ জন মানসত তথাপিও ম্লান হৈ যোৱা নাই। আনকি সিহঁতৰ পূৰ্ব্বৰ একমাত্ৰ আৰাধ্য দেৱতা— 'আচৰিত দেৱতা'জনৰ শ্ৰেষ্ঠত্বকে যেন মহান স্বৰূপ কুমাৰে ভাগলেখিনি ম্লান কৰি দিছে।

বিগত কুৰি বছৰৰ ভিতৰত এবছৰো খেতি বেয়া হোৱা নাই।

বানপানীয়ে প্ৰতি বছৰে বংপুৰ পথাৰত পলস পেলায়। কিন্তু বান-পানীৰ পিছৰ গৰাখহনীয়াত বংপুৰ পথাৰৰ বহু মাটি বছৰি বছৰি বংপুৰ নদীৰ বুকুত জাহ গৈ আছে। ফলত বংপুৰ নদীৰ আয়তন বাঢ়িছে। কিন্তু সীমিত জনসংখ্যা, আৰু ভাকবীয়া মাটিতো আগৰ সমানে ফচল পোৱা কাৰণে এই বিষয়ে কোনোৱে দ কৈ চিন্তা কৰা নাই। বৰং কম মাটিত খেতি কৰিবলগীয়া হোৱা বাবে মাজে সময়ে দুই এজনে আনন্দহে প্ৰকাশ কৰে। উৎপন্ন শইচৰ তিনি ভাগৰ দুই ভাগ দি দেৱবৃন্দ আৰু দেৱপ্ৰতিভূসকলক মাননি ধৰিবলৈ এতিয়ালৈকে সিহঁতৰ অকণো অসুবিধা হোৱা নাই। মাজতে শইচ বাহি হোৱাৰ কাৰণে সিহঁতে মাছ-মাংস আহৰণৰ ক্ষেত্ৰত আগৰ নীতি নিয়ম কিছু ঢিলাই দিছিল। কিন্তু জনসংখ্যা পুনৰ বৃদ্ধি হোৱালৈ লক্ষ্য কৰি মানৱ বিকাশহঁতে দুই বছৰমান আগৰে পৰা পুনৰ আগৰ নিয়মটিকেই প্ৰৱৰ্তন কৰিছে। ধান যিহেতু নষ্ট হৈ যোৱা শইচ নহয়—তেনেস্থলত আকালৰ দিনৰ বাবে বাহি হোৱা ধান জমা কৰি থোৱাই উত্তম উপায়। তদুপৰি দেৱপ্ৰতিভূসকলেও মাজে সময়ে শুকান মাছ-মাংসৰ জুতি লবলৈ বিচাৰে।

বংপুৰীয়া বাইজে বংপুৰ ককাৰ স্মৃতিও পৰম আন্তৰিকতাৰে মনত ৰাখিছে। মেলে-সৱাহে, খেতি বাতিৰ বিষয় লৈ নাইবা দেৱ বৃন্দৰ কথা আলোচনাৰ মাজলৈ আহিলেই সিহঁতৰ ককালৈ মনত পৰে। এই বিষয় বিলাক লৈ তেওঁ পূৰ্বতে দিয়া উপদেশবোৰ স্মৰণ কৰি সিহঁতে সেইমতে কাম কৰি যোৱাৰ চেষ্টা কৰে। ককাৰ মৃত্যুৰ সময়ৰ শিশুৰ জাকটি এতিয়া যৌৱনপ্ৰাপ্ত হ'ল। ৰিণিকি-ৰিণিকি মনত পৰা বংপুৰ ককা সিহঁতৰ বাবেও সুন্দৰ সপোন এটি যেন।

বংপুৰৰ বিগত কুৰি বছৰৰ খতিয়ান নিবিড় ভাৱে লক্ষ্য কৰি— ধনবিলাস আৰু অন্যান্য দেৱপ্ৰতিভূসকলৰ মুখে শুনা দেৱতাসকলৰ কথা-বোৰত—মানৱ বিকাশো এতিয়া সম্পূৰ্ণ ভাৱে পৰিতৃপ্ত হৈ গৈছে। মাথোন

ধ্যানৰাজক চকুৰ আগত দেখিলেহে তাৰ চিন্তাত কেণা লাগে। সাধাৰণ এটি কাৰ্যসিদ্ধিৰ বাবে দেৱতাই চলনাৰ আশ্ৰয় লোৱা কথাটো তাৰ মনে আজিলৈকে মানি ল'ব নোৱাৰিলে।

দেৱপ্ৰতিভূসকলে ৰংপুৰ ককাৰ বহু দোষ দেখা পালেও—মানৱ বিকাশে আদিৰ পৰা সেইবোৰ বিশ্বাস কৰিবলৈ টান পাই আহিছে। তাৰ মনৰ কথাৰ ভূ আনকি আনন্দ প্ৰকাশ আৰু ধ্যানৰাজেও পোৱা নাই। ককাৰ জীৱনৰ শেষ আনন্দমেলাৰ দিনাখন তেওঁ--ৰংপুৰীয়া ৰাইজে ভুগি থকা কি মানসিক বেমাৰৰ কথা কৈছিল তাৰ উৱাদিহ সি আজিলৈকে পোৱা নাই। ককাই শিকাই থৈ যোৱা ৰৰঢোল আৰু ৰৰতাল যোৰৰ আচৰিত ছেওটিৰ কথাও আজিকালি তাৰ প্ৰায়েই মনত নপৰে। মাথোন কেতিয়াবা কোনোবাটো আনন্দমেলাত দেৱপ্ৰতিভূসকলৰ কথা শুনি যতিয়া ঘৰলৈ আহি শোতেলিত পৰে—তেতিয়াহে তাৰ আচৰিত ছেওটিৰ কথা মনলৈ আহে। কিন্তু পিছ দিনাখন পুৱা পুনৰ পাহৰি যায় মাথোন ৰংপুৰ ককাই নিজৰ দেহৰ দেৱৰক্ত নিজৰ দোষতে বিনষ্ট কৰা বুলি যিদিনাখন ধনবিলাসে সমাজ আকাৰে ব্যক্ত কৰিলে- সেইদিনাখন ৰাতি ৰৰঢোল আৰু ৰৰ তালৰ বনৰীয়া ছেওটি ঘনে ঘনে মনলৈ আহি মানৱ বিকাশক এনে দৰে উত্তেজিত কৰিছিল যে—গোটেই ৰাতি সেইদিনাখন ঘৈণীয়েকে তাৰ পৰ দিবলগীয়াত পৰিছিল। ▭

[৩]

এনেদৰে আৰু পাঁচ বছৰমান অতিবাহিত হ'ল। অতি আচৰিত ভাৱে এই কেইবছৰৰ ভিতৰত ৰংপুৰৰ জন মানসত ৰংপুৰ ককাৰ গুৰুত্ব ভালেখিনি কমি গ'ল। দেৱপ্ৰতিভূসকলৰ অহৰহ বুজনিয়ে ৰংপুৰীয়া সমাজত আজিকালি যন্ত্ৰৰ দৰে কাম কৰে। তেওঁলোকৰ একমাত্ৰ অভিযোগ ৰংপুৰ ককাৰ বিৰুদ্ধে। ককাৰ মৃত্যুৰ ঘটনাটিও পুৰণি হ'ল। দুই চাৰিজন ৰংপুৰৰ মানুহে প্ৰকাশ্যভাৱে আজিকালি ককাৰ সমালোচনা কৰে। ৰাইজৰ মনোভাৱ বুজিব পাৰিয়েই — মানৱ বিকাশহঁতে মেলৰ মাজত যেতিয়াই তেতিয়াই মৃত ৰংপুৰ ককাক টানি আনিবলৈ সঙ্কোচবোধ কৰা হ'ল। নিচেই কম বয়সীয়া হলেও ধ্যানৰাজৰ পুতেক অৰূপ ৰতনে হঠাতে ৰংপুৰৰ ইতিহাসত এখন বিশিষ্ট আসন অধিকাৰ কৰি ৰহিল।

অৰূপ ৰতনৰ বয়স সেই সময়ত দহ কি এঘাৰ বছৰ মান হ'ব। ধনবিলাসৰ ডেকা পুতেক জন বিলাসে বাপেকৰ অনুপস্থিতিত আজি-কালি ৰংপুৰৰ কাম কাজত আগভাগ লয়। বয়সৰ তফাৎ বহু যদিও জন বিলাসৰ কেতিয়াবাৰে পৰা চকু অৰূপ ৰতনৰ ওপৰত, ৰংপুৰৰ আন মানুহবোৰতকৈ তাক অলপ বেছি চেনেহৰ চকুৰে চাই তেওঁ। এবাৰৰ আনন্দমেলাত জনবিলাসে অৰূপ ৰতনক প্ৰায় সকলো সময়তে নিজৰ লগত ৰাখিলে। আনকি আনন্দমেলাৰ শেষ দিনা খনো দুয়োজনে আন লোকসকলৰ পৰা নিলগত থাকি গোটেই দিনটো কথা পাতি থাকিল। দুয়োজনৰে আচাৰ-ব্যৱহাৰ সকলোৰে চকুত আচহুৱা যেন লাগিলেও—এই বিষয়ে কোনোৱে মন্তব্য নকৰিলে।

কিন্তু কোমল বয়সীয়া অৰূপ ৰতনৰ অন্তৰত চিন্তাজ্বৰে বাহ ললে। জনবিলাসৰ মুখৰ পৰাই সি পোনপ্ৰথম বাৰৰ বাবে গম পালে যে

তাৰ দেহতো দেৱকন্যাৰ কৈদৰ ৰক্ত প্ৰৱাহিত হৈ আছে, যি ৰক্তক বাপেক ধ্যানৰাজে আজিলৈকে কোনো মৰ্যাদা প্ৰদান কৰা নাই। এই কথাবোৰৰ আঁতিগুৰি একো বুজি নাপালেও সি কৌতুহলৰ বশৱৰ্ত্তী হৈ বাপেকক এই বিষয়ে প্ৰশ্নও কৰিছিল। কিন্তু কোনো সদুত্তৰ নাপালে। আনকি তাৰ মাক, আইতাকেও এই বিষয়ে তাক বহলাই কোৱাৰ প্ৰয়োজন বোধ নকৰিলে।

জনবিলাসৰ লগত হোৱা কথাবোৰ দিন বাগৰাৰ লগে লগে অৰূপ ৰতনে প্ৰায় পাহৰিয়েই গৈছিল। কিন্তু জনবিলাসে তাক পাহৰিব নিদিলে। দুই কি তিনি বছৰ পাছৰ আনন্দমেলাত জনবিলাসৰ লগত পুনৰ ঘনিষ্ঠভাৱে অৰূপ ৰতনৰ যোগাযোগ ঘটিল। জনবিলাসৰ লগত হলি-গলি কৰি কথা কৰলৈ প্ৰথমতে সি অলপ অস্বস্তি পাইছিল। কিন্তু কিশোৰ অৰূপ ৰতনৰ অন্তৰৰ দ্বিধাবোধ আঁতৰ কৰিবলৈ চতুৰ জনবিলাসৰ বেছি সময় নালাগিল।

আনন্দমেলাৰ তাকদীয়া দিন কেইটাৰ ভিতৰতে পুনৰ দুয়োজন বন্ধু হৈ পৰিল। আগৰ বাৰ ধ্যানৰাজে পুতেকৰ কথা-বাৰ্তাত বিশেষ গুৰুত্ব আৰোপ কৰা নাছিল। কিন্তু ইমান দিনৰ পিছত পুনৰ দুয়োজনক ইমান নিবিড়ভাৱে দেখি তাৰ মনটো কেনেবা কেনেবা লাগিল। কিন্তু কোনো উচ্চ বাচ্য নকৰি সি আনন্দ, মানৱ পিকাশ ঠৰ দৰে দেখিও নেদেখাৰ ভাও জুৰি থাকিল। সেইবাৰৰ আনন্দমেলাত অৰূপ ৰতনে অংশ গ্ৰহণ নকৰিলে; জনবিলাসৰ লগত ছাঁৰ দৰে লাগি থাকিল।

ধ্যানৰাজে মনে মনে অলপ ভয় খালেও—অৰূপ ৰতনে কিন্তু তেনেকুৱা কোনো কাম নকৰিলে। মাথোন সি চেই কম বয়সতে ল'ৰাজন গম্ভীৰ হৈ গ'ল। সি এনেয়ে মানুহবিলাকৰ নজৰত পৰিছিল। গতিকে তাৰ অস্বাভাৱিক পৰিবৰ্তন ৰাইজৰ চকুত নপৰাকৈ নাথাকিল। ধ্যানৰাজে লোকক দেখুৱাই নিস্পৃহ হৈ থাকিলেও—তাৰ মাকে কিন্তু নাতিয়েক অৰূপ ৰতনৰ পূৰ্বৰ কৌতুহল, জনবিলাসৰ লগত অযথা

হলি-গলিবোৰ মনত পেলাই মনে মনে থাকিব নোৱাৰিলে। ধ্যান-ৰাজৰ পৰা কোনো সহুত্তৰ নাপাই তাই মানৱ বিকাশ আৰু আনন্দ প্ৰকাশৰ লগত কথাটো আলোচনা কৰিলে।

আনন্দ প্ৰকাশে গোটেই কথাটো ল'ৰামতীয়া, ৰংপুৰ নদীৰ পানীৰ বুদবুদ বুলি উৰাই দিলেও মানৱ বিকাশে কিন্তু নোৱাৰিলে। অৰূপ ৰতনৰ লগত জনবিলাসৰ হলিগলি—আদিৰে পৰাই ভাল চকুৰে চাব পৰা নাছিল সি। কিন্তু সঙ্কীৰ্ণ মনৰ পৰিচায়ক হ'ব বুলি ভাবি এই বিষয়ত কোনো মন্তব্যও কৰা নাছিল। এতিয়াও নকৰিলে। ধ্যানৰাজৰ মাকক অন্য ধৰণেৰে বুজনি দি সি প্ৰসঙ্গটো ধামাচাপা দি থৈ দিলে। কিন্তু মানৱ বিকাশৰ এই বিষয়টো লৈ প্ৰকাৰান্তৰে কৰা কথা-বাৰ্তা, ভাৱ-ভঙ্গী আদি লক্ষ্য কৰি এটা সময়ত আনন্দ প্ৰকাশেও এই বিষয়ে দকৈ চিন্তা কৰিবলৈ বাধ্য হ'ল। কিন্তু তাৰ চিন্তায়ো ভতাভৈয়াকৈ নিৰ্দিষ্ট আকাৰ এটি লাভ কৰিবলৈ সমৰ্থ নহ'ল।

'ৰংপুৰৰ ইতিহাসত আচৰিত গছ এজোপাৰ গুটি এটিয়ে তেনে-দৰেই গজালি মেলিলে। চাওঁতে চাওঁতেই—অতি কম দিনৰ ভিতৰতে সেই গজালিটোৱে পূৰ্ণবয়স্ক গছ এজোপালৈ ৰূপান্তৰিত হ'ল। আৰু ৰংপুৰীয়া ৰাইজে সেই গছজোপাৰ আচৰিত ফলৰ সোৱাদ ল'লে।'

অৰূপ ৰতনৰ বয়স তেতিয়া পোন্ধৰ কি ষোল বছৰ মান হ'ব। সেই বছৰৰ আনন্দমেলালৈ দেৱপ্ৰতিভূসকলৰ ফৈদৰ লোক আন বছৰ বিলাকৰ হিচাপতকৈ বহু বেছি আহিল। ৰংপুৰীয়া ৰাইজ আচৰিত হৈছিল যদিও—সিহঁত সুখীও হ'ল। 'নতুন ৰংপুৰৰ দেৱ-প্ৰতিভূসকলৰ সিহঁতৰ প্ৰতি চেনেহ পূৰ্বৰ দৰেই অটুট আছে।' যোৱা ভালে কেইবছৰ মান অনুপস্থিত থকা ধন বিলাসো এইবাৰ আহিছে। মানৱ বিকাশৰ সমবয়সীয়া ধন বিলাসৰ মূৰৰ চুলি আটাইবোৰ পকিল। কিন্তু তেওঁৰ বৃদ্ধ সমাহিত মূৰ্তিয়ে তেওঁৰ ব্যক্তিত্বক যেন

নতুন ৰূপত সজাইছে পৰাইছে। এইবাৰৰ আনন্দমেলাত ধন বিলাসৰ উৎসাহ যেন সকলোতকৈ বেছি। চঞ্চল ঢেকাৰ তেজেৰে বলীয়ান হৈ গোটেই আনন্দমেলাখন যেন তেওঁ নিজেই চম্ভালি লৈছে।

ৰংপুৰীয়া ৰাইজ মনে মনে নিশ্চিন্ত হ'ল যে ধন বিলাসৰ এই আচৰণৰ অন্তৰালত নিশ্চয় কিবা গূঢ়াৰ্থ আছে। 'আনন্দমেলাৰ শেষ দিনাখন নিশ্চয় সিহঁতৰ সন্দেহৰ নিৰাময় ঘটিব।' অসৰ্তক মুহূৰ্ত্তত দুই এজনে আনকি এনেদৰেও চিন্তা কৰিলে—'কিজানিবা আৰাধ্য দেৱতাসকলে ধন বিলাসৰ যোগেৰে সিহঁতলৈ অধিক পোহৰৰ বতৰাই পঠাইছে।'

কিন্তু আনন্দমেলাৰ শেষ দিনাখনৰ মেলত ৰংপুৰীয়া ৰাইজে আশাকৰা মতে ধন বিলাস প্ৰমুখ্যে দেৱপ্ৰতিভূসকলৰ মুখেৰে কোনো ধৰণৰ আশাৰ বাণী সঞ্চাৰিত নহ'ল। অমৃত কুম্ভৰ সন্ধান ৰংপুৰীয়া ৰাইজৰ মাজত বিতৰণ কৰিবলৈ ধন বিলাসে আৰু এটা দিন হাতত ৰাখিলে। ৰংপুৰৰ আনন্দমেলা সেইবাৰলৈ চাৰিদিনীয়া হ'ল।

ৰংপুৰৰ ইতিহাসৰ পুনৰ পট পৰিবৰ্তন হ'ল। বহু আশাৰে বৈ থকা ৰংপুৰীয়া ৰাইজৰ আশা ভঙ্গ হ'ল। সিহঁতৰ আৰাধ্য দেৱতা-সকলৰ নিৰ্দেশ অনুসাৰে—দেৱপ্ৰতিভূসকলে সিহঁতক সংমোহিনী বাণেৰে জড় পদাৰ্থলৈ ৰূপান্তৰিত কৰি সিহঁতৰ সমুখেৰেই পদযাত্ৰা কৰি ধ্যানৰাজৰ পুতেক অৰূপ ৰতনক দেৱমন্দিৰলৈ লৈ গৈ—ৰংপুৰীয়া ৰাইজৰ মাজত দেৱপ্ৰতিভূসকলৰ ৰংপুৰস্থ প্ৰতিনিধি হিচাপে বৰণ কৰিলে। দেৱনিৰ্দেশ অমান্য কৰিবলৈ এইবাৰ ধ্যানৰাজ আৰু তাৰ মাকৰো সাহস নহ'ল।

ৰংপুৰ সমাজত অৰূপ ৰতনৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি তাৰ সহ-যোগী কৈদ এটাৰ সৃষ্টি কৰিবলৈ নতুন ৰংপুৰৰ দেৱপ্ৰতিভূসকলে সেইবাৰ কিছুদিনৰ বাবে ৰংপুৰতে থাকিল। তেওঁলোকে মানৱ বিকাশ, ধ্যানৰাজকৈতে এই বিষয়ত প্ৰতিবন্ধকৰ সৃষ্টি কৰিব বুলি মিছাকৈয়ে

ভয় খাইছিল। সিহঁতৰ নিৰ্লিপ্ততাই তেওঁলোকক আশ্বস্ত কৰিলে। তেওঁলোকে পুনৰ নতুন ৰংপুৰলৈ প্ৰস্থান কৰিলে।

ৰংপুৰীয়া ৰাইজে দেৱতাৰ এই নিৰ্দেশনামা বিনা বাক্যব্যয়ে মানি ল'লে। দেৱপ্ৰতিভূসকলৰ বাবে নিৰ্মিত ভৱনটিত অৰূপ ৰতনে বাস কৰিবলৈ আৰম্ভ কৰিলে। দুইজন মান ডেকা ল'ৰা অৰূপ ৰতনৰ পাৰ্শ্বচৰ হিচাপে লগতে থাকিবলৈ ল'লে।

ৰংপুৰীয়া ৰাইজৰ মাজতেই এইবাৰ দেখ দেখকৈ দুটি ফৈদৰ সৃষ্টি হ'ল। দেৱপ্ৰতিভূসকলৰ ৰংপুৰস্থ প্ৰতিনিধি অৰূপ ৰতনক সহায় কৰিবলৈ সৃষ্টি হোৱা নতুন ফৈদটিৰ নেতৃত্ব বহন কৰিলে চন্দ্ৰৰূপে।

বহুদিন আগৰে পৰাই মানৱ বিকাশে লক্ষ্য কৰি আহিছিল চন্দ্ৰৰূপৰ কথাবিলাক যেন অলপ আওপকীয়া ধৰণৰ হৈ গৈছে। সি প্ৰকাশ্যভাৱে ৰংপুৰ ককাৰ সমালোচনা কৰে। এবাৰ তাৰ লগত মানৱ বিকাশৰ—প্ৰায় কাজিয়াই লাগিছিল।

: মোৰ এতিয়া বিশ্বাস হৈছে - ৰংপুৰ ককাতে ৰংপুৰৰ প্ৰকৃত শত্ৰু আছিল।

: তই কেনেকৈ ইমান ডাঙৰ কথা ক'বলৈ সাহস কৰিলি? —টিঙিচ কৰি খং উঠিল--মানৱ বিকাশৰ।

: নহ'লে জানো কোনোবা মানুহে নিজৰ নামটো পাহৰিব পাৰে,— মনত পৰিলে বোবা হয়? এইবিলাক তেওঁৰ মহাপাপৰ শাস্তি।

মানৱ বিকাশে ধৈৰ্য ধৰিলে। —'তোৰ যেতিয়া চাৰি কুৰি বছৰ বয়স হ'ব—তেতিয়া বুজি পাবি; এইবিলাক বৃদ্ধাৱস্থাৰ অসুখ।

: নতুন ধানৰ থোকটি দেৱমন্দিৰলৈ দিব নোযোৱাটোও বৃদ্ধাৱস্থাৰ অসুখ নেকি? এইবাৰ মানৱ বিকাশে একো নামাতিলে।

: ৰংপুৰৰ সকলোবোৰ অতীত কাহিনী অনৰ্গল কৈ যাব পৰা ৰংপুৰ ককাই দেৱশিশু জনৰ কথা কোনো সূত্ৰতে কিয় উল্লেখ কৰা নাছিল?

: সেই বিষয়ে তেওঁ কিজানি চিন্তাই কৰা নাছিল।

: মুঠেই নহয়। তেওঁ মহান স্বৰূপ কুমাৰক আদিৰে পৰা চিনি পাইছিল। কিন্তু সেই বিষয়ে কোনো এজনকে জানিবলৈ দিয়া নাছিল। ৰংপুৰ ককাই কোনোপধ্যে মহান স্বৰূপ কুমাৰক দেৱতাৰ মৰ্যাদা দিয়াৰ পক্ষপাতী নাছিল।

: তই নো কেনেদৰে জানিলি?

: নহলেনো পোহৰ বিচাৰি যোৱাৰ ক্ষেত্ৰত তেওঁ বাধা দিছিল কিয়?

: তেওঁতো বাধা দিয়া নাছিল।

: বাধা দিয়া নাছিল নহয়—, দিব পৰা নাছিল। পৰোক্ষভাৱে দেৱতাসকলেহে ককাক নিষ্ক্ৰিয় কৰি মহান স্বৰূপ কুমাৰক সাহস যোগাইছিল। দেৱতাসকলক বাধা দিয়াৰ তেওঁৰ শকতি নাছিল।

: মানৱ বিকাশ মনে মনে থাকিল। আনন্দ প্ৰকাশহঁতে কোৱা কথাবোৰ তেনেহলে মিছা নহয়। বহুদিন আগৰে পৰা অৰ্দ্ধদেৱতা সকলৰ লগত চন্দ্ৰৰূপৰ হলিগলিৰ কথাটো বিশেষ গুৰুত্বপূৰ্ণ বুলি সি বিবেচনা কৰা নাছিল। আনকি নিশাৰ ভাগত মনে মনে দেৱ মন্দিৰলৈ যোৱা কথাটিও সি সাধাৰণ কথা বুলি উকৰাই দিছিল।

: তোৰ গোৰ পতা কথাটিয়ে ধৰচোন।

মানৱ বিকাশ এইবাৰ সচকিত হ'ল।

: মহান স্বৰূপ কুমাৰৰ তিৰোতা গৰাকীৰ লগত তোৰহে যোৰ-পতাৰ কথা আছিল। কিন্তু তেওঁ আছিল দেৱী। মহান স্বৰূপ কুমাৰৰ প্ৰকাশ্য ইচ্ছাৰ বিৰুদ্ধে মাত মাতিবৰ সাহস হৈছিল নে ককাৰ? দেৱতাসকলেই তেওঁৰ মুখ বন্ধ কৰি থৈছিল।

চন্দ্ৰৰূপে মানৱ বিকাশৰ মৰ্মস্থলত আঘাত হানিলে। সি পৃষ্ঠভঙ্গ দিলে।

চন্দ্ৰৰূপৰ এই অস্বাভাৱিক পৰিবৰ্ত্তনৰ অন্তৰালত কিটো কাহিনী জড়িত হৈ আছে সেই বিষয়ে আনৰ কথাতো বাদেই, সি নিজেও কিন্তু প্ৰচণ্ড অন্ধকাৰত নিমগ্ন। সেইখন নাটকৰ নচৰিত্ৰী, অভিনেত্ৰী ৰূপহী,— চন্দ্ৰৰূপৰ ঘৈণীয়েক।

ৰূপহী আদিতে আছিল চন্দ্ৰৰূপৰ প্ৰেমিকা। দুয়োজনৰে মাজত প্ৰেম-প্ৰীতিৰ মনোভাৱ বুজিব পাৰিয়েই ৰংপুৰৰ বয়সস্থ লোকসকলে দুয়োৰে যোৰ পাতি দিছিল। অঘটন ঘটিল ৰাতিৰে পৰা। নিষিদ্ধ ফুল এজোপাই ৰূপহীৰ অন্তৰত হঠাতে গজালি মেলিলে – তাই যেতিয়া আনন্দ প্ৰকাশক জব্দ কৰিবলৈ তাৰ ঢোলৰ ছেৱে ছেৱে নাচোন নাচিলে। গছ জোপাত ফুল ফুলিল—আনন্দ প্ৰকাশে যেতিয়া হৈমৱতীক জোকাবলৈ ৰংপুৰ ককাৰ মাত অনুকৰণ কৰি তাইৰ লগত যোৰপতাৰ কথা ঘোষণা কৰিলে। সেই ফুলে গোন্ধ বিতৰণ কৰিলে—হৈমৱতীয়ে যেতিয়া আনন্দ প্ৰকাশৰ কথাত ধৰা-বগা পৰি সেই ঠাইৰ পৰা আঁতৰি পলাল। মাথোন দুইদিন আগতে যোৰপতা ৰূপহীয়ে আনন্দ প্ৰকাশৰ অজ্ঞাতে তাৰ প্ৰেমত মজিল। তাই কিশোৰী হৈমৱতীক প্ৰতিদ্বন্দ্বিনীৰ ৰূপত চাবলৈ আৰম্ভ কৰিলে। দেৱতাসকলৰ ওচৰত তাইৰ একেটাই মাথোন প্ৰাৰ্থনা—চন্দ্ৰৰূপৰ মৃতদেহ যেন অতি সোনকালে ৰংপুৰ নদীয়ে পশ্চিমলৈ উটি যায়। তাইৰ দৃঢ়বিশ্বাস আছিল আনন্দ প্ৰকাশৰ কৌমাৰ্য ব্ৰত তাই ভঙ্গ কৰিব পাৰিব।

ৰূপহীৰ আশা কিন্তু নফলিল। চন্দ্ৰৰূপৰ মৃত্যু নহ'ল। পলমকৈ হলেও আনন্দ প্ৰকাশে হৈমৱতীৰ লগতে যোৰ পাতিলে। অন্তৰতে গজি, লহপহকৈ বাঢ়ি গোন্ধ বিতৰণ কৰি থকা নিষিদ্ধ ফুল গছ জোপাৰ গুৰিটো উই পৰুৱাই খোৱাত গছজোপা নিশ্চিহ্ন হৈ গ'ল।

ৰূপহীয়ে তাইৰ অন্তৰৰ ক্ৰুদ্ধ ফণিনীজনীক আনন্দ প্ৰকাশ আৰু হৈমৱতীক ধ্বংস কৰিবলৈ গাথীৰ খুৱাই পুহিলে। তিৰোতা সেকুৱা চন্দ্ৰৰূপে তাইৰ কথামতেই দেৱপ্ৰতিভূসকলৰ লগত সকলোৰে অলক্ষিতে আহযাহ বঢ়াই দিলে। সুচতুৰা ৰূপহীয়ে ককাইতৰ বিৰুদ্ধে বিষ ঢালিবলৈ আৰম্ভ কৰিলে, তাৰ বিশ্বস্ততাৰ পৰিচয় পাই দেৱপ্ৰতিভূসকলেও অৰূপ ৰতনক সহায় কৰা দলটিৰ অধিনায়ক পদত চন্দ্ৰৰূপক অধিষ্ঠিত কৰিলে। আংশিকভাৱে হলেও ৰূপহীৰ আকাংক্ষা

ফলিল। আনন্দ প্ৰকাশৰ জীৱন তিলে তিলে ধ্বংস কৰাৰ সেইটো তাইৰ প্ৰথম পদক্ষেপ। কিন্তু ৰূপহীৰ চক্ৰান্তৰ বলি হ'বলৈ হৈমৱতীয়ে বেছি দিন জীয়াই নাথাকিল। আনন্দ প্ৰকাশক তাই এটি সন্তান উপহাৰ দিয়েই ৰংপুৰ নদীৰে পশ্চিমলৈ ভটিয়াই যাবলগীয়াত পৰিল। হৈমৱতীৰ মৃত্যুৰ পাছতো কিন্তু ৰূপহীৰ প্ৰতিশোধ স্পৃহা নকমিল।

ধন বিলাস আৰু আন দেৱপ্ৰতিভূসকল যিমান দিনলৈকে ৰংপুৰত আছিল -সিমান দিনলৈকে অৰূপ ৰতনে দেখ দেখকৈ কোনো বেমেজালিৰ সন্মুখীন হ'বলগীয়াত পৰা নাছিল। কিন্তু তেওঁলোকে ৰংপুৰৰ পৰা প্ৰস্থান কৰাৰ পিছৰে পৰা অৰূপ ৰতনৰ কামত বেমাক্কালি লাগিবলৈ আৰম্ভ কৰিলে। তাৰ কথা আৰু কামৰ কোনো সঙ্গতি নাথাকিল। যোল বছৰীয়া ল'ৰা এজনে ৰংপুৰৰ সকলো দায়িত্ব পালন কৰিব যোৱাটো কিমান দুৰূহ কাম—ৰংপুৰৰ মানুহবিলাকে নামত বুজি নাপালেও কামত বুজি পালে। নাপালে মাথোন দেৱৰক্তৰ লগত নতুনকৈ চিনাকি হোৱা অৰূপ ৰতনে। চন্দ্ৰৰূপ আৰু ৰূপহীয়ে তাক বুজিবলৈ সুবিধা নিদিলে। অতি কম দিনৰ ভিতৰতে ৰূপহীয়ে অৰূপ ৰতনক সম্পূৰ্ণ বশলৈ আনিবলৈ সক্ষম হ'ল।

ৰংপুৰত দেৱপ্ৰতিভূসকলৰ প্ৰতিনিধি হিচাপে নহয়,—অৰূপ ৰতনৰ কথাৰ ওপৰত মাত মাতবলৈ কোনো নোলাল— সি ধ্যানৰাজৰ পুতেক বাবেহে। ৰংপুৰবাসীৰ বাবে সম্পূৰ্ণ অপ্ৰত্যাশিত এইখন ভাওনাৰ বাবে কোনো এজনেই সাজু নাছিল যদিও—এই ক্ষেত্ৰত যে ধ্যানৰাজ, তাৰ মাক আৰু ঘৈণীয়েকৰ কোনো হাত নাছিল সেই কথা কাৰো অবিদিত নহয়। তথাপিও সকলোৰে ধাৰণা আছিল—অৰূপ ৰতনৰ কাম কাজত কিবা ভুল-ভ্ৰান্তি হ'লে মানৱ বিকাশইতে নিশ্চয় শুধৰাই দিব।

কিন্তু কাৰ্যক্ষেত্ৰত মানৱ বিকাশইতে অৰূপ ৰতনৰ কোনো কামৰেই প্ৰতিবাদ নকৰিলে। ধ্যানৰাজে আদিৰে পৰা এই কথাটো

ভাল চকুৰে চোৱা নাছিল। অৰূপ ৰতনক বুজনি দিবলৈ তুই এবাৰ সি অনুৰোধো কৰিছিল মানৱ বিকাশ আৰু আনন্দ প্ৰকাশক। কিন্তু এজনো মান্তি নহ'ল। সিহঁতৰ নিৰ্লিপ্ততাই অনভিজ্ঞ অৰূপ ৰতনক ওলোটাকৈ সাহস হে যোগালে। সি নিশ্চিন্ত হ'ল যে তাৰ আধিপত্য আৰু শ্ৰেষ্ঠত্ব ৰংপুৰৰ প্ৰত্যেকজন মানুহে সৰ্বান্তকৰণেৰে মানি লৈছে। গতিকে দেৱপ্ৰতিভূসকলৰ পৰা পোৱা নিৰ্দেশনামা প্ৰচাৰ কৰাত তাৰ আৰু কোনো বাধাই নাথাকিল।

আনহাতে ৰংপুৰৰ আন মানুহবোৰেও মানৱ বিকাশহঁতৰ কাৰ্যাৱলী ভুলে-শুদ্ধই মনে মনে বিশ্লেষণ কৰি এই সিদ্ধান্তত উপনীত হ'ল যে 'অৰূপ ৰতন প্ৰকৃততে দেৱপ্ৰতিভূসকলৰ ৰংপুৰস্থ প্ৰতিনিধি হোৱাৰ উপযুক্ত। গতিকে তেওঁৰ নিৰ্দেশকে দেৱতাৰ নিৰ্দেশ হিচাপে— ৰংপুৰীয়া ৰাইজৰ মাজত পালিত হ'বলৈ আৰম্ভ কৰিলে।

ৰংপুৰৰ ইতিহাসত জন্ম লাভ কৰা আচৰিত গছজোপাৰ গুটি খায়েই যে ক্ষান্ত থাকিল ৰংপুৰীয়া ৰাইজ—সেইটোও নহ'ল। ইয়াৰ পৰিণামো ভোগ কৰিবলৈ আৰম্ভ কৰিলে। ধ্যানৰাজৰ মাক অকালতে বুঢ়ী হ'ল। শীতৰ ঠেটুৱা লগা জাৰৰ প্ৰকোপৰ পৰা ৰক্ষা পৰিবলৈ তাই ৰংপুৰ ককাৰ চোতালৰ এটা দিশত তুঁহ জুই একুৰা জ্বলালে। গধূলি পৰত ৰংপুৰৰ বছা বছা মানুহ কেইজনমান ককাৰ চোতালত লৈ আহে। তুঁহ জুইৰ উম লৈ পুনৰ ঘৰাঘৰি গুচি যায। ধ্যানৰাজৰ মাকৰ তুঁহ জুইকুৰাৰ প্ৰতি সকলোৰে মৰম সোমাইছে। আনন্দ প্ৰকাশহঁতে জুইকুৰাৰ ওপৰত খেৰৰ চালি এখন দি দিছে। ধ্যানৰাজৰ মাকৰ ইচ্ছা জুইকুৰা যেন কোনো দিনে নুনুমায়। সকলোৱে তাইক তুঁহৰ যোগান ধৰে। সিহঁতৰ ঘৰলৈ অহা মানুহবোৰক ধ্যানৰাজৰ মাকে সেই জুইৰ উত্তাপত উতলাই গাখীৰ এবাটি যাচে। ❑

অৰূপ ৰতনক দেৱপ্ৰতিভূসকলে ৰংপুৰৰ প্ৰতিনিধি নিৰ্বাচিত কৰি থৈ যোৱাৰ পিছত ৰংপুৰীয়া সমাজৰ ধৰ্মীয় আৰু সামাজিক চিৰন্তন গতিধাৰাৰ বিচ্যুতি লাগিল। কোনো দিনে হালৰ মুঠিত ধৰিব নজনা লʼৰা একনক হালবাবলৈ দিলে—নাঙলৰ ফালে যেনেকৈ হালৰ গৰুৰ গোবোহা কাটে—অৰূপ ৰতনৰ কাৰ্যাৱলীয়েও ৰংপুৰ সমাজ ক্ষত-বিক্ষত কৰিবলৈ আৰম্ভ কৰিলে। প্ৰতিদিনে পুৱা-গধূলি দেৱ-মন্দিৰত আৰাধ্য দেৱতাসকলৰ উদ্দেশ্যে নাম-কীৰ্ত্তন কৰা নিয়মত পৰিণত হʼল।

জন বিলাস প্ৰমুখ্যে দেৱপ্ৰতিভূসকলৰ ৰংপুৰলৈ আহ-যাহো আগৰ তুলনাত বাঢ়িল। নিৰ্বাচিত প্ৰতিনিধি একজন থকা বাবে—দেৱপ্ৰতিভূ-সকলে আগৰ দৰে বাইজৰ মানুহৰ লগত হাঁহি-গলি কৰি কথা নকয়। কিবা কʼব লাগিলে তেওঁলোকে অৰূপ ৰতনৰ মুখেৰেহে ব্যক্ত কৰায়। অৰূপ ৰতনৰো যথেষ্ট পৰিবৰ্তন হʼল। ৰংপুৰ সমাজত তেওঁৰ সন্মান বাঢ়িল। বাইজৰ একাংশই তেওঁক দেৱতা বুলিয়েই গণ্য কৰে, আন অংশই তেওঁৰ আদেশ নিৰ্বিবাদে পালন কৰে। দেৱতাসকলৰ উপদেশ মৰ্মে অৰূপ ৰতনে এতিয়া বিবাহিত জীৱন-যাপন কৰিছে। লʼৰা সন্তান এটিৰো বাপেক হৈছে সি। ৰূপশ্ৰী আজিকালি তেওঁৰ ঘাই মন্ত্ৰণা দাতা, চন্দ্ৰৰূপ পাৰ্শ্বচৰ।

ৰংপুৰীয়া বাইজৰ মাজত কিন্তু নতুন এটা বিপদে দেখা দিছে। অৰূপ ৰতন আৰু তেওঁৰ সহায়কাৰী দলটোৱে খেতিবাতিৰ পিনে একেবাৰে পিঠি দিছে। আজিলৈকে কোনেও মুখ ফুটাই কথাটো কোৱা নাই যদিও—সকলোৱে অন্তৰত কথাটো বাজে। আনন্দ প্ৰকাশ, ধ্যানৰাজ আনকি মানৱ বিকাশৰো বাজহুৱা কাম কাজবোৰত আগৰ

দৰে উৎসাহ নাইকিয়া হ'ল। সিহঁতো অৰূপ ৰতনৰ আজ্ঞা বহন-কাৰী যন্ত্ৰলৈ পৰিৱৰ্তিত হ'ল। তথাপিও ধ্যানৰাজৰ মাকে অলাই ৰখা তুঁহ জুইকুৰাৰ ওচৰত গোমোঠা মাৰি বহি থকা ধ্যান, আনন্দৰ মুখবোৰ লক্ষ্য কৰি মানৱ বিকাশৰ দেহত যেন বিছাই ডাকে। সিহঁতৰ মুখত সি অমঙ্গলৰ আগজাননী দেখা পায়। তুঁহ জুইকুৰাৰ খণ্ডাথিনিৰ লগত কেতিয়াবা সি ধ্যানৰাজৰ মাকৰ জ্বলি থকা চকু দুটিৰ কোনো তফাৎ বিচাৰি নাপায়। বংপুৰ ককাৰ মৃত্যুৰ পাছত দ্ৰুত গতিশীল বংপুৰৰ ইতিহাসে মানৱ বিকাশক তেতিয়া পাগল কৰি দিয়ে। তাৰ অন্তৰত বাজি উঠে ধৰঢোল আৰু বৰতালৰ বন্য ছেও। অলপ মান সময় আঁতৰি পালেই মানৱ বিকাশে আজিকালি অকলে অকলে বংপুৰৰ ইতিহাস বোমন্থন কৰে। আগতে আনন্দ প্ৰকাশে আৰু ধ্যানৰাজ তাৰ সুযোগ্য শ্ৰোতা আছিল। কিন্তু অৰূপ ৰতনে দেৱ প্ৰতিভূ-সকলৰ বাবে নিৰ্মিত ঘৰটিলৈ যোৱাৰ পিছৰে পৰা· বংপুৰৰ ইতি-হাস সম্পৰ্কে সিহঁতৰো আগ্ৰহ কমি গৈছে। মানৱ বিকাশে মনে মনে ভয় খায়। কিবা এটা অমঙ্গল ঘটাৰ ভয়।

আগতে পোহৰৰ আশাকৰি মানৱ বিকাশে মহান স্বৰূপ কুমাৰ, ধন বিলাসৰ প্ৰতিটো কথাকে পৰম আন্তৰিকতাৰে বিশ্বাস কৰি আছিল। কিন্তু যিমানেই দিন পলম হৈ গৈছে— সিমানেই তাৰ এই ধাৰণা বদ্ধমূল হৈ গৈছে যে 'বংপুৰীয়া বাইজে অধিক পোহৰৰ হাবিলাস কৰা দেৱবৃন্দৰ কাম্য নহয়।' তদুপৰি ধন বিলাসে যিদিনা-খন সমাজ আকাৰে মৃত বংপুৰ ককাক কটু সমালোচনা কৰিলে, —নিকত্তৰ হৈ থাকিলেও মানৱ বিকাশে অনুভৱ কৰিলে যে তাৰ কলিজাৰ এফাল যেন ডেইপুৰি ছাই হৈ গৈছে। ককাৰ প্ৰতি চন্দ্ৰৰূপৰ বিদ্ৰূপ বাণীত সি জৰ্জৰিত হ'ল। তথাপিও ধ্যান-ৰাজহঁতৰ মানসিক দৃঢ়তাই তাক ভালেখিনি সাহসী কৰি ৰাখিছিল। কিন্তু অৰূপ ৰতনৰ ওপৰত দেৱবৃন্দই চলোৱা পৰীক্ষা-নিৰীক্ষাই তাক

ভালেখিনি কাহিল কৰি পেলালে। কাৰো লগতে আলোচনা নকৰিলেও মানৱ বিকাশৰ অন্তৰত সন্দেহে বাহ ল'লে। 'দেৱতাসকলৰ প্ৰকৃত উদ্দেশ্যনো বাৰু কি!' ৰংপুৰীয়া বাইজৰ মঙ্গলাৰ্থে যথেষ্ট চিন্তা চৰ্চা কৰা বুলি বাইজক পতিয়ন নিয়াই—প্ৰতি বছৰে ৰংপুৰত তেওঁলোকে এনে কিছুমান নিয়মৰ প্ৰবৰ্তন কৰি আহিছে যে—যাৰ ফলত বাইজৰ কষ্ট কমক চাৰি দিনক দিনে বাঢ়িছেহে তথাপিও সাধাৰণ মানুহ-খিনিয়ে নিশ্চিত হৈ বহি আছে যে এই অভূতপূৰ্ব নিৰ্দেশনামা বোৰ সিহঁতৰ দ্বাৰা পালন কৰোৱাই দেৱবৃন্দই সিহঁতক অধিক পোহৰ পাবৰ কাৰণে উপযুক্ত কৰি তোলাৰ পন্থাহে গ্ৰহণ কৰিছে 'উৎপন্ন শইচৰ তিনিভাগ দুইভাগৰ দেৱতা আৰু দেৱপ্ৰতিভূসকলক নিবেদন কৰাৰ পুণ্য সিহঁতৰ অথলে নাযায়।'

কথাটো মিছা বুলি উৰুৱাই দিবলৈও মানৱ বিকাশৰ সাহস নহয়—জানোচা তাৰেই বজাহ ভুল হৈছে। অলপ বছৰ সম্পৰ্কে বাইজৰ একাংশ মানুহৰ মত দেৱতাৰ প্ৰতিনিধি এজনে ৰংপুৰত নিগাজিকৈ কৈছিল যে—নিজাববীয়াকৈ চিন্তা কৰিবৰ বাবে সিহঁতৰ কোনো কথাই নাথাকিব অৰ্থাৎ সকলোৱেই দেৱনিৰ্দেশ ক্ৰমে যথা সময়ত সিহঁতক পোহৰৰ সন্ধান দিব

মানৱ বিকাশৰ দায়মোজা। 'সাধাৰণ মানুহবোৰে অৱশ্যে তেনে-ধৰণে চিন্তা কৰিব।' ককাৰ মৃত্যুৰ কিছু বছৰ পিছত তেওঁ অৱসৰ বিনোদনৰ বাবে ব্যৱহাৰ কৰা শিল চটা ৰংপুৰ নদীৰ গৰাখহনীয়াত পৰি নদী গভলৈ নামি গ'ল। মন বিলাসে ককাৰ বিষয়ে কোৱা কথাবোৰ যে সত্য—সেই ঘটনাটোৱে তাকেই প্ৰমাণিত কৰিছে। তদুপৰি ৰংপুৰ এৰি দেৱতাসকল গুচি যোৱাৰ পিছৰ বছৰবোৰত ইমান ভাল খেতি হৈ আছে যে অধিক পোহৰৰ আৱশ্যকতাৰ কথা-টোৱে আলোচনাত ঠাই পায়।

মানৱ বিকাশৰ মাজে মাজে চিন্তা হয়।—ৰংপুৰৰ মানুহবোৰৰ

মাজতো যেন কিবা কিবা কেৰোণ সোমাইছে। চন্দ্ৰ ৰূপকে ধৰি এটা দলতো সমাজৰ পৰা প্ৰায় বাহিৰ ওলাই গৈছেই। আনবোৰেও কোনো কথা খোলাখুলিকৈ আলোচনা নকৰে। কেতিয়াবা দৰকাৰ বোধ কৰিলে— অৰূপ ৰতনৰ ওচৰলৈকে গৈ দিহা পৰামৰ্শ লৈ আহেগৈ. নাইবা চন্দ্ৰ ৰূপকে লগ ধৰে। খেতিৰ সময় খিনিত, ৰাজহুৱা মেলতো মামুলি দুই এটা কথাতে সিহঁতৰ মাজত আলোচিত হয়। মাথোন ধ্যানৰাজৰ মাকৰ ভুঁই জুই কুৰাৰ গুৰিত যি কেইজন মানুহ সমবেত হয় - সিহঁতেহে দুই এটা ৰাজহুৱা কথা আলোচনা কৰে। ককাৰ সন্মান দাহন হোৱাৰ পিছত ককাৰ চোতাললৈ অহা মানুহৰ সংখ্যা এনেয়ে বহু কমি গৈছিল—তাতে আকৌ অৰূপ ৰতনে দেৱপ্ৰতিভূসকলৰ ঘৰটিলৈ গুচি যোৱাৰ পিছৰে পৰা মুষ্টিমেয় দুই চাৰিজনৰ বাহিৰে আনবোৰে তালৈ আহিবলৈ লাহে লাহে সঙ্কোচবোধ কৰা হ'ল।

ৰংপুৰ ককাই ব্যৱহাৰ কৰা শিলচটা আঁহত গছজোপাৰ ওচৰত অনাদৃতভাৱে পৰি আছে ৰংপুৰ পথাৰৰ এঢ়াতিত। তাত বহি ৰং-ধেমালি কৰিবলৈ ল'ৰা-ছোৱালীবিলাকো নাযায়। ৰংপুৰীয়া ৰাইজৰ মাজত অঘোষিতভাৱেই কালিকা লগা বুলি চিহ্নিত হৈছে ঠাই ডোখৰ। ককাৰ মৃত্যুৰ পিছত ঠাইডোখৰ পোনপ্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল জনকুমাৰ আৰু অৰূপ ৰতনে। তাৰ পিছত কালৰ গতিত 'সেই শিলচটাত বহিবলৈ দেৱৰক্ত বহনকাৰীসকলৰহে মাথোন অধিকাৰ আছে'—তেনেধৰণৰ অলিখিত নিয়ম এটিৰ ৰংপুৰত প্ৰৱৰ্ত্তিত হ'ল। মাজে সময়ে ৰংপুৰীয়া ৰাইজৰ পথাৰৰ কামৰ প্ৰতি নজৰ দিবলৈ অৰূপ ৰতনে আজিকালি শিলচটা ব্যৱহাৰ কৰে, আহঁতজোপাৰ ছাঁত জুৰ লয়।

হাতত কোনো কাম নাথাকিলে, নাইবা ককাৰ কথা মনত পৰিলে মানৱ বিকাশ মাজে সময়ে সেই ঠাইডোখৰলৈ যায়,— ঠাইখন চাফ কৰে। মাজে সময়ে মন গলে শিলডোখৰ চুই চায়। সেই পঁৰশত

সি যেন ৰংপুৰ ককাৰ কায়িক দেহৰ পৰশ অন্তৰত অনুভৱ কৰে। সময় আগবাঢ়ি যোৱাৰ লগে লগে শিল চটা আৰু আঁহত জোপা তাৰ যেন আপোন হৈ গৈ আছে।

সময় যোৱাৰ লগে লগে ৰংপুৰৰ ল'ৰা-ছোৱালী বিলাকেও পুনৰ ঠাই ডোখৰলৈ আহিবলৈ আৰম্ভ কৰিলে। দেৱমন্দিৰৰ ওচৰে-পাঁজৰে সিহঁতে খেলৰ পোনাৰ মেলাটো অৰূপ ৰতনৰ অপচন্দ। মানৱ বিকাশে কিন্তু ভাল পাইছে কথাটো। ছুই তিনি বিঘা ভুবি অনাবাদী হৈ থকা ঠাই ডোখৰত খেলত মগন ভ্ৰাকটিক মনে মনে চাই থাকিও মাজে সময়ে সি সময় কটায়। মানৱ বিকাশে অনুভৱ কৰে দিনে দিনে তাৰ অন্তৰখন যেন ৰিক্ত হৈ গৈছে। আনন্দ প্ৰকাশ, ধ্যানৰাজ লগত থাকিলে আগতে সি সকাহ পাইছিল;—কিন্তু আজিকালি সিহঁতক দেখিলে তাৰ গোমা আকাশ এখনলৈ হে মনত পৰে যেন অলপ সময় পিছতেই ধাৰাসাৰে বৰষুণ দিব। হৈমৱতীৰ অকাল মৃত্যুৰ দিনাখনৰ কথা আজিকালি প্ৰায়েই মনত পৰে মানৱ বিকাশৰ। এটোপালো চকুলো নেপেলোৱা আনন্দ প্ৰকাশলৈ চাই সি হে হুকহুকাই কান্দিছিল সেইদিনাখন।

ৰংপুৰ নদীত যেতিয়া পোনপ্ৰথমবাৰৰ বাবে খহনীয়া আৰম্ভ হৈছিল —ঘটনাটোৱে ৰংপুৰবাসীক বেচ আতঙ্কিত কৰি তুলিছিল। দেৱপ্ৰতিভূ সকলৰ পৰা এই বিষয়ে পৰামৰ্শও বিচাৰিছিল সিহঁতে। কিন্তু আশানুৰূপ সঁহাৰি নাপালে। তেওঁলোকৰ মতে এইটোও দেৱতাৰ ইচ্ছা। ইয়াৰ পিছত ৰংপুৰীয়া বাইজে সেইবিষয়ে আৰু কোনো কথা দেৱপ্ৰতিভূসকলৰ আগত উলিওৱা নাই। মানৱ বিকাশেহে মাজে মাজে চিন্তা কৰে সেই কথা— 'মহান স্বৰূপ কুমাৰ আদিৰ দেৱত্বপ্ৰাপ্তিৰ পিছৰে পৰা ৰংপুৰ নদীয়ে কিয় বাৰু এই ৰূপ ধাৰণ কৰিলে?' অৱশ্যে ধ্যানৰাজে উত্তৰ এটা দিছে—'দেৱপ্ৰতিভূসকলৰ ৰংপুৰলৈ নাৱেৰে আহযাহৰ সুবিধাৰ নিমিত্তে দেৱতাসকলে ৰংপুৰ নদীৰ এই অৱস্থা কৰিছে।'

ৰংপুৰ ককাৰ অন্তিম বছৰ কেইটিৰ কথা আজিকালি ঘনাই মনলৈ আহে মানৱ বিকাশৰ। সি মনে মনে ভয় খায়: তাৰ অৱস্থাও বাৰু তেনেকুৱাই হৈছে নেকি! মানুহবোৰ কি কাৰণে তাৰ আগত আগৰ দৰে খোলোচা নহয় তাৰো কোনো কাৰণ বিচাৰি নাপায় সি। ৰংপুৰ ককাৰ মৃত্যুৰ পিছত ভিতৰি ভিতৰি সি কিমান দুৰ্বল হৈ গৈছে, —নিঃস্ব হৈ গৈছে তাৰ উমান ধ্যানৰাজ আৰু আনন্দ প্ৰকাশে সামান্য অনুমান কৰিব পাৰিলেও আন মানুহবোৰে কিন্তু পোৱা নাই। সেই-কাৰণেই হয়তো তাৰ মুখৰ ওপৰত মাত মাতিবলৈ এতিয়াও কোনোৱে সাহস নকৰে। আনকি অৰূপ ৰতনেও। কিন্তু দৈহিক শক্তিৰ দম্ভ মানৱ বিকাশে কোনো দিনে পচন্দ নকৰে।

অৰূপ ৰতনক দেৱপ্ৰতিনিধি হিচাপে বৰণ কৰাৰ কেই বছৰমান পাছৰ কথা হ'ব। তুঁহ জুইকুৰাৰ ওচৰত বহি মানৱ বিকাশৰ আগত কথাটো উলিয়াইছিল আনন্দ প্ৰকাশে। 'দেৱপ্ৰতিভূসকলে তাক যেনো ৰাইজৰ ওচৰত হেয় প্ৰতিপন্ন কৰিবলৈ বিচাৰি আছে। অৰূপ ৰতন প্ৰতিনিধি নিৰ্বাচিত হৈছে যেতিয়া—মানৱ বিকাশৰ আৰু ৰংপুৰীয়া ৰাইজৰ মুখপাত্ৰ হিচাপে কাম কৰাৰ কোনো অধিকাৰ নাই। ধ্যান-ৰাজ, তাৰ মাক আৰু যি দুই চাৰিজন তাত উপস্থিত আছিল সিহঁতেও আনন্দ প্ৰকাশক সমৰ্থন কৰিলে। চন্দ্ৰৰূপেহে তেনো ৰাইজৰ মুখপাত্ৰ হিচাপে কাম কৰিব।

টিঙিচকৈ উঠি তাৰ চিৰাচৰিত খংটো দমাবলৈ মানৱ বিকাশে কিছুসময় ল'লে। ধীৰ গম্ভীৰভাৱে সি উপস্থিত সকলো কেইজনাকে উদ্দেশ্য কৰি প্ৰশ্ন কৰিলে—, 'ৰংপুৰ ককা বাৰু ৰংপুৰ সমাজৰ মুখ-পাত্ৰ আছিল নেকি?'

কোনোৱে তাৰ প্ৰশ্নৰ উত্তৰ নিদিলে। সিহঁতে দৰাচলতে ককাক সেই পদতেই অধিষ্ঠিত কৰি আহিছিল।

মানৱ বিকাশে এইবাৰ আৰু নিজকে চম্ভালি ৰাখিব নোৱাৰিলে।

হঠাতে যেন প্ৰবল বিস্ফোৰণ হ'ল। চিঞৰি চিঞৰি সি ক'বলৈ ধৰিলে,— 'কোন দিনাখন ৰংপুৰ ককাই কৈছিল যে তেওঁ ৰংপুৰীয়া বাইজৰ মুখপাত্ৰ? তুইঁতৰ কি অধিকাৰ আছে—সমান অধিকাৰবে অধিকাৰী নিমাখিত মানুহ একনক উলঙ্গ কৰি ৰংপুৰৰ বাটে-ঘাটে নচুৱাই ফুৰিবলৈ? ককাক তইঁতেই হত্যা কৰিলি। পুৰপিনৰ এখ শৃঙ্গটিত উঠাই দি তইঁতেই ঠেলা মাৰি দি হত্যা কৰিলি বুঢ়া মানুহজনক। কোন দিনাখন কোনটো কথাত ককাই নিজৰ মতত অবিচল আছিল? তইঁতেই দেখোন তইঁতৰ মনৰ কথা ক'ব যোৱাৰ প্ৰতিদান স্বৰূপে ধন বিলাসৰ হতুৱাই প্ৰকাশ্য ৰাজহুৱা মেলত চৰম অপমান কৰিলি বেচেৰা বুঢ়াক। লাজ নালাগে তইঁতৰ—আজি মোক ৰংপুৰৰ মুখপাত্ৰ বুলি ক'বলৈ।'

আপোন মনে কিছুসময় ফেকুফেকাই কান্দি—এটা সময়ত মানৱ বিকাশ সংগত হ'ল। সি নিজকে চম্ভালি ল'লে। শিলপৰা কপৌৰ দৰে নিঠৰ মাৰি বহি থকা মানুহখিনিক লক্ষ্য কৰি তাৰ অলপ লাজো লাগিল। দুখো লাগিল অকাৰণতে কটু কথা শুনোৱা বাবে। যথেষ্ট আত্মপ্ৰত্যয়েৰে ভগা ভগা মাতেৰে সি পুনৰ ক'বলৈ আৰম্ভ কৰিলে—, 'যিখন সমাজত প্ৰত্যেকজন মানুহেই লগে ভাগে কাম কৰি জীয়াই থাকে - সেইখন সমাজত কোনো মুখপাত্ৰ থাকিব নোৱাৰে। সমাজৰ বিজ্ঞ ব্যক্তিজনক মানি চলাটোৱে এইটো মুৰুজায় তেওঁৰ কথা মতে সদায় সমাজখন চলিব লাগিব। বিজ্ঞজনে তেওঁৰ বিজ্ঞতাৰ সন্মান সদায় লাভ কৰিব। 'মানৱ বিকাশ অলপ ৰ'ল, তাৰ পিছত পুনৰ ক'বলৈ আৰম্ভ কৰিলে,— 'স্বৰূপ কুমাৰে পোহৰ বিচাৰি যাবৰ সময়ত ককাৰ কথাত সি জানো কাণসাৰ দিছিল? পৰিস্থিতি সাপেক্ষে ল'বা একনৰ কথাও কেতিয়াবা মানিবলগীয়া হয়। আমি এদিনাখন জানো ধ্যান-ৰাজৰ কথা মানি লোৱা নাছিলো? – তাৰ মাকৰ কথাত সকলোৱে হয়ভৰ দিয়া নাছিল? কৰা জীয়াই থাকোঁতেই মোৰ কথামতে ধাননি পথাৰত পৰা চৰাই ৰধৰ অভিযান আৰম্ভ হোৱা নাছিল?'

মানৱ বিকাশে ৰংপুৰ ককাক মনত পেলাবলৈ যত্ন কৰিলে। ককাৰ উপদেশ আওকাণ কৰি গুচি যোৱা দেৱবৃন্দৰ প্ৰাথমিক অৱস্থাৰ কাৰ্যকলাপবোৰ তাৰ মনলৈ আহিল। ৰংপুৰ সমাজত যে অচিন ৰোগ এটি সোমাই পৰিছে—ককাই কোৱা সেইবাৰ কথাও তাৰ মনলৈ আহিল।

: ৰংপুৰত কোনো মানুহেই কাৰো মুখাপেক্ষী নহয়, সকলোৰে নিজাকৈ চিন্তা কৰাৰ অধিকাৰ আছে। নিজৰ কথা আনৰ আগত প্ৰকাশ কৰাৰো অধিকাৰ আছে। উচিত বুলি ভাবিলে ৰাইজে যাৰে তাৰে কথা মানি চলিব। কিন্তু সেইবুলি অৰূপ ৰতনৰ দৰে ফুকলীয়া ল'ৰা এজনে কোনো দিনে খেতি-পথাৰত ননমাকৈয়ে চন্দ্ৰৰূপৰ হতুৱাই খেতিৰ বিষয়ে দিহা-পৰামৰ্শ দিব, বিনা বিচাৰে ৰাইজে মানি ল'ব, সেইটো কেতিয়াও হ'ব দিব নোৱাৰি। থাকিলে থাকক তাৰ গাত দেৱতাৰ তেজ। বন নলগোৱা ৰাজান গৰুৱে পোনকৈ নাঙল টানিব পাৰে জানো? ৰংপুৰ পথাৰত দেৱতাৰ কোনো কাম নাই। 'ৰংপুৰত —আমাক অধিক পোহৰৰ প্ৰয়োজন—,' —দেৱতাসকলে সেই বিষয়েই চিন্তা-চৰ্চ্চা কৰক।

গিৰিসকৈ বহাৰ পৰা উঠি হন্-হন্ কৈ গুচি গ'ল মানৱ বিকাশ। বাকীবোৰে তাক মাতিবলৈ আনকি সাহসো কৰিব নোৱাৰিলে। সিহঁতে তুঁহ জুইকুৰা আগত লৈ মানৱ বিকাশে কোৱা কথাবোৰ নীৰৱে গুণাত লাগিল। ধ্যানৰাজৰ মাকেহে মাথোন চিন্তা কৰিলে কিমান সাহস থাকিলে এজন মানুহে এনেদৰে অন্তৰৰ ভাৱ প্ৰকাশ কৰিব পাৰে। এনে এজন মানুহক সমাজৰ মুখপাত্ৰ বুলি নকলে কাকনো কব পাৰি! নাতিয়েকৰ কাৰণে দুখ লাগিল তাইৰ। ধ্যান-ৰাজৰ দৰে বাপেকৰ সন্তান হৈ সি বাৰু কিয় দেৱৰক্তৰ ভেমত ওফন্দি পৰিল। দেৱবোৰত পৰি বাপেকৰ শৰীৰৰ পৰা যিহেতু দেৱৰক্ত বিলুপ্ত হ'ল—, তেনেস্থলত সি বাৰু কি হিচাপত দেৱৰক্তৰ অধিকাৰী হ'ল। নাতিয়েকজনক আজিলৈকে তাই চাব যোৱা নাই,

কিন্তু মনটো সদায় আকুলি বিকুলি কৰে। সেই দুখ লৈয়েই তাইৰ বোৱাৰীয়েকো ঢুকাল। তেজৰ বান্ধোন ছিণ্ডিব নোৱাৰি তাই ওলাইছিলো এদিনাখন, কিন্তু ধ্যানৰাজে বাধা দিলে।'দেৱ প্ৰতিনিধি এজনে সাধাৰণ তিৰোতা এগৰাকীৰ লগত সম্বন্ধ স্থাপন কৰক—ধ্যানৰাজে সেইটো বাঞ্ছা নকৰে।' অৰূপ ৰতনে দেৱপ্ৰতিনিধিসকলৰ বাসগৃহ-টিলৈ যোৱাৰ দিনাখনৰে পৰা ধ্যানৰাজ আৰু তাৰ মাকে দেৱমন্দিৰলৈ যোৱা নাই। মানৱ বিকাশ আৰু আনন্দ প্ৰকাশে কেতিয়াবা মন গলে আনন্দমেলাৰ শেষ দিনাখনৰ ৰাজহুৱা মেললৈহে যায়।

ৰংপুৰ ককাৰ চোতালৰ পৰা ওলাই আহি বাটত মানৱ বিকাশৰ পুনৰ আনন্দ প্ৰকাশৰ কথাখিনি মনত পৰিল। বিজুতৰীয়া খংটোৱে পুনৰ উক্ দি উঠিল। গাঁ-গোৱাই ঘৰলৈ আহি পোনছাটেই সি শোতেলিত পৰিল।

ইমান বছৰে একেলগে ঘৰ সংসাৰ কৰা ঘৈণীয়েকৰো মানৱ বিকাশৰ স্বভাৱ চৰিত্ৰৰ বিষয়ে জানিবলৈ একো বাকী নাই। ক'ৰবাত কিবা এটা অঘটন ঘটিছে বুলি তাই নিশ্চিত হ'ল। মানৱ বিকাশক তাই আমনি নকৰিলে। সি আজি আৰু খোৱা বোৱা নকৰে। খবৰ আনৰোৰক খুৱাই বুৱাই তাইযো নিবাহাৰে তাৰ ওচৰতে শোতেলি খনত দীঘল দিলে।

বহুতো কিবাকিবি চিন্তা কৰিব খোজা মানৱ বিকাশে সুস্থিৰ ভাৱে একোকে চিন্তা কৰিব নোৱাৰা অৱস্থাত—ঘৈণীয়েকক শোতেলিত দেখি পুনৰ খঙতে একো নাই যেন হ'ল। গিৰিসাই শোতেলিৰ পৰা উঠি কোঠাৰ দুৱাৰ খন খুলি সি বাহিৰলৈ ওলাল। নিমিষৰ ভিতৰতে বাস্তাত খোজ পৰিল মানৱ বিকাশৰ। তাৰ এই স্বভাৱৰ প্ৰতিও ঘৈণীয়েক ওৱাকিবহাল। বাৰান্দাত মূঢ়া এটা পাৰি লৈ গভীৰ অন্ধ-কাৰত' তাই তাৰ কাৰণে অপেক্ষা কৰি বহি থাকিল।

অনিৰ্দিষ্ট ভাৱে কিছুদূৰ অহাৰ পিছতহে মানৱ বিকাশৰ খেয়াল

হ'ল—সি বাক কলৈ যাব ওলাইছে। ধ্যানৰাজৰ ঘৰৰ পৰা মানুহ-বোৰ নিশ্চয় এতিয়া মানে ঘৰাঘৰি গৈছে। সি আনন্দ প্ৰকাশৰ ঘৰলৈকে খোজ ল'লে।

খাই বৈ উঠি আনন্দ প্ৰকাশেও গুৰুৰ যোগাৰ কৰিছিল। মানৱ বিকাশৰ আজিৰ কথাবোৰে তাক গুৰুতৰ চিন্তাত পেলাইছে। তাৰ স্বভাৱ চৰিত্ৰৰ লগত আনন্দ প্ৰকাশো নিচেই চিনাকি যদিও—আজিৰ মানৱ বিকাশ যেন এজন সম্পূৰ্ণ বেলেগ মানুহ। তাৰ কথাবোৰ সহজ সৰল আছিল যদিও সেইবোৰেই আনন্দ প্ৰকাশৰ মানত আজি অবোধ্য সাঁথৰ যেন ভাৱ হৈছে। খং উঠিলেও সিহঁতক মানৱ বিকাশে তেনেদৰে কব নালাগিছিল। কিন্তু যিহেতু কলেই—কথাবোৰ সি নিশ্চয় আগবে পৰা চিন্তা কৰা কথা। আনন্দ প্ৰকাশহঁত দৃঢ় নিশ্চিত—সিহঁতক বেয়া পাই, খং কৰি মানৱ বিকাশে কথাবোৰ কোৱা নাই। আহোঁতে বাটত সাকীবিলাকৰ লগত সি এই কথা বিলাককেই আলোচনা কৰি আহিছে। 'দেৱপ্ৰতিভূসকলে বংপুৰ ককাৰ দৰে মানৱ বিকাশকো ৰাইজৰ মাজত অস্তিত্ব বিহীন কৰিব খোজে।'

অসময়ত মানৱ বিকাশ তাৰ ঘৰলৈকে অহা দেখি আচৰিত হ'ল যদিও আনন্দ প্ৰকাশে একোকে নকলে। ঘৰৰ আন মানুহ বোৰক শুবলৈ দি সিহঁত দুয়োজনে চোতালত মূঢ়া দুটা পাৰি অন্ধকাৰতে বহিল। বহু সময় দুয়োজনে মীৰৱে থাকিল—গভীৰ অন্ধকাৰত যেন এজনে আনজনৰ অস্তিত্বৰ কোনো সম্ভেদ পোৱা নাই।

ঃমৰিবৰ কিছুদিন আগতে বংপুৰ ককাই মোক এটা ববঢোল আৰু ববতাল এযোৰ দি থৈ গৈছিল।

আনন্দ প্ৰকাশৰ ভাৱ হ'ল ওচৰতে ক'ৰবাত যেন বজ্ৰপাত হৈছে। কিছু সময়লৈকে তাৰ চিন্তা শক্তিয়ে কাম নকৰা হ'ল। ববঢোল আৰু ববতাল চকুৰে দেখাতো দূৰৈবে কথা—নামকে আনকি সি শুনা নাই। ককাই কিয় বাক কথাটো ইমান গুপুতে ৰাখি থৈ গ'ল। মানৱ

বিকাশেই বা কথাটো কিয় ইমান দিন গুপুতে ৰাখিলে। সি এই বিষয়ে আৰু বহুলাই গুনিবলৈ উদ্বিগ্ন হৈ পৰিল।

: বস্তু দুই পদ মোৰ ঘৰতেই আছে। কোনোৱে দেখা নোপোৱাকৈ গুপুতে ৰাখি থৈ দিছো—ৰাতিৰ অন্ধকাৰতে মানৱ বিকাশে আনন্দ প্ৰকাশক চিনি পাবলৈ চেষ্টা কৰিলে।

: ৰৰঢোল আৰু ৰৰভালৰ ছেওটিও ককাই মোক শিকাই থৈ গৈছে। —সি ক্ষন্তেক অপেক্ষা কৰিলে। হঠাতে উত্তেজিত হৈ পৰা তাৰ মনটোক অলপ জিৰণি দিলে।

. সেই ছেওটি এতিয়া মই তোক আৰু ধানবাজক শিকাব খোজো। কিন্তু মই মৰাৰ পিছতহে তহঁতে ৰংপুৰীয়া ৰাইজক বস্তু দুই পদৰ সৈতে চিনাকি কৰি দিব পাৰিবি।

মানৱ বিকাশে আৰু এক্ষন্তেকো অপেক্ষা নকৰিলে। আনন্দ প্ৰকাশক কোনো কথা কোৱাৰ সুবিধা নিদি—সি নিজৰ ঘৰলৈকে খোজ ল'লে। পাথৰৰ মূৰ্ত্তি এটিৰ দৰে নীৰৱ নিশ্চল হৈ আনন্দ প্ৰকাশ ঠাইতেই বহি থাকিল। গধূলিৰে পৰা নিশাৰ ঘটনা ঘটি গ'ল সেই আটাইবোৰেই তাৰ কিবা সপোন সপোন যেন ভাৱ হ'ল। সি তেনেকৈয়ে টোপনি গ'ল। দোকমোকালিতে মাকে গাত ধৰি মাতি দিয়াতহে চক্‌মককৈ সাৰ পালে সি। যোৱা নিশাৰ ঘটনাবোৰ ফটফটীয়াকৈ মনলৈ আহিল তাৰ। কোন কাহানিৰাতেই কান্ধৰ পৰা ঢোল সোলোকাই থোৱা আনন্দ প্ৰকাশৰ প্ৰাণে আকুলি-বিকুলি কৰিবলৈ ধৰিলে—ৰংপুৰ ককাৰ সেই ৰৰ ঢোলটো কান্ধত আঁৰি ল'বলৈ।

আনহাতে মানৱ বিকাশ গৈ যেতিয়া নিজৰ ঘৰৰ চোতাল পালেগৈ—অন্ধকাৰতে সি উমান ধৰিলে ঘৈণীয়েকে তেতিয়াও বাৰান্দাতে মূঢ়া এটিত বহি তালৈ অপেক্ষা কৰি আছে। কোনো বিশেষ উদ্দেশ্য লৈ আনন্দ প্ৰকাশৰ ঘৰলৈ যোৱা নাছিল যদিও—হঠাতে তাক গুপুত

কথাটি কৰলৈ পাই মানৱ বিকাশৰ মনটো আগতকৈ ভালেখিনি ফৰকাল হৈ আছিল। সেইবাবে অতি সহজতে সি ঘৈণীয়েকৰ কষ্টখিনি উপলব্ধি কৰিব পাৰিলে। কিবা এটা ক'ব খুজি একোকে নকৈ তাইৰ হাত এখনত ধৰি উঠাই সিহঁত দুয়োজনে কোঠাটোৰ ভিতৰত সোমাল।

শেতেলিত পৰিয়েই মানৱ বিকাশৰ ভাব হ'ল—আজি তাৰ বহুতো কথা চিন্তা কৰিবলগীয়া আছে। আনন্দ প্ৰকাশ, ধ্যানৰাজ, বৰঢোল, বৰতাল সম্পৰ্কে আজিয়েই সি এটা বিশেষ পৰিকল্পনা কৰিব লাগিব। কিন্তু শেতেলিখনৰ এচুকত কুচি-মুচি শুই থকা ঘৈণীয়েকৰ উচুপনি শুনি তাৰ চিন্তাত যতি পৰিল। ঘৈণীয়েকে এনেদৰে কন্দা-কটা কৰা মানৱ বিকাশে কোনো দিনে দেখা নাই। সি বেচ আচৰিতো হ'ল। তায়ো বাৰু আনন্দ প্ৰকাশে সন্ধিয়া কোৱা কথাখিনি কাৰোবাৰ মুখে শুনিছে নেকি? মানৱ বিকাশে কিন্তু বিশ্বাস নকৰিলে। শুনিলেও ইমান সহজতে ভাঙি পৰা বিধৰ তিৰোতা তাই নহয়। তাৰ সাহস আৰু শক্তিৰ ওপৰত তাইৰ গভীৰ আস্থা। হাতত দা এখন মাথোন লৈ অকলে অকলে গভীৰ অৰণ্যৰ মাজত যদি সোমাই মানৱ বিকাশ—তথাপিও তাইৰ কোনো ভাৱান্তৰ নহয়। তেনে এজনী তিৰোতাক আজি এনেদৰে ভাগি পৰা দেখি মানৱ বিকাশৰো চিন্তাই সোঁত সলালে।

কি কৰিব কি নকৰিব ভাবি উলিয়াব নোৱাৰি—মানৱ বিকাশে অতি সন্তৰ্পণে তাইৰ দেহত হাত এখন থ'লে। কিন্তু তাৰ হাতৰ পৰশ পায়েই হ'বলা ঘৈণীয়েক মন্দাকিনীৰ উচুপনি কমক চাৰি বেছিহে হ'ল। উপায় নাপাই সি তাইক ওচৰ চপাই ল'বলৈ চেষ্টা কৰিলে, কিন্তু তাই মান্তি নহ'ল। গিৰীয়েক-ঘৈণীয়েকৰ মাজৰ এই যুঁজখন নীৰৱে ভালেমান সময় ধৰি চলিল। কিন্তু এটা সময়ত ধৈৰ্যৰ বান্ধ সুলকি পৰিল মানৱ বিকাশৰ ঘৈণীয়েকৰ। তাৰ বুকুত মুখখন গুজি দি হুকুহুকাই কান্দিব ধৰিলে তাই।

মানৱ বিকাশে কথাৰে কোনো ধৰণৰ প্ৰবোধ দিয়াৰ চেষ্টা নকৰিলে তাইক। তাইৰ ইমান দিনৰ অপ্ৰকাশিত বেদনাবিলাক বুজিবলৈ সি চেষ্টা কৰিলে। বুজিও পালে। কান্দোনত উঠি নমা কৰি থকা তাইৰ দেহটো সজোৰে বুকুৰ মাজত সাৱটি লৈ সি তাইৰ মূৰ পিঠিত ধীৰে ধীৰে হাত ফুৰাবলৈ আৰম্ভ কৰিলে। তাইৰ কান্দোন বেছি হ'ল। ইমান দিনে চেনেহ বিচাৰি হাবাথুৰি খাই ফুৰা তাইৰ উপবাসী মনটোৱে যেন একেলগে ইমান চেনেহ সহ্য কৰিব পৰা নাই

যৌৱনে মেঘানি মগা মানৱ বিকাশেও তাৰ উপেক্ষিতা ঘৈণীয়েকক সেই মুহূৰ্ত্তটোহে চিনি পালে; —বুজি পালে। হঠাতে সি নিজকো বুজি পালে। তাইৰ ওচৰত তাৰ নিজকে খুব অপৰাধী যেন বোধ হ'ল। পৰিৱেশ আৰু পৰিস্থিতিক নিজে জয় কৰিব নোৱাৰি এজনী নিৰাপৰাধিনী নাৰীক সি চিৰদিন উপেক্ষা কৰি আহিল। তাইৰ ওপৰত ইমান দিনে কৰি অহা মানসিক নিৰ্যাতনৰ কথা ভাবি তাৰো চকুপানী ওলাল। জীৱনত পোনপ্ৰথমবাৰৰ বাবে মানৱ বিকাশে অন্তৰত প্ৰেমৰ সুতীব্ৰ অনুভূতি অনুভৱ কৰিলে। এই বিশেষ ক্ষণত তাক আৰু স্বৰূপ কুমাৰৰ ঘৈণীয়েকৰ স্মৃতিয়ে আমনি কৰিব নোৱাৰিলে। ঘৈণীয়েকক আৰু ওচৰ চপাই ল'বলৈ চেষ্টা কৰিলে মানৱ বিকাশে।

মাজে মাজে মাথো প্ৰেমবিহীন দৈহিক কামনাৰ বলি হোৱা তাৰ ঘৈণীয়েকেও জীৱনত পোনপ্ৰথমবাৰৰ বাবে প্ৰকৃত প্ৰেমৰ সোৱাদ লাভ কৰিলে। মানৱ বিকাশৰ যৌৱন কালৰ সকলোবোৰ ঘটনা জনাৰ পিছতো মনে-প্ৰাণে ভাল পাই অহা মানুহজনৰ—আজিৰ প্ৰেমৰ অভিব্যক্তিখিনি যে পৰম আন্তৰিকভাবে ভৰপূৰ সেইটো বুজি পাই কান্দি-কান্দিও তাই অনুভৱ কৰিলে—'তাই যেন ৰংপুৰৰ আটাইতকৈ সুখী তিৰোতা।'

তিনিকুৰিৰ দেওনা পাৰ হোৱা মানৱ বিকাশ আৰু তাৰ ঘৈণীয়েকে সেইদিনাখন ৰাতি দুয়োৰে মাজত সিহঁতৰ যৌৱন কাল পুনৰ বিচাৰি পালে। □

[৫]

আনন্দ প্ৰকাশে সেইদিনাখন সন্ধিয়া কোৱা কথাখিনি—মানৱ বিকাশৰ অন্তৰৰ অজানিত গুপ্তভাৱৰ বহিঃপ্ৰকাশহে আছিল মাথোন। ৰংপুৰ ককাৰ মৃত্যুৰ পাছত ৰংপুৰৰ গুৰি ধৰোঁতা তাৰ বাহিৰে যে আন কোনো নাই—এই চিন্তাই মানৱ বিকাশক মাজে মাজে উত্তেজিত কৰি তুলিছিল; আনন্দও প্ৰদান কৰিছিল। মনলৈ আশঙ্কাৰ ভাৱো আনি দিছিল। কিন্তু হঠাতে স্বৰূপ কুমাৰে তাৰ আশাত বিধি-পথালি দিলে। কিন্তু অভিযাত্ৰীসকলৰ কিছুমানৰ দেৱত্বপ্ৰাপ্তি—কিছুমানৰ নতুন ৰংপুৰ স্থাপনৰ ঘটনাই অপৰিকল্পিত, অভাৱনীয়ভাৱে মানৱ বিকাশক তাৰ অজ্ঞাতেই পুনৰ সেই পদত অধিষ্ঠিত কৰিলে। কিন্তু এইবাৰ বাটৰ জেং হিচাপে থিয় হ'ল অৰূপ ৰতন,—তাৰ পাৰ্শ্বচৰ চন্দ্ৰৰূপ। তথাপিও ৰংপুৰৰ এই দোদুল্যমান পৰিস্থিতিত সি এই বিষয়ে কথা প্ৰায় পাহৰিয়েই গৈছিল। মনত ৰাখিবৰো কোনো প্ৰয়োজন হোৱা নাছিল। কিন্তু আনন্দ প্ৰকাশে সেইদিনাখন মনত কৰি দিয়াৰ পাছত সি ইমান ভয় খালে যে—'ৰংপুৰৰ ভূত-ভৱিষ্যত, বৰ্ত্তমান সম্পৰ্কে সি অকলে চিন্তা ভাৱনা কৰা উচিত হোৱা নাই।' ৰংপুৰৰ প্ৰত্যেকজন মানুহৰেই এই বিষয়ে চিন্তা কৰা কৰ্ত্তব্য।

আনকি পিছদিনাখনো তাৰ মত পৰিবৰ্ত্তন নহ'ল। কিন্তু আনন্দ প্ৰকাশক ৰংপুৰ ককাৰ আচৰিত ঢোল-তালৰ বিষয়ে কোৱাৰ পিছত তাৰ মনটো অলপ হ'লেও সকাহ পাইছে। 'এতিয়া আৰু ৰংপুৰীয়া বাইজৰ মাজত কোনো কথা গোপন নাথাকিল।' সি আশা কৰিলে, 'ৰবঢোল আৰু ৰবতালৰ ছেওটো আনন্দ প্ৰকাশ আৰু ধানৰাজক শিকাই-বুজাই লোৱাৰ পিছত এই কথাটিও সি সিহঁতৰ লগত 'আলোচনা কৰিব—'ৰংপুৰ ককাইনো বাৰু সেইদিনাখন কথাৰ চলেৰে ৰংপুৰ

সমাজত বিয়পি পৰা অচিন ৰোগৰ বিষয়ে উল্লেখ কৰি দৰাচলতেনো—কি ক'ব বিচাৰিছিল !'

কিন্তু সেইদিনাখনৰ ঘটনাৰ কিছুদিনৰ পিছতে মানৱ বিকাশ পুনৰ এক গুৰুতৰ পৰিস্থিতিৰ সন্মুখীন হ'ল। হঠাতে এদিনাখন কামৰ পৰা আহি সন্ধিয়া পৰত সি বৈণীয়েকৰ মুখে শুনিবলৈ পালে—দেৱপ্ৰতিনিধি অৰূপ বতনৰ নিৰ্দেশ মতে—পিছদিনাখন হেনো ককাৰ মৃত্যুৰ দিনাখন সি ৰোপণ কৰা আঁহত গছজোপা কাটি পেলোৱা হ'ব। কাৰণটো বুজিবলৈ গৈ সি জানিব পাৰিলে—'দেৱতাসকলৰ হেনো বিশ্বাস—সেই গছজোপাই ৰংপুৰ ককাৰ স্মৃতি বহন কৰি আছে। ককা আছিল তেওঁৰ জীৱন কালত ৰংপুৰৰ উন্নতিৰ প্ৰধান অন্তৰায় স্বৰূপ। গতিকে তেওঁৰ শেষ স্মৃতি কণো ৰংপুৰীয়া বাইজৰ চকুৰ আগৰপৰা, অন্তৰৰপৰা গুচাই পেলাব নোৱাৰিলে ৰংপুৰৰ উন্নতি অসম্ভৱ। দেৱবৃন্দই আনকি ককাই ব্যৱহাৰ কৰা শিলচটাও পুনৰ নদী গৰ্ভত বিসৰ্জন দিয়াটোকে বিচাৰে !'

মানৱ বিকাশৰ বৈণীয়েক মন্দাকিনীয়ে মনতে ধৰ ভয় খাই আছিল—কথাটো শুনাৰ পিছত মানৱ বিকাশে বা আকৌ কি মূৰ্তি ধৰে। কিন্তু সি একোকে নকৰিলে। বৈণীয়েকৰ কথাখিনি মনপুতি শুনি—আপোন মনে কিছুসময় সি চিন্তা কৰিলে।

: কথাখিনি তই কাৰ মুখে শুনিলি ?

: ধ্যানৰাজৰ মাকে এবাৰ ফোনেতেনে মতাই পঠাইছিল মোক। তাতেই শুনিলো।

: তাৰ মানে মানুহবোৰে ··। কথাটো শেষ নকৰিলে মানৱ বিকাশে। তাৰ বুজিবলৈ বাকী নাথাকিল যে ধ্যানৰাজৰ মাকে বৈণীয়েকৰ হতুৱাই কথাটো তাৰ কাণত পেলাইছে। সেইদিনাখনৰ ঘটনাৰ পিছৰে পৰা সি সেইখন ঘৰলৈ যোৱা নাই। সি সন্দেহ কৰিলে—এই কথাটো ৰংপুৰৰ কিছুমান মানুহে আগৰে পৰাই জানে,

তাকহে কোৱাৰ সাহস গোটাব পৰা নাই। ধ্যানৰাজহঁতে শুনিবৰ হয়তো বেছি পলম হোৱা নাই।

গছজোপা মানৱ বিকাশে লগাইছিল। সি কথাটো পুনৰ এবাৰ গভীৰভাৱে চিন্তা কৰি ল'লে। ঘৈণীয়েকে আনি দিয়া গাখীৰ বাটি খাই উঠি সি ধ্যানৰাজহঁতৰ ঘৰলৈ যাবলৈ সাজু হ'ল। কথাটোৰ সবিশেষ জানিবলৈ নাপালে সি গোটেই ৰাতি অনিদ্ৰাত চট্‌ফটাই থাকিব লাগিব।

ধ্যানৰাজৰ ঘৰত সি মাথো ধ্যানৰাজ আৰু আনন্দ প্ৰকাশকহে লগ পালে। সিহঁতেও তাৰ বাবেই অপেক্ষা কৰি আছিল। মানৱ বিকাশ অহা দেখি ধ্যানৰাজৰ মাকেও সিহঁতৰ সঙ্গ ল'লেহি। তুঁহ জুইকুৰা ফুৱাই গাখীৰৰ বাচনটো জুইৰ ওপৰত উঠাই দিলে তাই।

বহু সময় ধৰি চাৰিওজনে নিমাতে থাকিল। কথাটোৰ সবিশেষ জানিবৰ ইচ্ছা—একেবাৰে নাইকিয়া হ'ল মানৱ বিকাশৰ। সিহঁতক দেখা মাত্ৰকে সি সকলোৰোৰ কথা বুজি পাইছে। ধ্যানৰাজৰ মাকে দিয়া গাখীৰ বাটি একেঢোকতে শেষ কৰিলে সি।

আৰু কিছু সময় তেনেদৰে যোৱাৰ পিছত ধ্যানৰাজে মানৱ বিকাশৰ পৰা জানিবলৈ বিচাৰিলে আচৰিত নৰঢোল আৰু নৰতাল সম্পৰ্কে শিক্ষাদান কৰোঁতে ককাই তাক বাৰু আৰু কিবা কৈছিল নেকি।

মানৱ বিকাশে তাৰ কৌতূহলদীপ্ত চকুযোৰলৈ পিনে এবাৰ চালে। —'আনন্দ প্ৰকাশে সেইদিনাখন তাৰ লগত হোৱা কথোপকথনখিনি আদ্যোপান্ত বিবৰিছে সিহঁতৰ আগতে।' তাৰ কিন্তু বেয়া নালাগিল।

মানৱ বিকাশে বংপুৰ ককাৰ জীৱনৰ শেষ আনন্দমেলাখনৰ শেষ দিনাখন ককাৰ লগত তাৰ হোৱা কথোপকথনখিনি সবিস্তাৰে সিহঁতৰ আগত বৰ্ণনা কৰিলে। একান্ত মনে কথাখিনি শুনি সিহঁত আটাইকেইটা গভীৰ চিন্তাত পৰিল। 'কোনো দিনে আওপাকীয়াকৈ কথা

নোকোৱা ৰংপুৰ ককাৰ এই কথাখিনিৰ বাক প্ৰকৃত উদ্দেশ্য কি!' এজনেও সিদ্ধান্ত দিব নোৱাৰিলে।

'ৰংপুৰ ককাই এই কথাখিনি মোক কৈছিল',—ধীৰে ধীৰে মানৱ বিকাশে ক'লে—'মই কিন্তু আজি ইমান দিনে বহু ভাবি-চিন্তিও সেই অচিন ৰোগটি ধৰিব নোৱাৰিলো; —ককাই নিজেও নোৱাৰিলে। মোৰ জীৱিত কালত কিজানি নোৱাৰিম। তহঁতে চেষ্টা কৰিবি। যদি তহঁতেও নোৱাৰ,—তেনেহ'লে তহঁতৰ বংশধৰ সকললৈ থৈ দিবি। এদিনাখন নিশ্চিয় ৰংপুৰীয়া ৰাইজে এই অচিন ৰোগটি চিনি পাব লাগিব। নহ'লে ঔষধ পাবি কেনেকৈ? কি হিচাপে চিকিৎসা কৰিবি?'

আৰু কিছু সময় সিহঁত তেনেকৈয়ে বহি থাকিল। কিন্তু এজনেও উপযাচক হৈ আঁহত গছজোপাৰ কথা মানৱ বিকাশক ক'বলৈ দ্বিধা-বোধ কৰিলে। মানৱ বিকাশ যাবলৈ থিয় হ'ল। ধ্যানৰাজৰ মাকেহে অৱশেষত সঙ্কোচৰ মুখাখন খুলি দিলে।

. কালিলৈ তেনেহ'লে গছজোপা কটা হ'বই নেকি?

মানৱ বিকাশে হা-না একো নকলে থিয় হৈয়েই সি কিছু সময় উমি উমি জ্বলি থকা তুঁহ জুইকুৰা চাই থাকিল। তাক লক্ষ্য কৰি ধ্যানৰাজৰ মাকে মুখেৰে ফুৱাই দি জুইৰ ওপৰত পৰা চামনি-খন আঁতৰাই দিলে। কাকো মাত-বোল নকৰাকৈ মানৱ বিকাশে তাৰ পৰা গুচি গ'ল।

ধ্যানৰাজহঁতেও একো নামাতিলে। কিন্তু তুঁহ জুইকুৰাৰ দৰে জ্বলি থকা মানৱ বিকাশৰ চকু দুটি দেখি—সিহঁত প্ৰত্যেকজনেই পতিয়ন গ'ল—'ৰংপুৰীয়া ৰাইজৰ বাবে কাইলৈৰ দিনটো বৰ সুখৰ নহ'ব কিজানি!'

'ৰংপুৰৰ ইতিহাসত নতুন অধ্যায় এটিৰ সংযোগ হ'ল।'

মানৱ বিকাশে ঘৰ আহি পায় মানে বৈণীয়েকৰ বন্ধা-বঢ়া কাম শেষ হৈছে। ঘৰৰ বাকীবিলাকে খাই বৈ শুলে; সিহঁত গিৰীয়েক-

ঘৈণীয়েক হালবহে খাবলৈ বাকী আছে মাথোন। মানব বিকাশে বিশেষ মাত-বোল নকৰাকৈ শান্ত ল'বাৰ দৰে খোৱা-বোৱা শেষ কৰিলে। সি এনেয়ে কম কথাৰ মানুহ। তথাপিও তাৰ আজিৰ ভাব-ভঙ্গীবিলাক ভাল নালাগিল ঘৈণীয়েকৰ। মনে মনে আৰাধ্য দেৱতাসকলৰ প্ৰতি তাই মূৰ দোৱালে—।' 'অহাকালিৰ দিনটো যেন ভালে ভালে পাৰ হয়।'

নিজে খাই-বৈ আজৰি হৈ আখল ঘৰ পৰিষ্কাৰ কৰি আহি শোতেলিত মানব বিকাশক দেখা নাপাই শঙ্কিত হ'ল মানব বিকাশৰ ঘৈণীয়েক। ততাতৈয়াকৈ বাতিৰ ওলাই আহি তাই দেখিলে বাৰান্দাৰ একমূৰত আন্ধাৰতে মানব বিকাশে চিকাৰলৈ লৈ যোৱা বিয়াগোম দাখন শানখনত ধাৰ দি আছে। জোৰ-বস্তি এগছ জ্বলাই তাই তাৰ ওচৰতে থিয় হ'ল। আজিকালি তাইৰ সাহস বাঢ়িছে—; উপযাচিকা হৈ প্ৰশ্ন কৰিব পৰা হৈছে তাক।

ঃ ৰাতি দাত ধাৰ দিলে ঘৰৰ অমঙ্গল হয়! কামটো দেখোন ৰাতিপুৱাও কৰিব পাৰি!

মানব বিকাশে দাখনত ধাৰ দি দিয়েই এবাৰ তাইৰ মুখলৈ চালে; উত্তৰ দিয়াৰ কোনো প্ৰয়োজনবোধ নকৰিলে। তায়ো পুনৰ হকাবাধা কৰাৰ সাহস গোটাব নোৱাৰিলে। তাৰ ওচৰতে নীৰৱে থিয় হৈ থাকিল।

এটা সময়ত মানব বিকাশৰ কামটো হৈ উঠিল। ওচৰতে থকা লোটাটোৰ পানীৰে দাখন ধুই সি জোৰ-বস্তিৰ পোহৰত দাখন এবাৰ চাই ল'লে। শান শিলৰ ঘঁহনি খাই গোটেই দাখন চিক্-মিকাই আছে। সি সন্তুষ্ট হ'ল। আঙুলিৰ আগেৰে এবাৰ সি দাখনৰ ধাৰ পৰীক্ষা কৰি চালে। ক্ষুৰ যেন হৈছে। ওচৰতে থিয় হৈ থকা ঘৈণীয়েকৰ কথা সি পাহৰিয়ে গৈছিল। তাইৰ অস্তিত্বৰ উমান পাই সি থিয় হ'ল।

: মই লগোৱা গছজোপা কাটি পেলালেই যদি ৰাইজৰ মঙ্গল হয়,—দেৱতাসকলে শান্তি পায়; তেনেহলে গছজোপাত প্ৰথম ঘাপটি ময়েই মাৰিব লাগিব।

মুখেৰে একো নকৈ ঘৈণীয়েকে তাক শেতেলিলৈ লৈ গ'ল। মূৰ শিতানত দাখন ৰাখি মানৱ বিকাশে শেতেলিত দীঘল দিলে। ঘৈণীয়েকে তাৰ শুভ্ৰ চুলিবোৰত হাত ফুৰাই থাকোঁতে মানৱ বিকাশৰ ভাব হ'ল ককাই শিকাই থৈ যোৱা নবঢোল তালৰ জোৰে তাৰ অন্তৰত যেন দামামা বজাইছে।

সেইদিনা ৰাতি মানৱ বিকাশে শুব নোৱাৰিলে।

পিছদিনাখন ৰাতিপুৱা হাতত দা-কুঠাৰ লৈ চন্দ্ৰৰূপৰ নেতৃত্বত ৰংপুৰৰ একচাম মানুহে পৰম উৎসাহেৰে আঁহত গছজোপা কাটিবলৈ যাত্ৰা কৰিলে। এই কাৰ্য দেৱতাৰ নিৰ্দেশক্ৰমে সাধিত হ'ব যেতিয়া নিজাববীয়াকৈ চিন্তা কৰিবৰ কোনো সকাম নাই সিহঁতৰ।

আনহাতে কি হ'ব - কি নহ'ব ভাবি-গুণি আনন্দ প্ৰকাশ আৰু ধ্যানৰাজৰো ৰাতি ভালদৰে টোপনি নহ'ল। দুয়োজনে দুইফালৰ পৰা আহি দোকমোকালিতে মানৱ বিকাশৰ ঘৰৰ সমুখত ভেটাভেটি হ'ল। একেলগে দুয়োজনে চোতাল সোমাই মানৱ বিকাশৰ ঘৈণীয়েকৰ মুখে তাৰ যোৱা ৰাতিৰ কাৰ্য-কলাপৰ সবিশেষ গম পালে সিহঁতে। ৰাতিতেই দাখনত ধাৰ দি ভাইক কোনো উমান নিদিয়াকৈয়ে মানৱ বিকাশে গছজোপা কাটিবলৈ ওলাই গৈছে।

আনন্দ প্ৰকাশহঁতে প্ৰমাদ গুণিলে। এতিয়াকৈ দুয়োজনে ঘৰলৈ গৈ হাতত দা-কুঠাৰ লৈ আঁহত জোপাৰ ওচৰলৈকে যোৱাটো উচিত বিবেচনা কৰিলে সিহঁতে আৰু একেখুজকো পলম নকৰিলে।

সিহঁত দুয়োজনে উধাতু খাই গছজোপাৰ ওচৰ চাপি দেখিলে— মানৱ বিকাশে উদং গাৰে হাতত দাখন লৈ গছজোপাৰ গুৰিত বহি আছে।

সিহঁত দুজনৰ এজনেও মানৱ বিকাশৰ ওচৰ চাপিবলৈ সাহস নকৰিলে। ওচৰতে থকা শিলচটাৰ কাষত দুয়ো বহি পৰিল।

ৰাতিপুৱাৰ পোহৰে বংপুৰ স্পৰ্শ কৰাৰ কিছু সময় পিছতেই গছ কাটিবলৈ অহা মানুহবোৰে হুৰা-হুৰা লগাই গছজোপাৰ ওচৰ চাপি অহা সিহঁতৰ চকুত পৰিল। আনন্দ প্ৰকাশহঁতে সিহঁতৰ পিনে চাই থাকোঁতে থাকোঁতেই গছজোপাৰ নিচেই ওচৰ পাই মানুহজাক থমকি ৰ'ল। দুয়োজনৰ দৃষ্টিয়ে এইবাৰ উৎসাহী মানুহ জাকক আওকাণ কৰি মানৱ বিকাশত নিক্ষিপ্ত হ'ল। লগে লগে দুয়োজন থিয় হ'ল,—দা থকা হাতৰ মুঠি কঠিন হ'ল।

এহাতেৰে দাখন কান্ধত উদ্যত কৰি—আনখন হাত ককালত ৰাখি আঁহত গছজোপাৰ গুৰিত থিয় হৈ আছে মানৱ বিকাশ। প্ৰভাতী পোহৰে জিলিকাই তুলিছে তাৰ পাহোৱাল দেহ। ফিৰ্-ফিৰীয়া বতাহে তাৰ মুৰৰ শুভ্ৰ চুলিবোৰ আউল-বাউল কৰি তুলিছে। কান্ধত—ৰ'দৰ পোহৰ পৰি চিক্‌মিকাই থকা দাখনে যিকোনো মুহূৰ্ত্তে যেন অনৰ্থ ঘটাব পাৰে।

মানৱ বিকাশক তেনেকুৱা অৱস্থাত দেখি গছ কাটিবলৈ অহা উৎসাহী মানুহবোৰৰ এজনেও আগুৱাই আহিবলৈ সাহস কৰিব নোৱাৰিলে। তাৰ প্ৰকৃত উদ্দেশ্য বুজি নাপাই সিহঁত আচৰিতো হ'ল। —দেৱতাৰ কাৰ্যত হকা-বাধা কৰাটোৱেই বাক মানৱ বিকাশৰ ইচ্ছা নেকি? কিন্তু মুখ ফুটাই এটা বাক্যও সিহঁতে উচ্চাৰণ কৰিব নোৱাৰিলে। আনন্দ প্ৰকাশ আৰু ধ্যানৰাজে নীৰৱে সেই দৃশ্য উপভোগ কৰাত লাগিল। সিহঁত দুজনৰ উপস্থিতিৰ কথা কাৰো নজৰত পৰা নাই।

: কি কৰিব আহিছ তহঁতে ইয়ালৈ? —মানৱ বিকাশৰ মাতত যেন বজ্ৰৰ গৰ্জন।

মানুহ জাকৰ মুখেৰে কোনো কথা নোলাল।

: ভেৱা লাগি কি চাই আছ? নকৰ কিয়,—ইয়াত তইঁতৰ সকাম কি? পুনৰ হুঙ্কাৰ চাৰিলে মানৱ বিকাশে। হাতত দা লৈ ৰ'দৰ পোহৰত উদং শৰীৰেৰে জিলিকি থকা মানৱ বিকাশৰ কালান্তক মূৰ্তি দেখি দলটোৰ প্ৰায় ভাগৰে উদ্দেশ্য বিস্মৃতি ঘটিল। ভেৱা লাগি সিহঁতে যাঠিৰ দেওনা পাৰ হোৱা মানুহ এজনৰ ভয়াবহ ৰূপটিকে একে থৰে চাই থাকিল। কিছুৰেলিৰ মূৰত অৱশেষ মৰণত শৰণ দি চন্দ্ৰৰূপে মাত লগালে—'আমি দেৱতাৰ নিৰ্দেশ মতে গছজোপা কাটিবলৈ আহিছো।'

: কোনজন দেৱতাই কেতিয়া নিৰ্দেশ দিছিল তইঁতক?'

: আমি দেৱ প্ৰতিনিধি অৰূপ ৰতনৰ আজ্ঞামতেই আহিছো।'

: কি কৈছে অৰূপ ৰতনে?

: কৈছে—যিমান দিনলৈকে ৰংপুৰত ৰংপুৰ ককাৰ স্মৃতি সজীৱ হৈ থাকিব, সিমান দিনলৈকে ৰংপুৰ দেৱৰোষৰ পৰা মুক্ত হ'ব নোৱাৰে।

: তেনেহলে শুন। দেৱতাৰ প্ৰতিনিধিজনক কবি গৈ - মাথোন এই গছজোপাই ৰংপুৰত ৰংপুৰ ককাৰ স্মৃতি বহন কৰি থকা নাই। ৰংপুৰৰ ভালেমান মানুহৰ অন্তৰতো ককাৰ স্মৃতি সজীৱ অৱস্থাত আছে। সিহঁতক নিৰ্মূল নকৰি মাথোন এই নিমাখিত গছজোপা কাটিলেই ৰংপুৰ ককাৰ স্মৃতি ৰংপুৰৰ পৰা বিলুপ্ত নহয়। যা! তইঁতে ধ্যানৰাজৰ পুতেকক সেই কথাকে কবি গৈ।

মানৱ বিকাশৰ কথা শুনি ককাক দেখাৰ সৌভাগ্য হোৱা আটাই বোৰ মানুহৰে অন্তৰত ককাৰ স্মৃতি বিজড়িত শৈশৱ কালৰ ৰঙীন অধ্যায়টি পুনৰ সজীৱ হৈ উঠিল। ভেবা-চেকা খাই সিহঁতে পুনৰ অহাবাটে ঘূৰি যাবলৈ ঠিৰাং কৰিলে।

: আৰু শুন, তইঁতে গৈ অৰূপ ৰতনক কবি গৈ,—তাৰ যদি গছজোপা কাটিবলৈ ইমানেই হেঁপাহ,—তেনেহলে ৰংপুৰ ককাৰ স্মৃতি বুকুত বান্ধি লৈ মই ইয়াতে বৈ আছো, সি প্ৰথমতে আহি মোকেই কাটক,—তাৰ পিছত গছজোপাত ঘা দিব।

মানুহ জাক আৰু এখন্তেকো তাত নাথাকিল। কৰিং ছিটিকা দি চন্দ্ৰৰূপকে ধৰি গোটেইজাক মানুহ তাৰ পৰা ভাগি পলাল।

সিহঁত তিনিওজনে গধূলি পৰলৈকে গছজোপা পৰ দি বহি থাকিল।

অৰূপ ৰতনৰ ইচ্ছা আছিল আঁহত গছজোপা কাটি উঠাৰ পিছত---আবেলি সময়ত ধীৰে সুস্থিৰে নিজে এবাৰ গৈ ঠাই ডোখৰ পৰিদৰ্শন কৰি আহিব। মানৱ বিকাশক জব্দ কৰিবলৈ তেওঁ ৰূপহীৰ পৰা এইটো ভাল উপায় পাইছে। যৌৱনে লহিয়ালেও ৰূপহী এতিয়াও আটিল গাভৰু। তেওঁৰ বৰ মৰমৰ।

মানুহবোৰ পিছে উলটি আহি অৰূপ ৰতনক বিমোৰত পেলালে। তেওঁ অতিশয় আচৰিত হ'ল—কি সাহসত বাৰু মানৱ বিকাশে দেৱ কাৰ্যত হকাবধা কৰিলে। কিন্তু মানৱ বিকাশৰ যুক্তিও তেওঁ দলিয়াই পেলাব নোৱাৰিলে। ফলত মানুহবোৰে আহি যেতিয়া অৰূপ ৰতনক খাটনি ধৰিলে মানৱ বিকাশৰ লগত মুখামুখি হ'বৰ কাৰণে—তেওঁ বেচ দোধোৰ-মোধাৰত পৰিল। মানৱ বিকাশৰ লগত বাক্ যুদ্ধত নামিবলৈ তেওঁৰ অন্তৰতো শঙ্কাৰ উদ্ৰেক হ'ল। ৰূপহী আৰু চন্দ্ৰ-ৰূপেও নাভাবি নিচিন্তি এই বিষয়ত আগ নাবাঢ়িবলৈ তেওঁক বুজনি দিলে। তেওঁ সিহঁতৰ কথাত পতিয়ন গ'ল।

মনে মনে গছজোপাৰ ওচৰলৈকে নোযোৱাটোৱে ঠিৰাং কৰি তেওঁ মানুহবোৰক বুজালে—'মানৱ বিকাশে দেৱ কাৰ্যত হকাবধা কৰি যি ঘোৰ অন্যায় কৰিলে সেই খবৰ ইতিমধ্যে দেৱতাৰ কৰ্ণগোচৰ হৈছে। কোনো কথাই দেৱতা সকলৰ অবিদিত থাকিব নোৱাৰে। এই অৱস্থাত মই নিজে গৈ মানৱ বিকাশক বুজাই মেলি সৈমান কৰা কথাটো যুক্তিযুক্ত হ'বনে নহয় তাৰ উত্তৰ দেৱতা সকলেহে দিব। গতিকে মই আশা কৰো অতি শীঘ্ৰে দেৱবাৰ্তা বহন কৰি দেৱপ্ৰতিভূসকলৰ কোনোবাজন ইয়াত উপস্থিত হ'বহি। সেইদিনা-খনলৈকে আমি অপেক্ষা কৰিব লাগিব।"

মানুহবোৰ ঘৰাঘৰি গুচি গ'ল গৈ। সিহঁতৰ মুখবোৰ অধ্যয়ন কৰি অৰূপ ৰতনৰ ধাৰণা হ'ল—তেওঁৰ কথাত মানুহবোৰ সন্তুষ্ট হোৱা নাই। অৰূপ ৰতনে নিজেও সন্তুষ্ট হ'ব নোৱাৰিলে। দেৱপ্ৰতিভূসকলৰ অনুমতি নোলোৱাকৈ তেওঁ ৰূপহীৰ কথা মতে এই কামটোত আগবাঢ়িছিল। অৱশ্যে দেৱপ্ৰতিভূ সকলে যে এই কাৰ্যত সমৰ্থন জনাব সেই বিষয়ে তেওঁ নিশ্চিন্ত আছিল। সেইবাবে তেওঁ মনে প্ৰাণে আশা কৰিলে—মানৱ বিকাশৰ এই দেৱ বিৰোধী কাৰ্য নিশ্চয় দেৱগণ সকলৰ কৰ্ণগোচৰ হৈছে। ইয়াৰ উচিত বিধান তেওঁলোকে অতি সোনকালে কৰিব। অন্যথাই দেৱ প্ৰতিনিধি হিচাপে ৰংপুৰত তেওঁৰ স্থান অৱনমিত হ'ব। আৰু সেইটো দেৱতাসকলে সেহিয়াও হ'ব নিদিয়ে। ব্যাপক ধ্যানৰাজ আৰু আনন্দ প্ৰকাশৰ কথাও মনলৈ আহিল তেওঁৰ। অৰূপ ৰতনক প্ৰবোধ দিয়াৰ উদ্দেশ্যে ৰূপহী সেইদিনা ৰাতি অৰূপ ৰতনৰ আলহী হ'ল।

এই ঘটনাৰ দহ-বাৰ দিনৰ পিছতেই দেৱপ্ৰতিভূ জন বিলাসে দুজন লগৰীয়াৰে সৈতে ৰংপুৰলৈ আহিছিল। তেওঁলোকৰ পদাৰ্পণৰ বাতৰি পোৱা মাত্ৰকে ৰংপুৰৰে বৃজন সংখ্যক লোকে দেৱমন্দিৰলৈ ঢাপলি মেলিলে। সিহঁতৰ আশা আছিল জন বিলাসে নিশ্চয় দেৱ-বাৰ্তা বহন কৰি লৈ আহিছে। গতিকে মানৱ বিকাশৰ পাপৰ পৰিণাম কি হ'ব, আঁহত গছ জোপাৰ কি ব্যৱস্থা কৰা হ'ব—এই বিলাক বিষয়ে দেৱপ্ৰতিভূসকলে নিশ্চয় সিহঁতক ভু দিব।

কিন্তু সিহঁত গৈ পোৱাৰ আগতেই দেৱপ্ৰতিভূসকলে অৰূপ ৰতনৰ মুখে ঘটনাটিৰ সবিশেষ জানিব পাৰিলে। মনে মনে জন-বিলাস অলপ বিৰক্তও হ'ল—অৰূপ ৰতনৰ ওপৰত। পৰিস্থিতি, পৰিবেশ সম্যক ধৰণে অধ্যয়ন নকৰাকৈ এনেধৰণ কামত হাত দিলে হিতে বিপৰীত হোৱাৰ সম্ভাৱনাহে অধিক। ৰূপহী তিৰোতাজনীৰ প্ৰতি তেওঁৰ কিন্তু নতুনকৈ কৌতুহল উপজিল। ভাইক তেওঁ ভালদৰে

চিনি পায়। এতিয়া তাইৰ কাৰ্যকলাপ, চৰিত্ৰ সম্পৰ্কেও মোটামুটি ধাৰণা এটি কৰি ল'লে তেওঁ। তেওঁ মনে মনে ঠিক কৰিলে যৌৱনৰ আঁচোৰ নপৰা ৰূপহীৰ লগত নিভৃতভাৱে তেওঁ কিছুমান কথা আলোচনা কৰিব।

আনহাতে সেইলোকৰ অনুপস্থিতি মানুহবোৰে যে আৰু গছ-জোপাৰ ওচৰলৈ নাযায় সেই বিষয়ে নিশ্চিত হৈ জনবিলাস বেচ ভাৱনাত পৰিল। সেইলোকৰ উপস্থিতিকো যদি কামটো নিসিজে তেনেহলে বৰ লাজৰ কথা হ'ব। জনবিলাসে নিজেও বজিব নোৱাৰিলে এই বিষয়টো দেৱতাসকলে কেনে হিচাপে ল'ব। আনকি দেৱৰক্ত বহনকাৰী হ'লেও জনবিলাসৰ নিজৰ ওপৰতে অবিশ্বাস জন্মিল। মানৱ বিকাশ হৈমান নহ'লে এইটো কাম যে সহজতে কৰিব পৰা নাযাব সেই বিষয়ে দেৱপ্ৰতিভূ তিনিজনে পৰিয়ন হৈ আন কৰ্মপন্থা হাতত লোৱা যুক্তিযুক্ত হ'ব বুলি ঠিৰাং কৰিলে।

তেওঁলোকক লগ পাবলৈ অহা মানুহবোৰক জনবিলাসে বজনি দিলে —'দেৱতাৰ কাৰ্যত হকা-বধা কৰি মানৱ বিকাশে সি মহাপাপ কৰিলে — তাৰ কোনো ক্ষমা নাই। তাৰ উপযুক্ত শাস্তি দেৱতাবৃন্দই ইতিমধ্যে ঠিক কৰি থৈছে। সেইবাবে এই বিষয়ত নিজানবীয়াকৈ কাৰ্যপন্থা গ্ৰহণ কৰাত আমাৰ ওপৰতো বাধা নিষেধ আৰোপ কৰা হৈছে। কিন্তু মানৱ বিকাশে যিখিনি কথা কৈছিল — যে বংপুৰৰ অধিকাংশ মানুহে এতিয়াও বংপুৰ ককাৰ স্মৃতি অন্তৰত সজীৱ কৰি ৰাখিছে, — সেই কথাখিনি যদি সত্য হয় তেনেহলে বংপুৰৰ ভৱিষ্যত উন্নতি বৃথা। গতিকে ককাৰ স্মৃতিক বংপুৰৰ ভৱিষ্যত উন্নতিৰ পথৰ কণ্টক হিচাপে চিন্তা কৰাহে যুক্তিসংগত। দেৱতাসকলৰ এতিয়া আৰু এইটো ইচ্ছা নহয় যে গছজোপা কাটি পেলোৱা হওক, শিলচটা নদীগৰ্ভত বিসৰ্জন দিয়া হওক। এই দুইপদ অমঙ্গলীয়া বস্তু চকুত পৰা মাত্ৰকে বংপুৰীয়া ৰাইজৰ—ককা আৰু মানৱ বিকাশৰ পাপকাৰ্য বিলাক মনলৈ

আছে,—সম্প্ৰতি দেৱতাসকলৰ এয়েই বিধান।'

জনবিলাসে আৰু বহু কথা কলে। দেৱতাসকলক শ্ৰদ্ধাভক্তি কৰা, তেওঁলোকৰ প্ৰতিটো নিৰ্দেশ নিৰ্ব্বিবাদে পালন কৰা ৰংপুৰৰ উন্নতিৰ বাবে যে বিধেয় সেই বিষয়ে তেওঁ বহুলাই বৰ্ণনা কৰিলে।

কিন্তু দেৱতাৰ শক্তিৰ পৰিচয় দিবলৈ আহি ৰংপুৰৰ মানুহবোৰৰ নিৰাশ হৈ ঘূৰি যোৱাটো যেন বোধ হ'ল জনবিলাসৰ। লগৰীয়া দুজনৰ লগত আলোচনা কৰি তেওঁ মানৱ বিকাশক মতাই আনি তাৰ মনৰ ভাব বুজি লোৱাটোৱেই উচিত বুলি বিবেচনা কৰিলে। মানুহ এজনৰ দ্বাৰা তেওঁ তাক মাতি পঠিয়ালে

মানৱ বিকাশ নাহিল। পুনৰ তেওঁৰ বাবে সি দৰবাৰক লঙ্ঘন কৰিলে। তাৰ কাৰণে সম্পূৰ্ণ এটা দিন অপেক্ষা কৰি—দেৱপ্ৰতিভূসকলে নতুন ৰংপুৰলৈ প্ৰস্থান কৰিলে।

জনবিলাসে তেওঁক লগ ধৰিবলৈ অহা মানুহখিনিক দিয়া বুজনি কিন্তু অথলে নগ'ল। সেই দিনাখনৰ কাৰ্য সাধন যে নহ'ল সেইটো— মানৱ বিকাশৰ বিচাৰ সিদ্ধান্ত সমূহ পৰাজয় বুলিয়েই ধৰি ললে মানুহবোৰে। মানৱ বিকাশ পৰা হয় সিদ্ধান্ত স্পষ্ট ধাৰণা হ'ল মানৱ বিকাশে ৰংপুৰৰ উন্নতিৰ বিপৰীতে কাম কৰি আছে। চন্দ্ৰ পাপ-ৰূপহীয়েই এই বিষয়টোত মুখ্য ভূমিকা গ্ৰহণ কৰিলে।

: মানৱ বিকাশে এইটো কিন্তু ভাল কাম নকৰিলে; দেৱপ্ৰতিভূসকলে মাতি পঠিওৱা সত্ত্বেও সি তেওঁলোকক দেখা নকৰিলে।

: দেৱপ্ৰতিভূসকলক অৱমাননা কৰাৰ সাহস সি বাৰু কেনেকৈ পালে?

: তাৰ অৱস্থাও যে ককাৰ দৰে হ'ব—সেইটো ধুৰুপ।

: এৰা। সি জানো এবাৰ গলত টেমা মাৰি ধৰি মহান স্বৰূপ কুমাৰক মাৰিব খোজা নাছিল?

: সি নহয় হ'বলা –। তাৰ বাপেকেছে নেকি ?

: তাৰ সকলো পাপ কাম কিন্তু দেৱতা সকলে মনত ৰাখি আছে। তাৰ অনিষ্ট হ'বই হ'ব।

: তাৰ লগতে আমাৰ ওপৰতো দেৱৰোষ নপৰিলেহে ৰক্ষা।

: চেগ বুজি চন্দ্ৰৰূপে মন্তব্য কৰিলে –'মানৱ বিকাশৰ লগত মিলামিছা কৰা কথাটো এতিয়া আৰু দেৱতাসকলে পচন্দ নকৰে। তাৰ পৰা আঁতৰি ফুৰাই মঙ্গলজনক। আনকি তাৰ লগৰীয়া বোৰৰ পৰাও আমি সাৱধান হোৱা উচিত।

: দেৱপ্ৰতিভূসকলে সেই বিধান দি গৈছে নেকি ?

: অকল সেয়ে নহয়, দেৱমন্দিৰৰ ওচৰৰ দেৱদাৰু গছজোপা কাটিবলৈকেও আমাৰ্লৈ আদেশ প্ৰেৰণ কৰা হৈছে।

: কিন্তু সেই গছ ডালেতো কোনো অনিষ্ট কৰা নাই।

: বৰং গছ ডালে দেৱমন্দিৰৰ জেউতিহে চৰাইছে।

: যিখন ঠাইত দেৱৰক্ত বহনকাৰী দেৱতা এজন সাক্ষাৎ বিৰাজমান —সেই ঠাইখনৰ শোভা বৰ্দ্ধনৰ বাবে সামান্য এজোপা গছৰ কোনো প্ৰয়োজন নাই। ৰংপুৰ ককাৰ মহাপাপে গছজোপাকো অপবিত্ৰ কৰিছে বুলি দেৱতাসকলৰ ধাৰণা।

: কিন্তু গছজোপাৰ ওপৰলৈ উঠিলেই গোটেই ৰংপুৰ পথাৰখন চকুৰ আগত জিলিকি উঠিছিল।

: এৰা ! খেতিৰ আলেখলেখ চাবলৈ গছজোপা বেচ ঠাইতে আছিল।

: ভূত-ভৱিষ্যত-বৰ্তমান টিলিকতে কৈ দিব পৰা দেৱতাসকল যাৰ সহায়—সিহঁতক তেনে গছ এজোপাৰ প্ৰয়োজনেই বা কি ?

: ঠিক কথা।

দুইদিনমানৰ পাছত কৌটিকলীয়া বুঢ়া দেৱদাৰু গছজোপা ভূলুণ্ঠিত হৈ পৰিল।

সেমেকা চকুৰে মানৱ বিকাশহঁতে সেই দৃশ্য অৱলোকন কৰিলে।

ৰংপুৰৰ ল'ৰা-ছোৱালী বিলাকৰো আঁহত গছজোপা আৰু শিল-চটাৰ ওচৰত খেলাধূলা কৰা বন্ধ হ'ল। অতি কম দিনৰ ভিতৰতে ঠাইডোখৰ ইমান অস্পৃশ্য হৈ পৰিল যে মানৱ বিকাশ, আনন্দ প্ৰকাশ আদি দুই এজন মুষ্টিমেয় মানুহৰ বাহিৰে সেই ঠাইডোখৰত ৰংপুৰীয়া ৰাইজৰ পদধূলি পৰা বন্ধ হ'ল। অতি কমদিনৰ ভিতৰতে বনৰীয়া ঘাঁহ-বন গজি ঠাইখন জয়াল ঠাই এখনলৈ পৰিবৰ্তিত হ'ল। মানৱ বিকাশেও এই বিষয়ে ৰংপুৰীয়া ৰাইজক দুনাই কোনো কথা কোৱাৰ, বুজাবলৈ চেষ্টা নকৰিলে। 'সময়ত সিহঁতে হয়তো নিজেই বুজিব। সেইদিনাখন ঠাইডোখৰ পুনৰ সিহঁতৰ মানত দেৱমন্দিৰ থকা ঠাইখনৰ দৰে পবিত্ৰ হৈ উঠিব। পুনৰ নিকা হ'ব ঠাইখন। ৰংপুৰ ককা—ৰংপুৰীয়া ৰাইজৰ মাজত পুনৰ জিলিকি উঠিব। ৰংপুৰ বংশধৰ সকলে তাত খেলৰ পোহাৰ মেলিব।

আনন্দ প্ৰকাশ আৰু ধানৰাজুকো সঁকিয়াই থলে মানৱ বিকাশে,—সিহঁতে যেন উপযাচক হৈ ঠাইডোখৰ সম্বন্ধে কোনো কথা ৰাইজৰ আগত নুলিয়ায়। 'কিছুমান কথা ৰাইজে ঠেকি শিকা উচিত, জোনেং ধৰণৰ কথাবোৰ জোৰ কৰি শিকাব গলে হিতে-বিপৰীত হোৱাৰ হে বেছি আশঙ্কা।'

মানৱ বিকাশৰ জীৱনলৈ অভাৱনীয় ভাৱে পৰিবৰ্তন আহিল। ৰংপুৰীয়া ৰাইজে তাক কামে কাজে এঘৰীয়া কৰিলে। উপযাচি তাৰ ওচৰলৈ গৈ খেতিবাতি সম্বন্ধীয় উপদেশ ল'বলৈ যোৱা বন্ধ হ'ল। কিন্তু ৰাইজে ভয় খায়েই হ'বলা তাক পথাৰত নাঙলৰ আঁচোৰ মৰাৰ পৰা, পকা ধানৰ পথাৰত কাচিৰ খেপ মৰাৰ পৰা বিৰত ৰাখিব নোৱাৰিলে। ৰাইজৰ তাৰ প্ৰতি গঢ়ি উঠা মনোভাৱৰ কাৰণে মানৱ বিকাশেও সক্ৰিয়ভাৱে যিকোনো কথাতে যোগদান কৰাৰ পৰা বিৰত থাকিল। আজিকালি জীপোন মানুহ বুলিবলৈ তাৰ ঘৰৰ মানুহখিনি,

ধ্যানৰাজ আৰু আনন্দ প্ৰকাশৰ পৰিয়াল দুটিহে অৱশিষ্ট ৰ'ল।

বংপুৰীয়া ৰাইজে তাৰ প্ৰতি কৰা ব্যৱহাৰে মানৱ বিকাশৰ দেহৰো অভাৱনীয় পৰিবৰ্তন সাধিলে। অতি কম দিনৰ ভিতৰতে সি এজন বৃদ্ধ মানুহলৈ ৰূপান্তৰিত হ'ল। তাৰ দেহৰ এই পৰিবৰ্তন লক্ষ্য কৰি বংপুৰৰ সাধাৰণ মানুহৰ বুজিবলৈ বাকী নাথাকিল যে স'চাকৈয়ে তাৰ ওপৰত দেৱতাৰ শাওপাত পৰিছে। জন বিলাসে বংপুৰৰ জন মানসত দেৱতা সকলৰ শ্ৰেষ্ঠত্ব প্ৰতিভাত কৰিবলৈ পুনৰ্বাৰ সমৰ্থ হ'ল। ৰাইজৰ দ্বাৰা অনাদৃত ঠাই ডোখৰ মানৱ বিকাশৰ অৱসৰ বিনোদনৰ মুখ্য স্থান হৈ পৰিল।

অবোধ মানুহ বিলাকৰ অনুদাৰ কীৰ্তি কলাপে মানৱ বিকাশক গভীৰ ভাৱে আঘাত কৰিলেও এটা বিষয়ত সি কিন্তু আশাবাদী আছিল। তাৰ বিশ্বাস—সিহঁতে নিশ্চয় এদিন ককাক স্মৰণ কৰিব। কিন্তু সি নিজৰ দৈহিক অৱস্থাৰ বিষয়েহে গভীৰ ভাৱে নিৰাশাবাদী আছিল। মৃত্যুভয়ে তাৰ অন্তৰত ইমান দকৈ শিপালে যে মানৱ বিকাশে সচাঁ-কৈয়ে ভয় খালে—যি কোনো মুহূৰ্ত্তে সি যেন বংপুৰৰ পৰা মেলানি মাগিব লাগিব।

গতিকে মানৱ বিকাশে আৰু পলম নকৰিলে। আনন্দ প্ৰকাশ আৰু ধ্যানৰাজক লৈ বংপুৰৰ পশ্চিম দিশৰ ককাৰ দিনতে চিনাকি নিৰ্দিষ্ট ঠাই ডোখৰত বৰঢোল আৰু বৰতালৰ ছেওটো শিকাবলৈ আৰম্ভ কৰি দিলে। অতি কম দিনৰ ভিতৰতে দুয়োজনে ছেওটো আয়ত্ত কৰি ললে। মানৱবিকাশৰ বুকুৰপৰা এটা পাষাণ ভাৰ যেন আঁতৰি গ'ল। অধ্যয়নৰ শেষ দিনাখন সি দুয়োজনকে বুজনি দিলে—'ভাল দিন কাল পৰিলে সিহঁতে এই ছেওটিৰ লগত বংপুৰীয়া ৰাইজক চিনাকি কৰি দিব ঠিকেই—কিন্তু সেইদিন এতিয়াও আহি পৰা নাই। কেতিয়া আহিব ক'ব নোৱাৰি,—হয়তো সিহঁতৰো জীৱন কালত নাহিবও পাৰে। কিন্তু এদিন নিশ্চয় আহিব,—সেইদিনাখন বংপুৰীয়া

ৰাইজে ককাৰ কথা, কাৰ্যকলাপ পুনৰ নিষ্ঠা সহকাৰে স্মৰণ কৰিবলৈ আৰম্ভ কৰিব। সেইটোৱেই হʼব উৎকৃষ্ট সময়। সেইদিনটোলৈ সিহঁত নাইবা সিহঁতৰ উত্তৰ সাধক সকলে ধৈৰ্য সহকাৰে অপেক্ষা কৰিব লাগিব।' হৈমৱতীয়ে কোৱা কথাখিনি আজিকালি সঘনাই মনত পৰে। পোহৰ সম্পৰ্কে তাই কৰা ভৱিষ্যৎবাণীয়েই শেষত ফলিব কিজানি।

মানৱ বিকাশে যেন এই বিশেষ কাৰ্যটিৰ বাবেহে বাচি আছিল। ৰংপুৰীয়া ৰাইজৰ দ্বাৰা অনাদৃত, অৱহেলিত আঁহত গছজোপাৰ তলিতে সি শেষ নিশ্বাস পেলালে। মানৱ বিকাশে সেই দিনাখন দুপৰ বেলাতেই ওলাই গৈছিল। সচৰাচৰ এনে সময়ত সি ঘৰতে থাকে। ৰাতিপুৱাৰে পৰা মনটো কেনেবা কেনেবা লাগি থকা বাবে ঘৈণীয়েকে—সাঁজ লগাৰ পাছতো যেতিয়া মানৱ বিকাশ ঘূৰি নাহিল,—তেতিয়া আৰু অপেক্ষা কৰি থাকিব নোৱাৰিলে। খোজ-খবৰ লʼবৰ কাৰণে পুতেকক ধ্যানৰাজৰ ঘৰলৈকে পঠাই দিলে। ধ্যানৰাজে প্ৰথমতে কথাটোত বৰ বেছি গুৰুত্ব দিয়া নাছিল, কিন্তু মানৱ বিকাশৰ ঘৈণীয়েকৰ মানসিক অৱস্থাৰ বুজ পাই—দুয়োজনে আনন্দ প্ৰকাশৰ ঘৰলৈকে খোজ লʼলে। মাজে সময়ে মানৱ বিকাশে আনন্দ প্ৰকাশৰ ঘৰতো বহি থাকেগৈ।

আনন্দ প্ৰকাশো ধ্যানৰাজৰ ঘৰলৈকে আহিবলৈ ওলাইছিল। কিন্তু ধ্যানৰাজৰ সৈতে মানৱ বিকাশৰ পুতেক তাৰ ঘৰলৈকে অহা দেখি সি অলপ আচৰিতেই হʼল। ধ্যানৰাজৰ মুখে মানৱ বিকাশক বিচাৰি নোপোৱা কথা শুনি—প্ৰথমতে সিয়ো বিশেষ চিন্তা কৰাৰ সকাম নেদেখিলে। তিনিওজনে ভাবিলে মানৱ বিকাশ নিশ্চয় আঁহত গছজোপাৰ গুৰিত বহি শিলচটা চাই আছে। তাৰ আৰু যাবলৈ বেলেগ ঠাই নাই; আনকি ৰংপুৰ নদীটোও আজিকালি তাৰ বাবে এলাগী হৈছে। এনেয়ে তাৰ দেৱমন্দিৰলৈ আহ-যাহ কমি গৈছিল, —তাতে আকৌ দেৱদাৰু গছজোপা কাটিবৰ দিনাখনৰে পৰা এদিনো যোৱা নাই।

হাতত জোৰবত্তি লৈ সেই সন্ধিয়া বেলিকা তিনিওজনে আঁহত গছজোপাৰ ওচৰলৈকে খোজ ল'লে। নিশাৰ অন্ধকাৰত সিহঁতে গছজোপাৰ গুৰি নোপোৱালৈকে মানৱ বিকাশক মনিব পৰা নাছিল। একেবাৰে ওচৰলৈকে গৈহে সিহঁতে তাক দেখা পালে। গছজোপাৰ গুৰিত বহি মানৱ বিকাশে একমনে শিলচটালৈ চাই আছে; ওচৰতে তাৰ দাখন। দুইবাৰমান নাম কাঢ়ি মাতিও কোনো সঁহাৰি নাপাই সিহঁতৰ ভয় লাগিল। মনত অলপ সাহস সঞ্চয় কৰি আনন্দ প্ৰকাশে মানৱ বিকাশক গাত ধৰি মাতিবলৈ গৈ নিমিষতে প্ৰকৃত ঘটনাটো বুজি পালে। —গোটেই জীৱন ৰংপুৰৰ উন্নতিৰ কাৰণে চিন্তা কৰি, সদৌ শেষত অপমান আৰু গ্লানিৰ বোজা মূৰত তুলি লৈ ৰংপুৰ কৰাৰ প্ৰিয় শিষ্য মানৱ বিকাশে চিৰদিনৰ বাবে ৰংপুৰ এৰি গুচি গৈছে।

দেৱৰোষত পৰাৰ ভয়ত দুই চাৰিজন মানুহৰ বাহিৰে ৰংপুৰীয়া ৰাইজে মানৱ বিকাশৰ মৃতদেহটো উটুৱাই দিবলৈ আগবাঢ়ি নাহিল। দেৱপ্ৰতিভূসকলৰ প্ৰতিনিধি অৰূপ ৰতনবো ৰাইজৰ প্ৰতি সেয়েই বিধান আছিল।

ৰংপুৰৰ দেৱবিদ্বেষী মানুহ এজনৰ পতন ঘটিল। ★

[৭]

মানৱ বিকাশৰ অস্বাভাৱিক মৃত্যুৱে ৰংপুৰীয়া ৰাইজৰ মাজত ইমান গভীৰভাৱে ৰেখাপাত কৰিলে যে ৰংপুৰত সংঘটিত সকলৰ প্ৰতিটো ঘটনাতে সিহঁতে দেৱতাসকলৰ অদৃশ্য প্ৰভাৱ অনুভৱ কৰা হ'ল। অৰূপ ৰতনৰ শ্ৰেষ্ঠত্ব ৰংপুৰ সমাজত সম্পূৰ্ণভাৱে প্ৰতিষ্ঠিত হ'ল। মানৱ বিকাশৰ মৃত্যুৰ ঠিক আগৰ অলপীয়া দিনকেইটাৰ কাৰ্যাৱলীয়ে আনন্দ প্ৰকাশ আৰু ধ্যানবাজৰ অন্তৰতো গভীৰভাৱে আলোড়ন তুলিলে। মানৱ বিকাশৰ প্ৰতি অত্যাধিক শ্ৰদ্ধা ভক্তি থকা বাবে তাৰ কাম-কাজত প্ৰত্যক্ষভাৱে কোনো খুঁত ধৰিব নোৱাৰিলেও দেৱ-ৰোষত পৰাৰ ফলতেই যে তাৰ এনে গতি হ'ল সেই কথাষাৰো সিহঁতে নুই কৰিব নোৱাৰিলে। মানৱ বিকাশে শিকাই থৈ যোৱা ৰৰঢোল তালৰ গাৰ তেজ গৰম কৰা উদ্দাম উত্তাল ছেওটিৰ লগত ৰংপুৰীয়া ৰাইজক চিনাকি কৰি দিয়াৰ বাবে সিহঁতে উপযুক্ত পৰিৱেশ বিচাৰি নাপালে। তদুপৰি মানৱ বিকাশৰো বাধা আছে। ধ্যানবাজৰ মাকৰো সেই একেই কথা। তাই আজিকালি এনেধৰণৰ কথা বিলাকত সিহঁতৰ আলোচনাত সক্ৰিয়ভাৱে ভাগ লয়।

ৰংপুৰ সমাজত সিহঁতৰ স্থানো বহু নীচলৈ নামি গৈছে। সকলোৱে দেখ-দেখকৈ অৱমাননা কৰিবলৈ লৈছে সিহঁতক। মানৱ বিকাশৰ পৰিয়ালটিয়ো বাদ নপৰিল। মানৱ বিকাশৰ শুভাকাংখী আৰু ৰংপুৰ ককাক শ্ৰদ্ধা ভক্তি কৰা তেতিয়াও যি দুই চাৰিজন আছিল— সিহঁতেও দেৱৰোষত পৰাৰ ভয়ত আনন্দ প্ৰকাশহঁতৰ পৰা আলেঙে-আলেঙে থকা হ'ল।

ধ্যানবাজৰ মাকে চোতালত অলাই থোৱা অনিৰ্বাণ জুইকুৰাৰ চৌপাশে বহি আজিকালি তাঁই, পুতেক, বোৱাৰীয়েক, আনন্দ প্ৰকাশ

আৰু মানৱ বিকাশৰ পুতেক—পূৰ্ব্বৰ আচৰিত দেৱতাজনৰ কাহিনীৰে পৰা আৰম্ভ কৰি বৰ্ত্তমানলৈকে ৰংপুৰৰ ইতিহাস ৰোমন্থন কৰি সময় কটায়। এই সময়ছোৱাৰ ভিতৰত সংঘটিত হোৱা সৰু বৰ ঘটনাকে নিজৰ মতে সজাই পৰাই সিহঁতে নিজৰ অজানিতে ভুলে-শুদ্ধই ৰংপুৰৰ ইতিহাস ৰচনা কৰে। সেই ইতিহাস অন্তৰত গাঁথি ৰাখিবৰ যত্ন কৰে। ধ্যানৰাজৰ কথা মতে মানৱ বিকাশৰ পুতে-ককো বৰঢোল আৰু বৰতাল ছেওটিৰ লগত চিনাকি কৰি দিয়া হৈছে।

ৰংপুৰ ককা আৰু মানৱ বিকাশ—ৰংপুৰৰ এই দুইজন প্ৰৱাদ পুৰুষৰ মৃত্যুৰ পাছত বহুদিনলৈ ৰংপুৰৰ ইতিহাস স্থবিৰ অৱস্থাতে ৰ'ল। বিভিন্ন অৰ্থনৈতিক আৰু সামাজিক দিশত সৰু-সুৰা দুই-এটা দেৱতাৰ নিৰ্দেশনামাৰ বাহিৰে—ৰংপুৰৰ ইতিহাস একেটা গতিতেই প্ৰৱাহিত হৈ থাকিল। উল্লেখযোগ্য পৰিবৰ্তনৰ ভিতৰত মাথোন নতুন ৰংপুৰৰ আনন্দমেলাখনো মহা ধুমধামেৰে ৰংপুৰত উদ্‌যাপিত হোৱাৰ নিয়ম প্ৰৱৰ্তিত হ'ল। দেৱবৃন্দই ৰংপুৰীয়া ৰাইজক সকলো চিন্তা-ভাৱনাৰ পৰা নিষ্কৃতি প্ৰদান কৰিলে। খেতি-বাতি, জন্তু, মাছ মৰা আৰু গধূলি সময়ত দেৱমন্দিৰত উপাসনা কৰাৰ বাহিৰে মানুহবিলাকৰ কোনো কামেই নাথাকিল। এই নিয়ম ইমান ধীৰে ধীৰে প্ৰৱৰ্তিত হ'ল যে তাৰ ফলত চন্দ্ৰ দীপক লৈ ৰংপুৰ সমাজৰ ভিতৰতে যি এটা নতুন ফৈদে জন্ম লাভ কৰিছিল সিহঁতৰ মুখ্য কাম হৈ পৰিল—ডাঁৰৰ বাতৰি ডাঁৰে ডাঁৰে দেৱ প্ৰতিনিধি-জনক জনাই তেওঁক সকলো কামতে সহায়-সহযোগ কৰা। দেৱ প্ৰতিনিধিজনাৰ নিচেই ওচৰৰ লোক হোৱা কাৰণে এই নতুন ফৈদৰ মানুহবিলাকে আন সকলোতকৈ উচ্চ পৰ্য্যায়ৰ বুলি নিজকে বিবেচনা কৰা হ'ল।

এইবিলাক মানৱ বিকাশ জীয়াই থকা দিনৰে পৰা কালৰ গতিত নিৰূপিত হৈ অহা নিচেই সৰু সৰু ঘটনা যদিও ৰংপুৰৰ অতীত ইতিহাস ৰোমন্থন কৰি বৰ্তমানৰ ইতিহাস নীৰৱে জুকিয়াই থকা আনন্দ প্ৰকাশহঁতৰ দৃষ্টিৰ পৰা বাদ পৰি যাব নোৱাৰিলে। সিহঁতে কিন্তু নীৰৱ দৰ্শক হোৱাৰ বাহিৰে এখোজো আগুৱাই নগ'ল।

আচৰিত দেৱতাজন, স্বৰূপ কুমাৰ, ধন বিলাস, ককা আইতা মানৱ বিকাশৰ দৰে স্বকীয় বিশিষ্টতাৰে ৰংপুৰৰ ইতিহাসত—আনন্দ প্ৰকাশ আৰু ধ্যানৰাজে কোনো ধৰণৰ স্বাক্ষৰ ৰাখি যাব নোৱাৰিলে। ৰংপুৰৰ ইতিহাসে সিহঁতক অৱমাননাও নকৰিলে। সিহঁতে জীয়াই থকালৈকে এই সুদীৰ্ঘ সময়ছোৱাত এবাৰৰ বাবেও আঁহত গছ-জোপা আৰু শিল চটা থকা ঠাইডোখৰ চাফ কৰিবলৈ মন নকৰিলে; কোনো দিনে ককাই শিকাই থৈ যোৱা বৰঢোল আৰু বৰতালৰ অগ্নিময় ছেওটিৰ লগত ৰংপুৰীয়া ৰাইজক চিনাকি কৰি দিয়াৰ প্ৰয়াস নকৰিলে।

কিন্তু ৰংপুৰৰ নিচেই সীমিত বিশ্বাসযোগ্য চাম এটিৰ মাজত উত্তৰাধিকাৰী সূত্ৰেই হওক আইবা বিশ্বস্ততাৰ সূত্ৰেই হওক গুপুতে সেই অগ্নিময় ছেওটিৰ আখৰা চলিল; সিহঁতো প্ৰতিজ্ঞাবদ্ধ। ৰংপুৰীয়া ৰাইজ মানসিকভাৱে সম্পূৰ্ণ প্ৰস্তুত নোহোৱালৈকে সিহঁতে এই বিষয়ত মুখবন্ধ কৰি ৰাখিব। ৰংপুৰীয়া ৰাইজৰ পৰা সিহঁতে কেনেধৰণৰ মানসিক প্ৰস্তুতি বিচাৰিছে সেই বিষয়ে কিন্তু সিহঁতৰ সম্যক ধাৰণা নাই।

মাথোন কিছুদিনৰ ব্যৱধানত আনন্দ প্ৰকাশ আৰু ধ্যানৰাজৰ মৃতদেহ ৰংপুৰ নদীৰে পশ্চিমলৈ উটি গ'ল। ৰংপুৰ ককা, মানৱ বিকাশক ভালদৰে মনত ৰাখিবলৈ চাৰি কুৰিৰ ডেওনা গছকা ধ্যান ৰাজৰ মাকহে মাথোন জীয়াই থাকিল। ধ্যানৰাজৰ মৃত্যুৰ কিছু

দিনৰ পিছতে প্ৰৱল ধৰণৰ এটি ভূইকঁপে তিনিদিন ধৰি একেৰাহে বংপুৰখন জোকাৰি থাকিল। বংপুৰত দেৱতাৰ তাণ্ডৱ নৃত্য আৰম্ভ হ'ল। বংপুৰ নদীৰ গৰ্ভ ওপৰলৈ উঠি অহাৰ ফলত ভূইকঁপৰ পিছতে সমগ্ৰ বংপুৰ বানপানীৰ কৱলত পৰিল। মাথোন দেৱমন্দিৰ থকা ওখ ঠাইখিনিহে ৰক্ষা পৰিল। অতিকৈ আচৰিত কথা যে দেৱ-প্ৰতিভূসকলৰ প্ৰতিনিধি অৰূপ ৰতনো এই বিপদৰ পৰা ৰক্ষা নপৰিল। ভূইকঁপৰ প্ৰৱল জোকাৰণিত দেৱমন্দিৰটো ভাগি পৰিল। অৰূপ ৰতনে বাস কৰা দেৱপ্ৰতিভূসকলৰ ঘৰটিও ভাগি পৰি নিদ্ৰিত অৱস্থাতে তেওঁৰ আৰু ঘৈণীয়েকৰ থিতাতে মৃত্যু ঘটিল। তেওঁৰ ল'ৰাজন দৈবাৎহে ৰক্ষা পৰিল। চন্দ্ৰৰূপ আৰু ৰূপহীও এই দুৰ্যোগৰ পৰা ৰক্ষা নাপালে।

বংপুৰৰ মানুহবোৰে বৰ আশা কৰি আছিল—পোহৰৰ দেশৰ দেৱতাসকলে নিশ্চয়কৈ সিহঁতক এই দুৰ্যোগৰ পৰা ৰক্ষা কৰিবহি। কিন্তু সিহঁতৰ আশা নফলিল। ভূইকঁপ মাৰ যোৱাৰ পিছত বংপুৰ নদীয়ে স্থিতাৱস্থাপ্ৰাপ্ত হোৱাৰ পাছতহে নতুন বংপুৰৰ পৰা দেৱ-প্ৰতিভূসকলৰ দল এটি আহি সিহঁতৰ আশাহত অন্তৰত শান্তি সুধা বিতৰণ কৰিলেহি।

অৰূপ ৰতনে বাস কৰা দেৱপ্ৰতিভূসকলৰ ঘৰটি পোন প্ৰথমতে মেৰামতি কৰা হ'ল। তাৰ পিছত দেৱমন্দিৰটো নতুনকৈ নিৰ্মাণ কৰা হ'ল। সদৌ শেষত অস্থায়ীভাৱে প্ৰত্যেকৰে নিজ নিজ ঘৰ-বোৰ সজা হ'ল। বানপানীৰ পিছত হোৱা মহামাৰীয়ে গৰু মহকে আদি কৰি বংপুৰৰ জনসংখ্যাও হ্ৰাস কৰিলে।

নতুন বংপুৰৰ পৰা অহা দেৱপ্ৰতিভূসকলে এইবাৰ কিন্তু ভালে কেইদিন বংপুৰতে থাকি পুনৰ সংস্থাপনৰ কামত দেহেকেহে লাগি থাকিল। বংপুৰ পথাৰত পানী কমি যেতিয়া পুনৰ খেতি কৰাৰ পৰিবেশ ঘূৰি আহিল—তেওঁলোকবো নতুন' বংপুৰলৈ উভতি যোৱাৰ

দিন সমাগত হ'ল। বিপৰ্যয়ৰ যথাৰ্থতা ব্যাখ্যা কৰিবলৈ তেওঁলোকে যোৰাৰ আগদিনাখন ৰংপুৰৰ প্ৰায় সকলোবোৰ মানুহকে দেৱমন্দিৰ প্ৰাঙ্গণত গোট খুৱালে।

'ৰংপুৰীয়া ৰাইজে যি বিপদ অতিক্ৰম কৰি আহিল—দৰাচলতে সেয়া বিপদ নহয়, কল্পান্তৰ মাথোন। দেৱতাসকলৰ অমোঘ নিৰ্দেশ মতেই এই কল্পান্তৰ ঘটিল। —কিন্তু এই কল্পান্তৰৰ আৱশ্যকেই বা কি আছিল' —এইটো এটা যুক্তিসঙ্গত প্ৰশ্ন। পোহৰৰ দেশৰ পৰা পোন প্ৰথমবাৰৰ বাবে ৰংপুৰত পদাৰ্পণ কৰা আচৰিত দেৱতাজনাৰ আগমনৰ কিছুবছৰ আগতে এই কল্পান্তৰ ঘটিছিল। আচৰিত দেৱতাজনাৰ অশেষ দয়া আৰু বদনাতাৰ ফলত ৰংপুৰখনে পুনৰ ঠন ধৰি উঠিল তেওঁ তেওঁৰ নিজৰ মতে ৰংপুৰখনক সজাই-পৰাই তুলিলে। কিন্তু পাৰ কিছুবছৰ পিছৰে পৰা দেৱবিদ্বেষী একচাম লোকে পুনৰ গা কৰি উঠিল। সিহঁতে দেৱতাৰ কাৰ্যকো অৱমাননা কৰিবলৈ সাহস কৰিলে। ৰংপুৰৰ আকাশ নতাহ সিহঁতৰ দূষিত নিশ্বাসেৰে কলুষিত হৈ পৰিল। সিহঁতে দেৱপুত্ৰ জনকো হেয়জ্ঞান কৰিলেই, -আনকি মহান স্বৰূপ কুমাৰ আৰু অন্যান্য দেৱবৰ্গৰ শ্ৰেষ্ঠতাও শুদ্ধ অন্তঃকৰণেৰে মানি ল'বলৈ টান পালে। সিহঁতৰ আচাৰ-ব্যৱহাৰে প্ৰকৃত দেৱভক্ত সকলৰ অন্তৰত অহেতুক শোক কিছুমান জাপি দিলে। কিন্তু দেৱতাসকল পৰম দয়ালু, ৰংপুৰীয়া ৰাইজৰ পৰম সুহৃদ তেওঁলোক ৰাইজৰ অন্তৰত ধৰ্মীয় চেতনা জাগ্ৰত কৰিবৰ কাৰণে—তেওঁলোকে ৰংপুৰ ৰকাক আঁতৰাই নিলে। তাৰ পাছত মানৱ বিকাশক। কিন্তু তাতো কোনো ফল নোহোৱাত আনন্দ প্ৰকাশ আৰু ধ্যানৰাজকো অকালতে মৃত্যুৰ বিধান দিলে। তথাপিও দেৱতা সকলৰ বিশ্বাস নহ'ল যে তেওঁলোকৰ এই কাৰ্যই ৰংপুৰবাসীৰ অন্তৰৰ কালিমাবিলাক নিঃশেষ কৰিব পাৰিলে। ফলত তেওঁলোকে ৰংপুৰৰ সমষ্ট কুলুষ কালিমা ধুই মচি নিকা কৰিবলৈ কল্পান্তৰ ব্যৱস্থা হাতত

ল'বলৈ বাধ্য হ'ল আগৰ মোট সলাই সম্ভাব্য দেৱবিদ্বেষী সকলোকে মৰিমূৰ্ কৰি ৰংপুৰে এতিয়া আকৌ নতুন ৰূপ ধাৰণ কৰিলে।'

অৰূপ ৰতনৰ মৃত্যু সম্পৰ্কে ৰাইজৰ দ্বিধা দূৰ কৰিবলৈ দেৱ-প্ৰতিভূসকলে যুক্তি প্ৰদৰ্শন কৰিলে যে ইমান দিনে যথেষ্ট নিষ্ঠা সহকাৰে অৰূপ ৰতনে দেৱ আজ্ঞা মানি ৰংপুৰীয়া ৰাইজৰ উন্নতিৰ কল্পে কাম কৰি গ'ল। ৰংপুৰত এতিয়া তেওঁৰ কামৰ সামৰণি পৰিল। ৰাইজে তেওঁৰ আৰু তেওঁৰ ঘৈণীয়েকৰ মৃত্যু হোৱা বুলি জ্ঞান কৰিলেও—দৰাচলতে তেওঁৰ মৃত্যু হোৱা নাই। তেওঁ এতিয়া ঘৈণী-য়েকৰে সৈতে নতুন ৰংপুৰত বাস কৰিছে। ৰংপুৰৰ আনন্দমেলাত কেতিয়াবা নিশ্চয় অৰূপ ৰতনৰ আগমন ঘটিব। দেৱতাৰ আজ্ঞা অনুসৰি এতিয়া আমি অৰূপ ৰতনৰ পুতেক বীৰ শেখৰক দেৱপ্ৰতিভূ সকলৰ ফালৰ পৰা ৰংপুৰস্থ প্ৰতিনিধি হিচাপে বৰণ কৰিছো। বীৰ শেখৰৰ উদাৰ, চতুৰ নেতৃত্বত ৰংপুৰৰ সৰ্বাঙ্গীন উন্নতিয়েই দেৱতা-সকলৰ কাম্য।'

ৰংপুৰীয়া ৰাইজে দেৱপ্ৰতিভূসকলৰ বাক্য আখৰে আখৰে সত্য বুলি মানি ল'লে। সিহঁতৰ মাজলৈ পুনৰ উৎসাহ উদ্দীপনা ঘূৰি আহিল। মাথোন এই দুৰ্যোগৰ মাজতো নমৰি জীয়াই থকা ধ্যান-ৰাজৰ বুদ্ধা মাক আৰু মানৱ বিকাশৰ পুতেকে বুজি নাপালে— 'সিহঁত কিয় নমৰি জীয়াই থাকিল, —চন্দ্ৰৰূপ আৰু ৰূপহী কিয় মৰিবলগীয়াত পৰিল।'

মুমলীয়াকৈ বোৱা সত্বেও বানপানীয়ে গছকা ৰংপুৰ পথাৰৰ ধান সেইবাৰ আশাতীত ভাৱে ভাল হ'ল।

বানপানীৰ গৰাহত পৰা অমঙ্গলীয়া আঁহত গছজোপা আৰু শিলচটাৰ কোনো হানি-বিঘিনি নঘটিল। মাথোন বনৰীয়া ঘাঁহ-বন লতাবোৰ মৰি ঠাইডোখৰ মুকলি হ'ল। ধ্যানৰাজৰ মাকে মনে মনে বৰ ভয় খাই আছিল—কল্পান্তৰৰ অজুহাত লৈ দেৱবৃন্দই যদি বস্তু

দুই পদ ধ্বংস কৰিবলৈ নির্দেশ দিয়ে! কিন্তু কথাটো তেওঁলোকে কিজানি পাহৰি থাকিল। অনাদৃত ঠাইডোখৰ অতি কম সময়ৰ ভিতৰাত পুনৰ বনৰীয়া বন-জংগলেৰে পৰিবেষ্টিত হৈ পৰিল।

প্ৰবল ভূইকঁপে ৰংপুৰ নদীটো বাম আৰু বহল কৰিয়েই ক্ষান্ত নাথাকিল, চাৰিওফালৰ পৰ্বত-পাহাৰবোৰ আৰু ওখ কৰিলে। পূব দিশত দিয়া একাক ধাৰাসাৰ বৰষুণৰ ফলতেই ৰংপুৰ পথাৰ চলৰ পানীত বুৰ গৈ বাইজৰ হালখতি হ'বলৈ আৰম্ভ কৰিলে। ৰংপুৰত বলিৰ পোহৰৰ পৰিমাণো কমিল। □

[৮]

ৰংপুৰৰ ইতিহাস ভালে কেইবছৰমান যোগ হ'ল। দেৱপ্ৰতিভূসকলৰ প্ৰতিনিধি বীৰ শেখৰৰ নেতৃত্বত—এই সময়ছোৱাৰ ভিতৰত উল্লেখযোগ্য কোনো ঘটনা নঘটিল। কিন্তু অৰূপ ৰতনে দেৱতাসকলৰ পৰামৰ্শ অনুসৰি- মানৱ বিকাশ, আনন্দ প্ৰকাশ, আনকি ব্যাপক ধ্যানসাজকো তুচ্ছজ্ঞান কৰি চন্দ্ৰৰূপক হাৰিয়াৰ হিচাপে লৈ ৰংপুৰীয়া ৰাইজক দ্বিখণ্ডিত কৰাৰ পৰিকল্পনা কৰি কিছুপৰিমাণে হলেও ফলৱতী হৈছিল. -- বীৰ শেখৰৰ সুচতুৰ পৰিকল্পনাত সেইটোৱে পূৰ্ণতা লাভ কৰিলে। বীৰ শেখৰে নিয়ম বান্ধি দিলে —ৰংপুৰৰ প্ৰতিজন মানুহ দেওৰ ওচৰলৈকে অহা দেৱতাসকলৰ কাম্য নহয়। সেইমতে তেওঁ চন্দ্ৰৰূপহঁতৰ ফৈদৰ লোকসকলক এই আজ্ঞা প্ৰদান কৰিলে যে সিহঁতেহে মাথোন ৰংপুৰস্থ দেৱপ্ৰতিনিধিজনক লগ ধৰিব পাৰিব আৰু আনবোৰে সিহঁতৰ মুখেৰে দেৱ-আজ্ঞা শুনিবলৈ পাব। চন্দ্ৰৰূপৰ নেতৃত্বত যিটো নতুন ফৈদৰ জন্ম হৈছিল-- তাৰ মৃত্যুৰ পাছত সেই ফৈদটিৰ প্ৰাধান্য আৰু চৰিল। আনন্দমেলা, অন্যান্য ৰাজহুৱা কাম-কাজবোৰত সেই কথা ফটফটীয়াকৈ ওলাই পৰিল।

ৰংপুৰ সমাজৰ দ্বিতীয় শ্ৰেণীৰ মানুহবোৰ দুই এজনৰ বাহিৰে আনবোৰে বীৰ শেখৰৰ এইটো উচিত বিচাৰ বুলিয়েই ধাৰণা কৰিলে। খোৱা-পিন্ধাৰ বাহিৰে আন চিন্তাৰ পৰা হাত সাৰি থাকিবলৈ পোৱাটো সিহঁতৰ বাবে পৰম সৌভাগ্যৰ কথা যেন হ'ল। বহুদিন আগতে ৰংপুৰীয়া ৰাইজে পোহনৰ বিষয়ে কৰা জল্পনা-কল্পনাবোৰ পাহৰণিয়ে ধীৰে ধীৰে গিলি পেলালে।

ৰংপুৰৰ আৰু পৰিবৰ্তন ঘটিল। দেৱপ্ৰতিভূসকলৰ নিচেই ওচৰৰ চাম মানুহে আচৰিত দেৱভাজন মহান স্বৰূপ কুমাৰৰ বাহিৰেও—

ৰাইজৰ মাজত অন্যান্য বহুতো দেৱতাৰ মাহাত্ম্য বিতৰণ কৰিলে। প্ৰতিজন মানুহৰ ঘৰে ঘৰে বিভিন্ন দেৱ-দেৱীৰ বেদী স্থাপিত হ'ল, — পুৱা গধূলি নিতৌ সেই বেদীৰ আগত চাকি-বন্তি জ্বলোৱা নিয়ম প্ৰৱৰ্তিত হ'ল। কালক্ৰমত ৰংপুৰৰ মানুহবোৰে ব্যক্তিগত কিম্বা সামাজিক কাৰ্যত দেৱতাৰ অমোঘ নিৰ্দেশ প্ৰতিদিনে দেখিবলৈ পোৱা হ'ল।

প্ৰবল ভূইকঁপ আৰু বানপানী হোৱাৰ বছৰ ৰংপুৰ পথাৰত ভাল খেতি হোৱা সত্বেও দেৱপ্ৰতিভূসকলে ৰাইজৰ প্ৰতি অনুকম্পা দেখুৱাই ভাগত পোৱাতকৈ খাদ্য শস্য কিছু কমকৈ লৈছিল। সেইটোৱে শেষত নিয়মত পৰিণত হ'ল। ৰাইজেও ভালেই পালে। উৎপন্ন শইচৰ তিনি ভাগৰ দুখ ভাগ দিয়াতকৈ নিৰ্দিষ্ট পৰিমাণৰ অংশ এটি দিলেই সিহঁতৰ লেঠা শেষ; দেৱতাৰ ৰোষত পৰাৰো কোনো কাৰণ নাথাকে।

কিন্তু বছৰে বাগৰ সলোৱাৰ লগে লগে ৰংপুৰৰ জনসংখ্যা যেতিয়া পুনৰ বাঢ়িবলৈ লাগিল, অসময়ৰ বানপানীয়ে খেতি নষ্ট কৰিবলৈ আৰম্ভ কৰিলে—ৰংপুৰীয়া ৰাইজেও নতুন বিপদ এটিৰ সন্মুখীন হ'বলৈ আৰম্ভ কৰিলে। দেৱবৃন্দৰ দায় দায়িত্ব মাৰি ৰাখি শইচে সিহঁতৰ বছৰটো নোজোৰা হ'ল। কিন্তু দেৱৰোষৰ ভয়ত সিহঁতৰ মুখেৰে এটি কথাও বাহিৰ নহ'ল। মাছ মাৰি, চিকাৰ কৰি, বনৰীয়া আলু কচু আহৰণ কৰি, কেতিয়াবা অনাহাৰে থাকি সিহঁতে আকালৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলগীয়া হ'ল।

এবাৰ এটা ঘটনা ঘটিছিল। ৰংপুৰ পথাৰত সেই বছৰ খেতি ইমান বেয়া হৈছিল যে ৰাইজৰ কিছুমান মানুহে আলোচনা কৰি ঠিৰাং কৰিলে—সিহঁতে বীৰশেখৰৰ আগত সকলো কথা নিবেদন কৰি ক'ব যে—সেইবাৰলৈ দেৱপ্ৰতিভূসকলে তেওঁলোকৰ ভাগৰ কিছু শইচ যেন সিহঁতৰ বাবে এৰি থৈ যায়। অহা খেতিৰ বতৰত সিহঁতে সেইখিনি পূৰাই দিব। কিন্তু সিহঁতে বীৰশেখৰৰ ওচৰ চপাৰ কোনো উপায়েই কৰিব নোৱাৰিলে। দেৱ প্ৰতিনিধি জনৰ অনুচৰসকলে

সিইঁতক সেই সুবিধা কণ নিদিলে। ভগ্ন মনোবথ হৈ বীবশেখবব দর্শন লাভ কবিব নোৱাবাকৈয়ে বাইজ উভতি আহিল।

কিন্তু বিনয় প্রকাশে সিইঁতক সেই যাত্রাকৈ বক্ষা কবিলে। তাব ঘৈণীয়েকব বহুদিন হ'ল কোনো সন্তি-সন্তুতি হোৱা নাই। ঘৈণীয়েক তত্তবজীয়া দেখনিয়াব গাভক,— মাক হ'বব হৈঁপাহ। তায়েই— গিবীয়েকক খাটনি ধবিলে এবাব বীবশেখবক লগ ধবি তেওঁ আশীর্বাদ ভিক্ষা কবিবলৈ। বিনয় প্রকাশব প্রথমতে ভয়েই লাগিছিল- কিন্তু তাব শুভাকাঙ্খী বহুকেইজনে তাক উপদেশ দিলে—ঘৈণীয়েকে উচিত কথাই কৈছে। — সি দেৱপ্রতিনিধি বীবশেখবব ওচবলৈকে যোৱা উচিত। যদি তেওঁক লগ ধবাব অনুমতি লাভ কবিব পাবে--তেনেহলে সি সিইঁতব খাদাভাবব কথাও বহুলাই তেওঁব ওচবত নিবেদন কবিব পাবিব।

বিনয় প্রকাশ মান্তি হ'ল। তাবো বাপেক হোৱাব প্রবল বাসনা। ভয়ে ভয়ে সি বীবশেখবব তোষামোদকাবী অনুচব এজনব আগত তাব মনব ভাব ব্যক্ত কবিলে। তাব কথাখিনি শুনাব পাছত গাধীব একাটি যাচিবলৈ তহা তাব ঘৈণীয়েকব লগত ডুই চাবিটা কথা পাতি— সি বিনয়প্রকাশক আশ্বাস দি থৈ গ'ল- সেই বিষয়ে সি বীব-শেখবক নিশ্চয় বুজাই ক'ব।

এই ঘটনাব তিনিদিনব পাছত বিনযপ্রকাশব কলব পবিল, বীব-শেখবে তাক দেখা কবাব অনুমতি প্রদান কবিলে। এক্কস্তেকো পলম নকবি বিনয়ে বীবশেখবব ওচবত উপস্থিত হ'ল। আশা কবাতকৈয়ে অধিক আদব-আপ্যায়ন লাভ কবিলে সি। বীবশেখবে তাক প্রকৃত সত্য অৱগত কবিলে। 'দেৱতাসকলব ওচবত কবা অজ্ঞানিত অপবাধব ফলতেই সি বাপেক হোৱাব পবা বঞ্চিত হৈ আছে। এবছব কাল বীব শেখবব একান্ত মনে সেৱা শুশ্রূষা কবিলে তাব পাপ খণ্ডন হ'ব, সি বাপেক হ'ব পাবিব। কিন্তু সেই কেইদিন তাব ঘৈণীয়েকে আনকি তাব ওচবতো মৌন ব্রত পালন কবি তেওঁব কথা আখবে আখবে

পালন কৰিব লাগিব।'

বিনয় প্ৰকাশ ততালিকে মান্তি হ'ল। সাহস পাই সি ৰংপুৰীয়া ৰাইজৰ দুৰ্গতিৰ কথাও বীৰশেখৰৰ আগত বেকত কৰিলে। বীৰশেখৰে কিছুসময় চিন্তা কৰি তাক কথা দিলে যে সেই বিষয়েও নিশ্চয় কিবা এটা কৰিব লাগিব। দুই একজন দেৱপ্ৰতিভূ কিছুদিনৰ ভিতৰতে ৰংপুৰলৈ আহিব। তেওঁলোকে নিশ্চয় ৰংপুৰীয়া ৰাইজৰ দুৰ্গতি বিনাশৰ পৰিকল্পনা হাতত লৈয়েই আহিব।

বিনয় প্ৰকাশে আশা কৰাতকৈয়ো বেছি লাভ কৰিলে। ৰাইজেও ভাল পালে। 'দেৱতা—দেৱতাই; —সৰ্বসাধাৰণৰ দুখ-দুৰ্গতিৰ কথা তেওঁলোকে কিয় বুজিব!' এই ঘটনাৰ তিনি দিনৰ পাছতেই নতুন ৰংপুৰৰ পৰা তিনিজন দেৱপ্ৰতিভূৰ আগমন ঘটিল ;—তেওঁলোকে দেৱ আজ্ঞা বহন কৰি আনিছে 'খেতিৰ বিষয়ে সবিশেষ শিকিবলৈ ৰংপুৰৰ দেৱপ্ৰতিনিধি বীৰশেখৰৰ বাছনিত উঠা জেৰ কুৰি পৰিয়াল নতুন ৰংপুৰলৈ যাব লাগে। তাকৰীয়া মাটিত সৰহ শস্যৰ দৈৱিক পদ্ধতিৰ বিষয়ে এবছৰ কাল সিহঁতে তাত অধ্যয়ন কৰি পুনৰ ৰংপুৰলৈ উলটি আহিব। এয়া দেৱতা সকলোৰে নিৰ্দেশ যোগঁয়া—এতিয়া আৰু তালৈ যোৱাত সিহঁতৰ কোনো বাধা নাই।

দেৱপ্ৰতিভূসকলে খাদ্য শস্যৰ সাধাৰণ অংশ এটি ৰংপুৰীয়া ৰ ইজক দান কৰিছে। ৰংপুৰীয়া ৰাইজৰ খাদ্যাভাৱ যথেষ্ট পৰিমাণে কমিল : —জেৰকুৰি পৰিয়ালৰ খাদ্যশস্যও সিহঁতৰ বাহি হ'ল, আনহাতে দেৱতাসকলেও কৃপা কৰিলে।

আনহাতে বীৰশেখৰে বিনয় প্ৰকাশক দিয়া উপদেশ আখৰে আখৰে পালিত হ'ল। বিনয় প্ৰকাশৰ ঘৈণীয়েকৰ দেৱপ্ৰতিভূসকলৰ ঘৰটিলৈ আহযাহ আৰম্ভ হ'ল। ৰংপুৰৰ দেৱপ্ৰতিনিধি বীৰশেখৰক আঠৌটা মাহ সেৱা সৎকাৰ কৰাৰ পুণ্যৰ ফলত তাই গৰ্ভৱতী হ'ল। এবছৰৰ পাছতো ৰংপুৰৰ 'পৰা যোৱা জেৰকুৰিটা পৰিয়ালৰ একোনো

ৰংপুৰলৈ উন্নতি নাহিল। আনন্দমেলাত সেই বিষয়ে ঘূণাক্ষৰেও কোনো কথা মুলিয়ালে দেৱপ্ৰতিভূসকলে। যথা সময়ত বিনয় প্ৰকাশৰ ঘৈণীয়েকে কন্যা সন্তান এটি প্ৰসৱ কৰিলে। কিন্তু সন্তানটি জন্ম পোৱাৰ দুইমাহৰ পাছতে বংপুৰ নৈত জাপ দি তাই আত্মহত্যা কৰিলে। বংপুৰৰ ইতিহাসত সেইটোৱে প্ৰথম আত্মহত্যা। তাইৰ অকাল মৃত্যুৰ অন্ত-ৰালতো বহুসংখ্যক মানুহে দেৱতাসকলৰ কিবা মহান উদ্দেশ্য থকা বুলি পতিয়ন গ'ল। বাইজৰ দুৰ্গতি মোচনৰ অৰ্থে কেতিয়াবা দেৱতাসকলে আচৰিত কাৰ্যপন্থা গ্ৰহণ কৰে।

চাৰিকুৰিৰ ডেওনা কেতিয়াবাই পাৰ কৰি অহা ধ্যানবাজৰ মাকে সকলো সময়তে কিন্তু বাইজৰ অমঙ্গল চিন্তা কৰিয়েই আহিছে। মানুহবোৰ যে এটা সময়ত আকালৰ সন্মুখীন হ'ব সেইটো বুঢ়ীয়ে আগতেই চিন্তা কৰিছিল। তাৰ ফলশ্ৰুতি হিচাপেই নেকি—বনৰীয়া ফল একোপাৰ গুটি এটি আই মনে মনে ঘৰৰ ওচৰতে কইছিল। গছডাল ডাঙৰ হৈ লাগিবলৈ আৰম্ভ কৰাত তাই লক্ষ্য কৰিলে গছজোপাৰ ফলবোৰ ডাঙৰ আৰু সুমিষ্ট। আনন্দ কুমাৰৰ পুতেকইতে তাইক বুঢ়ীমা বুলি মাতে। সিহঁতক কথাটো কোৱাত সিহঁতবো মনত লাগিল। বনৰীয়া আলু-কচু, মাকৈ আদি যতন কৰি লগালে বনৰীয়াবোৰতকৈ উৎকৃষ্ট হ'বও পাৰে। তেনেহলে আকালৰ দিনবোৰৰ কাৰণে সিহঁতৰ চিন্তা কমিব। কথাটো বাজহুৱাভাৱে সদৰি নকৰি প্ৰথমতে সিহঁতে আঁওহতীয়া ঠাই এডোখৰত আনে গম নোপোৱাকৈ সেই শইচবিলাকৰ খেতি কৰি হাতে হাতে ফল পালে। দুই বছৰমান একেৰাহে খেতি কৰি সিহঁত এই বিষয়ত নিশ্চিন্ত হ'ল।

বংপুৰৰ ডেৰ কুৰিটা পৰিয়ালে নতুন বংপুৰলৈ দৈৱিক পদ্ধতিৰ খেতিৰ শিক্ষা আহৰণ কৰিবলৈ যোৱাৰ দুই বছৰ পাছত বংপুৰ শেহতীয়া বানপানীৰ ফলত পুনৰ আকালৰ গৰাহত পৰিল। বনৰীয়া জীৱ-জন্তুবো পৰিমাণ কমিল। চেগ বুজি মানৱ বিকাশ আৰু আনন্দ প্ৰকাশৰ

পুত্ৰেকে ৰাইজৰ আগত এদিন সিহঁতৰ আৱিষ্কাৰৰ কথা উলিয়ালে। মানৱ বিকাশ, আনন্দ প্ৰকাশ আৰু ধানবাজৰ পৰিয়ালবৰ্গক ৰাইজে আঁহত গছজোপা কটাক লৈ ঘটা ঘটনাৰ পাছৰে পৰা প্ৰায় এঘৰীয়াই কৰি থৈছিল। সিহঁতৰ কাম-কাজত কোনো চকু দিয়া নাছিল, —কথা বাৰ্ত্তাত কোনো গুৰুত্ব আৰোপ কৰা নাছিল। কিন্তু এইবাৰ কোনো এজনেও সিহঁতৰ কথা উলাই কৰিব নোৱাৰিলে। —'পেটৰ পোৱণিয়ে গুৰু গোসাঁই নামানে।' —সিহঁত ভতালিকে মান্তি হ'ল।

কিন্তু কামটো কৰিবলৈ যাওঁতে অসুবিধাও এটি ওলাল। খৰালিৰ শইচ লগোৱা কাৰ্যত দেৱবৃন্দৰ সমৰ্থন নাথাকিবও পাৰে। তদুপৰি ৰংপুৰীয়া ৰাইজৰ এইদৰে আকালৰ দিনত সিহঁতৰ পৰিত্ৰাণৰ কাৰণে দেৱবৃন্দৰ নিৰ্দিষ্ট পৰিকল্পনাও কিবা থাকিব পাৰে। পিছে তাতেও আকৌ লেঠা লাগিল। নীৰশেখৰে দেৱ নিৰ্দেশ নোপোৱালৈকে এই বিষয়ত নিজাববীয়াকৈ কোনো সিদ্ধান্ত লব'বও পাৰে। আনহাতে সেই নিৰ্দেশ অত পৰলৈকে সিহঁতে অতি কামেও এমাহমান সময় অপেক্ষা কৰিবলগীয়াত পৰে। তেনে অৱস্থাত এই বছৰলৈ সিহঁতে খৰালিৰ খেতি লগোৱাৰ কোনো আশা নাই। এটা মাহৰ পাছত সিহঁতে মূল খেতিৰ বাবেই মাটি চহাব লাগিব

মানুহ বিলাকে যি ভয় কৰিছিল, কাৰ্যতঃ সেয়াই ঘটিল। নীৰশেখৰে এই বিষয়ত হয়-না একোকেই ক'ব নোৱাৰিলে। —'দেৱ-বৃন্দক তেওঁ উপেক্ষা কৰিব নোৱাৰে।'

কিন্তু পেটৰ পোৱণিৰে অদ্ভুত নাচুকৰী শক্তি। ৰংপুৰীয়া ৰাইজে সমাগত আকালৰ দিনবোৰৰ কথা চিন্তা কৰি দেৱবৃন্দক দায়-দোষ মাৰ্জনা কৰিবলৈ কৰৰ কাৰণে নীৰশেখৰক অনুৰোধ কৰি ৰংপুৰৰ চতুৰ্দিশ আৱৰি থকা অৰণ্যাঞ্চলৰ কিছু অংশ চাফ চিকুণ কৰি মাটি চহাই বনৰীয়া আলু কচু আদি ৰোপণ কৰিলে। জন্ম পৰি থকা মাটিত— অসময়ত তুই এজাক বৰষুণ অহাৰ ফলত সিহঁতৰ খৰালিৰ

খেতি নদন-বদন হ'ল। ৰংপুৰ সমাজত এলাগী মানুহ কেইঘৰে পূৰ্বতে হেৰুৱাই পেলোৱা সন্মানৰ এচিকটা হলেও ঘূৰাই পাবলৈ সক্ষম হ'ল। ধ্যানৰাজৰ মাকেও এটি পৰম সত্য আৱিষ্কাৰ কৰিলে। —'দেৱবৃন্দক উপেক্ষা কৰিও কেতিয়াবা ভাল ফল লাভ কৰিব পাৰি। সাধাৰণ মানুহেও কেতিয়াবা অসাধাৰণ চিন্তা কৰিব পাৰে।'

খৰালিৰ ফচল উঠাৰ কিছুদিন আগতে দেৱপ্ৰতিভূসকলৰ দল এটি ৰংপুৰলৈ আহিছিল। তেওঁলোকে খৰালিৰ খেতি সম্পৰ্কে বীৰ শেখৰৰ অসম্মতি প্ৰদান কাৰ্য্য—বিশেষ তাৎপৰ্যপূৰ্ণ বুলি চিহ্নিত কৰিলে। 'বীৰশেখৰৰ অসম্মতিৰ অন্তৰালত লুকাই আছে—তেওঁৰ দেৱবৃন্দৰ ওপৰত থকা অগাধ বিশ্বাস আৰু শ্ৰদ্ধা। আনহাতে অন্তৰ্যামী দেৱতা সকলেও বাইজৰ মনৰ বতৰা আগতেই পায়। তেওঁলোকেই খৰালিৰ খেতিৰ চিন্তা বাইজৰ মগজুত সুমুৱাই দিছিল।'

ৰংপুৰৰ মানুহবোৰৰ মনবোৰ তেতিয়াহে মুকলি হ'ল। ধ্যানৰাজৰ মাকেহে মাথোন দেৱপ্ৰতিভূসকলৰ কথাবোৰ ভালদৰে বুজি নাপালে। সেই বিষয়ে উচ্চ বাচ্যও নকৰিলে তাই।

ভিতৰুৱাকৈ দেৱপ্ৰতিভূসকলে কিন্তু বীৰশেখৰকো বুজনি দিলে— বাইজৰ মন বুজি কাম কৰিবলৈ; —নহলে হিতে-বিপৰীত হোৱাৰ সম্ভাৱনা। 'সদায় নতশিৰে নিৰ্দেশ মানি চলা মানুহে যদি এবাৰ আদেশ অমান্য কৰে—তেনেহলে প্ৰতিবাৰে সিহঁতে তাকেই কৰিব।'

দেৱপ্ৰতিভূসকলে বীৰশেখৰক বুজনি দিয়া সময়ত তেওঁলোকৰ ওচৰত শৈশৱৰ ডেওনা পাৰ হোৱা বীৰশেখৰৰ ডাঙৰ পুতেকজনো আছিল। দেৱপ্ৰতিভূসকলৰ বুজনিয়ে বাপেক পুতেক দুয়োজনৰে অন্তৰত দুই ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। বীৰশেখৰৰ ভাৱ হ'ল দেৱপ্ৰতিভূৱে মনে সজা নিৰ্দেশ প্ৰদান কৰে নে দেৱতাৰ নিৰ্দেশত কাম কৰে। আনহাতে কিশোৰ পুতেক জনে দেৱ বকুনো কিমান শক্তি-শালী—সেই বিষয়েই সন্দিহান হ'ল। দেৱতা সকলেই যদি দৈৱশক্তিৰ

ফলত ৰাইজৰ অন্তৰত খৰালিৰ খেতিৰ ধাৰণা সুমুৱাই দিছিল—তেনেহলে প্ৰকাশ্যভাৱে কোৱাৰ পৰা বিৰত থাকিল কিয়? ৰাপেক বীৰ শেখৰক নতুনকৈ বুজনি দিয়াৰ কি আৱশ্যক হ'ল। দেৱৰক্ত বিহীন সকলৰ প্ৰতি অজানিতভাৱে তাৰ অন্তৰত কৰুণাৰ উদ্ৰেক হ'ল।

এই ঘটনাৰ ফলশ্ৰুতি হিচাপে বীৰ শেখৰৰ চিন্তা আৰু কাৰ্য্য পদ্ধতিৰ আমূল পৰিৱৰ্তন ঘটিল। পুতেকৰ কুমলীয়া চিন্তা শক্তিয়েও বিপৰীত পন্থা অৱলম্বন কৰিলে। ৰাপেকৰ অজানিতে সি মাকৰ মুখৰ পৰা ৰংপুৰ ইতিহাস শুনিবলৈ আৰম্ভ কৰিলে।

খৰালিৰ খেতি চপোৱাৰ পাছত ৰংপুৰীয় ৰাইজ পুনৰ শস্য ভাগ বটোৱাৰ বাবে সমবেত হ'ল। বীৰ শেখৰৰ নিৰ্দেশ—উৎপন্ন শস্যৰ তিনিভাগৰ দুইভাগ পাব দেৱবৃন্দ আৰু দেৱপ্ৰতিভূ-সকলৰ প্ৰাপ্য। কথাটো এদিন তেওঁ অনুচৰ সকলৰ হতুৱাই মানুহ বিলাকৰ আগত ব্যক্ত কৰিলে। ফলত গোমজালিৰ সৃষ্টি হ'ল; —এই বিষয়ে সিহঁতে সমান্তৰাল চিন্তা কৰা নাছিল। প্ৰতি বছৰে দেৱতাসকল আৰু দেৱপ্ৰতিভূসকলক কি পৰিমাণৰ খাদ্য শস্য দিয়া হ'ব সেইটো ভূঁইকপৰ বছৰতে নিৰ্দ্ধাৰিত হৈছে। সিহঁতে বীৰ শেখৰৰ নিৰ্দেশ উলাই কৰিলে। মানৱ বিকাশ আৰু আনন্দ প্ৰকাশৰ পুতেক পুনৰ ৰংপুৰীয়া ৰাইজৰ প্ৰতিনিধিৰ শাৰীলৈ উন্নীত হ'ল।

সিহঁতে সিদ্ধান্ত গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই জনবিলাসৰ নেতৃত্বত নতুন ৰংপুৰৰ পৰা প্ৰতিনিধি দল এটি ৰংপুৰলৈ আহিল। দেৱমন্দিৰত পুনৰ মেল বহিল। মানৱ বিকাশৰ পুতেক জনবিলাসৰ কাণসমনীয়া। বয়সতো দুয়োজনেই বয়োবৃদ্ধ। মানৱ বিকাশৰ পুতেকেই মন্তব্য কৰিলে দেৱৰক্ষকাৰী দুয়োটা দলকে যিহেতু কল্পান্তৰ পিছৰে পৰা নিৰ্দিষ্ট পৰিমাণৰ খাদ্যশস্য বছৰি বছৰি দি অহা হৈছে—তেনেস্থলত ৰাইজে যদি হাড়ক মাৰি কৰি উপকৰণ উপাৰ্জন কিছু বঢ়ায় তাৰ ভাগ তেওঁলোকে কি যুক্তিত পাব পাৰে।

জন বিলাসে উত্তৰটো প্ৰায় সাজু হৈয়েই আছিল। তেওঁ ওলোটাই প্ৰশ্ন কৰিলে, 'বংপুৰীয়া ৰাইজেনো বাক বংপুৰ, নতুন বংপুৰ, বংপুৰৰ চৌদিশে আৱৰি থকা পৰ্বত-পাগাৰ আদি, আকাশৰ তৰা বেলি জোন, —এইবিলাকৰ অধিকৰ্তা কোন বুলি ভাৱে?'

ৰাইজৰ মাজৰ পৰা কোনো উত্তৰ নাহিল। —জন বিলাসে এই আটাইবিলাকৰে গৰাকী দেৱতাসকল বুলিয়েই কব।

: এই সকলোবোৰৰে অধিকাৰী—আমাৰ আৰাধ্য দেৱতাসকল। তেওঁলোকৰ এটি মাত্ৰ আঙুলিৰ নিৰ্দেশত বংপুৰত প্ৰলয় হয়, ছকুল পানীৰে ওপোচাই বংপুৰ নদীয়ে শস্যৰ পথাৰ সেউজ সোণালী কৰে, বেলিয়ে পোহৰ বিতৰণ কৰে, জোনৰ স্নিগ্ধ পোহৰে বংপুৰ প্লাৱিত কৰে।'

কন্তেক সময় বৈ জনবিলাসে পুনৰ ক'বলৈ আৰম্ভ কৰিলে, 'খৰালিৰ খেতিৰ কল্পনাটিও দৰাচলতে দেৱতাসকলৰে। বংপুৰীয়া ৰাইজৰ খাদ্যৰ নাটনিৰ কথা চিন্তা কৰি তেওঁলোকেই সকলোৰে অজ্ঞাতে খৰালিৰ খেতিৰ কল্পনা ৰাইজৰ মনলৈ আনিছে। গতিকে সেই ক্ষেত্ৰত দেৱবৃন্দক তেওঁলোকৰ উপযুক্ত অংশটিৰ পৰা বঞ্চিত কৰিলে মহাপাতকীৰ কাম কৰা হ'ব, —তাৰ প্ৰতিফলো ৰাইজে হাতে হাতে পাব।

এইবাৰ কোনোৱে মুখেৰে নামাতিলে। দেৱতাসকলৰ প্ৰতি সিইতৰ অতিপাত ভয়। উৎপন্ন শইচৰ তিনিভাগৰ দুইভাগ বীৰ শেখৰৰ ভিন্মাত ৰখাটোৱে থিৰ হ'ল বাৰিষা বতৰত সেইবোৰ নাৱেৰে নতুন বংপুৰলৈ লৈ যোৱা হ'ব। মানৱ বিকাশ আৰু আনন্দ প্ৰকাশৰ পুতেকৰ কিন্তু মনৰ খুতুৰনি নমৰিল।

: বংপুৰৰ পৰা ডেৰকুৰিটা পৰিয়ালে যে দৈৱিক পদ্ধতিৰে কৰা খেতিৰ বিষয়ে প্ৰশিক্ষণ ল'বলৈ গৈছিল—সিইতৰ কি হ'ল? মানৱ বিকাশৰ পুতেকে প্ৰশ্ন কৰিলে।

: এবছৰৰ পিছতহে সিইত পুনৰ উলটি অহাৰ কথা আছিল?

আনন্দ প্ৰকাশৰ পুতেকৰো সিহঁতক লৈ চিন্তা ।

: সিহঁতৰ শিক্ষা এতিয়াও শেষ হোৱা নাই । দৈৱিক পদ্ধতিৰ শিক্ষা ইমান সহজ নহয় ।

: কল্পান্তৰ পিছত ৰংপুৰ নদীটো যে বাম হৈ গ'ল,—চৌদিশৰ পৰ্বত-পাহাৰবোৰ যে ওখ হ'ল, বেলিৰ পোহৰৰ পৰিমাণ কমিল—এইবিলাক কাৰ্যৰ অন্তৰালত দেৱতাসকলৰ বাৰু কি উদ্দেশ্য নিহিত হৈ আছে? —আনন্দ প্ৰকাশৰ পুতেকে পুনৰ প্ৰশ্ন কৰিলে ।

জনবিলাসে কিছু সময় মনে মনে উত্তৰ চিন্তা কৰিলে ।

—'দেৱতাৰ উদ্দেশ্যৰ বিষয়ে সাধাৰণ লোক পৰিজ্ঞাত নহয় ।'

: কিন্তু অধিক পোহৰ বিচাৰিব গৈযেইতো মহান স্বৰূপ কুমাৰ আৰু অন্যান্য সকলৰ দেৱত্ব প্ৰাপ্তি ঘটিল । তেনেস্থলত ৰংপুৰীয়া বাইজৰ ভাগত পোহৰৰ পৰিমাণ বেছি নহৈ কম হ'ল কেনেকৈ?

: আজি ইমান বছৰে দেৱতাসকলে ৰংপুৰীয়া বাইজৰ উন্নতিৰ হকে কি কাম কৰিলে? মানৱ বিকাশৰ পুতেকে প্ৰশ্ন কৰিলে

জনবিলাস বিপদত পৰিল যদিও বাপেকৰ উদণ্ড স্বভাৱৰ ভালে-খিনিয়েই তেওঁৰ স্বভাৱ চৰিত্ৰ, আচাৰ ব্যৱহাৰত প্ৰকাশ পাইছিল । দেৱকন্যাৰ ৰক্ত শিৰে শিৰে প্ৰৱাহিত হোৱা জনবিলাসে অব্যৰ্থ শৰ এপাত টুনৰ পৰা ব'ছি ল'লে ।

: দেৱতাসকলৰ কাৰ্যৰ সমালোচনা কৰিবলৈ যোৱা ৰংপুৰৰ সাধাৰণ বাইজৰ কথাতো দূৰৈৰ—আমাৰো আনকি উচিত নহয় । ইয়াতকৈ ডাঙৰ অপৰাধ আৰু নাই । দেৱতাসকলে কি কৰিছে কি নকৰিছে তাৰ ফলাফল তুই এদিনতে বিচাৰ কৰিব যোৱাৰ প্ৰতি-ফল ৰুকা, মানৱ বিকাশৰ শেষ পৰিণতিৰ মাজেৰেই বাইজে পাইছে । দেৱতাসকলে সদায় সুদূৰ ভৱিষ্যতৰ কথা চিন্তা কৰিহে পৰিকল্পনা-বোৰ হাতত লয় । সেইবাবেই অল্পবুদ্ধিৰ লোকসকলে পদে পদে তেওঁলোকৰ দোষ হে বিচাৰি পায় । কল্পান্তৰৰ সময়ত তেওঁলোকে সমগ্ৰ ৰংপুৰ নিশ্চিহ্ন কৰি দিব পাৰিলেহেঁতেন । কিন্তু তাৰ পৰিবৰ্তে

বিপথগামী সকলহে ধ্বংস হ'ল। আমি লক্ষ্য কৰিছো অতি কম সময়ৰ ভিতৰতে দেৱকাৰ্যক সমালোচনা কৰিবলৈ সাহস কৰিব পৰা একাংশ মানুহৰ পুনৰ ৰংপুৰত আবিৰ্ভাৱ হৈছে। সিহঁতে এই কথা ভাবি চোৱা নাই যে—ৰাইজৰ অন্তৰত খৰালিৰ খেতিৰ ধাৰণা দেৱতাসকলে সুমুৱাই নিদিয়া হলে ৰাইজৰ আকালৰ দিনকেইটা পাৰ কৰাটোৱেই কষ্টকৰ হৈ পৰিলহেঁতেন।

মানৱ বিকাশৰ পুতেকৰ দেহতো বাপেকৰ তেজ সঞ্চালন। সেয়ে সি কৈ উঠিল, 'খৰালিৰ খেতিৰ পৰিকল্পনা ধানবাজৰ মাকে দুইবছৰ মান আগতে পৰা কৰি আহিছিল। সকলোৰে অজ্ঞাতসাৰে আমি কেইজনমানে হাতে-কামে বুঢ়ীমাৰ লগত কাম কৰি আশানুৰূপ ফল লাভ কৰাৰ পাছতহে ৰাইজৰ আগত কথাটো ব্যক্ত কৰিছিলো। দেৱতাসকলেনো তাক দেৱনির্দেশ অমান্যকাৰী হিচাপে এজনীৰ ওপৰত এই ভাৱ কিয় পোষণ কৰালে?

জনবিলাস স্তম্ভিত হ'ল। ঘৃণাক্ষৰেও তেওঁ এই কথা আজিলৈকে কাৰো মুখে শুনা নাই। কিছুসময় মৌন মাৰি থাকি শেষত আত্মপক্ষ সমৰ্থন কৰি তেওঁ তীব্ৰ ভাষাৰে কবলৈ আৰম্ভ কৰিলে, 'বিদ্যুৎ চঞ্চলৰ ঘৈণীয়েক বাবে, ধীৰ শেখৰৰ আইতাক বাবে আজিকোপতি দেৱতাসকলে ধানবাজৰ মাকক সহ্য কৰি আছে— জানোচা বুঢ়ীয়ে প্ৰকৃত পথেৰে খোজ কাঢ়েই। কিন্তু কাৰ্যতঃ সেইটো হৈ নুঠিল। গতিকে অতি শীঘ্ৰেই ৰংপুৰীয়া ৰাইজে তাইৰ ভয়াবহ শেষ পৰিণতি নিজ চকুৰে দেখিবলৈ পাব।

: এইটো কিন্তু মোৰ প্ৰশ্নৰ উত্তৰ নহ'ল'

মানৱ বিকাশৰ পুতেকক সম্পূৰ্ণভাৱে উপেক্ষা কৰি জনবিলাসে পুনৰ তেজস্বী ভাষাত কবলৈ আৰম্ভ কৰিলে—'দেৱতাসকলে তেওঁলোকৰ একালৰ বাসস্থান চেনেহী ৰংপুৰৰ অকাল পতন কোনোদিনে নিবিচাৰে। সেয়ে দেৱতাসকলৰ ইচ্ছা—দেৱনির্দেশ লঙ্ঘনকাৰী ৰংপুৰৰ মহাপাপী বিলাকক ধ্বংস কৰিবলৈ আক সহজতে প্ৰাকৃতিক দুৰ্যোগৰ সহায় লয়।

সেই ভাৰ তেওঁলোকে বীৰ শেখৰৰ ওপৰতে ন্যস্ত কৰিছে। তেওঁৰ নেতৃত্বত দেৱাদেশ লঙ্ঘনকাৰীসকলক সমাজত বিদ্যমানে শাৰীৰিক নির্যাতন নাইবা তেনেধৰণৰ শাস্তি দিয়া হ'ব।

ধ্যানবাজেও দেৱতাৰ অমোঘ নির্দেশৰ কথা শুনিলে। চোতালত জ্বলাই থোৱা তুঁহ জুইকুৰাৰ উমান লৈ লৈ বুঢ়ীয়ে হাঁহিলে ৰংপুৰ নদীৰে উটি গ'লগৈ মাখোন ৰৈ থকা বুঢ়ীয়ে এতিয়া পাবলৈয়ো একো নাই, হেৰুৱাবলৈও একো নাই। দেৱবৃন্দৰ প্ৰৰোচনাত নাইবা বিবেচনাত গিৰীয়েক বিদ্যুৎ চঞ্চলৰ মৃত্যু ঘটিল, অকালতে প্ৰাণ হেৰুৱালে ধ্যানবাজে—আনন্দ প্ৰকাশে। নাতি পৰিনাতি সকলোকো বুঢ়ীয়ে আজিলৈকে চাব পোৱা নাই। এনে অৱস্থাত ৰংপুৰ কলা, মানৱ বিকাশ, ধ্যান, আনন্দ প্ৰকাশ বিহীন ৰংপুৰত এখন্তেকো বাচি থকাৰ ইচ্ছা নাই তাইৰ। তেনে অৱস্থাত তাইৰ পৰিনাতি বীৰ শেখৰে তাইক কি শাস্তি দিছিল জুইকুৰা কুৰাই দি পুনৰ মনে মনে চাহিলে ধ্যানবাজৰ মাকে।

সেই মেলখনৰ পিছৰে পৰা দৈৱ শক্তিৰ প্ৰভাৱত মানৱ বিকাশ আৰু আনন্দ প্ৰকাশৰ পুতেকৰ ৰংপুৰ সমাজত স্থান পুনৰ তললৈ নামিল। জ্ঞানবিলাস আৰু তেওঁৰ সহযোগী দেৱপ্ৰতিভূ সকলৰ অনুমতি সাপেক্ষে খৰালিৰ শইচৰ কিছু অংশ মনে মনে বিতৰণ কৰি বীৰ শেখৰে অনুচৰ বিলাকক তেওঁৰ আজ্ঞাবাহী চাকৰলৈ ৰূপান্তৰিত কৰিলে। ৰংপুৰৰ ইতিহাসত দেৱনির্দেশ অমান্যকাৰী সকলক দেৱ মন্দিৰ প্ৰাঙ্গণত শাৰীৰিকভাৱে নির্যাতন কৰাৰ প্ৰথা প্ৰচলিত হ'ল।

ধ্যানবাজৰ মাকৰ সঙ্গী আৰু দুজন বাঢ়িছে। আনন্দ প্ৰকাশ আৰু মানৱ বিকাশৰ নাতিয়েক বুঢ়ীৰ নয়নৰ মণি। আন বিলাকেকো অৱশ্যে তাই অনাদৰ নকৰে। ৰূপেশহঁতৰ পৰা মনে মনে শিকি লোৱা স্বৰচোল আৰু ৰূপতালৰ ছেওটে এদিন সিহঁত দুয়োজনে ধ্যানবাজৰ মাকক অৰণ্যৰ মাজলৈ মনে মনে লৈ গৈ বজাই শুনাইছিল।

ঢোল-তালৰ ছেৱে ছেৱে হাত চাপৰি বজাই অৱশেষত তাই হুক্-হুকাই কান্দিছিল। বুঢ়ীয়েই সেইদিনাখন সিহঁতক মনে মনে বুজনি দিলে—সিহঁতৰ মনে মিলা দুই-চাৰিজনক ছেওটি শিকাই দিবলৈ। সিহঁতেও কথা দিলে, বাপেকহঁতেও নিশ্চয় সম্মতি দিব। হাজাৰ হওক ককা, মানৱ বিকাশহঁতেও বুঢ়ীৰ কিছুমান কথাত যুক্তি বিচাৰি পাইছিল।

কিছুদিনৰ আগতে মাথোন দেৱপ্রতিভূ সকলে বীৰ শেখৰক বিপুল শক্তিৰ অধিকাৰী কৰি দোষীৰ শাস্তি বিধানৰ ভাৰ অৰ্পণ কৰি গৈছিল। কিন্তু দৈৱ বিৰম্বনাত তেওঁৰ ঘৈণীয়েক আৰু ডাঙৰ পুতেক অৰুণ কিৰণেই দেৱ নিৰ্দেশ লঙ্ঘনকাৰী প্রধান দোষী হিচাপে চিহ্নিত হ'ল।

বাপেক বীৰ শেখৰৰ কাৰ্য্যকলাপ লক্ষ্য কৰি, মাকৰ মুখে বংপুৰৰ খণ্ডিত ইতিহাস শুনি শুনি শৈশৱৰে পৰা অৰুণ কিৰণৰ অন্তৰ অন্য ধাতুৰে গঢ় লবলৈ আৰম্ভ কৰিছিল। বাপেকৰ হাক-বচন-নামনি,—বংপুৰৰ শিশু-কিশোৰৰ জাকটিৰ লগত কোনো ভেদা-ভেদ নাৰাখি সিহঁতৰ যিকোনো কামতে অংশ গ্রহণ কৰা অৰুণ কিৰণক দেখি বংপুৰৰ প্রায় ভাগ মানুহেই আলোচনা কৰিছিল বীৰশেখৰৰ এইজন শিশুৰ দেহত কিজানি ককাক ধানৰাজৰ তেজৰ প্ৰভাৱ হে বেছি। দেৱতা, দেৱপ্রতিভূ, বংপুৰৰ সাধাৰণ ৰাইজ, নিজৰ পৰিয়ালটিৰ উত্থান পতন, পুনৰুত্থানৰ, কাহিনীবোৰ দেখি শুনি নিচেই শৈশৱ কালৰে পৰাই তাৰ চিন্তা শক্তি পৃথক হৈ অন্য সোঁতেৰে ধাৱমান হৈছিল। তাৰ শিশু মনে কেতিয়াও বংপুৰ ককা, মানৱ বিকাশক সমাজৰ বুকুত হেয় প্রতিপন্ন হোৱা কামনা কৰ' না'ছিল বাবেই—কোটিকলীয়া আইঁত গছজোপা কাটিবলৈ যো-জা কৰা কামটো মনে প্রাণে মানি লব পৰা নাছিল। সাধু কথাৰ চলেৰে মাকে যেতিয়া আজো ককাক ধান ৰাজৰ কথা কৈছিল,— তাৰ মাকৰ কথা কৈছিল—অৰুণ কিৰণৰ ইচ্ছা' কৈছিল—সি যেন

দৌৰ মাৰি গৈ ধানৰাজৰ মাকৰ কোলাত বহি হেপাহ পলুৱাই ৰংপুৰীয়া ৰাইজৰ বিষয়ে শুনিব।

অৰুণ কিৰণৰ মাকৰ স্বভাৱো গিৰীয়েক শিৱশেখৰৰ লগত একেবাৰে খাপ নোখোৱা বিধৰ আছিল। তাই ধানৰাজৰ মাকৰ দূৰ সম্বন্ধীয়া নাতিনী ছোৱালী। শিৱশেখৰে ৰংপুৰীয়া ৰাইজৰ মাজত দেৱতাৰ নিৰ্দেশ পালনৰ অৰ্থে যিবিলাক নিয়ম বান্ধি দিছিল তাইয়ে সেইবোৰ মনে প্ৰাণে সমৰ্থন কৰিব পৰা নাছিল। বিয়াৰ (যোৰ পতাৰ) আগতে তাই ধানৰাজৰ মাকৰ লগত তাৰ ঘৰে লাগি সততে আছিল। ধানৰাজইতে নতুন ৰংপুৰলৈ যাব নোখোজা কথাটিয়ে তাইৰ শিশু মনত এনেদৰে ৰেখাপাট কৰিছিল যে—তাইৰ মানত ধানৰাজ আৰু তাৰ মাকহে যেন সাক্ষাৎ দেৱ-দেৱী আছিল। আনকি বিয়াৰ পিছতো অনেক দিন তাই শিৱশেখৰক শায়না ধৰিছিল পুত্ৰেক অৰুণ কিৰণক এবাৰৰ বাবে হ'লেও বুঢ়ী শাহুৱেকক দেখুৱাই আনিবলৈ। শিৱশেখৰে কিন্তু অনুমতি নিদিলে। 'দেৱতাৰ প্ৰতিনিধি হৈ সাধাৰণ তিৰোতা এজনীৰ ঘৰলৈ যোৱা সন্মান হানিকৰ।' আচৰিত হৈছিল শিৱশেখৰৰ ঘৈণীয়েক। 'তাইৰ কোলাৰ কেচুৱাটিও জানো এদিন সাধাৰণ তিৰোতা বুলি তাইক অৱজ্ঞা কৰিব!'

সাধাৰণ ঘৰৰ ছোৱালী,--মুকলিমূৰীয়াকৈ ডাঙৰ হোৱা শিৱশেখৰৰ ঘৈণীয়েকে দেৱ প্ৰতিনিধি শিৱশেখৰৰ লগত কোনো দিনে সুখৰ সংসাৰ ৰচনা কৰিব নোৱাৰিলে। দেৱৰোষত পৰাৰ ভয়ত সদায় তৰ্কৰ পৰা আঁতৰত থাকিলেও—অতিকোপিত দেৱনিৰ্দেশৰ দোহাই দি শিৱশেখৰে প্ৰচলন কৰা কোনো এটা নিৰ্দেশকে তাই মনে প্ৰাণে গ্ৰহণ কৰিব পৰা নাই। আনকি শহুৰেক অৰূপ ৰতনকো তাই কোনো দিনে শ্ৰদ্ধাৰ চকুৰে চাব নোৱাৰিলে। ৰংপুৰৰ ভৱিষ্যত দেৱ প্ৰতিনিধিজনৰ অৰ্দ্ধাঙ্গিনী হৈ অহাৰ পিছৰে পৰা তাই আচৰিত দেৱতাজনক একোটাই মাথোন প্ৰাৰ্থনা কৰি আহিছিল— তাইৰ গৰ্ভজাত সন্তান কেইটি যেন ধানৰাজৰ দৰে নিৰ্ভীক সাহসী হয়। আংশিক

ভাৱে হলেও তাইৰ আশা পূৰণ হৈছে। অৰুণ কিৰণে বাপেকৰ সম্পূৰ্ণ বিপৰীত চৰিত্ৰ এটিৰ অধিকাৰী হৈ জন্ম গ্ৰহণ কৰিছে। কিন্তু সৰু পুতেক পৱন চঞ্চলৰ স্বভাৱ কিন্তু বাপেকতকৈয়ো একাঠি চৰা। অৰুণ কিৰণ যেনেকৈ তাইৰ নয়নৰ মণি—ঠিক তেনেকৈ পৱন চঞ্চলো বাপেক বীৰশেখৰৰ আলাসৰ লাডু।

মাকৰ মুখে ৰংপুৰৰ ইতিহাস শুনিবলৈ আৰম্ভ কৰা অৰুণ কিৰণে যেতিয়া তাৰ বাপেকে ৰাইজৰ অগোচৰত খৰালিৰ শইচৰ এটি ভাগ তেওঁৰ সঙ্গীবৃন্দ তথা তোষামোদকাৰী সকলক বিলাই দিলে সেই মুহূৰ্ততেই সি সিদ্ধান্ত গ্ৰহণ কৰিলে—সি পুনৰ ৰংপুৰীয়া ৰাইজৰ মাজলৈ ঘূৰি যাব। দেৱ প্ৰতিনিধি হৈ ৰাইজৰ এক শোষণ কৰি থকা নিৰ্কৰ্মা কিছুমানক পোহপাল দি থকাতকৈ—ৰাইজৰ সুখ দুখৰ ভাগ লৈ আজো ককাক ধানবাজ দৰে জীৱন কটোৱাই অধিক সুখকৰ। দাম্পত্য জীৱন-যাপন কৰি হেপাহ পলোৱা তাৰ মাকেও অৰুণ কিৰণৰ এক কথাতে হয়ভৰ দিলে। —'পৱন চঞ্চলেই বাপেকৰ পদানুসৰণ কৰি দেৱ প্ৰতিনিধি হিচাপে ৰংপুৰৰ উন্নতি কৰক

দোকমোকালিতে এদিন ধানবাজৰ মাকে ঘৰৰ চোতালত একনী তিৰোতা আৰু তাইৰ লগত দহ বাৰ বছৰীয়া ল'ৰা একন দেখি আচৰিত হ'ল। দুয়োজনে তাইৰ তেনেই অচিনাকি। চলিহা পৰা চকু দুটি ভালদৰে মোহাৰি লৈ একেথৰে কিছুসময় চাই থকাৰ পিছতহে তাই ধৰিব পাৰিলে—সেইজনী লখিমী. --তাইৰ আজো-নাতি বীৰশেখৰৰ বৈণীয়েক। তাইৰ অতিকৈ মৰমৰ সুঠাম দেহৰ লচপচী লখিমীক হাড়ে-ছালে লগা অৱস্থা এতিত দেখিলে তাই চিনিবই বা কেনেকৈ! কিবা এটা ক'বলৈ মুখ মেলোতেই লখিমীয়ে বুঢ়ীৰ ভৰি দুখন সাৱটি মাৰি ধৰি হুকহুকাই কান্দিবলৈ ধৰিলে। আথেবেথে পাইক তুলি ধৰি দুগালত চুমা দুটি খাই বুঢ়ীৰ ভাব হ'ল—'আজি যদি এই দৃশ্য চাবলৈ ধানবাজ জীয়াই থাকিলহেঁতেন। অৰুণ কিৰণকো

সাৱটি ধৰি চুমাৰে তাৰ দুগাল উপচাই এইবাৰ বুঢ়ীৰ ভাৱ হ'ল — ৰংপুৰ কন্যা, মানৱ বিকাশ, আনন্দ প্ৰকাশ আৰু ধ্যানবাজে যেন একাগোট হৈ ৰংপুৰত উপস্থিত হৈছেহি।

বীৰ শেখৰৰ জীৱন কালত — তেওঁ কিজানি ইযাতকৈ গভীৰ সংকটত কোনো দিনে পৰা নাই। তেওঁ তোষামোদকাৰী দলটিৰ হতুৱাই ঘৈণীয়েক আৰু পুতেকক পুনৰ ওভতাই আনিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিলে। কিন্তু তেওঁ অসমৰ্থ হ'ল। বীৰ শেখৰৰো দেহ ৰক্ত উতলি উঠিল: 'সিহঁত দুয়োজনকো উপযুক্ত শাস্তি প্ৰদান কৰিব লাগিব।' পিচে কেনে ধৰণৰ শাস্তি দিয়া উচিত হ'ব — তপাতে তপাতে তেওঁ সেইটো ঠিৰাং কৰিব নোৱাৰিলে। শেষত যেনিবা ঠিক হ'ল ৰংপুৰ ককাৰ পুৰাণ বস্তীটো সকলোৱে বৰ্জন কৰিব। মেলে-সন্নাহে ধ্যানবাজৰ মাক, তেওঁৰ ঘৈণীয়েক আৰু পুতেক অৰুণ কিৰণ হ'ব অস্পৃশ্য। সিহঁতৰ সান্নিধ্যত কোনোবা আহিলে সিহঁতৰ ওপৰতো উপযুক্ত শাস্তিৰ বিধান কৰা হ'ব।

বীৰ শেখৰৰ আদেশ নামা প্ৰচাৰিত হোৱাৰ ঠিক সাতদিনৰ পাছতে ধ্যানবাজৰ মাকৰ মৃত্যু ঘটিল। জনবিলাসে কৈ যোৱা কথা আখৰে আখৰে ফলিয়ালে দেৱতা'ৰ অভিসম্পাত পৰিল পাঁচকুৰিৰ দেউনা পাৰ হোৱা ধ্যানবাজৰ মাকৰ গাত। ফলত ধ্যানবাজৰ মাকৰ মৃতদেহ উটুৱাই দিবলৈ মানৱ বিকাশ, আনন্দ প্ৰকাশৰ পুতেক আৰু কিশোৰ অৰুণ কিৰণৰ বাহিৰে কোনো একজনেই আগবাঢ়ি আহিবলৈ সাহস গোটাব নোৱাৰিলে। তেনি উদং ৰংপুৰ নদীৰে অশেষ কষ্ট কৰি সিহঁত তিনিজনে বুঢ়ীৰ মৃতদেহটো পশ্চিমলৈ কঢ়িয়াই নিয়া দৃশ্য অৱলোকন কৰি কৰি ৰংপুৰৰ অধিকাংশ মানুহে চকুলো পেলালে। মানুহবোৰৰ বুজিবলৈ বাকী নাথাকিল — মানৱ বিকাশ আনন্দ প্ৰকাশৰ পুতেকহঁত — আনকি অৰুণ কিৰণেও দেৱবোৰৰ পৰা মুক্তি নাপায়।

ৰংপুৰীয়া ৰাইজৰ আশংকা ফলিল। বুঢ়ীৰ মৃত্যুৰ দুই দিনৰ পাছতে দেৱমন্দিৰ প্ৰাঙ্গণত মানৱ বিকাশ আৰু আনন্দ প্ৰকাশৰ

পুতেকৰ পিঠিত দহোটাকৈ সৌকাৰ কোৰ পৰিল। নাবালক হেতুকে সেই যাত্ৰাতে অৰুণ কিৰণে শাস্তিৰ পৰা অব্যাহতি পালে।

সেইদিনাখন গধূলি ৰংপুৰ ককাৰ চোতালৰ তুঁহ জুই কুৰাৰ ওচৰত আৰু কেইজনমানৰ পিঠিত সৌকাৰ কোৰ পৰিল। এইবাৰ কিন্তু বীৰ শেখৰৰ নিৰ্দেশত নহয়, —সিহঁতৰ বিবেক দংশনত। ধ্যানৰাজ আৰু আনন্দ প্ৰকাশৰ কথামতে বৰঢোল আৰু বৰতালৰ ছেওটি শিকা সিহঁতে দেৱঘোষৰ ভয় কৰি বুঢ়াক শেষ শ্ৰদ্ধাকণো নাযাচিলে। মানৱ বিকাশ আৰু আনন্দ প্ৰকাশৰ পুতেকৰ পিঠিত পৰা সৌকাৰ কোবে সিহঁতক গুৰুতৰ অপৰাধত অপৰাধী কৰিলে। ফলত আত্ম নিৰ্যাতন কৰিয়েই হবলা সিহঁতে তুঁহ জুই কুৰাৰ আগত নিজকে নিজে শাস্তি বিহিলে। অৰুণ কিৰণে সিহঁতৰ এই কাৰ্যৰ কোনো হেতু বিচাৰি নাপালেও অপৈণত মগজুৰে অৰ্থ এটি উলিয়াই ললে।

পিচদিনাখনেই কথাটো ৰংপুৰ ফাটি ফুটি গ'ল। ৰংপুৰীয়া ৰাইজে ইয়াৰ গূঢ়াৰ্থ বিচাৰি উলিয়াব নোৱাৰিলেও সিহঁতৰ অন্তৰবোৰ অজান আশঙ্কাত কঁপি উঠিল। বীৰ শেখৰেও কথাটো শুনিলে, —কিন্তু তেওঁ উদ্দেশ্য বুজিব নোৱাৰিলে। গতিকে ৰংপুৰত এই বাণী প্ৰচাৰিত হ'ল যে সিহঁতো শাস্তিৰ বিধান পোৱা লোক দুজনৰ সমানেই দোষী। দেৱতাৰ চকুক কোনোৱে ফাঁকি দিব নোৱাৰে। সেইবাৰে সিহঁতৰ শাস্তিৰ বিধান পৰোক্ষভাৱে দেৱতা সকলেই কৰিছে।

কিন্তু এই বিষয়টো লৈ ৰংপুৰৰ একাংশ ৰাইজৰ মাজত তুমুল আলোচনা বিলোচনা চলিল।

: কথাবোৰ দেখোন দিনে দিনে কেনেবা ধৰণৰহে হৈ গৈছে!

: দেৱতা নথকা অৱস্থাত ৰংপুৰখন বাৰু আজিলৈকে বেলেগ আছিল নেকি!

: সেই বিষয়ে জানিবৰ এতিয়া কোনো উপায়েই নাই দেখোন।

: এৰা! যি কেইজনে এই বিষয়ে জানে—সিহঁতৰ লগত আজিকালি আনকি কথা পতাও নিষেধ।

: দেৱপ্ৰতিভূসকলে মাথোন ৰংপুৰ ককা, মানৱ বিকাশ আদিৰ দোষৰ কথাহে কয়. —কিন্তু সিহঁতৰ দোষৰ বাবে ৰংপুৰ কি বিপদৰ সন্মুখীন হৈছিল—সেই বিষয়ে হলে একো-কে ক'ব নোখোজে।

: ইহঁত দুটাৰ পিঠিত পৰা সৌকাৰ কোৰকেইটা দেখিছিলিনে?

: পাছত হেনে বাকী কেইজনেও নিজেই নিজকে শাস্তি দিলে।

: দেৱতাসকলৰ যদি ইমানেই শক্তি—, তেনেহলে তেওঁলোকে দৈহিক শাস্তিৰ বিধান কিয় প্ৰবৰ্তন কৰিলে?

: ডেৰ কুৰিটা পৰিয়ালক যে খেতিৰ বিষয়ে শিক্ষা দিবলৈ নতুন ৰংপুৰলৈকে লৈ গ'ল সিহঁত দেখো আজিলৈকে আহি নাপালে।

: দেৱ প্ৰতিনিধিজনক দেখা পোৱাতো দূৰৈৰ কথা—তেওঁৰ অনুচৰ বিলাককো আজিকালি কথা সুধিলেই জগৰ লাগে। নেদেখিলি নে বিনয় প্ৰকাশক সেইদিনাখন কেনেদৰে মাৰধৰ কৰিলে।

: তাকনে তালৈ যাবলৈ কিহে পাইছিল। ঘটনাটি ঘটিবলৈ তো ভালেমান দিন হ'ল।

: ঘৈণীয়েকক সি বৰ ভাল পাইছিল।

: তহঁতে কি কৰ নাজানো,—মোৰ হলে এবাৰ সিহঁতৰ খবৰ খাটি ল'বলৈ বৰ মন গৈ আছে।

: চুপ তেনে কথা নকৰি। দেৱপ্ৰতিনিধিৰ অনুচৰ আজিকালি চাৰিওফালে পিয়াপি দি ঘূৰি ফুৰি সকলো কথা তেওঁক গোচৰ কৰেগৈ। কেনেবাকৈ সিহঁতৰ কাণত পৰিব লাগিলে দেহবপিনে আইধা।

: এৰা! যেনেকৈ আছো তেনেকৈ থকাই ভাল। কাম কৰ, আৰু খা। বেলেগ চিন্তা কৰাৰ কোনো সকাম নাই।

: এটা কথা মন কৰিছনে?

: কি কথা?

: আজিকালি দেখোন আচৰিত দেৱতাজনৰ কোনোৱেই নাম নোলোৱা হ'ল।

: ৰংপুৰৰ পৰা গৈ দেৱতা হোৱা সকলৰ নামহে সকলোৱে

মুখে মুখে।

: নাম ল'ব নিদিলে লবি কেনেকৈ? তোৰ ঘৰৰ থাপনাখননো কাৰ নামত পাতিছ?

: মহান স্বৰূপ কুমাৰৰ।

: তেনেহলে?

: এৰা, সকলো দেৱতাৰে ইচ্ছা।—কিন্তু আমি দেৱতাক মানি চলা সকলৰ অৱস্থা দিনকে দিনে বেয়া হৈ গৈছে কেলেই?—আমিতো কোনো দায় জগৰ লগোৱা নাই।

: কিন্তু দেৱতাসকলৰ বাছনিতো উঠিব পৰা নাই। আমাৰ ওপৰত তেওঁলোকে কিজানি আৰু পৰীক্ষা-নিৰীক্ষা চলাব।

: তই ঠিকেই কৈছে। তেওঁলোকৰ কথা মানি সেইমতে চলাই মঙ্গল তেওঁলোকেতো আমাৰ উন্নতিৰ কাৰণে অহৰহ চিন্তাকেই কৰি আছে। গতিকে আমাৰ মৰণ নাই।

: মোৰ বিশ্বাস—বংপুৰৰ মানুহে কেতিয়াও খাব নোপোৱাকৈ নাথাকে। কাৰণ খেতি বেয়া হলে তেওঁলোকাৰে লোকচান। ভাগত কমকৈ পৰিব।

: কিন্তু বংপুৰত মানুহৰ সংখ্যা যিমান বাঢ়িছে, খাদ্য বস্তুৰ পৰিমাণ জানো সেই মতে বাঢ়িছে? নহলেতো চিন্তা কৰিবৰ কোনো কথাই নাছিল।

: তেনে অৱস্থা হলে আৰু কুৰি-ত্ৰুকুৰি পৰিয়ালক তেওঁলোকে নতুন বংপুৰলৈ লৈ যাব।—মই কি ভাবিছো জান, সিহঁত কিজানি দেৱতাৰ বাছনিত উঠিছে,—সেইবাবেহে তালৈ যোৱাৰ সুবিধা পালে।

: কব নোৱাৰো, মোৰ কিন্তু কথাবোৰ দিনে দিনে কিবা বেলেগ যেন হে লাগি আহিছে। কিযে দিন কাল পৰিল,—কোৰ মাথ কৰিহে আজিকালি কথা ক'বলগীয়া হ'ল।

: নতুন বংপুৰত বাৰু তেওঁলোকে খেতি কৰে নে নকৰে?

: নাজানো।

: নকৰে কিজানি। তেওঁলোকৰ হাতবোৰ চাবিচোন,— কেনে নিমজ খেতি কৰা হাত খহটা।

: তইঁতে কি কৰ নাজানো, সিহঁতৰ দেহত পৰা সৌকাৰ কোব কেইটালৈ মনত পৰিলে এতিয়াও মোৰ গা-মন জিকাৰ খাই উঠে।

: মনে মনে থাক। সেইবিলাক কথা চিন্তাও নকৰিবি, দেৱতা সকলে অন্তৰৰ কথা বুজিব পাৰে।

: এৰা। তেওঁলোকৰ অশেষ ক্ষমতা।

বংপুৰত নতুনকৈ জন্ম পোৱা ৰৰঢোল আৰু বৰ তাল বজোৱা দলটিৰ বাহিৰে আন মানুহ বিলাকে অৰুণ কিৰণ আৰু তাৰ মাকে বাস কৰিবলৈ লোৱা বংপুৰ ৰকাৰ ঘৰখন সম্পূৰ্ণৰূপে বৰ্জন কৰিলে। দেৱমন্দিৰ প্ৰাঙ্গণত হুকে-বিহুকে সৌকাৰে কোবায়ো বশলৈ আনিব নোৱাৰা অৰুণ কিৰণহঁতৰ দলটিক বীৰশেখৰে অৱশেষত এলাগী বুলি ঘোষণা কৰিলে। বংপুৰৰ মেলে-সভাত, আনন্দ উৎসৱত সিহঁতৰ কোনো সম্বন্ধ নাথাকিল।

দেৱতাসকল অন্তৰ্যামী। গতিকে বংপুৰৰ এই পৰিস্থিতি তেওঁ-লোকৰ গোচৰত নহাকৈ নাথাকিল। 'বংপুৰৰ সাধাৰণ বাইজৰ উন্নতিৰ কাৰণে বিপথগামী লোকসকলক কঠোৰ হাতেৰে দমন কৰাই শ্ৰেয়।' গতিকে 'দুষ্ট দমন, শিষ্ট পালন' এই নীতি কঠোৰভাৱে প্ৰৱৰ্তন কৰাৰ আদেশ লাভ কৰিলে দেৱপ্ৰতিভূসকলে। বীৰশেখৰৰ শক্তি বৰ্দ্ধন হ'ল। বংপুৰৰ দেৱমন্দিৰৰ পূজা-পাতলৰ ভাৰ মুষ্টিমেয় দুই চাৰিজনৰ হাতত অৰ্পণ কৰা হ'ল। কিন্তু প্ৰত্যেকৰে ঘৰে ঘৰে প্ৰতিষ্ঠিত দেৱতাৰ থাপনাৰ ওচৰত নিত্যৌ পুৱা গধূলি দেৱ কীৰ্তন কৰা বাধ্যতামূলক হ'ল। আনকি বংপুৰ ৰকাৰ স্মৃতি ৰক্ষাৰ্থে ৰোপণ কৰা আইত গছজোপা আৰু শিল চটাও ধ্বংস কৰাৰ প্ৰস্তাৱ উঠিল। কিন্তু গভীৰ অৰণ্যই ঢাকি ৰখা ঠাই ভোখৰলৈ যাবৰ কাৰণে মানুহ বোৰে শঙ্কাবোধ কৰাত সেই কামটো পাছ পৰি থাকিল।

বছৰে বাগৰ সলালে। বীৰ শেখৰৰ সৰু পুতেক পৱন চঞ্চল এতিয়া দেৱপ্ৰতিভূসকলৰ ৰংপুৰস্থ প্ৰতিনিধি,—ৰংপুৰৰ সৰ্বময় কৰ্তা।

ৰংপুৰৰ কি ব্যক্তিগত কি সমূহীয়া প্ৰতিটো কথাতে ৰংপুৰীয়া ৰাইজে আজিকালি দেৱতাৰ নিৰ্দেশ পোৱা হ'ল। এই সুদীৰ্ঘ সময়ছোৱাত সিহঁতে দেৱতাসকলৰ কি অপাৰ ক্ষমতা সেই কথা হাড়ে-হাড়ে শিকিলে বুজিলে। অৰুণ কিৰণে ৰংপুৰৰ সাধাৰণ ৰাইজৰ মাজলৈ উলটি অহাৰ সময়ত বীৰ শেখৰক দেৱকাৰ্য সুচাৰুৰূপে চলাবলৈ জনবিলাস আৰু অন্যান্য দেৱপ্ৰতিভূসকলে চন্দ্ৰৰূপৰ নেতৃত্বত গঢ লোৱা তোষা-মোদকাৰী দলটিক যেনে ধৰণে পুনৰ গঠন কৰি গৈছিল—, সংখ্যাত তাকৰীয়া হলেও সেই দলটিয়ে দিন যোৱাৰ লগে লগে ৰংপুৰৰ সাধাৰণ লোকসকলতকৈ নিজকে উচ্চ পৰ্যায়ৰ বুলি বিবেচনা কৰা হ'ল। এতিয়া দেৱমন্দিৰৰ পূজা-পাতলৰ ভাৰো সেই দলটিৰ ওপৰতে ন্যস্ত হৈছে। ফলত পৰজীৱী উদ্ভিদৰ দৰে সেই দলটিয়ে নিজে নিৰ্কৰ্মা হৈ থাকি খাদ্য সামগ্ৰীৰ বাবে ৰংপুৰীয়া ৰাইজৰ ওপৰতে নিৰ্ভৰতা স্থাপন কৰিলে। দেৱতাৰ প্ৰিয়ভাজন এই দলটিৰ বিৰুদ্ধাচৰণ কৰি দেৱৰোষত পৰিবলৈ কোনোৱে ইচ্ছাও নকৰিলে।

ৰংপুৰৰ জনসংখ্যা বাঢ়িল। খেতি পথাৰৰ পূবপিনৰ অৰণ্য ভাঙি যে খৰালিৰ খেতি আৰম্ভ কৰা হৈছিল—তাৰে উৎপন্ন শইচৰ দুই তৃতীয়াংশ দেৱতাসকলৰ নামত উৎসৰ্গা কৰিবলগীয়া হোৱা বাবে মানুহবোৰে নিজ নিজ ঘৰৰ ওচৰে-পাজৰে খালী (চন) পৰি থকা মাটিবোৰতো শইচ লগাবলৈ আৰম্ভ কৰিলে। কিন্তু সেই খেতিৰ পৰা উৎপাদিত শইচবো সমানে আধা দেৱতাসকলক অৰ্পণ কৰিব লগীয়া হ'ল সিহঁতে। আনকি দেৱ প্ৰতিনিধিজনৰ নিৰ্দেশত দেৱ মন্দিৰৰ চৌপাশে থকা চৰণীয়া পথাৰখনত খেতি কৰি উৎপন্ন শইচৰ আটাইখিনি সিহঁতে দেৱমন্দিৰৰ ভঁড়ালত দিবলগীয়া হ'ল। এই বিষয়ে দুই এজনে পোনপ্ৰথমতে পৱন চঞ্চলৰ ওচৰত অতি বিনীতভাৱে

আপত্তি দৰ্শাইছিল যদিও তাৰ ওলোটা ফলহে হ'ল। তোষামোদকাৰী সকলে দেৱতাৰ নিৰ্দেশ অমান্য কৰিবলৈ যোৱাৰ অজুহাত দেখুৱাই ৰাইজ বিদ্যমানে সিহঁতক দৈহিক শাস্তিহে বিহিলে। ফলত পুনৰবাৰৰ বাবে ৰংপুৰীয়া ৰাইজে দেৱতাৰ অমোঘ শক্তিৰ পৰিচয়হে পালে। ৰংপুৰৰ বংশধৰ সকলৰ খেল-ধেমালি কৰিবৰ কাৰণে ঠাইৰ নাটনি হ'ল। পেটৰ দায়ত পৰি সিহঁতেও নিচেই কম বয়সতে পৰা খেতিৰ কামত লাগিবলগীয়াত পৰিল।

ৰংপুৰৰ আনন্দ মেলাৰ অৰ্থও আজিকালি সলনি হৈ গ'ল। অতীতৰ আনন্দমেলা কিবা আছিল —ৰংপুৰীয়া ৰাইজৰ আচৰিত দেৱতা-জনৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি যুটীয়াভাৱে আনন্দ কৰাৰ দিন। কিন্তু এতিয়াৰ আনন্দমেলাৰ অৰ্থ হ'ল বছৰৰ পৰে দেহেকেহে থকা তোষামোদকাৰী দলটিক দেৱপ্ৰতিভূসকলক আনন্দ প্ৰদান কৰাৰ বাবে সুবিধা কৰি দিয়াৰ। আগৰ দৰে ৰংপুৰৰ সাধাৰণ ৰাইজে আনন্দ মেলাৰ শেষ দিনাখন দেৱমন্দিৰত বহি লগে ভাগে—খেতি বাতিকে আদি কৰি ৰংপুৰৰ ভৱিষ্যত উন্নতিৰ পৰিকল্পনা কৰিব নালাগে। সেই ভাৰো তোষামোদকাৰী সকলৰ সিহঁতৰ লগত দেৱপ্ৰতিভূ সকলে ৰংপুৰৰ ভৱিষ্যত উন্নতিৰ আঁচনি যুগুত কৰে। ৰাইজক মাথোন কামবহে নিৰ্দেশ দিয়া হয়

আনন্দমেলায়েই অকল নহয়, —মহান স্বৰূপ কুমাৰ আৰু তেওঁৰ সতীৰ্থ দেৱতাসকলৰ ৰংপুৰৰ পৰা প্ৰস্থান আৰু নতুন ৰংপুৰ স্থাপনৰ দিন দুটাও ধৰ্মীয় উৎসৱ হিচাপে মহা ধুমধামেৰে ৰংপুৰত পালন কৰাৰ নিয়মো ৰংপুৰত প্ৰবৰ্তিত হৈছে। ৰাইজৰ দোষ-গুণৰ বিচাৰ, দণ্ড আৰু পুৰস্কাৰ সেই উৎসৱৰ দিন দুটিতেই কৰা হয়। আগতে তোষামোদকাৰী দলটি আৰু সাধাৰণ ৰাইজৰ ডেকা-গাভৰুৰ মাজত কদা-কাটিংহে যোৰ পতা হৈছিল; এতিয়া সেই বিষয়ত তোষামোদকাৰী সকলৰ মতৰ ওপৰত মাত মতা কোনো লোক নাই। আদি অৱস্থাত অৱশ্যে দেৱপ্ৰতিভূ সকলেও ৰংপুৰীয়া ৰাইজৰ জাকত

জিলিকা ছোৱালী চাই বৈবাহিক সম্বন্ধ স্থাপন কৰিছিল, —কিন্তু নতুন ৰংপুৰলৈ সিহঁতৰ প্ৰৱেশ নিষিদ্ধ আছিল। সেই নিয়মটো দেৱ-বৃন্দ আৰু দেৱপ্ৰতিভূসকলৰ আলোচনাক্ৰমে কিছু শিথিল কৰি দিয়া হৈছে। দেৱপ্ৰতিভূসকলৰ বাছনিত উঠিলে ৰংপুৰৰ গাভৰু ছোৱালী-বিলাক আজিকালি জাগ্ৰত উঠে। সিহঁতৰো দেৱত্বপ্ৰাপ্তি ঘটে; —নতুন ৰংপুৰলৈ যোৱাৰ অধিকাৰ পায় সিহঁতে। ৰংপুৰস্থ দেৱপ্ৰতিভূসকলৰ প্ৰত্যেকজনী ঘৈণীয়েকেই সাধাৰণ ৰাইজৰ জীয়ৰী।

আদি অৱস্থাত ৰংপুৰীয়া ৰাইজে এইবোৰ কথা সিমান দকৈ চিন্তা কৰা নাছিল। সিহঁতে বৰং গৌৰৱহে বোধ কৰিছিল। এই নিয়ম প্ৰৱৰ্তিত হৈছিল ধ্যানৰাজৰ পুতেক অৰূপ ৰতনে যোৰ পতা দিনৰে পৰা। কালক্ৰমত ৰংপুৰৰ কেইঘৰমান মানুহ যেতিয়া এলাগী হ'ল, —সমাজত সিহঁতৰ মতামতৰ যেতিয়া মূল্য নোহোৱা হ'ল তেতিয়াৰে পৰা ধীৰে ধীৰে দেৱপ্ৰতিভূসকলে যোৰ পতা উৎসৱৰ পৰিবৰ্তন ঘটাবলৈ আৰম্ভ কৰিলে। 'প্ৰেম-পিৰীতি' বুলিলে সাধাৰণতে যিটো অৰ্থ কৰা হয়— সেই অৰ্থৰ কোনো মূল্যই নাথাকিল। বৰঢোল আৰু বৰতালৰ ছেওটি আয়ত্ত কৰা কেইজন সমাজ বহিষ্কৃত হৈ হাত সাৱটিয়েই বহি থাকিল। মানৱ বিকাশ আৰু আনন্দ প্ৰকাশৰ কথা সিহঁতে আখৰে আখৰে পালন কৰি আহিছে। সেই গোপন কথাটো সিহঁতৰ মাজতেই ৰাখিছে। 'ৰংপুৰীয়া ৰাইজক শিকাই বুজাই কোনো এটা কামলৈ উদ্যোগী কৰাৰ কোনো লাভ নাই: সিহঁতে নিজেই শিকক, নিজেই বুজক।'

বীৰশেখৰ যিমান দিনলৈ জীয়াই আছিল সিমান দিনলৈ এই পৰম্পৰাৰ কোনো ব্যাঘাত ঘটা নাছিল। কিন্তু বেছি দিন তেওঁ ৰংপুৰৰ দেৱ প্ৰতিনিধিৰ ৰাব ভোগ কৰিবলৈ নাপালে। কিছুদিনৰ ব্যৱধানতে বীৰশেখৰ, মানৱ বিকাশ আৰু আনন্দ প্ৰকাশৰ পুতেক মৃত্যু মুখত পৰিল। দেৱমন্দিৰৰ ওচৰতে অলপ আওঁহতীয়া ঠাই এডোখৰত বীৰশেখৰৰ মৃত দেহটিৰেই ৰংপুৰৰ দেৱ প্ৰতিনিধি সকলক

কৰবাহু কৰাৰ নিয়ম প্ৰৱৰ্ত্তিত হ'ল

নিচেই কম বয়সতে দেৱপ্ৰতিভূসকলৰ ৰংপুৰত প্ৰতিনিধিৰ বাব পালে পৱন চঞ্চলে। কুকলীয়া ডেকা পৱন চঞ্চলৰ অন্তৰত আছিল অসীম উদ্যম। দেৱতাৰ নিৰ্দেশ পালন কৰাৰ ক্ষেত্ৰত তেওঁ আছিল বাপেকতকৈয়ো একাঠি চৰা। তাঁৰ তেওঁৰ দেহত প্ৰৱাহিত দেৱৰক্তৰ সম্পৰ্কে তোষামোদকাৰী সকলে সততে স্মৰণ কৰি দিয়াৰ ফলত — তেওঁ নিজৰ মনোমত কাম এটিও দেৱতাৰ আজ্ঞা যেনেই বোধ কৰিবলৈ আৰম্ভ কৰিলে। ফলত ৰংপুৰীয়া ৰাইজ আৰু বিপদত পৰিল। কোন সময়ত পৱন চঞ্চলে কি আজ্ঞা প্ৰেৰণ কৰে — তাকেই দিনে ৰাতিয়ে চিন্তা কৰি থাকিবলগীয়া হ'ল সিহঁতে।

পৱন চঞ্চলে বহাৰ বাগৰ সলোৱাৰ লগে লগে অৰুণ কিৰণৰ পৰম শত্ৰু ৰূপে চিহ্নিত হ'ল। অৰুণ কিৰণক নেওচিহে যে পৱন চঞ্চলে দেৱপ্ৰতিনিধি হ'ব পাৰিলে সেই কথাষাৰ তেওঁ মনৰ পৰা আঁতৰ কৰিব নোৱাৰিলে। ফলত তেওঁ পুনৰ নিৰ্দেশ জাৰি কৰিলে যে ৰংপুৰীয়া ৰাইজে যেন অৰুণ কিৰণ, তাৰ মাক আৰু অৰুণ কিৰণৰ সঙ্গীবৃন্দক দেৱবিদ্বেষী জ্ঞান কৰে।

অৰুণ কিৰণৰ কিন্তু এই বিষয়ত কোনো ধৰণৰ মানসিক অভিব্যক্তি প্ৰকাশিত নহ'ল। পৰিৱেশ পৰিস্থিতিয়ে কেনে ৰূপ ধাৰণ কৰে তাকে চাবলৈ সি তাৰ সতীৰ্থসকলৰ লগত নীৰৱে অপেক্ষা কৰিলে। তুঁহ জুই কুৰাৰ চৌপাশে বহি সিহঁতে ৰংপুৰৰ অতীত বৰ্তমান, ভবিষ্যতৰ কথা পাতি, চিন্তা কৰিয়েই সময় কটায়। মনত অলপ শান্তি পাবলৈকে হবলা অৰুণ কিৰণৰ মাক লখিমীয়ে তাৰ বন্ধু এজনৰ ভনীয়েকৰ সৈতে উপযুক্ত বয়স নোহওঁতেই বোৰ পাতি দিলে। ৰংপুৰত আনন্দমেলাৰ দ্বিতীয় দিনাখন সমূহীয়া অনুষ্ঠানৰ জৰিয়তে বোৰ পতাৰ যি পৰম্পৰা চলি আহিছিল, দেৱপ্ৰতিভূৱে যিটো নিয়ম ভঙ্গ কৰা নাছিল — অৰুণ কিৰণে সেয়া ভঙ্গ কৰিলে।

[৯]

পৱন চঞ্চলৰ লগত শক্রতা কৰিবলৈ যেহেতু জীয়াই নাথাকিল অৰুণ কিৰণ। এদিনাখন গধূলি পৰত সময়মতে উভতি নহা দেখি মাক লখিমীয়ে তুঁহ জুই কুৰাৰ ওচৰত বহি থকা জাকক পাচিলে তাৰ বিচাৰ-খোচাৰ কৰিবলৈ। এলাগী হৈ থকা বাবে ৰংপুৰৰ কাৰো ঘৰলৈকে নাযায় সিঃ গতিকে আশঙ্কা হোৱাৰ কথাই। জোৰবত্তি লৈ গোটেই ৰাতি বিচাৰ-খোচাৰ কৰি ৰাতিপুৱাহে তাৰ মৃতদেহ পশ্চিমৰ অৰণ্যৰ মাজত বিচাৰি পোৱা গ'ল। দেহত কোনো আঘাতৰ চিন দেখা নাপাই সকলোৱে ভাবিবলৈ বাধ্য হ'ল—'এয়া দেৱৰোষৰেই প্ৰতিফল।'

সেইদিনাখনো ৰংপুৰৰ কোনো এজন মানুহে ঘৰৰ বাজ নোলাল। ৰংপুৰৰ নদীৰ পাৰত থিয় হৈ অৰুণ কিৰণৰ বিধৱা পত্নীয়েক, আৰু তাৰ মাথোন ছমহীয়া কেঁচুৱা পুত্ৰটিক বুকুত সাৱটি লখিমী আৰু এলাগী পৰিয়াল কেইটিৰ ল'ৰা-তিৰোতাবিলাকে অৰুণ কিৰণৰ মৃতদেহটি পশ্চিমলৈ উটুৱাই নিয়া দৃশ্য অৱলোকন কৰিলে।

লখিমীৰ পেটৰ পো পৱন চঞ্চল। সেইবাবে তাৰ চৰিত্ৰ তাইৰ অবিদিত নহয়। তাই বিপদৰ গোন্ধ পালে। সেইটো চিন্তা কৰিয়েই বুজাই-বঢ়াই এজনক সম্মত কৰাই তাই আনন্দ প্ৰকাশৰ নাতিয়েক কৈশোৰ ডেওনাতেই উপস্থিত নোহোৱা বিক্ৰম বিকাশকে অতি সঙ্গোপনে ৰৰঢোল আৰু ৰৰতালৰ ছেওটি শিকাই দিয়ালে।

লখিমীৰ আশঙ্কা ফলিল। অৰুণ কিৰণৰ মৃত্যুৰ একমাহৰ ভিতৰতে সেই একেচোখৰ ঠাইতে প্ৰত্যেকজন এলাগী মানুহৰ মৃত্যু ঘটিল। ৰংপুৰৰ মানুহবোৰে অতি কমদিনৰ ভিতৰতে এলাগী মানুহ কেইজনৰ অস্বাভাৱিক মৃত্যু দেখি—পুনৰ এবাৰৰ বাবে বুজি পালে—

'দেৱতাসকলে কেনে ভীষণ ধৰণে প্ৰতিশোধ লয়।'

এই এলাগী মানুহকেইজনৰ মৃত্যুৰ ফলত ৰংপুৰীয়া বাইজৰ মাজত ভুলে-ভুক্কই চিন্তা কৰোঁতা—উল্লেখযোগ্য কোনো মানুহেই নাথাকিল। কিয়ে সৌভাগ্য বা দুৰ্ভাগ্যৰ গুণত লখিমীয়ে আনন্দ প্ৰকাশৰ নাতি-য়েক বিক্ৰম বিকাশক ৰৰঢোল আৰু ৰৰতালৰ ছেওটি শিকিব দিছিল সেয়া মাথো আচৰিত দেৱতাসকলেহে জানে। ৰংপুৰৰ এলাগী মতা মানুহৰ ভিতৰত বিক্ৰম বিকাশেই জ্যেষ্ঠ। তাৰ বয়স তেতিয়া বাৰ বছৰ মানহে হ'ব।

এই ঘটনাবিলাকৰ ফলশ্ৰুতি হিচাপে ৰংপুৰীয়া বাইজে দেৱবৃন্দ, দেৱপ্ৰতিভূসকল, আনকি তোষামোদকাৰী দলটিৰ বিষয়েও প্ৰকাশ্যেতো দূৰৈৰে কথা মনে মনেও আলোচনা কৰিবলৈ ভয় পোৱা হ'ল। দেৱপ্ৰতিনিধি পৱন চঞ্চলৰ ইচ্ছানুসাৰে ৰংপুৰ ইতিহাসৰ গতি নিৰ্দ্ধাৰিত হ'বলৈ আৰম্ভ কৰিলে। কিন্তু ধানখাজৰ মাকে কোন কাহানিবাতেই অলাই থৈ যোৱা ভুঁহ জুই কুৰা কিন্তু তেতিয়াও মুমুহাল, মাথোন জুইৰ উম লৈ ৰংপুৰৰ কথা পাতিবলৈ মানুহৰ অভাৱ হ'ল। এলাগী মানুহ কেইজনৰ বিধৱা তিৰোতা কেইজনী, এমাডিমা দ'বা-ছোৱালী কেইটা আৰু বিক্ৰম বিকাশেহে মাজে মাজে একেলগে বহি ৰংপুৰৰ ভূত-ভৱিষ্যত নেওতা আওৰায়।

দিনবোৰ তেনেকৈয়ে পাৰ হয় পৱন চঞ্চলৰ এতিয়া বৃদ্ধাৱস্থা। তেওঁৰ তিনিজন পুত্ৰকে দেৱপ্ৰতিনিধিৰ খিতাপ লাভ কৰিব নোৱা-ৰিলেও—ৰংপুৰত তেওঁলোকৰ দুৰ্দান্ত প্ৰতাপ। পৱন চঞ্চলেই শিকাই বুজাই লৈছে সিহঁতক। ফলত মাজে সময়ে প্ৰয়োজনবোধ কৰিলে—দেৱ নিৰ্দেশনামা তেওঁলোকে নিজেই ৰচনা কৰে। দেৱমন্দিৰৰ কাজ-কৰ্ম চলাবলৈ, —দেৱতাৰ নিৰ্দেশনামাবোৰ কাৰ্যত পৰিণত কৰিবলৈ, দেৱপ্ৰতিনিধি জনক তোষামোদ কৰি তেওঁৰ ব্যক্তিগত কাম-কাজবোৰ কৰি দিবলৈ সৃষ্টি হোৱা তোষামোদকাৰী দলটিৰো ৰংপুৰ সমাজত এতিয়া অগাধ প্ৰতিপত্তি। নিজে নবোলে থাকিও ৰংপুৰীয়া বাইজে

সিহঁতক খুৱাব লাগে।

বংপুৰ পথাৰত সেইবাবে আজিকালি এটা নহয় এটা খেতি লাগিয়েই থাকে। আগতীয়াকৈ আহুধান ৰোপণ কৰা পদ্ধতিও আজিকালি প্ৰচলিত হৈছে। বাইজে শুনিছে—'আগতীয়া আহুধানৰ খেতি দেৱতা সকলবে আশীৰ্বাদ মাথোন।' বৈদিক পদ্ধতিৰে কৰা খেতিৰ প্ৰথা শিকিবলৈ যোৱা ভেৰকুৰিটা পৰিয়ালৰ কথা সিহঁতে প্ৰায় পাহৰিয়েই পেলাইছে।

পিচে বছৰে বাগৰ সলোৱাৰ লগে লগে বংপুৰত এলাগী মানুহ যি কেইঘৰ আছিল সিহঁত ধীৰে ধীৰে পুনৰ বংপুৰীয়া বাইজৰ মূল সুঁতিটোৰ লগত লগ লাগিছেহি। দেৱবিদ্বেষী মূল মানুহ কেইজনৰ মৃত্যুৰ পাছত পৰন চকলেও সিহঁতৰ ওপৰত কঠিন মনোভাৱ গ্ৰহণ কৰি থকা নাই। বিক্ৰম বিকাশৰ বয়স বাঢ়িল। আনকি মনৰ বিকাশৰ পৰিনাতি অনল বিশাল আৰু অৰুণ কিৰণৰ পুতেকেও কৈশোৰৰ ডেওনা পাৰ হৈছে। অতীতৰ দুখৰ দিনবোৰ এৰেকলগে কটোৱা বাবে সিহঁতৰ তিনিখন অন্তৰ যেন একেখনেই।

এসময়ৰ লক্ষ্মী স্বৰূপা বংপুৰ নদীয়ে আজিকালি বাৰিষাৰ কাল-ছোৱাত সদায় বংপুৰীয়া বাইজৰ অন্তৰত শঙ্কাৰ উদ্ৰেক কৰে। পূৱ দিশৰ পৰ্বত-পাহাৰবোৰত ধাৰাসাৰে দুই এদিন বৰষুণ আহিলেই ফেনে ফোটোকাৰে একাকাৰ হৈ বংপুৰ পথাৰ পানীৰে উপচি পৰে। নদীটোত আজিকালি ডাঙৰ মাছো পাবলৈ নাইকিয়া হ'ল। বংপুৰৰ সাধাৰণ বাইজ তথাপি নিস্পৃহ। বংপুৰ নদী এতিয়াও সিহঁতৰ বাবে লক্ষ্মী স্বৰূপা। আগৰ পৰম্পৰা বজাই ৰাখি খেতিৰ কাম নাথাকিলেই সিহঁতে মাছ-মঙহৰ চিকাৰলৈ ওলায়, — পোৱা নোপোৱাটো দেৱতাৰ ইচ্ছাধীন। পেটৰ ভোকত লঘোনে থকা ল'ৰা-ছোৱালীবিলাকৰ বিননি শুনিলেও সিহঁত নিৰ্বিকাৰ। মহৎ উদ্দেশ্য সাধনৰ বাবে বংপুৰৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে দেৱতা সমাজে সিহঁতক দিনকে দিনে শাৰীৰিক আৰু মানসিক-ভাৱে প্ৰস্তুত কৰাৰ পৰিকল্পনা হাতত লৈছে।

কিন্তু বছৰৰ পাছত বছৰ এনেদৰে অতিবাহিত হ'ব নোৱাৰে। সিহঁতৰ ওপৰত দেৱবৃন্দই পৰীক্ষা-নিৰীক্ষা চলোৱা বুলি মুখ বুজি সহ্য কৰি থাকিলেও—যিমানেই দিনবোৰ পাৰ হয় সিমানেই অন্য চিন্তা কিছুমানেও ৰংপুৰীয়া বাইজৰ অন্তৰত অনুপ্ৰবেশ কৰিবলৈ আৰম্ভ কৰিছে। কিন্তু এই বিষয়ে সিহঁতৰ চেতন মন অৱচেতন হৈয়েই থাকিল।

বিক্ৰম বিকাশে কিন্তু বুজিব পাৰিলে। বুজিব পাৰিলে অনল বিকাশ আৰু বিপ্লৱ বাহনে। শৈশৱ কালৰ অকল্পনীয়া অৱস্থাৰ কথা এতিয়াও সিহঁতৰ অন্তৰত জ্বল জ্বল পট পটকৈ জিলিকি আছে। মাক, আইতাকহঁতৰ আলোচনাবিলাক মনত আছে। মনত আছে আচৰিত দেৱতা জনৰ ৰংপুৰলৈ আগমনকে ধৰি বৰ্তমানলৈকে ঘটা সকলোবোৰ কথা। কৈশোৰৰ ডেওনা পাৰ হোৱাৰ লগে লগে বিক্ৰম বিকাশে সিহঁত তিনিয়োজনকে ৰংপুৰ ককাই আৱিষ্কাৰ কৰি থৈ যোৱা বৰ ঢোল আৰু বৰ তালৰ আচৰিত ছেওটিৰ লগত চিনাকি কৰি দিছে। একালত মানৱ বিকাশে কোৱা কথাবাৰ সিহঁতেও মানি আহিছে। সিহঁতে অপেক্ষা কৰিছে 'সেই অহা দিনটোলৈ,' যিদিনাখন সিহঁতে ৰংপুৰীয়া বাইজৰ লগত একেলগে বৰঢোল আৰু বৰতালৰ চেৱে চেৱে উদ্দাম উত্তাল নাচ কৰি ৰংপুৰৰ আকাশ বতাহ নিনাদিত কৰি তুলিব। কিন্তু কিয় সিহঁতে চেষ্টাটো কৰিব—সেইটোহে বুজিব পৰা নাই। সেইটো কৰিলে ৰংপুৰৰ কোন ধৰণৰ উন্নতি হ'ব—সেই বিষয়ে সিহঁতৰ কোনো সম্যক ধাৰণা তৈয়াৰ নাই। দেৱবৃন্দ, দেৱপ্ৰতিভূসকলৰ মাজতেই বা—কোন ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব। তথাপি সিহঁতে সেইটো কৰিবই লাগিব; ৰংপুৰ ককাৰ সৃষ্টিক মৰ্য্যাদান কৰি মানৱ বিকাশৰ আশা পূৰণ কৰিবই লাগিব।

তুঁহ জুই কুৰাৰ ওচৰত বহি বিক্ৰম বিকাশহঁতে আজিকালি বহু কথা চিন্তা কৰে। বৰঢোল আৰু বৰতালযোৰে আনি দিয়া অবুজা সাঁথৰটোৰ উত্তৰ সিহঁতক লাগে। ৰংপুৰীয়া বাইজক অতীতৰ ৰংপুৰকলৈ

লগত চিনাকি কৰি দিয়াৰ প্ৰয়োজন। বংপুৰীয়া ৰাইজৰ পৰা ৰাজ-হুৱা কাম-কাজৰ পৰা বহুবছৰ বিচ্যুত হৈ থাকি সিহঁত কেইজনৰ আন কোনো লাভালাভ নহ'লেও সহা গুণটো সিহঁতে কিন্তু আয়ত্ত কৰিব পাৰিছে, ৰাইজৰ মানুহবোৰক, তোষামোদকাৰী দলটিক, দেৱ প্ৰতিভূ তথা বংপুৰস্থ দেৱ প্ৰতিনিধিজনক নিবিড়ভাৱে লক্ষ্য কৰিবলৈ সুযোগ পাইছে। বংপুৰৰ সাধাৰণ মানুহবোৰৰ জীৱন ধাৰা সম্যক-ৰূপে অধ্যয়ন কৰাৰ সুযোগ পাইছে। আৰু এই অভিজ্ঞতাবিলাকক মূলধন হিচাপে লৈ মৃদু মন্থৰ গতিৰে পলমকৈ হ'লেও সাধাৰণ ৰাইজৰ মাজত সোমাই পৰি বংপুৰত বিয়পি পৰা অচিনাকি বেমাৰটি চিনি উলিয়াবলৈ চেষ্টা চলাব পাৰিছে।

বংপুৰীয়া ৰাইজৰ লগত আজিকালি বিক্ৰম বিকাশহঁতৰ বহু ধৰণৰে কথা বতৰা হয়। অভাৱ অনাটনৰ কথা, বানপানীৰ কথা, দেৱতাসকলৰ কথা—তেওঁলোকৰ মহিমা, পৱন চঞ্চলৰ মুখেৰে উচ্চাৰিত দেৱ নিৰ্দেশনামা জাৰি কৰা তোষামোদকাৰী সকলৰ কথা—আদি সকলো ধৰণৰ কথাই আলোচিত হয়। বিক্ৰম বিকাশহঁতে সবিস্ময়ে লক্ষ্য কৰে—কথা-বতৰাৰ মাজত বংপুৰীয়া ৰাইজে অতীতৰ বংপুৰখনৰ কথা, বংপুৰ কক্ষা, মানৱ বিকাশ, ধ্যান-ৰাজহঁতৰ কথা ভুলতেও উল্লেখ নকৰে। আদিতে সিহঁতে ভাবিছিল দেৱবোৰত পৰাৰ ভয়তেই হয়তো সিহঁতে এনে ধৰণৰ কথাবিলাক আলোচনাৰ মাজলৈ টানি আনিব ভয় কৰিছে। পাছতহে জানিব পাৰিলে—বংপুৰৰ ইতিহাস সম্পৰ্কে সিহঁত সঁচাকৈয়ে অজ্ঞ। এই চিন্তা শূন্য মানুহজাকক মাজে মাজে পুতৌ কৰিবৰ, মাজে মাজে খং কৰিবৰ মন যায় বিক্ৰম বিকাশহঁতৰ। সিহঁত তিনিওজনৰে সেই একেটাই চিন্তা· 'কি উপায়েৰে এই মানুহজাকক বংপুৰৰ অতীতৰ ঘটনাৰাজিৰ লগত চিনাকি কৰি দিব পৰা যায়—আৰু দিলেই বা লাভ কি হ'ব!' হয়তোবা সিহঁতক শিকাই বুজাই বংপুৰৰ অতীত বৰ্তমান সম্পৰ্কে আগ্ৰহী কৰি ল'ব পাৰিলেহে—বৰচোল আৰু বৰ

তালৰ হেওটিৰ লগত চিনাকি কৰি দিব পৰা যাব।

বছৰি বছৰি ৰংপুৰত জনসংখ্যাৰ প্ৰকোপ যিমানে বাঢ়ে— অভাৱ অনাটনৰ মাত্ৰাও সেই অনুপাতে বাঢ়ে। ফলত ৰংপুৰৰ মানুহবিলাকো যিমানেই প্ৰত্যেকে প্ৰত্যেকৰ ওচৰ চাপি আছে। দেৱতাসকলৰ নিৰ্দেশনামাৰ প্ৰকোপো সেই অনুপাতে বাঢ়ে। ৰংপুৰ ৰকাৰ চোতালৰ এঁৰাতিৰ অনিৰ্বাণ ভুঁহ জুই কুৰাৰ ওচৰত বহা মানুহৰ সংখ্যা আগৰ তুলনাত বাঢ়িছে। অভাৱ অনাটন আদিৰ কথা আলোচনা প্ৰসঙ্গত ওলালে চেগ বুজি বিক্ৰম বিকাশহঁতে ৰংপুৰত অতীজতে ঘটা দুই এটা কথা মাজে সময়ে উলিয়ায়। কথাৰ সাঁচতে দুই এটা পুৰণি কথা উদাহৰণ হিচাপে দাঙি ধৰে। আগৰ এলাগী মানুহ কেইজনৰ কৌশল আৰু অক্লান্ত পৰিশ্ৰমৰ ফলত ধীৰে ধীৰে ৰংপুৰীয়া বাইজৰ ৰংপুৰৰ ইতিহাস শুনাৰ হেঁপাহ আগতকৈ বাঢ়িছে।

আনহাতে পৰন চক্ৰলো নিশ্চিত যে অৰুণ কিৰণহঁতৰ মৃত্যুৰ পাছত তেওঁৰ নিৰ্দেশ অমান্য কৰা মানুহে ৰংপুৰত জন্ম লাভ কৰা নাই। সেইবাবে তেওঁৰ গতিত দিনবোৰ যিমানেই গৈ আছে— যিমানেই তেওঁ নিষ্কৰ্মা হৈ গৈছে। দেৱতাৰ নিৰ্দেশ, বিধি নিষেধ বোৰ প্ৰচাৰ কৰিবলৈ তেওঁৰ তিনিজনকৈ উপযুক্ত পুত্ৰক আছে, লগত আছে তেওঁৰ প্ৰসাদধন্য তোষামোদকাৰী দলটি ৰংপুৰীয়া বাইজৰ আৰ্থিক অৱস্থা দিনক দিনে বেয়াৰ ফাললৈ যোৱাটো যেওঁ দেৱতাৰ ইচ্ছা বুলিয়েই ভাৱে। দেৱ ইচ্ছানুসৰি বাইজে ধৈৰ্য্যৰ পৰাকাষ্ঠাকেই যিহেতু দি আছে তেনেস্থলত তেওঁৰ কৰিবলগীয়া একো নাই।

তথাপিও পৰগাছা তোষামোদকাৰী দলটিৰ কাৰ্য্য-কৰ্ম, উদ্ভণি লক্ষ্য কৰি পৰন চক্ৰল মাজে মাজে চিন্তিত হয়। কাৰণ বন একোকে নকৰি এইজাক মানুহে তেওঁৰ প্ৰসাদধন্য হৈ-ৰংপুৰীয়া বাইজৰ হাতভজা উৎপন্নৰে বেচ সুখী জীৱন যাপন কৰি আছে। আত্মগত্যৰ

বাহিৰে তেওঁ এই মানুহবিলাকৰ পৰা কোনো উপকাৰ পোৱা নাই। বৰং মাজে মধ্যে নিজৰ ভঁড়ালৰ পৰা সিহঁতক ওলোটাকৈ খাদ্য শস্য দিবহে লগীয়া হয়। তথাপিও দেৱ নির্দেশ,—সিহঁতক এবিধ নোৱাৰে পৰন চঞ্চলে শৈশৱৰ কথাবিলাক, মানৱ বিকাশ ধান-বাজহঁতৰ উন্নতি, ককায়েক অৰুণ কিৰণহঁতৰ দেৱ বিদ্বেষৰ কথা মনলৈ আহিল—তেওঁ বংপুৰত সিহঁতৰ প্ৰয়োজন একান্তভাৱে অনুভৱ কৰে। বংপুৰৰ পৰা দেৱ বিদ্বেষীসকলক আঁতৰ কৰোৱাত সিহঁতৰ অৱদানৰ কথা কেতিয়াও পাহৰিব নোৱাৰে পৰন চঞ্চলে। সেইবাবে বুদ্ধি খটুৱাই তেওঁ এটা কাম কৰিছে। চতুৰ পুতেকহঁতক উপদেশ দিছে যাতে তোষামোদকাৰীসকলে দেৱমন্দিৰৰ পূজা পাতলৰ পইনা লৈ নিজৰ খাদ্য সামগ্ৰীখিনি বংপুৰীয়া বাইজৰ পৰা যেনে-তেনে আহৰণ কৰে। তোষামোদকাৰী দলটিও খুচি। এই নির্দেশৰ ফলং বংপুৰ সমাজত সিহঁতৰ স্থান আৰু ওপৰলৈ উঠিল।

হঠাতে ঘটনা এটি ঘটিল। সামান্য ঘটনা। বংপুৰীয়া বাইজৰ পথাৰৰ কাম শেষ হবৰ মাথোন দুইদিনহে হৈছে। বংপুৰ নদীত মাছ ধৰিবলৈ বৃথা চেষ্টা কৰি বংপুৰীয়া বাইজে মাজতে দুই এদিন জিৰাই সভাই পুনৰ খৰালিৰ খেতিৰ বাবে সাজু হব লাগিব। সেইদিনাখন তুঁহ জুইকুৰাৰ ওচৰত ভালেকেইজন মানুহ উপস্থিত হৈছিল। মাথোন অনল পিশালহে অনুপস্থিত। পলম হলেও সি নিশ্চয় আহিব।

সিহঁতৰ মাজত খেতিবাতিৰ কথাই ঘাইকৈ ওলাল। বাৰিষাৰ খেতিয়ে এইবাৰো আশানুৰূপ ফল নিদিয়ে। শাওণৰ গোহৰোৰত বঙা ৰোগে ধৰিছে। গতিকে শীত কালৰ খেতিৰ ওপৰতে সকলোৰে নির্ভৰ কৰিব লাগিব। তাৰ পাছত পোহনীয়া গৰু ম'হ বিলাকৰ বিষয়ে আলোচনা আৰম্ভ হ'ল সিহঁতৰ মাজত। কাৰোবাৰ গৰু কেইটি খীণাই গৈছে, পাছত এদিনাখন ভালদৰে পৰীক্ষা কৰাতহে

ওলাই পৰিল গৰু কেইটাৰ প্ৰত্যেকটিৰ গাতে অগণন চিকৰা,—তেজ খাই টুপটপীয়া হৈ গাতে লিপিট খাই আছে। হাতেৰে খামুচি একবাই দিয়াতহে এতিয়া অলপ ভালৰ পিনলৈ আহিছে। এজনৰ আকৌ গৰু পোৱালী কেইটিৰ নেমে প্ৰতি ছাল-ওকণি। হাড়ে-ছালে লগা অৱস্থা হৈছে সিহঁতৰ।

বন-ঔষধি সম্পৰ্কে বিক্ৰম বিকাশৰ কিছু জ্ঞান আছে। সি এবিধ লতাৰ নাম ক'লে। সেইবিধ লতাৰ পাতৰ ৰস গাত সানি দিলে চিকৰা আৰু ছাল-ওকণি মৰে।

আন এজনৰ এটা গৰুৰ আকৌ পেটটো খহি ঢোল যেন হৈছে। গৰুটোৱে ধাননি পথাৰত নামি ধান খাই আছিল, —দেখা পাই সি ঘৰলৈকে লৈ আহিল দুই দিনমানৰ পাছত দেখা গ'ল গৰুজনীৰ পেট উখহা বেমাৰ হৈছে

কিবা এটা বন দৰৱৰ কথা কৈ বিক্ৰম বিকাশে মন্তব্য কৰিলে, 'ধাননি পথাৰত গৰুটোৱে নিশ্চয় শামুক খাইছে। শামুক পেটলৈ গ'লে গৰুৰ পেট উখহা বেমাৰ হয়। সেইবাবে এনেকুৱা দিনত গৰুবোৰ ওখ ঠাইত চৰিবলৈ দিব লাগে।

'কিন্তু ৰংপুৰত চৰণীয়া পথাৰ বুলিবলৈ নোহোৱাই হ'ল দেখোন', আন এজনে মন্তব্য কৰিলে এনেও অনল বিশাল আহি জুইকুৰাৰ ওচৰতে বহিল

: সাপ ডাল মাৰিব পাৰিলিনে?' বিক্ৰম বিকাশে তাক প্ৰশ্ন কৰিলে।

: এৰা! বেচ ডাঙৰ সাপ আছিল; ছালখন একেবাৰে বখলিয়াই থৈ আহিছো।

: ভালেই কৰিছ। চিন হিচাপে সেইখন ঘৰত থকা ভাল।

: ঔষধ গোপনে পাখীৰ খাইছিল সাপ ডালে, —গাইজনীয়ে হবলা ভাবিছিল তাইৰ পোৱালীটিয়েহে পাখীৰ খাইছে। উৎসাহেৰে ক'লে অনল বিশালে।

: গম সিহঁতে কিজানি এদিনতে পাই যায়, কিন্তু কোনো উপায় নাথাকে। গহীনভাৱে মন্তব্য কৰিলে বিপ্লৱ বাহনে। ইমান সময় সি নীৰৱে আছিল। 'নিজৰ পোৱালীয়ে মাকৰ ওচৰত তেনেদৰে কামুৰিব নোৱাৰে।

কথা-বতৰাখিনি বিক্ৰম, অনল আৰু বিপ্লৱ বাহনৰ মাজতে আৱদ্ধ আছিল। লগৰীয়া আন বিলাকৰ মুখবোৰ চাই তৎক্ষণাত বিক্ৰম বিকাশে ধৰিব পাৰিলে সিহঁতে এই কথা-বতৰাখিনিৰ কোনো সুংসূত্ৰ ধৰিব পৰা নাই। সি কজাই ক'লে মানুহখিনিক, —কিছুদিনৰে পৰা অনল বিশালৰ খীৰতী গাই একনীয়ে ওচৰত হাতেই দিব নিদিয়া হৈছিল; —আনকি পেটৰ পোৱালীটিকো গাখীৰ খাব নিদিয়ে। দুই দিনমানৰ পাছত গাইকনীৰ ওচৰখন ভালদৰে পৰীক্ষা কৰি অনলে ধৰিব পাৰিলে তাইৰ পেটৰ গাখীৰ সাপে খায়। গাইজনীয়ে প্ৰথমতে কোনো গম নোপোৱাকৈয়ে ৰাতিৰ আন্ধাৰত গুৱালা সাপ এডালে গাখীৰ খাই গুচি যায়গৈ। কিছুসময়ৰ পিছতহে গাইজনীয়ে সাপৰ দাঁতৰ বিষৰ জ্বালা অনুভৱ কৰে; —ফলত ওচৰখন আনকি চুবলৈকো নিদিয়ে। যোৱাকালি ৰাতি মনে মনে চোপ লৈ ই অনলে প্ৰকাণ্ড গুৱালা সাপডাল দেখাও পাইছিল, কিন্তু মাৰিব নোৱাৰিলে। আজি কিন্তু কামফেৰা কৰিলে '

অনল বিশালক সকলোৱে শলাগিলে। 'অনল বিশালে উচিত কামকেই কৰিছে।'

প্ৰসঙ্গটোৰ সিমানতে অন্ত পৰাত মানুহবোৰ কিছুসময় মনে মনে থাকিল। বিপ্লৱ বাহনে এনেয়ে এবাৰ জুইকুৰা ফুৰাই দিলে। চহ-কালি জুইকুৰাৰ কোনো আৱশ্যক নাই যদিও সেইটো সিহঁতৰ অভ্যাসতে পৰিণত হৈছে।

: জঙ্গলত চৰাব নিদিলে গৰু-মহবোৰৰ বাবে কোনো উপায়েই নোহোৱা হ'ল। পূৰ্বৰ প্ৰসঙ্গটো পুনৰ উত্থাপিত হ'ল।

: কি যে দিনকাল পৰিল। কিছুদিনৰ পাছত কিজানি জংগলৰ

পৰা বাঁহ-পাত, ঘাঁহ-বন কাটি আনিছে এই বিলাকক প্ৰতিপালন কৰিবলগীয়া হ'ব। মানুহজনৰ মাতত আক্ষেপৰ সুৰ।

: আহত গছজোপাৰ ওচৰৰ ঠাইখিনি এইবাৰ মুকলি কৰিলে কেনে হয়? ইমান সময়ে আলোচনাত ভাগ নোলৈ তুপুকা মাৰি বহি থকা অক্ষয় মাধৱে হঠাতে মাত লগালে 'ঠাই ডোখৰতো এনেয়ে পৰি আছে, —মুকলি হ'লে তাতো খৰালিৰ শইচ লগাব পৰা যায়।'

উচপ খাই উঠি বিক্ৰম, বিপ্লৱ আৰু অনল বিশালে অক্ষয় মাধৱৰ মুখৰপিনে চালে বিশেষ কোনো কথা ভাবি সি এই কথাষাৰ কোৱা নাই ঠাইডোখৰৰ ইতিহাস জনা তিনিওজনে মনে মনে থাকিল।

প্ৰাণকিশোৰৰ কিন্তু কথাটো মনত নলাগিল কাৰোবাৰ মুখে সি শুনিছে—ঠাইডোখৰ হেনো কাৰিকৰ লগা তাতে গলেই মানুহ দেৱবোষত পৰে এইবাৰে অক্ষয় মাধৱৰ কথাটো সি মনে-প্ৰাণে সমৰ্থন কৰিব নোৱাৰিলে অৱশ্যে সি উলটাই কৰিব নোৱাৰিলে অধিক শইচৰ বাবে এতিয়া লোকক অধিক খেতিৰ মাটিৰ প্ৰয়োজন।

: বৰঞ্চ দেৱমন্দিৰলৈ গৈ সেইখন দেৱপ্ৰতিনিধি জনাকেই সুধি পুচি কৰি লোৱা ভাল ঠাইডোখৰলৈ গলেই মানুহ কেনেকৈ দেৱবোষত পৰে তদুপৰি এনেধৰণৰ কথাখিনিৰ বাবেও অনুমতি দিব নহয়।

অৱশেষত প্ৰাণকিশোৰৰ কথামতেই বাট লৈ বিক্ৰম বিকাশে ক'লে প্ৰাণকিশোৰেই যেন দেৱমন্দিৰলৈ গৈ সেইজনাক পৱন চঞ্চলক লগ ধৰি তেওঁক ভালদৰে বুজাই দিয়ে ঠাইডোখৰ খৰালিৰ শইচ কৰিবলৈ মুকলি কৰাৰ অনুমতি লৈ আহে।

বিক্ৰম বিকাশৰ কথাত সকলোৱে হয়ভৰ দিলে।

মানুহবোৰে ঘৰাঘৰি গুচি যোৱাৰ পাছতো বিক্ৰম বিকাশ, অনল বিশাল আৰু বিপ্লৱ বাহন ঠাইতেই বহি থাকিল। সিহঁতে তিনিও-জনে আলোচনাৰ সমল বিচাৰি পাইছে।

প্ৰাণকিশোৰৰ প্ৰস্তাৱটো পৱন চঞ্চলৰ বাবে একেবাৰে অপ্ৰত্যাশিত।

ৰংপুৰীয়া ৰাইজৰ মাজৰ পৰা এনে ধৰণৰ প্ৰস্তাৱ এটি যে আহিব পাৰে— তেওঁ ধাৰণাই কৰিব পৰা নাছিল। ৰংপুৰককাৰ চোতালৰ তুঁহ জুইকুৰাৰ চৌপাশে বহা মেলৰ কথা তেওঁ আগৰে পৰাই শুনি আছিল। সেইবাৰৰ প্ৰথমতে তেওঁৰ সন্দেহ হ'ল—মানুহবিলাকৰ আন ধৰণৰ উদ্দেশ্য কিবা থাকিব পাৰে বুলি। কিন্তু প্ৰাণকিশোৰক নানা ওৰহৰ প্ৰশ্নবাণেৰে জৰ্জৰিত কৰি অৱশেষত তেওঁ পতিয়ন গ'ল যে সেই ঠাইডোখৰৰ ইতিহাস জনা মানুহ ৰংপুৰত এতিয়া আৰু তেওঁৰ বাহিৰে আন কোনো নাই। আঁহত গছজোপা কটাৰ প্ৰসঙ্গ লৈ অতীতত মানৱ বিকাশে কৰা উদ্যোগালিৰ চিত্ৰখন ধূসৰভাৱে তেওঁৰ মনলৈ আহিল। বাপেকৰ মুখে তেওঁ এই ঘটনাটিৰ সবিশেষ শুনিছিল। তেওঁ যেতিয়া দেৱপ্ৰতিনিধিৰ বাণ পালে তেতিয়াৰে পৰা ককায়েক অৰুণ কিৰণ জীয়াই থকালৈকে আঁহত গছজোপা কাটি পেলোৱা আৰু ৰংপুৰককাই সৰগাৰ কৰা শিলচটা নদীগৰ্ভত বিসৰ্জন দিয়া-টোৱেই তেওঁৰ একমাত্ৰ কাম আছিল। কিন্তু দেৱতাসকলে চেগ বুজি কাম কৰিবলৈ দিয়া নিৰ্দেশে তেওঁক এই কামটোৰ পৰা বিৰত কৰালে। ককায়েক অৰুণ কিৰণ আৰু অন্যান্য দেৱবিদ্বেষীসকলৰ মৃত্যুৰ পাছত ভালেমান দিনলৈ এই বিষয়ে তেওঁৰ মনতেই পৰা নাছিল। যেতিয়া পুনৰ প্ৰসঙ্গটো তেওঁৰ মনলৈ আহিল— তেতিয়া ৰাইজৰ মানত সেই গছজোপা আৰু শিলডোখৰ থকা ঠাইখন কালিকা লগা অনাদৃত ঠাই এখনলৈ পৰিবৰ্তিত হৈছে। লগে লগে পৱন চক্লৰ ভাৱধাৰাৰ সলনি হ'ল। ৰংপুৰীয়া ৰাইজৰ এলাগী মানুহকেইজনৰ এজনৰ পাছত এজনৰ মৃত্যুৰ ঘটনাৰাজি নিজৰ মনতে পৰিস্থিতি চাই তেওঁ বিবেচনা কৰিলে --সেই ঠাইখন তেনেদৰেই থকা উচিত। দেৱতাসকলৰ বিৰুদ্ধাচৰণ কৰিলে— তাৰ শাস্তি কেনে ভয়ঙ্কৰ হয়-- ৰাইজৰ সমুখত তাৰ জ্বলন্ত স্বাক্ষৰ এটি থকা উচিত। এই কথাটো তাৰ পাছত পৱন চক্লে একেবাৰে পাহৰি গৈছিল। প্ৰাণকিশোৰে মনত পেলাই দিয়াৰ লগে লগে তেওঁৰ বৃদ্ধমনত বন্ধু ছুইপদ ধ্বংস কৰাৰ প্ৰবল বাসনা জন্মিল।

প্ৰাণকিশোৰক থিতাতেই হা না একো উত্তৰ নিদিলে পৱন চঞ্চলে। দুই এদিনৰ ভিতৰতে এই বিষয়ে দেৱনির্দেশ জাৰি কৰা হ'ব বুলি তাক পঠিয়াই দিলে।

প্ৰথমতে পৱন চঞ্চলে পুতেক তিনিজনৰ লগতেই ঠাইখনৰ ইতি-বৃত্তান্ত বিশদৰি আলোচনা কৰিলে। পুতেক কেইজনেও ঠাইখনৰ প্ৰকৃত ইতিহাস আগতে শুনা নাছিল গতিকে বাপেকৰ মুখে সবিশেষ শুনাৰ পাছত ৰংপুৰত নতুন কিবা এটা কৰিবৰ কাৰণে তেওঁলোকো অত্যুৎসাহী হৈ পৰিল অৱশেষত চাৰিওজনে মিলি এটা সিদ্ধান্তত উপনীত হ'ল যে—ঠাইডোখৰ বাইজৰ ভতুৱাই মুকলি কৰি থবালি খেতি লগাই অহা আনন্দমেলাৰ প্ৰথম দিনাখনেই শিলডোখৰ নদী গৰ্ভত বিসৰ্জন দিব লাগিব আৰু দেৱপ্ৰতিভূসকলৰ সাক্ষাতত আনন্দ মেলাৰ শেষ দিনাখন আঁহত গছজোপা কাটি পেলোৱা হ'ব। দেৱ প্ৰতিভূসকলেই কাহিনীকা লগা ঠাইডোখৰৰ ইতিহাস ৰাইজক শুনাব।

পৱন চঞ্চলৰ নির্দেশনামা ৰংপুৰত প্ৰচাৰিত হ'ল। দেৱপ্ৰতিভূ সকলৰ প্ৰসাদধনা তোষামোদকাৰীৰ দলটিয়েও ঠাইডোখৰৰ ইতিহাস শুনি আচৰিত হ'ল. আনন্দও লাভ কৰিলে। 'বহুদিনৰ মূৰত ৰংপুৰত এটি কৰিবলগীয়া কাম হ'ল।'

◻◻

যথা সময়ত কালিকা লগা ঠাইডোখৰ চাফ্ কৰিবলৈ নিৰ্দ্দিষ্ট দিন এটি স্থিৰ কৰা হ'ল। ইকাণ সিকাণকৈ ইতিমধ্যে ঠাইখনৰ ইতিহাস বাইজৰ একাংশ মানুহৰ কাণত পৰিছে পৰিছে। সেই ইতিহাস কিন্তু সিহঁতৰ বাবে তেনেই গৌণ। মুখ্য কথা হ'ল ঠাইডোখৰ কালিকা লগা আছিল—সেইটো নিৰাময় কৰি খৰালিৰ খেতি কৰিব লাগে। সেই কাৰণেই হবলা অনল, বিপ্লৱ আৰু বিক্রম বিকাশ সমালোচনা তুলাচনীত নুঠিল। কিন্তু এই কম দিন কেইটিৰ ভিতৰতে বাইজৰ মানুহ কিছুমানক কিন্তু আচহুৱা কৌতূহল এটিয়ে লগ ললে। ৰংপুৰককা, মানৱ বিকাশ, আনন্দ প্ৰকাশ, ধ্যানৰাজ আদিৰ বিষয়ে,—আচৰিত দেৱতাজন, মহান স্বৰূপ কুমাৰ, ধন বিলাস আদি দেৱ-প্ৰতিভূসকলৰ বিষয়ে সিহঁতৰ অন্তৰত কৌতূহলৰ উদ্রেক হ'ল।

হাবি-বন কাটি ঠাইডোখৰ মুকলি কৰি উলিয়াবলৈ বিক্রম বিকাশহঁতে দহ দিনমান সময় লগালে। কিন্তু এই কেইদিনৰ ভিতৰত এদিনৰ বাবেও পৱন চঞ্চলৰ পৰিয়ালবৰ্গ কিম্বা তোষামোদকাৰী সকলৰ ভৰিৰ গছকনি নপৰিল ঠাইডোখৰত।

প্ৰথম দিনাখনৰে পৰা অতি সাৱধানতা অৱলম্বন কৰি বিক্রম বিকাশে কথাবতৰাৰ চলেৰে কাম কৰাৰ ফাঁকে ফাঁকে ৰংপুৰীয়া বাইজক ৰংপুৰৰ ইতিহাস শ্ৰৱণ কৰালে। আচৰিত দেৱতাজনৰ কাহিনী, মহান স্বৰূপ কুমাৰ, বিজয়কৃষ্ণ আদিৰ দেৱত্বপ্ৰাপ্তি, নতুন ৰংপুৰ গঠন, ৰংপুৰ ককাৰ, মানৱ বিকাশৰ কথা, বিদ্যুৎ চঞ্চলৰ মৃত্যু, ধ্যানৰাজৰ অবিচলতা, চাফ্ কৰি থকা ঠাইখনৰ ইতিবৃত্ত আদি কোনো কথাই শুনিবলৈ বাকী নাথাকিল ৰংপুৰীয়া বাইজৰ।

বিক্ৰম বিকাশহঁতৰো বুজিবলৈ বাকী নাথাকিল—ৰংপুৰকৰা-হঁতৰ দিনৰ ৰংপুৰৰ বাইজৰ লগত বৰ্তমানৰ ৰংপুৰীয়া বাইজৰ অমিল বহুত। অভাৱ অনাটনে এতিয়াৰ মানুহক চিন্তা কৰিব শিকালে। কিন্তু এইখন সমাজত এতিয়াও মানৱ বিকাশ, ধ্যান ৰাজহঁতৰ দৰে সাহসী মানুহৰ অভাৱ। 'পেটৰ পোৰণিয়ে এদিন নিশ্চয় সিহঁতকো সাহসী কৰিব।'

ভুঁহ জুইকুৰাৰ ওচৰতো এই কেইদিন মানুহৰ সমাগম বাঢ়িল। উদ্দেশ্য একেটাই। ৰংপুৰৰ ইতিহাস।

বিয়াগোম আঁহত গছ জোপাই ডাল-পাতেৰে প্ৰায় একবিঘা মান মাটি আগুৰি পেলাইছে। খুব যতনেৰে সিহঁতে একালত ৰংপুৰ ককাই ব্যৱহাৰ কৰা শিলচটাৰ চৌদিশ মুকলি কৰিলে। ককাৰ মৰমৰ বস্তুটি— নদীৰ পানীৰে ঘঁহি পিহি চাফ কৰিলে। আঁহত গছজোপাৰো মনৰ ভাৱ এনেকুৱা যেন কোনোপধ্যে শিল চটাত পেলোৱা ৰেঙণি এটিও নপৰে।

অভাৱনীয়ভাৱে সেই তুইপদ বস্তুৱে বাইজৰ অন্তৰত এনে যাদুকৰী প্ৰভাৱ বিস্তাৰ কৰিলে যে সিহঁতে ৰংপুৰককা আৰু মানৱ বিকাশক তাৰ মাজতেই বিচাৰি পালে। ৰংপুৰীয়া বাইজৰ মানত আৰু ডাঙৰ আৰু কালিকা লগা হৈ নাথাকিল। বিক্ৰম বিকাশহঁতে সিহঁতৰ বিজয় যাত্ৰাৰ প্ৰথম খোজটি পেলালে

সুদীৰ্ঘ কালৰ পাছত ৰংপুৰককা আৰু মানৱ বিকাশে পুনৰ ৰংপুৰ সমাজলৈ উলটি আহিল। ভুঁহ জুইকুৰাৰ ওচৰত, আঁহত গছজোপাৰ গুৰিত বহি অতীত ৰোমন্থন কৰা ৰংপুৰীয়া বাইজৰ মাজত 'ৰংপুৰত পোহৰৰ অনাধিকাৰ' কথাটো পুনৰ আলোচনাৰ বিষয়-বস্তু হৈ পৰিল। দেৱতাসকলৰ কাৰ্যাৱলীৰ সমালোচনা আৰম্ভ হ'ল। বিক্ৰম বিকাশহঁতে পোহৰৰ সম্পৰ্কত দিয়া যুক্তিবোৰ এনে আচৰিত ধৰণৰ আছিল যে—সেইবিলাক সিহঁতৰ বাবে সম্পূৰ্ণ নতুন। মহান স্বৰূপ কুমাৰকে ধৰি ৰংপুৰৰ একাংশ মানুহে পোহৰ বিচাৰি কৰা

অভিযানৰ ফলত কিছুমানৰ দেৱত্বপ্ৰাপ্তি ঘটিল, কিছুমান দেৱপ্ৰতিভূ ৰূপে চিহ্নিত হ'ল। কিন্তু অধিক পোহৰ লাভ কৰাৰ আশাৰে দেৱ-আজ্ঞা পালন কৰি কৰি সিহঁতে যে দুবেলা পেট ভৰাই খাবলৈ নোপোৱা হৈছে এই কথাটো সিহঁতে ইমান পৰিষ্কাৰ ভাৱে বাই-জক বুজাই দিব পাৰিলে যে প্ৰতিজন শ্ৰোতাৰ অন্তৰতে সূক্ষ্ম দ্বন্দ্বৰ সৃষ্টি হ'ল। ভয়ে ভয়ে হলেও সিহঁতে চিন্তা কৰিবলৈ আৰম্ভ কৰিলে—দেৱতাসকলে অবিৰতভাৱে জাৰি কৰি থকা নিৰ্দেশ নামা বিলাকে জানো বংপুৰলৈ অধিক পোহৰ কঢ়িয়াই অনাৰ ক্ষেত্ৰত কিবা ইঙ্গিত বহন কৰিছে, বাইজৰপৰা সম্পূৰ্ণ বিচ্ছিন্ন জীৱন যাপন কৰি পৱন চঞ্চল আৰু তেওঁৰ পুতেক সকলে জানো সিহঁতৰ অভাৱ অনাটনৰ বুজ লৈছে; সৌকালৰ কোবাই সিহঁতৰ মুখৰ গৰাহ কাঢ়ি আনিবলৈকে জানো দেৱতাসকলে তোষামোদকাৰী দলৰ সৃষ্টি কৰিছে আৰু দেৱ কাৰ্যৰ ভাৰ সিহঁতৰ ওপৰত ন্যস্ত কৰিছে। অতি কম দিনৰ ভিতৰতে সিহঁতৰ অন্তৰত এই চিন্তাবোৰ দ কৈয়ে শিপালে। কিন্তু সিহঁতৰ মনৰ বতৰা ঘুণাক্ষৰেও দেৱ প্ৰতিনিধি নাইবা তোষা-মোদকাৰী দলটিৰ কাণত নপৰিল।

হালকোৰ মাৰি খৰালিৰ খেতিৰ বাবে উপযুক্ত কৰি উলিয়ালেও বংপুৰীয়া বাইজে কিন্তু ঠাইডোখৰত খৰালিৰ খেতি নলগালে। এক বিঘামান জুৰি থকা আহঁত গছজোপাৰ ডালবোৰ কিছু নাকাটিলে ছাঁত খেতি ভাল নহ'ব; —আনহাতে এতিয়া আৰু গছজোপাৰ কোনো ধৰণৰ ক্ষয়-ক্ষতি কৰিবলৈ বংপুৰীয়া বাইজ নাৰাজ। কি ভাৱি জানো পৱন চঞ্চলেও বৰ বেছি জোৰ-জুলুম নকৰিলে সিহঁতক। পুতেকহঁতকো এই বিষয়ত জুলুম কৰিবলৈ মানা কৰিলে। আনন্দ-মেলাৰ সময়তে দেৱপ্ৰতিভূসকলৰ সাক্ষাতত এই বিষয়টোৰ একেবাৰে নিষ্পত্তি কৰিব লাগিব।

ইমানদিনে বাঁহ-বন, গছ-গছনিয়ে আৱৰি ৰখা আঁহত গছজোপা

আৰু শিলচটা ৰংপুৰ নদীৰপৰা নাতি দূৰৈত—ৰংপুৰ পথাৰৰ মাজত জিলিকি থাকিল।

ৰংপুৰত কিবা এটা নতুন কাম কৰিবলৈ অত্যুৎসাহী তোষামোদকাৰী দলটো কিন্তু হতাশ হৈ পৰিল। পৱন চঞ্চলৰ পুত্ৰেক তিনিজনো। কিন্তু বাপেকৰ মুখৰ ওপৰত এজনেও মাত মাতিব নোৱাৰিলে। কিন্তু এটা কথা তোষামোদকাৰীসকলে পৱন চঞ্চলক বুজাবলৈ সক্ষম হ'ল যে সেই মাটিডৰাত খেতি কৰা হ'লে তেওঁলোকে উৎপন্ন শইচৰ অংশ এটি পালেহেঁতেন। সেই যুক্তি অৱশ্যে পৱন চঞ্চলে মানি ল'লে। ফলত দেৱনিৰ্দেশ ঘোষিত হ'ল—ৰংপুৰীয়া ৰাইজে এইবাৰ অনাবাদী মাটিখিনিৰ বাবেও নিৰ্দিষ্ট পৰিমাণৰ শইচ দেৱভাণ্ডাৰত জমা দিব লাগিব। বিক্ৰম বিকাশই'ত হা-না একো মন্তব্য নকৰিলে। নতুনকৈ ৰংপুৰৰ ইতিহাস শুনাত আগ্ৰহী ৰংপুৰীয়া ৰাইজে বেলেগ মাটিবোৰতো আগৰ বছৰ বিলাকৰ দৰে খেতি কৰিবলৈ উদ্দীপনা নাপালে। ৰংপুৰত সেই বছৰ খৰালিৰ খেতি বৰ বেয়া হ'ল।

এইবোৰ দেখি শুনি পৱন চঞ্চলৰ কিন্তু গা চেবালে। আঁহত গছজোপা আৰু শিলচটা এতিয়া আৰু ৰংপুৰীয়া ৰাইজৰ বাবে অনাদৃত নহয়। কিন্তু আনন্দমেলাৰ আগে আগে সেই আপদীয়া বস্তু দুইপদৰ বিনাশ সাধিবলৈও মনে মনে শঙ্কাবোধ কৰিলে তেওঁ। ৰাইজৰ মত তেওঁ শুনিবলৈ পাইছে—'অহকালি খেতিৰ বতৰত গছজোপাৰ ছাঁত বহি ভাগৰ পলুৱাবলৈ বৰ ভাল হ'ব। ৰংপুৰ পথাৰৰ মাজত আগতে এজোপাহে গছ আছিল, এতিয়া দুইজোপা হ'ল।'

আজ্ঞাবাহী দলটিক ৰাইজৰনো প্ৰকৃত মনোভাৱ কি ভাব উমান ল'বলৈ পাচি পৱন চঞ্চল নিশ্চিন্ত হ'ল যে- সিহঁতৰ অন্তৰত অন্য কোনো ভাৱ নাই, — ঠাইখনৰ প্ৰকৃত ইতিহাস দুই এজনে জানিলেও— সিহঁতে সেইবোৰ কথাত গুৰুত্ব আৰোপ কৰা নাই। স্বস্তিৰ নিশ্বাস পেলালে তেওঁ। পৱন চঞ্চলে পুত্ৰেক তিনিজন আৰু তোষামোদকাৰী দলটিক—মহান স্বৰূপ কুমাৰ আদি লোকসকলৰ দেৱত্বপ্ৰাপ্তি আদিকে

আৰম্ভ কৰি ৰংপুৰ ককা, মানৱ বিকাশ, আনন্দ প্ৰকাশ, ধ্যানৰাজ আদিৰ দেৱবিদ্বেষ আৰু তাৰ পৰিণতিৰ বিষদ বিৱৰণ ৰাইজৰ মাজত দাঙ্গি ধৰিবলৈ আজ্ঞা প্ৰদান কৰিলে। দ্বিৰুক্তি নকৰি ৰংপুৰীয়া ৰাইজেও তেওঁলোকৰ কথা শুনিলে।

কিন্তু আনন্দমেলাৰ প্ৰথম দিনাখন ককা, মানৱ বিকাশহঁতৰ কুকীৰ্তিবিলাক পুনৰ বৰ্ণনা কৰি দেৱপ্ৰতিভূসকলে আনন্দমেলাৰ প্ৰথম কৰণীয় কাম হিচাপে যেতিয়া আঁহত গছজোপা আৰু শিলচটা ৰংপুৰৰ পৰা নিশ্চিহ্ন কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিলে — ৰংপুৰীয়া ৰাইজে সমস্বৰে সেই কথাৰ প্ৰতিবাদ কৰি উঠিল। 'ককা, মানৱ বিকাশ ঢুকাবৰ আজি পাঁচকুৰি বছৰ হ'বৰ হ'ল যেতিয়া সেই পুৰণি কথা বিলাক উলিয়াই এতিয়া আৰু কোনো লাভ নাই। দেৱতাসকলে ৰাইজৰ লঘোণীয়া পেটৰ কথাহে চিন্তা কৰা উচিত।'

দেৱপ্ৰতিভূসকল আৰু পৱন চঞ্চলে ৰংপুৰীয়া ৰাইজৰ এই অনমনীয় সিদ্ধান্তত স্তম্ভিত হৈ পৰিল। তেওঁলোকে নানাধৰণে সিহঁতক বুজাবলৈ চেষ্টা কৰিলে। কিন্তু ৰাইজ অলৰ-অচৰ। বস্তু দুইপদৰ অনিষ্ট সাধন সিহঁতে কোনোপধ্যে কৰিব নিদিয়ে। দেৱদোষৰ ভয়াবহতাৰ কথা বৰ্ণনা কৰিয়ো কোনো লাভ নহ'ল।

ফলত দেৱপ্ৰতিভূসকল বিৰক্ত হ'ল। পৱন চঞ্চলক এই বিষয়ে কি কৰা উচিত হ'ব সেই উপদেশ দি তেওঁলোকে আনন্দমেলা পৰিত্যাগ কৰি ৰংপুৰৰ পৰা গুচি গ'লগৈ।

দ্বিতীয় অধ্যায় সমাপ্ত

পৰিশিষ্ট

মহান স্বৰূপ কুমাৰ, বিজয়কৃষ্ণ প্ৰভৃতিৰ দেৱত্বপ্ৰাপ্তি তথা নতুন ৰংপুৰ স্থাপনৰ এশ বছৰৰ অন্তত অনুষ্ঠিত হোৱা আনন্দমেলাত ৰংপুৰীয়া মাইজে যে দেৱবৃন্দৰ নিৰ্দেশ অমান্য কৰিলে—তাৰ ফলাফল কিন্তু দুয়োপক্ষৰ বাবেই চিন্তা কৰাতকৈও অধিকতৰ জটিল হ'ল। দেৱপ্ৰতিভূসকলে পৱনচঞ্চলক—তোষামোদকাৰী দলটিৰ ওপৰতেই মাইকে নিৰ্ভৰ কৰিবলৈ উপদেশ দি যথাস্থানলৈ গমন কৰিলে। গতিকে পৱন চঞ্চল, পুতেক তিনিজন আৰু তোষামোদকাৰীসকলৰ বচা বচা কেইজনমানৰ ভিতৰত গোপন বৈঠক বহিল। ৰংপুৰত কিছুদিনৰ বাবে অস্বাভাৱিক নীৰৱতাই বিৰাজ কৰিলে।

আনহাতে তুঁহ জুইকুৰাৰ ওচৰত বহি মেল কৰা মানুহৰ সংখ্যাও আগৰ তুলনাত বাঢ়িল। আগতে সিহঁতে বিক্ৰম বিকাশৰ মুখে ৰংপুৰৰ ইতিহাসহে শুনিছিল,—প্ৰশ্ন তেনেকৈ কিবা কৰা নাছিল। কিন্তু দেৱপ্ৰতিভূসকলৰ আদেশ অমান্য কৰাৰ পিছৰেপৰা সিহঁতে প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰিলে। বিক্ৰম বিকাশহঁতেও যথাসাধ্যে উত্তৰ দিয়াৰ প্ৰয়াস কৰিলে। কিন্তু প্ৰশ্নবোৰ জটিল, আচহুৱা। আচৰিত দেৱতাজনৰ কাহিনী শুনিবলৈ এতিয়া আৰু সিহঁত আগ্ৰহশীল নহয়,—ৰংপুৰ কহ্নাৰ মৃত্যুৰ পিছৰ এশবছৰীয়া ইতিহাসহে সিহঁতক লাগে।

হৰি মাধৱক কালি যে দেৱমন্দিৰত লৌকাৰে কোবাইছিল তাৰ কাৰণ কি?

: দেৱপ্ৰতিনিধিৰ ভাওৰজন পুতেকে হেনো তাক—আমাৰ মাজতনো কি কথা-বতৰা হয় সেয়া শুনি লৈ তেওঁলোকক ক'বলৈ পাচিছিল।

: সি হ'বলা অমান্তি হ'ল?

: সি অমান্তি হোৱাৰতো কোনো কাৰণ নাছিল। আমাৰ আলোচনাবিলাক তেওঁলোকে শুনাত বাধা কি?

: এৰা! আমিতো তেওঁলোকৰ বিৰুদ্ধাচৰণ কৰিবলৈ যোৱা নাই।

: তাক বৰ বেয়াকৈ কোৱালে। সেচেৰাই আজি শেতেলিৰ পৰা উঠিবকে পৰা নাই।

মই এপালি ঔষধ দি থৈ আহিছো। — গম্ভীৰ হৈ বিক্ৰম বিকাশে ক'লে। 'দেৱতাৰ ভয়ত সি প্ৰথমতে মোকো ক'বলৈ বিচৰা নাছিল; কিন্তু নেৰানেপেৰাকৈ ধৰাতহে ক'লে। তাক হেনো সঁকিয়াই দিছে— ঘটনাটিৰ বিষয়ে মুখ বন্ধ কৰি থাকিবলৈ।'

: মানৱ বিকাশৰ দিনতো দেৱতাসকলে এই নীতিৰ প্ৰচলন কৰা নাছিল।

: বংপুৰ ৰকাতো মৰিয়েই গ'ল; ধানবাজে প্ৰথম দেৱআজ্ঞা লঙ্ঘন কৰিলে, মানৱ বিকাশে প্ৰথম কাজিয়াৰ সূত্ৰপাত কৰি থৈ গ'ল। কিন্তু আমি কি দোষ কৰিলো ?

: দেৱতাৰ নিৰ্দেশ মানি নচলাটোৱেই ডাঙৰ অপৰাধ।

: কিন্তু আমিতো ইচ্ছা কৰি দেৱতাৰ নিৰ্দেশ অমান্য কৰা নাই।

: কি কৰিলে দেৱতাৰ নিৰ্দেশ ভঙ্গ কৰা হয় বা নহয় আমি জানো। এই কথাটো দেৱতাৰ প্ৰতিনিধিজনাক বিবৰি কৰ দিলেই দেখোন লেঠা শেষ। আমি সেইমতে কাম কৰি যাম।

: তেনেহলে আঁহতজোপা কাটিবলৈ অ'গ্ৰ' হওঁতে তইতে আপত্তি কৰিছিলি কেলেই ?

: দেৱপ্ৰতিনিধিৰ পৰিয়াল বাইবা তেওঁৰ অনুচৰ সকলেও নাঙ্গৰ মুঠিত নধৰে, —ধৰো আমিহে। তৃণবীয়াৰ ব'দত হাল বাই উঠি গছজোপাৰ চাঁত জিৰাই-সতাই তৃণবীয়াৰ আহাৰ খাবলৈ গছজোপাৰ যে আমাক আৱশ্যক—এই সাধাৰণ কথাটি জানো দেৱতাসকলৰ অবিদিত ?

: কিন্তু তেওঁলোকেতো সেই আজ্ঞাকেই দিছিল।

: বাৰু, —দেৱতাৰ নিৰ্দেশবোৰ জানো সদায় বাইজৰ মঙ্গলৰ কাৰণেই হয় ?

: আমি সেখোন ভেনেদৰেই বুজি আছিছো।

: গৰাখহনীয়াত পৰি ৰংপুৰ নদী বক্ষ হ'ল,—ৰাম হ'ল। দুই তিনিদিনৰ ৰৰষুণতে খেতিপথাৰ পানীত বুৰ যোৱা অৱস্থা হ'ল,—গৰু-ম'হ চৰিবৰ ঠাই নাইকিয়া হ'ল—এইবিলাক কিয় হ'ল?

: আমাৰ মাজত পাপ সোমাইছে,—এইবিলাক তাৰেই প্ৰতিফল।

: কল্পান্তৰৰ সময়ত দেৱবিদ্বেষী সকলৰ তেনো বিনাশ ঘটিছিল।—তেনেস্থলত এতিয়া আমাৰ কি দোষ? দেৱবিদ্বেষী যি কেইজন তথাপি আছিল—সিহঁতৰতো অকল পতন ঘটিল।

: ৰংপুৰ কক্কানো থাক কিয় প্ৰধান দেৱবিদ্বেষী হিচাপে চিহ্নিত হ'ল?

: পোহৰ বিচাৰি যাবলৈ তেওঁ যে মাম্ভি হোৱা নাছিল।

: দৰাচলতে সেইটো হয় জানো? সময় সুবিধা বুজি তেওঁ লগে ভাগেহে যাব খুজিছিল।

: মহান স্বৰূপ কুমাৰৰ কথা যে তেওঁ অবজ্ঞা কৰিছিল।

: কিন্তু সেই সময়ত তেওঁতো কোৱা নাছিল যে তেওঁ নিজেই এজন দেৱতা। গতিকে তেওঁৰ কথা শিলৰ বেখা।

: দেৱতাসকলে আগধৰি সেইবোৰ কথা নকয়। ভুল কৰা দেখিলে শাস্তি দিহে।

: কিন্তু জানি শুনিও দেৱতাৰ নিৰ্দেশ লঙ্ঘনকাৰী মানৱ নিকাশৰ আছিল। দেৱতাসকলে জানো তাক কিবা শাস্তি দিছিব পাৰিলে।

: তাক জানো এৰৰীয়া কৰি থোৱা হ'ল?

: সি জানো পৰোৱাই কৰিলে?

: দোষ কৰিলে মানৱ বিকাশ, ধ্যানধাৰ,—দোষ কৰিলে আনন্দ প্ৰকাশে,—বাক প্ৰতিফল ভোগ কৰিলে সিহঁতৰ নাতি-পুতিহঁতে। এইটো বাক দেৱতাসকলৰ কেনেকুৱা বিচাৰ?

: সেইবিলাক কথা বাদ দে। হাড়ভঙা পৰিশ্ৰম কৰি উৎপন্ন শইচৰ তিনিভাগৰ দুইভাগ দেৱতাসকলৰ নামত আজি পাঁচকুৰি বছৰে

উৎসৰ্গা কৰিলি, দেৱপ্ৰতিনিধিজনৰ পৰগাছা দলটিক কোনো পৰিশ্ৰম নকৰাকৈয়ে ঠেঙৰ ওপৰত ঠেং তুলি খাবলৈ দি আহিলি ; —সেই পুণ্যৰ কি প্ৰতিফল পালি তাকেই ক-চোন ?

: এই কথাই কথা নহয়, —দেৱপ্ৰতিনিধিজনক ক'ব লাগিল — হয় সিহঁতে আমাৰ লগ লাগি নাঙলৰ মুঠিত ধৰক, —নহ'লে নিজৰ ব্যৱস্থা নিজেই কৰক ।

: তই ঠিকেই কৈছ । সিহঁতৰ দেহতো দেৱৰক্ত নাই,—আমাৰ ওপৰত বৰমতা ওলাবলৈ সিহঁত কোন !

: কিন্তু দেৱতাৰ কাম-কাজবোৰতো সিহঁতেই চলাই আহিছে । দোষীৰ শাস্তি বিধান সিহঁতৰ দ্বাৰাই কৰোৱাটো নিয়ম । তেনেস্থলত পৱন চঞ্চলে জানো আমাৰ কথা শুনিব ?

: বুজাই ক'লে কিয় নুশুনিব ! বাইজৰ কাম বাইজৰ দ্বাৰাই হোৱা উচিত । আমিতো দেৱতাৰ নিৰ্দেশ লঙ্ঘন কৰিব নাযাওঁ । 'তেজপিয়া চিকৰা গাৰ পৰা একৰাব লাগে ।'

: আমি সকলোৱে একেমুখে এই কথা কোৱা উচিত ।

: পৱন চঞ্চলৰ গাত যদি দেৱতাৰ তেজ বিদ্যমান, —তেনেহ'লে তেওঁ নিশ্চয় এই কথা বুজি পাব ।

: মোৰ কিন্তু মনে নধৰে ।

: মোৰো ।

: তেনেহ'লে অ'ন ব্যৱস্থা হাতত ল'ব লাগিব ।

কিন্তু সিহঁতে দেৱপ্ৰতিনিধিজনক সকলো কথা বিৱৰি ক'বলৈ লগ ধৰাৰ আগতে পৱন চঞ্চলে ব্যৱস্থা হাতত ল'লে । সিহঁতে সিদ্ধান্ত গ্ৰহণ কৰাৰ দুইদিনৰ পাছতে— বংপুৰীয়া বাইজৰ আটাইবোৰকে দেৱমন্দিৰ প্ৰাঙ্গণত সমবেত হ'বলৈ আদেশ প্ৰদান কৰা হ'ল । পৱন চঞ্চলে এই নিৰ্দেশ দেৱপ্ৰতিভূসকলৰ পৰা আগতেই পাই থৈছিল যদিও দেৱপ্ৰতিভূৰ দলটি বংপুৰত উপস্থিত হোৱা মাত্ৰকে সেই আদেশ

কাৰ্যকৰী কৰিব বুলি মনতে পাঙি আছিল। পিছে ৰংপুৰীয়া ৰাইজৰ মাজত হোৱা আলোচনা-বিলোচনাবিলাক শুনি, পুৰোহিত আৰু অনুচৰবৰ্গৰ উদণ্ড স্বভাৱৰ কথা চিন্তা কৰি তেওঁ আৰু পলম কৰিবলৈ ইচ্ছা নকৰিলে।

দিনদুপৰাতে দেৱমন্দিৰ প্ৰাঙ্গণত মেল বহিল। ৰাইজেও ভাগলৈই পালে। সিহঁতে ক'ব খোজা কথাখিনি মেলতেই দেৱপ্ৰতিনিধিজনাৰ আগত প্ৰকাশ কৰিব পৰা যাব।

কিন্তু ৰাইজৰ আশা নফলিল। পৱন চঞ্চলৰ ঘোষণাই সিহঁতৰ উৎসাহত চেঁচা পানীহে ঢালিলে। তেওঁৰ মুখে সিহঁতে শুনিবলৈ পালে—ৰংপুৰৰপৰা যিসকল লোকে দেৱতাৰ বাছনিত উঠি খেতি-বাতিৰ দৈৱিক কৌশল শিকিবলৈ নতুন ৰংপুৰলৈ গৈছিল—সিহঁতৰ শিক্ষা সুকলমে শেষ হৈছে। বাৰিষাৰ খেতিৰ আগে আগে সিহঁতে পুনৰ ৰংপুৰলৈ উভতি আহিব। ৰংপুৰ পথাৰত এইবাৰৰ পৰা দৈৱিক প্ৰথাৰে শইচ উৎপন্ন কৰিব পৰা যাব।

হৰ্ষ উল্লাসত ৰংপুৰীয়া ৰাইজে চিঞৰি উঠিল। ঘৰৰ মানুহ ঘৰলৈ উভতি আহিব ইয়াতকৈ আনন্দৰ কথা কি আছে। তদুপৰি দৈৱিক প্ৰথাৰে কৰা খেতিৰ ফলত এইবাৰৰ পৰা সিহঁতে অন্ততঃ দুবেলা দুই সাঁজ খাবলৈ পাৰিব।

তুমুল হৰ্ষধ্বনিৰ মাজতে পৱন চঞ্চলে পুনৰ ঘোষণা কৰিলে, 'এই কথাটো দেৱপ্ৰতিভূসকলে আনন্দমেলাৰ শেষ দিনাখনেই ঘোষণা কৰাৰ কথা আছিল, —কিন্তু কণিকালগা শিলচটা আৰু আঁহত গছজোপা কটাৰ ক্ষেত্ৰত ৰাইজে দেৱবাক্য অমান্য কৰি তেওঁলোকৰ মনত অসন্তোষৰ সৃষ্টি কৰাৰ ফলত দেৱপ্ৰতিভূসকলে এই কথা ব্যক্ত কৰাৰ পৰা বিৰত থাকিল। কিন্তু দেৱতাসকল দয়াৰ সাগৰ। ৰাইজৰ এই দোষ অতি সামান্য বুলি ধৰি লৈ তেওঁলোকে এই বিধান দি পঠাইছে যাতে এই কথা মইয়েই ৰাইজৰ আগত ব্যক্ত কৰোঁ। দেৱপ্ৰতিভূসকলৰ দল এটিও দুই এদিনৰ ভিতৰতে ৰংপুৰ পোৱাহি কথা।

ৰাইজ নীৰৱে থাকিল। সিহঁতে চিন্তা কৰিলে—দেৱপ্ৰতিনিধি জনক ক'ব খোজা কথাখিনি এতিয়া ব্যক্ত কৰা উচিত হ'বনে নহয়।

পৱন চঞ্চলে কিন্তু ৰাইজক সিহঁতৰ মনোভাৱ ব্যক্ত কৰিব দিয়াৰ পক্ষপাতী নহয়।

দেৱতাসকলে—দেৱপ্ৰতিভূসকলক এই নিৰ্দেশ প্ৰদান কৰিছে যাতে ৰংপুৰৰ প্ৰতিজন লোকেই শইচ উৎপন্ন কৰা দৈৱিক প্ৰথাৰ বিষয়ে হাতে-কামে শিকে। দুই এদিনৰ ভিতৰতে দেৱপ্ৰতিভূসকলৰ যিটো দল আহি পাব—তেওঁলোকৰ লগতে ৰংপুৰৰ আৰু দুইকুৰিটা পৰিয়ালে শিক্ষা গ্ৰহণৰ অৰ্থে নতুন ৰংপুৰলৈ যাবৰ কাৰণে বাছনিত উঠিছে। —পৱন চঞ্চলে সেই দুইকুৰিটা পৰিয়ালৰ মুৰব্বী কেইজনৰ নাম একাদিক্ৰমে গাই গ'ল।

ইয়াৰ পাছতে দেৱতাৰ জয়গুণ গাই পৱন চঞ্চলে মেল ভঙ্গ কৰাৰ ইঙ্গিত দিলে। ৰংপুৰীয়া ৰাইজে মনতে আলচি থকা কথা বিলাক ক'বলৈ সুবিধা নাপালে।

নতুন ৰংপুৰলৈ যাবলৈ নিৰ্দেশ পোৱা পৰিয়াল কেইটাৰ ভিতৰত এইবাৰ বিক্ৰম বিকাশ, অনল বিশাল আৰু বিপ্লৱ বাহনৰ পৰিয়াল তিনিটাও আছে।

অনল, বিপ্লৱ আৰু বিক্ৰম বিকাশৰ মাজত পুনৰ গোপনে আলোচনা চলিল। অনল বিশালৰ দেহত বাপেক মানৱ বিকাশৰ তেজ বৰ্তমান। সি আকোৰগোজ মূৰ্ত্তি ধৰিলে—নতুন ৰংপুৰলৈ সিতো নাযায়েই আনবিলাকো যাব নোৱাৰে।

: বৃদ্ধ পৱন চঞ্চলৰ এইবিলাক ছল-চাতুৰি। আমি তিনিজনক ৰংপুৰত থকাতে, সি কোনোমতে পচন্দ নকৰে। —সিহঁতে তিনিওজনৰ আলোচনাত দেৱপ্ৰতিনিধিজনে সম্বোধনতো আনকি সন্মান নাপায়। অনল বিশাল তাতে একাঠি চৰা।

: আমাৰ সেইদিনাখনৰ আলোচনাৰ কথা পৰগাছা বিলাকে

কেনেবাকৈ গম পালে হ'বলা। —চিন্তা কৰি বিপ্লৱ বাহনে মন্তব্য কৰিলে।

: তই ঠিকেই কৈছ। সিহঁতে গম পাইছে; নহ'লে আমাক অলপো সময় নিদি পৱন চক্ৰলে এইটো কাম কেতিয়াও নকৰিলেহেঁতেন। —বিক্ৰম বিকাশে সমিধান দিলে।

: এই মানুহবোৰক লৈ আৰু নোৱাৰি। নিজে নাখাই মৰিব, কিন্তু দেৱতাৰ আদেশ শিলৰ ৰেখা। —অনল বিশালৰ কণ্ঠত স্পষ্ট বিৰক্তি।

: তোৰ আজো ককাৰে পুতি থৈ যোৱা আঁহত গছজোপা এৰ-ছৰতেই ইমান ভাগৰ হোৱা নাই। —বিক্ৰম বিকাশে তাক বুজাবলৈ চেষ্টা কৰিলে।

: এৰা! আজিৰ ৰংপুৰীয়া বাইজৰ লগত ৰংপুৰ ককাইতৰ দিনৰ বাইজৰ তফাৎ বহুত। ঠেকি ঠেকি সিহঁতে বহুত শিকিছে, —আৰু শিকিব। শিকাবও লাগিব। —বিপ্লৱ বাহনেও অনলক বুজাবলৈ চেষ্টা কৰিলে।

: শিকাব লাগিলেই, —আৰু পলম কৰিব নোৱাৰি। —বিক্ৰম বিকাশ সিদ্ধান্তলৈ আহিল।

ৰংপুৰীয়া বাইজক কি কথা কেনেকৈ শিকাব লাগিব সেইবিষয়ে প্ৰথমতে সিহঁত তিনিটাৰ মাজতে আখৰা চলিল।

তুঁহ জুইকুৰাক কেন্দ্ৰ কৰি সন্ধিয়া পৰত পুনৰ মানুহ গোট খালে। কোনেও গম নোপোৱাকৈ বিক্ৰম বিকাশে তাৰ পুতেকক আন্ধাৰৰ আঁৰ লৈ পদূলিমুখত চোপ লৈ থাকিবলৈ উপদেশ দিলে—সিহঁতৰ কথা-বতৰা যাতে বেলেগে শুনিব নোৱাৰে।

অনল, বিপ্লৱ আৰু বিক্ৰম বিকাশে ৰংপুৰীয়া বাইজৰ মূল সুঁতিটোৰ লগত এনেদৰে মিলি গৈছে যে, বাইজৰ এনেকুৱা অবিচ্ছেদ্য অংগ হৈ পৰিছে যে—পৱন চক্ৰলে নিৰ্দেশ জাৰি কৰাৰ পাছত সিহঁত

তিনিওজনে যে বংপুৰ এৰি দুই এদিনৰ ভিতৰতে নতুন বংপুৰলৈ যাত্ৰা কৰিব সেই কথা মনে-প্ৰাণে মানি ল'ব নোৱাৰা মানুহবিলাকেই আছে আজিৰ জুমত। সিইঁতৰ মনৰ ভাৱ—'ইইঁত তিনিজনে বংপুৰ এৰি গ'লে বাইজ বন্ধুহাৰা হ'ব।

: তেনেহলে তহঁতো যাবিগৈ?

: আমি আলোচনা কৰা কথাবোৰ দেখোন কৰবে নহ'ল।

: তেৰা লাগি পৰন চকলৰ মুখৰপিনে চাই কি কৰি আছিলি তহঁতে! ক'ব নোৱাৰিলি? —অনল বিশালে মানৱ বিকাশৰ চৰিত্ৰগত গুণটি হঠাতে লাভ কৰিছে, হকে-বিহকে টিঙিচকৈ খং উঠে তাৰ।

: তয়েইনো নকলি কিয়? মেলত মাতিবলৈ মাথোন আমিহে আছো নেকি?—নিজক বচাবলৈ কৰা প্ৰতিবাদৰ স্বৰো সদায় তীক্ষ্ণ হয়।

: বহচোন,—তহঁতে নিজৰ ভিতৰতে কাজিয়া কৰি মৰিবিনে?—বিক্ৰম বিকাশে দুয়োজনকে বুজাবলৈ চেষ্টা কৰিলে। 'দেৱ-প্ৰতিনিধি জনৰ আগত কথাটো উলিয়াব খোজোতেই তেওঁ মেলখন ভঙ্গ কৰি দিলে।'

: সেইদিনাখন দেৱতাৰ নিৰ্দেশ উলঙ্ঘা কৰাটো আমাৰ বাক পাপ হৈছিল নেকি?

: নাই হোৱা।— বিজয়ৰ দৰে বিপ্লৱ বাহনে মাত লগালে।

: আমাৰ দেহাবোৰৰ কাৰণেও দেৱতাসকলে চিন্তা কৰা উচিত।

: সেই প্ৰস্তাৱ দেৱতাসকলৰ ফালৰ পৰা অহাই নাছিল কিজানি। দেৱপ্ৰতিভূসকলৰহে নিৰ্দেশ আছিল সেইটো।

: সেই কাৰণেই তেওঁলোকে আমাক দণ্ড বিহিব নোৱাৰিলে।

. এইটোও এক প্ৰকাৰ দণ্ডৰ দৰেই হ'ল।—অনল বিশালে এতিয়াও ভাৱ খং দমন কৰিব পৰা নাই।

: এৰা! দৈৱিক প্ৰথাৰে খেতি কৰিবলৈ শিকা পৰিয়াল কেইট,—খেতিৰ আগে আগে ন'হাগ মাহুতৰে আছিব। তেনেস্থলত দুইকুৰি

পৰিয়াল যদি এতিয়াই গুচি যায়গৈ তেনেহলে চিকাৰ কৰাত বিজুতি নঘটিব জানো।

: এইটো কথা আমি সেইদিনাথনৰ মেলতেই উলিয়াব লাগিছিল। পুনৰ গৰজি উঠিল অনল বিশালে।

: মনে মনে নাথাকিবিনে তই?—বিক্ৰম বিকাশে অনলক ধমকি দি উঠিল।

: কথাটো কিন্তু অলপ ভুল হ'ল।

: আমি যে যি কোনো কথা খুব কম চিন্তা ক'ৰে সেইটোৱে আমাৰ একমাত্ৰ ভুল।—ভাবিচিন্তি বিক্ৰম বিকাশে মন্তব্য কৰিলে।

: খোৱা বোৱাৰ চিন্তাকেই কৰিবি নে আন কিবা চিন্তাই কৰিবি?

: কি কাৰণে দুই বেলা দুই সাজ খাব নোপোৱা হলি তাকেই ভালদৰে চিন্তা কৰচোন।—বিপ্লৱ বাহনে মাত লগালে।

: নতুন ৰংপুৰ গঢ়কি আছি সিহঁত যে পৰগাছা বিলাকতকৈয়ো ওপৰত উঠিব সেইটো ধুৰূপ।

: ভালেই হবদে:—সিহঁত আহিয়েই এই জাকটিক উচিত শিক্ষা দিয়ক।

: মোৰ কিন্তু মনে নধৰে। সিহঁতে ইহঁত বিলাকৰ লগ লাগি আমাৰ ওপৰতহে বৰ মতা ওলাব।

: মোৰ বিশ্বাস সিহঁত উভতিয়েই নাহে। সিহঁতে ৰংপুৰ এৰিবৰ কিমান বছৰ হ'ল কচোন।

: এটা কথা শুনিছনে?

: কি কথা?

: আজি দুপৰীয়া অজনাভক পৱন চঞ্চলে দেৱমন্দিৰলৈকে মতাই নিছিল। লগত তাৰ ঘোৱালী অনুভাও আছিল।

: দেৱ মন্দিৰলৈ নে দেৱপ্ৰতিনিধিৰ ঘৰলৈ?

: দেৱপ্ৰতিনিধিৰ ঘৰলৈ।

: কি হ'ল পিছে? তাৰ পৰিয়ালটোৱোতো নতুন পুৰবৰলৈ

যোৱাৰ কথা আছে। —বিক্রম বিকাশ উদ্বিগ্ন হৈ পৰিল।

: বেচেৰাক সৌকাৰে কোবাই বেয়াকৈ জখম কৰিলে।

: তই সঁচাকৈয়ে কৈছনে ? কথাটো আমি দেখোন এতিয়ালৈকে শুনা নাই।

: পৱন চঞ্চলৰ সক পুতেক জনৰ লগত যে ঘূৰি ফুৰে—কান্তি বিলাস;—সি হেনো অনুভাক যোৰ পতাৰ প্ৰস্তাৱ দিছিল। কিন্তু তাই মান্তি নোহোৱাত অসৎ অভিপ্ৰায়েৰে হেনো হাতত ধৰিছিল।

: হয় নেকি! কি হ'ল তাৰ পাছত ?

: একেপাট চৰতে পাক ঘূৰণি খাই থিতাতে পৰি গ'ল। তাইৰ হাতৰ জোৰ আছে।

: তাৰ পাছত হৰলা পৱন চঞ্চলে মাতি নি অনুভাৰ বিচাৰ কৰিলে।

: দেৱপ্ৰতিনিধি জনাই অজনাভক নিৰ্দেশ দিলে—কান্তি বিলাসৰ লগত অনুভাৰ যোৰ পাতি দিবলৈ।

সকলোৱে অনল বিশালৰ পিনে চালে। অনুভাৰ লগত তাৰ যোৰ পতাৰ কথা। দুয়োৰে মনৰ মিল হৈছে।

: অনুভাই কিন্তু আপত্তি কৰিলে। খোলাখুলিকৈ তাই কৈয়েই দিলে—যোৰ পাতিলে তাই অনল বিশালৰ লগত হে পাতিব।

: তাইৰ মনৰ জোৰ আছে।

: পৱন চঞ্চলে তাইৰ কথা আওকাণ কৰিলে যদিও— অজনাভকো মান্তি কৰিব নোৱাৰিলে। একেজনী ছোৱালী তাৰ; তাইৰ মতৰ বিপক্ষে সি নাযায়।

: দেৱপ্ৰতিনিধিৰ বাক্য উলঙ্ঘা কৰা বাবে দুজন পৰগাছাৰ সৌকাৰ কোৰ তাৰ পিঠিত পৰিল।

: কিন্তু সিহঁত দুজনৰ গাতো দেৱতাৰ শাওপাত লাগিল। — লাহেকৈ মাত লগালে বিপ্লৱ বাহনে।

: কেনেকৈ ? —বিক্রম বিকাশে ভয় খালে।

: দুয়োজনকে উচিত শিক্ষা দিছো। ভবিষ্যতে যাতে কোনোদিন

নৌকা ব্যৱহাৰ কৰিব নোৱাৰে তাৰ কাৰণে হাতেকেইখন কোবাই ভাঙি দিছো। চেতনাহীন হৈ দুয়োজনে নৈৰ পাৰত পৰি আছে —নির্লিপ্তভাৱে ঘোষণা কৰিলে অনল বিশালে।

: কোনোবাই দেখিছে নেকি? —বিক্রম বিকাশ উদ্বিগ্ন হ'ল।

: নাই। সন্ধিয়াৰ কাহিলি পোহৰ—সিহঁতে মোকো আনকি চিনিব নোৱাৰিলে। ই বিপ্লবেহে মাথোন জানে. মযে লগত লৈ গৈছিলো।

: মানুহবোৰে কিছুসময় নীৰৱে চিন্তা কৰিলে।

: কামটো ভাল হ'ল জানো! এতিয়াতে পৱন চক্রলে আমাক সুদাই নেৰে।

: যি হ'বৰ হৈ গ'ল; —এতিয়া তহঁতে সেইবিষয়ে টু শব্দ এটিও নকৰিবি। —বিক্রম বিকাশে উপদেশ দিলে।

: নতুন ৰংপুৰলৈ যোৱা কথাটোৰ কি হ'ব?

: নতুন ৰংপুৰলৈ আমি নাযাওঁ। —বিপ্লৱ বাহনৰ উত্তৰত দৃঢ়তাৰ ছাপ। অলপ দিনৰ ভিতৰতে সি বাপেক হ'ব।

: নতুন ৰংপুৰলৈ যোৱা মানুহখিনি আগতে আহি লওক। তাৰ পাছত কিবা এটা চিন্তা কৰিব লাগিব। —বিক্রম বিকাশে তাৰ সিদ্ধান্তৰ কথা ঘোষণা কৰিলে। তাৰ কথা শুনি মানুহবিলাকৰ মুখলৈ পানী আহিল।

: আমি দেখোন সিহঁতৰ পৰাও দৈৱিক প্রথাটি শিকিব পাৰো।

: দেৱপ্রতিভূসকল আহিলে আমি তাকেই কম।

বহু ৰাতিলৈকে সিহঁতৰ মাজত দেৱতা—দেৱপ্রতিভূ, ৰংপুৰ ৰক্ষা, পোহৰ আদি বিষয়ে আলোচনা চলিল। সুচতুৰ বিক্রম বিকাশে আলোচনাৰ গুৰি ধৰিলে। ৰংপুৰৰ ইতিহাসে ইমান দিনে ধৰি অহা পোনৰাট এৰি বেঁকাপথত খোজ পেলালে।

দেৱপ্রতিভূসকলৰ দল এটি ৰংপুৰলৈ আহিল। ৰংপুৰৰপৰা ছুই

কুৰিটা পৰিয়ালক লগত লৈ নতুন বংপুৰলৈ যোৱাৰ দিনো ঘোষণা কৰা হ'ল। কিন্তু নিৰ্দিষ্ট দিনত এজন মানুহো ওলাই নাহিল। সেই দিনাখন সন্ধিয়াতেই দেৱমন্দিৰ প্ৰাঙ্গণত মেল গোটালে পৱন চঞ্চলে।

সন্ধিয়া হোৱাৰ লগে লগে মেলত মানুহ গোট খালে

দেৱপ্ৰতিভূসকলে, পৱন চঞ্চলে সিহঁতক কোৱা কথাখিনিকেই পুনৰবাৰ দোহাৰি পিচদিনাখন বাতিপুৱা নিৰ্দিষ্ট পৰিয়াল কেইটিক নতুন বংপুৰলৈ কৰিবলগীয়া যাত্ৰাৰ বাবে সাজু হ'বলৈ নিৰ্দেশ দিলে।

: নতুন বংপুৰৰপৰা ডেৰকুৰিটা পৰিয়াল উৰ্ভতি অভাৱ পাছতহে আমি যাম বুলি স্থিৰ কৰিছো। —বিক্ৰম বিকাশে ঘোষণা কৰিলে।

দেৱপ্ৰতিভূসকল স্তম্ভিত হৈ পৰিল।

: বংপুৰীয়া বাইজক নিজা-ৰৱীয়াকৈ সিদ্ধান্ত লোৱাৰ অধিকাৰ কোনে দিলে? —পৱন চঞ্চলে গৰজি উঠিল।

: দেৱতাৰ নিৰ্দেশ ভঙ্গ কৰাৰ অধিকাৰ আপুনিয়েই বা ক'ত পালে? বিপ্লৱ বাহনৰ চোকা প্ৰশ্ন।

: মই দেৱতাৰ নিৰ্দেশ ভঙ্গ কৰিছো! —পৱন চঞ্চলে নিজকে যেন বিশ্বাস কৰিব টান পালে।

: এৰা! অজনাভৱ পৰিয়ালটিৰো নতুন বংপুৰলৈ যোৱাৰ কথা আছিল। যেনেস্থলত তাৰ জীয়েক অনুভাৰ লগত কান্তি বিলাসৰ যোৰ পতাৰ নিৰ্দেশ আপুনি কিয় দিলে? অনুভা জানো অজনাভৱ পৰিয়ালৰ এজনী নহয়?

: যোৰ পতাৰ পাছত তাই জানো বংপুৰতে থাকি যাব নালাগিব? —বিপ্লৱ বাহনৰ কথাৰ ওপৰতে প্ৰশ্ন কৰিলে—বিক্ৰম বিকাশে।

: কান্তি বিলাসে অনুভাক অসৎ আচৰণ কৰাৰ সাহস কেনেকৈ পালে? —মেলৰ মাজৰপৰা এজনে প্ৰশ্নৰ চোকা বাণ মাৰিলে।

: দেৱপ্ৰতিভূসকলে প্ৰথমতে এইখন বিচাৰ কৰক. —অজনাভ কিয় সৌকাৰ কোৰ খাবলগীয়াত পৰিল। —অনল বিশালে গোঙোৰা মাৰি কৈ উঠিল।

: দেৱপ্ৰতিনিধি বিচাৰৰ উৰ্ধত ।— দেৱপ্ৰতিভূ এজনে ঘোষণা কৰিলে ।'তেওঁৰ বিচাৰ কৰাৰ অধিকাৰ দেৱতাসকলৰ হে মাথোন আছে ।

: তেনেহলে কান্তি বিলাসৰে বিচাৰ কৰক,— সিটো দেৱপ্ৰতিনিধি নহয় ।— উত্তেজনাত থিয় হ'ল অনল বিশাল ।

: এবা প্ৰথমতে কান্তি বিলাসৰে বিচাৰ হওক, ।— সমস্বৰে কৈ উঠিল বংপুৰীয়া বাইজে ।

: ক'ত সি ?

: সি জানো মেললৈ অহা নাই ?

: দেৱতাৰ নিৰ্দেশত বহা মেলত নাহিবলৈ সি কোন ?

: আৰু কোন কোন অহা নাই ?

: বিদ্যুৎ কৰণ ।

: দুয়োকে এতিয়াই মেলত হাজিৰ কৰাৰ লাগে ।

: চোচোৰাই টানি আন সিহঁতক ।— বাইজৰ মাজত কোৰ্হাল লাগি পৰিল ।

দেৱপ্ৰতিভূসকলে এই বিষয়ে সমূলি নাজানে । প্ৰয়োজন নহ'ব বুলিয়েই পৱন চঞ্চলে কোৱা নাছিল সক পুতেক জন আৰু কান্তি বিলাসৰ আদ্যাবক প্ৰাধান্য দিবলৈ গৈ তেওঁ নিজে সৃষ্টি কৰা পৰিস্থিতি নিজেই চম্ভালি নবলগীয়াত পৰিল ।

: সিহঁত দেৱ কাৰ্যত নিয়োজিত লোক, - সিহঁতৰ বিচাৰ ৰাজহুৱা মেলত হব নোৱাৰে । তদুপৰি দেৱকাৰ্য্যত নিয়োজিত থাকেহে সিহঁত মেলত অনুপস্থিত ।

বিক্ৰম বিকাশহঁতে প্ৰকাশ্য মেলত পৱন চঞ্চলক অপদস্থ কৰিব খুজিলে । কিন্তু সিহঁতৰ মুখবোৰ দেখি পৱন চঞ্চলৰ বুজিবলৈ বাকী নাথাকিল সাকান্য অনুচৰ দুজনক ৰক্ষা কৰিবলৈ তেওঁ বাইজৰ ওচৰত মিছলীয়া হিচাপে চিহ্নিত হ'ল । কিন্তু এই বিষয়ে ভু-ভা নোপোৱা এজনে হঠাতে প্ৰশ্ন কৰি বহিল –, 'দেৱ কাৰ্যত নিয়োজিত সকলে যে কাম-বন একোকে নকৰি ৰাজহুৱা ভড়ালৰ পৰা পোহ

পাল লৈ আছে—সেইটো জানো দেৱ নির্দেশতে হৈছে ?'

ঃ নিশ্চয়। সিহঁত যিহেতু দেৱ কাৰ্যত নিয়োজিত লোক তেনে স্থলত সিহঁতৰ ভৰণ পোষণৰ দায়িত্ব ৰাইজৰ। সিহঁতেতো দৰাচলতে ৰাইজৰ কামকেই কৰিছে। সিহঁতৰ অবিহনে আন কোনোবাই সেই ভাৰ লব লাগিলহেঁতেন।

ঃ তেনেহলে সেই ভাৰ আমাৰ ওপৰত ন্যস্ত কৰি সিহঁতকে নতুন ৰংপুৰলৈ পঠিয়াই দিয়া হওক। সিহঁতেই আমাতকৈ আগতে দৈৱিক প্ৰথাৰ খেতিৰ বিষয়ে জ্ঞান আহৰণ কৰি আহক। —বিক্ৰম বিকাশে জনাই দিলে।

ঃ এৰা ! নিষ্কৰ্মা সকলোৰে প্ৰথমতে গাৰ মোট ভাঙক।—ৰাইজে একেমুখে বিক্ৰম বিকাশক সমৰ্থন কৰিলে।

ঃ পৱন চঞ্চল বিৰক্ত হ'ল। 'তাৰ মানে ৰংপুৰীয়া ৰাইজে দেৱতাৰ নিৰ্দেশকো অমান্য কৰিবলৈ সাহস কৰিছে ?

ৰাইজ নিমাতে থাকিল।

দেৱতাসকলক অৱমাননা কৰাৰ শাস্তি কি ভয়ঙ্কৰ—সেইবিষয়ে ৰাইজে জানো অলপো চিন্তা কৰা নাই ?

ঃ আমিতো দেৱতাসকলক অমান্য কৰা নাই। আমি মাথোন কৈছো—আমাৰ ঠাইত দেৱকাৰ্যত নিয়োজিত সকলক লৈ যোৱা হওক। নতুবা আগতে নতুন ৰংপুৰৰপৰা ডেৰকুৰি পৰিয়াল ভগাই লওক.—তাৰ পাছত যি হয় হ'ব। —বিক্ৰম বিকাশে আপত্তি কৰিলে।

ঃ কিন্তু সেইটো দেৱতাৰ আদেশ লঙ্ঘন কৰাৰেই নামান্তৰ মাথোন।

ঃ তেনেহলে আমি নিৰুপায়।

ঃ আমি আচৰিত হৈছো—দেৱতাৰ আদেশ লঙ্ঘন কৰাৰ সাহস ৰংপুৰীয়া ৰাইজে ক'ৰপৰা কেনেকৈ পালে ! —ইমান সময় নিমাতে থকা দেৱপ্ৰতিভূ এজনে আশ্চৰ্য প্ৰকাশ কৰিলে।

ঃ আমিও আচৰিত হৈছো—ইমান দিনে দেৱতাৰ নিৰ্দেশ আখৰে

আখৰে পালন কৰি অহা সত্বেও আমি কিয় তুবেলা তুই সাজ খাবলৈ নোপোৱাত পৰিছো! --অনল বিশালে উত্তৰ কৰিলে।

: ৰংপুৰ ককাইতৰ দিনতো ৰংপুৰীয়া ৰাইজৰ এনে হাড়ে-ছালে লগা অৱস্থা হোৱা নাছিল! —বিপ্লৱ বাহনে অনলক সমৰ্থন কৰিলে।

: এইবিলাক ৰাইজৰ ওপৰত দেৱবৃন্দই চলোৱা পৰীক্ষা-নিৰীক্ষা হে। ৰাইজে যদি তেওঁলোকৰ পৰীক্ষাত উত্তীৰ্ণ হয় তেনেহলে ৰংপুৰলৈ অধিক পোহৰ অহাত কোনো বাধ নাথাকিব। দেৱপক্ষ সমৰ্থন কৰিলে দেৱপ্ৰতিভূসকলে। 'দেৱতাসকলে সুদূৰ ভৱিষ্যতক আগত ৰাখিহে সকলো কাম কৰে।'

: সেই কথা পাঁচকুৰি বছৰ ধৰি বহুবাৰ শুনোৱা হ'ল। মহান স্বৰূপ কুমাৰৰ মুখেৰেহে আমি সেই কথা শুনিব খুজিছো। বিপ্লৱ বাহনে প্ৰতিবাদ কৰিলে।

: আচৰিত দেৱতাজনে যদি ৰংপুৰলৈ আহি দেৱতাৰ জন্ম দি থৈ যাব পাৰে, তেনেহলে মহান স্বৰূপ কুমাৰ আদি আন দেৱতাসকলৰ অহাত কি বাধা থাকিব পাৰে? আনন্দ বিশালে ঔকথাৰ দৰে মৈত উঠিল।

: অনুভাৰ লগত অনল বিশালৰ যোৰ পতা ক্ষেত্ৰত আমি ৰাইজ যিহেতু একমত,— সিহঁতৰো যিহেতু মনৰ মিল হৈছে তেনেস্থলত দেৱ প্ৰতিনিধিজনে যেন এই বিষয়ত বিঘ্নি পথালি নিদিয়ে। তদুপৰি নতুন ৰংপুৰৰ পৰা ডেৰকুৰিটা পৰিয়ালে ৰংপুৰত উপস্থিত হোৱাৰ পিছদিনাখনেই আমাৰ নিৰ্বাচিত তুইকুৰি পৰিয়ালে নতুন ৰংপুৰলৈ যাত্ৰা কৰিম। সিহঁতেতো খেতিৰ আগে আগে আহি পাবই। — বিক্ৰম বিকাশে পৰিস্থিতি আৰু বেয়াৰ পিনে ঢাল খোৱাটো বাঞ্ছা নকৰিলে।

পৱন চঞ্চল আৰু দেৱপ্ৰতিভূসকলক আৰু কোনো কথা কোৱাৰ সুবিধা নিদি ৰংপুৰীয়া ৰাইজে দেৱমন্দিৰলৈ গৈ সমবেতভাৱে দেৱতা সকলক প্ৰণিপাত কৰি নিজ বাসগৃহলৈ গতি কৰিলে।

স্তম্ভিত পৱন চঞ্চলে, দেৱপ্ৰতিভূ তোষামোদকাৰীৰ দলটিয়ে শিল পৰা কপৌৰ দৰে ঠাইতেই বহি থাকিল।

এই ঘটনাৰ পাছত মাথোন এদিন থাকি দেৱপ্ৰতিভূৰ দলটিয়ে নতুন ৰংপুৰলৈ প্ৰস্থান কৰিলে। তেওঁলোকে পৱন চঞ্চল, পুতেক তিনিজন আৰু অনুচৰবৰ্গক এক নতুন মন্ত্ৰেৰে দীক্ষিত কৰাই থৈ গ'ল।

দেৱপ্ৰতিভূসকলে ৰংপুৰৰপৰা প্ৰস্থান কৰাৰ কিছুদিন পাছৰে পৰা ৰংপুৰীয়া ৰাইজৰ ওপৰত দেৱপ্ৰতিনিধি পৱন চঞ্চলৰ দলৰ মানুহৰ অকথিত অত্যাচাৰ আৰম্ভ হ'ল। কিন্তু বিক্ৰম বিকাশৰ উপদেশ মতে মানুহবিলাকে সকলো অত্যাচাৰ নীৰৱে সহ্য কৰিলে। তুঁহ জুই কুৰাৰ ওচৰত মানুহে ভিৰ কৰিলে। ৰংপুৰৰ ইতিহাস বুজি পোৱা মানুহবিলাকক বিপ্লৱ বাহন আৰু অনল বিশাখে গুপুতে গুপুতে ৰংপুৰ কৰাৰ মহামন্ত্ৰটি শিকাই দিলে।

খেতিৰ বতৰত দৈৱিক প্ৰথাৰে খেতি কৰিবলৈ নতুন ৰংপুৰৰ পৰা ডেৰকুৰিটা পৰিয়ালৰ এজনো নাহিল। ৰাইজে পুৰণি প্ৰথাৰেই ধান বোৱা শেষ কৰিলে। ধানে থোক পেলাবৰ সময় হ'ল।

আহিন মাহৰ সেমেকা ৰাতিপুৱা এটিত - কালিকালগা শিলচটা আৰু আঁহত জোপাৰ ওচৰত—হঠাতে আচৰিত ৰবঢোল আৰু ৰবতালৰ উদ্দাম উত্তাল ছেৱে ৰংপুৰৰ চৌদিশ মুখৰিত কৰি তুলিলে। তোৰা-মোদকাৰীৰ দলটিয়ে দেৱমন্দিৰলৈ ঢাপলি মেলিলে। বাহিৰৰ অসহ্য কোলাহল শুনি দেৱপ্ৰতিনিধি পৱন চঞ্চল আৰু পৰিয়ালৰ আন লোক সকলো বাহিৰ ওলাই আহিল। ৰংপুৰ পথাৰৰ নতুন ধানৰ থোকটি কালিকা লগা শিলচটাত থৈ - কোনো দিনে নেদেখা ৰবঢোল আৰু ৰবতালৰ কোনো দিনে নুশুনা বন্য ছন্দৰ ছেৱে-ছেৱে শিলচটাক প্ৰদক্ষিণ কৰি নৃত্যৰত ৰংপুৰৰ আৱাল-বৃদ্ধ বণিতাক ভয়াৰ্ত অন্তৰেৰে তেওঁলোকে অৱলোকন কৰিলে।

সম্পূৰ্ণ এশবছৰৰ পাছত হাতৰ মুঠিত ৰংপুৰৰ পথাৰৰ নতুন ধানৰ থোকটি লৈ ৰংপুৰ ককাই মানৱ বিকাশ, আনন্দ প্ৰকাশ, ধ্যানৰাজক লগত লৈ ৰংপুৰীয়া ৰাইজৰ মাজত পুনৰ উপস্থিত হ'ল। শক্তি আৰু সাহস যোগাবলৈ উপস্থিত হ'ল – উমা ধ্যানৰাজৰ মাক আৰু হৈমৱতী।